PGPH S6 04(M)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন. ই.পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাষিক

প্ৰায়োগিক নীতিশাস্ত্ৰ

দৰ্শন

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক সৌৰভপ্ৰাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° সাবিত্রী দেৱী সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

ড° নৱ প্রসাদ নাথ, দর্শন বিভাগ, নগাওঁ বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড০ তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা য়োগাইছে	ভাষান্তৰকাৰী
১	ড° উর্মিমালা হাজৰিকা	বসন্ত ভূঞা
২	ড° সমীক্ষা গোহাঞি	মাইনু দেৱী বৰুৱা
৩	ড° তেজসা কলিতা	অর্নব শর্মা
৪	**নীলোৎপল ডেকা**	**মেঘনা চৌধুৰী**
৫	ড° নব প্রসাদ নাথ	গিতাঞ্জলী মেধি
৬	ড° ভি. প্রভু	ৰৌজমিন আখতাৰ
৭	সুদেষ্ণা চৌধুৰী	গিতাঞ্জলী মেধি
৮	ড° তেজসা কলিতা	ড° **নিভা ৰাণী ফুকন**
৯	ঋষিকা পাটগিৰী	ড° তেজসা কলিতা
১০	ড ° নব প্রসাদ নাথ	গিতাঞ্জলী মেধি
১১	ড° তেজসা কলিতা	ড° ৰূপজ্যোতি দত্ত
১২	ড° মানসী বৰা	ড° মানসী বৰা
১৩, ১৪	ড° ভাইওলিনা ডেকা	ড° ৰূপজ্যোতি দত্ত
১৫	ঋষিকা পাটগিৰী	ড° ৰূপজ্যোতি দত্ত

সম্পাদনা ঃ বিষয়বস্তু সম্পাদনা ঃ ড° তেজসা কলিতা, ড° ভাস্কৰ ভট্টাচার্য্য,
ভাষা সম্পাদনা ঃ ড° তেজসা কলিতা

গাঁথনিক সম্পাদনা ঃ ড° তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মার্চ, ২০২৬

ISBN : 978-93-89559-76-7

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭

নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২ Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা

দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

অধ্যায়		পৃষ্ঠা
অধ্যায় ১ ঃ	**প্রায়োগিক নীতিশাস্ত্রৰ প্রকৃতি আৰু প্রকাৰ** নীতিশাস্ত্রৰ ধাৰণা, নীতিশাস্ত্রৰ পৰিসৰ, প্রায়োগিক নীতিশাস্ত্রৰ প্রকৃতি, প্রায়োগিক নীতিশাস্ত্র আৰু দর্শন, প্রায়োগিক নীতিশাস্ত্র আৰু নীতিশাস্ত্র, প্রায়োগিক নীতিশাস্ত্র আৰু প্রায়োগিক দর্শন, প্রায়োগিক নীতিশাস্ত্রৰ বিভিন্ন দিশ, প্রায়োগিক নীতিশাস্ত্রৰ লগত জড়িত তিনিটা গুৰুত্বপূর্ণ মতবাদ, প্রায়োগিক নীতিশাস্ত্র আলোচনাৰ কিছুমান গুৰুত্বপূর্ণ নীতি	৯-২২
অধ্যায় ২ ঃ	**পৰিবেশীয় নৈতিকতা** পৰিবেশীয় নৈতিকতাৰ প্রকাশ, পৰিবেশীয় নৈতিকতাৰ পটভূমি	২৩-৩৩
অধ্যায় ৩ ঃ	**জৈৱ-নীতি শাস্ত্র** জৈৱ-নীতি শাস্ত্রৰ ধাৰণা, জৈৱ-নীতি শাস্ত্রৰ ইতিহাস, জৈৱ-নীতি শাস্ত্রৰ অর্থ আৰু সংজ্ঞা, জৈৱ-নীতি শাস্ত্রৰ বিভিন্ন পৰিসৰ	৩৪-৪০
অধ্যায় ৪ ঃ	**সংবাদ মাধ্যমৰ নীতি** সংবাদ মাধ্যম আৰু নীতিৰ গুৰুত্ব, সংবাদ মাধ্যমৰ নির্দেশক নীতি, **প্রত্যুত্তৰৰ অধিকাৰ**	৪১-৫১
অধ্যায় ৫ ঃ	**মৃত্যুদণ্ড** শাস্তিৰ তত্ত্ব, মৃত্যুদণ্ড কি, মৃত্যুদণ্ড বিষয়ক বিতর্ক ঃ মৃত্যুদণ্ড ন্যায়সংগতনে, ভাৰতত মৃত্যুদণ্ড, জীয়াই থকাৰ অধিকাৰ সপক্ষে যুক্তি	৫২-৬৪
অধ্যায় ৬ ঃ	**মানৱ অধিকাৰ** মানৱ অধিকাৰ কি, অধিকাৰ আৰু কর্তব্য, সমসাময়িক বির্তক	৬৫-৭৬
অধ্যায় ৭ ঃ	**জীৱ-জন্তুৰ অধিকাৰ** জীৱ-জন্তুৰ অধিকাৰ অর্থ আৰু সংজ্ঞা, জীৱ-জন্তুক অধিকাৰ প্রদানৰ ফলাফল, জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে থকা যুক্তি, জীৱ-জন্তুৰ অধিকাৰৰ বিপক্ষে থকা যুক্তি, নৈতিক সম্প্রদায়, উপান্ত লোকৰ সমস্যা	৭৭-৯২

অধ্যায় ৮ ঃ **গর্ভপাত** ৯৩-১০১
গর্ভপাতৰ অর্থ আৰু সংজ্ঞাসমূহ, গর্ভপাতৰ লগত জড়িত ধর্মীয়, সামাজিক-সাংস্কৃতিক আৰু বিষয়সমূহ, উপযোগিতাবাদ, কাণ্টীয় নীতিবিদ্যা আৰু গর্ভপাতৰ সমস্যা, গর্ভপাত আৰু সদাচাৰ আৰু যত্নৰ নীতিবিদ্যা, গর্ভপাতৰ নৈতিক আয়তন তথা প্রজনন সম্পর্কীয় বিষয় আৰু প্রযুক্তি

অধ্যায় ৯ ঃ **আত্মহত্যা** ১০২-১১০
আত্মহত্যাৰ বৈশিষ্ট্য, পাশ্চাত্য চিন্তাধাৰাৰ ঐতিহাসিক আলোকপাত, আত্মহত্যাৰ নৈতিকতা আৰু যুক্তিযুক্ততা

অধ্যায় ১০ ঃ **ইচ্ছামৃত্যুৰ প্রকৃতি** ১১১-১২৬
ইচ্ছামৃত্যু কি, ইচ্ছামৃত্যুৰ প্রকাৰ, ঐতিহাসিক পটভূমি, ইচ্ছামৃত্যু বিতর্ক, ন্যায়িক প্রস্থিতি, জীৱন নীতিৰ উৎকর্ষতা বনাম জীৱন নীতিৰ অলংঘণীয়তা, ইচ্ছামৃত্যু আৰু পৰম্পৰাগত নৈতিক প্রমূল্যসমূহ

অধ্যায় ১১ ঃ **নাৰীবাদী নীতিশাস্ত্র ঃ নাৰীৰ অধিকাৰ** ১২৭-১৩৬
নাৰীবাদৰী নীতিবিদ্যা বা চিন্তাৰ নীতিবিদ্যা, চিন্তাৰ নীতিবিদ্যা বা নাৰীবাদী আৰু কিছুসংখ্যক উল্লেখযোগ্য অৱদানকাৰী, নাৰীবাদী চিন্তাৰ নীতিবিদ্যা আৰু ইয়াৰ প্রয়োগ, চিন্তাৰ বা যত্নৰ নীতিবিদ্যা কিয়? জৈৱ চিকিৎসামূলক নীতিবিদ্যাৰ সৈতে সাধাৰণ সম্বন্ধ

অধ্যায় ১২ ঃ **ন্যায় আৰু সমতাৰ ধাৰণা** ১৩৭-১৪৬
মানৱ প্রকৃতি সম্পর্কে ৰুছোৰ দৃষ্টিভংগী, সামাজিক চুক্তি তত্ত্ব সম্পর্কে ৰুছোৰ দৃষ্টিভংগী, হবচ্, লক আৰু ৰুছোৰ তত্ত্বৰ সাদৃশ্য তথা প্রভেদ, সাধাৰণ ইচ্ছা সম্পর্কে ৰুছোৰ দৃষ্টিভংগী, সাধাৰণ মংগলৰ ধাৰণা

অধ্যায় ১৩ ঃ **পাৰিপার্শ্বিক নীতিশাস্ত্র ঃ বেদ, জৈন আৰু বুদ্ধৰ দৃষ্টিভংগী** ১৪৭-১৬৩
ধর্ম আৰু বিশ্বজনীন দৃষ্টিভঙ্গী, পাৰিপার্শ্বিক নীতিশাস্ত্র সম্পর্কীয় বৈদিক মতামত, জৈনধর্ম আৰু বৌদ্ধধর্ম, পাৰিপার্শ্বিক নীতিবিদ্যা সম্পর্কীয় জৈন মতবাদ, বুদ্ধৰ পাৰিপার্শ্বিক নীতিশাস্ত্র সম্পর্কীয় মতবাদ

অধ্যায় ১৪ ঃ পাৰিপার্শ্বিক নীতিশাস্ত্ৰ ঃ খ্ৰীষ্টান আৰু ইছলাম ১৬৪-১৭৭

পাৰিপার্শ্বিক নীতিশাস্ত্ৰ সম্পৰ্কে খ্ৰীষ্টানৰ মতামত, খ্ৰীষ্টান পৰম্পৰাৰ প্ৰকৃতি আৰু বিশ্বাস, পাৰিপার্শ্বিক নীতিবিদ্যা সম্পৰ্কে ইছলামৰ ধাৰণা, মানুহ আৰু প্ৰকৃতি সম্পৰ্কে ইছলামৰ ধাৰণা, ইছলামৰ সমসাময়িক পাৰিপার্শ্বিক বিচৰা, সমকালীন মুছলমান পৰিবেশবিদ সকলৰ আন্দোলন

অধ্যায় ১৫ ঃ যুদ্ধ আৰু ইয়াৰ নৈতিক তাৎপৰ্য ১৭৮-১৮৪

যুদ্ধৰ ধাৰণা, যুদ্ধৰ বিপক্ষে থকা যুক্তি, যুদ্ধৰ বিপক্ষে যুক্তি, যুদ্ধক নৈতিকভাৱে বিচাৰ কৰিব পাৰিনে নোৱাৰি

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়টিয়ে আপোনালোকক প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিষয়ে পৰিচয় কৰাই দিব। ইয়াত আপোনালোকে প্ৰায়োগিক তৰ্কবিদ্যাৰ ধাৰণা আৰু অৰ্থৰ বিষয়ে জানিব পাৰিব। তদুপৰি বিভিন্ন বিষয় যেনে- পৰিবেশ নীতিশাস্ত্ৰ, মানব অধিকাৰ, মৃত্যুদণ্ড, জৈৱিন নীতিশাস্ত্ৰ, নাৰীবাদি নীতিশাস্ত্ৰৰ বিষয়েও জানিব পাৰিব। এই পাঠ্য বিষয়টিয়ে কিছুমান অন্য বিষয় যেনে গৰ্ভপাত, ইচ্ছামৃত্যু আদিকো অন্তৰ্ভুক্ত কৰিব।

প্ৰথম অধ্যায়টো হ'ল '**প্ৰায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি আৰু প্ৰকাৰ**'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি নীতিশাস্ত্ৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব, নীতিশাস্ত্ৰৰ বিভিন্ন ধৰণৰ দিশ সম্পৰ্কে আলোচনা কৰিব পাৰিব, প্ৰায়োগিক নীতিশাস্ত্ৰ কি জানিব পাৰিব, আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰ আৰু অধিনীতিশাস্ত্ৰৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব, প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু দৰ্শনৰ মাজৰ পাৰ্থক্য বিচাৰ কৰিব পাৰিব, প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ কি সেই বিষয়ে আলোচনা কৰিব পাৰিব, প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শন সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব, প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

দ্বিতীয় অধ্যায়টো হ'ল পৰিবেশীয় নৈতিকতা . এই অধ্যায়টি অধ্যায়ন কৰি আপুনি পৰিবেশীয় নৈতিকতা মানে কি আৰু ইয়াৰ সমস্যা সম্পৰ্কে জানিব পাৰিব, পৰিবেশীয় নৈতিকতাৰ লগত সম্পৰ্কিত বিভিন্ন পটভূমিৰ সম্পৰ্কে জানিব পাৰিব, পৰিবেশীয় নৈতিকতাৰ মানৱকেন্দ্ৰিক আৰু অ-মানৱকেন্দ্ৰিক দৃষ্টিভংগীৰ আলোচনা কৰিব পাৰিব, পৰিবেশীয় নৈতিকতাৰ ওপৰত সমসাময়িক বিবাদ আৰু চিন্তাবিদ সকলৰ বৰঙনি সম্পৰ্কে জানিব পাৰিব, পৰিবেশীয় নৈতিকতাৰ সমস্যাসমূহৰ সমালোচনামুলক মুল্যাংকন কৰিব পাৰিব।

তৃতীয় অধ্যায়টো হ'ল জৈৱ-নীতি শাস্ত্ৰ ।এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জৈৱ-নীতি শাস্ত্ৰৰ ধাৰণা লাভ কৰিব, জৈৱ-নীতি শাস্ত্ৰৰ ইতিহাসৰ বিষয়ে অৱগত হ'ব, জৈৱ-নীতি শাস্ত্ৰৰ অৰ্থ আৰু সংজ্ঞা জানিব পাৰিব, জৈৱ-নীতি শাস্ত্ৰৰ বিভিন্ন পৰিসৰ সম্পৰ্কে জ্ঞান অৰ্জন কৰিব।

চতুৰ্থ অধ্যায়টো হ'ল সংবাদ মাধ্যমৰ নীতি। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সাংবাদিকতাৰ নীতিসমূহ বিশ্লেষণ কৰিব পাৰিব, সাংবাদিকতাৰ নীতিৰ মৌলিক আদৰ্শসমূহ আৰু সেইসমূহ কাৰ্যকৰী কৰাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব, কুম্ভিলক্ বৃত্তি (Plagiarism)ৰ বিষয়ে আলোচনা কৰিব পাৰিব, প্ৰত্যুত্তৰৰ অধিকাৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

পঞ্চম অধ্যায়টো হ'ল 'মৃত্যুদণ্ড'। অধ্যায়টি অধ্যয়ন কৰি আপুনি সংবাদ মাধ্যমত সঘনে আলোচিত মৃত্যুদণ্ডৰ বিষয়ে জানিব পাৰিব, ইয়াৰ দৰ্শনৰ মূলৰ সৈতে কি সম্পৰ্ক আছে বৰ্ণনা কৰিব পাৰিব, শাস্তিৰ বিভিন্ন তত্ত্ব বিশ্লেষণ কৰিব পাৰিব, মৃত্যুদণ্ডৰ ন্যায়সংগতাৰ সপক্ষে আৰু বিপক্ষে থকা সম্ভাব্য যুক্তিবোৰ বাহিৰ কৰিব পাৰিব, সাম্প্ৰতিক সামাজিক পৰিঘটনাত মৃত্যুদণ্ডৰ প্ৰাসংগিকতা আৰু উপযুক্ত প্ৰয়োগ বুজি পাব।

ষষ্ঠ অধ্যায়টো হ'ল 'মানৱ অধিকাৰ '। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি, মানৱ অধিকাৰ কি আৰু ইয়াৰ লগত জড়িত বিষয়সমূহ কি তাক চিনাক্ত কৰিব পাৰিব, মানৱ অধিকাৰৰ দাৰ্শনিক দিশসমূহৰ আলোচনা আগবঢ়াব পাৰিব, সামাজিক, বিধিগত আৰু ৰাজনৈতিক দৃষ্টিকোণৰ পৰা মানৱ অধিকাৰ কি তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব, অধিকাৰ আৰু কৰ্তব্যৰ মাজৰ সম্বন্ধ নিৰ্ণয় কৰিব পাৰিব, মানৱ অধিকাৰৰ এক সমালোচনাত্মক মূল্যায়ন আগবঢ়াব পাৰিব।

সপ্তম অধ্যায়টো হ'ল জীৱ-জন্তুৰ অধিকাৰ । এই অধ্যায়টি অধ্যয়ন কৰি আপুনি অধিকাৰৰ অর্থ আৰু জীৱ-জন্তুৰ সৈতে ইয়াৰ সম্পর্কৰ বিষয়ে জানিব পাৰিব, জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিবোৰৰ বিষয়ে জানিব পাৰিব, জীৱ-জন্তুৰ প্রতি কোনবোৰ আচৰণ কৰাতো ভুল সেয়া জানিব পাৰিব, নৈতিক সম্প্রদায়ৰ সদস্যসকলৰ জীৱনৰ মোল সম্পর্কেঅৱগত হ'ব, জীৱ-জন্তুৰ নৈতিক প্রস্থিতি আছেনে নাই জানিব পাৰিব।

অষ্টম অধ্যায়টো হ'ল **'গর্ভপাত '**। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি গর্ভপাতৰ অর্থ আৰু সংজ্ঞাৰ বিষয়ে জানিব, ৰ্ভভাতৰ লগত জড়িত ধর্মীয়, সামাজিক-সাংস্কৃতিক আৰু ন্যায়িক বিষয়সমূহ ব্যাখ্যা কৰিব পাৰিব. উপযোগিতাবাদ, কাণ্টীয় নীতিবিদ্যা আৰু গর্ভপাতৰ সমস্যাৰ বিষয়ে ধাৰণা লাভ কৰিব, গর্ভপাত আৰু সদাচাৰ আৰু যত্নৰ নীতিবিদ্যাৰ বিষয়ে জানিব, গর্ভপাতৰ নৈতিক আয়তন তথা প্রজনন সম্পর্কীয় বিষয় আৰু প্রযুক্তিৰ ব্যাখ্যা কৰিব পাৰিব।
নৱম অধ্যায়টো হ'ল 'আত্মহত্যা'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি আত্মহত্যাৰ ধাৰণা আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব, পাশ্চাত্য চিন্তাধাৰাৰ ইতিহাসৰ বিষয়ে জানিব পাৰিব, আত্মহত্যা নৈতিক আৰু যুক্তিক ভাৱে যুক্তিপূর্ণ হয়নে ব্যাখ্যা কৰিব পাৰিব, আত্মহত্যাৰ আধুনিক বিকাশ আৰু দার্শনিক চিন্তাধাৰাৰ বিষয়ে জানিব পাৰিব।

দশম **অধ্যায়টো হ'ল** 'ইচ্ছামৃত্যু'।**এই** অধ্যায়টি অধ্যয়ন কৰি আপুনি ইচ্ছামৃত্যুৰ সংজ্ঞা দাঙি ধৰাৰ লগতে ইয়াৰ বিভিন্ন দিশ ব্যাখ্যা কৰিব পাৰিব, ব্যৱহাৰিক নীতিশাস্ত্রৰ এক অংশ হিচাপে বিষয়টোৰ সৈতে জড়িত চিকিৎসা নীতিশাস্ত্র বুজিব পাৰিব, সমসাময়িক পৰিঘটনাৰ ব্যৱহাৰিক নীতি শাস্ত্রৰ এক জ্বলন্ত সমস্যা হিচাপে ইচ্ছামৃত্যুৰ তাৎপর্য বিশ্লেষণ কৰিব পাৰিব, ইচ্ছামৃত্যুৰ জীৱন নীতিৰ উৎকর্ষতা আৰু জীৱন নীতিৰ অলংঘনীয়তাৰ সৈতে থকা সম্পর্ক বর্ণনা কৰিব পাৰিব।

একাদশ **অধ্যায়টো হ'ল 'নাৰীবাদী নীতিশাস্ত্র ঃ নাৰীৰ অধিকাৰ**'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি নাৰীবাদী চিন্তাৰ নীতিবিদ্যা কি তাক জানিবলৈ সক্ষম হ'ব, নাৰীবাদী চিন্তাৰ নীতিবিদ্যাৰ কিছুমান উল্লেখনীয় অৱদানকাৰীৰ বিষয়ে জানিব পাৰিব, নাৰীবাদী চিন্তাৰ নীতিবিদ্যা আৰু ইয়াৰ প্রয়োগ ব্যাখ্যা কৰিব পাৰিব।

দ্বাদশ **অধ্যায়টো হ'ল 'ন্যায় আৰু সমতাৰ ধাৰণা**'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ন্যায় আৰু সমতাৰ ধাৰণা সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব, ন্যায় আৰু সমতাৰ ধাৰণাৰ অর্থ বুজিব পাৰিব, ন্যায় আৰু সমতাৰ মাজৰ সম্পর্ক জানিব পাৰিব, ন্যায় আৰু সমতাৰ ধাৰণা সম্পর্কে বিভিন্ন চিন্তাবিদৰ মতামতবোৰ জানিব পাৰিব।

ত্রয়োদশ **অধ্যায়টো হ'ল 'পাৰিপার্শ্বিক নীতিশাস্ত্র ঃ বেদ, জৈন আৰু বুদ্ধৰ দৃষ্টিভংগী**'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি পাৰিপার্শ্বিক নীতিবিদ্যা কি বর্ণনা কৰিবলৈ সক্ষম হ'ব, অমানবীয় পৃথিৱীখনত নীতি বিদ্যাৰ প্রসাৰতাৰ প্রয়োজনক বুজিবলৈ সক্ষম হ'ব, পাৰিপার্শ্বিক সজাগতা কিদৰে বিশ্বৰ গৰিষ্ঠসংখ্যক ধর্মীয় মতবাদে অনুপ্রেৰণা যোগায় তাক জানিবলৈ পাৰিব, প্রকৃতি আৰু পৰিবেশৰ ওপৰত হিন্দুৰ দৃষ্টিভঙ্গী পৰীক্ষা কৰিবলৈ পাৰিব, সমসাময়িক পাৰিপার্শ্বিক সমস্যাসমূহৰ ক্ষেত্রত বৌদ্ধ আৰু জৈন ধর্মৰ শিক্ষণক পৰীক্ষা কৰিবলৈ সক্ষম হ'ব।

চর্তুদশ অধ্যায়টো হ'ল **'পাৰিপার্শ্বিক নীতিশাস্ত্র ঃ খ্রীষ্টান আৰু ইছলাম**'। অধ্যায়টি অধ্যয়ন কৰি আপুনি মানৱ, প্রকৃতি আৰু ঈশ্বৰৰ মাজৰ সম্পর্কৰ ক্ষেত্রত খ্রীষ্টান মতবাদক পৰীক্ষা কৰিব পাৰিব, প্রকৃতিৰ লগত মানুহ সম্পর্কৰ ক্ষেত্রত খ্রীষ্টান ধর্মক আগুৰি থকা যুক্তিতর্কক বুজিব সক্ষম হ'ব, কেনেকৈ খ্রীষ্টান আৰু ইছলাম ধর্মৰ মৌলিক বিশেষত্ববোৰে পাৰিপার্শ্বিক সজাগতাক অনুপ্রেৰণা যোগায় তাক বুজিব পাৰিব, প্রকৃতি আৰু পৰিবেশৰ সম্বন্ধে ইছলামৰ মতবাদক পৰীক্ষা কৰিব পাৰিব, সমসাময়িক পৰিবেশমূলক সমস্যাৰ সমাধানৰ ইছলাম ধর্মৰ পাৰিপার্শ্বিক আন্দোলনৰ প্রভাৱক বুজিব পাৰিব।

পঞ্চদশ অধ্যায়টো হ'ল '**যুদ্ধ আৰু ইয়াৰ নৈতিক তাৎপর্য**'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি যুদ্ধ কি বুজিবলৈ সক্ষম হ'ব, যুদ্ধৰ ন্যায়সঙ্গত বিশ্লেষণ কৰিব পাৰিব, যুদ্ধৰ ঋণাত্মক প্রতিক্রিয়াক বিশ্লেষণ কৰিব পাৰিব, যুদ্ধ নৈতিকভাৱে উচিত হয়নে নহয় তাক বিচাৰ কৰিব পাৰিব, বিশ্লেষণাত্মক দর্শনত সমসাময়িক বিকাশৰ বিষয়ে জানিব পাৰিব।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ প্রায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি আৰু প্ৰকাৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ নীতিশাস্ত্ৰৰ ধাৰণা

১.৪ নীতিশাস্ত্ৰৰ পৰিসৰ

১.৫ প্রায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি

১.৬ প্রায়োগিক নীতিশাস্ত্র আৰু দর্শন

১.৭ প্রায়োগিক নীতিশাস্ত্র আৰু নীতিশাস্ত্র

১.৮ প্রায়োগিক নীতিশাস্ত্র আৰু প্রায়োগিক দর্শন

১.৯ প্রায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন দিশ

১.১০ প্রায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা গুৰুত্বপূর্ণ মতবাদ

১.১১ প্রায়োগিক নীতিশাস্ত্র আলোচনাৰ কিছুমান গুৰুত্বপূর্ণ নীতি

১.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১৩ অধিক জানিবলৈ

১.১৪ অগ্রগতিৰ খতিয়ান

১.১৫ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নীতিশাস্ত্ৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- নীতিশাস্ত্ৰৰ বিভিন্ন ধৰণৰ দিশ সম্পর্কে আলোচনা কৰিব পাৰিব
- প্রায়োগিক নীতিশাস্ত্র কি জানিব পাৰিব
- আদর্শনিষ্ঠ নীতিশাস্ত্র আৰু অধিনীতিশাস্ত্ৰৰ মাজৰ পার্থক্য নির্ণয় কৰিব পাৰিব
- প্রায়োগিক নীতিশাস্ত্র আৰু দর্শনৰ মাজৰ পার্থক্য বিচাৰ কৰিব পাৰিব
- প্রায়োগিক নীতিশাস্ত্র আৰু নীতিশাস্ত্র কি সেই বিষয়ে আলোচনা কৰিব পাৰিব
- প্রায়োগিক নীতিশাস্ত্র আৰু প্রায়োগিক দর্শন সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- প্রায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন দিশ সম্পর্কে আলোচনা কৰিব পাৰিব

- প্রায়োগিক নীতিশাস্ত্রৰ লগত জড়িত তিনিটা গুৰুত্বপূর্ণ মতবাদ বিশ্লেষণ কৰিব পাৰিব
- প্রায়োগিক নীতিশাস্ত্রৰ আলোচনাৰ কিছুমান নীতি মূল্যায়ন কৰিব পাৰিব।

১.২ পৰিচয়

প্রথমতে, এই অধ্যায়টোৱে আপোনাক নীতি বিজ্ঞানৰ সকলো ধাৰণা সম্পর্কে অৱগত কৰাব। নীতিবিজ্ঞানৰ তিনিটা পৰিসৰ হ'ল আদর্শনিষ্ঠ বিজ্ঞান, অধি-নীতি বিজ্ঞান, আৰু প্রায়োগিক বিজ্ঞান। এই অধ্যায়টোৱে নীতিবিজ্ঞানৰ প্রকৃতি কি আৰু বিভিন্ন দিশ সম্পর্কে বিশ্লেষণ কৰিছে। আমিও দর্শন আৰু প্রায়োগিক নীতিবিজ্ঞান, প্রায়োগিক নীতিবিজ্ঞান আৰু নীতিবিজ্ঞান মাজত থকা পার্থক্য পৰীক্ষা কৰিবলৈ চেষ্টা কৰিছো। ইয়াত নীতিবিজ্ঞানৰ লগত জড়িত তিনিটা মতবাদ আৰু কিছুমান গুৰুত্বপূর্ণ নীতিও আলোচনা কৰা হ'ব।

১.৩ নীতিবিজ্ঞানৰ ধাৰণা

নীতিবিজ্ঞান হ'ল দর্শনৰ এটা মূখ্য শাখা। নীতিবিজ্ঞান শব্দটো গ্রীক শব্দ 'Ethos' পৰা আহিছে, যাৰ অর্থ হ'ল ৰীতি নীতি বা অভ্যাস। নীতিবিজ্ঞানৰ মূখ্য কাম হ'ল মানুহে কি কৰা উচিত তাৰ ওপৰত আলোচনা আগবঢ়োৱা। গতিকে নীতিবিজ্ঞানক চৰিত্রৰ বিজ্ঞান, কর্মৰ অভ্যাস আৰু মানুহৰ আচৰণ সম্পর্কীয় বিজ্ঞান বুলি কোৱা হয়। নীতিশাস্ত্রই নৈতিক দর্শন আৰু দর্শন সম্বন্ধীয় নৈতিকতা, নৈতিক সমস্যা আৰু নৈতিক অবধাৰণৰ বিষয়ে অধ্যায়ন কৰে। গতিকে, আমি ক'ব পাৰো যে চৰিত্রৰ বিজ্ঞান হিচাপে নীতিশাস্ত্রই আমাৰ আচৰণৰ শুদ্ধ আৰু অশুদ্ধৰ ধাৰণা সম্পর্কে মতামত আগবঢ়াই এক সংশ্লেষণাত্মক দিশ দাঙি ধৰে।

১.৪ নীতিবিজ্ঞানৰ পৰিসৰ

সাধাৰণতে নীতিশাস্ত্রক তিনিটা ভাগত ভাগ কৰিব পাৰি— অধি-নীতিশাস্ত্র, আদর্শনিষ্ঠ নীতিশাস্ত্র আৰু প্রায়োগিক নীতিশাস্ত্র।

অধি-নীতিশাস্ত্র ঃ অধি-নীতিশাস্ত্র হ'ল এটা বিষয় যিয়ে নীতিশাস্ত্রৰ আকাৰৰ বিষয়ে অধ্যয়ন কৰে। অধিনীতিশাস্ত্রই নীতিশাস্ত্রৰ উৎস সম্পর্কে অনুসন্ধান কৰে য'ৰ পৰা নীতিশাস্ত্রৰ নীতি আহে আৰু সেইটোৱে কি বুজায়। অধি-নীতিশাস্ত্র এক প্রকাৰৰ দর্শন সম্বন্ধীয় অনুসন্ধানকাৰী মতবাদ, যাক বিশ্লেষণাত্মক নীতিশাস্ত্র বুলিও কোৱা হয়। অধি-নীতিশাস্ত্র আদর্শনিষ্ঠ নীতিশাস্ত্রৰ পৰা পৃথক। অধি-নীতিশাস্ত্র শব্দটোক প্রথমতে তর্কীয় প্রত্যক্ষবাদীসকলে চিনাক্ত কৰিছিল। অধি-নীতিশাস্ত্র প্রধানকৈ নৈতিক ধাৰণাৰ লগত জড়িত। 'অধিশাস্ত্র' পদটোৱে নির্দেশ কৰে যে আমি নীতি শাস্ত্রক ব্যৱহাৰিক অংশ হিচাপে লোৱা নাই। কিন্তু অধি-নীতিশাস্ত্রই সেই ব্যৱহাৰিক অংশকেই প্রতিফলিত কৰে। ই কোনো নৈতিক মানদণ্ড যোগানৰ লগত জড়িত নহয়। নীতিশাস্ত্রত বিভিন্ন ধৰণৰ নীতিসম্বন্ধীয় পদ বিশ্লেষণ কৰা হয়। এটা বিখ্যাত নৈতিক পদ 'ভাল'ৰ বিশ্লেষণ কৰা হয়। বিশ্বজনীন নৈতিক ভাষাৰ

সমস্যাবোৰ অধি-নীতিশাস্ত্রৰ পৰিসৰৰ লগত জড়িত হৈ থাকে। প্রশ্ন হ'ল কি প্রসংগত নৈতিকতা উদ্দেশ্য আৰু কর্তা, আপেক্ষিক আৰু পৰম এই সকলোবোৰ অধি-নীতিশাস্ত্র অন্তর্ভুক্ত।

আদর্শনিষ্ঠ নীতিশাস্ত্র ঃ নৈতিক মূল্য কেনেকৈ নির্দ্ধাৰণ কৰিব পাৰি তাৰ বিষয়ে আদর্শনিষ্ঠ নীতিবিজ্ঞানে অধ্যায়ন কৰে। আদর্শনিষ্ঠ নীতিবিজ্ঞানে নৈতিক মানদণ্ডেৰে কোনো এটা কামৰ শুদ্ধ আৰু অশুদ্ধ নির্ণয় কৰিবলৈ চেষ্টা কৰে। আদর্শনিষ্ঠ নীতিবিজ্ঞান সদায় কিছুমান মানদণ্ডৰ লগত জড়িত আৰু সেই মানদণ্ডৰ দ্বাৰা আমাৰ কামৰ মূল্যায়ন কৰে। ই যথাযথ নৈতিক মানদণ্ডৰ এক মতবাদ প্রদান কৰে যাৰ দ্বাৰা আমাৰ কামবোৰত প্রভাৱ পৰে।

প্রয়োগিক নীতিশাস্ত্র ঃ প্রায়োগিক নীতিশাস্ত্র হ'ল দর্শনৰ এক শাখা য'ত নৈতিক মতবাদসমূহ আমাৰ বাস্তৱ পৰিস্থিতিৰ লগত সংযুক্ত কৰিবলৈ চেষ্টা কৰে। প্রায়োগিক নীতিশাস্ত্রই নৈতিক মূল্যৰ বিষয়ে অধ্যয়ন কৰে। প্রায়োগিক নীতিশাস্ত্রই বিবাদ আৰু নৈতিক বিচার্য্যবোৰ দেখুৱাবলৈ চেষ্টা কৰে যেনে- জন্তুৰ অধিকাৰ, পাৰিপার্শ্বিক সচেতনতা, চিকিৎসা নীতিশাস্ত্র, প্রচাৰ-মাধ্যম নীতিশাস্ত্র, জীৱ নীতিশাস্ত্র ইত্যাদি।

১.৫ প্রায়োগিক নীতিশাস্ত্রৰ প্রকৃতি

প্রায়োগিক শব্দটোৰ অর্থ হ'ল— ব্যৱহাৰিক দিশলৈ নিয়া। প্রায়োগিক নীতিশাস্ত্র নীতিশাস্ত্রৰ পৰিসৰৰ অন্তর্ভুক্ত। প্রায়োগিক নীতিশাস্ত্র হ'ল দর্শনৰ এটা শাখা, যাৰ অর্থ হ'ল কর্মৰ দর্শন। এইটো এটা মতবাদ যি মানুহৰ জীৱনৰ নৈতিকভাৱে শুদ্ধ কর্মৰ লগত জড়িত। এই নৈতিক নীতিবোৰ ব্যৱহাৰিক জীৱনৰ নৈতিক সমস্যা সমাধানৰ বাবে প্রয়োগ কৰিবলৈ চেষ্টা কৰা হয়। গতিকে প্রায়োগিক নীতিশাস্ত্রই আমাৰ দৈনন্দিন জীৱনত নীতিশাস্ত্রৰ তাৎপর্য্যৰ নীতি নির্দেশ কৰে।

প্রায়োগিক নীতিশাস্ত্রই আমাৰ জীৱনত বিভিন্নধৰণে প্রভাৱ পেলায়, যেনে— সাংবাদিকতা, আইন, ঔষধ, যন্ত্রবিদ্যা, ব্যৱসায় ইত্যাদি। প্রায়োগিক নীতিশাস্ত্রক বিভিন্ন ধৰণৰ ব্যক্তিগত সমস্যা আৰু ব্যৱহাৰিক জীৱনৰ সমস্যা সমাধানৰ বাবে প্রয়োগ কৰা হয়। ই যিবোৰ নৈতিক সমস্যা আমাৰ জীৱনৰ লগত জড়িত সেইবোৰৰ সংজ্ঞা আৰু বর্ণনা কৰে। গতিকে, প্রায়োগিক নীতিশাস্ত্র প্রকৃত বাস্তৱ জগতৰ নৈতিক সমস্যাৰ অধ্যয়নৰ লগত জড়িত।

সমাজ প্রতিষ্ঠাপক ব্রেণ্ডা আলমণ্ডে প্রায়োগিক দর্শনৰ কৈছে যে, "প্রায়োগিক নীতিশাস্ত্র হ'ল এক দার্শনিক পৰীক্ষা, নৈতিক দিশৰ পৰা ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিশেষ বিশেষ সমস্যাবোৰ হৈছে কিছুমান নৈতিক অৱধাৰণৰ সমষ্টি"।

জানি থোৱা ভাল

ব্রেণ্ডা অলমণ্ড হাল বিশ্ববিদ্যালয়ৰ এগৰাকী নৈতিক আৰু সমাজ দর্শনৰ অধ্যাপক আছিল। তেওঁ লণ্ডণ বিশ্ববিদ্যালয়ত এ. জে. আয়াৰ অধীনত দর্শন অধ্যয়ন কৰিছিল। তেওঁ ইংলেণ্ডৰ দর্শন সম্বন্ধীয় সমাজৰ সভাপতি আৰু প্রাযোগিক দর্শন সমাজৰ উপসভাপতি আছিল। তেওঁৰ কিছুমান গ্রন্থ হ'ল— The Fragmenting Family, Exploring Ethics, Moral Concerns, The Philosophical Quest।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ তলত দিয়া বাক্যবোৰ সচাঁ নে মিছা বিচাৰ কৰক।

ক) নীতি বিজ্ঞান হল মানব আচৰণৰ বিজ্ঞান।

খ) নীতিবিজ্ঞানক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে।

গ) অধিনীতিশাস্ত্ৰই গৰ্ভপাত আৰু ইচ্ছামৃত্যুৰ সমাস্যাটোক সমাধান কৰিবলৈ চেষ্টা কৰিছে।

ঘ) প্ৰায়োগিক নীতিশাস্ত্ৰই প্ৰকৃত বাস্তৱ জগতৰ নৈতিক সমস্যাৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

প্ৰশ্ন ২ ঃ আদৰ্শনিষ্ঠ নীতিশাস্ত্ৰ আৰু অধিনীতিশাস্ত্ৰ মানে কি?

প্ৰশ্ন ৩ ঃ প্ৰায়োগিক নীতিবিজ্ঞানৰ প্ৰকৃতি সম্পৰ্কে লিখক।

প্ৰশ্ন ৪ ঃ নীতিবিজ্ঞানৰ তিনিটা পৰিসৰ বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ পাৰিপাৰ্শ্বিক প্ৰায়োগিক নীতিবিজ্ঞানৰ লগত জড়িত নৈতিক সমস্যাটোৰ নাম কি?

প্ৰশ্ন ৬ ঃ গ্ৰীক শব্দ 'Ethics' মানে কি?

১.৬ প্ৰায়োগিক নীতিবিজ্ঞান আৰু দৰ্শন

দৰ্শন শব্দটোৰ অৰ্থ হ'ল 'জ্ঞানৰ প্ৰতি অনুৰাগ'। দৰ্শন হ'ল সাধাৰণতে মানুহৰ মনৰ মনোভাৱ আৰু কৰ্ম। দৰ্শনক সকলো জ্ঞানৰ সমষ্টি বুলি বিবেচনা কৰা হয়। দৰ্শন হ'ল জীৱন ধাৰণ আৰু ভাবনাৰ দিশ। দাৰ্শনিক কৰ্মবিলাকক প্ৰজ্ঞা, সদগুণ বা আনন্দৰ অভিমুখে লৈ যোৱা উচিত। দৰ্শনৰ ইতিহাস মানৱ সভ্যতাৰ দৰে বহু পুৰণি। এজন দাৰ্শনিকৰ মূল কাম হ'ল এটা বস্তুৰ প্ৰকৃত প্ৰকৃতি উদ্‌ঘাটন কৰা। গতিকে, দৰ্শনে মানৱ চিন্তাৰ বিভিন্ন ধাৰণাৰ সমালোচনাত্মক আৰু বিশ্লেষণাত্মক দিশ আগবঢ়ায়।

প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ পৰা পৃথক নহয়। কাৰণ দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ দিশ হিচাপে প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ এটা অংশ। দৰ্শনে জীৱনৰ আদৰ্শৰ লগত জড়িত কিছুমান সমস্যা আলোচনা কৰে, শুদ্ধ কৰ্ম আদৰ্শ আৰু শুভ আৰু অশুভ মতবাদৰ আলোচনা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই কেৱল ধাৰণাই অধ্যয়ন নকৰে আৰু সাধাৰণ মতবাদৰ ভাল আৰু শুদ্ধ কৰ্মই অধ্যয়ন নকৰে কিন্তু এই সমস্যাবোৰৰ সমাধানৰ পথ আহৰণৰ চেষ্টা কৰে। আনহাতে, দৰ্শনে কেৱল নৈতিক সমস্যাৰ বিশ্লেষণ আৰু স্পষ্টীকৰণহে কৰে, কিন্তু এই সমস্যাবোৰৰ সমাধান উলিওৱাত সহায় কৰিব নোৱাৰে।

১.৭ প্রায়োগিক নীতিশাস্ত্র আৰু নীতিশাস্ত্র

দৰাচলতে নীতিশাস্ত্র হ'ল মানুহৰ আচৰণ বা অভ্যাসৰ বিজ্ঞান। এইটো এটা মানুহৰ অভ্যাসগত আচৰণৰ বিজ্ঞান। নীতিশাস্ত্রত বেছিকৈ আচৰণ, নৈতিকতা আৰু মানুহৰ চৰিত্রৰ ওপৰত গুৰুত্ব দিয়ে। নীতিশাস্ত্রই স্বাভাৱিক যুক্তিৰ (natural reasons) মাধ্যমেদি মানবীয় আচৰণৰ নৈতিক দিশসমূহ বিচাৰ কৰে। নীতিশাস্ত্রই মানুহৰ কর্মৰ দার্শনিক দিশৰ আলোচনা কৰে আৰু শুদ্ধ- অশুদ্ধৰ প্রশ্ন অৱতৰণা কৰে আৰু মানুহৰ কর্মৰ নৈতিক বিচাৰ কৰে।

গতিকে, নীতিশাস্ত্রই আমাৰ জীৱনৰ তাত্বিক দিশৰ নির্দেশ দিয়ে। কিন্তু প্রায়োগিক নীতিশাস্ত্রই প্রকৃত সত্যৰ অৱস্থাত কেনেকৈ নীতিবোৰ প্রয়োগ কৰিব পাৰি তাৰ ব্যৱহাৰিক নির্দেশ দিয়ে। গতিকে প্রায়োগিক নীতিশাস্ত্র হ'ল নীতিশাস্ত্রৰ পৰিসৰৰ এক বিশ্লেষণাত্মক, স্পষ্টীকৰণৰ দিশ আৰু ই নৈতিক সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰে।

১.৮ প্রায়োগিক নীতিশাস্ত্র আৰু প্রায়োগিক দর্শন

প্রায়োগিক শব্দটো হ'ল এটা কাৰিকৰী পদ যিয়ে বিভিন্ন ধৰণৰ নতুন দর্শন সম্বন্ধীয় বিষয়ৰ আলোচনা কৰে। 'প্রায়োগিক' শব্দৰ অর্থ হ'ল-ব্যৱহাৰিক দিশলৈ নিয়া। প্রায়োগিক নীতিশাস্ত্র বেছিকৈ নৈতিক আলোচনাৰ লগত জড়িত। কিন্তু প্রায়োগিক দর্শনত অধিবিদ্যামূলক, জ্ঞান মীমাংসামূলক আৰু নৈতিকমূলক আলোচনা কৰা হয়। প্রায়োগিক দর্শন দৈনন্দিন জীৱনৰ সমস্যাৰ দার্শনিক প্রয়োগৰ লগত জড়িত। প্রায়োগিক দর্শনে পৰাবিদ্যাৰ বিচার্যৰ নিচিনা প্রকৃতিৰ মুখ্য ঠাই, মানুহৰ প্রকৃতি, বিজ্ঞানৰ সামাজিক তাৎপর্য্য আৰু প্রযুক্তিবিজ্ঞানৰ পৰিৱর্তন বিষয়ে আলোচনা কৰে।

প্রায়োগিক নীতিশাস্ত্র নৈতিক বিবাদৰ সমাধানৰ লগত জড়িত। প্রায়োগিক নীতিশাস্ত্র আৰু প্রায়োগিক দর্শন এই দুয়োটা কেতিয়াবা একোটা অর্থত ব্যৱহাৰ কৰা হয়। কিন্তু প্রায়োগিক দর্শনৰ পৰিসৰ প্রায়োগিক নীতিশাস্ত্রৰ পৰিসৰতকৈ বহল। কাৰণ প্রায়োগিক দর্শনে অধিবিদ্যা, জ্ঞানবিদ্যা সম্পর্কীয় আলোচনা আৰু নৈতিক ভাব আদি সামৰি লয়। কিন্তু প্রায়োগিক নীতিশাস্ত্রই অকল আমাৰ জীৱনৰ নৈতিক ভাবৰ বিষয়ে আলোচনা কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ প্রায়োগিক নীতিশাস্ত্রৰ লগত জড়িত কিছুমান নৈতিক সমস্যা উল্লেখ কৰক।

প্রশ্ন ৮ ঃ নীতিশাস্ত্রক দর্শনৰ পৰা পৃথক কৰিব পাৰিনে?

১.৯ প্রায়োগিক নীতিশাস্ত্রৰ বিভিন্ন দিশ

প্রায়োগিক নীতিশাস্ত্রৰ বিভিন্ন ধৰণৰ দিশ আছে। তাৰ কিছুমান উল্লেখ কৰা হ'ল—

- জন্তুৰ নীতিশাস্ত্ৰ
- জীৱ নীতিশাস্ত্ৰ
- ব্যৱসায় নীতিশাস্ত্ৰ
- কম্পিউটাৰ নীতিশাস্ত্ৰ
- শৈক্ষিক নীতিশাস্ত্ৰ
- পৰিবেশ নীতিশাস্ত্ৰ
- মানব অধিকাৰ সমস্যা
- আন্তৰাষ্ট্ৰীয় নীতিশাস্ত্ৰ
- বিধি সম্বন্ধীয় নীতিশাস্ত্ৰ
- বজাৰ সম্পৰ্কীয় নীতিশাস্ত্ৰ
- প্ৰচাৰ-মাধ্যম নীতিশাস্ত্ৰ
- চিকিৎসা নীতিশাস্ত্ৰ
- সামৰিক নীতিশাস্ত্ৰ
- স্নায়ু নীতিশাস্ত্ৰ
- লোক প্ৰশাসনীয়
- গৱেষণাৰ নীতিশাস্ত্ৰ
- যৌন নীতিশাস্ত্ৰ
- সামাজিক কৰ্মত নীতিশাস্ত্ৰ
- খেলৰ নীতিশাস্ত্ৰ

➢ জন্তুৰ নীতিশাস্ত্ৰ

জন্তুৰ নীতিশাস্ত্ৰৰ মুখ্য ধাৰণা হ'ল যে— অ-মানবীয় জন্তুবোৰকো মানবীয় দিশেৰে বিবেচনা কৰা উচিত। মৰাশ ফালি দেখুওৱাৰ কাৰণে পৰীক্ষাগাৰত জন্তুৰ ব্যৱহাৰ কৰা হয়। এইটো প্ৰতিজন মানুহৰ জীৱৰ প্ৰতি কৰ্তব্য থকা উচিত যাতি জন্তু বোৰকো দয়াৰ মনোভাবেৰে চোৱা হয়।

➢ জীৱ নীতিশাস্ত্ৰ

দৰাচলতে জীৱ নীতিশাস্ত্ৰ মানে হ'ল জীৱনৰ নীতিশাস্ত্ৰ। এইটো অধ্যয়নৰ এটা বহল দিশ আৰু বহল শাখা। জীৱ নীতিশাস্ত্ৰ হ'ল নৈতিক সমস্যাৰ এক শাখা য'ত ঔষধ আৰু জীৱবিজ্ঞানৰ নব্য বিকাশৰ ফলত হোৱা সমস্যাৰ আলোচনা কৰা হয়। ভাল আৰু শুদ্ধ কি আৰু শান্তিৰ জীৱন কি তাক জীৱ নীতিশাস্ত্ৰই জনাত আমাক সহায় কৰে। এইটোৱে জীৱন মৰমীয়াল আৰু মানুহে শান্তিত জীৱন ধাৰণ কৰিবলৈ পৰিবেশৰ লগত ঐকতা গঢ়াত সহায় কৰে। এই গোটেই সমষ্টিয়ে হ'ল জীৱ নীতিশাস্ত্ৰ। জীৱ নীতিশাস্ত্ৰ শিক্ষাই মানুহৰ জীৱনৰ গুণৰ উন্নতি কৰিবলৈ

জোৰ দিয়ে। জীৱ নীতিশাস্ত্ৰৰ কিছুমান গুৰুত্বপূৰ্ণ বিষয় আছে, যেনে— গৰ্ভপাত, ইচ্ছামৃত্যু, জীৱপ্ৰযুক্তিবিদ্যা, জন্ম নিয়ন্ত্ৰন বিদ্যা, অক্ষম অধিকাৰ, জন্ম বিষয়ক গৱেষণা আৰু মানসিক স্বাস্থ্য ইত্যাদি।

- **ব্যৱসায় নীতিশাস্ত্ৰ**

ব্যৱসায়ত ব্যৱহৃত হৈ থকা নৈতিক বিতৰ্কৰ লগত জড়িত সামাজিক আৰু মানসিক দায়িত্ব পৰীক্ষা ব্যৱসায় নীতিশাস্ত্ৰই কৰে। ব্যৱহাৰিক বেপাৰৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা আৰু সংকট ব্যৱসায় নীতিশাস্ত্ৰই বিশ্লেষণ কৰে। ব্যৱসায় নীতিশাস্ত্ৰই নীতিৰ প্ৰশ্নৰ ওপৰত বেছিকৈ মনোযোগ দিয়ে। ব্যৱসায়ৰ ক্ষেত্ৰত দেখা দিয়া সকলো সমস্যা নৈতিকভাৱে আলোচনা কৰিব লাগে।

- **কম্পিউটাৰ নীতিশাস্ত্ৰ**

কম্পিউটাৰৰ দিশটো বৰ বহল। এই দিশটোত বহুতো সমস্যাৰ সন্মুখীন হোৱা দেখা যায় যিবোৰ নৈতিকভাৱে আলোচনা কৰা উচিত। প্ৰায়োগিক নীতিশাস্ত্ৰৰ দিশ হিচাপে কম্পিউটাৰ নীতিশাস্ত্ৰই আমাক বৃত্তিগত আৰু সামাজিক কামবোৰৰ এটা সঠিক সিদ্ধান্তলৈ অহাত সহায় কৰে।

- **শৈক্ষিক নীতিশাস্ত্ৰ**

ব্যক্তিৰ মন আৰু আত্মাৰ সৰ্বাংগীন বিকাশৰ দ্বাৰা সৎ ভাৱে জীৱন-যাপন কৰোৱা শিক্ষাৰ মূল উদ্দেশ্য হোৱা উচিত। শিক্ষাৰ দিশৰ পৰা শৈক্ষিক নীতিশাস্ত্ৰই নৈতিক সংকট চিনাক্ত কৰে আৰু বৈকল্পিক সমাধান উলিয়ায়।

- **পৰিবেশ নীতিশাস্ত্ৰ**

মানুহৰ লগত পৰিবেশৰ নৈতিক সম্পৰ্ক পৰিবেশ নীতিশাস্ত্ৰই অধ্যায়ন কৰে। পৰিবেশ নীতিশাস্ত্ৰৰ মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ ওপৰত জীৱনৰ সংৰক্ষন। পৰিবেশ নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এটা নতুন বিষয় আৰু এইটো ১৯৭০ চনত প্ৰকাশ লাভ কৰে। ব্যৱহাৰিক আৰু মানুহৰ নৈতিক সচেতনতা ৰক্ষা কৰাই হ'ল প্ৰাকৃতিক পৰিবেশৰ সংৰক্ষণ। পৰিবেশ নীতিশাস্ত্ৰৰ মুখ্য উদ্দেশ্য হ'ল ইয়াৰ মতবাদৰ সহায় উপস্থাপন কৰা। প্ৰকৃতিয়ে আমাক বতৰ, পানী, খাদ্য, বায়ু, ঠাই ইত্যাদিৰ যোগান ধৰিছে। আজিৰ যুগত আমি বহুতো পৰিবেশীয় সমস্যাৰ সন্মুখীন হওঁ যেনে— গোলকীয় উষ্ণতা, বননি ধ্বংসকৰণ, জৈৱবৈচিত্ৰতাৰ ধ্বংস ইত্যাদি। গতিকে এইটো, পৰিবেশ সংৰক্ষন কৰাটো আমাৰ কৰ্তব্য। এইটোৱে হ'ল পৰিবেশ নীতিশাস্ত্ৰৰ মূল লক্ষ্য।

- **আতিথ্য নীতিশাস্ত্ৰ**

অতিথি সৎকাৰ হ'ল আলহী আৰু অতিথিৰ মাজত থকা সম্পৰ্ক। অতিথি সৎকাৰ নীতিশাস্ত্ৰ হ'ল এটা শাসন (discipline) যিয়ে প্ৰকৃত জীৱনৰ অৱস্থাত কেনেকৈ অতিথি সৎকাৰৰ ব্যৱহাৰ আৰু প্ৰয়োগ কৰিব পাৰি তাৰ অধ্যয়ন কৰে। ইয়াৰ অৰ্থ হ'ল কেনেকৈ অতিথি আৰু আলহীৰ মাজত থকা উদাৰ আৰু বন্ধুৰ সম্পৰ্ক ৰক্ষা কৰা উচিত।

- **মানৱ অধিকাৰ সমস্যা**

মানব অধিকাৰ হ'ল সকলো মানুহৰ মৌলিক অধিকাৰ আৰু স্বাধীনতা। মানব অধিকাৰ শিক্ষাই মানুহক সকাৰাত্মক ব্যক্তিত্বৰ বিকাশেৰে মানব ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশত সহায় কৰে। মানব অধিকাৰ সমস্যাৰ লগত

জড়িত হৈ থাকে- লিংগ নীতিশাস্ত্ৰ, যৌনবাদ , শ্ৰেণীবাদ, জাতিবাদ, মৃত্যুদণ্ড আদি। প্ৰায়োগিক নীতিশাস্ত্ৰই আমাক এই বিষয়বোৰৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা সমাধান কৰাত সহায় কৰে।

- **আন্তঃৰাষ্ট্ৰীয় নীতিশাস্ত্ৰ**

আন্তঃৰাষ্ট্ৰীয় নীতিশাস্ত্ৰ ৰাষ্ট্ৰ আৰু বৰ্তমান যুগৰ গোলকীকৰণৰ নৈতিক কৰ্তব্যৰ লগত জড়িত। আন্তঃৰাষ্ট্ৰীয় নীতিশাস্ত্ৰই এইবোৰৰ মাজত হোৱা বিৰোধবোৰৰ বিধান নিৰ্ণয় কৰে আৰু কেনেকৈ নৈতিক ফলাফল আনিব পাৰি তাক দেখুৱায়।

- **বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰ**

বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰই নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দিয়ে যিয়ে ব্যৱহাৰিক আইন আৰু বিধি সম্পৰ্কীয় ক্ষেত্ৰত মানুহৰ আচৰণ কেনেকৈ জড়িত হৈ থাকে তাৰ আদেশ দিয়ে। বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰই ব্যৱহাৰিক আইনৰ শুদ্ধ কি আৰু ভূল কি, ভাল আৰু বেয়া কি সেই তাৎপৰ্য্যৰ বিষয়ে অধ্যয়ন কৰে। বিধি সম্পৰ্কীয় নীতিশাস্ত্ৰই কিছুমান বিধি প্ৰদান কৰে যাৰ দ্বাৰা উকীল আৰু জনসাধাৰণ সুৰক্ষিত হয়।

- **বজাৰ সম্পৰ্কীয় নীতিশাস্ত্ৰ**

বজাৰ সম্পৰ্কীয় নীতিশাস্ত্ৰ হ'ল প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰৰ এটা শাখা যিটোৱে বজাৰীকৰণৰ ব্যৱহাৰ আৰু বিধিবোৰৰ আঁৰত থকা নৈতিক নীতিবোৰ যোগান ধৰে।

- **প্ৰচাৰ মাধ্যম নীতিশাস্ত্ৰ**

প্ৰচাৰ মাধ্যম নীতিশাস্ত্ৰই অনাতাঁৰ মাধ্যম দিশৰ মুখ্য নৈতিক নীতিবোৰ বিশ্লেষণ আৰু পৰীক্ষা কৰে, (যোগাযোগ, বিশেষকৈ দূৰদৰ্শন, ৰেডিঅ' আৰু বাতৰিকাকত) চিনেমা, মঞ্চ, সাংবাদিকতা ইত্যাদি। প্ৰচাৰ মাধ্যমৰ মানুহ আৰু সাংবাদিকসকলে বিভিন্ন ধৰণৰ দাবীৰ সন্মুখীন হ'ব লগা হয় আৰু প্ৰচাৰ মাধ্যম নীতিশাস্ত্ৰ আৰু সাংবাদিকতাই নৈতিক নীতিবোৰ আৰু ভাল ব্যৱহাৰবোৰ অন্তৰ্ভুক্ত কৰে যিটোৱে প্ৰচাৰ মাধ্যম মানুহক আৰু সাংবাদিকলে সন্মুখীন হোৱা বিভিন্ন ধৰণৰ সমস্যা সমাধান কৰিবলৈ সহায় কৰে।

- **চিকিৎসা নীতিশাস্ত্ৰ**

চিকিৎসা নীতিশাস্ত্ৰ হ'ল প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। এইটো মুখ্যতঃ আৰু চিকিৎসা বৃত্তিৰ লগত জড়িত নৈতিক সমস্যাবোৰৰ সাধাৰণ নীতিবোৰৰ তাৎপৰ্য্যৰ লগত জড়িত। চিকিৎসা নীতিশাস্ত্ৰই ঔষধৰ দিশৰ ক্ষেত্ৰত কেনেকৈ নৈতিক সিদ্ধান্তবোৰৰ পথ নিৰ্ধাৰণ কৰে তাৰ বিশ্লেষণ কৰে। চিকিৎসা বৃত্তিত মানৱ জীৱনৰ লগত জড়িত বিভিন্ন সমস্যাৰ মানৱীয় জ্ঞানৰ সন্ধান দিয়ে। চিকিৎসা বিষয়ক নৈতিক সমস্যাবোৰৰ সমাধানত চিকিৎসা নীতিশাস্ত্ৰই সহায় কৰে।

- **সামৰিক নীতিশাস্ত্ৰ**

সামৰিক বাহিনীৰ সদস্যসমূহৰ এক নিয়মানুবৰ্তিতাপূৰ্ণ জীৱন হোৱা উচিত। সামৰিক বাহিনীৰ পৌৰাণিক নিয়মত প্ৰতিষ্ঠিত হোৱা ৰীতি-নীতিত সদস্যসকলে কাম কৰিব লাগে। সামৰিক নীতিশাস্ত্ৰত কিছুমান নীতি আৰু

দৰ্শন অন্তৰ্ভুক্ত হৈ থাকে যিবোৰে সামৰিক বাহিনীৰ সদস্যসকলক নৈতিক ভাবে নিয়মানুবৰ্তিতাপূৰ্ণ জীৱন-নিৰ্বাহ কৰাত সহায় কৰে।

- **স্নায়ু নীতিশাস্ত্ৰ**

স্নায়ু নীতিশাস্ত্ৰ হ'ল এটা ঔষধৰ শাখা আৰু জীৱবিজ্ঞান পদ্ধতিৰ লগত জড়িত। স্নায়ু নীতিশাস্ত্ৰ হ'ল স্নায়ু বিজ্ঞানৰ নীতিশাস্ত্ৰ। স্নায়ু বিজ্ঞানৰ দিশত বহুতো বিকাশ হোৱা দেখা গৈছে। স্নায়ু নীতিশাস্ত্ৰ স্নায়ু বিজ্ঞানৰ উন্নতিৰ সম্পৰ্কিত নৈতিক বিচাৰ লগত জড়িত আৰু ই সমস্যা সমাধানৰ গ্ৰহণযোগ্য চেষ্টা আগবঢ়ায়।

- **লোক প্ৰশাসন**

লোক প্ৰশাসনত প্ৰশাসক আৰু লোকৰ মাজত আন্তৰিক সম্পৰ্ক ৰক্ষা কৰা উচিত। সদায় কৰ্তব্যৰ সময়ত লোক প্ৰশাসকে কৰ্মচাৰীৰ লগত নৈতিক আচৰণ প্ৰতিষ্ঠা কৰিব লাগে আৰু ৰক্ষা কৰিব লাগে। লোক প্ৰশাসনীয় নীতিশাস্ত্ৰই নৈতিক নীতিৰ ওপৰত নিৰ্ভৰ কৰি সিদ্ধান্তবোৰ দিবলৈ চেষ্টা কৰে যিবোৰ সাধাৰণ লোকে গ্ৰহণযোগ্য বুলি মানি লয়।

- **গৱেষণাৰ নীতিশাস্ত্ৰ**

গৱেষণাত এটা ঘটনা প্ৰতিষ্ঠা আৰু নতুন সিদ্ধান্ত পাবলৈ এটা শৃংখলাবদ্ধ অনুসন্ধান তৈয়াৰ কৰা উচিত। গতিকে, গৱেষণাৰ দ্বাৰা মানুহৰ অধিকাৰ আৰু ইয়াৰ উপৰিও তেওঁলোকৰ গোপনীয়তা ৰক্ষা কৰা উচিত। গৱেষণা নীতিশাস্ত্ৰ গৱেষণাৰ লগত সম্পৰ্কীত নৈতিক নীতিৰ লগত জড়িত। এইটোৱে গৱেষণাকাৰীৰ ৰক্ষণাবেক্ষণৰ কাৰণে বিধি নিয়ম আগবঢ়ায়।

- **যৌন নীতিশাস্ত্ৰ**

যৌন নীতিশাস্ত্ৰই এক বিবাহ আৰু বহুবিবাহ, প্ৰেমহীন যৌন সম্পৰ্ক, একেলিংগৰ যৌন সম্পৰ্ক আৰু বিবাহৰ পিছৰ প্ৰেমৰ সম্পৰ্ক আদি আলোচনা কৰে। যেতিয়া কিছুমান সংঘাতপূৰ্ণ অৱস্থাৰ উদ্ভৱ হয় তেতিয়া যৌন নীতিশাস্ত্ৰই এই সমস্যাবোৰ সমাধান কৰিবলৈ বিধি প্ৰয়োগ কৰে।

- **খেলৰ নীতিশাস্ত্ৰ**

খেলৰ দিশৰ ক্ষেত্ৰত যি নৈতিক বিচাৰ আৰু সমস্যাৰ উদ্ভৱ হয় সেয়াই হ'ল খেলৰ নীতিশাস্ত্ৰ। এটা ভাল জীৱন গঢ়িবলৈ আৰু বিখ্যাত খেলৰ মানুহ হ'বলৈ খেলত নীতিশাস্ত্ৰৰ জ্ঞান আৱশ্যক। খেলৰ শিক্ষাই কিছুমান নৈতিক মূল্য প্ৰদান কৰে, যেনে— মানৱীয়তা, সম্বন্ধ, সহযোগিতা, একতা আদি। খেলৰ নীতিশাস্ত্ৰই খেলুৱৈৰ ব্যক্তিক সমস্যা সমাধানৰ বাবে নৈতিক নীতি প্ৰদান কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ তিনিটা দিশ আঙুলিয়াই দিয়ক।

প্ৰশ্ন ১০ ঃ জীৱ নীতিশাস্ত্ৰ বুলিলে কি বুজায়?

প্রশ্ন ১১ ঃ জীৱ নীতিশাস্ত্ৰৰ তিনিটা গুৰুত্বপূৰ্ণ সমস্যা উল্লেখ কৰক।

প্রশ্ন ১২ ঃ পৰিবেশীয় নৈতিকতা কাক বোলে?

প্রশ্ন ১৩ ঃ পৰিবেশ সম্পৰ্কীয় সমস্যাৰ কিছুমান উদাহৰণ দিয়ক।

প্রশ্ন ১৪ ঃ তলৰ বাক্যবোৰৰ শুদ্ধ বা অশুদ্ধ লিখক।

ক) দৰ্শনে মানৱ চিন্তাৰ বিভিন্ন ধাৰণাৰ সমালোচনাত্মক আৰু বিশ্লেষণাত্মক দিশ আগবঢ়ায়।

খ) প্রায়োগিক দৰ্শনৰ পৰিসৰ প্রায়োগিকনীতিশাস্ত্ৰৰ পৰিসৰতকৈ বহল নহয়।

গ) প্রায়োগিক নীতিশাস্ত্ৰই আমাৰ দৈনন্দিন জীৱনত নীতিশাস্ত্ৰৰ তাৎপৰ্য্যৰ নীতি নিৰ্দেশ কৰে।

প্রশ্ন ১৫ ঃ প্রায়োগিক নীতিশাস্ত্ৰ আৰু প্রায়োগিক দৰ্শনৰ মাজৰ মূল পাৰ্থক্যটো কি?

প্রশ্ন ১৬ ঃ 'প্রায়োগিক' শব্দটোৰ অৰ্থ কি?

প্রশ্ন ১৭ ঃ প্রায়োগিক নীতিশাস্ত্ৰৰ পাঁচটা বিষয়ক্ষেত্ৰৰ নাম উল্লেখ কৰক।

১.১০ প্রায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা মতবাদ

উপযোগিতাবাদ, কৰ্তব্যমূলক নীতিশাস্ত্ৰ আৰু সদগুণ নীতিশাস্ত্ৰ হ'ল প্রায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত তিনিটা মতবাদ।

➢ উপযোগিতাবাদ

যি নৈতিক মতবাদ অনুসৰি সৰ্বাধিক কল্যাণ সাধনেই মানৱ জীৱনৰ পৰম আদৰ্শ, তাকে উপযোগিতাবাদ বোলে। উপযোগিতাবাদৰ মতে, যি কৰ্মই সৰ্বসাধাৰণৰ কল্যাণ কৰে সি ভাল কাম আৰু যি কৰ্মই সৰ্বসাধাৰণৰ কল্যাণ নকৰে সি বেয়া কাম।

➢ কৰ্তব্যমূলক নীতিশাস্ত্ৰ

ই নিয়মৰ ওপৰত নিৰ্ভৰশীল। এইটো এটা শুদ্ধভাবে কাম কৰাৰ নৈতিক বাধ্যতাবোধ। ই প্রকৃততে ফলৰ ওপৰত গুৰুত্ব প্রদান নকৰে। কৰ্তব্যমূলক নীতিশাস্ত্ৰক কেতিয়াবা কৰ্তব্য নীতিশাস্ত্ৰ বুলিও জনা যায়।

➢ সদগুণ নীতিশাস্ত্ৰ

সদগুণ নীতিশাস্ত্ৰ হ'ল পাশ্চত্য দৰ্শনৰ এক পুৰণি আদৰ্শনিষ্ঠ ধাৰণা। এইটো এৰিষ্টটলৰ নীতিশাস্ত্ৰৰ পৰা উদ্ভৱ হৈছে। সদগুণ নীতিশাস্ত্ৰই ব্যক্তিৰ নৈতিক আচৰণৰ ওপৰত গুৰুত্ব দিছে আৰু নৈতিক দৰ্শনৰ সদগুণৰ ওপৰত গুৰুত্ব দিছে। এই মতবাদ অনুসৰি আমি কিছুমান গুণৰ অধিকাৰী হোৱা উচিত। আমাৰ সদগুণসমূহ কৰ্মৰ মাজেদি প্রকাশিত হোৱা উচিত।

১.১১ প্ৰায়োগিক নীতিশাস্ত্ৰৰ আলোচনাৰ কিছুমান গুৰুত্বপূৰ্ণ নীতি

- ব্যক্তিগত উপকাৰ— ব্যক্তিগত উপকাৰ কৰ্মই কেৱল ব্যক্তিৰ উপকাৰ সাধন কৰে।
- সামাজিক উপকাৰ— সামাজিক উপকাৰ কৰ্মই সামূহিকভাৱে সমাজৰ উপকাৰ সাধন কৰে।
- সংগুণৰ নীতি— এই নীতিয়ে প্ৰয়োজনত লগা সকলোকে সহায় কৰে।
- পিতৃপ্ৰধান নীতি— আগ্ৰহকাৰীৰ আগ্ৰহ পূৰ্ণ কৰাত পথ প্ৰদৰ্শক হিচাপে এই নীতিয়ে সহায় কৰে।
- ক্ষতিৰ নীতি— আনক ক্ষতি নকৰা।
- সততাৰ নীতি— আনক প্ৰৱঞ্চনা নকৰা।
- আইনৰ নীতি— আইন ভংগ নকৰা।
- স্বায়ত্বৰ নীতি— অধিকাৰৰ সম বিতৰণৰ ক্ষেত্ৰত এই নীতিয়ে ব্যক্তিৰ অধিকাৰক অগ্ৰাধিকাৰ দিয়ে।
- অধিকাৰ— ই ব্যক্তিৰ জীয়াই থকাৰ অধিকাৰ, তথ্য জনাৰ অধিকাৰ আদিৰ লগত জড়িত।

১.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নীতিবিজ্ঞান হ'ল দৰ্শনৰ এটা মূখ্য শাখা আৰু ই মানুহৰ আচৰণ সম্পৰ্কীয় বিজ্ঞান।
- অধি-নীতিশাস্ত্ৰ হ'ল এটা বিষয় যিয়ে নীতিশাস্ত্ৰৰ আকাৰৰ বিষয়ে অধ্যয়ন কৰে। অধিনীতিশাস্ত্ৰই নীতিশাস্ত্ৰৰ উৎস সম্পৰ্কে অনুসন্ধান কৰে য'ৰ পৰা নীতিশাস্ত্ৰৰ নীতি আহে আৰু সেইটোৱে কি বুজায়। অধি-নীতিশাস্ত্ৰ এক প্ৰকাৰৰ দৰ্শন সম্বন্ধীয় অনুসন্ধানকাৰী মতবাদ, যাক বিশ্লেষণাত্মক নীতিশাস্ত্ৰ বুলিও কোৱা হয়।
- নৈতিক মূল্য কেনেকৈ নিৰ্দ্ধাৰণ কৰিব পাৰি তাৰ বিষয়ে আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে অধ্যায়ন কৰে। আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে নৈতিক মানদণ্ডেৰে কোনো এটা কামৰ শুদ্ধ আৰু অশুদ্ধ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰে।
- প্ৰয়োগিক নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এক শাখা য'ত নৈতিক মতবাদসমূহ আমাৰ বাস্তৱ পৰিস্থিতিৰ লগত সংযুক্ত কৰিবলৈ চেষ্টা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই নৈতিক মূল্যৰ বিষয়ে অধ্যয়ন কৰে।
- প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ পৰা পৃথক নহয়। কাৰণ দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ দিশ হিচাপে প্ৰায়োগিক নীতিশাস্ত্ৰ দৰ্শনৰ এটা অংশ। দৰ্শনে জীৱনৰ আদৰ্শৰ লগত জড়িত কিছুমান সমস্যা আলোচনা কৰে, শুদ্ধ কৰ্ম, আদৰ্শ আৰু শুভ আৰু অশুভ মতবাদৰ আলোচনা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই কেৱল ধাৰণাই অধ্যয়ন নকৰে আৰু সাধাৰণ মতবাদৰ ভাল আৰু শুদ্ধ কৰ্মই অধ্যয়ন নকৰে কিন্তু এই সমস্যাবোৰৰ সমাধানৰপথ আহৰণৰ চেষ্টা কৰে।
- প্ৰায়োগিক দৰ্শনত অধিবিদ্যামূলক, জ্ঞানমীমাংসামূলক আৰু নৈতিকতা বিষয়ক আলোচনা কৰা হয়। প্ৰায়োগিক দৰ্শন দৈনন্দিন জীৱনৰ সমস্যাৰ দাৰ্শনিক প্ৰয়োগৰ লগত জড়িত।

- জীৱ নীতিশাস্ত্ৰ হ'ল নৈতিক সমস্যাৰ এক শাখা য'ত ঔষধ আৰু জীৱবিজ্ঞানৰ নতুন বিকাশৰ ফলত হোৱা সমস্যাৰ আলোচনা কৰা হয়।
- ব্যৱসায়ত ব্যৱহৃত হৈ থকা নৈতিক বিতৰ্কৰ লগত জড়িত সামাজিক আৰু মানসিক দায়িত্ব পৰীক্ষা ব্যৱসায় নীতিশাস্ত্ৰই কৰে। ব্যৱহাৰিক বেপাৰৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা আৰু সংকট ব্যৱসায় নীতিশাস্ত্ৰই বিশ্লেষণ কৰে।
- মানুহৰ লগত পৰিবেশৰ নৈতিক সম্পৰ্ক পৰিবেশ নীতিশাস্ত্ৰই অধ্যায়ন কৰে। পৰিবেশ নীতিশাস্ত্ৰৰ মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ ওপৰত জীৱনৰ সংৰক্ষন।
- চিকিৎসা নীতিশাস্ত্ৰ হ'ল প্ৰায়োগিক নীতিশাস্ত্ৰৰ পৰিসৰৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। এইটো মুখ্যতে চিকিৎসা বৃত্তিৰ লগত জড়িত নৈতিক সমস্যাবোৰৰ সাধাৰণ নীতিবোৰৰ তাৎপৰ্য্যৰ লগত জড়িত।
- স্নায়ু নীতিশাস্ত্ৰ হ'ল এটা ঔষধৰ শাখা আৰু জীৱবিজ্ঞান পদ্ধতিৰ লগত জড়িত। স্নায়ু নীতিশাস্ত্ৰ হ'ল স্নায়ু বিজ্ঞানৰ নীতিশাস্ত্ৰ।
- খেলৰ দিশৰ ক্ষেত্ৰত যি নৈতিক বিচাৰ আৰু সমস্যাৰ উদ্ভৱ হয় সেয়াই হ'ল খেলৰ নীতিশাস্ত্ৰ। এটা ভাল জীৱন গঢ়িবলৈ আৰু বিখ্যাত খেলৰ মানুহ হ'বলৈ খেলত নীতিশাস্ত্ৰৰ জ্ঞান আৱশ্যক।
- সদগুণৰ নীতিশাস্ত্ৰ এৰিষ্টটলৰ নীতিশাস্ত্ৰৰ পৰা লোৱা হৈছে। ই নৈতিক দৰ্শনত সদগুণ আৰু চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়ে।

১.১৩ অধিক জানিবলৈ

1. Rachels, J (ed) Moral Problems.
2. Edited by Singer, Peter- Applied Philosophy
3. Edited by Singer, Peter- Applied Ethics
4. Singer, Peter- Practical Ethics
5. John, H. Piet and Ayodhya Prasad- An Introduction to Applied Ethics

১.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) সত্য খ) অসত্য গ) অসত্য ঘ) সত্য

২ নং প্ৰশ্নৰ উত্তৰ ঃ নৈতিক মূল্য কেনেকৈ নিৰ্দ্ধাৰণ কৰিব পাৰি তাৰ বিষয়ে আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে অধ্যায়ন কৰে আৰু অধি-নীতিশাস্ত্ৰ হ'ল এটা বিষয় যিয়ে নীতিশাস্ত্ৰৰ আকাৰৰ বিষয়ে অধ্যয়ন কৰে

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰয়োগিক নীতিশাস্ত্ৰ হ'ল দৰ্শনৰ এক শাখা য'ত নৈতিক মতবাদসমূহ আমাৰ বাস্তৱ পৰিস্থিতিৰ লগত সংযুক্ত কৰিবলৈ চেষ্টা কৰে। প্ৰায়োগিক নীতিশাস্ত্ৰই নৈতিক মূল্যৰ বিষয়ে অধ্যয়ন কৰে।

প্রায়োগিক নীতিশাস্ত্রই বিবাদ আৰু নৈতিক বিচার্য্যবোৰ দেখুৱাবলৈ চেষ্টা কৰে যেনে— জন্তুৰ অধিকাৰ, পাৰিপার্শ্বিক সচেতনতা, চিকিৎসা নীতিশাস্ত্র, প্রচাৰ-মাধ্যম নীতিশাস্ত্র, জীৱ নীতিশাস্ত্র ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ আদর্শনিষ্ঠ নীতিশাস্ত্র, অধি-নীতিশাস্ত্র আৰু প্রায়োগিক নীতিশাস্ত্র।

৫ নং প্রশ্নৰ উত্তৰ ঃ জন্তুৰ অধিকাৰ, চিকিৎসা নীতিশাস্ত্র, প্রচাৰ-মাধ্যম নীতিশাস্ত্র।

৬ নং প্রশ্নৰ উত্তৰ ঃ গ্রীক শব্দ 'Ethics'

৭ নং প্রশ্নৰ উত্তৰ ঃ জন্তু নীতিশাস্ত্র, জীৱ নীতিশাস্ত্র, ব্যৱসায় নীতিশাস্ত্র।

৮ নং প্রশ্নৰ উত্তৰ ঃ প্রায়োগিক নীতিশাস্ত্র দর্শনৰ পৰা পৃথক নহয়। কাৰণ দর্শনৰ এটা গুৰুত্বপূর্ণ দিশ হিচাপে প্রায়োগিক নীতিশাস্ত্র দর্শনৰ এটা অংশ। দর্শনে জীৱনৰ আদর্শৰ লগত জড়িত কিছুমান সমস্যা আলোচনা কৰে, শুদ্ধ কর্ম আদর্শ আৰু শুভ আৰু অশুভ মতবাদৰ আলোচনা কৰে। প্রায়োগিক নীতিশাস্ত্রই কেৱল ধাৰণাই অধ্যয়ন নকৰে আৰু সাধাৰণ মতবাদৰ ভাল আৰু শুদ্ধ কর্মই অধ্যয়ন নকৰে কিন্তু এই সমস্যাবোৰৰ সমাধানৰ পথ আহৰণৰ চেষ্টা কৰে।

৯ নং প্রশ্নৰ উত্তৰ ঃ জন্তুৰ নীতিশাস্ত্র, জীৱ নীতিশাস্ত্র, ব্যৱসায় নীতিশাস্ত্র

১০ নং প্রশ্নৰ উত্তৰ ঃ জীৱ নীতিশাস্ত্র হ'ল নৈতিক সমস্যাৰ এক শাখা য'ত ঔষধ আৰু জীৱবিজ্ঞানৰ নতুন বিকাশৰ ফলত হোৱা সমস্যাৰ আলোচনা কৰা হয়।

১১ নং প্রশ্নৰ উত্তৰ ঃ গর্ভপাত, ইচ্ছামৃত্যু, জন্ম নিয়ন্ত্রণ বিদ্যা।

১২ নং প্রশ্নৰ উত্তৰ ঃ মানুহৰ লগত পৰিবেশৰ নৈতিক সম্পর্ক পৰিবেশ নীতিশাস্ত্রই অধ্যয়ন কৰে। পৰিবেশ নীতিশাস্ত্রৰ মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ ওপৰত জীৱনৰ সংৰক্ষণ। ব্যৱহাৰিক আৰু মানুহৰ নৈতিক সচেতনতা ৰক্ষা কৰাই হ'ল প্রাকৃতিক পৰিবেশৰ সংৰক্ষণ।

১৩ নং প্রশ্নৰ উত্তৰ ঃ গোলকীয় উষ্ণতা, বননি ধ্বংসকৰণ, জৈৱ বৈচিত্র্যৰ ধ্বংস

১৪ নং প্রশ্নৰ উত্তৰ ঃ ক) সত্য খ) অসত্য গ) সত্য

১৫ নং প্রশ্নৰ উত্তৰ ঃ প্রায়োগিক দর্শনত অধিবিদ্যামূলক, জ্ঞানমীমাংসামূলক আৰু নৈতিকতা বিষয়ক আলোচনা কৰা হয়। প্রায়োগিক দর্শন দৈনন্দিন জীৱনৰ সমস্যাৰ দার্শনিক প্রয়োগৰ লগত জড়িত।

১৬ নং প্রশ্নৰ উত্তৰ ঃ 'প্রায়োগিক' শব্দৰ অর্থ হ'ল-ব্যৱহাৰিক দিশলৈ নিয়া।

১৭ নং প্রশ্নৰ উত্তৰ ঃ জন্তুৰ নীতিশাস্ত্র, জীৱ নীতিশাস্ত্র, ব্যৱসায় নীতিশাস্ত্র, কম্পিউটাৰ নীতিশাস্ত্র, শৈক্ষিক নীতিশাস্ত্র।

১৮ নং প্রশ্নৰ উত্তৰ ঃ ক) অসত্য খ) সত্য গ) সত্য ঘ) অসত্য

১৯ নং প্রশ্নৰ উত্তৰ ঃ উপযোগিতাবাদ, কর্তব্যমূলক নীতিশাস্ত্র আৰু সদগুণ নীতিশাস্ত্র।

২০ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিগত উপকাৰ, সামাজিক উপকাৰ, সৎগুণৰ নীতি, ক্ষতিৰ নীতি, স্বায়ত্বৰ নীতি।

২১ নং প্রশ্নৰ উত্তৰ ঃ ই নীতিৰ ওপৰত আধাৰিত, ই সৎ কর্ম কৰাৰ ক্ষেত্রত বাধ্যবাধকতা আনি দিয়ে য'ত প্রকৃত ফলাফল আশা কৰা নহয়।

? ১.১৫ আৰ্হি প্ৰশ্ন

ক) **বস্তুধৰ্মী প্ৰশ্ন**

প্ৰশ্ন ১ ঃ পৰিবেশীয় নৈতিকতা কাক বোলে?

প্ৰশ্ন ২ ঃ পৰিবেশৰ বুৎপত্তিগত অৰ্থটো কি?

প্ৰশ্ন ৩ ঃ Population Bombৰ লিখক কোন?

প্ৰশ্ন ৪ ঃ নীতিশাস্ত্ৰৰ অংশ তিনিটা কি কি?

প্ৰশ্ন ৫ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰ বুলিলে কি বুজে?

প্ৰশ্ন ৬ ঃ খেল নীতিশাস্ত্ৰ বুলিলে কি বুজে?

প্ৰশ্ন ৭ ঃ চিকিৎসা নীতিশাস্ত্ৰ বুলিলে কি বুজে?

খ) **চুটি প্ৰশ্ন** (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পাৰ্থক্য লিখক—

ক) প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু দৰ্শন

খ) প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ

গ) প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু প্ৰায়োগিক দৰ্শন

প্ৰশ্ন ২ ঃ আপুনি প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু দৰ্শনৰ মাজত কিবা সমন্ধ দেখা পায়নে? চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ মাজত থকা সমন্ধৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰ বুলিলে আপুনি কি বুজে? প্ৰায়োগিক দৰ্শনৰ আধাৰত চমুকৈ বৰ্ণনা কৰক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নীতিশাস্ত্ৰৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত পাঁচটা গুৰুত্বপূৰ্ণ নীতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ পৰিবেশীয় নৈতিকতা, জীৱ নীতিশাস্ত্ৰ, চিকিৎসা নীতিশাস্ত্ৰ, জন্তু নীতিশাস্ত্ৰ আৰু গৱেষণা নীতিশাস্ত্ৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ বিভিন্ন বিষয়ক্ষেত্ৰবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ প্ৰায়োগিক নীতিশাস্ত্ৰৰ লগত জড়িত মতবাদসমূহৰ বিষয়ে আলোচনা কৰক।

*** **** ***

অধ্যায় ২ ঃ পৰিবেশীয় নৈতিকতা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ পৰিবেশীয় নৈতিকতাৰ প্ৰকাশ

২.৪ পৰিবেশীয় নৈতিকতাৰ পটভূমি

২.৪.১ মানৱকেন্দ্ৰিকতাবাদ

২.৪.২ অমানৱকেন্দ্ৰিকতাবাদ

২.৪.২.১ জীৱকেন্দ্ৰিকতাবাদ

২.৪.২.২ পৰিবেশকেন্দ্ৰিকতাবাদ

২.৪.৩ সমালোচনা

২.৪.৪ পৰিবেশীয় উপযোগিতাবাদ

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্ৰগতিৰ খতিয়ান

২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যায়ন কৰি আপুনি—

- পৰিবেশীয় নৈতিকতা মানে কি আৰু ইয়াৰ সমস্যা সম্পৰ্কে জানিব পাৰিব
- পৰিবেশীয় নৈতিকতাৰ লগত সম্পৰ্কিত বিভিন্ন পটভূমিৰ সম্পৰ্কে জানিব পাৰিব
- পৰিবেশীয় নৈতিকতাৰ মানৱকেন্দ্ৰিক আৰু অ-মানৱকেন্দ্ৰিক দৃষ্টিভংগীৰ আলোচনা কৰিব পাৰিব
- পৰিবেশীয় নৈতিকতাৰ ওপৰত সমসাময়িক বিবাদ আৰু চিন্তাবিদ সকলৰ বৰঙনি সম্পৰ্কে জানিব পাৰিব
- পৰিবেশীয় নৈতিকতাৰ সমস্যাসমূহৰ সমালোচনামুলক মুল্যাংকন কৰিব পাৰিব

২.২ পৰিচয়

এই অধ্যায়ত প্ৰায়োগিক নীতিবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ বিষয় "পৰিবেশীয় নৈতিকতাৰ সম্পৰ্কে আলোচনা কৰা হ'ব। পৰিবেশৰ লগত সম্পৰ্কযুক্ত নৈতিক সমস্যাসমূহৰ লগত পৰিবেশীয় নৈতিকতা জড়িত। নৈতিক সমস্যা

বুলিলে সেই সমস্যাক বুজায় যিয়ে কোনো এটা বিশেষ কাম ভাল নে বেয়া তাক অধ্যয়ন কৰে। ইয়াত পৰিবেশৰ লগত জড়িত কামসমূহ নৈতিকভাৱে শুদ্ধ নে শুদ্ধ নহয় সেই সম্পৰ্কীয় আলোচনা কৰা হ'ব।

পৰিবেশীয় নৈতিকতাৰ লগত জড়িত কিছুমান প্ৰশ্নৰ দ্বাৰা ইয়াৰ ধাৰণা আমি পাব পাৰো। তেনে কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল— আমি বিচৰা ধৰণে প্ৰকৃতিক ব্যৱহাৰ কৰিব লাগেনে? প্ৰকৃতিৰ নিজস্ব মূল্য আছেনে? জীৱ জন্তুক বধ কৰা আৰু খোৱাটো শুদ্ধনে? পৰিবেশক যদি আমি আমাৰ মতে বাধ্য কৰাও তেনেহ'লে ইয়াৰ ফলাফল কি হ'ব? কিহৰ ওপৰত ভিত্তি কৰি কোনো এজনে বিচাৰ কৰিব পাৰিব যে এইবোৰ শুদ্ধ বা অশুদ্ধ? এনেবোৰ প্ৰশ্নৰ উত্থাপনে আমাক চিন্তাৰ খোৰাক যোগায়।

২.৩ পৰিবেশীয় নৈতিকতাৰ প্ৰকাশ

Environment শব্দটোৰ বুৎপত্তি অর্থ হ'ল চাৰিওফালৰ অৱস্থা। Environment শব্দৰ উৎপত্তি হৈছে ফৰাছী এনভাইৰনাৰ (environner) শব্দৰ পৰা, যাৰ অর্থ হৈছে আশ-পাশৰ চাৰিও দিশক সামৰি বা নির্দিষ্ট পৰিমণ্ডলীকৃত এক নির্দিষ্ট এলেকা। অক্সফ'ৰ্ড ইংৰাজী অভিধানৰ মতে পৰিবেশ হ'ল চাৰিওফালৰ অৱস্থাৰ যিকোনো বিষয়বস্তু বা অঞ্চল। যদিও প্ৰকৃতি আৰু পৰিবেশৰ মাজত এটা পার্থক্য আছে , তথাপি পৰিবেশীয় নৈতিকতাৰ আলোচনাৰ ভিতৰত প্ৰাকৃতিক পৰিবেশৰ বিষয়ে আলোচনা কৰা হয়। পৰিবেশীয় নৈতিকতা হ'ল দর্শনৰ এনে এক শাখা য'ত পৰিবেশৰ লগত মানুহৰ নৈতিক সম্পর্ক, নৈতিক মূল্য আৰু পৰিবেশৰ লগতে জড়বস্তুৰ লগত মানুহৰ নৈতিক ভাবধাৰা অধ্যয়ন কৰে। পৰিবেশ সম্পৰ্কীয় আলোচনা দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰ দ্বাৰা প্ৰকাশ হৈছিল। এখন হ'ল Rachel Carsonৰ "Silent Spring" যি খন প্ৰকাশ হৈছিল ১৯৬২ চনত আৰু আনখন হ'ল Paul Ehrlichৰ "The Population Bomb" যিখন প্ৰকাশ হৈছিল ১৯৬৮ চনত। এই দুইখন গ্ৰন্থৰ প্ৰথমখনত ৰাসায়নিক কীটনাশক ঔষধ ব্যৱহাৰৰ ফলত হোৱা অপকাৰৰ বিষয়ে আৰু দ্বিতীয়খনত জনসংখ্যা বৃদ্ধিৰ ফলত হোৱা অসুবিধা সম্পর্কে আলোচনা কৰিছিল। সেইবোৰ গ্ৰন্থ বিশুদ্ধ দার্শনিক দৃষ্টিভংগীৰে প্ৰণয়ন কৰা নাছিল।

Lynn Whiteৰ বিখ্যাত লিখনি "The historical roots of our ecological crisis" (১৯৬৭)ত তেওঁ মত পোষণ কৰিছিল যে পৰিবেশীয় সমস্যাবোৰ সম্পূর্ণ বৈজ্ঞানিক অথবা কাৰিকৰী নহয় আৰু এই সমস্যাবোৰ সম্পূর্ণৰূপে প্ৰযুক্তিবিদ্যা বা কাৰিকৰীভাবে সমাধান কৰিব নোৱাৰি। তেওঁ কৈছে, বাস্তব্যবিদ্যাৰ বাবে আমি যি কৰিছো সেয়া নির্ভৰ কৰে মানুহ আৰু প্ৰকৃতিৰ সম্বন্ধৰ ধাৰণাৰ ওপৰত। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে বর্তমানৰ বাস্তব্যবিদাৰ সমস্যাক উলাই কৰিব নোৱাৰে যেতিয়ালৈকে আমি আমাৰ অতীতক পুনৰ চিন্তাৰ মাজলৈ নানো বা আমি নতুন ধর্ম এটা আৱিষ্কাৰ নকৰো। White-এ তেওঁৰ লিখনিত Judeo-Christian ৰ প্ৰকৃতি সম্পৰ্কীয় দৃষ্টিভংগীৰ বিৰোধিতা কৰিছে, যাৰ ফলত বর্তমান বাস্তব্যবিদ্যাৰ সমস্যাই গা কৰি উঠিছে। তেওঁৰ লিখনিত তেওঁ মত পোষণ কৰিছিল যে পৰিবেশীয় সমস্যাবোৰ বিশ্বৰ দৃষ্টিভংগীত আলোচনা কৰিব লাগে আৰু এইবোৰৰ সমাধানে বিশ্বজগতত যাতে এটা পৰিবর্তনৰ সৃষ্টি কৰে তাৰ ওপৰত গুৰুত্ব দিব লাগে।

Lewis W. Moncrief-এ তেওঁৰ লিখনিত "The Cultural basis of our environmental crisis" (১৯৭০) তেওঁ White ৰ মতামতৰ বিৰোধিতা কৰি কৈছে যে পৰিবেশীয় সমস্যাবোৰ ধর্মীয় প্ৰকৃতিৰ, বৰঞ্চ, সিহঁত

সাংস্কৃতিক। তেওঁ কৈছে, গণতন্ত্ৰৰ শক্তি, প্ৰযুক্তিবিদ্যা, নগৰীকৰণ, ব্যক্তিগত সম্পদৰ বৃদ্ধি আৰু প্ৰকৃতিৰ প্ৰতি বিৰূপ মনোভাব আদি পৰিবেশীয় সমস্যাৰ লগত প্ৰত্যক্ষ ভাবে জড়িত।

এইটোৱে কয় যে পৰিবেশীয় সমস্যাৰ বিশুদ্ধ সমাধান পোৱা নাযায়। কেৱল মাত্ৰ শৈক্ষিক গৱেষণা পত্ৰ বিলাকতহে এই পৰিবেশীয় সমস্যা আৰু ইয়াৰ সমাধানবোৰ দেখিবলৈ পোৱা যায়। পৰিবেশীয় নৈতিকতাৰ আন্তৰ্জাতিক শৈক্ষিক গৱেষণা পত্ৰ আৰম্ভ হয় ১৯৭০ৰ পৰা ১৯৮০ৰ আগে আগে। তেনে কেইখনমান শৈক্ষিক গৱেষণা পত্ৰ হ'ল— Environmental Ethics(1979), The Trumpeter: Journal of Ecosophy(1983), Environmental Values(1992) আদি। একেদৰে, কিছুমান শৈক্ষিক অনুষ্ঠানে এই পৰিবেশীয় নৈতিকতা বিষয়টো একোটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে অধ্যয়ন কৰিছিল। J.B. Callicott-এ ১৯৭১ চনত উইচকনচিন বিশ্ববিদ্যালয়তপৰিবেশীয় নৈতিকতা শিকাবলৈ আৰম্ভ কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ পৰিবেশীয় নৈতিকতা বুলিলে কি বুজে? (২০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ২ ঃ 'Environment' শব্দটোৰ বুৎপত্তিগত অৰ্থ কি?

প্ৰশ্ন ৩ ঃ 'Silent Spring' গ্ৰন্থখনৰ লিখক কোন?

২.৪ পৰিবেশীয় নৈতিকতাৰ পটভূমি

পূৰ্বতে উল্লেখ কৰা হৈছিল যে পৰিবেশীয় নৈতিকতা এক গুৰুত্বপূৰ্ণ সমস্যাৰ লগত জড়িত য'ত পৰিবেশ সম্পৰ্কে আমাৰ দায়িত্ব কি আৰু সেই দায়িত্ব কিয় পালন কৰিব লাগে তাক অধ্যয়ন কৰা হয়। এইসমূহৰ উত্তৰ দিবৰ কাৰণে পৰিবেশ সম্পৰ্কীয় বিভিন্ন ধৰণৰ পটভূমিৰ সৃষ্টি হৈছে। আমি পৰিবেশীয় নৈতিকতা সম্পৰ্কীয় আলোচনাক বহুলভাৱে মানৱকেন্দ্ৰিক অথবা অমানৱকেন্দ্ৰিক এই দুই ধৰণে ভাগ কৰিব পাৰো। জীৱকেন্দ্ৰিকতাবাদ, পৰিবেশকেন্দ্ৰিকতাবাদ আৰু অন্যান্য ভাগবোৰ অমানৱকেন্দ্ৰিকতাবাদ বিভাগটোৰ ভিতৰত ধৰা হয়।

২.৪.১ মানৱকেন্দ্ৰিকতাবাদ

মানৱকেন্দ্ৰিকতাবাদ মানে মানৱকেন্দ্ৰিকতা। মানৱকেন্দ্ৰিক মতবাদৰ মতে মানৱ জাতি হৈছে পৰিবেশৰ মুখ্যকেন্দ্ৰ। এই মতবাদৰ মতে সকলোবিলাক মূল্য মানৱজাতিৰ লগত জড়িত। এই মতবাদে ইয়াকে ক'ব বিচাৰিছে যে সকলোবিলাক বস্তু হয় জৈৱিক নাইবা অজৈৱিক উপাদানেই মানৱ জাতিৰ উন্নতিৰ বাবে ব্যৱহাৰ কৰা উচিত। এই মতবাদৰ মতে মানুহ হৈছে একমাত্ৰ জীৱ যিয়ে চিন্তা কৰিব পাৰে আৰু যাৰ যুক্তিপূৰ্ণভাৱে বিচাৰ কৰিব পৰা ক্ষমতা আছে। সেইবাবে সকলোবিলাক মূল্য মানুহ বা মানৱ জাতিৰ সৈতে জড়িত হোৱা উচিত। নৈতিক মানদণ্ড বোলা গুণটো অকল মানৱ জাতিৰ লগত জড়িত বা আবদ্ধ আৰু মানৱ জাতিৰ নৈতিক মানদণ্ড নাথাকিলে

পৰিবেশকলৈ তেওঁলোকৰ কোনো বাধ্যবাধকতা নাথাকিব। উদাহৰণস্বৰূপে, মই এজন মানুহ হিচাপে আন এজন মানুহক আঘাত বা মৰাটো উচিত নহয় কাৰণ মোৰ দৰে সেই মানুহজনৰো নিজৰ অধিকাৰ সমানে প্ৰয়োগ কৰিব পাৰে। কিন্তু এটা গৰু বা ছাগলীয়ে মোৰ দৰে সমানে অধিকাৰ প্ৰয়োগ কৰিব নোৱাৰে সেয়ে এটা গৰু বা ছাগলীক হত্যা কৰাত কোনো দোষ নাই। সকলোবিলাক বস্তু মানুহৰ ভালৰ বাবেহে ব্যৱহাৰ কৰা উচিত। বহুদিন আগৰে পৰা চলি অহা আনকি পশ্চিমীয়া পৰম্পৰাতো এই মানৱকেন্দ্ৰিকতাবাদ দৰ্শনটো এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। Judo-Christian Genesisৰ মতে মানুহ হৈছে ভগবানৰ প্ৰতিচ্ছবি। মানুহে মাটি, পানী আনকি আকাশৰ সকলোবিলাক জীৱৰ ওপৰত নিজৰ ৰাজত্ব চলাব পাৰে। এৰিষ্টটলে (Aristotle) কৈছিল যে সকলোবিলাক জৈৱিক আৰু অজৈৱিক বস্তুবিলাক কেৱল মানুহৰ বাবেহে বনোৱা হৈছে।

মানৱকেন্দ্ৰিকতাবাদৰ বাবে, মানৱজাতিৰ উপযোগিতাৰ ওপৰত ভিত্তি কৰি সকলোবোৰৰ অস্তিত্ব মূল্যায়ন কৰা উচিত। প্ৰায়েই মানৱকেন্দ্ৰিকতাবাদী ধাৰণাটো প্ৰজাতিবাদ (Speciesism) লৈ গতি কৰে। 'প্ৰজাতিবাদ' শব্দটো প্ৰথমে ব্যৱহাৰ কৰিছিল Richard D. Ryder-এ ১৯৭০ চনত, যাৰ অৰ্থ হ'ল মানুহে নিজকে উচ্চ বুলি বিবেচনা কৰে, কাৰণ তেওঁলোকেই হ'ল একমাত্ৰ মানৱ প্ৰজাতি। প্ৰজাতিবাদ ধাৰণাটোৱে মানৱ জাতিৰ হকে মতামত আগবঢ়াই আৰু অন্যান্যবোৰক বিৰোধীতা কৰে আৰু প্ৰকৃতি হ'ল এই প্ৰজাতিৰ এটা অংশ মাথোন। কিছুমান চিন্তাবিদে কয় যে নীতিবিজ্ঞানত মানৱজাতিৰ বাবে যিবোৰ সুবিধা প্ৰদান কৰিছে সেইবোৰ বিচাৰ যোগ্য নহয়। মানৱ প্ৰজাতিৰ পক্ষপাতিত্বমূলক আচৰণৰ বাহিৰে তাত বেলেগ কোনো ধৰণৰ মানুহৰ বাবে যুক্তি পোৱা নাযায় য'ত কিছুমান পৰিস্থিতিত প্ৰাণীৰ বিৰোধিতা কৰা হয়। কিছুমান চিন্তাবিদে এনে ধৰণৰ দৃষ্টিভংগীবোৰক অ-মানৱকেন্দ্ৰিকতাবাদৰ মাজত অন্তৰ্ভুক্ত কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ পৰিবেশীয় নৈতিক আলোচনাক আমি কেনেকৈ ভাগ কৰিব পাৰো?

প্ৰশ্ন ৬ ঃ কোনটো বিভাগৰ ভিতৰত জীৱকেন্দ্ৰিকতাবাদ, পৰিবেশকেন্দ্ৰিকতাবাদ আৰু অন্যান্য ভাগবোৰ আলোচনা কৰা হয় নাম লিখক।

প্ৰশ্ন ৭ ঃ মানৱকেন্দ্ৰিকতা মতবাদ বুলিলে কি বুজায়?

২.৪.২ অমানৱকেন্দ্ৰিকতাবাদ

অমানৱকেন্দ্ৰিকতাবাদ মতবাদৰ মতে মানব জাতি পৰিবেশৰ মুখকেন্দ্ৰ নহয়। এই মতবাদৰ চিন্তাবিদসকলৰ মতে পৰিবেশৰ সকলো বা মানুহৰ বাহিৰে অইন উপাদানকো গুৰুত্ব দিয়া উচিত। আমি মানুহ হিচাপে আন আন জন্তু, গছ-গছনি, নদ-নদী আৰু আন আন জৈৱিক আৰু অজৈৱিক উপাদানসমূহৰ ওপৰতো আমাৰ দায়বদ্ধতা আছে। কিন্তু অমানৱকেন্দ্ৰিকতাবাদ মতবাদৰ সমৰ্থনকাৰীসকলক একোটা দলৰ সদস্য বুলি ক'ব নোৱাৰি। কাৰণ তেওঁলোকৰ কিছুমানে জীৱকেন্দ্ৰিকতাবাদক সমৰ্থন কৰে, কিছুমানে আকৌ জীৱকেন্দ্ৰিকতাবাদক সমৰ্থন কৰে। ধৰ্মীয় দিশৰ পৰা Jainism আৰু Buddhismক অমানৱকেন্দ্ৰিকতাবাদৰ আন আন ৰূপ বুলি ক'ব পাৰি কাৰণ,

Buddhism-এ অহিংসাৰ কথা কয় আৰু Jainism-এ জীৱ-জন্তু হত্যা কৰাটো সমর্থন নকৰে। দার্শনিকভাবে, মানুহৰ বাহিৰেও অন্যান্য উপাদানৰ বাবে যে নৈতিক দায়বদ্ধতা থাকিব লাগে সেইটোৱেই অমানৱকেন্দ্রিকতাবাদৰ এক মূল বিষয়। এটা গুৰুত্বপূর্ণ প্রশ্ন হ'ল যে কিহৰ ওপৰত ভিত্তি কৰি আমি মানুহৰ বাহিৰেও অন্যান্য উপাদানৰ বাবে নৈতিকভাবে দায়বদ্ধ হ'ব লাগে? এই নৈতিক দায়বদ্ধতা কি বেলেগ বেলেগ প্রজাতিৰ প্রাণীৰ বাবে? নে এইবোৰ কি উদ্ভিদ জগতৰ বাবে? নে এইবোৰ কি প্রকৃতিৰ অংশ নদী, শিল আৰু পাহাৰৰ বাবে, যাক আমি পৰিস্থিতিতন্ত্র বুলি কওঁ? আনকি এই সম্পর্কে অমানৱকেন্দ্রিকতাবাদীসকলে বিভিন্ন ধৰণৰ বেলেগ বেলেগ মতামত আগবঢ়াইছে।

সেই বাবে প্রশ্ন হয় যে যদি আমি মানুহৰ বাহিৰেও নৈতিক মানদণ্ড বৃদ্ধি কৰো তেন্তে কোনবিলাক প্রাণীক বা কোনবিলাক বস্তুক নৈতিক মানদণ্ড বুলি বিবেচনা কৰা উচিত? এই ক্ষেত্রত, মই সেইবিলাকক অন্যায় কৰা বা কষ্ট দিয়াটো মানি ল'ব নোৱাৰো।

২.৪.২.১ জীৱকেন্দ্রিকতাবাদ

কিছুমান চিন্তাবিদে কৈছিল যে জীৱজন্তুৰ নিজস্ব অধিকাৰ আছে। সেয়ে আমাৰ নৈতিক দায়বদ্ধ তেওঁলোকলৈ বৃদ্ধি কৰা উচিত। Peter Singer (1946), Tom Regan (1938) আৰু Gary Francione (1904) আদি দার্শনিকসকলে জীৱজন্তুক ৰক্ষা কৰাৰ হকে বিভিন্ন নৈতিক মতবাদ আগবঢ়াইছে। Singer-ৰে উপযোগিতাৰ দিশৰ পৰা আৰু Regan-এ অধিকাৰৰ দিশৰ পৰা জীৱ জন্তুৰ স্বাধীনতাৰ বাবে যুক্তি আগবঢ়ায়।

উপযোগিতাবাদী দার্শনিক Jeresmy Bentham (1748-1832)-এ জীৱ-জন্তুৰ হকে এটা প্রশ্ন উত্থাপন কৰিছে, প্রশ্নটো এইটো নহয় যে তেওঁলোকে কথা বা চিন্তা কৰিব পাৰে নে নোৱাৰো কিন্তু প্রশ্নটো হৈছে সিহঁতে কষ্ট সহ্য কৰিব পাৰেনে? সেয়ে Peter Singerয়ে তেওঁৰ "Animal liberation" নামৰ কিতাপখনত জীৱ-জন্তুৰ ওপৰত বা সিহঁতৰ আগ্রহৰ ওপৰত গুৰুত্ব দিছে। Singerয়ে কয় জীৱ-জন্তু হৈছে সংবেদনশীল জীৱ। সিহঁতে কথা ক'ব নোৱাৰে, সিহতে কিন্তু সুখ আনন্দ আৰু কষ্ট অনুভৱ কৰিব পাৰে। সেয়ে এহ সংবেদনশীলতাৰ ওপৰত নির্ভৰ কৰি আমি আমাৰ নৈতিক দায়বদ্ধতাটো জীৱ-জন্তুলৈ আগবঢ়াব লাগিব। আনহাতে, Tom Regan-এ কয় যে সংবেদনশীলতাৰ ওপৰত আমি অকল গুৰুত্ব দিয়া উচিত নহয়, বৰঞ্চ প্রতিটো প্রাণ থকা জীৱৰ প্রতি আমি নৈতিক সমর্থন দিব লাগিব। ৰেগানৰ মতটো এইবাবে গুৰুত্বপূর্ণ কাৰণ এনে কিছুমান জীৱ-জন্তু আছে বা মানুহো আছে, যেনে— মানসিকভাৱে বাধাগ্রস্ত বা ক'মাত থকা মানুহ, যাৰ জীৱ আছে কিন্তু সংবেদনশীলতাৰ ক্ষমতা নাই। এইক্ষেত্রত তেওঁলোকক আমি নৈতিক সমর্থন দিব লাগিব । কান্টৰ কর্তব্যমুলক নীতিবিদ্যাক অনুসৰণ কৰি Tom Regan-এ কয় যে সকলো প্রাণীকে উদ্দেশ্য হিচাপে বিবেচনা কৰিব লাগে, উপায় হিচাপে নহয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ Bryan Mortonৰ মতে, অমানৱকেন্দ্রিকতাবাদ বুলিলে কি বুজে? (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ৯ ঃ সকলোবিলাক জৈৱিক আৰু অজৈৱিক বস্তু একেই মানুহৰ বাবে— কোনে এই কথাষাৰ কৈছিল?

প্ৰশ্ন ১০ ঃ কোনে প্ৰথমে 'ecosophy' শব্দটো উলিয়ায়?

২.৪.২.২ পৰিবেশকেন্দ্ৰিকতাবাদ

কিছুমান অমানৱকেন্দ্ৰিকতাবাদীয়ে জীৱ-জন্তুৰ মুক্তি বা স্বাধীনতাৰ হকে যুক্তি আগবঢ়ায়, আনফালে Aldo Leopald (1887-1948), Arne Naess (1912-2009) ৰ নিচিনা চিন্তাবিদসকলে প্ৰকৃতিৰ ওপৰত অপ্ৰয়োজনীয় হস্তক্ষেপৰ বিপক্ষে যুক্তি আগবঢ়ায়। এই চিন্তাবিদসকলৰ মতে আমি অকল মানৱজাতি আৰু জীৱজন্তুৰ প্ৰতিয়েই দায়বদ্ধ নহয়, বৰঞ্চ সমগ্ৰ পৰিবেশতন্ত্ৰৰ প্ৰতি দায়বদ্ধ যিয়ে সামৰি লয় সকলো বিলাক জীৱিত আৰু অজীৱিত উপাদান। Leopeld-য়ে 'land ethics'ৰ ধাৰণাটো আগবঢ়ায়। পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰাত এই 'Land ethics'-এ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মাটিক এটা অকল বস্তু হিচাপে গণ্য কৰাটো অনুচিত, কিন্তু Leopold মতে মাটি হ'ল এক সম্প্ৰদায়। Leopold-এ কয় যে প্ৰকৃতিত বহুতো বিৱৰ্তন হয় আৰু সেয়ে তেওঁ যুক্তি আগবঢ়াইছে যে প্ৰকৃতিত হোৱা পৰিবৰ্তনবোৰ আৰু মানুহে সৃষ্টি কৰা পৰিবৰ্তনবোৰ বেলেগ বেলেগ কাৰণ জনবসতি ঘনত্বৰ বাবে মানুহে সৃষ্টি কৰা পৰিবৰ্তনবোৰ বেছি ভয়ংকৰ বা ক্ষতিকাৰক হয়।

নৰৱেৰ দাৰ্শনিক Arne Naess (1912-2009)-এ প্ৰকৃতিৰ এটা বিশুদ্ধ মতবাদ আগবঢ়ায়। তেওঁ তেওঁৰ দৰ্শনক 'ecosophy' নামেৰে অভিহিত কৰিছিল। প্ৰতিটো বস্তুৰ বা সকলোৰে নিজস্ব মূল্য আছে। তেওঁ 'Shallow' আৰু 'deep' ecologyৰ মাজত পাৰ্থক্য আনিছে। তেওঁ কৈছে যে আত্ম বিশ্লেষণ নকৰাকৈ কোনো বস্তুৰ মূল্য আৰোপ কৰাকে Shallow ecology বোলে। এই ক্ষেত্ৰত, মূল্যক কেৱল instrumental মূল্য বুলি বিবেচনা কৰা হয়। ইয়াৰ পৰিবৰ্তে, আত্ম বিশ্লেষণ কৰি কোনো বস্তুৰ মূল্য আৰোপ কৰাকে deep ecology বোলে। Arne Naess মতে, deep ecologyৰ দ্বাৰা আমি প্ৰকৃতিৰ বিভিন্ন পৰিবেশীয় অৱস্থাৰ সংৰক্ষণ কৰিব পাৰো। Arne Naess আৰু George Session-এ আঠটা পৰিবেশীয় বিকাশৰ নীতি উদ্ভাবন কৰিছে যত মানুহ আৰু অন্য জড় বস্তুৰ অন্তৰ্নিহিত মূল্য আছে বুলি কৈছে আৰু সিহঁতৰ নিজা নিজা মূল্য আছে। মানুহে সেইবোৰ ধ্বংস কৰাৰ কোনো আধিকাৰ নাই।

২.৪.৩ সমালোচনা

যদিও পৰিবেশৰ লগত সম্পৰ্কিত বহুতো পটভূমি আছে আৰু অন্যান্য মতবাদ, যেনে— মানৱকেন্দ্ৰিকতাবাদ, জীৱকেন্দ্ৰিকতাবাদ, পৰিবেশকেন্দ্ৰিকতাবাদ আদি প্ৰত্যেকটো মতবাদেই সমালোচনাৰ সন্মুখীন হৈছে। যদি আমি মানৱকেন্দ্ৰিকতাবাদলৈ চাওঁ, এই মতবাদটো কেৱল মানৱকেন্দ্ৰিক, মানুহৰ বাহিৰে অন্য প্ৰাণীৰ ওপৰত গুৰুত্ব আৰোপ নকৰে। ইয়াৰ ফলত ই সংকীৰ্ণ হৈ পৰিছে। চিন্তাবিদ Ryder, Singer আৰু অন্যান্যবিলাকে মত দাঙি ধৰিছে যে এনে হ'লে এইটো মতবাদ এটা মানৱ প্ৰজাতিৰ বাবে পক্ষপাতিত্বমুলক হ'ব আৰু ই প্ৰজাতিবাদ হিচাপে অভিযোগৰ সন্মুখীন হ'ব। আনকি, যদি মানৱকেন্দ্ৰিকবাদীসকলে কেৱল মানৱৰ ওপৰত চিন্তা কৰে তেনেহ'লে প্ৰশ্ন হয় যে সিহঁত কেৱল বৰ্তমান প্ৰজন্মৰ বাবে চিন্তা কৰে নে ভৱিষ্যত প্ৰজন্মৰ বাবে চিন্তা কৰে ? যদি

তেওঁলোকে নৈতিক মূল্যসমূহ ভৱিষ্যত প্ৰজন্মলৈ প্ৰসাৰিত কৰিব লাগে। যদি আমি জীৱকেন্দ্ৰিকতাবাদীসকললৈ চাওঁ যদিও নৈতিক মূল্যৰ কথা আলোচনা কৰে তথাপি তেওঁলোকে যিবোৰ প্ৰাণী প্ৰজাতিৰ দুখ অভিজ্ঞতাৰ সামৰ্থ থাকে সেইবোৰৰ নৈতিক বাধ্যবাধকতাৰ লগতহে জড়িত। Singerৰ মতে, যিবোৰ প্ৰাণী সংবেদনশীল, দুখ অভিজ্ঞতাৰ সামৰ্থ থাকে সেইবোৰৰহে নৈতিক মূল্য থাকে। ইয়াৰ পৰা জানিব পৰা গৈছে যে ছাগলী বা গৰু বা কুকুৰা আদিক আমি বধ কৰা উচিত নহয়। এক কথাত ক'বলৈ গ'লে এইবোৰ মতবাদে নিৰামিষবাদৰ সমৰ্থন কৰে। ধৰা হওঁক, আপুনি আপোনাৰ ঘৰত এন্দুৰৰ পৰা বহুত সমস্যা পাইছে, তেতিয়া আপুনি ফান্দ পাতি সিহঁতক নামাৰিবনে? যদি সিহঁতৰ নৈতিক মূল্য আছে তেনেহ'লে আমি তেনে কৰিব লাগেনে? জীৱকেন্দ্ৰিকতাবাদীসকলে মতপোষণ কৰিছে যে প্ৰয়োজন হ'লে আমি সেইবোৰ বধ কৰিব পাৰো, কিন্তু, বেলেগ কাৰণৰ বাবে নহয়। ইয়ো সম্পূৰ্ণ ৰূপে দোষমুক্ত নহয়। জীৱকেন্দ্ৰিকতাবাদৰ দৰে পৰিবেশ কেন্দ্ৰিকতাবাদৰো সমালোচনা পোৱা যায়। কেনেকৈ আমি উদ্ভিদ বা অন্যান্য বস্তু যেনে— পাহাৰ, নদী আদিৰ ক্ষেত্ৰত নৈতিক মূল্য প্ৰদান কৰিম? এইটোৱে কি এইটো বুজাব যে সিহঁতৰ কিছুমান অধিকাৰ আছে?

এইটোৱে পৰিবেশীয় নৈতিকতাৰ এক গুৰুত্বপূৰ্ণ সমস্যা দাঙি ধৰিছে যে আমি আমাৰ পৰিবেশক লৈ কেনে ধৰণৰ কাম কৰা উচিত। এই সম্পৰ্কে বহুতো মতামত পোৱা গৈছে। সকলোতকৈ ভাল কি কাম প্ৰাণীৰ বাবে কৰিব লাগে? প্ৰকৃতিৰ লগত মানুহৰ সংঘাত হ'ব লাগেনে? প্ৰকৃতিৰ নিজা মূল্য আছেনে? যদি প্ৰকৃতিৰ নিজা মূল্য আছে তেন্তে সেই মূল্য কি? এইটো অন্তৰ্নিহিতনে? এই সকলোবোৰ সমস্যা কেনেকৈ সমাধান কৰিব পৰা যাব? মানৱকেন্দ্ৰিকতাবাদ আৰু অমানৱকেন্দ্ৰিকতাবাদ দুয়োটাকে একেলগ কৰিব পৰা যাবনে?

২.৪.৪ পৰিবেশীয় উপযোগিতাবাদ

এই ধৰণৰ বিষয়বোৰ আলোচনা কৰিবলৈ ১৯৯০ চনত পৰিবেশীয় উপযোগিতাবাদৰ চিন্তাৰ বিদ্যালয় উদ্ভাৱন কৰা হয়। পৰিবেশৰ সমস্যাবোৰ পৰিবেশীয় উপযোগিতাবাদে উপযোগিতাবাদী দৃষ্টিভংগীৰ পৰা আলোচনা বা চাবলৈ চেষ্টা কৰে। সেয়ে, পৰিবেশীয উপযোগিতাবাদ এটা নতুন কৌশল যি পৰিবেশীয় চিন্তাধাৰাৰ লগত জড়িত। ই যুক্তি দাঙি ধৰে যে কেৱল তাত্ত্বিক যুক্তিতেই এই সমস্যাবোৰ সীমাবদ্ধ হ'লে নহ'ব। Bryan Norton এ শক্তিশালী আৰু দুৰ্বল মানৱকেন্দ্ৰিকতাবাদৰ মাজত এটা পাৰ্থক্যৰ সৃষ্টি কৰে। শক্তিশালী মানৱকেন্দ্ৰিকতাবাদে যুক্তি আগবঢ়ায় যে মানুহেই হ'ল মুখ্য আৰু যাৰ অন্তৰ্নিহিত মূল্য আছে আৰু আন বস্তুবিলাকৰো, যদি সেইবিলাকৰো কোনো মূল্য আছে তেন্তে তেওঁলোকৰ এই মূল্যটো এটা অন্তৰ্নিহিত মূল্য। দুৰ্বল মানৱকেন্দ্ৰিকতাবাদৰ মতে আন জীৱৰ তুলনাত মানুহলৈ অতিৰিক্ত পৰিমাণৰ অন্তৰ্নিহিত মূল্য দিয়া হয় আৰু সেয়ে অমানৱীয় জীৱতকৈ মানৱক সুৰক্ষা প্ৰদান কৰাটো ন্যায়সংগত বুলি ধৰা হয়।

পৰিবেশীয় উপযোগিতাবাদে বিশ্বাস কৰে যে পৰিবেশ সমন্ধীয় পত্ৰবোৰ প্ৰকৃততে মূল্য বিষয়ক পত্ৰ, ধাৰণাগত আৰু বিশ্ববিষয়ক। এইক্ষেত্ৰত, Norton-এ এটা মতবাদৰ সৃষ্টি কৰিছে আৰু মতবাদটো হ'ল convergence hypotheses। Norton-এ দুৰ্বল মানৱকেন্দ্ৰিকতাবাদ আৰু অমানৱকেন্দ্ৰিকতাবাদৰ মাজত পাৰ্থক্য আনিছে, কিন্তু নীতি প্ৰণয়নৰ ক্ষেত্ৰত দুয়োটাই একে প্ৰক্ৰিয়া অৱলম্বন কৰে। Nortonৰ convergence hypotheses মতে, যদি এজন মানুহে দুৰ্বল মানৱকেন্দ্ৰিকতাবাদৰ সমৰ্থন কৰে আৰু আন এজনে

অমানৱকেন্দ্রিকতাবাদৰ সমর্থন কৰে, তেন্তে Norton বাবে, দুয়োজন মানুহেই শেষত একে নীতি মানি ল'ব লগা হয়। এইটো এটা প্রকল্প মাত্র আৰু এই প্রকল্পটোৰ আৰু পৰিবেশীয় উপযোগিতাবাদৰ বহুতো সমালোচনা আছে। ই এইটোৱেই ক'ব বিচাৰে যে কিয় পৰিবেশীয় সমস্যাবোৰ বহুল আৰু কিয় এইবোৰক সমাধান কৰিবলৈ বহুত জটিল? তথাপিও এই সম্পর্কে সদায়ে আলোচনা কৰা দেখিবলৈ পোৱা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১১ ঃ কেনেকৈ Naess-এ 'Shallow' আৰু 'deep' ecologyৰ মাজত পার্থক্য আনিছে লিখক। (৬০টা শব্দৰ ভিতৰত)

প্রশ্ন ১২ ঃ Bryan Nortonৰ মতে শক্তিশালী মানৱকেন্দ্রিকতাবাদ মানে কি?

প্রশ্ন ১৩ ঃ Bryan Nortonৰ মতে দুর্বল মানৱকেন্দ্রিকতাবাদ মানে কি?

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিবেশৰ লগত সম্পর্কযুক্ত নৈতিক সমস্যাসমূহৰ লগত পৰিবেশীয় নৈতিকতা জড়িত।
- পৰিবেশীয় নৈতিকতা সম্পর্কীয় আলোচনাক বহুলভাৱে মানৱকেন্দ্রিক অথবা অমানৱকেন্দ্রিক এই দুইধৰণে ভাগ কৰিব পাৰো। জীৱকেন্দ্রিকতাবাদ, পৰিবেশকেন্দ্রিকতাবাদ আৰু অন্যান্য ভাগবোৰ অমানৱকেন্দ্রিকতাবাদ বিভাগটোৰ ভিতৰত ধৰা হয়।
- Environment শব্দটোৰ বুৎপত্তি অর্থ হ'ল চাৰিওফালৰ অৱস্থা। Environment শব্দৰ উৎপত্তি হৈছে ফৰাছী এনভাইৰনাৰ (environner) শব্দৰ পৰা, যাৰ অর্থ হৈছে আশ-পাশৰ চাৰিও দিশক সামৰি বা নির্দিষ্ট পৰিমণ্ডলীকৃত এক নির্দিষ্ট এলেকা। অক্স ফ'র্ড ইংৰাজী অভিধানৰ মতে পৰিবেশ হ'ল চাৰিওফালৰ অৱস্থাৰ যিকোনো বিষয়বস্তু বা অঞ্চল। যদিও, প্রকৃতি আৰু পৰিবেশৰ মাজত এটা পার্থক্য আছে তথাপি পৰিবেশীয় নৈতিকতাৰ আলোচনাৰ ভিতৰত প্রাকৃতিক পৰিবেশৰ বিষয়ে আলোচনা কৰা হয়।
- পৰিবেশীয় নৈতিকতা হ'ল দর্শনৰ এনে এক শাখা য'ত পৰিবেশৰ লগত মানুহৰ নৈতিক সম্পর্ক, নৈতিক মূল্য আৰু পৰিবেশৰ লগতে জড়বস্তুৰ লগত মানুহৰ নৈতিক ভাবধাৰা অধ্যয়ন কৰে।
- মানৱকেন্দ্রিকতাবাদ মানে মানৱকেন্দ্রিকতা। মানৱকেন্দ্রিক মতবাদৰ মতে মানৱ জাতি হৈছে পৰিবেশৰ মুখ্যকেন্দ্র। এই মতবাদৰ মতে সকলোবিলাক মূল্য মানৱ জাতিৰ লগত জড়িত। এই মতবাদে ইয়াকে ক'ব বিচাৰিছে যে সকলোবিলাক বস্তু হয় জৈৱিক নাইবা অজৈৱিক উপাদানেই মানৱজাতিৰ উন্নতিৰ বাবে ব্যৱহাৰ কৰা উচিত।

- Bryan Norton-এ শক্তিশালী আৰু দুৰ্বল মানৱকেন্দ্রিকতাবাদৰ মাজত এটা পার্থক্যৰ সৃষ্টি কৰে। শক্তিশালী মানৱকেন্দ্রিকতাবাদে যুক্তি আগবঢ়ায় যে মানুহেই হ'ল মুখ্য, যাৰ অন্তর্নিহিত মূল্য আছে আৰু আন বস্তুবিলাকৰো, যদি সেইবিলাকৰো কোনো মূল্য আছে তেন্তে তেওঁলোকৰ এই মূল্যটো এটা অন্তর্নিহিত মূল্য।
- দুৰ্বল মানৱকেন্দ্রিকতাবাদৰ মতে আন জীৱৰ তুলনাত মানুহলৈ অতিৰিক্ত পৰিমাণৰ অন্তর্নিহিত মূল্য দিয়া হয় আৰু সেয়ে অমানৱীয় জীৱতকৈ মানৱক সুৰক্ষা প্রদান কৰাটো ন্যায়সংগত বুলি ধৰা হয়।
- পৰিবেশীয় উপযোগিতাবাদে বিশ্বাস কৰে যে পৰিবেশ সমন্ধীয় পত্রবোৰ প্রকৃততে মূল্য বিষয়ক পত্র, ধাৰণাগত আৰু বিশ্ববিষয়ক। এইক্ষেত্রত, Norton-এ এটা মতবাদৰ সৃষ্টি কৰিছে আৰু মতবাদটো হ'ল convergence hypotheses।

২.৬ অধিক জানিবলৈ

1. Jamieson, Dale. (2009) *Ethics and Environment*. Cambridge: Cambridge University Press,
2. Rolston Holmes,(1989) *Environmental Ethics*. Temple University Press,

২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিবেশীয় নৈতিকতা হ'ল দর্শনৰ এনে এক শাখা য'ত পৰিবেশৰ লগত মানুহৰ নৈতিক সম্পর্ক, নৈতিক মূল্য আৰু পৰিবেশৰ লগতে জড়বস্তুৰ লগত মানুহৰ নৈতিক ভাবধাৰা অধ্যয়ন কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ Environment শব্দটোৰ বুৎপত্তি অর্থ হ'ল চাৰিওফালৰ অৱস্থা। Environment শব্দৰ উৎপত্তি হৈছে ফৰাছী এনভাইৰনাৰ (environner) শব্দৰ পৰা, যাৰ অর্থ হৈছে আশ-পাশৰ চাৰিও দিশক সামৰি বা নির্দিষ্ট পৰিমণ্ডলীকৃত এক নির্দিষ্ট এলেকা।

৩ নং প্রশ্নৰ উত্তৰ ঃ Rachel Carson

৪ নং প্রশ্নৰ উত্তৰ ঃ

৫ নং প্রশ্নৰ উত্তৰ ঃ পৰিবেশীয় নৈতিকতা সম্পর্কীয় আলোচনাক বহুলভাৱে মানৱকেন্দ্রিক অথবা অমানৱকেন্দ্রিক এই দুই ধৰণে ভাগ কৰিব পাৰো।

৬ নং প্রশ্নৰ উত্তৰ ঃ অমানৱকেন্দ্রিকতাবাদ

৭ নং প্রশ্নৰ উত্তৰ ঃ মানৱকেন্দ্রিকতাবাদ মানে মানৱকেন্দ্রিকতা। মানৱকেন্দ্রিক মতবাদৰ মতে মানৱ জাতি হৈছে পৰিবেশৰ মুখ্যকেন্দ্র। এই মতবাদৰ মতে সকলোবিলাক মূল্য মানৱ জাতিৰ লগত জড়িত। এই মতবাদে

ইয়াকে ক'ব বিচাৰিছে যে সকলোবিলাক বস্তু হয় জৈৱিক নাইবা অজৈৱিক উপাদানেই মানৱ জাতিৰ উন্নতিৰ বাবে ব্যৱহাৰ কৰা উচিত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ অমানৱকেন্দ্ৰিকতাবাদ মতবাদৰ মতে মানব জাতি পৰিবেশৰ মুখ কেন্দ্ৰ নহয়। এই মতবাদৰ চিন্তাবিদ সকলৰ মতে পৰিবেশৰ সকলো বা মানুহৰ বাহিৰে অইন উপাদানকো গুৰুত্ব দিয়া উচিত। আমি মানুহ হিচাপে আন আন জন্তু, গছ-গছনি, নদ-নদী আৰু আন আন জৈৱিক আৰু অজৈৱিক উপাদানসমূহৰ ওপৰতো আমাৰ দায়বদ্ধতা আছে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্টটল

১০ নং প্ৰশ্নৰ উত্তৰ ঃ Naess

১১ নং প্ৰশ্নৰ উত্তৰ ঃ তেওঁ 'Shallow' আৰু 'deep' ecologyৰ মাজত পাৰ্থক্য আনিছে। তেওঁ কৈছে যে আত্ম বিশ্লেষণ নকৰাকৈ কোনো বস্তুৰ মূল্য আৰোপ কৰাকে Shallow ecology বোলে। এইক্ষেত্ৰত, মূল্যক কেৱল instrumental মূল্য বুলি বিবেচনা কৰা হয়। ইয়াৰ পৰিৱৰ্তে, আত্মবিশ্লেষণ কৰি কোনো বস্তুৰ মূল্য আৰোপ কৰাকে deep ecology বোলে।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ শক্তিশালী মানৱকেন্দ্ৰিকতাবাদে যুক্তি আগবঢ়ায় যে মানুহেই হ'ল মুখ্য আৰু যাৰ অন্তৰ্নিহিত মূল্য আছে আৰু আন বস্তুবিলাকৰো, যদি সেইবিলাকৰো কোনো মূল্য আছে তেন্তে তেওঁলোকৰ এই মূল্যটো এটা অন্তৰ্নিহিত মূল্য।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ দুৰ্বল মানৱকেন্দ্ৰিকতাবাদৰ মতে আন জীৱৰ তুলনাত মানুহলৈ অতিৰিক্ত পৰিমাণৰ অন্তৰ্নিহিত মূল্য দিয়া হয় আৰু সেয়ে অমানৱীয় জীৱতকৈ মানৱক সুৰক্ষা প্ৰদান কৰাটো ন্যায়সংগত বুলি ধৰা হয়।

২.৮ আৰ্হি প্ৰশ্ন

ক) **বস্তুধৰ্মী প্ৰশ্ন**

প্ৰশ্ন ১ ঃ পৰিবেশীয় নৈতিকতা কি?

প্ৰশ্ন ২ ঃ 'Environment' শব্দটোৰ বুৎপত্তিগত অৰ্থ কি?

প্ৰশ্ন ৩ ঃ 'The Population Bomb' গ্ৰন্থখনৰ লিখক কোন?

প্ৰশ্ন ৪ ঃ দুৰ্বল মানৱকেন্দ্ৰিকতাবাদ মানে কি?

প্ৰশ্ন ৫ ঃ সবল মানৱকেন্দ্ৰিকতাবাদ মানে কি?

খ) **চুটি প্ৰশ্ন** (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱকেন্দ্ৰিকতাবাদৰ ওপৰত চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ অ-মানৱকেন্দ্ৰিকতাবাদ মানে কি? চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ জীৱকেন্দ্ৰিকতাবাদৰ ধাৰণাটোৰ ওপৰত চমকৈ লিখক।

প্ৰশ্ন ৪ ঃ 'Shallow' আৰু 'deep ecology'ৰ মাজত থকা পাৰ্থক্যবোৰ চমুকৈ লিখক।

প্ৰশ্ন ৫ ঃ সবল আৰু দুৰ্বল মানৱকেন্দ্ৰিকতাবাদৰ মাজত থকা পাৰ্থক্যবোৰ লিখক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৰিবেশীয় উপযোগিতাবাদৰ সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ পৰিবেশকেন্দ্ৰিকতাবাদৰ সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ পৰিবেশৰ লগত জড়িত বিভিন্ন পটভূমিসমূহৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ মানৱকেন্দ্ৰিকতাবাদ সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ অমানৱকেন্দ্ৰিকতাবাদ বুলিলে কি বুজায়? বৰ্ণনা কৰক।

*** **** ***

অধ্যায় ৩ঃ জৈৱ-নীতি শাস্ত্ৰ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ জৈৱ-নীতি শাস্ত্ৰৰ ধাৰণা
৩.৪ জৈৱ-নীতি শাস্ত্ৰৰ ইতিহাস
৩.৫ জৈৱ-নীতি শাস্ত্ৰৰ অৰ্থ আৰু সংজ্ঞা
৩.৬ জৈৱ-নীতি শাস্ত্ৰৰ বিভিন্ন পৰিসৰ
৩.৬.১ চিকিৎসাৰ নীতি শাস্ত্ৰ
৩.৬.২ জীৱ-জন্তুৰ নীতি শাস্ত্ৰ
৩.৬.৩ পৰিৱেশ সম্বন্ধীয় নীতি শাস্ত্ৰ
৩.৭ সামৰণি
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্ৰগতিৰ খতিয়ান
৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জৈৱ-নীতি শাস্ত্ৰৰ ধাৰণা লাভ কৰিব
- জৈৱ-নীতি শাস্ত্ৰৰ ইতিহাসৰ বিষয়ে অৱগত হ'ব
- জৈৱ-নীতি শাস্ত্ৰৰ অৰ্থ আৰু সংজ্ঞা জানিব পাৰিব
- জৈৱ-নীতি শাস্ত্ৰৰ বিভিন্ন পৰিসৰ সম্পৰ্কে জ্ঞান অৰ্জন কৰিব।

৩.২ পৰিচয়

অধ্যায়টিয়ে আপোনাক জৈৱ-নীতি শাস্ত্ৰৰ ধাৰণাৰ লগত পৰিচিত কৰাব। অধ্যায়টি অধ্যয়ন কৰাৰ পিছত জৈৱ-নীতি শাস্ত্ৰ যে প্ৰায়োগিক নীতি শাস্ত্ৰৰ এটা বিভাগ, সেই কথা জানিব পাৰিব। অন্যান্য পৰম্পৰাগত নীতি

শাস্ত্ৰৰ সলনি, জৈৱ-নীতি শাস্ত্ৰই জীৱনৰ লগতে জড়িত কিছুমান বাস্তৱিক দিশ যেনে— গৰ্ভপাত, ইচ্ছামৃত্যু, জীৱ-জন্তুৰ নীতি শাস্ত্ৰ, পৰিৱেশৰ লগত জড়িত বিভিন্ন দিশ, Stem Cell গৱেষণা, TVFৰ দৰে প্ৰজননৰ লগত জড়িত দিশ আদি সম্বন্ধে নৈতিক দৃষ্টিকোণৰ পৰা বিস্তৃত ৰূপত অধ্যয়ন কৰে। তলত জৈৱ-নীতি শাস্ত্ৰ সম্বন্ধে অধিক বিস্তৃত ৰূপত আলোচনা কৰা হ'ল।

৩.৩ জৈৱ-নীতি শাস্ত্ৰৰ ধাৰণা

জৈৱ-নীতি শাস্ত্ৰ দৰ্শন শাস্ত্ৰ, বিশেষকৈ নীতি শাস্ত্ৰৰ এটি শেহতীয়া ধাৰণা। জৈৱ-নীতি শাস্ত্ৰই মানুহ অথবা মানুহৰ বাহিৰে আন জীৱৰ লগত সম্পৰ্ক থকা বিভিন্ন নৈতিক দিশ যেনে গৰ্ভপাত, ইচ্ছামৃত্যু, Stem Cell গৱেষণা, জীৱ-জন্তুৰ অধিকাৰ, প্ৰদূষণ, পৰিৱেশৰ অধোগতিৰ দৰে পৰিৱেশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। দৰ্শনৰ অন্তৰ্ভুক্ত বিষয় এটি বিষয় হিচাপে পৰিগণিত হোৱা বাবে বৰ্তমান সময়ত জৈৱ-নীতি শাস্ত্ৰ কেৱল দৰ্শনৰ শিক্ষাৰ্থীসকলেহে অধ্যয়ন কৰে। কিন্তু জৈৱ-নীতি শাস্ত্ৰই সকলোৰে অৱগত বিষয়বোৰ অধ্যয়নৰ পৰিসৰত সামৰি লয়। জৈৱ-নীতি শাস্ত্ৰই বিশেষকৈ জীৱ-জন্তুৰ নীতি শাস্ত্ৰ আৰু পৰিৱেশগত নীতি শাস্ত্ৰৰ বিষয়ে আলোচনা আৰু নৈতিক মৰ্যাদা তথা নৈতিক সুৰক্ষাৰ লগত জড়িত দিশসমূহ গুৰুত্বসহকাৰে বিচাৰ কৰে। এইখিনিতে এটা প্ৰশ্ন উত্থাপন হয় যে, সকলো জীৱ-জন্তুৰ নৈতিক মৰ্যাদা আছে নে আৰু সেই হেতুকে নৈতিক সম্প্ৰদায়ৰ সদস্যসকলে নৈতিক সুৰক্ষা লাভ কৰিছেনে অথবা তেওঁলোকৰ কোনো নৈতিক মৰ্যাদা নাই নেকি (নে কেবল উচ্চ স্তৰৰ একাংশ স্তন্যপায়ী প্ৰাণী যেনে ডাঙৰ বান্দৰ, ডলফিন আৰু হাতীৰ বাবে এই নৈতিক মযাদা আছে)। যদিও জীৱ-জন্তুবোৰৰ কোনো নৈতিক মৰ্যাদা নাই আৰু কোনো নৈতিক অধিকাৰ নাই, তথাপিও জীৱ-জন্তুবোৰ নৈতিক দিশৰ পৰা গুৰুত্বপূৰ্ণ যিহেতু মানুহক তেওঁলোকে বিচৰা ধৰণে সিহঁতৰ লগতে আচৰণ কৰিবলৈ অনুমতি প্ৰদান কৰা নহয় (উদাহৰণ স্বৰূপে- জীৱ-জন্তুৰ মনোৰঞ্জনৰ বাবে অত্যাচাৰ) জীৱসমূহক নৈতিক মৰ্যাদা প্ৰদান কৰাৰ মৌলিক ধাৰণাৰ জৰিয়তে সেই নিৰ্দিষ্ট জীৱক বিভিন্ন ধৰণৰ অপকাৰৰ পৰা ৰক্ষা কৰিবলৈ বিচৰা হৈছে, যিটোৱে জীৱ-জন্তুৰ চলন-ফুৰণত বাধাৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে- কোনোৱে ডাঙৰ বান্দৰসমূহক নৈতিক মৰ্যাদা প্ৰদান কৰি ৰক্ষা কৰিব পাৰে যিটো সিহঁতৰ অস্তিত্ব ৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু তেওঁ তাৰ পাছত জন্তুবোৰক হত্যাৰ বলি নোহোৱাৰ নৈতিক অধিকাৰ আইনগতভাৱে প্ৰদান কৰিব পাৰে।

৩.৪ জৈৱ-নীতি শাস্ত্ৰৰ ইতিহাস

১৯৭০ চনত Van Renssclaer নামৰ এজন জীৱবিজ্ঞানীয়ে 'bio-ethics' (জৈৱ-নীতি শাস্ত্ৰ) শব্দটো পোনপ্ৰথমবাৰৰ বাবে আগবঢ়াইছিল। ই তেওঁৰ মতে জৈৱ-নীতি শাস্ত্ৰ হৈছে বৈজ্ঞানিক জ্ঞান আৰু নৈতিক জ্ঞানৰ সংমিশ্ৰণযুক্ত বিষয় আৰু যিটোৱে মানুহৰ পৰিৱেশত ক্ৰমবিকাশ সম্বন্ধীয় সহযোগিতাৰ দিশটো সামৰি লয়। ১৯৭১ চনত জৰ্জটাউনত 'Kennedy Institute of Ethies' প্ৰতিষ্ঠা হৈছিল। এই প্ৰতিষ্ঠানৰ মুখ্য উদ্দেশ্য হ'ল চিকিৎসা নীতি শাস্ত্ৰৰ ক্ষেত্ৰখনৰ অন্তৰ্গত বিষয়বোৰ সম্বন্ধে নতুন নতুন গৱেষণা সম্পন্ন কৰা। এই প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাতা

'Andre Hellegers-এও এই ধৰণৰ নীতি শাস্ত্ৰক 'জৈৱ-নীতি শাস্ত্ৰ' আখ্যা দিছে। ১৯৭২ চনত Kennedy Institute of Ethics-এ আৰম্ভ কৰা 'Encyclopedia of Bioethics'-এ 'জৈৱ-নীতি শাস্ত্ৰ'ৰ সংজ্ঞা এইদৰে দিছে— 'জৈৱ-নীতি শাস্ত্ৰ হৈছে চিকিৎসা শাস্ত্ৰ আৰু জৈৱিক বিজ্ঞানৰ নৈতিক পৰিসৰৰ বিষয়ে অধ্যয়ন কৰা এটি বিষয়' (Reich, 1978)। লক্ষ্যণীয় যে গ্ৰীকো-ৰোমান, খ্ৰীষ্টিয়ান, বৌদ্ধ ধৰ্মীয়, হিন্দু, কনফুচিয়ান, ইছলাম ধৰ্মীয় আদি বিশ্বৰ বিভিন্ন আগশাৰীৰ সংস্কৃতিত কিছুমান বিখ্যাত সাহিত্য পোৱা যায় য'ত মানুহৰ প্ৰমূল্য আৰু নৈতিক আচৰণক গুৰুত্ব প্ৰদান কৰি চিকিৎসা শাস্ত্ৰ অনুশীলন কৰাৰ উল্লেখ আছে। এই গ্ৰন্থশমূহত থকা উল্লেখ অনুসৰি পৰম্পৰাগত সময়ৰ এই চিকিৎসা শাস্ত্ৰৰ অনুশীলন কৰাসকল যোগ্য, সমৰ্পিত, আত্মবিশ্বাসী হোৱাৰ লগতে দৰিদ্ৰসকলক অপৰিৱৰ্তনীয় ৰূপত সেৱা আগবঢ়াইছিল।

এই নৈতিক মনোভাৱ জৈৱ-নীতি শাস্ত্ৰজ্ঞাসকলে গ্ৰহণ কৰে আৰু তেওঁলোকে তেওঁলোকৰ অধ্যয়নৰ পৰিসৰ ইচ্ছামৃত্যু, মানৱ প্ৰজনন, জীৱ-জন্তুৰ অধিকাৰ আৰু পৰিৱেশগত দিশসমূহলৈ বৃদ্ধি কৰে।

৩.৫ জৈৱ-নীতি শাস্ত্ৰৰ অর্থ আৰু সংজ্ঞা

যেতিয়া আমি নীতি শাস্ত্ৰৰ বিষয়ে আলোচনা কৰোঁ, অধিকাংশ মানুহে এই বিষয়টো সঠিকভাৱে ব্যাখ্যা কৰিব নোৱাৰে বা জৈৱ-নীতি শাস্ত্ৰৰ এটা সঠিক সংজ্ঞা আগবঢ়াব নোৱাৰে। যদিহে আমি জৈৱ-নীতি শাস্ত্ৰৰ বিষয়ে এটি ধাৰণা লাভ কৰিব বিচাৰো, তেন্তে আমি তলত উল্লেখ কৰা প্ৰশ্নসমূহৰ উত্তৰ ভাবিব লাগিব—

সন্তানহীন দম্পত্তিক দেহকোষৰ হস্তান্তৰৰ জৰিয়তে সন্তান লাভৰ ক্ষেত্ৰত অনুভূতি প্ৰদান কৰিব লাগে নে?

গ্ৰেট ব্ৰিটেইনত জিনগতভাৱে সংশোধিত শস্য উৎপাদন কৰিব লাগে নে, য'ত জৈৱিক কৃষকসকলৰ বাবে জিনগতভাৱে সংশোধনমুক্ত মর্যাদা বর্তাই ৰখাটো কঠিন হৈ পৰে।

জিনগতভাৱে সংশোধিত গাহৰিবোৰ মানৱ ৰোগীৰ দেহত অংগ সংৰোপণৰ বাবে ব্যৱহাৰ কৰা উচিত নে য'ত প্ৰতিৰক্ষাত্মক অনাস্বীকৃতিৰ যথেষ্ট আশংকা থাকে।

গতিকে জৈৱ-নীতিশাস্ত্ৰৰ সংজ্ঞাৰ প্ৰসংগত ক'ব পাৰি যে জৈৱ-নীতি শাস্ত্ৰৰ ব্যাখ্যা কৰিবলৈ বিভিন্ন সংজ্ঞা আগবঢ়াব পৰা যায়। এটা সংজ্ঞা অনুসৰি, 'জৈৱ-বিজ্ঞানৰ অগ্ৰগতিৰ পৰিণতিত হোৱা নৈতিক আৰু সামাজিক কৌশলৰ প্ৰয়োগৰ অধ্যয়নে হৈছে জৈৱ-নীতি শাস্ত্ৰৰ (Honderich, 1995)। আন এগৰাকী দার্শনিক বার্ণার্ড উইলিয়ামে জৈৱ-নীতিশাস্ত্ৰক এটা দার্শনিক গাঁথনি বুলি কৈছে যিটোৱে কিছু গৱেষণামূলক তথ্যৰ সৈতে যুক্তিৰ বাবে সিদ্ধান্ত গ্ৰহণৰ নির্মাণ কৰে (William 1996)। আন এটা গুৰুত্বপূর্ণ সংজ্ঞা Onora O'neill- আগবঢ়াইছিল। তেখেতৰ মতে, 'জৈৱ-নীতিশাস্ত্ৰ কোনো অধ্যয়নৰ বিষয় নহয়; ই চিকিৎসা শাস্ত্ৰ, বিজ্ঞান আৰু জৈৱ-প্ৰযুক্তিবিজ্ঞানৰ উন্নতিয়ে সৃষ্টি কৰা নৈতিক, আইনী আৰু সামাজিক প্ৰশ্নসমূহৰ লগত জড়িত বিভিন্ন অধ্যয়নৰ বিষয়, বক্তব্য আৰু সংস্থাৰ এক সন্মিলিত ক্ষেত্ৰত (Omeill, 2002)।

গতিকে আমি যদি ওপৰৰ সংজ্ঞাসমূহ বিশ্লেষণ কৰোঁ, তেতিয়া হ'লে এই কথা নিশ্চয়কৈ ক'ব পাৰি যে জৈৱ-নীতিশাস্ত্ৰ হৈছে এনে এটা বিষয় যিটোৱে নৈতিকভাৱে বিশ্বৰ কিছুমান অতি গুৰুত্বপূর্ণ বিষয়ৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰে। জৈৱ-নীতিশাস্ত্ৰৰ অধীনস্থ বিভিন্ন অধ্যয়নৰ বিষয়বোৰ তলত পর্যাক্ৰমে আলোচনা কৰা হ'ল।

৩.৬ জৈৱ-নীতি শাস্ত্ৰৰ বিভিন্ন পৰিসৰ

জৈৱ-নীতিশাস্ত্ৰই ইয়াৰ পৰিসৰৰ ভিতৰত বিভিন্ন মানৱীয় আৰু অমানবীয় সমস্যাসমূহ অধ্যয়ন কৰে। জৈৱ-নীতিশাস্ত্ৰই সামৰি লোৱা কেইটামান গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'লে —

৩.৬.১ চিকিৎসাৰ নীতি শাস্ত্ৰ

চিকিৎসাৰ নীতি শাস্ত্ৰ হ'ল জৈৱ-নীতি শাস্ত্ৰৰ অন্তৰ্গত প্ৰাচীনতম উপ-বিভাগ যিটোৰ অস্তিত্ব খ্ৰীষ্টপূৰ্ব শতিকাত আৰম্ভ হোৱা হিপ'ক্ৰেটিক শপতৰ দিনতেই অনুভূতি হৈছিল। এয়া স্বীকাৰ্য যে চিকিৎসাৰ নীতি শাস্ত্ৰ কেৱল হিপ'ক্ৰেটিক শপততেই সীমাবদ্ধ নহয়; বৰঞ্চ ই চিকিৎসা বিষয়ত পশ্চিমীয়া নীতি শাস্ত্ৰমূলক যুক্তি আৰু সিদ্ধান্ত গ্ৰহণৰ আৰম্ভণি আছিল। হিপ'ক্ৰেটিক শপতৰ অন্যান্য জটিল উপাদানৰ ভিতৰত অন্যতম ইচ্ছামৃত্যু আৰু গৰ্ভপাতত বাধা একোটা বিতৰ্কৰ বিষয় হৈ পৰিছে আৰু মূল্যবান তথা কম মূল্যবান নীতি-নিয়ম বা সিদ্ধান্ত কিদৰে বিভাজন কৰা হ'ব, সেই সম্পৰ্কে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপিত হৈছে। সাধাৰণভাৱে, সমসাময়িক জৈৱ-নীতি শাস্ত্ৰত ইচ্ছামৃত্যুক ৰোগীৰ ব্যক্তিগত সিদ্ধান্ত হিচাপে গণ্য কৰা হয় যিটোৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব লাগে। গৰ্ভপাতৰ বিষয়ে অধিকাংশ জৈৱ-নীতি শাস্ত্ৰ শাস্ত্ৰবিদে যুক্তি প্ৰদৰ্শন কৰি কৈছে যে কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত গৰ্ভপাতৰ প্ৰক্ৰিয়াটোত যথেষ্ট বিতৰ্কিত বিষয় হিচাপে চিহ্নিত আৰু ই বহুতো আবেগিক প্ৰতিক্ৰিয়াও লাভ কৰা দেখা যায়। চিকিৎসাৰ নীতি শাস্ত্ৰত চিকিৎসাৰ কিছুমান নিৰ্দিষ্ট পৰিস্থিতিত 'এজন ব্যক্তিয়ে কি কৰা উচিত' — এই সাধাৰণ নৈতিক প্ৰশ্নটোৰ সন্মুখীন হয়। এই দিশৰ পৰা চিকিৎসাৰ নীতি শাস্ত্ৰ প্ৰাথমিক নীতি শাস্ত্ৰৰপৰা পৃথক নহয় যদিও ই চিকিৎসাৰ ক্ষেত্ৰত সীমাৱদ্ধ আৰু নিৰ্দিষ্ট কিছুমান বিষয়ৰ প্ৰতিহে সচেতন।

৩.৬.২ জীৱ-জন্তুৰ নীতি শাস্ত্ৰ

জীৱ-জন্তুসমূহ নৈতিক সমাজৰ অংশ হোৱা উচিত — এই ধৰাণাটো ঊনবিংশ শতিকাত জেৰেমি বেন্থামে আগবঢ়োৱা হিতবাদ (Utilitarianism)ৰ নীতিৰ পটভূমি গঢ়ি উঠিছিল। তেওঁ যুক্তি দৰ্শাই কৈছিল যে জীৱ-জন্তুৱে যুক্তি প্ৰদৰ্শন কৰিব পাৰে নে নোৱাৰে সেয়া ৰিচাৰ্য বিষয় নহয়, কিন্তু সিহঁতে কষ্ট ভোগে নে নাই সেয়াহে ৰিচাৰ্য বিষয়। বৰ্তমানৰ সময়ৰোৱৰ ভিতৰত জীৱ-জন্তুৰ অংগচ্ছেদৰ দৰে সিহঁতৰ ওপৰত চলোৱা গৱেষণা, পশুপালন আৰু পশু সৰবৰাহ, সমবৰ্ণ প্ৰজাতিৰ মাজত অংগ বা কোষৰ সংস্থাপন, Human-animal Chimera মাংসভোজী বনাম তৃণভোজী, চিৰিয়াখানা আৰু চাৰ্কাচসমূহৰ বৈধতা, ধৰ্মীয় স্বাধীনতা বনাম জীৱ-জন্তুৰ নিৰাপত্তা, বিনোদনমূলক চিকাৰ আৰু পৰিৱেশ সংৰক্ষণ তথা জীৱ-জন্তুৰ কল্যানক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাত আদিয়ে প্ৰধান। এইবোৰে কিছুমান জটিল নৈতিক। দিশৰ সূত্ৰপাত কৰে যিবোৰ জীৱ-জন্তুসমূহৰ সাধাৰণ নৈতিক মৰ্যাদা আছে নে (আৰু আৰু) আৰু যদি তেন্তে সিহঁতৰ প্ৰকৃত নৈতিক স্থান কি এই প্ৰশ্নৰ বিশ্লেষণৰ জৰিয়তে সঠিকভাৱে বিশ্লেষণ কৰিব লাগে।

৩.৬.৩ পৰিৱেশ সম্বন্ধীয় নীতি শাস্ত্ৰ

পৰিৱেশ সম্বন্ধীয় নীতি শাস্ত্ৰই মানৱ আৰুআমানৱীয় উপদান, পৰিৱেশ, জীৱ-জন্তু আৰু গছ-গছনি, স্থানীয় জনসংখ্যা, প্ৰাকৃতিক সম্পদ, পৰিস্থিতিতন্ত্ৰ, প্ৰাকৃতিক দৃশ্য তথা জীৱমণ্ডল আৰু বিশ্বক সামৰি লয়। সাধাৰণ দৃষ্টিত মানুহ প্ৰকৃতিৰ এটা অংশ আৰু সেয়েহে মানৱ আৰু প্ৰকৃতিৰ অমানৱীয় উপাদানৰ মাজত পাৰ্থক্য আছে বুলিলে অস্বভাৱিক যেন লাগে। কিন্তু পুনৰ বিবেচনা কৰিলে এয়া স্পষ্ট হয় যে এই পাৰ্থক্য বন্ধ পৰিমামে যুক্তিনিৰ্ভৰ যিহেতু মানুহে হ'ল একমাত্ৰ জীৱ যিয়ে তেওঁলোকৰ কাৰ্যৰ ফলাফল সম্পৰ্কে যুক্তি প্ৰদান কৰিব পাৰে যিটোৱে গোটেই প্ৰকৃতিক বা প্ৰকৃতিৰ একোটা অংশক যোগাত্মক বা বিয়োগাত্মকভাৱে প্ৰভাৱিত কৰিব পাৰে। জৈৱ-নীতি শাস্ত্ৰই এই স্পৰ্শকাতৰ দিশবোৰ নীতিশাস্ত্ৰৰ আলোকত অধ্যয়ন কৰে।

গুৰুত্বপূৰ্ণ বিভাগ। সমসাময়িক বিশ্বত বহুতো অনৈতিক কাৰ্য সংঘটিত হোৱা দেখা যায়। গৱেষণা কাৰ্যৰ বাবে জীৱ-জন্তুবোৰ ব্যৱহাৰ কৰা হয়। (STem-Cell) গৱেষণাও বৰ্তমান সময়ত চলি আছে। আকৌ বিকশিত প্ৰযুক্তি অথবা আল্ট্ৰাচাউণ্ড যন্ত্ৰৰ উদ্ভাৱনৰ পৰিণতিত লিংগ নিৰ্ণয় কৰি গৰ্ভপাত কৰাটো এটা সাধাৰণ ঘটনাত পৰিণত হৈছে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে বহুতো শিক্ষিত লোকে এই অনৈতিক কাৰ্যসমূহ কৰি আছে। গতিকে সচেতনতা সকলো বিষয়ৰ লোকৰ বাবে যথেষ্ট প্ৰয়োজনীয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জৈৱ-নীতিশাস্ত্ৰৰ লগতে জড়িত কিছুমান নৈতিক দিশৰ উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ জৈৱ-নীতিশাস্ত্ৰ কোনটো বিভাগৰ অধীনস্থ এটি বিষয়?

প্ৰশ্ন নং ৩ ঃ জৈৱ-জন্তুৰ নীতিশাস্ত্ৰ আৰু পৰিৱেশ সম্পৰ্কীয় নীতিশাস্ত্ৰৰ দৰে জৈৱ-নীতিশাস্ত্ৰমূলক বিষ?বোৰে কিহৰ ওপৰত আৰোপ কৰে।

প্ৰশ্ন নং ৪ ঃ অভিধাটো কোনে পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল?

প্ৰশ্ন নং ৫ ঃ জৰ্জটাউনত Kennedy Institute of Ethics কোনটো চনত পোনপ্ৰথমে স্থাপন কৰা হৈছিল?

প্ৰশ্ন নং ৬ ঃ জৈৱ-নীতিশাস্ত্ৰৰ প্ৰাচীনতম উপবিভাগটো কি?

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জৈৱ-নীতিশাস্ত্ৰই মানুহ অথবা মানুহৰ বাহিৰে আন জীৱৰ লগত সম্পৰ্ক থকা বিভিন্ন নৈতিক দিশ যেনে গৰ্ভপাত, ইচ্ছামৃত্যু, Stem cell গৱেষণা, জীৱ-জন্তুৰ অধিকাৰ, প্ৰদূষণ, পৰিৱেশৰ অধোগতিৰ দৰে পৰিৱেশৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে।
- জৈৱ-নীতিশাস্ত্ৰই বিশেষকৈ জীৱ-জন্তুৰ নীতিশাস্ত্ৰ আৰু পৰিৱেশত নীতিশাস্ত্ৰৰ বিষয়ে আলোচনা আৰু নৈতিক মৰ্যাদা তথা নৈতিক সুৰক্ষাৰ লগত জড়িত দিশসমূহ গুৰুত্বসহকাৰে বিচাৰ কৰে।

- ১৯৭০ চনত নামৰ Van Rensseler Potter এজন জীৱবিজ্ঞানীয়ে 'bio-ethics' শব্দটো পোনপ্ৰথমবাৰৰ বাবে আগবঢ়াইছিল।
- ১৯৭১ চনত জৰ্জটাউনত 'Kennedy Institute of Ethics' প্ৰতিষ্ঠা হৈছিল। এই প্ৰতিষ্ঠানৰ মুখ্য উদ্দেশ্য হ'ল চিকিৎসা নীতি শাস্ত্ৰৰ ক্ষেত্ৰখনৰ অন্তৰ্গত বিষয়বোৰ সম্বন্ধে নতুন নতুন গৱেষণা কৰা। এই প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাতা Andre Hellegers-এও এই ধৰণৰ নীতি শাস্ত্ৰক 'জৈৱ-নীতি শাস্ত্ৰ' আখ্যা দিছে।
- লক্ষ্যণীয় যে গ্ৰীকো-ৰোমান, খ্ৰীষ্টিয়ান, বৌদ্ধ ধৰ্মীয়, হিন্দু, কন্‌ফুচিয়ান, ইছলাম ধৰ্মীয় আদি বিশ্বৰ বিভিন্ন আগশাৰীৰ সংস্কৃতিত কিছুমান বিখ্যাত সাহিত্য পোৱা যায় য'ত মানুহে প্ৰমূল্য আৰু নৈতিক আচৰণক গুৰুত্ব প্ৰদান কৰি চিকিৎসা শাস্ত্ৰ অনুশীলন কৰাৰ উল্লেখ আছে।
- এটা সংজ্ঞা অনুসৰি, 'জৈৱ বিজ্ঞানৰ অগ্ৰগতিৰ পৰিণতিত হোৱা নৈতিক আৰু সামাজিক কৌশলৰ প্ৰয়োজন অধ্যয়নে হৈছে 'জৈৱ-নীতি শাস্ত্ৰ' (Honderich, 1995)
- চিকিৎসাৰ নীতি শাস্ত্ৰ হ'ল জৈৱ-নীতি শাস্ত্ৰৰ অন্তৰ্গত প্ৰাচীনতম উপ-বিভাগ যিটোৰ অস্তিত্ব খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত আৰম্ভ হোৱা হিপ'ক্ৰেটিক শপতৰ দিনতেই অনুভূত হৈছিল। এয়া হোৱা হিপ'ক্ৰেটিক শপতৰ দিনতেই অনুভূত হৈছিল। এয়া স্বীকাৰ্য যে চিকিৎসাৰ নীতি শাস্ত্ৰ কেবল হিপ'ক্ৰেটিক শপততেই সীমাৱদ্ধ নহয়; ৰঞ্চই চিকিৎসা বিষয়ত পশ্চিমীয়া নীতি শাস্ত্ৰমূলক যুক্তি আৰু সিদ্ধান্ত গ্ৰহণৰ আৰম্ভণি আছিল।
- জীৱ-জন্তুসমূহ নৈতিক সমাজৰ অংশ হোৱা উচিত— এই ধাৰণাটো ঊনবিংশ শতিকাত জেৰেমি বেন্থামে আগবঢ়োৱা হিতবাদৰ নীতি পটভূমিত গঢ়ি উঠিছিল। তেওঁ যুক্তি দৰ্শাই কৈছিল যে জীৱ-জন্তুৰে যুক্তি প্ৰদৰ্শন কৰিব পাৰে নে নোৱাৰে, সেয়া বিচাৰ্য বিষয় নহয়, কিন্তু সিহঁতে কষ্ট ভোগে নে নাই সেয়াহে বিচাৰ্য বিষয়।
- পৰিৱেশ সম্বন্ধীয় নীতি শাস্ত্ৰই মানৱ আৰু অমানৱীয় উপাদান, পৰিৱেশ, জীৱ-জন্তু আৰু গছ-গছনি, স্থানীয় জনসংখ্যা, প্ৰাকৃতিক সম্পদ, পৰিস্থিতিতন্ত্ৰ, প্ৰাকৃতিক দৃশ্য তথা জীৱমণ্ডল আৰু বিশ্বক সামৰি লয়।

৩.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Jonsen, A. (2000), A Short History of Medical Ethics, Onford University Press.
2. Jonsen, A. R. (2010), A History of Bioethics as Discpline and Discourse. In N.S. Jecker, A.R.
3. Jonsen & R. A. Pearlman, Bioethics : An Introduction to the History, Method and Practice, Jones and Bartlett.
4. Mepham, B. (2005), Bioethics : An Introduction for the Biosciences, Onford University Press.
5. O'Neill, O. (2002), Autonomy and Trust in Bioethics, cambridge University Press.
6. Reich, W. (1978), Introduction. In W. Reich, The Eneyclopedia of Bio-ethics (Vol. 1, pp. xiv-xx), The Free Press.
7. William, B. (1993), Ethics and the limits of Philosophy, fontana.

৩.১০ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ মানুহ অথবা মানুহৰ বাহিৰে আন জীৱৰ লগত সম্পৰ্ক থকা বিভিন্ন নৈতিক দিশ যেনে গৰ্ভপাত, ইচ্ছামৃত্যু, Stem cell গৱেষণা, জীৱ-জন্তুৰ অধিকাৰ, প্ৰদূষণ, পৰিৱেশৰ অধোগতিৰ দৰে পৰিৱেশৰ লগত জড়িত বিভিন্ন দিশ ইত্যাদি।

২নং প্ৰশ্নৰ উত্তৰ ঃ দৰ্শন।

৩নং প্ৰশ্নৰ উত্তৰ ঃ নৈতিক মৰ্যাদা আৰু নৈতিক সুৰক্ষা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭০ চনত Van Rensselaer Potter নামৰ এগৰাকী জীৱবিজ্ঞানীয়ে 'bio-ethics' শব্দটো পোনপ্ৰথমবাৰৰ বাবে আগবঢ়াইছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭১ চনত।

৬নং প্ৰশ্নৰ উত্তৰ ঃ চিকিৎসাৰ নীতি শাস্ত্ৰ।

৩.১১ আহিঁ প্ৰশ্ন

ক) অতি চমু উত্তৰৰ প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ প্ৰকৃততে পৰিৱেশ সম্বন্ধীয় নীতি শাস্ত্ৰই কোনবোৰ দিশ অধ্যয়ন কৰে?

প্ৰশ্ন ২ ঃ Hoderich-এ আগবঢ়োৱা জৈৱ-নীতি শাস্ত্ৰৰ সংজ্ঞাটো উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ Onora O'Neill's-এ আগবঢ়োৱা জৈৱ-নীতি শাস্ত্ৰৰ সংজ্ঞাটো লিখক।

প্ৰশ্ন ৪ ঃ জৈৱ-নীতি শাস্ত্ৰৰ অধ্যয়নৰ পৰিসৰৰ অন্তৰ্ভুক্ত বিষয়বোৰ কি কি?

খ) অতি চমু উত্তৰৰ প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ চিকিৎসাৰ নীতি শাস্ত্ৰৰ ওপৰত এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ জীৱ-জন্তুৰ নীতি শাস্ত্ৰৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ পৰিৱেশ সম্বন্ধীয় নীতি শাস্ত্ৰৰ ধাৰণাটোৰ ওপৰত এটি চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ জৈৱ-নীতি শাস্ত্ৰৰ অৰ্থ আৰু সংজ্ঞা সম্বন্ধে চমুকৈ লিখক।

প্ৰশ্ন ৫ ঃ জৈৱ-নীতি শাস্ত্ৰৰ ইতিহাসৰ ওপৰত এটি টোকা প্ৰস্তুত কৰক।

গ) ৰচনাধৰ্মী উত্তৰৰ প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ জীৱ-জন্তুৰ নীতি শাস্ত্ৰৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জীৱ-জন্তুৰ নীতি শাস্ত্ৰৰই সামৰি লোৱা বিভিন্ন ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা প্ৰস্তুত কৰক।

*** **** ***

অধ্যায় ৪ ঃ সংবাদ মাধ্যমৰ নীতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ সংবাদ মাধ্যম আৰু নীতিৰ গুৰুত্ব

৪.৪ সংবাদ মাধ্যমৰ নির্দেশক নীতি

৪.৪.১ সংবাদ মাধ্যমৰ নির্দেশক নীতিৰ মৌলিক আদর্শসমূহ

৪.৪.২ কুম্ভিলক্ বৃত্তি

৪.৪.৩ নৈতিক মানদণ্ড বলবৎকৰণ

৪.৫ প্রত্যুত্তৰৰ অধিকাৰ

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৭ অধিক জানিবলৈ

৪.৮ অগ্রগতিৰ খতিয়ান

৪.৯ সম্ভাব্য প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সাংবাদিকতাৰ নীতিসমূহ বিশ্লেষণ কৰিব পাৰিব
- সাংবাদিকতাৰ নীতিৰ মৌলিক আদর্শসমূহ আৰু সেইসমূহ কার্যকৰী কৰাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- কুম্ভিলক্ বৃত্তি (Plagiarism)ৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রত্যুত্তৰৰ অধিকাৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

৪.২ পৰিচয়

এই অধ্যায়টিত আপোনাক সংবাদ মাধ্যমৰ নীতিসমূহৰ সৈতে পৰিচিত কৰোৱা হ'ব। এই নীতিসমূহৰ দ্বাৰা পৰিচালিত হৈ, সংবাদ মাধ্যমসমূহে ভুল-শুদ্ধ, নৈতিক-অনৈতিক আদি গুণ আৰু কোনো বিষয়বস্তুৰ গ্রহণযোগ্যতা বিচাৰ কৰিব পাৰে আৰু নিৰপেক্ষভাৱে কাম কৰিব পাৰে। আপুনি সংবাদ মাধ্যমৰ নির্দেশক নীতিৰ উমৈহতীয়া আদর্শ, যেনে- সত্যনিষ্ঠা, যথার্থতা, বাস্তৱিকতা, নিৰপেক্ষতা, মর্যাদা, শুদ্ধতা, সামাজিক দায়িত্ববোধ আৰু মানৱতা

আদিৰ বিষয়ে বিশদভাৱে জানিব পাৰিব। শেষত আপুনি কুম্ভিলক্ বৃত্তি (Plagiarism) আৰু প্রত্যুত্তৰৰ 'অধিকাৰ' (Right of Reply)ৰ সবিশেষ জানিব পাৰিব। প্রত্যুত্তৰৰ অধিকাৰৰ জৰিয়তে প্রতিজন ব্যক্তিয়ে নিজৰ বিষয়ে প্রকাশ হোৱা ভুল আৰু ভ্রান্ত তথ্যৰ বিৰুদ্ধে প্রত্যুত্তৰ দিয়াৰ অধিকাৰ লাভ কৰে।

৪.৩ সংবাদ মাধ্যম আৰু নীতিৰ গুৰুত্ব (Media and importance of ethics)

সংবাদ মাধ্যমৰ নীতি হৈছে ব্যৱহাৰিক নীতিৰ এক শাখা আৰু ই প্রচাৰ মাধ্যম অর্থাৎ বোলছবি, নাটক, শিল্পকলা, ছপা মাধ্যম, ইন্টাৰনেট ইত্যাদি সকলো ধৰণৰ সংবাদ মাধ্যমৰ বাবে নীতিগত আদর্শ আৰু মান নির্ণয় কৰে। সেয়েহে এই ক্ষেত্রখনে যুদ্ধকালীন সাংবাদিকতাৰ পৰা বিজ্ঞাপনলৈকে, বহুতো ভিন্ন ধৰণৰ আৰু বিতর্কমূলক বিষয় সামৰি লয়।

নৈতিক আচৰণে সাংবাদিকতাক উচ্চস্তৰলৈ লৈ যায়। সাংবাদিকতাৰ মূল নৈতিক উদ্দেশ্য হৈছে সত্য আৰু বাস্তৱ ঘটনাক পোহৰলৈ অনা। কিন্তু মানৱ ইতিহাসৰ সৈতে 'সত্য'ৰ ধাৰণাৰো কিছু পৰিৱর্তন হৈছে। ইয়াৰ লগে লগে সংবাদ মাধ্যমৰ পঢ়ুৱৈ, শ্রোতা আৰু দর্শকৰো পৰিৱর্তন হৈছে। ভৌগোলিক আৰু সাংস্কৃতিক স্থিতিৰ ওপৰত নির্ভৰ কৰি বিভিন্ন দর্শক, শ্রোতা আৰু পঢ়ুৱৈয়ে কোনো গৃহীত সত্য আৰু বাস্তৱ ঘটনাৰ বিষয়ে ভিন্ন ধৰণেৰে মত পোষণ কৰা দেখা যায়। সেয়েহে নিজৰ দৃষ্টিভংগী অনুযায়ী সত্য প্রকাশ কৰাটো, সত্যক উপলব্ধি কৰা দেখা যায়। সেয়েহে নিজৰ দৃষ্টিভংগী অনুযায়ী সত্য প্রকাশ কৰাৰ ক্ষমতাৰ ওপৰত নির্ভৰ কৰে। বর্তমান পৰিস্থিতিত, দৃষ্টিভংগী আৰু তাৎক্ষণিক পৰিস্থিতিৰ সৈতে সত্য ধাৰণাৰ সম্পর্ক হোৱা দেখা গৈছে। কিছু বছৰ পূর্বে তেহেল্কা গোটে চৰকাৰৰ প্রতিৰক্ষা বিভাগত অস্ত্র-শস্ত্র কিনা ঘটনা সংক্রান্তত হোৱা দুর্নীতি সম্পর্কে কৰা অনুসন্ধানত ভিডিঅ' ৰেকর্ডিং কৰিবলৈ যি উপায় অৱলম্বন কৰিছিল, সেই বিষয়ত অনেক বিতর্ক হোৱা দেখা গৈছিল। সত্য উদঘাটন কৰিবলৈ মিছা প্রমাণ ব্যৱহাৰ সম্পর্কে বহুতো সাংবাদিক সংস্থাই প্রশ্ন উত্থাপন কৰিছিল। এই সকলোবোৰে সাংবাদিকতাত আচৰণ নীতিৰ প্রয়োজনীয়তাকে সূচায়।

নীতি হৈছে নৈতিকতাৰ মান নিৰ্দ্ধপনৰ লগত জড়িত সেই অধ্যয়ন যি ব্যক্তিগত আৰু সামাজিক উন্নয়নৰ ক্ষেত্রত গ্রহণযোগ্য। এই নীতিৰ ধাৰণাৰ প্রৱর্তন কৰিছিল প্লেট', এৰিষ্টটেল আদি প্রাচীন গ্রীচৰ দার্শনিক নীতি সম্বন্ধীয় দিশটোৰ কথা মহাভাৰতৰ লগতে নেউটিষ্টামেন্টাতো উল্লেখ আছে। তেওঁলোকৰ মতে, প্রতিজন ব্যক্তিৰে নৈতিক উত্তৰণৰ বাবে সাহস, নৈতিকতা আৰু আচৰণৰ প্রয়োজন। ইয়াৰ লগতে প্রয়োজন হয় বুদ্ধিমত্তা, ন্যায় আৰু সংযত আচৰণৰ। নীতি হৈছে ভুল-শুদ্ধ, ন্যায়-অন্যায় ইত্যাদি মান নির্ণয়ৰ এক যথোচিত ব্যৱস্থা। নির্দিষ্ট পৰিৱেশত কৰা নৈতিক আচৰণৰ দ্বাৰা ইয়াক প্রকাশ কৰা হয়।

বর্তমান পৰিস্থিতিত ভুল-শুদ্ধ, নৈতিক-অনৈতিক আদি গুণ বিচাৰ কৰিব পৰা ক্ষমতাকে নীতি আখ্যা দিয়া হয়। ইয়াৰ লগতে জড়িত কৰা হয়, নৈতিকভাৱে শুদ্ধ বহুতো যুক্তিৰ মাজৰ পৰা আটাইতকৈ শ্রেষ্ঠবিধ বাচি উলিয়াব পৰা গুণক আৰু এই বিবেচিত যুক্তিসমূহক কার্যত ৰূপান্তৰিত কৰিবলৈ মানুহৰ মাজত সেইবোৰ প্রমাণ কৰিব পৰা ক্ষমতাক।

কোনো বাতৰিকাকত অথবা দূৰদর্শনৰ সাংবাদিক এজনে তেওঁ প্রস্তুত কৰা প্রতিবেদনৰ উৎস, তেওঁৰ সহকর্মী আৰু পঢ়ুৱৈ নাইবা দর্শক সমাজৰ সন্দর্ভত কিছু নৈতিক সিদ্ধান্ত ল'বলগীয়া হ'ব পাৰে। সাংবাদিকজনৰ সিদ্ধান্ত যদি শুদ্ধ হয় তেন্তেই কোনো পক্ষকে আঘাত অথবা অৱমাননা নকৰে।

ৰাইজৰ সজাগতাই হৈছে ন্যায়ৰ পথপ্দর্শক আৰু গণতন্ত্ৰৰ ভেটি। সাংবাদিকৰ দায়িত্ব হৈছে সত্য অন্বেষণ কৰি প্রতিটো ঘটনা আৰু বিষয়ৰ শুদ্ধ, সম্পূর্ণ তথ্য প্রকাশ কৰা আৰু ৰাইজৰ সজাগতা বৃদ্ধি কৰাত অৰিহণা যোগোৱা। প্রতিবিধ সংবাদ মাধ্যমৰ সজাগ সাংবাদিকসকলে সম্পূর্ণৰূপত আৰু সততাৰে ৰাইজক সেৱা আগবঢ়াবলৈ প্রয়াস কৰে। ইয়াৰ লগতে অৱশ্যে সাংবাদিকৰ বিশ্বাসযোগ্যতাৰ ভেটি হৈছে বৃত্তিগত সংহতি। সংবাদসেৱীসকলক নৈতিক সমস্যাৰ ক্ষেত্রত সহায় কৰিবলৈ বহুতো অসুবিধাৰ মাজেৰে সংবাদ মাধ্যমৰ 'নৈতিক আচৰণ ব্যৱস্থা' (code of ethics) সমূহ উদ্ভাৱন কৰা হৈছে। এই সংহিতাৰ সহায়ত সাংবাদিকসকলে নিজৰ বৃত্তিগত জীৱনত স্ব-নিৰীক্ষণ আৰু স্ব-সংশোধন কৰিব পাৰে। যদিও আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয় দেশসমূহে এই আচৰণ ব্যৱস্থা উদ্ভাৱন কৰাৰ লগতে কার্যকৰীও কৰিছে, সংবাদ মাধ্যমৰ স্বাধীনতাক গ্রহণ কৰা প্রায়বোৰ দেশৰ সংবাদসেৱী সংস্থাসমূহত এনে আচৰণ ব্যৱস্থা দেখিবলৈ পোৱা যায়। দেশ ভেদে আৰু সংস্থা ভেদে যদিও এই আচৰণ বিধি আৰু এইসমূহৰ ব্যৱহাৰৰ ক্ষেত্রত কিছু পার্থক্য দেখা যায়, মুখ্য প্রকাশন আৰু বাতৰি সংস্থাসমূহৰ ক্ষেত্রত এই বিধিসমূহ প্রায় একে ধৰণৰ।

সংবাদ মাধ্যমৰ এই আচৰণ বিধিৰ মূল উদ্দেশ্য হৈছে জনসাধাৰণক উচ্চ মানবিশিষ্ট সংবাদ প্রেৰণ কৰা আৰু লগতে ৰাইজৰ হিতার্থে সকলো তথ্য সঠিক সময়ত যোগান ধৰা। সাংবাদিক আৰু প্রকাশকসকলৰ পূর্বৰ নৈতিক স্খলনসমূহৰ অভিজ্ঞতাৰ আধাৰত এই আচৰণ বিধিসমূহ উদ্ভাৱন কৰা হৈছে। বর্তমান বিভাগীয় আৰু স্বতন্ত্র দুয়ো শ্রেণীৰ সাংবাদিকৰ নিযুক্তিৰ ক্ষেত্রতে এই আচৰণ বিধিসমূহ বাধ্যতামূলক কৰা হৈছে। সেয়েহে কোনো কোনো পৰিস্থিতিত এই বিধি অৱজ্ঞা কৰা সাংবাদিকে নিজৰ সংস্থাপন হেৰুৱাবলগীয়াও হৈছে। বৃত্তিগত মান উন্নত কৰিব পাৰিলে, ই সংবাদ সংস্থা এটাৰ সন্মান আৰু ইয়াৰ প্রতি থকা ৰাইজৰ আস্থা বৃদ্ধি কৰাৰ লগতে, সংস্থাটোৰ দর্শক-পঢ়ুৱৈৰ সংখ্যাও বৃদ্ধি কৰে।

৪.৪ সংবাদ মাধ্যমৰ নির্দেশক নীতি (Media Code of Ethics)

কোনো কামৰ গ্রহণযোগ্যতা বিচাৰ কৰিবলৈ নির্দ্ধাৰণ কৰা নিয়মকে সাধাৰণ অর্থত নীতি বুলিব পাৰি। নীতিৰ জৰিয়তে কোনো কাম ভুল নে শুদ্ধ, ভাল নে বেয়া, প্রশংসাযোগ্য নে গৰিহণাযোগ্য, দায়িত্বপূর্ণ হয় নে নহয়, স্ব-ইচ্ছাই কৰা নে বাধ্যবাধকতাত, এই সকলোবোৰ দিশ বিচাৰ কৰিব পাৰি। সাংবাদিকে সন্মুখীন হোৱা বৃত্তিগত প্রত্যাহ্বানৰ বিপৰীতে লোৱা শুদ্ধ পদক্ষেপ আৰু আদর্শসমূহৰ দ্বাৰাই সাংবাদিকতাৰ নীতি আৰু মানদণ্ড গঢ় লৈ উঠে। অতীজৰ পৰা বর্তমানলৈকে এই মানদণ্ডসমূহ সাংবাদিকসকলৰ মাজত তেওঁলোকৰ বৃত্তিগত 'নির্দেশক নীতি' (code of Ethics) ৰূপে স্বীকৃত। বর্তমান প্রায় সকলোবোৰ উচ্চ স্তৰৰ বৃত্তিগত সংবাদ প্রতিষ্ঠান আৰু বিভিন্ন মুদ্রণ সম্প্রচাৰ আৰু অন্‌লাইন বাতৰি প্রতিষ্ঠানৰ নিজাববীয়া 'নির্দেশক নীতি' আছে। সাংবাদিকতাৰ নির্দেশক নীতিসমূহৰ মূল উদ্দেশ্য হ'ল সমাজত শুদ্ধ, নির্ভুল, নিৰপেক্ষ, যুক্তিসংগত আৰু মার্জিতভাৱে বাতৰি, মতামত, উক্তি আৰু তথ্যৰ যোগান ধৰা। এই ক্ষেত্রত প্রচাৰ মাধ্যমসমূহে আন্তঃৰাষ্ট্রীয়ভাৱে স্বীকৃত নীতিসমূহ গ্রহণ কৰি নিজৰ দায়িত্ব পালন কৰিব বুলি আশা কৰা হয়। নিজৰ বোধশক্তিৰে এই নীতিসমূহৰ উপযোগিতা বিচাৰ কৰিলে সাংবাদিকসকলে নিজৰ কার্য স্ব-নিয়ন্ত্রণ কৰাৰ ক্ষেত্রত যথেষ্ট লাভান্বিত হোৱাৰ থল আছে।

সম্পাদক আৰু বাতৰি বিভাগসমূহে লোৱা নীতি নির্দ্ধাৰণৰ কার্যব্যৱস্থাই ইয়াৰ গ্রহণযোগ্যতা প্রমাণ কৰে। এই নীতিৰ নির্দ্ধাৰণ, পুনৰনির্দ্ধাৰণ, বিতর্ক আৰু প্রয়োগে ইয়াৰ ফলপ্রসূতা সূচায়। অতি দৃঢ় নির্দেশক নীতি আৰু সিদ্ধান্ত গ্রহণৰ শক্তিশালী প্রণালী সমৃদ্ধ বাতৰিকাকতসমূহে পঢ়ুৱৈ সমাজক অধিক নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ লগতে সামাজিকভাৱে অধিক দায়িত্ব পালন কৰে। ইয়াৰোপৰি নির্দেশক নীতিৰ সহায়ত, বাতৰি বিভাগৰ কর্মীয়ে সঘনে সন্মুখীন হোৱা কঠোৰ বৃত্তিগত প্রত্যাহ্বান গ্রহণ কৰি উপযুক্ত সিদ্ধান্ত গ্রহণ আৰু সাংবাদিকতাৰ নীতিসম্পর্কীয় বিশ্বাসযোগ্যতা গঢ়ি তুলিব পাৰে।

সমগ্র বিশ্বতে সাংবাদিকতাৰ সৈতে জড়িত বহুতো সংস্থা আৰু সংগঠন আছে, যাৰ নিজাববীয়া নির্দেশক নীতি আছে। এই ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত সংস্থাসমূহে বহুতো আহুকালৰ মাজেৰে, সাংবাদিকসকলে সন্মুখীন হোৱা নীতি সম্পর্কীয় সমস্যা হ্রাস কৰিবলৈ নির্দেশকৰ ৰূপত সহায় আগবঢ়াই আছে। নিজৰ কাম সম্পাদন কৰাৰ সময়ত সাংবাদিকসকলে এই নির্দেশক নীতিৰ সহায়ত স্ব-নিৰীক্ষণ আৰু স্ব-সংশোধন কৰিব পাৰে। এই ক্ষেত্রত ভাৰতৰ কিছুমান বিশেষ নির্দেশক নীতিৰ বিষয়ে উল্লেখ কৰিব পাৰি। যেনে- All India Newspaper Editor's Conference (AINEC) অর্থাৎ সর্বভাৰতীয় বাতৰিকাকত সম্পাদকসকলৰ সম্মিলনে ১৯৫৩ চনত গ্রহণ কৰা Editor's Charter, সর্বভাৰতীয় বাতৰিকাকত সম্পাদকসকলৰ সম্মিলনৰ নির্দেশক নীতি ১৯৬৮ চনত গোষ্ঠীগত ঘটনাৰ বাবে গ্রহণ কৰা হয়। ১৯৫৪ৰ সংবাদ সংস্থাৰ নির্দেশক নীতি, ১৯৬২ৰ ৰাষ্ট্রীয় সংহতি সংস্থা নির্দেশক নীতি (National Integration Council Code), সাংবাদিকসকলৰ আৰু বাতৰিকাকতসমূহৰ সামাজিক আৰু নৈতিক দায়বদ্ধতাৰ বাবে ১৯৭৬ত ৰাজ্যসভাই গ্রহণ কৰা সংসদীয় নির্দেশক নীতি (Parliamentary Code of Ethics)। এই সকলো নির্দেশক নীতিসমহৰ কিছু ক্ষেত্রত প্রভেদ থাকিলেও, এইসমূহৰ মৌলিক নীতিসমূহৰ সমপর্যায়ৰ।

৪.৪.১ সংবাদ মাধ্যমৰ নির্দেশক নীতিৰ মৌলিক আদর্শসমূহ (Common elements of media code of Ethics)

সত্যনিষ্ঠা (Truthfulness) ঃ এজন সাংবাদিকৰ সততা, বিশ্বাসযোগ্যতা আৰু কর্মক্ষমতাৰ পৰাই সত্যনিষ্ঠাৰ আদর্শৰ জন্ম হয়। অৱশ্যে বহু ক্ষেত্রত অন্য আদর্শ সত্যনিষ্ঠাৰ বিপৰীতে যাব পাৰে। সমাজৰ মুধাফুটা ব্যক্তিসকলৰ জীৱনৰ কিছুমান গোপনীয় কথাৰ বিৱৰণ বহুতো প্রচাৰ মাধ্যমৰ মুখ্য বাতৰিত অন্তর্ভুক্ত হয়। এনে ধৰণৰ বাতৰি সত্য হ'লেও ইবিলাকৰ প্রকাশৰ যুক্তিযুক্ততাত যথেষ্ট সন্দেহ থাকে। সাংবাদিকসকলে মনত ৰখা উচিত যে প্রতিজন নাগৰিকৰ ব্যক্তিগত অধিকাৰো থাকে। আনহাতে সেনাবাহিনীৰ গোপনীয় তথ্য আৰু স্পর্শকাতৰ চৰকাৰী তথ্য প্রকাশ কৰাটো, সত্য হ'লেও, সামাজিক প্রেক্ষাপটত তাক কৰাটো অনুচিত। একেদৰে ফটো সাংবাদিকসকলে প্রকাশ কৰা যুদ্ধ নাইবা দুর্যোগৰ দৃশ্যই অৱস্থাৰ অৱনতিহে ঘটাব পাৰে। উদাহৰণ স্বৰূপে, কাৰো মৃতদেহৰ বিৱৰণ অধিক স্পর্শকাতৰভাৱে প্রকাশ কৰাটো অনুচিত। গোপনীয় বাতৰিৰ উৎসৰ সুৰক্ষাক লৈ সাংবাদিকতাৰ নীতি আৰু ন্যায়পালিকাৰ মাজত বিতর্ক হোৱাও দেখা যায়। ইয়াত এটা ডাঙৰ প্রশ্ন উত্থাপন হয় যে বাতৰি সংগ্রহ কৰিবলৈ

আইন ভংগ কৰাটো কিমান দূৰ সমীচীন? লগতে নীতিগত প্ৰশ্নটো হ'ল যে শুদ্ধ আৰু সত্য বাতৰি পৰিৱেশন কৰিবলৈ প্ৰচাৰ মাধ্যমে কোনটো পৰ্যায়লৈ দৰ্শকৰ স্পৰ্শকাতৰ অনুভূতিক আঘাত কৰাটো উচিত।

যথাৰ্থতা (Accuracy) ঃ কোনো ব্যক্তিৰ নাম অথবা উক্তি নিৰ্ভুলভাৱে প্ৰকাশ কৰাটোৱেই যথাৰ্থ সাংবাদিকতাক নুবুজায়। সাংবাদিকে যথাৰ্থতা ৰক্ষা কৰিবলৈ হ'লে এই ক্ষেত্ৰত কাৰোবাৰ উক্তি অথবা মতামতক প্ৰাসংগিকভাৱে উপস্থাপন কৰিব লাগিব। ইয়াৰ অৰ্থ হ'ল, ব্যক্তি অথবা ঘটনা সম্পৰ্কে যিমানদূৰ সম্ভৱ সত্যনিষ্ঠ তথ্য যোগান ধৰা। এজন সাংবাদিকে নিজৰ অথবা সম্পাদকৰ ৰুচি অনুযায়ী কোনো ঘটনাক কেতিয়াও স্ব-ইচ্ছাৰে গতি প্ৰদান কৰাটো অনুচিত। ইয়াৰ অৰ্থ হ'ল যে প্ৰকৃত সাংবাদিকতাত প্ৰসংগত থকা বিষয় অথবা ব্যক্তিৰ সৈতে সাংবাদিকৰ ব্যক্তিগত মনোভাৱৰ কোনো স্থান নাথাকে। প্ৰতিবেদনত থকা সকলো তথ্য সঁচা আৰু নিভুল হোৱা বাঞ্ছনীয়। ইয়াৰ বাবে অতি সাৱধানে কৰা গৱেষণা আৰু ভাষা তথা অন্যান্য দিশ মাৰ্জিত হোৱাটো উচিত। কেৱল এজন প্ৰত্যক্ষদৰ্শী থকা ঘটনাক সম্ভাব্য ৰূপত আৰু দুজন বা ততোধিক প্ৰত্যক্ষদৰ্শী থকা ঘটনাক সত্য বুলি প্ৰকাশ কৰিব পাৰি। লগতে বিতৰ্কমূলক ঘটনাক সম্ভাব্য ৰূপত প্ৰকাশ কৰিব লাগে। বাতৰি প্ৰতিষ্ঠানটোৰ অন্য এজন স্বতন্ত্ৰ কৰ্মীয়ে ঘটনাৰ সত্যাসত্য চোৱা উচিত। ভুল বাতৰিৰ ক্ষেত্ৰত, তাক শুদ্ধ ৰূপত পুনৰ প্ৰকাশ কৰিব লাগে। অভিযুক্তৰ ক্ষেত্ৰত কাৰোবাৰ দোষ ন্যায়ালয়ত প্ৰমাণিত নোহোৱা পৰ্যন্ত, দোষী ৰূপত প্ৰকাশ কৰিব নালাগে। সাংবাদিকসকল সেয়েহে উৎস নিৰ্দ্ধাৰণ আৰু প্ৰতিবেদন প্ৰস্তুতিৰ সময়ত যথেষ্ট সজাগ হ'ব লাগে।

বস্তুনিষ্ঠতা (Objectivity) ঃ যদিও ১৮৯০ৰ দশকৰ 'বস্তুনিষ্ঠতা' এক আদৰ্শৰ ৰূপত চিহ্নিত হৈছিল, সাংবাদিকতাত ইয়াক প্ৰয়োগ কৰা হয় ২০ শতিকাত। বহুতো পণ্ডিত আৰু ইতিহাসবিদে মত প্ৰকাশ কৰে যে, আধুনিক বাতৰিকাকতৰ প্ৰচলনৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবাদ মাধ্যমত বস্তুনিষ্ঠতা ধাৰণাক যথেষ্ট গুৰুত্ব প্ৰদান কৰা হয়। ১৯ শতিকাত গঢ় লৈ বিজ্ঞানসম্মত মানসিকতাৰ মাজতো বস্তুনিষ্ঠতাৰ মূল বিচাৰি পোৱা যায়, কিয়নো 19 শতিকাৰ সাংবাদিকতা দৈনন্দিন বিজ্ঞানসম্মত ঘটনাৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

বৰ্তমান সাংবাদিকসকলে আৰু জনসাধাৰণে বস্তুনিষ্ঠতাৰ অনুপস্থিতিত ইয়াক চিহ্নিত কৰিব বিচাৰে। বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু U.K.ৰ বৃত্তিগত সাংবাদিকতাত বস্তুনিষ্ঠতাক যথেষ্ট গুৰুত্ব প্ৰদান কৰা হয়। সাংবাদিকতাৰ ক্ষেত্ৰত বস্তুনিষ্ঠতাই শুদ্ধতা, নিৰপেক্ষতা আৰু তথ্যভিত্তিক আদি গুণসমূহ সামৰি লয়। অৱশ্যে বহুতো সাংবাদিকে নিজকে সম্পূৰ্ণ নিৰপেক্ষ ৰূপে প্ৰমাণিত কৰিব নোৱাৰে। তেনে স্থলতো অনেকে নিজৰ ব্যক্তিগত জীৱনৰ পৰা সম্পূৰ্ণ পৃথকভাৱে নিজৰ বৃত্তিগত আদৰ্শ তুলি ধৰিবলৈও সক্ষম হৈছে।

সাংবাদিকতাৰ বৃত্তিৰ ওপৰত বস্তুনিষ্ঠতাৰ আদৰ্শৰ যথেষ্ট প্ৰভাৱ পৰা দেখা যায়। অৱশ্যে বস্তুনিষ্ঠতাৰ মূল আদৰ্শ কেৱল সংবাদ মাধ্যমৰ বস্তুনিষ্ঠতা নহয়। বৰঞ্চ এজন সাংবাদিকে দুই ধৰণে বস্তুনিষ্ঠ হ'বলৈ যত্ন কৰে- 1¼ বাতৰি প্ৰসংগত থকা লোকসকলৰ প্ৰতি শুদ্ধতা প্ৰদৰ্শন, আৰু 2¼ শুদ্ধ, সম্পূৰ্ণ আৰু বাস্তৱ তথ্য সংগ্ৰহ কৰিবলৈ সম্পূৰ্ণ বৃত্তিগত প্ৰণালী অৱলম্বন কৰা। যদিও সাংবাদিকসকলে নিৰ্দ্ধাৰিত আদৰ্শৰ উচ্চ সীমা স্পৰ্শ কৰিব নোৱাৰে। তথাপিও ই এক অতি সন্মানীয় বৃত্তি, যাক সত্য অন্বেষণকাৰী লোকসকলে কাৰ্যকৰী কৰে।

নিৰপেক্ষতা (Impartiality) ঃ সাংবাদিকতাৰ নিৰপেক্ষ নীতিয়ে প্ৰতিজন সাংবাদিক আৰু সম্পাদকৰ পৰা শুদ্ধতা দাবী কৰে। তেওঁলোকে ৰাজনৈতিক প্ৰভাৱ অথবা ব্যক্তিগত পক্ষপাতিত্বৰ পৰা মুক্ত হৈ বস্তুনিষ্ঠতাৰে সকলো অনুসন্ধান কৰাটো অতি প্ৰয়োজনীয়। প্ৰসংগত থকা লোকসকলৰ প্ৰতি যেন অবিচাৰ কৰা নহয়, এই ক্ষেত্ৰত সাংবাদিকসকল নিজৰ লিখনিৰ ক্ষেত্ৰত সাৱধান হোৱা উচিত। লিখনিত সন্নিবিষ্ট ভাৱ আৰু শব্দসমূহ শুদ্ধ আৰু

নির্ভেজাল হ'ব লাগে। সাংবাদিকে জনসাধাৰণ আৰু প্ৰসংগত থকা লোকসকলৰ সন্মুখত নিজৰ প্ৰতিবেদন সহজভাৱে পাঠ কৰিব পাৰিব লাগে। কোনো এজন ব্যক্তিৰ বিষয়ে সমালোচনাত্মক লিখনি প্ৰকাশৰ পাছত যদি সেইগৰাকী ব্যক্তিৰ দ্বাৰাই সেই লিখনি অতি দৃঢ় বুলি অভিহিত হয়, তেন্তে সেয়া হ'ব এজন সাংবাদিকৰ বাবে শ্ৰেষ্ঠ প্ৰশংসা।

শুদ্ধতাৰ এই যুদ্ধ বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। এজন নেতা অথবা কোনো দলে ব্যক্ত কৰা মতৰ বিপৰীতে বিপক্ষৰ পৰা এই সন্দৰ্ভত প্ৰতিক্ৰিয়া জানিবলৈ সাংবাদিকে প্ৰয়াস কৰে। এনেদৰে ৰাজনৈতিক ক্ষেত্ৰখন চিৰদিন বাতৰিৰ শিৰোনামত থাকে। কেতিয়াবা সংবাদ মাধ্যমে কোনো দলক আঘাত কৰাও দেখা যায়।

সামাজিক দায়িত্ব (Public Accountability) ঃ সামাজিক দায়িত্বৰ সৈতে সমিধানযোগ্যতা, দায়িত্ববোধ, নিন্দা, বাধ্যবাধকতা আৰু এনে ধৰণৰ বহুতো প্ৰসংগ সংযুক্ত হৈ থাকে। সাংবাদিকে ৰাইজৰ সন্মুখত অতি শুদ্ধ আৰু সম্পূৰ্ণৰূপে তেওঁৰ কামৰ খতিয়ান আৰু সমাজৰ ওপৰত তাৰ প্ৰভাৱৰ বিষয়ে বৰ্ণনা দিবলৈ বাধ্য। এয়া এজন সাংবাদিকৰ সামাজিক দায়িত্বৰ অন্তৰ্গত। অৰ্থাৎ তেওঁ নিজৰ কামৰ শুদ্ধতা আৰু সম্পূৰ্ণতা যথাৰ্থভাৱে দাঙি ধৰিবলৈ সামাজিকভাৱে দায়বদ্ধ।

মৰ্যাদা (Dignity) ঃ এজন সাংবাদিকৰ বাবে, বাতৰিৰ প্ৰসংগত থকা ব্যক্তিসকলৰ মৰ্যাদা অক্ষুণ্ণ ৰখাটো অতি গুৰুত্বপূৰ্ণ। লগতে গুৰুত্বপূৰ্ণ হৈছে পঢ়ুৱৈ সমাজ আৰু কাকতখনৰ মৰ্যাদা। সাংবাদিকসকলে মনত ৰখা উচিত যে সকলোৱে মৰ্যাদাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিও শক্তিশালী সাংবাদিকতা অটুট ৰাখিব পাৰি।

মানৱতা (Humanity) ঃ মানৱতাই হ'ল মানৱ জীৱনৰ শ্ৰেষ্ঠ আদৰ্শ "Absence of Malice" নামৰ বোলছবিখনৰ এটা দৃশ্যত এজন অভিজ্ঞতাপুস্ত সম্পাদকে নিজকে সাংবাদিক বুলি কৈছে। তেওঁ কৈছে যে তেওঁ পৃথকভাৱে বাতৰি পৰিৱেশন কৰিব পাৰে আৰু মানুহক কষ্ট নিদিয়াকৈ থাকিব পাৰে, কিন্তু এই দুয়োবিধ কাম একেলগে কৰিবলৈ তেওঁ অপাৰগ। শ্ৰেষ্ঠ সাংবাদিকতাই অনিচ্ছাকৃতভাৱে প্ৰায়ে কাৰোবাক আঘাত দিয়ে। মানৱতাৰ অৰ্থ হৈছে নিৰ্দোষীক আঘাত নকৰা আৰু সেইসকলক আঘাত নকৰা যাৰ এজন সাংবাদিকৰ সৈতে কথা পাতি সোমাই পৰা ঘটনাৰাজিৰ বিষয়ে কোনো নিৰ্দিষ্ট ধাৰণা নাই। এজন প্ৰকৃত সাংবাদিক জনসাধাৰণৰ প্ৰতি সদায় দায়বদ্ধ হৈ থাকে।

এজন সাংবাদিকৰ মূল কৰ্তব্য হৈছে তথ্যভিত্তিকভাৱে ঘটনা অথবা বিষয়বস্তু উপস্থাপন কৰা। সকলো সচেতন সংবাদ মাধ্যমে সেয়েহে অতি বিশ্বিস্ততাৰে ৰাইজক সেৱা আগবঢ়াবলৈ তৎপৰ হৈ থাকে। বৃত্তিগত সংহতিয়ে হৈছে সাংবাদিকৰ বিশ্বাসযোগ্যতাৰ মূল। সাংবাদিকতাৰ নিৰ্দেশক নীতিসমূহে সাংবাদিক আৰু সমাজৰ মাজত থাকিবলগীয়া সম্পৰ্কৰ ভেটি নিৰ্মাণ কৰে। এই ভেটি যিমানে দৃঢ় হয়, লিখক আৰু পঢ়ুৱৈৰ মাজৰ সম্পৰ্কও সিমানে দৃঢ় হয়। বেছিভাগ ক্ষেত্ৰতে এনে ধৰণৰ দৃঢ় ভেটি নিৰ্মাণ হোৱা দেখা নাযায়। তেতিয়ালৈকে কোনো পক্ষই নীতিসমূহৰ বিষয়ে সচেতন হৈ নুঠে।

৪.৪.২ নিৰ্দেশক নীতিৰ (Plagiarism)

কুম্ভিলক্ বৃত্তি বা Plagiarism ৰ সাধাৰণ অৰ্থ হৈছে কোনো এজন ব্যক্তিয়ে স্বতন্ত্ৰভাৱে কাৰোবাৰ লিখনিক অকৃতজ্ঞভাৱে লেখকৰ অনুমতি অবিহনে ব্যৱহাৰ কৰা কাৰ্য। কোনো লেখকৰ প্ৰকাশিত অথবা অপ্ৰকাশিত লিখনিক

আংশিক অথবা সম্পূর্ণৰূপত লেখকৰ অনুমতি অবিহনে নকল কৰা আৰু কম্পিউটাৰ ফাইল, ইন্টাৰনেট আদিৰ পৰা download কৰাকে কুম্ভিলক্ বৃত্তি (Plagiarism) বোলা হয়। এই ক্ষেত্ৰত অন্য লেখকৰ ভাৱ-ভাষাৰ ব্যৱহাৰ অথবা অতি ওচৰ পর্যায়লৈ নকল কৰি, সেইখিনি নিজৰ মূল লিখিনিৰ ৰূপত প্ৰকাশ কৰা হয়।

কুম্ভিলক্ বৃত্তিক সাংবাদিকতাৰ আচৰণ বিধিৰ প্ৰতি এক আঘাত ৰূপে গণ্য কৰা হয় আৰু ইয়াৰ সৈতে জড়িত সাংবাদিকে নিজৰ কর্মৰ পৰা অংশকালীন অথবা পূর্ণ অব্যাহতিও লাভ কৰে। বিদ্যায়তনিক অথবা সাংবাদিকতাৰ ক্ষেত্ৰত কুম্ভিলক্ বৃত্তিৰ দোষত অভিযুক্তসকলে কেতিয়াবা তেনে কার্য অজ্ঞাতভাৱে কৰা বুলি কয় আৰু অন্য লোকৰ উক্তি, প্ৰসংগ আদি নিজৰ লিখনিত অজ্ঞাতভাৱে সামৰি নোলোৱা বুলিও কয়। কুম্ভিলক্ বৃত্তিৰ এই অভ্যাস অতি পুৰণি আৰু বর্তমান সময়ত ইন্টাৰনেটৰ বিকাশে এই কামক অধিক অৱিহণা যোগাইছে, কিয়নো ইন্টাৰনেটত সকলো তথ্য ইলেকট্ৰনিক পাঠ্যৰ আকাৰত থাকে আৰু ইয়াক অতি সহজতে বিভিন্ন 'ৱেব পেজ'লৈ লৈ যাব পাৰি। বর্তমান ভাৰতত এই অভ্যাসটোৰ প্ৰচলন বৃদ্ধি পাইছে। বাতৰিকাকতসমূহে অন্য কাকতৰ পৰা বাতৰি সংগ্ৰহ কৰি সেইবোৰক নিজৰ বুলি প্ৰকাশ কৰে। সাংবাদিকসকলে এনে বহুতো পৰিস্থিতিৰ সন্মুখীন হয়, যি জ্ঞাত অথবা অজ্ঞাতভাৱে কুম্ভিলক্ বৃত্তিৰ সৈতে জড়িত। যিহেতু এবাৰ প্ৰকাশিত বাতৰিক ৰাইজৰ সম্পত্তি বুলি গণ্য কৰা হয়, সেয়েহে সম্পূর্ণ নিষেধাজ্ঞা আৰোপ কৰি অথবা স্বত্বাধিকাৰ ভংগ কৰা বুলি আখ্যা দি কুম্ভিলক্ বৃত্তি বন্ধ কৰিব পৰা নাযায়। এই অভ্যাসৰ পৰা সাংবাদিকক মুক্ত কৰিবলৈ হ'লে, প্ৰতিবেদনৰ আৰম্ভণিতে বা শেষত, সেই বাতৰিৰ উৎসৰ বিষয়ে উল্লেখ কৰাটো বাঞ্ছনীয়। কোনো বাতৰিৰ ঘটনাসমূহৰ স্বত্বাধিকাৰ পাব নোৱাৰি যদিও, তাৰ উপস্থাপন ৰীতিৰ ওপৰত নিশ্চয় পাৰি। সাংবাদিকসকলে সেয়েহে আইন ভংগ নকৰাকৈ কোনো প্ৰৱন্ধ ইত্যাদিৰ পুনঃলিখন কৰিব পাৰে।

এইখিনিতে উল্লেখযোগ্য যে, কুম্ভিলক্ বৃত্তিৰ অর্থ স্বত্বাধিকাৰ ভংগ কৰা নহয়। এই দুয়োৰে অর্থ আইনমতে বেলেগ বেলেগ। কোনো স্বত্বাধিকাৰীৰ অধিকাৰত আঘাত কৰি তেওঁৰ অনুমতি অবিহনে তেওঁৰ অধিকৃত লিখনিৰ ব্যৱহাৰ কৰা কার্যই স্বত্বাধিকাৰ ভংগ কৰা বুজায়। আনহাতে কুম্ভিলক্ বৃত্তি হৈছে কোনো ব্যক্তিয়ে আনৰ লিখনিক নিজৰ বুলি প্ৰকাশ কৰি লাভ কৰা ভুৱা যশস্যাৰ সৈতে জড়িত এক ব্যৱস্থা।

৪.৪.৩ নৈতিক মানদণ্ড বলবৎকৰণ (Compliance of Ethical Standards)

সংবাদ মাধ্যমৰ নীতিৰ মানদণ্ডক অৱজ্ঞা কৰা হয় বুলি প্ৰায়ে আলোচনা কৰা হয়। আধুনিক যুগৰ সাংবাদিকতাৰ আটাইতকৈ বিতর্কিত বিষয় হৈছে সংবাদ মাধ্যমৰ পক্ষপাতিত্ব, বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰত। অৱশ্যে সাংস্কৃতিক আৰু অন্যান্য ক্ষেত্ৰসমূহতো পক্ষপাতিত্ব হোৱা পৰিলক্ষিত হৈছে। চাঞ্চল্যতাবাদৰ বিৰুদ্ধেও অভিযোগ আছে। কোনো বিষয়ৰ এটা নির্দিষ্ট বাতৰিৰ লগত পৰিচিত ব্যক্তিৰ চকুত বাতৰিটোত থকা তথ্য বিষয়ক গৌণ ভুলবোৰ সহজতে চকুত পৰে। সংবাদ মাধ্যমত অন্তর্ভুক্ত হোৱা কিছু পৰিৱর্তন, যেনে সাংবাদিকতাৰ সংক্ষিপ্ততা আৰু Sound Byteৰ প্ৰয়োগে, সংবাদ মাধ্যমৰ বিশ্বস্ততা হ্ৰাস কৰিছে আৰু এইবোৰে জনসাধাৰণৰ মাজত প্ৰকৃত বাতৰিৰ অভাৱ ঘটাইছে বুলি বহু সময়ত আলোচনা হোৱা দেখা গৈছে।

সাংবাদিকতাৰ নীতিক সন্মান জনাবলৈ প্ৰয়াস কৰা আগশাৰীৰ প্ৰকাশন আৰু সংবাদ প্ৰতিষ্ঠানসমূহৰ মানদণ্ড আৰু ধৰণৰ মাজত প্ৰভেদ দেখা যায়। সংবাদ প্ৰতিষ্ঠানৰ বাবে গুৰুত্বপূর্ণ গুণসমূহ হৈছে বৃত্তিৰ প্ৰতি নিষ্ঠা,

বিশ্বাসযোগ্যতা আৰু সামাজিক দায়বদ্ধতা। নির্দেশক নীতি পালনৰ জৰিয়তে এটা সংবাদ প্রতিষ্ঠানে সমাজ আৰু অন্য প্রতিষ্ঠানৰ দৃষ্টিত যথেষ্ট সন্মানজনক স্থান লাভ কৰিব পাৰে।

৪.৫ প্রত্যুত্তৰৰ অধিকাৰ (Right of Reply)

"প্রত্যুত্তৰৰ অধিকাৰ" হৈছে প্রতিজন ব্যক্তিৰে নিজৰ বিষয়ে প্রকাশিত ভ্রান্ত আৰু ভুল বাতৰিৰ বিৰুদ্ধে প্রতিক্রিয়া প্রকাশ কৰাৰ অধিকাৰ। এই অধিকাৰৰ দ্বাৰা নিজকে সমালোচনাৰ পৰা সুৰক্ষিত কৰিব পাৰি। ইয়াৰ অর্থ হৈছে যে প্রতিজন ব্যক্তিকে তেওঁৰ বিষয়ে উত্থাপিত আৰোপ সন্দর্ভত প্রত্যুত্তৰ দিয়াৰ সুবিধা দিয়াটো বাঞ্চনীয়। বহু ক্ষেত্রত তথ্য অথবা বাতৰি প্রকাশৰ পূর্বেই প্রসংগত থকা ব্যক্তিৰ সৈতে যোগাযোগৰ সম্ভাৱনাক বুজা যায় যদিও, বাস্তৱ ক্ষেত্রত তেনে কৰা নহয়। বাতৰি প্রকাশৰ পাছতহে প্রত্যুত্তৰৰ অধিকাৰ প্রয়োগ কৰিবলৈ সুবিধা দিয়া হয়।

কোনো সচেতন ব্যক্তিয়ে বাতৰিকাকতলৈ নিজৰ বিষয়ে প্রকাশিত বাতৰি সম্পর্কত সম্পাদকলৈ প্রেৰণ কৰা প্রতিক্রিয়া/উত্তৰ/চিঠি/ স্পষ্টীকৰণ ইত্যাদি অনতি পলমে প্রকাশ কৰাটো নিয়ম। অৱশ্যে তেনেস্থলত চিঠিখনৰ কিমান অংশ প্রকাশ কৰা হ'ব, বিশেষকৈ অপ্রয়োজনীয়ভাৱে দীঘল চিঠি চমু কৰাৰ ক্ষেত্রত সম্পাদকৰ সম্পূর্ণ স্বাধীনতা থাকে। অৱশ্যে এই ক্ষেত্রত সেই চিঠি প্রাসংগিক হোৱা উচিত আৰু সম্পাদকে দৰকাৰী কথা বাদ দিয়াটো অনুচিত। যদি তেনে চিঠিৰ উল্লিখিত তথ্য ভুল বুলি সম্পাদক গৰাকীৰ হাতত প্রমাণ থাকে, তেন্তে চিঠিখন প্রকাশ কৰাৰ পাছত, শেষত পৃথকভাৱে নিজৰ মন্তব্য প্রকাশ কৰিব পাৰে। অৱশ্যে এই ক্ষেত্রত উপযুক্ত প্রমাণ নোহোৱাকৈ সম্পাদকে নিজৰ বাতৰিকে শুদ্ধ বুলি টোকা লিখাটো অনুচিত, কিয়নো সম্পাদকৰ বাবে চিঠি, স্পষ্টীকৰণ আদি শুদ্ধ কৰা বা মন্তব্য দিয়াটো এক চৰম অধিকাৰ নহয়। সেয়েহে এই ক্ষেত্রত যথেষ্ট সাৱধান হোৱা উচিত। অৱশ্যে সংবাদ সংস্থা (Press Council) ৰ নির্দেশমর্মে বলবৎ কৰা কোনো চিঠি প্রকাশৰ পাছত সম্পাদকে এটি টোকা সংযোজিত কৰিব পাৰে।

ইউৰোপত সকলো ধৰণৰ সংবাদ মাধ্যমকে সামৰি প্রত্যুত্তৰৰ অধিকাৰক এক আইনৰূপে স্বীকৃতি দিবলৈ বহুবাৰ প্রয়াস কৰা হৈছে। ইউৰোপীয় পৰিষদৰ draft recommendation Recital ৪১ নং অনুচ্ছেদৰ মতে "সকলো সংবাদ মাধ্যম অর্থাৎ বাতৰিকাকত, আলোচনী, অন্য ছপা মাধ্যম, অনাতাঁৰ, দূৰদর্শন আৰু ইন্টাৰনেটত প্রত্যুত্তৰৰ অধিকাৰক আইনমতে স্বীকাৰ কৰাটো প্রয়োজনীয়।" এই অনুচ্ছেদে "ব্যক্তিগত অধিকাৰক প্রভাৱিত কৰা কোনো ভুল তথ্য প্রকাশৰ সন্দর্ভতো প্রত্যুত্তৰ দিয়াৰ অধিকাৰ" পোষকতা কৰিছে। ইউৰোপৰ অষ্ট্রীয়া, ডেনমার্ক, ফ্রান্স, জার্মানী, ফিনলেণ্ড, ডি নেদাৰলেণ্ডচ, ন'ৱৰে, স্পেইন, চুইডেনত প্রত্যুত্তৰৰ অধিকাৰ এক ন্যায়িক অধিকাৰ আৰু গ্রীচত ই এক সংবিধানিক অধিকাৰ।

অষ্ট্রেলিয়াৰ ৰাজনীতিত, কেন্দ্রীয় সংসদত বিপক্ষৰ চৰকাৰৰ বাজেটৰ ওপৰত মন্তব্য দিবলৈ অধিকাৰ প্রদান কৰা হৈছে। অষ্ট্রেলিয়াৰ কোষাধ্যক্ষই বাজেট উপস্থাপন কৰা প্রক্রিয়া দূৰদর্শনত পোনপটীয়াকৈ প্রচাৰ কৰা হয়। ইয়াৰ দুৰাতিৰ পাছত বিপক্ষই সংসদত এক প্রত্যুত্তৰ স্বৰূপ ভাষণ দিয়া যাক পুনৰ দূৰদর্শনত পোনপটীয়াকৈ প্রচাৰ কৰা হয়।

অগ্রগতি নিৰীক্ষণ

১। নির্দেশক নীতিৰ অর্থ কি?

২। সাংবাদিকতাৰ আন্তঃৰাষ্ট্রীয় নির্দেশক নীতিৰ বাবে গৃহীত উমৈহতীয়া আদর্শসমূহ কি কি?

৩। সাংবাদিকতাত বস্তুনিষ্ঠতাৰ অর্থ কি?

৪। বহুতো অন্য কাকতৰ পৰা সংগ্রহ কৰা বাতৰি নিজৰ বুলি প্রকাশ কৰে- এই অভ্যাসক কি বোলা হয়?

৫। বাতৰি কাকত এখনত প্রকাশিত "আপোনাৰ বিৰুদ্ধে কৰা সমালোচনাৰ প্রত্যুত্তৰ দিয়াৰ অধিকাৰ আপোনাৰ আছে"- এই অধিকাৰটো কি?

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

সংবাদ মাধ্যমৰ স্বাধীনতা হৈছে এনে এক উপায়, যাৰ দ্বাৰা বাতৰিকাকত, কিতাপ, আলোচনী, অনাতাঁৰ, দূৰদর্শন আৰু ইন্টাৰনেট আদি সকলো ধৰণৰ সংবাদ মাধ্যম চৰকাৰী নিয়ন্ত্রণ আৰু বিবাচক প্রক্রিয়াৰ পৰা মুক্ত হ'ব পাৰে। এই স্বাধীনতাৰ জৰিয়তে চৰকাৰে সকলো নাগৰিক, সংস্থা, বাতৰি প্রতিষ্ঠান, সংবাদসেৱী আৰু তেওঁলোকৰ সংবাদসেৱাক স্বাধীনতা প্রদান কৰিছে। বিশ্বৰ বহুতো দেশত সংবাদ মাধ্যমৰ স্বাধীনতাৰ সৈতে জড়িত সাংবিধানিক আৰু ন্যায়িক সুৰক্ষাৰ ব্যৱস্থাও আছে। এই স্বাধীনতাৰ সৈতে জড়িত সাংবিধানিক আৰু ন্যায়িক সুৰক্ষাৰ ব্যৱস্থাও আছে। এই স্বাধীনতাৰ ধাৰণা অৱশ্যে দেশ ভেদে ভিন্ন হয়। সংবাদ মাধ্যমৰ ওপৰত চৰকাৰী নিয়ন্ত্রণৰ বিৰুদ্ধে এক বাধা হিচাপে সংবাদ মাধ্যমৰ স্বাধীনতাৰ যি নীতি, সেই নীতিৰ ধৰণ, কোনো এক নির্দিষ্ট সময়ত সংবাদ মাধ্যমে ব্যৱহাৰ কৰা স্বাধীনতাৰ স্তৰৰ ওপৰত নির্ভৰ কৰে। সংবাদ মাধ্যমৰ স্বাধীনতাৰ অপব্যৱহাৰৰ সম্ভাৱনাই, সেয়েহে, কোনো জৰুৰী অৱস্থা অবিহনেও, ইযাৰ নিয়ন্ত্রণত প্রয়োজনীয় কৰি তুলিছে। সেয়েহে সংবাদ মাধ্যমৰ স্বাধীনতাই ইয়াৰ প্রয়োগৰ ক্ষেত্রত গাইগুটীয়া স্বাধীন চিন্তাৰে আগবঢ়াতো নুবুজায়।

নৈতিক আচৰণে সাংবাদিকতাক উচ্চ স্তৰলৈ লৈ যায়। সাংবাদিকতাৰ মূল উদ্দেশ্য হৈছে- সত্য আৰু বাস্তৱ ঘটনাক পোহৰলৈ অনা। সংবাদ মাধ্যমৰ নীতি হৈছে ব্যৱহাৰিক নীতিৰ এক শাখা আৰু ই প্রচাৰ মাধ্যম, অর্থাৎ বোলছবি, নাটক, শিল্পকলা, ছপা মাধ্যম, ইন্টাৰনেট ইত্যাদিৰ বাবে নীতিগত আদর্শ আৰু মান নির্ণয় কৰে। কোনো কাম অথবা ব্যৱহাৰৰ গ্রহণযোগ্যতা বিচাৰ কৰিবলৈ নির্দ্ধাৰণ কৰা নিয়মকে সাধাৰণ অর্থত নীতি বুলিব পাৰি। যদিও এনে ধৰণৰ নীতিৰ ক্ষেত্রত বিভিন্ন সংবাদ প্রতিষ্ঠানৰ নির্দিষ্ট মান থাকে, তথাপিও এইসমূহৰ কিছু উমৈহতীয়া আদর্শ আছে। এই আদর্শসমূহ এনে ধৰণৰ- সত্যনিষ্ঠা, যথার্থতা, বস্তুনিষ্ঠতা, নিৰপেক্ষতা, মর্যাদা, শুদ্ধতা সমাজিক দায়িত্ব আৰু মানৱতা। অৱশ্যে সাংবাদিকতাৰ নীতিসমূহ বহুক্ষেত্রত অৱজ্ঞা কৰা হয় বুলি আলোচনা কৰা হয়।

কুম্ভিলক্ বৃত্তি বা "Plagiarism"ৰ সাধাৰণ অর্থ হৈছে কোনো এজন ব্যক্তিয়ে স্বতন্ত্রভাৱে কাৰোবাৰ লিখনিক অকৃতজ্ঞভাৱে অথবা লেখকৰ অনুমতি অবিহনে ব্যৱহাৰ কৰা কার্য। কোনো লেখকৰ প্রকাশিত অথবা অপ্রকাশিত লিখনিক আংশিক অথবা সম্পূর্ণ ৰূপত লেখকৰ অনুমতি অবিহনে নকল কৰা আৰু কম্পিউটাৰ ফাইল, ইন্টাৰনেট আদিৰ পৰা download কৰাকে Plagiarism বোলা হয়। এই অভ্যাসক সাংবাদিকতাৰ আচৰণ বিধিৰ

প্রতি এক আঘাত ৰূপে গণ্য কৰা হয় আৰু ইয়াৰ সৈতে জড়িত সাংবাদিকে নিজৰ কৰ্মৰ পৰা অংশকালীন অথবা পূৰ্ণ অব্যাহতিও লাভ কৰে। Plagiarismৰ অৰ্থ স্বত্বাধিকাৰ ভংগ কৰা নহয়। একে ধৰণৰ হ'লেও আইন মতে দুয়োৰে অৰ্থৰ মাজত প্ৰভেদ আছে।

"প্ৰত্যুত্তৰৰ অধিকাৰ" হৈছে প্ৰতিজন ব্যক্তিৰে নিজৰ বিষয়ে প্ৰকাশিত ভুল আৰু বিভ্ৰান্তিকৰ বাতৰিৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া দিয়াৰ অধিকাৰ। ইয়াৰ দ্বাৰা নিজকে সমালোচনাৰ পৰা সুৰক্ষিত কৰিব পাৰি। ইয়াৰ অৰ্থ হৈছে যে প্ৰতিজন ব্যক্তিকে তেওঁৰ বিষয়ে উত্থাপিত আৰোপ সম্পৰ্কত প্ৰত্যুত্তৰ দিয়াৰ সুবিধা দিয়াটো বাঞ্ছনীয়।

৪.৭ অধিক জানিবলৈ

- P.K. Ravindran : Press Law and Ethics of Journalism
- Vir Bala Aggarwal : Essentials of Practical Journalism
- T. Rajshekhar : Journalism Ethics and Objectives
- Raymond Wacks : Privacy and Press Freedom

৪.৮ অগগতিৰ খতিয়ান

১। নীতিৰ সাধাৰণ অৰ্থ হৈছে ব্যক্তিগত আৰু সমাজ জীৱনত কোনো কাম অথবা ব্যৱহাৰৰ গ্ৰহণযোগ্যত্য বিচাৰ কৰা আদৰ্শসমূহ। এই নীতিৰ ধাৰণাৰ প্ৰচলন কৰিছিল গ্ৰীকসকলে। নীতিৰ দ্বাৰা কোনো কামৰ ভুলনে শুদ্ধ, ন্যায়সংগত হয়নে নহয়, এইবোৰ দিশ বিচাৰ কৰিব পাৰি। গ্ৰীকসকলৰ মতে, প্ৰতিজন ব্যক্তিৰে নৈতিক উত্তৰণৰ বাবে সাহস, নৈতিকতা আৰু শুদ্ধ আচৰণৰ প্ৰয়োজন। ইয়াৰ লগতে প্ৰয়োজন হ'ব বুদ্ধিমত্তা, ন্যায় আৰু শুদ্ধ আচৰণৰ।

২। সাংবাদিকতাৰ নীতিৰ উমৈহতীয়া আদৰ্শসমূহ হ'ল- সত্যনিষ্ঠা, যথাৰ্থতা, বাস্তৱিকতা, নিৰপেক্ষতা, মৰ্যাদা, শুদ্ধতা, সামাজিক দায়িত্ব আৰু মানৱতা।

৩। সাংবাদিকতাৰ ক্ষেত্ৰত বাস্তৱিকতাই শুদ্ধতা, নিৰপেক্ষতা আৰু তথ্যভিত্তিক গুণসমূহ সামৰি লয়। অৱশ্যে বহুতো সাংবাদিকে নিজকে সম্পূৰ্ণ নিৰপেক্ষ ৰূপে প্ৰমাণিত কৰিব নোৱাৰে।

৪। কুম্ভিলক্ বৃত্তি (Plagiarism)

৫। প্ৰত্যুত্তৰ অধিকাৰ

৪.৯ আৰ্হি প্ৰশ্ন

১। সংবাদ মাধ্যমৰ স্বাধীনতাৰ অৰ্থ কি? এই স্বাধীনতাৰ ওপৰত নিয়ন্ত্ৰণৰ কিয় প্ৰয়োজন হয়? বহলাই লিখক।

২। সংবাদ প্ৰতিষ্ঠানৰ বাবে নিৰ্দেশক নীতিৰ গুৰুত্ব সম্পৰ্কে এক চমু টোকা লিখক।

৩। সাংবাদিকতাৰ নীতি কাক বোলে? সাংবাদিকতাৰ নির্দেশক নীতিৰ ওপৰত এটি টোকা লিখক।

৪। সাংবাদিকতাৰ নীতিৰ উমৈহতীয়া আদর্শসমূহ কি কি? প্রতিবিধ আদর্শৰ বিষয়ে চমুকৈ বর্ণনা দিয়ক।

৫। সাংবাদিকতাৰ ক্ষেত্রত নির্দেশক নীতি বলবৎকৰণৰ বিষয়ে এক চমুটোকা লিখক।

৬। কুম্ভিলক্ বৃত্তি মানে কি? সাংবাদিকতাৰ নীতিৰ প্রসংগৰে ইয়াৰ ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰক।

৭। প্রত্যুত্তৰৰ অধিকাৰ কি? সংবাদ মাধ্যমৰ প্রসংগৰে এই অধিকাৰ সন্দর্ভত এটি টোকা লিখক।

*** **** ***

অধ্যায় ৫ ঃ মৃত্যুদণ্ড

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পৃষ্ঠভূমি

৫.৪ শাস্তিৰ তত্ত্ব

৫.৪.১ সতর্কতামূলক তত্ত্ব

৫.৪.২ সংস্কাৰমূলক তত্ত্ব

৫.৪.৩ প্রতিফলমূলক তত্ত্ব

৫.৫ মৃত্যুদণ্ড কি

৫.৫.১ বিষয়টো সন্দর্ভত দার্শনিকৰ দৃষ্টিভংগী

৫.৬ মৃত্যুদণ্ড বিষয়ক বিতর্ক ঃ মৃত্যুদণ্ড ন্যায়সংগতনে?

৫.৬.১ সংস্কাৰবাদী দৃষ্টিভংগী

৫.৬.২ সংস্কাৰবাদী দৃষ্টিভংগীৰ প্রত্যাহ্বান

৫.৬.৩ বিতর্কৰ প্রাসংগিকতা

৫.৭ ভাৰতত মৃত্যুদণ্ড

৫.৮ জীয়াই থকাৰ অধিকাৰ সপক্ষে যুক্তি

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্রগতিৰ খতিয়ান

৫.১২ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সংবাদ মাধ্যমত সঘনে আলোচিত মৃত্যুদণ্ডৰ বিষয়ে জানিব পাৰিব
- ইয়াৰ দর্শনৰ মূলৰ সৈতে কি সম্পর্ক আছে বর্ণনা কৰিব পাৰিব
- শাস্তিৰ বিভিন্ন তত্ত্ব বিশ্লেষণ কৰিব পাৰিব
- মৃত্যুদণ্ডৰ ন্যায়সংগতাৰ সপক্ষে আৰু বিপক্ষে থকা সম্ভাব্য যুক্তিবোৰ বাহিৰ কৰিব পাৰিব
- সাম্প্রতিক সামাজিক পৰিঘটনাত মৃত্যুদণ্ডৰ প্রাসংগিকতা আৰু উপযুক্ত প্রয়োগ বুজি পাব

৫.২ পৰিচয়

দৰ্শন হ'ল অধ্যয়নৰ এনে এক শাখা যিটোৱে জীৱন আৰু সামগ্ৰিকভাবে সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ কথা আলোচনা কৰে। আমাৰ ঔসুকতাই চিনাকী পৃথিৱীখনৰ জ্ঞান চেৰাই যায় বাবে দৰ্শনে আমাক পৰিঘটনামূলক আৰু ভাৱাতীত দুয়োখন জগতৰ আলোচনাত সহায় কৰে। আকৌ, দৰ্শনে আমাক যথাৰ্থভাৱে মানুহ হিচাপে একোটা অৰ্থবহ জীৱন যাপনৰ উপায় অন্বেষণ কৰাতো প্ৰয়োজনীয় সহায় আগবঢ়ায়। দৰ্শনৰ যিটো শাখাৰ দ্বাৰা এনেধৰণৰ কাৰ্যকলাপবোৰ চলাই নিয়া হয় সেইটোক 'মূল্য মীমাংসা' (Axiology) বোলে। 'মানৱ আচৰণৰ বিজ্ঞান' বুলি অভিহিত কৰা নীতিশাস্ত্ৰ হ'ল 'মূল্য মীমাংসা'ৰ এটা গুৰুত্বপূৰ্ণ বিষয়। শাস্তিৰ তত্ত্ব হ'ল নীতিশাস্ত্ৰত আলোচিত এটা প্ৰধান বিষয়। শাস্তিৰ সৈতে দুটা প্ৰধান দিশ জড়িত হৈ থাকে- ন্যায়িক (legal) আৰু নৈতিক (moral)। দৰ্শনৰ এটা শাখাৰূপে নীতিশাস্ত্ৰই 'মূল্য মীমাংসা'ৰ অধীনত এই দুয়োটা দিশেৰে শাস্তিৰ তত্ত্ববোৰ আলোচনা কৰাৰ চেষ্টা চলায়। এনেকৈয়ে শাস্তিৰ তত্ত্ববোৰ আলোচনা কৰাৰ চেষ্টা চলায়। এনেকৈয়ে শাস্তিৰ তত্ত্বটো দৰ্শনৰ আলোচনাৰ এক গুৰুত্বপূৰ্ণ অংশত পৰিণত হ'ল। শাস্তিৰ তত্ত্বৰ অধীনত আলোচনা কৰা এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল মৃত্যুদণ্ড (Capital Punishment)। এই অধ্যায়টিৰ মূল উদ্দেশ্য হ'ল মৃত্যুদণ্ডৰ অৰ্থ বাহিৰ কৰা আৰু সমাজত এই শাস্তিৰ প্ৰচলন বাহাল ৰখাৰ ক্ষেত্ৰত থকা সমস্যাসমূহ তথা এই শাস্তিৰ তাৎপৰ্য আলোচনা কৰা।

৫.৩ পৃষ্ঠভূমি

মৃত্যুদণ্ড শাস্তিৰ এক গ্ৰহণযোগ্য ৰূপ হয়নে নহয় সেইবিষয়ে অন্তহীন বিতৰ্ক চলি আছে। ইয়াৰ সৈতে ন্যায়িক , পৰীক্ষামূলক আৰু নৈতিক সমস্যাৰ জটিল সমষ্টি এটা জড়িত হৈ আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ অষ্টম সংশোধনীত 'নিষ্ঠুৰ প্ৰকৃতিৰ তথা অগতানুগতিক শাস্তি' প্ৰদানত বিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৰ্থাৎ, মৃত্যুদণ্ড নিষ্ঠুৰ (cruel) নে অগতানুগতিক (unusual) প্ৰকৃতিৰ তাক কেন্দ্ৰ কৰি ন্যায়িক বিতৰ্কবোৰ গঢ় লৈ উঠিছে।

অপৰাধ মানে হ'ল একোটা ব্যাঘাত সৃষ্টিকাৰী কাৰ্য। ই সমাজৰ প্ৰতিষ্ঠিত আইন উলংঘা কৰে। মেকেঞ্জিয়ে কৈছিল যে সামাজিক আইনৰ বিৰুদ্ধে কৰা এটা অন্যায় মানে হ'ল সমগ্ৰ মানৱ জাতিৰ বিৰুদ্ধে কৰা অন্যায় মানে হ'ল সমগ্ৰ মানৱ জাতিৰ বিৰুদ্ধে কৰা অন্যায়; আইনৰ এই লংঘিত মহিমা পুনৰ প্ৰতিষ্ঠিত নোহোৱা পৰ্যন্ত এনে কাৰ্য অক্ষমণীয় হৈ ৰ'ব। এই যুক্তিটোৱে শাস্তিৰ ন্যায্যতা বিচাৰি পোৱা যায়। সমাজ নাইবা ৰাষ্ট্ৰই অন্যায়কাৰীক শাস্তি দিয়ে। কাৰণ, অন্যায়কাৰীয়ে সামাজিক আইন উলংঘা কৰি এই আইনৰ মহিমা অৱনমিত কৰে। অন্যায়কাৰীক শাস্তি দিয়া হয়; কাৰণ, তেওঁ নৈতিক আইন উলংঘা কৰি শাস্তিৰ যোগ্য হৈ পৰে। অন্যায়কাৰীয়ে তেওঁৰ অপৰাধমূলক কাৰ্যৰ দ্বাৰা কেৱল সামাজিক শান্তিকে ব্যাঘাত কৰিব খোজা নাই; তেওঁ নিজৰ প্ৰস্থিতিও অৱনমিত কৰিছে। কোনো অন্যায়কাৰীক শাস্তি দিয়া হয়, কাৰণ ন্যায়ব্যৱস্থাই এনে শাস্তি দাবী কৰে। ন্যায়ে কয় যে প্ৰশংসনীয় আৰু নিন্দনীয় দুয়ো ধৰণৰ কাৰ্যৰ সমানুপাতত বঁটা আৰু শাস্তিৰ উপযুক্ত বিতৰণ ব্যৱস্থা এটা থাকিব লাগে। এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে-শাস্তিৰ যোগ্য হয়নে নহয় সেয়া নিৰ্ধাৰণ কৰিবলৈ অপৰাধৰ মাত্ৰা কেনেকৈ জোখা হ'ব?

৫.৪ শাস্তিৰ তত্ত্ব

মৃত্যুদণ্ড প্ৰদান কৰাতো সমীচীন হয়নে নহয় সেই বিষয়ে এটা স্পষ্ট সিদ্ধান্তলৈ অহাৰ আগতে শাস্তিৰ এক্তিয়াৰ সম্পৰ্কে থকা বিভিন্ন দৃষ্টিভংগীত আলোকপাত কৰিলে বিষয়টো বুজাত সহজ হ'ব। আমি শাস্তি প্ৰদানৰ ন্যায্যতাক দুটা বহল ভাগত ভগাব পাৰোঁ- পৰিণাম নিৰপেক্ষবাদী (Deontological) আৰু উপযোগিতাবাদী (Utilitarian)। এই ভাগ দুটাই প্ৰধানতঃ শাস্তিৰ তিনিপ্ৰকাৰৰ তত্ত্বৰ কথা সূচায়। প্ৰকাৰ কেইটা হ'ল- সতৰ্কতামূলক (Preventive) অথবা নিবৃত্তিকাৰক (Deterrent) তত্ত্ব, সংস্কাৰমূলক (Reformative) অথবা শিক্ষামূলক (Educative) তত্ত্ব আৰু প্ৰতিফলমূলক (Retributive) তত্ত্ব। এইবাৰ এই তিনি প্ৰকাৰৰ তত্ত্বৰ বিষয়ে চমুকৈ আলোচনা কৰোঁ আহক।

৫.৪.১ সতৰ্কতামূলক তত্ত্ব

সতৰ্কতামূলক তত্ত্বৰ সমৰ্থনকাৰীসকলৰ মতে শাস্তিৰ মূল লক্ষ্য হ'ল কোনো অপৰাধ পুনৰ সংঘটিত হোৱাত বাধা দিয়া। ইয়াত কোৱা হয় যে অন্যক সদৃশ অপৰাধ সংঘটিত কৰাত বাধা দিবলৈ দোষী অপৰাধীক শাস্তি দিবই লাগিব। এনে শাস্তি দৃষ্টান্তমূলক হোৱা উচিত। এই তত্ত্বটোৰ সমস্যা হ'ল কেতিয়াবা ই লঘু দোষত গুৰু শাস্তি দিয়াৰ পৰামৰ্শ আগবঢ়াব পাৰে। তত্ত্বটোৰ কেন্দ্ৰীয় বিষয়বস্তু এই আপ্তবাক্যষাৰৰ মাজেদি প্ৰকাশিত হয়- 'আপোনাক ভেড়া চুৰি কৰাৰ বাবে শাস্তি দিয়া হোৱা নাই, ভেড়া চোৰ কৰিব নোৱাৰে বোলা নিয়মটো ভংগ কৰা বাবেহে শাস্তি দিয়া হৈছে।" এই তত্ত্ব অনুসৰি এজন অপৰাধীক অপৰাধ ৰোধ কৰাৰ পন্থা হিচাপেহে শাস্তি প্ৰদান কৰা হয়। মানুহক উপায় হিচাপে ব্যৱহাৰ কৰা কথাটোক বহুতে যুক্তিসংগত বুলি মানি ল'ব নোখোজে।

৫.৪.২ সংস্কাৰমূলক তত্ত্ব

সংস্কাৰমূলক তত্ত্বৰ সমৰ্থকসকলৰ মতে শাস্তিৰ লক্ষ্য হ'ল অপৰাধীৰ স্বভাৱৰ সংশোধন ঘটোৱা। কাৰণ, অপৰাধ সংঘটিত কৰাৰ আগতে অপৰাধী জন/ জনী সমাজৰ এজন সদস্য আছিল। সেয়েহে, অপৰাধীক ইতিবাচক স্বভাৱ-চৰিত্ৰৰে পুনৰ সংস্থাপিত হোৱাত সহায় কৰাটো সমাজৰ কৰ্তব্য। অপৰাধীৰ কল্যাণৰ বাবেই শাস্তি দিয়া উচিত। শাস্তিৰ লক্ষ্য হ'ল অপৰাধীৰ সমাজ বিৰোধী প্ৰৱণতাবোৰ শুধৰোৱা যাতে সি পুনৰ সমাজত নিজৰ হেৰোৱা প্ৰস্থিতি ঘূৰাই পায়। শাস্তিয়ে অপৰাধীক নৈতিক আদৰ্শ আৰু নৈতিক কৰ্তব্য সম্পৰ্কে সচেতন তথা শিক্ষিত কৰিব লাগে। শাস্তি কেতিয়াও কাৰ্যৰ প্ৰতিফলস্বৰূপে প্ৰদান কৰা উচিত নহয়।

৫.৪.৩ প্ৰতিফলমূলক তত্ত্ব

প্ৰতিফলমূলক তত্ত্ব হ'ল শাস্তিৰ সৈতে জড়িত তৃতীয়টো গুৰুত্বপূৰ্ণ দৃষ্টিভংগী। এই তত্ত্ব সম্পূৰ্ণৰূপে ন্যায়িক ব্যৱস্থাৰ সৈতে জড়িত। এই তত্ত্ব অনুসৰি শাস্তি হ'ল ন্যায়ৰ কাৰ্য। শাস্তি নিজেই হ'ল উপায়। ই আন কোনো

কথা সাধন কৰাৰ উপায় নহয়। শাস্তিৰ প্ৰধান লক্ষ্য হ'ল প্ৰতিফল। ইয়াৰ উদ্দেশ্য হ'ল নৈতিক আইনৰ সৰ্বোপৰিতা তথা কৰ্তৃত্বক প্ৰতিৰক্ষা প্ৰদান কৰা আৰু অপৰাধীৰ প্ৰতি ন্যায় কৰা। প্ৰতিফলমূলক তত্ত্বৰ সমৰ্থকসকলৰ মতে সমাজৰ নীতি-নিয়ম উলংঘাকাৰীক শাস্তি দিব লাগে। কাৰণ, সি সমাজৰ বিৰুদ্ধে অন্যায় কৰিছে। অন্য ব্যক্তি আৰু সমাজৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিফল অপৰাধীয়ে পোৱা উচিত। শাস্তিয়ে তাক তাইক কৃতকৰ্ম সম্পৰ্কে সচেতন কৰি তোলা উচিত। শাস্তি হ'ল অপৰাধীক কৰা প্ৰশংসা (নেতিবাচক)। প্ৰতিফলমূলক তত্ত্বৰ সমৰ্থকসকলৰ দুটা ভাগ আছে। এটা ভাগৰ মতে শাস্তি প্ৰদানকাৰী কৰ্তৃপক্ষই অপৰাধীক শাস্তি দিয়াৰ আগতে অপৰাধীৰ অভিপ্ৰায় (motive) আৰু উদ্দেশ্য (intention) বিবেচন কৰি চোৱা উচিত। শাস্তি যান্ত্ৰিকভাৱে প্ৰদান কৰা অনুমতি। তেনে কৰিলে শাস্তি দমনৰ নামান্তৰ মাথো হ'ব। শাস্তি দয়া পৰৱশতাৰে দিয়া ন্যায় হোৱা উচিত। ইয়াক কঠোৰতা হ্ৰাসকাৰী প্ৰতিফলমূলক তত্ত্ব (Mollified Retributive Theory) বোলা হয়। তত্ত্বটোৰ আনটো ভাগৰ সমৰ্থকৰ মতে শাস্তি সদায় 'যেনে কুকুৰ তেনে টাঙোন' প্ৰকৃতিৰ হোৱা উচিত। গুৰুতৰ অপৰাধৰ শাস্তি গুৰুতৰ হোৱা উচিত। শাস্তিৰ প্ৰকৃতি অপৰাধৰ প্ৰকৃতি অনুসৰি নিৰ্ধাৰণ কৰা উচিত। ইয়াক কঠোৰতাবাদী প্ৰতিফলমূলক তত্ত্ব (Regoristtic retributive theory) বোলা হয়। এই প্ৰসংগতে মৃত্যুদণ্ডৰ বিষয়টো উত্থাপিত হয়।

প্ৰতিফলমূলক তত্ত্বই ব্যতিক্ৰম পৰিস্থিতিত মৃত্যুদণ্ডক ন্যায্যতা প্ৰদান কৰে। মানুহৰ জীয়াই থকাৰ অধিকাৰ হ'ল এটা মৌলিক অধিকাৰ। যদি কোনোবাই আন কাৰোবাৰ প্ৰাণহানি কৰে, তেন্তে ন্যায়ে সেই ব্যক্তিজনকো জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ দাবী তোলে। এইদৰেই মৃত্যুদণ্ডৰ ন্যায্যতাৰ বিষয়টো বুজাৰ চেষ্টা চলোৱা উচিত। কিন্তু সাধাৰণ দৃষ্টিৰে চাবলৈ গ'লে মৃত্যুদণ্ডৰ ধাৰণাটো যেতিয়াৰে পৰা প্ৰচলিত হৈছে তেতিয়াৰ পৰাই ইয়াক লৈ বিতৰ্ক চলি আছে বুলিব পাৰি। তলত মৃত্যুদণ্ড কি আৰু ইয়াক কেন্দ্ৰ কৰি কোনবোৰ বিষয়ৰ আলোচনা চলি আছে সেয়া বৰ্ণনা কৰা হ'ল।

৫.৫ মৃত্যুদণ্ড কি

মৃত্যুদণ্ডৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Capital Punishment' অথবা 'Death Penalty' । ই হ'ল এটা চৰকাৰী অনুমোদনপ্ৰাপ্ত অনুশীলন। ইয়াৰ অধীনত কোনো এক গুৰুতৰ অপৰাধৰ বাবে ৰাষ্ট্ৰই কাৰোবাক মৃত্যুৰ শাস্তি বিহিব পাৰে। কাৰোবাক এনেদৰে শাস্তি দিয়া হ'ব বুলি কৰা ৰায়দানটোকে ইংৰাজীত 'death sentence' বোলা হয়। এই ৰায়দানক কাযচ্ছত পৰিণত কৰা প্ৰক্ৰিয়াটোক 'execution' বুলি জনা যায়। মৃত্যুদণ্ড লাভ কৰিবলগীয়া অপৰাধবোৰক 'Capital crime' অথবা 'Capital offence' বুলি কোৱা হয়। শাস্তি বিধৰ সৈতে জড়িত 'Capital' শব্দটোৰ মূল হ'ল লেটিন শব্দ 'Capital'- অৰ্থ 'শিৰ মূৰ বিষয়ক'। প্ৰথমতে 'Capital Punishment' বুলিলে শিৰচ্ছেদ কৰি প্ৰদান কৰা শাস্তিৰ কথা বুজোৱা হৈছিল। ভাৰতত মৃত্যুদণ্ড এটা বৈধ শাস্তি।

৫.৫.১ বিষয়টো সন্দৰ্ভত দাৰ্শনিকৰ দৃষ্টিভংগী

শাস্তি সম্পৰ্কে বিভিন্ন দাৰ্শনিকে বিভিন্ন মত পোষণ কৰি আহিছে। প্ৰখ্যাত গ্ৰীক দাৰ্শনিক এৰিষ্টটলে শাস্তিক এটা নেতিবাচক পুৰস্কাৰ (negative reward) বুলি অভিহিত কৰিছিল। তেওঁৰ দৃষ্টিভংগী অনুসৰি ইচ্ছাকৃতভাৱে কোনো নৈতিক আইন উলংঘা কৰা ব্যক্তি এনে নেতিবাচক পুৰস্কাৰ লাভ কৰাৰ যোগ্য। সমাজে এনে

ব্যক্তিক প্রাপ্য পুৰস্কাৰ লাভ কৰাৰ যোগ্য। সমাজে এনে ব্যক্তিক প্রাপ্য পুৰস্কাৰ দিয়া উচিত। জার্মান দার্শনিক ইমানুৱেল কাণ্টৰ মতে অপৰাধীক শাস্তি প্রদান কৰা উচিত। ইয়াৰ কাৰণ এইটো নহয় যে অপৰাধীয়ে এটা অপৰাধ সংঘটিত কৰিছে; শাস্তি প্রদানৰ মূল কাৰণ হ'ল অপৰাধীয়ে সংঘটিত কৰা কার্যটো তেওঁৰ নিজৰ বাবেও কল্যাণজনক নাছিল অথবা এই কার্যই অন্যৰো কোনো কল্যাণ নাসাধে। কাণ্টে শাস্তিৰ প্রতিফলমূলক তত্ত্বটো সমর্থন কৰিছিল। তেওঁ কৈছিল, "শাস্তিক কেতিয়াও অপৰাধী অথবা সমাজৰ বাবে এটা কল্যাণ সাধনকাৰী কার্যপন্থা ৰূপে প্রদান কৰিব নালাগে। শাস্তিৰ বিধি-বিধান হ'ল দ্ব্যর্থহীনভাৱে অৱশ্যকৰণীয় কার্য।' হেগেলে এই দৃষ্টিভংগী সমর্থন কৰিছিল। হেগেলে এই বুলিও কৈছিল যে অপৰাধীয়ে শাস্তি দাবী কৰে। শাস্তি অপৰাধীৰ পুৰস্কাৰ। শাস্তি হ'ল অপৰাধীৰ প্রাপ্য- অপৰাধীয়ে কোনো নৈতিক আইন ভংগ কৰি এনে পুৰস্কাৰ অর্জন কৰে। শাস্তিক সেয়েহে অপৰাধীৰ বাবে নেতিবাচক পুৰস্কাৰ বুলিও ক'ব পাৰি। ওপৰত উল্লেখ কৰা তিনিওগৰাকী দার্শনিকৰ দৃষ্টিভংগীৰ মৃত্যুদণ্ডৰ ক্ষেত্রত গভীৰ প্রভাৱ আছে। তিনিওগৰাকীৰ দৃষ্টিভংগীকে শাস্তিৰ প্রতিফলমূলক তত্ত্বৰ অনুসিদ্ধান্ত বুলি অভিহিত কৰিব পৰা যায়। আন এগৰাকী চিন্তাবিদ ৰাশ্বডেলে প্রতিফলমূলক তত্ত্বৰ সমালোচনা কৰি শাস্তিৰ সংস্কাৰমূলক তত্ত্বটোৰ পোষকতা কৰিছিল। তেওঁ প্রতিফলমূলক তত্ত্বটোক এটা প্রতিহিংসামূলক তত্ত্ব বুলি কৈছিল। তেওঁৰ মতে অপৰাধৰ সমানুপাতিক হোৱাকৈ অপৰাধীক কিমান পৰিমাণৰ যাতনা প্রদান কৰা হ'ব সেয়া কোনোপধ্যে নির্ধাৰণ কৰিব পৰা নাযায়।

৫.৬ মৃত্যুদণ্ড বিষয়ক বিতর্ক ঃ মৃত্যুদণ্ড ন্যায়সংগতনে?

ওপৰৰ শিতানত উল্লেখ কৰা তত্ত্ব তিনিটাৰ মৃত্যুদণ্ড সম্পর্কে নিজ নিজ দৃষ্টিভংগী আছে। শাস্তিৰ সংস্কাৰমূলক তত্ত্বৰ লক্ষ্য হ'ল অপৰাধীৰ স্বভাৱ-চৰিত্রৰ সংশোধন। ইয়াৰ দ্বাৰাই স্পষ্টকৈ বুজিব পাৰি যে এই তত্ত্বই মৃত্যুদণ্ডৰ পোষকতা নকৰে। অপৰাধীক মৃত্যুদণ্ড দিয়া মানে অপৰাধীৰ সংস্কাৰ সাধনৰ প্রশ্নটো অর্থহীন কৰি পেলোৱা। সতর্কতামূলক তত্ত্বই আকৌ অপৰাধৰ পুনৰাবৃত্তি ৰোধ কৰাৰ লক্ষ্যক সমর্থন কৰে। এই তত্ত্ব অনুসৰি অপৰাধীৰ কল্যাণৰ বাবে শাস্তি বিহা নহয়, অন্য লোকক একে ধৰণৰ অপৰাধ সংঘটিত কৰাৰ পৰা আঁতৰাই ৰাখিবলৈহে অপৰাধীক শাস্তি দিয়া হয়। এই তত্ত্বই দৃষ্টান্তমূলক শাস্তি প্রদানৰ পোষকতা কৰে। সেই দিশেৰে এই তত্ত্বটোৱে মৃত্যুদণ্ডক ন্যায্যতা প্রদান কৰে। কঠোৰতা হ্রাসকাৰী প্রতিফলমূলক তত্ত্বই অপৰাধীৰ অভিপ্রায়, উদ্দেশ্য আৰু অপৰাধ সংঘটিত হোৱাৰ পৰিস্থিতি আদি বিবেচনা কৰি চোৱাৰ অন্তত শাস্তি প্রদানৰ পোষকতা কৰে। কিন্তু যদি অপৰাধ গুৰুতৰ প্রকৃতিৰ হয়, শাস্তি লাঘৱ কৰিব পৰাবিধৰ কোনো পৰিস্থিতি নাথাকে আৰু অপৰাধী দুর্দ্ধর্ষ স্বভাৱৰ তথা অপৰাধীৰ স্বভাৱ-চৰিত্র অসংশোধনসাধ্য হয়, তেনে ক্ষেত্রত মৃত্যুদণ্ড বিহা হ'ব পাৰে। কঠোৰতাবাদী প্রতিফলমূলক তত্ত্বই অপৰাধীৰ শাস্তি লাঘৱ কৰিব পৰা পৰিস্থিতিবোৰ বিবেচনাৰ বাবে গ্রহণ নকৰে। ইয়াৰ পৰিৱর্তে এই তত্ত্বই অপৰাধৰ গুৰুতৰ ৰূপ অনুসৰি অপৰাধীক শাস্তি দিয়াৰ পোষকতা কৰে।

৫.৬.১ সংস্কাৰবাদী দৃষ্টিভংগী

সংস্কাৰবাদী তত্ত্বৰ দ্বাৰা এই ভাৱধাৰাৰ সমর্থকসকলক সংস্কাৰবাদী নাইবা মানৱতাবাদী বুলি কোৱা হৈছে। সংস্কাৰবাদী সকল মৃত্যুদণ্ডৰ বিৰোধী। তেওঁলোকৰ মতে যদি নৈতিক আইন সাব্যস্তকৰণেই শাস্তিৰ লক্ষ্য হয়,

তেন্তে ই প্রতিশোধৰ নামান্তৰ হ'ব। এই ভাৱধাৰা অনুসৰি অপৰাধ এটা সংঘটিত কৰাৰ সময়ত অপৰাধীজন সাময়িকভাৱে মানসিক সুস্থিৰতাহীন হৈ পৰে। সাধাৰণতে, কোনেও শীতল মস্তিষ্কৰে হত্যা কৰিব নোৱাৰে। কিন্তু, সমাজে যেতিয়া কাৰোবাক মৃত্যুদণ্ড বিহে, তেতিয়া ই শীতল মস্তিষ্কৰে এই সিদ্ধান্ত লয়। সেয়েহে, সমাজ আৰু ইয়াৰ নেতৃবৰ্গকো হত্যাৰ অপৰাধত মৃত্যুদণ্ড বিহা উচিত। মানৱতাবাদীসকলে বিশ্বাস কৰে যে অন্যৰ বাবে আদর্শ প্রতিষ্ঠা কৰিবলৈ কাৰোবাৰ জীৱন নাশ কৰাটো হ'ল বৰ্বৰ নিষ্ঠুৰতাৰ প্রমাণ। মৃত্যুদণ্ডৰ প্রচলন থকা দেশবোৰত এতিয়াও নৰহত্যাৰ অপৰাধ নাইকিয়া হোৱা নাই। অর্থাৎ, মৃত্যুদণ্ডই সমাজত প্রত্যাশিত প্রভাৱ পেলাব পৰা নাই। মানৱতাবাদীসকলৰ মতে সুস্থ আৰু দৃঢ় ৰাজহুৱা মতামত তথা গণ সজাগতাইহে প্রকৃতার্থত অপৰাধ নির্মূলত সহায় কৰিব পাৰে। অপৰাধ সংঘটিত কৰাসকলক অপৰাধ নির্মূলৰ পন্থা হিচাপে ব্যৱহাৰ কৰাটো হ'ল মানৱীয়তাৰ বিৰুদ্ধে কৰা অপৰাধ।

অপৰাধী সমাজতত্ত্ব (Criminal Sociology) ই সংস্কাৰবাদী তত্ত্বটো সমর্থন কৰে। ই অপৰাধক প্রতিকূল সামাজিক পৰিস্থিতিৰ ফল বুলি গণ্য কৰে। তেওঁলোকৰ মতে সামাজিক অসমতা, অনুকূলভাৱে খাপ নোখোৱা পৰিস্থিতি আৰু দুর্নীতিৰ বাবে অপৰাধ সংঘটিত হয়। যেনে, এই ভাৱধাৰাৰ সমর্থকসকলে বিশ্বাস কৰে যে চুৰি অপৰাধৰ কাৰণ হ'ল দৰিদ্রতা। সেয়েহে, অপৰাধীৰ সামাজিক তথা অর্থনৈতিক অৱস্থাৰ উন্নতি সাধন নকৰাকৈ অপৰাধ নিবৃত্তিত চেষ্টা কৰাটো অর্থহীন আৰু ক্ষতিকাৰক কথা। মানৱ সমাজখন ন্যায় আৰু সমতাৰ আধাৰত পুনৰ নির্মাণ কৰি ল'ব পাৰিলেহে অপৰাধ প্রতিহত কৰিব পৰা যাব।

ওপৰৰ আলোচনাৰ পৰা ক'ব পৰা যায় যে যদি শাস্তিয়ে নিয়ম ভংগকাৰীৰ স্বভাৱ-চৰিত্রৰ সংস্কাৰ সাধন কৰিব পাৰে, তেন্তে শাস্তিৰ লক্ষ্য সফল হ'ব। অৱশ্যে, নিয়ম উলংঘাকাৰীৰ সংস্কাৰ সাধন কৰাৰ লগতে শাস্তিয়ে অপৰাধীৰ অপৰাধ সংঘটিত কৰাৰ অভ্যাস দৃঢ় কৰি তোলাৰো সম্ভাৱনা বহন কৰে। সেয়েহে, কেতিয়াবা শাস্তিতকৈ দয়াশীল আচৰণে উত্তম ফলাফল দেখুৱাব পাৰে। কেতিয়াবা ক্ষমাই অপৰাধীক অপৰাধবোধত ভোগাৰ সুযোগ দি প্রায়চিত্ত আৰু সংশোধনীৰ পথ গ্রহণ কৰিবলৈ অনুপ্রাণিত কৰে। অপৰাধৰ দ্বাৰা ক্ষতিগ্রস্ত হোৱা পক্ষটোৰ পৰা লাভ কৰা ক্ষমাই কেতিয়াবা অপৰাধীৰ হৃদয় বিগলিত কৰাৰ লগতে অপৰাধীৰ প্রকৃতি সলনি কৰে।

ওপৰত আলোচনা কৰা সংস্কাৰবাদী মনোভাৱৰ পৰা এই কথা স্পষ্ট হ'ল যে সংস্কাৰমূলক তত্ত্বই মৃত্যুদণ্ডক ন্যায্যতা প্রদান নকৰে। কাৰণ ফাঁচীকাঠত ওলোমা ব্যক্তিক কোনো প্রকাৰে শুধৰাব পৰা নাযায়।

৫.৬.২ সংস্কাৰবাদী দৃষ্টিভংগীৰ প্রত্যাহ্বান

সংস্কাৰবাদী দৃষ্টিভংগীত কিছুমান সমস্যা আছে। এই কথা সকলোৱে জানে যে আটাইবোৰ অপৰাধকে সামাজিকভাৱে অনুকূলকৈ খাপ নোখোৱা পৰিস্থিতিৰ ফল বুলি ক'ব পৰা নাযায়। কিছুমানে ইচ্ছাকৃতভাৱে অপৰাধ সংঘটিত কৰে। এনে অপৰাধীসকল প্রতিকূল সামাজিক পৰিস্থিতিৰ ভুক্তভোগী নহ'বও পাৰে। দুর্নীতি বোলা সাধাৰণ পৰিঘটনাটো হ'ল ইয়াৰ যথোপযুক্ত উদাহৰণ। সংস্কাৰবাদীসকলৰ দৰে আটাইবোৰ অপৰাধকে সামাজিক প্রতিকূলতাৰ ফল বুলি ধৰি ল'লে অপৰাধৰ সুস্পষ্ট বৈশিষ্ট্য কিছুমান আওকাণ কৰা হ'ব।

৫.৬.৩ বিতর্কৰ প্ৰাসংগিকতা

মৃত্যুদণ্ডৰ বিষয়টো বহুতো দেশ আৰু ৰাজ্যত সক্ৰিয় বিতর্কৰ কেন্দ্ৰবিন্দু। এটা একক ৰাজনৈতিক আদর্শ অথবা সাংস্কৃতিক অঞ্চলৰ ভিতৰতে বিষয়টো সন্দর্ভত ভিন ভিন স্থিতি আছে। ইউৰোপীয়ান ইউনিয়নৰ মৌলিক অধিকাৰৰ ছনদৰ ২ নং অনুচ্ছেদৰ অধীনত মৃত্যুদণ্ড প্ৰদান কৰাটো নিষেধ কৰা হৈছে। ৪৭ খন সদস্য ৰাষ্ট্ৰ থকা ইউৰোপৰ পৰিষদেও সদস্য ৰাষ্ট্ৰবোৰৰ ওপৰত মৃত্যুদণ্ড বিহাত নিষেধাজ্ঞা আৰোপ কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ২০০৭, ২০০৮, ২০১০, ২০১২ আৰু ২০১৪ চনত গ্ৰহণ কৰা অনা-বাধ্যবাধকতামূলক সিদ্ধান্তৰ জৰিয়তে মৃত্যুদণ্ড বিষয়ক এক বিশ্বজনীন সাময়িক স্থগন আৰু পর্যায়ক্ৰমে শাস্তিবিধৰ নির্মূলকৰণৰ আহ্বান জনাইছে. বহুতো ৰাষ্ট্ৰই ইতিমধ্যে মৃত্যুদণ্ড প্ৰদানৰ ব্যৱস্থা উঠাই দিছে। কিন্তু এতিয়াও বিশ্বৰ মুঠ জনসংখ্যাৰ ৬০ শতাংশকৈও অধিক লোক চীন, ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইণ্ডোনেচিয়াৰ দৰে মৃত্যুদণ্ডৰ প্ৰথা প্ৰচলিত থকা দেশত বাস কৰে।

মৃত্যুদণ্ডৰ বিপক্ষে থকা যুক্তিবোৰ যথেষ্ট পৰিমাণে সত্য। কিন্তু মৃত্যুদণ্ড সম্পূর্ণ নির্মূলকৰণৰ যুক্তিটোকো পূর্ণ সমর্থন কৰিব পৰা নাযায়। এই কথাত কাৰো দ্বিমত নাই যে মৃত্যুদণ্ড প্ৰচলিত দেশবোৰৰ পৰা অপৰাধ সম্পূর্ণ নাইকিয়া হোৱা নাই। কিন্তু এই কথাও সমানে সত্য যে এনেবোৰ দেশৰ পৰা মৃত্যুদণ্ড উঠাই দিলে গুৰুতৰ অপৰাধৰ মাত্ৰা দ্ৰুত গতিত বৃদ্ধি পোৱাৰ প্ৰবল সম্ভাৱনা আছে। সংস্কাৰবাদীসকলে দাবী কৰাৰ দৰে অপৰাধমূলক সকলো কার্যৰ আঁৰৰ কাৰণ সামাজিক অথবা অর্থনৈতিক অসমতা, শিক্ষাৰ অভাৱ অথবা অপৰাধীৰ মানসিক বিসংগতি নহ'বও পাৰে। কিছুমান মানুহ জন্মগতভাৱে অপৰাধী প্ৰকৃতিৰ হ'ব পাৰে। এনে মানুহকোনো সংস্কাৰে শুধৰাব নোৱাৰে। যদি এনে অপৰাধীক গুৰুতৰ কুকর্মৰ বাবে লঘু শাস্তি বিহা হয়, তেন্তে ই অন্য মানুহৰ অপৰাধ প্ৰৱণতাক প্ৰশ্ৰয় দিব পাৰে। এই দিশেৰে, শাস্তিৰ সতর্কতামূলক মনোভাৱটোক উলাই কৰিব নোৱাৰি। যদি অপৰাধ গুৰুতৰ প্ৰকৃতিৰ হয়, আৰু অপৰাধীৰ শাস্তি লাঘৱ কৰিব পৰা ধৰণৰ কোনো পৰিস্থিতিতএনে অপৰাধ সংঘটিত নহয়, তেন্তে এনে অপৰাধৰ বাবে মৃত্যুদণ্ড ন্যায্য বুলি ক'ব পাৰি। যদি অপৰাধীয়ে শীতল মস্তিষ্কেৰে কাৰোবাক হত্যা কৰে, তেন্তে ইয়াৰ পুৰস্কাৰ হিচাপে সি মৃত্যুদণ্ড গ্ৰহণ কৰিব লাগিব।

৫.৭ ভাৰতত মৃত্যুদণ্ড

ভাৰতত মৃত্যুদণ্ড এটা বৈধ শাস্তি। এম্‌নেষ্টি ইণ্টাৰনেশ্যনেলৰ তথ্য অনুসৰি ভাৰতত ২০০৭ চনত অতি কমেও ১০০ টা, ২০০৬ চনত ৪০ টা, ২০০৫ চনত ৭৭টা, ২০০২ চনত ২৩ টা আৰু ২০০১ চনত ৩৩টা অপৰাধীক মৃত্যুদণ্ড বিহা হৈছে (কিন্তু এই মৃত্যুদণ্ড এতিয়াও কার্যকৰী কৰা হোৱা নাই)। মৃত্যুদণ্ড কার্যকৰী কৰা অপৰাধীৰ কোনো আনুষ্ঠানিক পৰিসংখ্যা এতিয়াও সদৰি কৰা হোৱা নাই। ভাৰতীয় ন্যায়ালয়বোৰে মৃত্যুদণ্ড বিহা অপৰাধীবোৰৰ বহুতেই ভাৰতৰ ৰাষ্ট্ৰপতিলৈ ক্ষমাদান বিচাৰি আবেদন কৰে। ২০১৫ চনৰ জুলাই মাহত তেতিয়াৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখার্জীয়ে য়াকুব মেমন, আজমল কাচাব আৰু আফজল গুৰুকে ধৰি ২৪ টা অপৰাধীৰ ক্ষমা বিচাৰি

কৰা আৱেদন নাকচ কৰিছিল। ২০০৪ চনৰ ১৪ আগষ্টত ১৯৯০ চনৰ ৫ মার্চত পশ্চিম বংগৰ ভৱানীপুৰত থকা আবাসিক এপার্টমেণ্টত হিতাল পাৱেখ নামৰ ১৮ বছৰীয়া যুৱতী এগৰাকীক হত্যা (বলাৎকাৰৰ পাছত) কৰাৰ অপৰাধত ধনঞ্জয় চেটার্জীক ফাঁচী দিয়া হৈছিল। ২০০৪ চনৰ ৪ আগষ্টত ক্ষমা বিচাৰি কৰা আবেদন ৰাষ্ট্রপতিয়ে নাকচ কৰাৰ আগতে চেটার্জীক প্রায় ১৪ বছৰ আলিপুৰ কেন্দ্রীয় কাৰাগাৰত ৰখা হৈছিল।

২০১০ চনৰ ৩ মে'ত মুম্বাইৰ এখন বিশেষ আদালতে আজমল কাচাবক হত্যা, ভাৰতৰ বিৰুদ্ধে যুদ্ধ সূচনা, বিস্ফোৰক সামগ্রী লগত ৰখা আৰু আন কেইবাটাও গোচৰত দোষী সাব্যস্ত কৰিছিল। ২০১০ চনৰ ছ মে'ত একেখন আদালতে চাৰিটা দোষৰ বাবে কাচাবক মৃত্যুদণ্ড আৰু পাঁচটা দোষৰ বাবে যাবজ্জীৱন কাৰাদণ্ড বিহিছিল। ২০০৮ চনৰ ২৬ নৱেম্বৰত আন নটা পাকিস্তানী সন্ত্রাসবাদীৰসৈতে মিলি কাচাবে মুম্বাই আক্রমণ কৰি ১৬৬ গৰাকী লোকক হত্যা কৰিছিল। কাচাব ৮০ টা অপৰাধত দোষী সাব্যস্ত হৈছিল। ইয়াৰে ভিতৰত এখন দেশৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰা দোষটোৰ শাস্তি হ'ল মৃত্যুদণ্ড। ২০১১ চনৰ ২১ ফেব্রুৱাৰীত বোম্বে উচ্চ ন্যায়ালয় আৰু ২০১২ চনৰ ২৯ আগষ্টত উচ্চতম ন্যায়ালয়ে কাচাবৰ মৃত্যুদণ্ড বাহাল ৰাখি ৰায়দান কৰিছিল। ২০১২ চনৰ ৫ নৱেম্বৰত ভাৰতৰ ৰাষ্ট্রপতিয়ে কাচাবৰ ক্ষমাৰ আবেদন নাকচ কৰিছিল আৰু ১২ নৱেম্বৰত কাচাবক এই খবৰটো দিয়া হৈছিল। ২০১২ চনৰ ২১ নৱেম্বৰত পুন্নেয়েৰবাড়া কেন্দ্রীয় কাৰাগাৰত কাচাবক ফাঁচী দিয়া হৈছিল। ২০০১ চনত ভাৰতীয় সংসদ ভৱন আক্রমণৰ এজন প্রধান ষড়যন্ত্রকাৰী হিচাপে আফজল গুৰুকদোষী সাব্যস্ত কৰি মৃত্যুদণ্ড বিহা হৈছিল। ভাৰতীয় উচ্চতম ন্যায়ালয়ে সংসদ ভৱন আক্রমণৰ ঘটনাটোৱে 'সামগ্রিকভাৱে সমাজৰ বিবিকক জোকাৰি গৈছে' বুলি সদৰি কৰি আফজলৰ মৃত্যুদণ্ড বাহাল ৰাখে। আফজলক ২০০৬ চনৰ ২০ অক্টোবৰত ফাঁচী দিয়াৰ কথা আছিল যদিও কাৰিকৰি অসুবিধাৰ বাবে ২০১৩ চনৰ ৯ ফেব্রুৱাৰীৰ দিনাখন দিল্লীৰ তিহাৰ কেন্দ্রীয় কাৰাগাৰত এই মৃত্যুদণ্ড কার্যকৰী কৰা হয়।

১৯৯৩ চনৰ বোম্বে বোমা বিস্ফোৰণৰ অন্যতম দোষী য়াকুব মেমনক ২০১৫ চনৰ ৩০ জুলাইত ভাৰতীয় সময়মতে ৰাতিপুৱা ৬.৩০ বজাত নাগপুৰ কেন্দ্রীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল। ২০১৩ চনৰ ২১ মার্চত ভাৰতজ্জয় উচ্চতম ন্যায়ালয়ে এই আক্রমণত বিত্তৰ যোগান ধৰি ষড়যন্ত্রৰ প্রত্যক্ষ অশীদাৰ হোৱাৰ দোষত মেমনক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ড বাহাল ৰাখিছিল। তেতিয়াৰ মুখ্য ন্যায়াধীশ পি. চথাশিৱমৰনেতৃত্বত ন্যায়াধীশ বি. এছ. চৌহান আৰু ন্যায়াধীশ প্রফুল্ল চন্দ্র পন্তৰ বিশেষ বিচাৰপীঠ খনে ২০১৩ চনৰ ৩০ জুলাইত মৌখিক শুনানীৰ সুযোগ বিচাৰি মেমনে কৰা আবেদন অগ্রাহ্য কৰে আৰু পৰিপত্রৰ জৰিয়তে পুনৰীক্ষণ আবেদনৰ গোহাৰি নামঞ্জুৰ কৰে। তেতিয়াৰ ৰাষ্ট্রপতি প্রণৱ মুখার্জীয়ে ২০১৪ চনৰ ১১ এপ্রিলত মেমনৰ ক্ষমা বিচাৰি কৰা আবেদন অগ্রাহ্য কৰে। ইয়াৰ পাছত মেমনে ২০১৫ চনৰ ২১ জুলাইত চিকিৎসাৰ সুযোগ বিচাৰি কৰা আবেদনখন উচ্চতম ন্যায়ালয়ে নাকচ কৰে।

এইখিনিতে ১৯৮৪ চনৰ ইন্দিৰা গান্ধী হত্যা গোচৰত ন্যায়ালয়ে জাৰি কৰা ৬৫০ পৃষ্ঠাৰ লিখিত ৰায়দানটোৰ বিশেষ উল্লেখ কৰা হ'ল। গান্ধীক তেওঁৰ দেহৰক্ষী সকলে হত্যা কৰিছিল। ৰায়দানত দিল্লী উচ্চ ন্যায়ালয়ৰ বিচাৰকৰ পেনেলে মত প্রকাশ কৰিছিল যে, "কোনো অজুহাত অথবা পৰিস্থিতিয়েই এনে

কুঅভিসন্ধিমূলক আৰু কাপুৰুষালিৰে ভৰা কার্যৰ প্রতিফল প্রশমিত কৰিব নোৱাৰে য'ত এগৰাকী আত্মৰক্ষাৰ কোনো সুযোগ নথকা মহিলাক তেওঁৰ সুৰক্ষা প্রদানৰ কাযচ্ছুত নিয়োজিত 'অভিভাৱক' সকলে নির্মমতাৰে থকা-সৰকা কৰিলে।" ৰায়টোৱে "হত্যাৰ সবাতোকৈ অমানৱীয় পন্থাটোক' গৰিহণা দি কৈছিল যে "দুজন লোকে এগৰাকী বয়স্থা মহিলাক আগচি ধৰি নির্দয়তাৰেএটা নহয় অতি কমেও ৩০ টা বুলেটেৰে তেওঁৰ দেহ থকা-সৰকা কৰাটো মনচক্ষুক জোকাৰি যোৱা এটা বীভৎস দৃশ্য।" এই অপৰাধত দোষী সাব্যস্ত হোৱা ষড়যন্ত্রকাৰী কেহৰ সিঙক ১৯৮৯ চনৰ ৬ জানুৱাৰীত ফাঁচী দিয়া হৈছিল। তাৰ পাছত পর্যায়ক্রমে সতৱন্ত সিং আৰু বীয়ন্ত্ সিঙক ফাঁটী দিয়া হৈছিল।

২০১২ চনৰ জুন মাহত পাঁচ বছৰীয়া কার্যকাল শেষ হ'বৰ সময়ত তেতিয়াৰ ৰাষ্ট্রপতি প্রতিভা পাটিলে ৩৫ টা অপৰাধীৰ মৃত্যুদণ্ডক যাবজ্জীৱন কাৰাদণ্ডলৈ পর্যবসিত কৰিছিল। ইয়াৰে চ্ছুটা অপৰাধীক তেওঁ একে দিনাই (২ জুন) এই দয়া প্রদর্শন কৰিছিল বাবে বহুতে ইয়াৰ প্রতিবাদ কৰিছিল। ইয়াৰ পাছত বলাৎকাৰী আৰু যৌন নির্যাতনকাৰীক মৃত্যুদণ্ড প্রদানৰ ব্যৱস্থা প্রচলন হ'ব লাগে বুলি দাবী উত্থাপিত হৈছে। বিশেষকৈ ২০১২ চনৰ দিল্লী দলৱদ্ধ ধর্ষণ আৰু তাৰ পাছত একে ঘটনাবোৰৰ বাবে এই দাবী মানি লোৱাৰ প্রাসংগিকতা সুদৃঢ় হৈ পৰিছে। ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে অপৰাধৰ গুৰুতৰ ৰূপ অনুসৰি ভাৰতীয় পৃষ্ঠভূমিত দোষীক মৃত্যুদণ্ড বিহা হ'ব পাৰে।

৫.৮ জীয়াই থকাৰ অধিকাৰৰ সপক্ষে যুক্তি

ওপৰৰ শিতানবোৰৰ আলোচনাৰ পৰা এই কথা উপলব্ধি কৰিব পাৰি যে মৃত্যুদণ্ডৰ গুৰুত্বক সহজে আওকাণ কৰিব পৰা নাযায়। কিন্তু, ইয়াতে এটা বিৰোধী যুক্তি হ'ল মানৱ জীৱন অমূল্য। এই আপুৰুগীয়া গুণটোৰ ভিত্তিতে নিষ্ঠুৰ হত্যাকাৰী এটাৰ জীৱনো সমানেই মূল্যৱান বুলি গণ্য কৰা হয়। সেয়েহে এনে হত্যাকাৰীকো জীৱন জীৱয়াই থকাৰ পৰা বঞ্চিত কৰিব নোৱাৰি। এচামে বিশ্বাস কৰে যে অপৰাধীৰ কু আচৰণৰ দ্বাৰা অপৰাধীৰ জীৱনৰ মূল্য ধ্বংসপ্রাপ্ত নহয়। কোনোবা হত্যাকাৰী হ'লেও এই সত্য সলনি নহয়। কিন্তু বিছুমান উৎ খাতবাদীয়ে এই যুক্তি মানি নলয়। যেতিয়ালৈকে জীৱন সংৰক্ষণ নকৰাৰ এটা উত্তম কাৰণ নাথাকে, তেতিয়ালৈকে সকলোৰে জীৱন সংৰক্ষিত থকা উচিত। যিসকলে মৃত্যুদণ্ড সমর্থন কৰে, তেওঁলোকে নিজৰ স্থিতিক ন্যায্যতা প্রদান কৰিব পাৰিব লাগিব। প্রত্যেকৰে জীৱন ধাৰণ কৰি যোৱাৰ অবিচ্ছেদ্য মানৱ অধিকাৰ এটা আছে। হত্যৰ দৰে কার্যত লিপ্ত থকা সকলো এই অধিকাৰৰ গৰাকী। এনে কার্যত জড়িত লোকক মৃত্যুদণ্ড দি অথবা ফাঁচীকাঠত ওলমাই এই অধিকাৰ খর্ব কৰা হ'ব পাৰে। কথাটোৰ 'জীৱনৰ মূল্য' বিষয়ক যুক্তিৰ সৈতে মিল আছে। ইয়াত কেৱল কথাটো মানৱ অধিকাৰৰ দিশেৰে বর্ণনা কৰা হৈছে। মৃত্যুদণ্ডৰ সৈতে জড়িত আন এটা সমস্যা ৰ্ত্ত'ল নিৰপৰাধ লোক ফাঁচীকাঠত ওলমাৰ সম্ভাৱনা। ই প্রতিফলমূলক যুক্তিৰ বাবে এটা সমস্যা। যদি নিৰপৰাধ লোকক ফাঁচী দিয়াৰ এটা গুৰুতৰ আশংকা ৰৈ যায়, তেন্তে ই প্রতিফলৰ 'মানুহে যি প্রাপ্য সেয়া পোৱা উচিত' (যি প্রাপ্য 'কেৱল' সেয়াহে পোৱা উচিত) বোলা প্রধান নীতিটোৰ উলংঘন হ'ব। সেয়েহে এই দিশটো ৰাষ্ট্রৰ ন্যায়পালিকাই অত্যন্ত সাৱধানতা সহকাৰে নিৰীক্ষণ কৰা উচিত। কিন্তু দুর্ভাগ্যজনক ভাৱে কেতিয়াবা আইন বৃত্তিজীৱীৰ অসাধু মনোভাৱৰ বাবে এই নীতিটোৰ উলংঘা হোৱা দেখা যায়। আমেৰিকা যুক্তৰাষ্ট্রৰ দৰে দেশতো নিৰপৰাধ লোকক ফাঁচী দিয়াৰ ঘটনা

সংঘটিত হৈছে। আকৌ, মৃত্যুদণ্ডৰ ভয়ে অপৰাধী মানসিকতাৰ লোকক গুৰুতৰ হিংসাত্মক অপৰাধ সংঘটিত কৰাৰ পৰা আঁতৰাই ৰাখিব নোৱাৰে। এই ক্ষেত্ৰত থকা এটা বিপৰীত যুক্তি হ'ল, যদি মৃত্যুদণ্ড বিহাৰ সুবিধা নাথাকে, তেন্তে অপৰাধৰ মাত্ৰাই সীমা চেৰাই যাব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰকঃ

৪। মৃত্যুদণ্ড বুজোৱা ইংৰাজী শব্দ 'Capital Punishment' ৰ 'Capital' শব্দটোৰ মূল হ'ল লেটিন শব্দ....., যাৰ অৰ্থ.....।

৫। মৃত্যুদণ্ড মানে কি?

৬। এৰিষ্টটলে শাস্তি সম্পৰ্কে কেনে দৃষ্টিভংগী পোষণ কৰিছিল?

৭। জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্টক মৃত্যুদণ্ডৰ সমৰ্থক বুলিব পাৰিনে?

৮। শাস্তি তত্ত্ব সন্দৰ্ভত হেগেলৰ দৃষ্টিভংগী কি আছিল?

৯। ৰাশ্বডেলে শাস্তিৰ বিষয়ে কি কৈছিল?

১০। মৃত্যুদণ্ড সম্পৰ্কে সংস্কাৰবাদীসকলৰ মনোভাৱ কেনে?

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৃত্যুদণ্ডৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Capital Punishment' অথবা 'Death Penalty' । ই হ'ল এটা চৰকাৰী অনুমোদনপ্ৰাপ্ত অনুশীলন। ইয়াৰ অধীনত কোনো এক গুৰুতৰ অপৰাধৰ বাবে ৰাষ্ট্ৰই কাৰোবাক মৃত্যুৰ শাস্তি বিহিব পাৰে।
- শাস্তি সম্পৰ্কে বিভিন্ন দাৰ্শনিকে বিভিন্ন মত পোষণ কৰি আহিছে।
- সতৰ্কতামূলক তত্ত্বৰ সমৰ্থনকাৰীসকলৰ মতে শাস্তিৰ মূল লক্ষ্য হ'ল কোনো অপৰাধ পুনৰ সংঘটিত হোৱাত বাধা দিয়া। ইয়াত কোৱা হয় যে অন্যক সদৃশ অপৰাধ সংঘটিত কৰাত বাধা দিবলৈ দোষী অপৰাধীক শাস্তি দিবই লাগিব। এনে শাস্তি দৃষ্টান্তমূলক হোৱা উচিত।
- ইয়াক কঠোৰতা হ্ৰাসকাৰী প্ৰতিফলমূলক তত্ত্ব (Mollified Retributive Theory) বোলা হয়। তত্ত্বটোৰ আনটো ভাগৰ সমৰ্থকৰ মতে শাস্তি সদায় 'যেনে কুকুৰ তেনে টাঙোন' প্ৰকৃতিৰ হোৱা উচিত। গুৰুতৰ অপৰাধৰ শাস্তি গুৰুতৰ হোৱা উচিত। শাস্তিৰ প্ৰকৃতি অপৰাধৰ প্ৰকৃতি অনুসৰি নিৰ্ধাৰণ কৰা উচিত। ইয়াক কঠোৰতাবাদী প্ৰতিফলমূলক তত্ত্ব (Regoristtic retributive theory) বোলা হয়। এই প্ৰসংগতে মৃত্যুদণ্ডৰ বিষয়টো উত্থাপিত হয়।

- ভাৰতত মৃত্যুদণ্ড এটা বৈধ শাস্তি। অপৰাধৰ গুৰুতৰ ৰূপ অনুসৰি ভাৰতীয় পৃষ্ঠভূমিত দোষীক মৃত্যুদণ্ড বিহা হ'ব পাৰে।
- মৃত্যুদণ্ডৰ বিষয়টো বহুতো দেশ আৰু ৰাজ্যত সক্রিয় বিতর্কৰ কেন্দ্রবিন্দু। এটা একক ৰাজনৈতিক আদর্শ অথবা সাংস্কৃতিক অঞ্চলৰ ভিতৰতে বিষয়টো সন্দর্ভত ভিন ভিন স্থিতি আছে। ইউৰোপীয়ান ইউনিয়নৰ মৌলিক অধিকাৰৰ ছনদৰ ২ নং অনুচ্ছেদৰ অধীনত মৃত্যুদণ্ড প্রদান কৰাটো নিষেধ কৰা হৈছে
- প্রতিফলমূলক তত্ত্বই ব্যতিক্রম পৰিস্থিতিত মৃত্যুদণ্ডক ন্যায্যতা প্রদান কৰে। মানুহৰ জীয়াই থকাৰ অধিকাৰ হ'ল এটা মৌলিক অধিকাৰ। যদি কোনোবাই আন কাৰোবাৰ প্রাণহানি কৰে, তেন্তে ন্যায়ে সেই ব্যক্তিজনকো জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ দাবী তোলে। এইদৰেই মৃত্যুদণ্ডৰ ন্যায্যতাৰ বিষয়টো বুজাৰ চেষ্টা চলোৱা উচিত। কিন্তু সাধাৰণ দৃষ্টিৰে চাবলৈ গ'লে মৃত্যুদণ্ডৰ ধাৰণাটো যেতিয়াৰে পৰা প্রচলিত হৈছে তেতিয়াৰ পৰাই ইয়াক লৈ বিতর্ক চলি আছে বুলিব পাৰি।
- মানৱতাবাদীসকলৰ মতে সুস্থ আৰু দৃঢ় ৰাজহুৱা মতামত তথা গণ সজাগতাইহে প্রকৃতার্থত অপৰাধ নির্মূলত সহায় কৰিব পাৰে। অপৰাধ সংঘটিত কৰাসকলক অপৰাধ নির্মূলৰ পন্থা হিচাপে ব্যৱহাৰ কৰাটো হ'ল মানৱীয়তাৰ বিৰুদ্ধে কৰা অপৰাধ।
- যদি নিৰপৰাধ লোকক ফাঁচী দিয়াৰ এটা গুৰুতৰ আশংকা ৰৈ যায়, তেন্তে ই প্রতিফলৰ 'মানুহে যি প্রাপ্য সেয়া পোৱা উচিত' (যি প্রাপ্য 'কেৱল' সেয়াহে পোৱা উচিত) বোলা প্রধান নীতিটোৰ উলংঘন হ'ব। সেয়েহে এই দিশটো ৰাষ্ট্রৰ ন্যায়পালিকাই অত্যন্ত সাৱধানতা সহকাৰে নিৰীক্ষণ কৰা উচিত। যদি মৃত্যুদণ্ড বিহাৰ সুবিধা নাথাকে, তেন্তে অপৰাধৰ মাত্রাই সীমা চেৰাই যাব পাৰে।

৫.১০ অধিক জানিবলৈ

1) Encyclopedia of Religion and Ethics.
2) John H. Piet and Ayodhya Prasad (ed) An Introduction to Applied Ethics.
3) Steven Luper & Curtis Brown, The Moral Life, Second Edition, Harcourt Brace College Publishers.
4) LaFollette, Hugh (2002). Ethics in practice: an anthology. Oxford: Blackwell.
5) Sinha, J.N., Manual of Ethics, New Central Book Agency (p) Ltd. London

৫.১১ অগ্রগতিৰ খতিয়ান

১। সতর্কতামূলক তত্ত্বৰ সমর্থনকাৰীসকলৰ মতে শাস্তিৰ মূল লক্ষ্য হ'ল কোনো অপৰাধ পুনৰ সংঘটিত হোৱাত বাধা দিয়া। ইয়াত কোৱা হয় যে অন্যক সদৃশ অপৰাধ সংঘটিত কৰাত বাধা দিবলৈ দোষী অপৰাধীক শাস্তি দিবই লাগিব। এনে শাস্তি দৃষ্টান্তমূলক হোৱা উচিত।

২। সংস্কাৰমূলক তত্ত্ৱৰ সমৰ্থকসকলৰ মতে শাস্তিৰ লক্ষ্য হ'ল অপৰাধীৰ স্বভাৱৰ সংশোধন ঘটোৱা। কাৰণ, অপৰাধ সংঘটিত কৰাৰ আগতে অপৰাধী জন/ জনী সমাজৰ এজন সদস্য আছিল। সেয়েহে, অপৰাধীক ইতিবাচক স্বভাৱ-চৰিত্ৰৰে পুনৰ সংস্থাপিত হোৱাত সহায় কৰাটো সমাজৰ কৰ্তব্য। অপৰাধীৰ কল্যাণৰ বাবেই শাস্তি দিয়া উচিত। শাস্তিৰ লক্ষ্য হ'ল অপৰাধীৰ সমাজ বিৰোধী প্ৱণতাবোৰ শুধৰোৱা যাতে সি পুনৰ সমাজত নিজৰ হেৰোৱা প্ৰস্থিতি ঘুৰাই পায়। শাস্তিয়ে অপৰাধীক নৈতিক আদৰ্শ আৰু নৈতিক কৰ্তব্য সম্পৰ্কে সচেতন তথা শিক্ষিত কৰিব লাগে।

৩। প্ৰতিফলমূলক তত্ত্ব হ'ল শাস্তিৰ সৈতে জড়িত তৃতীয়টো গুৰুত্বপূৰ্ণ দৃষ্টিভংগী। এই তত্ত্ব সম্পূৰ্ণৰূপে ন্যায়িক ব্যৱস্থাৰ সৈতে জড়িত। এই তত্ত্ব অনুসৰি শাস্তি হ'ল ন্যায়ৰ কাৰ্য। শাস্তি নিজেই হ'ল উপায়। ই আন কোনো কথা সাধন কৰাৰ উপায় নহয়। শাস্তিৰ প্ৰধান লক্ষ্য হ'ল প্ৰতিফল। ইয়াৰ উদ্দেশ্য হ'ল নৈতিক আইনৰ সৰ্বোপৰিতা তথা কৰ্তৃত্বক প্ৰতিৰক্ষা প্ৰদান কৰা আৰু অপৰাধীৰ প্ৰতি ন্যায় কৰা। প্ৰতিফলমূলক তত্ত্বৰ সমৰ্থকসকলৰ মতে সমাজৰ নীতি-নিয়ম উলংঘাকাৰীক শাস্তি দিব লাগে।

৪। 'Capital' শব্দটোৰ মূল হ'ল লেটিন শব্দ 'Capital'- অৰ্থ 'শিৰ মূৰ বিষয়ক'।

৫। মৃত্যুদণ্ডৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Capital Punishment' অথবা 'Death Penalty' । ই হ'ল এটা চৰকাৰী অনুমোদনপ্ৰাপ্ত অনুশীলন। ইয়াৰ অধীনত কোনো এক গুৰুতৰ অপৰাধৰ বাবে ৰাষ্ট্ৰই কাৰোবাক মৃত্যুৰ শাস্তি বিহিব পাৰে।

৬। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে শাস্তিক এটা নেতিবাচক পুৰস্কাৰ (negative reward) বুলি অভিহিত কৰিছিল। তেওঁৰ দৃষ্টিভংগী অনুসৰি ইচ্ছাকৃতভাৱে কোনো নৈতিক আইন উলংঘা কৰা ব্যক্তি এনে নেতিবাচক পুৰস্কাৰ লাভ কৰাৰ যোগ্য। সমাজে এনে ব্যক্তিক প্ৰাপ্য পুৰস্কাৰ লাভ কৰাৰ যোগ্য। সমাজে এনে ব্যক্তিক প্ৰাপ্য পুৰস্কাৰ দিয়া উচিত।

৭। জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্টৰ মতে অপৰাধীক শাস্তি প্ৰদান কৰা উচিত। ইয়াৰ কাৰণ এইটো নহয় যে অপৰাধীয়ে এটা অপৰাধ সংঘটিত কৰিছে; শাস্তি প্ৰদানৰ মূল কাৰণ হ'ল অপৰাধীয়ে সংঘটিত কৰা কাৰ্যটো তেওঁৰ নিজৰ বাবেও কল্যাণজনক নাছিল অথবা এই কাৰ্যই অন্যৰো কোনো কল্যাণ নাসাধে। কাণ্টে শাস্তিৰ প্ৰতিফলমূলক তত্ত্বটো সমৰ্থন কৰিছিল। তেওঁ কৈছিল, "শাস্তিক কেতিয়াও অপৰাধী অথবা সমাজৰ বাবে এটা কল্যাণ সাধনকাৰী কাৰ্যপন্থা ৰূপে প্ৰদান কৰিব নালাগে। শাস্তিৰ বিধি-বিধান হ'ল দ্ব্যৰ্থহীনভাৱে অৱশ্যকৰণীয় কাৰ্য।'

৮। হেগেলে এই দৃষ্টিভংগী সমৰ্থন কৰিছিল। হেগেলে এই বুলিও কৈছিল যে অপৰাধীয়ে শাস্তি দাবী কৰে। শাস্তি অপৰাধীৰ পুৰস্কাৰ। শাস্তি হ'ল অপৰাধীৰ প্ৰাপ্য- অপৰাধীয়ে কোনো নৈতিক আইন ভংগ কৰি এনে পুৰস্কাৰ অৰ্জন কৰে। শাস্তিক সেয়েহে অপৰাধীৰ বাবে নেতিবাচক পুৰস্কাৰ বুলিও ক'ব পাৰি।

৯। চিন্তাবিদ ৰাশ্বডেলে প্ৰতিফলমূলক তত্ত্বৰ সমালোচনা কৰি শাস্তিৰ সংস্কাৰমূলক তত্ত্বটোৰ পোষকতা কৰিছিল। তেওঁ প্ৰতিফলমূলক তত্ত্বটোক এটা প্ৰতিহিংসামূলক তত্ত্ব বুলি কৈছিল। তেওঁৰ মতে অপৰাধৰ সমানুপাতিক হোৱাকৈ অপৰাধীক কিমান পৰিমাণৰ যাতনা প্ৰদান কৰা হ'ব সেয়া কোনোপধ্যে নিৰ্ধাৰণ কৰিব পৰা নাযায়।

১০। সংস্কাৰবাদী তত্ত্ব দ্বাৰা এই ভাৱধাৰাৰ সমর্থকসকলক সংস্কাৰবাদী নাইবা মানৱতাবাদী বুলি কোৱা হৈছে। সংস্কাৰবাদী সকল মৃত্যুদণ্ডৰ বিৰোধী। তেওঁলোকৰ মতে যদি নৈতিক আইন সাব্যস্তকৰণেই শাস্তিৰ লক্ষ্য হয়, তেন্তে ই প্রতিশোধৰ নামান্তৰ হ'ব। এই ভাৱধাৰা অনুসৰি অপৰাধ এটা সংঘটিত কৰাৰ সময়ত অপৰাধীজন সাময়িকভাৱে মানসিক সুস্থিৰতাহীন হৈ পৰে। সাধাৰণতে, কোনেও শীতল মস্তিষ্কৰে হত্যা কৰিব নোৱাৰে। কিন্তু, সমাজে যেতিয়া কাৰোবাক মৃত্যুদণ্ড বিহে, তেতিয়া ই শীতল মস্তিষ্কৰে এই সিদ্ধান্ত লয়। সেয়েহে, সমাজ আৰু ইয়াৰ নেতৃবর্গকো হত্যাৰ অপৰাধত মৃত্যুদণ্ড বিহা উচিত। মানৱতাবাদীসকলে বিশ্বাস কৰে যে অন্যৰ বাবে আদর্শ প্রতিষ্ঠা কৰিবলৈ কাৰোবাৰ জীৱন নাশ কৰাটো হ'ল বর্বৰ নিষ্ঠুৰতাৰ প্রমাণ।

৫.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্নঃ

১। 'Capital Punishment' ৰ অসমীয়া অর্থটো কি?

২। 'যেনে কুকুৰ টেনে টাঙোন' বোলা প্রবচনফাকিৰ অর্থ কি?

৩। মূল্য মীমাংসা কাক বোলে?

৫। নীতিশাস্ত্র কি?

৬। শাস্তি মানে কি?

(খ) চুটি প্রশ্ন (প্রায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। মৃত্যুদণ্ড বুলিলে কি বুজে?

২। শাস্তিৰ সতর্কতামূলক তত্ত্বটো কি?

৩। শাস্তিৰ সংস্কাৰমূলক তত্ত্বটো কি?

৪। শাস্তিৰ কঠোৰতা হ্রাসকাৰী প্রতিফলমূলক তত্ত্বটো কি?

৫। শাস্তিৰ কঠোৰতাবাদী প্রতিফলমূলক তত্ত্বটো কি?

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

১। মৃত্যুদণ্ড দিয়া উচিতনে? উদাহৰণ সহ ব্যাখ্যা কৰক।

২। মৃত্যুদণ্ড সন্দর্ভত মানৱতাবাদী অথবা সংস্কাৰবাদীসকলৰ মনোভাৱ কেনেধৰণৰ? এই মনোভাৱ ন্যায্যনে? কাৰণ দর্শাওক।

৩। ভাৰতত মৃত্যুদণ্ডৰ ৰেহৰূপ আৰু ইয়াৰ প্রয়োগ সম্পর্কে চমুকৈ আলোচনা কৰক।

৪। মৃত্যুদণ্ডৰ সপক্ষে আৰু বিপক্ষে যুক্তি দাঙি ধৰক। মৃত্যুদণ্ডই সমাজৰ অপৰাধৰ মাত্রা কম কৰিব পাৰেনে?

*** **** ***

অধ্যায় ৬ ঃ মানৱ অধিকাৰ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ মানৱ অধিকাৰ কি ?

৬.৩.১ নৈতিক অধিকাৰ আৰু বিধিগত বা আইনী অধিকাৰ

৬.৩.২ নৈতিক উপযোগীতাবাদবা সার্বজনীনতাবাদ।

৬.৪ অধিকাৰ আৰু কর্তব্য

৬.৪.১ দাবী অধিকাৰ আৰু স্বাধীনতা অধিকাৰ

৬.৪.২ প্রধান অধিকাৰসমূহ

৬.৫ সমসাময়িক বির্তক

৬.৫.১ আমোদতত্ত্ব

৬.৫.২ ইচ্ছাতত্ত্ব

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতিৰ খতিয়ান

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰ কি আৰু ইয়াৰ লগত জড়িত বিষয়সমূহ কি তাক চিনাক্ত কৰিব পাৰিব
- মানৱ অধিকাৰৰ দার্শনিক দিশসমূহৰ আলোচনা আগবঢ়াব পাৰিব
- সামাজিক, বিধিগত আৰু ৰাজনৈতিক দৃষ্টিকোণৰ পৰা মানৱ অধিকাৰ কি তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- অধিকাৰ আৰু কর্তব্যৰ মাজৰ সম্বন্ধ নির্ণয় কৰিব পাৰিব
- মানৱ অধিকাৰৰ এক সমালোচনাত্মক মূল্যায়ন আগবঢ়াব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়ত আমি মানৱ অধিকাৰ সম্বন্ধে আলোচনা কৰিম। মানৱ অধিকাৰ সমকালীন বিশ্বত আলোচ্য অতি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ এটা। মানৱ অধিকাৰসমূহ আনক এৰি দিব নোৱাৰা অধিকাৰ স্বৰূপে বিবেচনা কৰা হয়, যিবোৰ মানৱ পৰিয়ালৰ সদস্য হোৱাৰ হেতু এজন ব্যক্তিক প্ৰদান কৰা হয়। তলত মানৱ অধিকাৰৰ লগত যুক্ত হৈ থকা দাৰ্শনিক দিশসমূহ সম্পৰ্কে আৰু এই দিশসমূহৰ কৰ্তব্যৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল। মানৱ অধিকাৰৰ বাবে নৈতিক ন্যায়তা থাকিব পাৰেনে? মানৱ অধিকাৰৰ বাবে নৈতিক ন্যায়তা থাকিব পাৰেনে, মানৱ অধিকাৰ আৰু নৈতিক অধিকাৰসমূহ একেনে, মানৱ অধিকাৰ পৃথক পৃথক স্থিতি বা দিশসমূহ কি কি? —ইত্যাদি বিষয়সমূহ পৰৱৰ্তী শাখাসমূহ আলোচনা কৰা হ'ব।

৬.৩ মানৱ অধিকাৰ কি?

মানৱ অধিকাৰৰ দাৰ্শনিক তত্ত্ব সম্বন্ধে আলোচনা কৰাৰ পূৰ্বে মানৱ অধিকাৰ ঘোষণাৰ এটা সংক্ষিপ্ত ঐতিহাসিক সমীক্ষা দাঙি ধৰা হ'ল। ৰাষ্ট্ৰসংঘৰ দৰে আন্তৰ্জাতিক সংস্থা বা সংগঠনসমূহে মানৱ অধিকাৰসমূহ কিদৰে সম্ভৱ হৈ উঠে সেই বিষয়ে আলোকপাত কৰাৰ পৰিৱৰ্তে, এজন ব্যক্তিৰ জীৱনৰ ন্যূনতম উত্তৰণৰ বাবে মানৱ অধিকাৰৰ আৱশ্যকতা সম্পৰ্কে আলোকপাত কৰে। উদাহৰণস্বৰূপে— আপোনালোকে ভাবিব পাৰেনে যে এটা সুস্থ জীৱন যাপন কৰিবৰ বাবে কোনবোৰ বস্তুৰ প্ৰয়োজন? এই প্ৰশ্ন সম্পৰ্কে চিন্তা কৰা মানৱ অধিকাৰ সম্পৰ্কে ১৯৪৮ চনত কৰা বিশ্বজনীন ঘোষণা (Universal Declaration of Human Rights) মানৱ অধিকাৰ সম্পৰ্কে ১৯৫৪ চনত সৃষ্ট ইউৰোপীয় প্ৰতিনিধি সভা (The European Convention) আৰু পৌৰ আৰু অৰ্থনৈতিক অধিকাৰ সম্পৰ্কে ১৯৬৬ চনত কৰা আন্তৰ্জাতিক চুক্তিয়ে সুস্থ জীৱন যাপনৰ বাবে ধৰা-বন্ধা বা নিৰ্দিষ্ট অধিকাৰৰ আঁচনি গ্ৰহণ কৰে। এইয়ে হৈ পৰে প্ৰত্যেক ৰাষ্ট্ৰৰ স্বকীয় জাতিৰ নাগৰিকৰ অধিকাৰ নিশ্চিতকৰণৰ ভিত্তি স্বৰূপ।

ওপৰত দেখা গ'ল যে ১৯৪৮ চনৰ মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাই (Universal Declaration of Human Rights) কিছুমান অধিকাৰৰ তালিকা ধাৰ্য্য কৰিছিল। প্ৰশ্ন হয়— এই বিশ্বজনীন ঘোষণাৰ পূৰ্বে মানৱ অধিকাৰ নাছিল নেকি? মানৱ অধিকাৰ সম্পূৰ্ণৰূপে সাংবিধানিক অধিকাৰ নেই তাৰো উৰ্দ্ধত।

৬.৩.১ নৈতিক অধিকাৰ আৰু বিধিগত বা আইনী অধিকাৰ

যদি প্ৰশ্ন কৰা হয়— কোনোৱে আপোনাৰ ক্ষতি কৰিব পাৰেনে? কোনোৱে আপোনাৰ সা-সম্পত্তি তোমাৰ অজ্ঞাতে হস্তগত কৰিব পাৰেনে? আপুনি এনে কামক ভুলকৰ্ম বা দুষ্কৰ্ম বুলি বিবেচনা কৰেনে? যদি এনে কৰ্মক ভুল কৰ্ম বুলি বিবেচনা কৰা হয়, আপুনি কেতিয়াবা ভাবি চাইছানে এনে কৰ্মক কিয় ভুল কৰ্ম বুলি কোৱা হয়? উত্তৰত ক'ব লাগিব যে, আপোনাক আনে অনিষ্ট কৰিব নোৱাৰে আৰু আপোনাক সম্পত্তি নিজৰ অধিকাৰত ৰখাৰ আপোনাৰ অধিকাৰ আছে। অৰ্থাৎ প্ৰতিজন ব্যক্তিৰ আত্মৰক্ষা কৰাৰ আৰু

স্বকীয় সম্পত্তি ভোগ দখল কৰাৰ অধিকাৰ আছে। সেয়ে অন্য ব্যক্তিৰ দ্বাৰা এজনক ক্ষতি কৰা বা তেওঁ সা-সম্পত্তি বলেৰে বা অজ্ঞাতে হস্তগত কৰা কার্য্যক দুষ্কার্য্য বুলি বিবেচনা কৰা হয়।

যদি পুনৰ প্রশ্ন কৰা হয়— আপোনাক এই অধিকাৰ কোনে প্রদান কৰিলে? অথবা আপুনি কিদৰে এই অধিকাৰ লাভ কৰিলে? উত্তৰত উল্লেখনীয় যে আমাৰ আইন ব্যৱস্থাই আপোনাৰ লগতে দেশখনৰ সকলো নাগৰিককে এনে অধিকাৰ প্রদান কৰিছে। ধৰি লোৱা হওক আইন ব্যৱস্থাই আপোনাক আনৰ দ্বাৰা ক্ষতি কৰিব নোৱাৰা অধিকাৰ নিদিয়ে, তেতিয়া আপুনি ভাবিব নেকি যে আপোনাৰ আনৰ দ্বাৰা ক্ষতি কৰিব নোৱাৰা অধিকাৰ নাই। অথবা আপুনি ভাৱে নেকি যে আইন ব্যৱস্থাই আপোনাক আনৰ দ্বাৰা ক্ষতি কৰিব নোৱাৰা অধিকাৰ প্রদান কৰক বা নকৰক, আপোনাৰ তেনে অধিকাৰ আছেই? এনে প্রশ্নৰ উত্তৰে মানৱ অধিকাৰৰ দার্শনিক দিশ ব্যাখ্যা কৰে। গতিকে, দেখা যায় যে প্রতিজন নাগৰিকৰ আইন ব্যৱস্থাই আত্মৰক্ষা আৰু স্বকীয় সম্পত্তি ৰক্ষাৰ অধিকাৰ দান কৰে। আইন ব্যৱস্থাই আনৰ দ্বাৰা ক্ষতি কৰিব নোৱাৰা অধিকাৰ প্রদান কৰে বুলি ধৰি ল'লেও, তেওঁৰ তেনে অধিকাৰ নাই বুলি নিশ্চয়কৈ ভাবিব নোৱাৰি। এনে অৱস্থাত দার্শনিক দিশসমূহ ফঁহিয়াই চোৱাৰ প্রয়োজন।

এতিয়া আমি মৌলিকভাৱে দুটা স্থান অতিক্রম কৰি আহিছো। এটা দিশ হৈছে যে মানৱ অধিকাৰসমূহ সামাজিক -সাংস্কৃতিক আলোচনা প্রসংগৰ ফলশ্রুতিত সৃষ্ট আৰু সেইবোৰত কোনো প্রাকৃতিক মানৱ অধিকাৰ জড়িত নহয়। এইটো হৈছে নৈতিক আপেক্ষিকতাবাদ (Moral Relativism) এই নৈতিক আপেক্ষিকতাবাদ (Moral Relativism) অনুসৰি মানৱ অধিকাৰ প্রসংগত যিয়ে হওঁক যে মানৱ অধিকাৰসমূহ ব্যক্তিগত ক্ষেত্রতে হওঁক বা অন্যান্য অনুষ্ঠান প্রতিষ্ঠানৰ ক্ষেত্রতে হওঁক, বিধিগত অধিকাৰে বুলি (Legal Right) বুলি দাবী কৰা হয়। ইয়াৰ বিপৰীতে অন্যটো দিশত কোৱা হয় যে মানৱ জাতিৰ প্রত্যেক ব্যক্তিৰ ক্ষেত্রত প্রাকৃতিক নৈতিক অধিকাৰ (Natural Moral Right) আছে। এই প্রাকৃতিক নৈতিক অধিকাৰসমূহ সকলো ব্যক্তিৰ ক্ষেত্রতে উমৈহতীয়া। অর্থাৎ এই দিশটোৱে সূচায় যে নৈতিক অধিকাৰসমূহ বিশ্বজনীন। এইদৰে এই দিশটোৱে এজনৰ নৈতিক অধিকাৰক বুজায় বা সার্বজনীন নৈতিকতাবাদক বুজায়। অর্থাৎ নৈতিক অধিকাৰ সকলোৰে আছে, যাক আমি আমাৰ যুক্তিৰে বা বিবেচনা শক্তিৰে (Reason) চিনাক্ত কৰিব পাৰে আৰু যি সামাজিক আৰু ঐতিহাসিক আলোচনাৰ উর্দ্ধত আৰু নাৰী-পুৰুষ, বর্ণ, কৃষ্টি, জাতি-উপজাতি, ধর্ম, শ্রেণী ভাষা ইত্যাদি নির্বিশেষে সকলোৰে এই প্রাকৃতিক অধিকাৰ আছে। ইয়াৰ দ্বাৰা বুজা যায় যে এই নৈতিক অধিকাৰসমূহ সার্বজনীনভাৱে ব্যাপ্ত আৰু সত্য।

গতিকে নৈতিক বিশ্বজনীনতাবাদ গ্রহণে আমাক ভাবিবলৈ বাধ্য কৰায় যে মানৱসৃষ্ট (Human made) বিধিসমূহ শুদ্ধনে ? অর্থাৎ আমি বিধিগত ব্যৱস্থা এটাৰ মূল্যায়ন নৈতিক আইনৰ ভিত্তিত পাওঁ। এৰিষ্টটলে তেওঁৰ "Nicomachean Ethies"তো এনে দাবী কৰে। তেওঁ প্রাকৃতিক ন্যায় (Natural Justice) আৰু বিধিগত ন্যায়ৰ (Legal Justice) মাজৰ ব্যৱধান উল্লেখ কৰি কয়— "প্রাকৃতিক ন্যায় হৈছে সেইটো যাৰ সকলোতে একে বৈধতা থাকে আৰু গ্রহণ কৰা নকৰাৰ ওপৰত নির্ভৰ নকৰে (The Natural Right is that which has the same validity everywhere and doesnot depend upon acceptance)

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ প্রাকৃতিক ন্যায় কি?

প্রশ্ন ২ ঃ এজন উপযোগীতাবাদীৰ নাম লিখক।

৬.৩.২ নৈতিক উপযোগীতাবাদ বা সার্বজনীনতাবাদ

আমাৰ আলোচনাৰ প্রাৰম্ভিক পর্য্যায়ত নৈতিক সার্বজনীনতাবাদৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। আমি দেখো যে এটা বিশেষ বিধিগত পদ্ধতি মূল্যায়ন কৰাটো সম্ভৱ আৰু প্রকৃততে সম্ভৱ হোৱাটো নিত্যান্ত আৱশ্যক। একোটা বিধিগত ব্যৱস্থাই কিছুমান শ্রেণীৰ বা ভাগৰ মানুহৰ অধিকাৰ প্রকাশ্যে অস্বীকাৰ কৰিব পাৰে। এই ক্ষেত্রত আমি এনে পৃথকীকৰণ ব্যৱস্থা সন্নিবিষ্ট হৈ থকা আইনে সকলো মানুহৰ অধিকাৰ ৰক্ষা কৰে বুলি মূল্যায়ন কৰিমনে? যদি কিছুমান আইনে প্রভেদ ৰক্ষা কৰে তেন্তে আমি দাবী কৰিব পাৰো যে আইন ব্যৱস্থা মানুহৰ অধিকাৰৰ বিৰুদ্ধে। যেতিয়া আমি এনে যুক্তি দাঙি ধৰো আমাৰ এনে অনুমান হয় যে মানুহৰ এটা 'অধিকাৰ' (Right) বিধিগত অধিকাৰৰ ওপৰিও থাকে। এই অধিকাৰসমূহকেই নৈতিক অধিকাৰ কোৱা হয় আৰু এইবোৰ যিকোনো সামাজিক বা ঐতিহাসিক অৱস্থাৰ বশৱর্তী নহয়। সেইবোৰকেই সার্বজনীন নৈতিক অধিকাৰ বুলি ভবা হয়। এই দিশ অনুসৰি প্রতি গৰাকী ব্যক্তিৰে সমাজ ব্যৱস্থা বা অন্যান্য বিধিগত ব্যৱস্থাৰ ওপৰিও কিছুমান স্বাধীন প্রাকৃতিক অধিকাৰ থাকে। এই দিশ দর্শনৰ গভীৰ চিন্তাবিদ জন ল'কে তেওঁৰ "Two Treatises of Government" (1688) গ্রন্থত দাঙি ধৰিছে। নৈতিক অধিকাৰক মানৱ অধিকাৰৰ উৎস হিচাপে গ্রহণ কৰিব পৰা যায়। ল'কে উল্লেখ কৰে যে প্রতি গৰাকী ব্যক্তিৰে ৰাজনীতিৰ আওতাৰ পৰা মুক্ত প্রাকৃতিক অধিকাৰ থাকে আৰু সেইবোৰ কোনো বিধিগত আইন ব্যৱস্থাৰ পূর্বৰ। গতিকে প্রশ্ন হয় একোগৰাকী ব্যক্তিৰ সকলোবোৰ নৈতিক অধিকাৰ কি কি আৰু ব্যক্তিৰ কি দৰে এনে প্রাকৃতিক অধিকাৰ থাকে? প্রথম প্রশ্নৰ উত্তৰত পোৱা যায় যে এজন ব্যক্তিয়ে বিবেচনাৰে তেওঁৰ ব্যক্তিগত প্রাকৃতিক অধিকাৰসমূহ গণনা কৰিব লাগে আৰু দ্বিতীয় প্রশ্নৰ উত্তৰত তেওঁ বিবেচনা কৰি চাব লাগে তেওঁৰ কিমান নৈতিক অধিকাৰ সম্ভৱ হয়। ল'কৰ মতে, তেওঁলোকৰ প্রাকৃতিক আইন (বিধি) থকাৰ বাবে প্রাকৃতিক অধিকাৰ থাকে আৰু প্রাকৃতিক আইন ভগৱানৰ পৰা লাভ কৰে। এইদৰে ল'কে ধর্মতত্ত্বৰ বিষয়ে যুক্তি দর্শন কৰে যেতিয়া তেওঁ প্রাকৃতিক দর্শন আইনৰ বিষয়ে যুক্তি সাব্যস্ত কৰে। কিন্তু ল'কৰ মতক অস্বীকাৰ কৰি ১৮ শতিকাৰ দার্শনিক ইমানুৱেল কাণ্টে নৈতিক অধিকাৰৰ ক্ষেত্রত কোনো ধর্মতত্ত্বৰ ওপৰত নির্ভৰ কৰিব নিবিচাৰে। তেওঁৰ মতে, নৈতিক অধিকাৰৰ সার্বজনীন বৌদ্ধিকতাবাদ বা যুক্তিবাদৰ আৰু ব্যক্তিৰ স্বকীয় ক্ষমতাৰ ওপৰত ভিত্তি কৰে। কাণ্টে প্রকৃত ভিত্তি দর্শোৱাৰ পৰিৱর্তে অধিকাৰৰ এটা ৰীতিগত বুজাবুজিৰ ওপৰত ভিত্তি কৰিবলৈ চেষ্টা কৰে। অর্থাৎ, তেওঁ এজনক দৰৱ খুৱাই মৃত্যুৰ মুখত পেলোৱাৰ দৰে, বা দৰৱ খাই মৃত্যু হোৱাৰ দৰে কোনো এক বিশেষ অধিকাৰক হস্তান্তৰ কৰিব পৰা যায় নে নাযায় তাৰ ওপৰত গুৰুত্ব নিদি কিছুমান অধিকাৰ সৃষ্টি কৰাতহে জড়িত হৈ পৰে। কাণ্টৰ মতে, সমতা আৰু ব্যক্তি স্বতন্ত্রতাক ৰক্ষা কৰা সার্বজনীন প্রয়োগৰ প্রতি থকা মূলসূত্রৰ সৈতে নিয়মীয়া নীতি (Formal

Principle) নিৰ্হিত হৈ থাকে। এইদৰে, কাণ্টে তেওঁৰ মতৰ যোগেৰে সাৰ্বজনীন নৈতিক অধিকাৰৰ ভিত্তি বা উৎস দাঙি ধৰে।

৬.৪ অধিকাৰ আৰু কৰ্তব্য

আমি যেতিয়া মানৱ অধিকাৰৰ বিষয়ে আলোচনা কৰো তেতিয়া আমি কৰ্তব্যৰ বিষয়েও আলোচনা কৰা প্ৰয়োজন, কাৰণ মানৱ অধিকাৰ কৰ্তব্যৰ সংজ্ঞা বা ধাৰণাৰ সৈতে জড়িত হৈ থাকে। সাধাৰণতে ক'ব পাৰি যে এজন ব্যক্তিৰ অধিকাৰ আন জন ব্যক্তিৰ কৰ্তব্য। কিন্তু অধিকাৰৰ ধাৰণা বা সংজ্ঞা সুক্ষ্মভাৱে বিশ্লেষণ কৰিলে আমি অধিকাৰৰ পৃথক পৃথক প্ৰভেদ দেখা পাওঁ। দাৰ্শনিক W.N.Hohfeld-এ (১৯১৯) অধিকাৰক চাৰি ভাগত বিভক্ত কৰে। সেই চাৰিটা ভাগ হ'ল স্বাধীনতা বা স্বতন্ত্ৰতা অধিকাৰ (Liberty Right), দাবী অধিকাৰ (Claim Right), শক্তি অধিকাৰ (Power Right) আৰু মুক্তি বা নিষ্কৃতি অধিকাৰ (Immunity Right)। সাম্প্ৰতিক সময়ৰ সাহিত্যকে Peter Jones (১৯৯৪) উপৰোক্ত ভাগ চাৰিটাৰ শেষৰ দুটা অধিকাৰ (শক্তি আধিকাৰ আৰু মুক্তি অধিকাৰ) প্ৰথম দুটাতে (স্বাধীনতা অধিকাৰ আৰু দাবী অধিকাৰ) সন্নিৱিষ্ট কৰি অধিকাৰৰ বিভাজন সংখ্যা হ্ৰাস কৰে। তলত স্বতন্ত্ৰতা অধিকাৰ আৰু দাবী অধিকাৰে কি বুজায় চোৱা হওঁক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ "Two Treatises of Government" নামৰ গ্ৰন্থখনৰ ৰচয়িতা কোন?

প্ৰশ্ন ৪ ঃ W. M. Hohfeld-ৰ মতে অধিকাৰৰ ভাগসমূহ কি কি?

৬.৪.১ দাবী অধিকাৰ আৰু স্বাধীনতা অধিকাৰ

যিবোৰ অধিকাৰক স্বাভাৱিকতে অধিকাৰ বুলি কোৱা হয় সেইবোৰকে দাবী অধিকাৰ (Claim Right) বোলা হয় আৰু সেইবোৰে কৰ্তব্যৰ সৈতে যোগসূত্ৰ ৰক্ষা কৰে। যদি আপোনাৰ এটা অধিকাৰ আছে তেতিয়া এইটোৱে বুজায় যে ব্যক্তিগতভাৱে আপোনাৰ বা আপোনালোকৰ সেই অধিকাৰ মানি চলাটো কৰ্তব্য। দাৰ্শনিক পিটাৰ জনে উল্লেখ কৰে যে দাবী অধিকাৰ স্বাধীনতা অধিকাৰতকৈ বেচি আৱশ্যকীয়। জনে দাবী অধিকাৰক স্থিৰ আৰু অস্থিৰ (Positive and Negative) এই দুটা ভাগত বিভক্ত কৰে। স্থিৰ দাবী অধিকাৰ (Positive Claim Right) সেইবোৰ যিবোৰ কোনো নিৰ্দিষ্ট ব্যক্তি বা অনুষ্ঠানৰ বিপৰীত। উদাহৰণস্বৰূপে, যদি চৰকাৰে মোক কিছুমান খাদ্য সামগ্ৰী লাভ কৰাৰ অধিকাৰ প্ৰদান কৰে অৰ্থাৎ কিছুমান খাদ্য-সামগ্ৰী লাভৰ বাবে খোড়াকী পত্ৰ (Ration card) প্ৰদান কৰে তেতিয়া সেইখিনি চৰকাৰী বিতৰণ ব্যৱস্থাৰ কেন্দ্ৰৰ পৰা লাভ কৰাৰ বাবে স্থিৰ অধিকাৰ (Positive claim Right) থাকে। সেইখিনি মোক দিবলৈ বিতৰণকেন্দ্ৰ বাধ্য। কাৰণ সেইখিনি পোৱাৰ মোৰ অধিকাৰ আছে। অস্থিৰ দাবী অধিকাৰ (Negative Claim Right) কোনো ব্যক্তিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা নহয়, ই সকলোৰে ক্ষেত্ৰত

ব্যৱহৃত হয়। উদাহৰণস্বৰূপে মই এটা কলম কিনিলে আৰু সেইটো ব্যৱহাৰ কৰাৰ মোৰ অধিকাৰ থাকে। অর্থাৎ সেইটো আন কোনো লোকে ল'ব নোৱাৰে। মই কিনি লোৱা কলমটো ব্যৱহাৰ নকৰিবলৈ প্ৰত্যেকেই বাধ্য। অর্থাৎ এজন ব্যক্তিৰ সম্পূৰ্ণ ব্যক্তিগত সম্পদ আনে ব্যৱহাৰ কৰাৰ অধিকাৰ নাথাকে। ইয়াকে অস্থিৰ দাবী অধিকাৰ (Negative Claim Right) বোলে।

দাবী অধিকাৰসমূহ স্বাধীনতা অধিকাৰৰ সৈতে তুলনা কৰিলে দেখা যায় যে সেইসমূহেই স্বাধীনতা অধিকাৰ যিবোৰ এগৰাকী ব্যক্তিৰ বা যিকোনো পুৰুষৰ অধিকাৰ পৰিপূৰ্ণ কৰিবৰ বাবে ব্যৱহাৰ কৰা নহয়। এই অধিকাৰক মাজে সময়ে অস্থিৰ (Negative) অর্থ হিচাপে চিহ্নিত কৰা হয়। এই অধিকাৰক মাজে মাজে (Negative) অস্থিৰ (Negative) অর্থতো ব্যৱহাৰ কৰা হয়। এই অধিকাৰ স্বাধীনতাৰ অধিকাৰৰ ধাৰণাৰ সৈতেও মিলি থাকে। মোৰ গধূলিটো ব্ৰহ্মপুত্ৰৰ পাৰত শান্তিৰে অতিবাহিত কৰিম বুলি ভবাৰ অধিকাৰ আছে। মোৰ এই অধিকাৰ পৰিপূৰ্ণ কৰাৰ স্বাধীনতা আনৰ আছেনে? নাই। একেদৰে নদীৰ পাৰত গধূলিটো শান্তিৰে অতিবাহিত কৰিম বুলি ভবা আপোনাৰ অধিকাৰৰ পৰা আনে আপোনাক আঁতৰাই ৰাখিব পাৰিবনে? নোৱাৰে। এইদৰে, স্বাধীনতা অধিকাৰসমূহ মাজে মাজে অস্থিৰ বা নিগেটিভ অধিকাৰ (Negative Right) হয় আৰু এই অধিকাৰ পালনৰ ক্ষেত্ৰত আন কোনো ব্যক্তিক বাধ্য কৰিব পৰা নাযায়। দাবী অধিকাৰ আৰু স্বাধীনতা অধিকাৰৰ দৰে অধিকাৰ বিভাজন কৰাৰ প্ৰয়োজন এইয়ে যে এইবোৰে সূচনা কৰা কিদৰে পৃথক পৃথক অধিকাৰৰ গণনাই অধিকাৰ সমূহক সার্বজনীন অধিকাৰৰ সমকক্ষ কৰি তোলে। যেতিয়া আমি সার্বজনীন মানৱ অধিকাৰ ঘোষণাত সন্নিৱিষ্ট হৈ থকা প্ৰকৃত আৰু সিদ্ধান্তসমূহৰ (Convention) অধিকাৰৰ (Substative Right) বিষয়ে ক'বলৈ যাওঁ আমি দেখা পাঁও যে এই প্ৰকৃত অধিকাৰক বহল ভাৱে পাঁচটা শিতানত বিভক্ত কৰা হয়। সেই বিভাজন কেইটা হৈছে—

১) জীয়াই থকাৰ অধিকাৰ (Right to live)

২) স্বাধীনতাৰ অধিকাৰ (Right to Freedom)

৩. ৰাজনীতিত অংশগ্ৰহণৰ অধিকাৰ (Right to Political Perticipation)

৪. আইনৰ বিধি সুৰক্ষা অধিকাৰ (Right to the Protection of the rule of law) আৰু

৫. মৌলিক, সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক দ্ৰব্যৰ অধিকাৰ (Right to Fundamental, Social, Economic and Cultural Goods) অধিকাৰৰ এই পাঁচোটা ভাগ দাবী অধিকাৰটো নিৰ্হত হৈ থাকে, স্বাধীনতা অধিকাৰতো নিহিত হৈ থাকে বা এই দুয়োটা অধিকাৰতে যুটীয়াভাৱে নিহিত হৈ থাকে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ পিটাৰ জনছ্ৰ মতে দাবী অধিকাৰৰ ভাগসমূহ কি কি?

প্ৰশ্ন ৬ ঃ পজিটিভ দাবী অধিকাৰ আৰু 'নিগেটিভ দাবী অধিকাৰৰ মাজৰ পার্থক্য কি?

প্ৰশ্ন ৭ ঃ মানৱ অধিকাৰক কি কি পাঁচটা ভাগত বিভক্ত কৰা হৈছে?

৬.৪.২ প্ৰধান অধিকাৰসমূহ

যদি পৃথক মানৱ অধিকাৰসমূহৰ এখন তালিকা প্ৰস্তুত কৰি লোৱা হয়, সেই তালিকাৰ উল্লিখিত সকলো অধিকাৰেই গুৰুত্বপূৰ্ণ নে? এই প্ৰশ্নৰ সদোত্তৰ পোৱাটো কিছু জটিল। মুক্ত ভাৱে ক'বলৈ গ'লে আমি যেতিয়া মানৱ অধিকাৰক অধিকাৰ হিচাপে ধৰো, যিবোৰ এজন ব্যক্তিৰ সুস্থ জীৱন অতিবাহিত কৰিবলৈ প্ৰয়োজন, তেতিয়া অধিকাৰসমূহৰ মাজৰ কোনবোৰ অধিকাৰ গুৰুত্বপূৰ্ণ সেইটো ধাৰ্য্য কৰাটো সম্ভৱ হৈ নুঠে। কিন্তু, একে সময়তে, যেতিয়া আমি ব্যৱহাৰিক (Practical) দিশেৰে ভাবো ৰাষ্ট্ৰৰ অধিকাৰ পৰিপূৰ্ণ কৰাৰ সমলৰ ওপৰত নিৰ্ভৰ কৰি মানৱ অধিকাৰ প্ৰাধান্য আৰোপৰ কিছুমান নিৰ্দিষ্ট সমতা (Level) পাব পৰা যায়। উদাহৰণ স্বৰূপে কাৰ্য্যতঃ অনুভৱ হয় যে প্ৰত্যেক ব্যক্তিৰে আহাৰ গ্ৰহণ কৰাৰ এটা অধিকাৰ আছে যিটোৱে সেই অধিকাৰ পৰিপালন কৰিবলৈ প্ৰয়োজন হোৱা সমলৰ ওপৰত নিৰ্ভৰ কৰে। সাম্প্ৰতিক মানৱ অধিকাৰৰ বিষয়ে আলোচনা কৰোতে জড়িত হৈ থকা আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে অধিকাৰসমূহৰ পৰিপালন কৰাটো। এজনৰ অধিকাৰ সাৱস্ত্যকৰণৰ বেলিকা আন কোনে দায়িত্ব গ্ৰহণ কৰিব? যদিও প্ৰত্যেকজন লোকৰ আহাৰ গ্ৰহণৰ অধিকাৰ থাকে, তথাপিও বহু আফ্ৰিকীয় দেশত, আনকি আমাৰ নিজৰ দেশতো অসংখ্য লোকে আহাৰৰ অভাৱত ভোকত কষ্ট ভোগ কৰিব লগা হয় বা মৃত্যুমুখত পৰিব লগীয়া হয়। এই লোকসকলৰ জীয়াই থকাৰ অধিকাৰ নাই নেকি? ইয়াৰ বাবে দায়ী কোন? ইয়াৰ বাবে আপুনি বা মই দায়ী নে? অথবা আমাৰ চৰকাৰ?

থমাছ পেগৰ (Thomas Paggor) দৰে দাৰ্শনিকসকলে দাবী কৰে যে নৈতিক দায়িত্ব কোনো ব্যক্তিৰ ওপৰত নহয়, অনুষ্ঠান ওপৰতহে থাকে। কিয়নো আমি দেখা পাওঁ যে আমাৰ চৰকাৰ আৰু চৰকাৰৰ নীতিসমূহক এনে মানৱ অধিকাৰ ভংগ কৰাৰ বাবে দায়ী বুলি বিবেচনা কৰা হয়। চৰকাৰে বা ৰাষ্ট্ৰসংঘৰ দৰে আন্তৰ্জাতিক সংস্থাসমূহে মানৱ অধিকাৰ ৰক্ষা কৰাৰ দায়িত্ব পালন কৰে। চিন্তাবিদ ৰনাল্ড ডৌৰকিনে (Ronald Dwarokin,1977) পৰামৰ্শ দিয়ে যে মানৱ অধিকাৰে অন্য সকলো নীতি পৰিকল্পনা আৰু সামাজিক লক্ষ্যৰ উৰ্দ্ধত। এইদৰে উপলব্ধ সমলসমূহক নিৰ্ভৰ কৰি মানৱ অধিকাৰ সুৰক্ষাৰ এটা ৰীতিগত গাঁথনি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা প্ৰয়োজন।

৬.৫ সমসাময়িক বিৰ্তক

মানৱ অধিকাৰ সম্পৰ্কে সাম্প্ৰতিক মানসিক ধাৰাটোক নৈতিক অধিকাৰ আৰু বিধিগত অধিকাৰ— এই দুয়োটা দিশৰে পৰা বিবেচনা কৰা হয়। কিন্তু এই সমস্যাটোক দাৰ্শনিক দিশেৰে নিৰ্ধাৰণ কৰা নহয়। মানৱ অধিকাৰক বিধিগত অধিকাৰৰ আওতাত আৱদ্ধ কৰি ৰখাৰ সমস্যাটো হৈছে মানৱ অধিকাৰ সম্ভৱপৰ (Contingent) কৰি তোলা আৰু সামাজিক আৰু ঐতিহাসিকভাৱে অৱগত কৰা (Contextualized)। সেইকাৰণে কিছুমান দাৰ্শনিকে মানৱ অধিকাৰক বিধিগত অধিকাৰৰ উৰ্দ্ধত সুৰক্ষা দিব বিচাৰে। জন ফিনিচ্ (John Finnis) প্ৰমুখ্যে সমসাময়িক চিন্তাবিদসকলে প্ৰাকৃতিক আইন (Natuural how) আৰু প্ৰাকৃতিক অধিকাৰ প্ৰসংগত প্ৰাকৃতিক আইনৰ স্থানক সুৰক্ষা দিব বিচাৰে। ইতিমধ্যে কৈ অহা হৈছে প্ৰাকৃতিক অধিকাৰৰ ধাৰণাক কিদৰে মানৱ অধিকাৰ আৰু নৈতিক অধিকাৰৰ ভেটি গঢ়ি তুলিবৰ বাবেঅতীতত ব্যক্ত কৰা হৈছিল। প্ৰাকৃতিক অধিকাৰসূত্ৰৰ বাহিৰেও আৰু বহু চিন্তাবিদ

আছে যিসকলে মানৱ অধিকাৰত এটা সামাজিক চুক্তিৰ ইংগিত দেখা পায়। থমাচ হব্‌চ্ (Thomas Hobbos)ৰ দৰে চিন্তাবিদে এইটো মন্তব্য কৰিছিল যে মানৱ অধিকাৰসমূহ আদান-প্রদান ধাৰণাৰ ওপৰতো ভিত্তি কৰে, যেনে— এটা সোণালী নীতি— আনে তোমাক যি কৰাতো বিচাৰা তুমিও তেওঁলোকৰ প্রতি সেই একে আচৰণ কৰা।

৬.৫.১ আমোদ তত্ত্ব

মানৱ অধিকাৰৰ ধর্ম বা প্রকৃতি নৈতিক অধিকাৰ হয় নে নহয় সেইটো চলি থকা বির্তক প্রসংগত বর্তমান দুটা দিশক প্রয়োজনীয় বুলি বিবেচনা কৰা হয়। সেই দুটা হৈছে "আমোদ তত্ত্ব" (Interest Theory) আৰু "ইচ্ছা তত্ত্ব" (Will Theory)। 'আমোদ তত্ত্বই সাধাৰণতে মানৱ আচৰণত প্রচুৰভাৱে থকা কিছুমান উমৈহতীয়া মানৱ আমোদৰ ধাৰণাৰ ওপৰত ভিত্তি কাৰ আৰু তাৰ যোগেৰে মানৱ অধিকাৰৰ সৈতে জড়িত হৈ পৰে। আমোদ তত্ত্বৰ বাবে মানৱ অধিকাৰৰ কর্ম হৈছে মানৱ আমোদক সেৱা কৰা। যিহেতু মানৱ জাতিৰ কিছুমান স্বাভাৱিক আমোদ বা ৰুচি থাকে, সেই ৰুচিবোৰক নিৰাপত্তা দিয়া বা অক্ষুণ্ণ ৰখাটো তেওঁলোকৰ অধিকাৰৰ অংশ। এইদৰে, যিহেতু মানৱ অধিকাৰ মানৱ ৰুচিৰ (Interest) অংশ, সেয়ে মানৱ অধিকাৰক নৈতিকতাৰ আধাৰত ন্যায্য বুলি বিবেচনা কৰা হয়। এটা ন্যূনতম সুখী জীৱন লাভ কৰিবৰ বাবে মানুহৰ সামাজিক আৰু জীৱন সম্পর্কীয় ৰুচিৰ তালিকা আমোদ তত্ত্বৰ সৈতে জড়িত হয়। জন ফিনিচৰ (John Finnis, 1980)ৰ আমোদ তত্ত্বৰ বাবে মানৱ অধিকাৰ মৌলিক বা বুনিয়াদী মানৱ আমোদ ৰক্ষা কৰিবৰ আৰু যোগান ধৰিবৰ বাবে, সহায়কাৰী মূল্য হিচাপে কাম কৰে। মানৱ আমোদৰ মানৱ অধিকাৰৰ সৈতে সন্নিবিষ্ট সকলো মানুহৰ মাজত সাধাৰণ লোকসকলৰ বাবে এটা আবেদন বা গোহাৰি থাকে আৰু এইদৰে মানৱ আমোদ আনলৈ হস্তান্তৰ কৰিব নোৱাৰা অধিকাৰ কৰি তোলে যিটোৰ উপৰুৱা অধিকাৰসমূহক অতিক্রম কৰে বা চেৰ পেলায়।

এই আমোদ বির্তকৰ বিৰুদ্ধে উত্থাপিত হোৱা এটা উল্লেখনীয় সমালোচনা হৈছে যে আমোদ তত্ত্বই মানৱ অধিকাৰৰ হিচাপ বা গণনা কৰাত সার্বজনীন মানৱ অধিকাৰৰ ওপৰত ভিত্তি কৰে। কিন্তু এইক্ষেত্রত এটা কঠিন প্রশ্ন উত্থাপন হয— আমোদ তত্ত্বত সার্বজনীন মানৱ প্রকৃতি (Nature) থাকেনে? আমোদ তত্ত্বই সার্বজনীন মানৱ প্রকৃতিৰ ভিত্তিত ন্যূনতম সুস্থ জীৱন লাভৰ বাবে কিছুমান প্রয়োজনীয় অৱস্থাৰ (Condition) সৃষ্টি কৰে বুলি ভবা হয়, কিন্তু বিষয়টোৱে (Issue) কম পৰিমাণে হ'লেও সুস্থ জীৱন লাভৰ সমল যোগান ধৰে। এইটো সকলো মানুহৰ বাবে উমৈহতীয়ানে? এই ক্ষেত্রত সামাজিক, সাংস্কৃতিক আৰু ঐতিহাসিক উপাদানে (Factor) সক্রিয় ভূমিকা গ্রহণ নকৰেনে? অমর্ত্য সেনে (১৯৯৯) মত ব্যক্ত কৰে যে সুন্দৰ জীৱন-যাপনৰ ন্যূনতম অৱস্থাসমূহ সামাজিক আৰু সাংস্কৃতিকভাৱে সম্পর্কীয়। যদি এবাৰ আমি এই অৱস্থা বা স্থিতি গ্রহণ কৰো, তেতিয়া আমোদতত্ত্বই দাবী কৰিব যে মানুহৰ সামাজিক আৰু জীৱবিদ্যামূলক প্রয়োজনৰ ভিত্তিৰে প্রয়োজনীয় অধিকাৰক নিশ্চিত কৰিব লাগিব আৰু পুনৰ বিচাৰ (Relook) কৰিব লাগিব। এটা অতি প্রয়োজনীয় বিষয় হ'ল যে যদি এবাৰ আমি কিছুমান নির্দিষ্ট সামাজিক আৰু জৈৱিক (Biological) আমোদক মানৱ প্রকৃতিৰ ভিত্তি কৰি লওঁ, ক্রমান্বয়ে সেইবোৰ মানৱ অধিকাৰ হৈ পৰে। আমি নিঃসন্দেহে মানুহৰ আমোদ আৰু প্রয়োজনৰ এটা নির্দিষ্ট স্থিতি পাওঁ।

৬.৫.২ ইচ্ছা তত্ত্ব

ৰুচি মতবাদীসকলৰ বিপৰীতে 'ইচ্ছামতবাদীসকল থাকে।' ইচ্ছা মতবাদীসকলে (Will theories) এটা গুণৰ ওপৰত নির্ভৰ কৰি মানৱ অধিকাৰক মুক্তিৰে বিচাৰ কৰিব খোজে। অর্থাৎ, মানুহৰ মনত ক্ষমতা বা ধাৰণ শক্তি মুক্ত হ'ব লাগে। তেওঁলোকে মতপোষণ কৰে যে Human Agency বা মানৱ অভিকৰণ হৈছে এজন বা এগৰাকীৰ স্বাধীনতা লাভৰ মানসিক ক্ষমতা আৰু সেয়ে সকলো মানৱ অধিকাৰ বিষয়ক স্বাধীনতাৰ উপাদানৰ যোগেৰে সম্বোধন বা নামা কৰণ কৰা হয়। WLA Hart, Henry Shue, Alan Gewirth —এইসকল উপৰোক্ত মতবাদৰ সমর্থক। Gewirth-এ মতপোষণ কৰে যে, মানৱ অধিকাৰ দাবীক যুক্তিসন্মত প্রতিনিধি (Agent) স্বৰূপে মানুহৰ মানসিক ক্ষমতাৰ ওপৰত স্থাপন কৰা হয়। সমালোচকসকলৰ মতে প্রজ্ঞাৰ দৃষ্টিকোণৰ পৰা 'ইচ্ছা তত্ত্ব' বা ইচ্ছা মতবাদ গ্রহণযোগ্য নহয়, কিন্তু বিভিন্ন সামাজিক আৰু সাংস্কৃতিক দিশসমূহৰ নির্বিশেষে, 'আমোদতত্ত্ব' আৰু 'ইচ্ছাতত্ত্ব' ক উভয়কৈ উমৈহতীয়াভাৱে মানৱ অধিকাৰ সাম্ভাৱ্যকৰণৰ ঠল হিচাপে গণ্য কৰিব পৰা যায়। সমসাময়িক তর্ক আৰু আলোচনাই ইয়াকে সূচায় যে মানৱ অধিকাৰ বিষয়টো দার্শনিক হোৱাৰ উপৰিও সামাজিক, ৰাজনৈতিক আৰু নৈতিক বুলিও গণ্য কৰিব পৰা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ আমোদতত্ত্ব বুলিলে কি বুজে? (৩০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ৯ ঃ ইচ্ছাতত্ত্ব কি? (৩০টা শব্দৰ ভিতৰত লিখক)

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰে মানুহৰ সুস্থ জীৱন যাপন কৰিবৰ বাবে এজন ব্যক্তিয়ে জীৱনৰ ন্যূনতম উত্তৰণ ঘটাবৰ বাবে কি? প্রয়োজনীয় বস্তু বা সমলৰ ওপৰত আলোকপাত কৰে।
- প্রাকৃতিক অধিকাৰসমূহ জাতি, ধর্ম, বর্ণ, নির্বিশেষে সকলোৰে ক্ষেত্রত একে।
- নৈতিক বিশ্বজনীনতাবাদ বা সার্বজনীনতাবাদ মতে নৈতিক অধিকাৰসমূহ সার্বজনীন। ইয়াৰ অর্থ এই যে নৈতিক অধিকাৰসমূহ আছে যাক যুক্তিৰ জৰিয়তে চিনাক্ত কৰিব পৰা যায়, যাক জাতি, ধর্ম, বর্ণ, লিংগ, ভাষা নির্বিশেষে সকলোৱে পায়।
- W.N. Hohfeld (1910) অধিকাৰসমূহক চাৰিটা ভাগত ভাগ কৰিছে— স্বাধীনতা অধিকাৰ, দাবী অধিকাৰ, শক্তি অধিকাৰ আৰু মুক্তি বা নিষ্কৃতি অধিকাৰ। (Peter Jones) সাম্প্রতিক সাহিত্যক উপৰোক্ত ভাগ চাৰিটাৰ শেহৰ দুটা প্রথম দুটাতে সন্নিবিষ্ট কৰি অধিকাৰ বিভাজন হ্রাস কৰে।

- অস্থিৰ দাবী অধিকাৰসমূহ কোনো এজন ব্যক্তিৰ পক্ষে প্ৰযোজ্য নহয়। ই সকলো ব্যক্তিৰে ক্ষেত্ৰত প্ৰযোজ্য। উদাহৰণস্বৰূপে যদি মোৰ খোড়াকী পত্ৰ (Ration card)ৰ জৰিয়তে খাদ্য সামগ্ৰী লাভ কৰাৰ সুবিধা দিয়া হয়, তেন্তে চৰকাৰী বিতৰণ ব্যৱস্থা কেন্দ্ৰৰ যোগেৰে সেই খাদ্য সামগ্ৰী লাভ কৰাৰ মোৰ স্থিৰ অধিকাৰ আছে।
- স্বাধীনতা অধিকাৰ কোনো এজন ব্যক্তিৰ কৰ্তব্যপূৰ্ণ কৰাৰ অধিকাৰ নহয়। ই কেতিয়াবা নকাৰাত্মক দিশ সূচায়। ই সদায় স্বাধীনতা ধাৰণাৰ লগত থাকে।
- দাৰ্শনিকসকলে (Thomas Pagge 1995) দাবী কৰে যে ব্যক্তিতকৈ অনুষ্ঠানৰ নৈতিক দায়িত্ববোধ থাকিব লাগে, কিয়নো আমাৰ অধিকাৰসমূহৰ উলংঘাৰ বাবে আমাৰ চৰকাৰ বা ইয়াৰ নীতিসমূহ দায়ী হয়।
- নৈতিক অধিকাৰ হিচাপে মানৱ অধিকাৰ হিচাপে প্ৰকৃতিৰ ক্ষেত্ৰত দুটা তত্ত্ব পোৱা যায়— "আমোদতত্ত্ব" আৰু "ইচ্ছাতত্ত্ব"।
- আমোদ তত্ত্বৰ বাবে মানৱ অধিকাৰৰ কৰ্ম হৈছে মানৱ আমোদক সেৱা কৰা। যিহেতু মানৱ জাতিৰ কিছুমান স্বাভাৱিক আমোদ বা ৰুচি থাকে, সেই ৰুচিবোৰক নিৰাপত্তা দিয়া বা অক্ষুণ্ণ ৰখাটো তেওঁলোকৰ অধিকাৰৰ অংশ।

৬.৭ অধিক জানিবলৈ

1. Patrick Hayden. (2001) *Philosophy of Human Right, Readings in Context.* Paragaon House Publishers.
2. Internal Encyclopedia of Philosophy - Human Rights.

৬.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্টটলৰ মতে, "প্ৰাকৃতিক ন্যায় হৈছে সেইটো যাৰ সকলোতে একে বৈধতা থাকে আৰু গ্ৰহণ কৰা নকৰাৰ ওপৰত নিৰ্ভৰ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ জাৰ্মি বেনথাম্ (Germy Bentham)

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জন ল'ক (John Locke)

৪ নং প্ৰশ্নৰ উত্তৰ ঃ স্বাধীনতা অধিকাৰ, দাবী অধিকাৰ, শক্তি অধিকাৰ, মুক্তি বা নিষ্কৃতি অধিকাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ স্থিৰ দাবী অধিকাৰ আৰু অস্থিৰ দাবী অধিকাৰ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ জনচে (Jones) দাবী অধিকাৰক দুটা ভাগত ভাগ কৰিছে। সেয়া হ'ল স্থিৰ আৰু অস্থীৰ দাবী অধিকাৰ। স্থিৰ দাবী অধিকাৰ হ'ল সেইবোৰ অধিকাৰ যিবোৰ কোনো বিশেষ ব্যক্তি বা অনুষ্ঠানৰ বিপক্ষে হয়। উদাহৰণস্বৰূপে, সুলভ মূল্যৰ দোকানত মই কিছুমান সামগ্ৰী বিচাৰিছো। ই এইটোকে সূচায় যে মোৰ চৰকাৰী বিতৰণ ব্যৱস্থা কেন্দ্ৰৰ পৰা মোৰ প্ৰয়োজনীয় সামগ্ৰী লোৱাৰ স্থিৰ অধিকাৰ আছে। মোৰ

অধিকাৰত থকাখিনি মোক দিবলৈ তেওঁলোক বাধ্য। আনহাতে, অস্থিৰ দাবী অধিকাৰ হ'ল সেইবোৰ অধিকাৰ যিবোৰ কোনো ব্যক্তিৰ বিপক্ষে নহয় কিন্তু সকলোৰে বিপক্ষে। উদাহৰণস্বৰূপে, মই এটা কলম কিনিছিলো আৰু এই কলমটোৰ ওপৰত মোৰ অধিকাৰ আছে। অর্থাৎ আন কোনোৱে এই কলমটো ল'ব নোৱাৰে। প্রত্যেকেই এই কলমটো নল'বৰ বাবে বাধ্য। ইয়াক অস্থিৰ দাবী অধিকাৰ বুলি ক'ব পাৰি।

৭ নং প্রশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰ পাঁচ ধৰণৰ— জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, ৰাজনৈতিক অংশগ্রহণৰ অধিকাৰ, আইনৰ বিধি সুৰক্ষা অধিকাৰ, মৌলিক, সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক দ্রব্যৰ অধিকাৰ।

৭ নং প্রশ্নৰ উত্তৰ ঃ এই মানৱ অধিকাৰৰ সেইটো অধিকাৰ যিটো সামাজিক আৰু জৈৱিক আমোদৰ লগত জড়িত, যিটো এটা সুস্থ জীৱনৰ বাবে আৱশ্যকীয়। এই তত্ত্বৰ পৃষ্ঠপোষকসকল হ'ল WLA Hart, Henry Shue and Alan Geairth.

৯ নং প্রশ্নৰ উত্তৰ ঃ এইটো মানৱ অধিকাৰৰ সেইটো তত্ত্ব যিটো যাক যুক্তিকৰণ কৰা হয় মানুহৰ ওপৰত আৰু মানুহৰ স্বাধীন হ'ব পৰা ক্ষমতাৰ ওপৰত। ই এইটোও সূচায় যে মানৱ অধিকাৰৰ বিষয়টো স্বাধীনতাৰ উপাদানৰ জৰিয়তে উনুকিয়াব পৰা যায়।

৬.৯ আৰ্হি প্রশ্ন

ক) **বস্তুধর্মী প্রশ্ন**

প্রশ্ন ১ ঃ মানৱ অধিকাৰ বুলিলে কি বুজে?

প্রশ্ন ২ ঃ বিধিগত অধিকাৰ কি?

প্রশ্ন ৩ ঃ প্রাকৃতিক অধিকাৰ কি?

প্রশ্ন ৪ ঃ নৈতিক আপেক্ষিকতাবাদ কাক বোলে?

প্রশ্ন ৫ ঃ ন্যায়িক প্রক্রিয়াৰ এজন পৃষ্ঠপোষকৰ নাম লিখক।

প্রশ্ন ৬ ঃ "The natural is that which has the same validity everywhere and does not depend on acceptance —কথাষাৰ কাৰ?

প্রশ্ন ৭ ঃ দাবী অধিকাৰ কি?

প্রশ্ন ৮ ঃ স্বাধীনতা অধিকাৰৰ সংজ্ঞা দিয়ক।

খ) **চুটি প্রশ্ন** (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রাকৃতিক অধিকাৰ আৰু বিধিগত অধিকাৰৰ মাজত বৈসাদৃশ্য নির্ণয় কৰক।

প্রশ্ন ২ ঃ প্রাকৃতিক অধিকাৰৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ নৈতিকতা উপযোগিতাবাদৰ চমুটোকা লিখক।

প্ৰশ্ন ৪ ঃ দাবী অধিকাৰ আৰু বিধিগত অধিকাৰৰ মাজত পাৰ্থক্য নিৰ্ণয় লিখক।

প্ৰশ্ন ৫ ঃ "আমোদতত্ত্ব"ৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ "ইচ্ছাতত্ত্ব" কি চমুকৈ লিখক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নৈতিকা উপযোগিতাবাদৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কৰ্তব্য আৰু অধিকাৰৰ মাজত সমন্ধ আছেনে? সপক্ষে কাৰণ দৰ্শাই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ মানৱ অধিকাৰ কাক বোলে? অধিকাৰৰ বিভিন্ন প্ৰকাৰসমূহ আলোচনা কৰক।

*** **** ***

অধ্যায় ৭ ঃ জীৱ-জন্তুৰ অধিকাৰ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ জীৱ-জন্তুৰ অধিকাৰ অর্থ আৰু সংজ্ঞা
৭.৪ জীৱ-জন্তুক অধিকাৰ প্রদানৰ ফলাফল
৭.৫ জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে থকা যুক্তি
৭.৬ জীৱ-জন্তুৰ অধিকাৰৰ বিপক্ষে থকা যুক্তি
৭.৭ নৈতিক সম্প্রদায়
৭.৮ উপান্ত লোকৰ সমস্যা
৭.৯ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৭.১০ অগ্রগতিৰ খতিয়ান
৭.১১ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অধিকাৰৰ অর্থ আৰু জীৱ-জন্তুৰ সৈতে ইয়াৰ সম্পর্কৰ বিষয়ে জানিব পাৰিব
- জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিবোৰৰ বিষয়ে জানিব পাৰিব
- জীৱ-জন্তুৰ প্রতি কোনবোৰ আচৰণ কৰাতো ভুল সেয়া জানিব পাৰিব
- নৈতিক সম্প্রদায়ৰ সদস্যসকলৰ জীৱনৰ মোল সম্পর্কেঅৱগত হ'ব
- জীৱ-জন্তুৰ নৈতিক প্রস্থিতি আছেনে নাই জানিব পাৰিব।

৭.২ পৰিচয়

১৯৭৫ চনৰ পৰা জীৱ-জন্তুৰ ব্যৱহাৰ বিষয়ক চিন্তা-চর্চাৰ আৰম্বণি হৈছিল। পিটাৰ চিংগাৰৰ গ্রন্থ ('Animal Liberation')-এ এনে চিন্তা-চর্চাৰ দুৱাৰ মুকলি কৰিছিল। চিংগাৰক জীৱ-জন্তুৰ অধিকাৰ আন্দোলনৰ জনক বুলি অভিহিত কৰা হয়। কিন্তু পৰিহাসৰ কথা এয়াই যে চিংগাৰৰ গ্রন্থখনত ক'তো জীৱ-জন্তুৰ দৰাচলতে অধিকাৰ আছেনে নাই সেই সম্পর্কীয় কোনো যুক্তি-তর্কৰ উল্লেখ নাই। পিটাৰ চিংগাৰে কেৱল বেন্থামৰ উপযোগিতাবাদী

দৃষ্টিভংগীটোৰ সম্প্রসাৰম ঘটাই মানুহৰ দ্বাৰা জীৱ-জন্তু কেনেদৰে ন্যায়নিষ্ঠতাৰে ব্যৱহাৰ কৰিব পৰা যায় সেই কথাটোৰ মূল্যায়ন কৰিছিল। উপযোগিতাবাদে মানুহক জীৱ-জন্তুৰ ন্যায়নিষ্ঠ ব্যৱহাৰ সম্পর্কে গভীৰভাৱে আলোচনা কৰি চোৱাৰ সুযোগ দিছিল। কিন্তু উপযোগিতাবাদী চিন্তাৰো কিছুমান স্পষ্ট সীমাৱদ্ধতা আছিল। জীৱ-জন্তুৰ জীৱনৰ এক বিশেষ অন্তর্নিহিত প্রমূল্য আৰু গৌণ ধাৰণা প্রজাতিবাদ (Speciesism) ৰ পৰাহে জীৱ-জন্তুৰ অধিকাৰ সম্পর্কীয় বিচাৰ-বিবেচনাবোৰে গা কৰি উঠিছিল।

৭.৩ জীৱ-জন্তুৰ অধিকাৰৰ অর্থ আৰু সংজ্ঞা

জীৱ-জন্তুৰ অধিকাৰৰ ধাৰণাটো কেনেদৰে সৃষ্টি হৈছিল তাৰ পম খেদাটোএটা অতি দুৰূহ কাম। একাংশৰ মতে ই এক প্রাকৃতিকভাৱে উদ্ভাৱ হোৱা ধাৰণা। নাগৰিক অধিকাৰ আৰু নাৰী অধিকাৰকেন্দ্রিক আন্দোলনবোৰৰে ই এক যুক্তিসংগত সম্প্রসাৰণ। আন একাংশৰ মতে ই প্রৱণতা প্রদর্শনৰ আন এক ব্যৱস্থাৰ বাহিৰে আন একো নুবুজায়। এনে প্রৱণতা প্রদর্শন বিশেষভাৱে আমেৰিকা যুক্তৰাষ্ট্রৰ ক্ষেত্রত প্রযোজ্য। দেশখনত পৰিৱর্তনৰ সকলো দাবীকেই অধিকাৰৰ ভাষাত উত্থাপন কৰা হয়। কিন্তু জীৱ-জন্তুৰ নৈতিক প্রস্থিতি বিষয়ক এক সংবেদনশীল বিকল্প অৱস্থান বিকশাই তুলিবলৈ আমি আমাৰ নৈতিক বিশ্বাস ব্যৱস্থাটোৰ ভেটি পৰীক্ষা কৰি চোৱাতো আৱশ্যক।

সকলো মানুহেই সমান বুলি প্রচলতি সমতাৰ মৌলিক নীতিটোক সকলোৰে স্বার্থৰ সম-অনুকূল নীতিবুলি ধৰি লোৱা উচিত। এনেধৰণৰ এটা মৌলিক নৈতিক নীতিয়েহে প্রকৃতার্থত সমতাৰ স্বৰূপ ধৰি ৰাখিব পাৰিব আৰু বিভিন্ন প্রভেদ থকা সত্ত্বেও সকলো মানুহকে সমান বুলি সামৰি ল'ব পাৰিব। নিজস্ব প্রজাতিৰ সকলোৰে সৈতে থকা আমাৰ সম্পর্কৰ এক সুস্থ নৈতিক আধাৰ হিচাপে এই সমতাৰ নীতিটো গ্রহণ কৰা মানেই এই একেটা নৈতিক আধাৰকে আমাৰ প্রজাতিৰ বাহিৰৰ জীৱনজগতৰ সৈতে থকা সম্পর্কৰভেটি বুলিও গ্রহণ কৰিবলৈ আমি দায়ৱদ্ধ। আমাৰ প্রজাতিৰ বাহিৰৰ বুলি কওঁতে মানুহৰ শ্রেণীত নপৰা আন সকলো প্রাণীৰ কথা বুজোৱা হৈছে। জীৱ-জন্তুৰে আমাৰ পৰা কিছুমান সুবিবেচনাপূর্ণ আচৰণ পোৱা উচিত। যেনে- আমি জীৱ-জন্তুৰ স্বার্থত কি কৰাটো সবাতোকৈ ভাল হ'ব সেয়া বিবেচনা কৰি চোৱা উচিত। এনে বিবেচনাৰ সময়ত জীৱ-জন্তুবোৰ মানুহৰ বাবে উপকাৰী হয়নে নহয় অথবা আন কোনোবা ব্যক্তিয়ে জীৱ জন্তুবোৰৰ কথা ভাবেনে নাই সেয়া মনলৈ আনিব নালাগিব। ইয়াৰ অর্থ হ'ল জীৱ-জন্তুক খাদ্য, পোছাক, মনোৰঞ্জন অথবা সম্পৰীক্ষাৰ বাবে মানুহৰ সম্পত্তি বুলি ব্যৱহাৰ কৰাটো বাদ দিব লাগিব।

বিশ্বত দেখা দিয়া সবাতোকৈ গুৰুত্বপূর্ণ নৈতিক আৰু ৰাজনৈতিক সমস্যাবোৰৰ ভিতৰত জীৱ-জন্তুৰ নৈতিক প্রস্থিতি নির্ধাৰণৰ সমস্যাটোও এটা। জীৱ-জন্তুৰ প্রতি আমি মানুহক প্রদর্শন কৰাৰ দৰে একে আচৰণেই প্রদর্শন কৰা উচিতনে? মানুহৰ শ্রেণীত নপৰা অন্য জীৱ-জন্তুৰো গুৰুতৰ অথবা সম্পূর্ণ নৈতিক প্রস্থিতি থাকেনে? যদি থাকে / নাথাকে, কিয়? কিছুমান সাধাৰণ আৰু প্রাসংগিক প্রভেদ নাথাকিলে নৈতিকতাই সমতা স্থাপন কৰে। এই প্রভেদবোৰৰ বাবে আচৰণ ক্ষেত্রত যুক্তিসংগত ভিন্নতা প্রদর্শন কৰা হ'ব পাৰে। প্রায় সকলোবোৰ গুৰুত্বপূর্ণ বৈশিষ্ট্যৰে মানুহ আৰু আন জীৱ-জন্তু একেই। যেনে— মানুহৰ দৰে অন্য জীৱ-জন্তুবোৰো জীৱিত, সিহঁতেও যন্ত্রণা ভোগে, কিছুমান জীৱ-জন্তুই চিন্তা কৰিব পাৰে বুলিও ভবা হয় আৰু কিছুমান জীৱ-জন্তুই আৱেগ প্রদর্শণ কৰে। সেয়েহে আমি খাদ্য, সামগ্রী, জৈৱ-চিকিৎসাবিদ্যাৰ সম্পৰীক্ষাৰ আহিলা অথবা ছালৰ বাবে স্বীকৃত প্রথা হিচাপে

ব্যৱহাৰ তথা হত্যা কৰি অহা মানুহৰ শ্ৰেণীত নপৰা জীৱ-জন্তুবোৰৰ প্ৰতি দৰাচলতে কেনে আচৰণ প্ৰদৰ্শন কৰা উচিত বুলি এটা প্ৰাসংগিক প্ৰশ্ন উত্থাপিত হ'ব পাৰে। অধিকাংশ দাৰ্শনিক আৰু বিজ্ঞানীয়ে এই কথাও একমত পোষণ কৰে যে কেৱল আনন্দ-ফূৰ্তিৰ নামত কোনো স্তন্যপায়ী প্ৰাণী অথবা চৰাইক অত্যাচাৰ অথবা হত্যা কৰাটো ভুল। ইয়াত জীৱ-জন্তুবোৰৰ নৈতিক প্ৰস্থিতি কি সেই প্ৰশ্নটো নুঠে। এইক্ষেত্ৰত কেৱল জীৱ-জন্তুবোৰ কিমানখিনি প্ৰস্থিতিৰ গৰাকী আৰু কিয় সেই প্ৰশ্ন দুটাৰহে উদয় হয়।

প্ৰতিটো সচেতন সত্ত্বাৰে নিজস্ব স্বাৰ্থ থাকে আৰু এই স্বাৰ্থবোৰক সকলোৱে সন্মান জনোৱা উচিত। কোনো সচেতন আৰু জীৱিত সত্ত্বাকে বস্তুলৈ অৱনমিত কৰা অনুমতি অথবা এনে সত্ত্বাৰ ওপৰত আধিপত্য খটুৱাব নালাগে অথবা সম্পদ নাইবা পণ্যদ্ৰব্যৰ দৰে ব্যৱহাৰ কৰিব নালাগে।

জীৱ-জন্তুৰ অধিকাৰ বুলি জনাজাত ধাৰণাটোৰ মূল অংশটো হ'ল এটা আন্দোলন। এই আন্দোলনৰ জৰিয়তে সকলোবোৰ সচেতন সত্ত্বালৈ নৈতিকভাৱে সুবিবেচনাপূৰ্ণ আচৰণ সম্প্ৰসাৰিত কৰিব খোজা হৈছে। অন্য জীৱ-জন্তুৰ মাংসৰে তৈয়াৰী খাদ্য সামগ্ৰী গ্ৰহণ কৰা বাদ দি, চাকাৰ্চ বৰ্জন কৰি, কুকুৰ-মেকুৰী পোহা অথবা কিনা বাদ দি আমি জীৱ-জন্তুৰ অধিকাৰৰ ধাৰণাটো আগবঢ়াই নিব পাৰোঁ। এই কামবোৰৰ জৰিয়তে আৰু শ্ৰেণীবিভাজন অথবা নাম নিৰ্বিশেষে সকলোবোৰল জীৱ-জন্তুকে প্ৰাপ্য সন্মান প্ৰদৰ্শন কৰি জীৱ-জন্তুক অধিকাৰ প্ৰদানৰ উদ্দেশ্যটো ফলৱতী কৰি তুলিব পাৰোঁ।

এটা জীৱৰ নৈতিক দাবী হ'ল নৈতিক অধিকাৰৰ সমতুল। সেয়েহে সকলো জীৱৰে অন্তৰ্হিত মোলক আওকাণ কৰা এনে যিকোনো কাৰ্যক, যিটোৱে জীৱটোৰ অধিকাৰ উলংঘা কৰে নৈতিকভাৱে আপত্তিজনক বুলি গণ্য কৰা উচিত। জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে মাত মতা সকলৰ স্থিতি অনুসৰি মানুহৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ এক উপায় হিচাপে জীৱ-জন্তু ব্যৱহাৰ কৰাটো হ'ল জীৱ-জন্তুৰ অধিকাৰ উলংঘনকাৰী কাৰ্য। বহুতো মানুহে খাদ্যৰ নানত অথবা সম্পৰীক্ষা চলোৱাৰ নামত জীৱ-জন্তু ব্যৱহাৰ কৰা কাৰ্যক জীৱ জন্তুৰ অধিকাৰ উলংঘাকাৰী কাৰ্য বুলি ক'ব পাৰি। জীৱ জন্তুৰ অধিকাৰৰ সপক্ষে লোৱা স্থিতি হ'ল কে চৰমত্ববাদী স্থিতি (absolutist position)। জীৱন থকা সকলো সত্ত্বাৰে অন্তৰ্নিহিত মোল আছে। সকলো সত্ত্বাৰে এই মোল সুৰক্ষিত ৰখাৰ অধিকাৰ আছে। অৰ্থাৎ, জীৱনধাৰী সকলো সত্ত্বাই সমানে এই অধিকাৰ অনুশীলন কৰিব পাৰে। সেয়েহে, মানৱীয় প্ৰয়োজন, পটভূমি অথবা সংস্কৃতিৰ দোহাই দি জীৱ-জন্তুৰ অধিকাৰক সন্মান নজনোৱা যিকোনো অনুশীলনেই ভুল।

অতীতত জীৱ-জন্তুৰ অধিকাৰৰ ধাৰণাটো মহিলাৰ অধিকাৰক হাস্য-ব্যংগ ৰূপত উপস্থাপন কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছেল। পূৰ্বৱৰ্তী যুগৰ বাটকটীয়া নাৰীবাদী মেৰী ওলষ্টোনক্ৰাফ্ট ১৭৯২ চনত প্ৰকাশ কৰা গ্ৰন্থ 'Vindication of the Rights of Woman' ত ধাৰণাটো আলোচনা কৰিছিল। কিন্তু হাস্য-ব্যংগ ৰূপত কৰা আলোচনাৰ বাবে তেতিয়াৰ সমাজখনে তেওঁৰ ধাৰণাক তিৰস্কাৰ বুলি গণ্য কৰিছিল।

লেখক /লেখিকাৰ নাম গোপনে ৰখা 'A Vindication of the Rights of Brutes' নামৰ গ্ৰন্থখনত লেখক /লেখিকাই ওলষ্টোনক্ৰাফ্টৰ যুক্তিবোৰক জীৱ-জন্তুৰ কোৰ্হাল বুলি তিৰস্কাৰ কৰিছিল আৰু এই কোৰ্হালৰ স্বৰ তীব্ৰতৰ হোৱা উচিত বুলি কৈছিল। যদি নাৰীয়ে মাত মাতিব পাৰে, তেন্তে একেটা কথাই কুকুৰ, মেকুৰী আৰু ঘোঁৰাৰ ক্ষেত্ৰতো প্ৰযোজ্য কিয় নহ'ব বুলি ব্যংগ কৰা হৈছিল। এই কোৰ্হালে সকলো 'জন্তু' ()ৰ সমান ইচ্ছা প্ৰতিফলিত কৰিছে বুলি কোৱা হৈছিল যদিও জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে মাত মতা কথাটোক তিৰস্কাৰ বুলি গণ্য কৰা হৈছিল। এই পৰস্পৰ বিৰোধী যুক্তিৰ বাবেই বিষয়টোক লৈ অধিক চিন্তা-চৰ্চাৰ পৰিৱেশ গঢ় লৈ উঠিছিল।

৭.৪ জীৱ-জন্তুক অধিকাৰ প্ৰদানৰ ফলাফল

জীৱ-জন্তুৰ অধিকাৰ বিষয়ক ধাৰণাটোৱে আমাক ইয়াকে শিকায় যে কিছুমান কথা নীতিগতভাৱে ভুল। জীৱ-জন্তুক লৈ যিমানেই মানৱীয় পন্থাৱে কিছুমান কাম কৰা নহওক কিয়, সেইবোৰ নৈতিকভাৱে ভুল কাম হ'ব পাৰে। জীৱ-জন্তুৰ অধিকাৰ মানি ল'লে তলৰ কথাবোৰো মানি চলিব লাগিব।

১) জীৱ-জন্তুৰ ওপৰত সকলো ধৰণৰ পৰীক্ষা চলোৱা বন্ধ প্ৰজাতিবাদৰ স্পষ্ট উদাহৰণ দেখা পোৱা ক্ষেত্ৰখন হ'ল

বিভিন্ন পৰীক্ষাগাৰ য'ত জীৱ-জন্তুৰ ওপৰত নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলে। পৰীক্ষাগাৰবোৰত তিনিটা প্ৰধান কাৰণত জীৱ-জন্তু ব্যৱহাৰ কৰা হয়— শৈক্ষিক কাৰণ, সামগ্ৰীৰ সুৰক্ষাৰ মাত্ৰা পৰীক্ষা আৰু বিশেষভাৱে চিকিৎসা বিজ্ঞানৰ গৱেষণা বিষয়ক সম্পৰীক্ষা । বিষয়টো সিমান সন্তুষ্টিদায়ক নহয়। পৰীক্ষকসকলে প্ৰায়েই জীৱ-জন্তুৰ ওপৰত চলোৱা সম্পৰীক্ষাবোৰ যুক্তিসংগত বুলি ক'ব খোজে। তেওঁ লোকে দাবী কৰে যে এনে সম্পৰীক্ষাবোৰে তেওঁলোকক মানুহৰ বিষয়ে নতুন কথা আৱিষ্কাৰত সহায় কৰে। যদি কথাটো তেনেকুৱাই তেন্তে সংকটৰ দিশেৰে মানুহ আৰু মানুহৰ শাৰীত নপৰা অন্য জীৱ-জন্তুবোৰ একে অভিজ্ঞতাৰ সন্মুখীন হ'ব। কেতিয়াবা মানুহে এই ভাৱ প্ৰকাশ কৰে যে জীৱ-জন্তুৰ ওপৰত চলোৱা সম্পৰীক্ষাবোৰ চিকিৎসা শাস্ত্ৰৰ দিশেৰে গুৰুত্বপূৰ্ণ। এনে পৰীক্ষাৰ দ্বাৰা

সৃষ্ট কষ্টতকৈ সেই কষ্টৰ উপশম ঘটোৱা পদ্ধতিবোৰো উদ্ভাৱন কৰিব পৰা যায় বুলি এনে সম্পৰীক্ষাক নায্যতা প্ৰদান কৰাৰ চেষ্টা চলোৱা হয়। কিন্তু মনক ভালৰি লগোৱা এনে বিশ্বাসৰ ভেটি মিঠা। জীৱ-জন্তুৰ স্বাধীনতাৰ হকে চলা বিভিন্ন আন্দোলনৰ হেচাত বহুতো প্ৰসাধন সামগ্ৰী নিৰ্মাতা কোম্পানীয়ে এনে সম্পৰীক্ষা বাদ দিবলৈ বাধ্য হৈছে। অৰ্থাৎ, চৰম অধিকাৰত বিশ্বাস কৰাসকলে এইবুলি ক'ব পাৰে যে অন্যৰ লাভালাভৰ বাবে মানুহেই হওক অথবা জীৱ-জন্তুৰেই হওক অন্য কৰোবাক বলি দিয়াটো সদায়েই এক ভুল কাম। সেয়েহে কোনো কাৰণতে এনে সম্পৰীক্ষা চলোৱাটো অনুচিত।

২) খাদ্য অথবা বস্ত্ৰৰ বাবে জীৱ-জন্তু পোহা আৰু হত্যা কৰা বন্ধ

খাদ্যৰ হিচাপে জীৱ-জন্তু পোহা আৰু হত্যা কৰাটো হয়তো পৃথিৱীৰ প্ৰাচীনতম আৰু বহুল প্ৰচলিত জীৱ-জন্তু ব্যৱহাৰৰ উদাহৰণ। এই আচৰণৰ আঁৰত এটা বোধে ক্ৰিয়া কৰে। মানুহৰ মনত এই বিশ্বাস গভীৰভাৱে প্ৰোথিত যে জীৱ-জন্তুই আমাক সন্তুষ্টি দিবৰ বাবে আৰু আমাৰ সুবিধা হোৱা কামত সহায় কৰাৰ বাবে জীয়াই থাকে। খাদ্য হিচাপে ব্যৱহাৰ কৰা জীৱ-জন্তুবোৰক অতি দুদৰ্শাপূৰ্ণ অৱস্থাত ৰখা হয় যাতে একেবাৰে কম দামত মানুহে সহজে কিনিবলৈ পায়। জীৱ-জন্তু পোহা বিস্তৃত পাম উদ্যোগত আজিকালি আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। কিন্তু এনে ব্যৱহাৰৰ আঁৰত থকা মানুহৰ মানসিকতাটো হ'ল জীৱ-জন্তু আমাৰ ব্যৱহাৰৰ বস্তু। সস্তাত মাংস কিনি খোৱাৰ মানৱীয় প্ৰৱণতাটোৰ বাবে মানৱ সমাজে মাংস উৎপাদনৰ অমানৱীয় পদ্ধতিবোৰ সহ্য কৰে। এনে পদ্ধতিত জীৱিত প্ৰাণী এটাক আমৃত্যু অনুপযুক্ত দুদশচ্ছাজনক পৰিস্থিতিত বন্ধ কৰি ৰখা হয়। জীৱ-জন্তুক দানা খাদ্যলৈ সলনি কৰা যন্ত্ৰৰ ৰূপত চোৱা হয়। এই ৰূপান্তৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰা যিকোনো উদ্ভাৱনীমূলক কাৰ্যকে মানৱ

সমাজে গ্ৰহণ কৰাৰ সম্ভাৱনা থাকে। প্ৰজাতিবাদ এৰাই চলিবলৈ আমি এই অনুশীলন বাদ দিব লাগিব। আমাৰ সামাজিক পৰম্পৰাই উদ্যোগৰ ৰূপ লোৱা উৎপাদন নিয়ন্ত্ৰণকাৰীসকলৰ প্ৰয়োজনীয়তাহে পূৰণ কৰি আহিছে। উদ্যোগ পাম পদ্ধতিৰে উৎপাদিত বুলি জনা সকলো মাংস খোৱাটো মানুহে বাদ দিয়া উচিত। মুকলি পৰিৱেশত থকা জীৱ-জন্তুৰ দশা উদ্যোগ পামৰ জীৱ-জন্তুতকৈ উন্নত। কিন্তু কোনো কাৰণতে মানুহৰ নিজৰ পৰিতৃপ্তিৰ বাবে অন্য জীৱ-জন্তুৰ জীৱন কাঢ়ি লোৱাৰ অধিকাৰ নাই।

৩) জীৱ-জন্তুৰ দ্বাৰা কঠোৰ শ্ৰম কৰোৱাটো বন্ধ

জীৱ-জন্তুৰ ব্যৱহাৰৰ আন এক উদাহৰণ হ'ল সিহঁতক কঠোৰ পৰিশ্ৰম কৰিবলৈ বাধ্য কৰোৱাটো। বেছিভাগ জীৱ-জন্তুকে যাতায়তৰ উপায়, পৰিবহনৰ উপায়, হালবোৱা ইত্যাদি কামত ব্যৱহাৰ কৰা হয়। কিছুমান কুকুৰক আৰক্ষী বিভাগে প্ৰশিক্ষণ দিয়ে আৰু আন কিছুমান জীৱ-জন্তুক দিক্ নিৰ্দেশকৰ প্ৰশিক্ষণ দিয়া হয়। বহুতো স্থানত ঘোঁৰাক পৰিবহনৰ মাধ্যম আৰু পৰ্যটক আকৰ্ষণকাৰী আহিলাৰূপে ব্যৱহাৰ কৰা হয়। ই হ'ল অন্য ঘৰচীয়া জন্তুক কৰাৰ দৰে একে শোষণৰ উদাহৰণ। মানুহৰ শাৰীত নপৰা জীৱ-জন্তুক কৰিবলৈ দিয়া অধিকাংশ কামেই কঠোৰ। এনে কামে শৰীৰক বেদনা দিয়ে। এনে কাম-কাজে জীৱ-জন্তুক ভাৰাক্ৰান্ত আৰু অসুখী কৰে। আমাৰ শ্ৰম প্ৰমূল্যই আমাক পৃথিৱীখনত বাস কৰা সকলো জীৱ-জন্তুক মানৱীয় আৰু কৰুণাপূৰ্ণ আচৰণ প্ৰদৰ্শনকৰাটো নৈতিক কৰ্তব্য বুলি সঁকিয়াই দিয়ে। বৃটেইনৰ অন্তিমখন লেবাৰ পাটিৰ চৰকাৰে জীৱ-জন্তুৰ ওপৰত চলা নিৰ্দয় আচৰণ ৰোধ কৰাত আৰু সিহঁতৰ অপ্ৰয়োজনীয় কষ্টৰ ওৰ পেলোৱাত কিছুদূৰ সফল হৈছিল। 2006 চনত প্ৰণয়ন কৰা জীৱ-জন্তুৰ কল্যাণ আইনৰ দ্বাৰা কুকুৰ আৰু অন্য জীৱ-জন্তুক চিকাৰত ব্যৱহাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

৪) জীৱ-জন্তুৰ চিকাৰ কৰিব পৰা নাযাব

চিকাৰৰ বাবে সমগ্ৰ বিশ্বতে বহুতো জীৱ-জন্তু বিলুপ্ত হৈ গৈছে। বহুতো জীৱ-জন্তুৱে চিকাৰত আঘাতপ্ৰাপ্ত হ'লে দীঘলীয়া যন্ত্ৰণাৰে যুঁজি মৃত্যুমুখত পৰে। মানুহে ৰোমাঞ্চকৰ অভিজ্ঞতা লাভৰ বাবে জীৱ-জন্তুৰ চিকাৰ কৰি আহিছে। এই কথাই পৰিপাৰ্শ্বিকৰ কিমান ক্ষতি কৰিছে সেয়া মানুহে এতিয়াই বুজা নাই। কিন্তু মানুহৰ ভালৰ বাবেই পাৰিপাৰ্শ্বিকৰ সমতা বৰ্তি থকাটো প্ৰয়োজনীয়। ইংলেণ্ড আৰু ৱেলচ্ সামৰি লোৱা চিকাৰ আইন অনুসৰি কুকুৰৰ সহায়ত চিকাৰ কৰা ব্যক্তিক অপৰাধী বুলি গণ্য কৰা হ'ব। তেওঁৰ চিকাৰৰ আঁৰৰ কাৰণটো যদি অপৰাধৰ তালিকাত নপৰে তেতিয়াহে তেওঁক অভিযুক্ত কৰা নহয়। অপৰাধৰ তালিকাত নপৰা চিকাৰৰ সংজ্ঞা অনুসৰি আন কোনো জন্তুক সৰ্বাধিক দুটা কুকুৰ ব্যৱহাৰ কৰি ঘেৰাও কৰা অথবা দৃষ্টিগোচৰ হোৱা স্থানলৈ উলিয়াই অনা। ইয়াত বেষ্টনী ভেদি পলাবলৈ লোৱা স্তন্যপায়ী জীৱটোক গুলিয়াই ঘূণীয়া কৰাৰ অভিপ্ৰায় থাকিব পাৰে। জীৱ-জন্তুৰ অধিকাৰ অনুসৰি বাটে-পথে ঘূৰি ফুৰা জীৱ-জন্তুকে ধৰি সকলো ধৰণৰ জীৱ-জন্তুৰ হত্যা অথবা পঙ্গু কৰাটো শাস্তি পাবলগীয়া অপৰাধ।

৫) মনোৰঞ্জনৰ বাবে জীৱ-জন্তুৰ ব্যৱহাৰ নচলিব

জীৱ-জন্তুৰ অধিকাৰ অনুসৰি চিৰিয়াখানাত জীৱ-জন্তু ৰখা আৰু সিহঁতক মনোৰঞ্জনৰ বাবে ব্যৱহাৰ কৰাটো নৈতিকভাৱে ভুল কাৰ্য। ইয়াৰ দ্বাৰা মানুহৰ নিজ স্বাৰ্থ সিদ্ধিৰ বাবে জীৱ-জন্তুক ব্যৱহাৰ কৰাটোকে বুজোৱা হয়। জীৱ-জন্তুক উচিত সন্মান সহকাৰে যোগ্য আচৰণ নকৰাটো ভুল। ইয়াৰ উপৰি চিৰিয়াখানাত ৰাখি জীৱ

জন্তুবোৰৰ স্বাধীনভাৱে বিচৰণ কৰাৰ অধিকাৰ উলংঘা কৰা হয়।

৭.৫ জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে থকা যুক্তি

জীৱ জন্তুৰ অধিকাৰৰ সপক্ষে মাত মতা যুক্তিবোৰৰ উৎস হ'ল মানৱ অধিকাৰ। ইয়াৰ দ্বাৰা এই কথাটোৱেই স্পষ্ট হয় যে জীৱ-জন্তুৰ অধিকাৰক লৈ চলা আন্দোলনবোৰ মূলতঃ মানৱ অধিকাৰ আন্দোলনবোৰৰেই এটা অংশ। এই আন্দোলন মানৱ অধিকাৰ আন্দোলনৰ পৰিপন্থী নহয়। যিটো তত্ত্বৰ সহায়ত জীৱ-জন্তুৰ অধিকাৰ সাব্যস্ত কৰাৰ কথা কোৱা হৈছে সেই একেটা তত্ত্ব মানৱ অধিকাৰবো ভেটি। সেয়েহে, জীৱ-জন্তু আৰু মানুহৰ অধিকাৰৰ সপক্ষে মাত মাতি থকাসকলে এক উমৈহতীয়া সংঘর্ষত অংশ লৈ আছে। মানৱ অধিকাৰ বোলোতে ইয়াত বিশেষকৈ মহিলা, সংখ্যালঘু সম্প্রদায় আৰু শ্রমিক শ্রেণীৰ অধিকাৰৰ হকে চলা আন্দোলনবোৰৰ কথা উল্লেখ কৰিব পাৰি। জীৱ-জন্তুৰ অধিকাৰ বিচাৰি চলা আন্দোলনবোৰৰ নৈতিক ভেটিটো মানৱ অধিকাৰ আন্দোলনৰ সৈতে একে। জীৱ-জন্তুৰ বাবে আন্দোলন কৰাসকলে তলৰ যুক্তিবোৰ আগবঢ়ায়ঃ

- মানুহ আৰু জীৱ-জন্তুৰ জৈৱিক জটিলতাবোৰৰ স্তৰ একে। দুখ-যন্ত্রণা সকলোৰে এক। যদি মানুহক আঘাত কৰা কোনো কার্য ভুল, তেন্তে সেই একেটা কার্যই জীৱ-জন্তুক কৰা আঘাত আৰু সেই আঘাতে সৃষ্টি কৰা যন্ত্রণা কোনো কাৰণতে আওকাণ অথবা খাৰিজ কৰিব নোৱাৰি।
- মানুহৰ দৰে জীৱ-জন্তুও নিজৰ অস্তিত্ব সম্পর্কে সজাগ আৰু সচেতন। অধ্যয়নৰ পৰা গম পোৱা গৈছে যে কেৱল মানুহৰেই সচেতনতা সৃষ্টি কৰিব পৰা স্নায়বিক শক্তি নাই। মানুহৰ শাৰীত নপৰা সকলো স্তন্যপায়ী প্রাণী আৰু চৰাইৰ লগতে আন বহুতো প্রাণীৰ স্নায়ুতন্ত্র আছে।
- মানুহ দৰে জীৱ-জন্তুৰো অগ্রাধিকাৰৰ ভিত্তিত পচন্দ-অপচন্দ প্রদর্শন কৰে আৰু সচেতনভাৱে বাছনি কৰিব পাৰে।
- মানুহে জীৱনৰ উৎকৃষ্টতা উপভোগ কৰিব পৰা ধৰণে জীৱন যাপন কৰে। ঠিক একেদৰে, জীৱ-জন্তুৰেও সর্বোত্তম আশ্রয় স্থলৰ সন্ধান কৰে আৰু নিজৰ বাবে সর্বোত্তম খাদ্য খায়।

অন্তর্নিহিত প্রমূল্য থকা সকলো জীৱিত সত্ত্বাই সমানে মূল্যৱান আৰু সকলোৰে সমান্ন অধিকাৰ আছে। পৃথিৱীৰ কাৰণে কোন কিমান উপযোগী আৰু কোন কাৰ ওপৰত বোজা হৈ জীয়াই আছে-অন্তর্নিহিত প্রমূল্যৰ এইবোৰ কথাৰ সৈতে কোনো সম্পর্ক নাই। সেয়েহে মানুহ আৰু জীৱ জন্তুৰ অধিকাৰ সকলো দিশেৰে সমান। সকলো প্রয়োজনীয় দিশেৰে শৰীৰবিজ্ঞানৰ দৃষ্টিৰে মানুহ আৰু জীৱ-জন্তু সদৃশ। চার্লচ ডাৰউইনে 'মানুহ আৰু তলখাপত জীৱ-জন্তুৰ মানসিক শক্তি'ৰ তুলনা কৰিছিল। মগজু অথবা ৰাজহাড়ত পোৱা আঘাতে মানুহৰ দৃষ্টিশক্তি অথবা স্পর্শশক্তি নাইকিয়া কৰিব পাৰে। সাদৃশ্য নীতি প্রয়োগ কৰি ডাৰউইনে এই চিন্তা ব্যক্ত কৰিছে যে একেটা কথা জীৱ-জন্তুৰ ক্ষেত্রতো প্রযোজ্য হ'ব বুলি ভবাটো যুক্তিসংগত হ'ব। কাৰণ মানুহ আৰু অন্য জীৱ-জন্তুৰ শাৰীৰিক সংৰচনা একে। মানুহৰ কেন্দ্রীয় স্নায়ু প্রণালীয়ে মানুহক পৃথিৱীখন সম্পর্কে বিষয়নিষ্ঠ সচেতনতাৰ ভৌতিক আধাৰটো গঢ়ি দিয়ে। কিন্তু এই স্নায়ু প্রণালীটো সকলোবোৰ প্রাসংগিক দিশেৰে প্রায় আটাইবোৰ স্তন্যপায়ী প্রাণীৰে থাকে। সেয়হে এই প্রাণীবোৰৰো একোটা বিষয়নিষ্ঠ সচেতনতা আছে বুলি ভবাটো যুক্তিসংগত হ'ব।

সাধাৰণ জ্ঞানৰ অধিকাৰী সকলো লোকেই ডাৰউইনৰ সৈতে সহমত পোষণ কৰে। কুকুৰ-গাহৰি আদিয়ে কিছুমান কথাত আনন্দ পায় আৰু কিছুমান কথাত বেদনা অনুভৱ কৰে। ইয়াৰ উপৰি, মানুহ আৰু অন্য স্তন্যপায়ী জীৱৰ প্ৰজ্ঞাত্মক সামৰ্থ তথা আৱেগৰ ভিন্নতা প্ৰকাশক বৈশিষ্ট্যবোৰৰ সমষ্টিৰ মাজত সাদৃশ্য আছে (ডাৰউইনৰ মতে মানুহ আৰু অন্য জীৱই ভয়, ঈৰ্ষা আৰু বিষণ্ণতা প্ৰকাশ কৰে)। এই মানসিক সামৰ্থবোৰে মানুহ তথা জীৱ-জন্তুৰ আচৰণক প্ৰভাৱিত কৰে। পাৰ্থক্য মাত্ৰ এয়াই যে জীৱ-জন্তুবোৰে কেৱল সেইটো আচৰণহে মনত ৰাখে আৰু বাৰে বাৰে প্ৰদৰ্শন কৰে যিটো আচৰণ সিহঁতে ভয় খোৱা অথবা দুখ পোৱাৰ সময়ত প্ৰদৰ্শন কৰোঁতে সবাতোকৈ উত্তম ফলাফল লাভ কৰিছিল।

জীৱ-জন্তুৰ মনোবৈজ্ঞানিক জাটিলতাবোৰৰ বাবেও সিহঁতৰ অধিকাৰৰ সৈতে মাত মতা সকলে যুক্তি প্ৰদৰ্শন কৰি আহিছে। জীৱ-জন্তুৰো একোটা জীৱন আছে। এই জীৱন অভিজ্ঞতাৰ দিশেৰে অন্যৰ জীৱনতকৈ উন্নত অথবা শোচনীয় হ'ব পাৰে। কিন্তু প্ৰতিটো জীৱনেই অনন্য আৰু ইয়াক আন কোনো বস্তুৰে সলনি কৰিব নোৱাৰি। জীৱনৰ দৃষ্টিৰে মানুহ আৰু জীৱ-জন্তু সমান। আমাৰ সাদৃশ্য আৰু সমানতা নৈতিক তথা যুক্তিসংগত দিশেৰে গুৰুত্বপূৰ্ণ। আমি নৈতিকতাৰ দিশেৰে এয়া ক'ব নোৱাৰো যে মানুহক অপকাৰ কৰা কথাবোৰহে ভুল আৰু জীৱ-জন্তুৰ অপকাৰ কৰা কথাবোৰ গুৰুত্বহীন। যিবোৰ কথাৰ আপেক্ষিক সাদৃশ্য থাকে সেইবোৰ কথাসমদৃষ্টিৰে বিচাৰ কৰি চোৱা উচিত।

বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ বাবে জীৱ-জন্তু ব্যৱহাৰ কৰাটোৰ বিৰোধিতা কৰি অধিকাৰৰসমৰ্থকসকলে নিমূৰ্লতাবাদীৰ ভূমিকা গ্ৰহণ কৰিছে। পৰীক্ষাগাৰত ৰখা জীৱ-জন্তুবোৰে মানুহৰ হৈ কোনো কথা পৰীক্ষা কৰি চাব নোৱাৰে। মানুহ এনে জীৱ-জন্তুৰ গৰাকী নহয়। এনে জীৱ জন্তুবোৰ প্ৰায় নিয়মীয়া আৰু প্ৰণালীৱদ্ধভাৱে ব্যৱহাৰ কৰাটোলৈ চাই এনে লাগে যেন ইয়াৰ দ্বাৰা সিহঁতৰ উপকাৰিতাৰ মূল্য লাহে লাহে যেন ইয়াৰ দ্বাৰা সিহঁতৰ উপকাৰিতাৰ মূল্য লাহে লাহে হ্ৰাস কৰা হয়, সিহঁতৰ প্ৰতি থকা সন্মান লাঘৱ হৈ আহে আৰু সিহঁতৰ অধিকাৰৰ উলংঘন ঘটে। এই কথা সৰু-বৰ সকলো ধৰণৰ গৱেষণাৰ ক্ষেত্ৰত প্ৰযোজ্য। কিন্তু যি কাৰণতে জীৱ-জন্তু পৰীক্ষাগাৰত ব্যৱহাৰ কৰা নহওক কিয়, ইয়াৰ অভিপ্ৰায় এটাই। মানুহৰ লাভালাভ নিৰ্ণয়। একেবোৰ কাৰণত যদি মানুহৰ জীৱন কাঢ়ি লোৱা অথবা মানুহৰ অপকাৰ কৰাটো যদি ন্যায়সংগত নহয়, তেন্তে গৱেষণাগাৰত থকা এন্দুৰ এটাৰ ক্ষেত্ৰত কথাটো কেনেদৰে ন্যায়সংগত হ'ব পাৰেঙ্গ এনে কাৰ্যৰ সংশোধনী ঘটোৱা অথবা এনে জীৱ-জন্তুৰ যন্ত্ৰণা লাঘৱ কৰা মানে আহল-বহল, পৰিষ্কাৰ পিঞ্জৰা ব্যৱহাৰ কৰা অথবা যথেষ্ট পৰিমাণে এনেস্থেচিয়া প্ৰয়োগ কৰা অথবা একাধিক অস্ত্ৰোপচাৰৰ ব্যৱস্থা নাইকিয়া কৰাটো নুবুজায়। সংশোধনী ঘটোৱা মানে হ'ল এনে বৈজ্ঞানিক পৰীক্ষাত জীৱ-জন্তুৰ ব্যৱহাৰ সম্পূৰ্ণ বন্ধ কৰা।

ব্যৱসায়ভিত্তিক জীৱ-জন্তু পোহা কাৰ্যটোকো সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব লাগি বুলি জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে মাত মতাসকলে যুক্তি দৰ্শাইছে। জীৱ-জন্তুক নিঃসন্ধিকৈ বন্দী কৰি ৰখা হয় নাইবা অন্যৰ পৰা বিচ্ছিন্ন কৰি ৰখা হয় বাবেই কামটো মৌলিক আৰু নীতিগতভাৱে ভুল নহয়। এনেকৈ পোহা জীৱ-জন্তুৰ কষ্ট, যন্ত্ৰণা, প্ৰয়োজনীয়তা আদি সকলো দিশ আওকাণ কৰা হয় অথবা হিচাবত ধৰা নহয় বাবেও এই কাৰ্যটো ভুল। কিন্তু এই আওকণীয়া মনোভাৱ মানুহে প্ৰদৰ্শন কৰা উপৰুৱা লক্ষণ। ই বহুদিন আগৰে পৰা চলি অহা কাৰ্যৰ প্ৰভাৱ। জীৱ-জন্তুৰ ওপৰত প্ৰণালীৱদ্ধভাৱে অত্যাচাৰ চলাই অহা মানুহে সিহঁতৰ কোনো স্বতন্ত্ৰ মূল্য নাই বুলি ধৰি লৈছে। সিহঁতক কেৱল মানুহৰ ব্যৱহাৰৰ বাবে থকা সম্পদ অথবা প্ৰয়োজন সাপেক্ষে পুনৰ নতুন ৰূপ দি ব্যৱহাৰ কৰিব পৰা

সমল হিচাপে ধৰা হয়। পামতপোহা জীৱ-জন্তুক চৰিবলৈ আহল-বহল ঠাই, থাকিবলৈ অধিক প্ৰাকৃতিক পৰিৱেশ অথবা অধিক আদৰ-যত্ন দিয়াটোৱে ভুল কথা এটা শুদ্ধ নকৰে। এই কাৰ্য সম্পূৰ্ণৰূপে বন্ধ হ'লেহে জীৱ-জন্তুৰ প্ৰতি কৰা অন্যায়ৰ অৱসান ঘটিব। মানুহে ব্যৱসায়িক স্বাৰ্থত অথবা ক্ৰীড় হিচাপে জীৱ-জন্তুৰ ওপৰত চলোৱা অত্যাচাৰ বন্ধ কৰি নৈতিকতাৰ পৰিচয় দিব পাৰে। ট'ম ৰেগানে এনেদৰে জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে মাত মতাসকলৰ যুক্তিবোৰ উপস্থাপন কৰিছে।

৭.৬ জীৱ-জন্তুৰ অধিকাৰৰ বিপক্ষে থকা যুক্তি

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে নৈতিকভাৱে প্ৰাসংগিক বহুতো দিশেৰে মানুহ আৰু জীৱ-জন্তুৰ মাজত কোনো প্ৰভেদ নাই। কিন্তু একাংশ দাৰ্শনিকে জীৱ প্ৰজাতিৰ মাজত সমতাবাদ প্ৰতিষ্ঠাকাৰী যিকোনো ৰূপৰে বিৰোধিতা কৰে। কোহেন (কোহেন এণ্ড ৰেগান, ২০০১) ৰ মতে সকলো মানুহ বংশ, সামাজিক লিংগ অথবা নৃগোষ্ঠীয় পৰিচয় নিৰ্বিশেষে নৈতিকভাৱে প্ৰাসংগিক আটাইবোৰ দিশেৰে সমান। কিন্তু, মানুহ আৰু অন্য জীৱ-জন্তু কোনো দিশেৰেই নৈতিকভাবে সমান নহয়। আনকি মানুহ আৰু জীৱ-জন্তুৰ মাজত দুখ-বেদনাৰ ক্ষেত্ৰতো মিল নাই। কোহেনৰ স্থিতি স্পষ্টকৈ বুজিবলৈ তলৰ যুক্তিবোৰলৈ মন কৰক।

ধৰি লওক, ল'ৰা এটা আৰু ছোৱালী এজনীয়ে কোনো কথাত সমানে যাতনা পাইছে। এইক্ষেত্ৰতকোনেও এয়া ক'ব নোৱাৰে যে ল'ৰাজন বগা, তাৰ ঘৰ আয়াৰলেণ্ডত আৰু সেই কাৰণে সি বেছিকৈ যাতনা ভুগিছে। কিন্তু, ছোৱালীজনী ক'লা, তাইৰ ঘৰ কেনীয়াত,আৰু সেইকাৰণে তাইৰ যাতনা কম। কোহেনে এই কথাৰ বিৰোধিতা কৰিব বুলি মত প্ৰকাশ কৰিছিল। মানুহৰ বংশ, সামাজিক লিংগ আৰু নৃগোষ্ঠীয় পাৰ্থক্য নৈতিকভাৱে প্ৰাসংগিক পাৰ্থক্য নহয়। কিন্তু বিভিন্ন জীৱ -প্ৰজাতিৰ ক্ষেত্ৰত এই পৰিস্থিতি সম্পূৰ্ণ পৃথক হ'ব। ধৰি লোৱা হ'ল, ল'ৰা আৰু ছোৱালীজনীৰে দৰে এটা মেকুৰী আৰু এটা কুকুৰেও একেটা কথাতে যাতনা পাইছে। এতিয়া কোহেনৰ মতে, মানৱ সন্তানৰসৈতে জীৱ-জন্তুৰ যাতনা সমান বুলি ধৰাটোতকৈ নৈতিকভাৱে পক্ষপাতিত্বমূলক, নৈতিকভাৱে অন্যায় কথা আন একোৱেই হ'ব নোৱাৰে।

জীৱ-জন্তুৰ অধিকাৰৰ সমৰ্থকসকলে এই কথা মানি ল'বলৈ অস্বীকাৰ কৰিছে। তেওঁলোকৰ মতে কোহেনৰ দৃষ্টিভংগীত জীৱ-জন্তুৰ প্ৰতি এক ধৰণৰ পক্ষপাতিত্ব প্ৰতিফলিত হৈছে। এই দৃষ্টিভংগীয়ে মানুহে অন্য মানুহৰ প্ৰতি প্ৰদৰ্শন কৰা লিংগবাদ আৰু জাতিবাদৰ দৰে নৈতিকভাৱে পক্ষপাতিত্বমূলক আচৰণ প্ৰদৰ্শন কৰে। এই পক্ষপাতিত্বকে প্ৰজাতিবাদ আখ্যা দিয়া হৈছে। কোহেনে এই অভিযোগ অস্বীকাৰ কৰিছে। তেওঁ কৈছে যে পুৰুষ-নাৰী আৰু কৃষ্ণাংগ-শ্বেতাংগৰ মাজত কোনো ধৰণৰ। নৈতিকভাৱে প্ৰাসংগিক প্ৰভেদ নাই যদিও মানুহ আৰু জীৱ-জন্তুৰ মাজত অলেখ প্ৰভেদ আছে। মানুহ বিশেষকৈ নৈতিকভাৱে স্ব-নিয়ন্ত্ৰিত। মানুহে নৈতিক বাছনি কৰিব পাৰে বাবেই মানুহৰ নৈতিক দায়িত্ব থাকে। জীৱ-জন্তু নৈতিকভাৱে স্ব-নিয়ন্ত্ৰিত নহয় বাবেই সিহঁত নৈতিকভাৱেও দায়ৱদ্ধ নহয়।

প্ৰজাতিবাদৰ সপক্ষে আগবঢ়োৱা যুক্তিবোৰ মানি ল'ব পৰা নাযায়। কাৰণ, এই যুক্তিবোৰে এই কথাটো আওকাণ কৰে যে বহুতো মানুহ নৈতিকভাৱে স্ব- নিয়ন্ত্ৰিত নহয়। জীৱ-জন্তুৰ সৈতে কৰা আচৰণ নৈতিক স্ব-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰাসংগিক নহয়।

জীৱ-জন্তুৰ অধিকাৰক অগ্ৰাহ্য কৰি দাঙি ধৰা যুক্তি কেইটামান তলত উল্লেখ কৰা হ'ল—

১) জীৱ-জন্তুই মানুহৰ দৰে চিন্তা নকৰে। সিহঁত প্ৰকৃত অৰ্থত সচেতন নহয়। ফৰাছী দাৰ্শনিক ৰেনে ডেকার্ট আৰু আন বহুতেই এই মত পোষণ কৰিছিল যে জীৱ জন্তুবোৰ জটিল জৈৱিক ৰ'ব'টৰ বাহিৰে আন একো নহয়। অৰ্থাৎ, জীৱ-জন্তুবোৰ অধিকাৰ পৰলগীয়া অথবা কোনো ধৰণৰ নৈতিক বিবেচনাৰ বিষয় হ'ব পৰা বস্তু নহয়।

২) মানুহৰ সেৱা কৰিবলৈ জীৱ-জন্তু এই পৃথিৱীলৈ আহে। চেইণ্ট থ'মাচ একুইনাচৰ মতে এই বিশ্ব-ব্ৰহ্মাণ্ডখন পদানুক্ৰমিক শৃংখলাত সজোৱা হৈছে। যিবোৰ প্ৰাণী তলখাপৰ সেইবোৰে নিজতকৈ ওপৰ খাপৰ প্ৰাণীৰ সেৱা কৰিব লাগি। মানুহ যিহেতু এই পদানুক্ৰমত জন্তুতকৈ উচ্চ স্থানত আছে, সেয়েহে মানুহে বিচৰা ধৰণে জীৱ-জন্তু ব্যৱহাৰ কৰিব পাৰে।

৩) ইয়াৰ উপৰি, জীৱ-জন্তুবোৰ 'নৈতিক' বৈশিষ্ট্যৰ অধিকাৰী নহয়। এটা নৈতিক সম্প্ৰদায়ৰ মাজতহে অধিকাৰৰ অৰ্থ থাকে। সেই দিশেৰে কেৱল মানুহহে এক নৈতিক সম্প্ৰদায়ৰ সদস্য। জীৱ-জন্তুই কোনো ধৰণৰ নৈতিক সংহিতা বুজি নাপায় অথবা এনে সংহিতা অনুশীলন কৰি জীৱন-যাপন নকৰে। মানুহ আৰু জীৱ-জন্তুই এই পৃথিৱীখন সম্পৰ্কে লাভ কৰা অভিজ্ঞতাবোৰৰ পাৰ্থক্য মনত ৰখাটো নৈতিকভাৱে প্ৰাসংগিক কথা। সেয়েহে, অধিকাৰ কেৱল মানুহৰ সৈতে জড়িত বিষয় আৰু ই কেৱল মানুহৰ ক্ষেত্ৰতহে প্ৰযোজ্য।

৪) একাংশৰ যুক্তি অনুসৰি জীৱ-জন্তুই যিহেতু নৈতিকভাৱে উপযুক্ত আচৰণ নকৰে, সেয়েহে অন্য প্ৰাণীয়ে নৈতিক দিশেৰে কৰা উপযুক্ত আচৰণ সিহঁতৰ প্ৰাপ্য নহয়। জীৱ-জন্তুই সাধাৰণতে স্বাৰ্থপৰ আচৰণ প্ৰদৰ্শন কৰে। সিহঁতে কেৱল নিজ স্বাৰ্থ পূৰণ কৰিব খোজে। কিন্তু মানুহে প্ৰায়েই ইজনে সিজনক সহায় কৰে। কেতিয়াবা এনেদৰে সহায় কৰিবলৈ যাওঁতে মানুহ নিজে অসুবিধাতো পৰে।

৫) জীৱ-জন্তুক অধিকাৰ প্ৰদানৰ বিৰোধী এচামৰ মতে যদি জীৱ-জন্তুৰ অধিকাৰ থাকে, তেন্তে সিহঁতক ভৌট দিয়াৰ, বিবাহৰ, বিবাহ-বিচ্ছেদৰ আৰু অপ্ৰবাসনৰ অধিকাৰো দিব লাগিব। ই এক আজব কথা হ'ব। সেয়েহে, জীৱ-জন্তুৰ কোনো অধিকাৰ নাথাকে।

৬) নৈতিক সম্প্ৰদায়ৰ পোষকতা কৰা সকলৰ মতে এনে সম্প্ৰদায়ৰ সংজ্ঞা হ'ল— (ক) পৰস্পৰৰ সৈতে সম্পৰ্ক স্থাপন কৰি, নৈতিক ধাৰণা তথা নীতি-নিয়ম বুজি সেইবোৰ ব্যৱহাৰ কৰি একেল্প বাস কৰা একোটা প্ৰাণী সমষ্টি;

(খ) এনে সম্প্ৰদায়ৰ সদস্যসকলে পৰস্পৰে পৰস্পৰক নৈতিক ব্যক্তি বুলি সন্মান কৰে; (গ) এনে সম্প্ৰদাৰ সদস্যসকলে পৰস্পৰে পৰস্পৰৰ স্ব-নিয়ন্ত্ৰণক সন্মান কৰে। নৈতিক সম্প্ৰদায়ৰ এই বৈশিষ্ট্যবোৰ কেৱল মানুহৰ সমাজত দেখিবলৈ পোৱা যায়। সেয়েহে, কেৱল মানুহ এক নৈতিক সম্প্ৰদায়ৰ সদস্য। জীৱ-জন্তুই যিহেতু এনে বৈশিষ্ট্য প্ৰদৰ্শন নকৰে, সেয়েহে সিহঁত কোনো নৈতিক সম্প্ৰদায়ৰ সদস্য নহয়। যিহেতু নৈতিক সম্প্ৰদায় এটাৰহে অধিকাৰ থাকিব পাৰে, সেয়েহে ক'ব পাৰি যে জীৱ-জন্তুৰ কোনো অধিকাৰ নাই।

৭) জীৱ-জন্তুৰ দৈহিক সংহতি অক্ষুণ্ণ ৰখা আৰু জীৱন বৰ্তাই ৰখাৰ কিছুমান অধিকাৰ আছে। কিন্তু এই অধিকাৰবোৰ মানৱ অধিকাৰৰ সমান নহয়। এই কাৰণতে মানৱ শৰীৰৰ ব্যৱচ্ছেদ কৰাতো ভুল। কিন্তু জীৱ-জন্তুৰ শৰীৰৰ ব্যৱচ্ছেদ ভুল নহয়।

ওপৰত উল্লেখ কৰা যুক্তিকেইটা হ'ল জীৱ-জন্তুৰ অধিকাৰৰ বিপক্ষে থকা সবাতোকৈ গুৰুত্বপূৰ্ণ যুক্তি। যুক্তিবোৰে কিমান প্ৰত্যয় জন্মাব পাৰে সেয়া অন্য এক বিষয়। কিন্তু যুক্তিবোৰৰ ব্যক্তিগত আৰু সামূহিক বিফলতাৰ পৰা জীৱ-জন্তুৰ অধিকাৰৰ বিৰোধীসকলৰ যুক্তিসংগত অনুপযুক্ততাই প্ৰমাণিত হয়। নৈতিকতা কোনো গাণিতিক বিষয় নহয়। আমি সকলোৰে সৰ্বোত্তম কল্যাণ সাধিব পৰা যুক্তিসংগত নীতি আৰু প্ৰমূল্য মানি জীৱন-যাপন কৰা উচিত। অধিকাংশলোকে এনে নীতি আৰু প্ৰমূল্য মানি নল'লেও এইবোৰেই আমাৰ জীৱনৰ পথ প্ৰদৰ্শক হোৱা উচিত। অৰ্থাৎ, এক যুক্তিসংগত পৰ্যায়লৈকে জীৱ-জন্তুৰ অধিকাৰকেন্দ্ৰিক নীতি আৰু প্ৰমূল্যসমূহ আমাৰ জীৱনৰ অংশ হেঙ্গৰা উচিত।

৭.৭ নৈতিক সম্প্ৰদায়

সাধাৰণতে নৈতিক সম্প্ৰদায় বুলিলে এনে এক জীৱ সমষ্টিৰ কথা বুজোৱা হয় যিটোৰ সদস্যসকলৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য থাকে আৰু পাৰস্পৰিক পছন্দৰ আধাৰত ইজনৰ সিজনৰ সৈতে স্থাপন হোৱা সম্পৰ্ক বৰ্তাই ৰাখিবলৈ এই সম্প্ৰদায়ৰ সদস্যসকলে কিছুমান নীতি-নিয়ম ব্যধ্যতামূলক ভাৱে পালন কৰে। এটা নৈতিক সম্প্ৰদায়ৰ সকলো সদস্যৰে জীৱনবোৰ সমান মূল্য সম্পন্ন নহয়। কিন্তু একাংশ লোকৰ বাবে এই কথাটো সহজে মানি ল'ব পৰা বিধৰ নহয়। কিছুমান জীৱনৰ মূল্য আন কিছুমানতকৈ কম বুলি ভবাৰ সলনি তেওঁলোকে সকলো মানৱ জীৱন সমানে মূল্যৱান বুলি গণ্য কৰাৰ পোষকতা কৰে। কিন্তু সকলো প্ৰাণীৰ জীৱন সমানে মূল্যৱান নহয় বুলি কেৱল জীৱ-জন্তুআৰু সাধাৰণ প্ৰাপ্তবয়স্ক মানৱ জীৱনৰ মাজত থকা পাৰ্থক্যৰ কথাকে বুজোৱা হোৱা নাই। ই মানৱ জীৱনভেদে থকা পাৰ্থক্যৰ কথাও বুজায়। সকলো মানৱ জীৱনৰে গুণগত উৎকৰ্ষ সমান নহয়।

সকলো মানুহৰে জীৱনৰ মূল্য একে নহয় বুলি কোৱাৰ লগে লগে মানুহৰ জীৱনৰ মান কিমান দুঃখজনক ভাৱেশোচনীয় পৰ্যায়ৰ হ'ব পাৰে সেই কথা মনলৈ আহে। সেই দিশেৰে ক'ব পাৰি কিছুমান জন্তুৰ জীৱন কিছুমান মানৱ জীৱনতকৈ উচ্চ মানৰ। .....শীৰ্ষক ৰচনাত আৰ. জি. ফ্ৰে'ই কৈছে যে মানুহ আৰু জীৱ-জন্তুৰ জীৱনৰ তুলনামূলক মূল্যৰ পুংখানুপুংখ মূল্যায়ন হোৱা উচিত। তেওঁৰ মতে মানুহ আৰু জীৱ-জন্তুৰ জীৱনৰ মূল্যই শেহতীয়াভাৱে চলি থকা চিকিৎসা বিজ্ঞানগত ন্যায়নিষ্ঠতা আৰু সংলগ্ন দিশত জীৱনৰ মূল্য বিষয়ক আলাপ-আলোচনাত গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। জীৱনৰ মূল্য ইয়াৰ গুণগত বৈশিষ্ট্যৰ কাৰ্যসম্পাদনপদ্ধতি বিশ্লেষণ কৰি নিৰূপণ কৰা হয়। গুণগত বৈশিষ্ট্য কিমান সমৃদ্ধ তাৰ ওপৰত জীৱনত সামৰ্থ আৰু জীৱন অধিক সমৃদ্ধ তাৰ ওপৰত জীৱণৰ সামৰ্থ আৰু জীৱন অধিক সমৃদ্ধ হোৱাৰ পৰিসৰ কিমান সেই কথা দুটা নিৰ্ভৰশীল। অৰ্থাৎ, জীৱনৰ মূল্য মানে হ'ল এটা সমৃদ্ধ জীৱন যাপন কৰিবলৈ থকা প্ৰাণীৰ সামৰ্থ।

ফ্ৰে'ৰ যুক্তি অনুসৰি সকলো মানুহৰ জীৱন একেৰোৰ বৈশিষ্ট্যৰে সমৃদ্ধ নহয় আৰু সকলো মানুহৰে নিজকে সমৃদ্ধ কৰাৰ সম্ভাৱনীয়তা একে নহয়। সেয়েহে, সকলো মানুহৰ জীৱন সমানে মূল্যৱান নহয়। ইয়াৰ বিপৰীতে কিছুমান মানৱ জীৱনৰ সমৃদ্ধ হোৱাৰ সম্ভাৱনাপ্ৰায় নাথাকেই। এনে জীৱনৰ গুণগত উৎকৰ্ষ সাধাৰণ, স্বাস্থ্যৱান জীৱ-

জন্তুৰ জীৱনতকৈও কম হ'ব পাৰে। এইখিনিতে এটা প্ৰশ্নৰ উদয় হ'ব পাৰে। আমি জীৱ-জন্তুৰ জীৱনৰ সমৃদ্ধ অৱস্থাৰ বিষয়ে কি আৰু কিমান জানো? কাৰণ, মানৱ আচৰণ তাত্ত্বিক, জীৱ-জন্তুৰ আচৰণ তাত্ত্বিক আৰু জীৱ-জন্তুৰ

অধিকাৰৰ প্ৰতি সহানুভূতিশীল এচামে জীৱনৰ সমৃদ্ধ ৰূপ সম্পৰ্কে বিপৰীত ধৰণে চিন্তা কৰে। তেওঁলোকৰ প্ৰশ্ন হ'ল মানুহে অনুশীলন কৰি থকা জীৱ-জন্তু পোহা কিছুমান অনুশীলন কিমান যুক্তিসংগত? আমি জীৱ-জন্তুৰ আভ্যন্তৰীণ জীৱনৰ সকলো কথা নাজানো বাবেই কোনটো কাম ভাল আৰু কোনটো কাম বেয়া সেয়া নাজানিম কিয়?

জীৱনৰ উৎকৰ্ষতা ইয়াৰ সমৃদ্ধ ৰূপে নিৰ্ণয় কৰে। মানুহ আৰু জীৱ-জন্তুৰ জীৱনৰ তুলনামূলক মূল্য নিৰ্ধাৰণৰ সময়ত আমি সংশ্লিষ্ট জীৱনবোৰৰ সমৃদ্ধ ৰূপবোৰ পৰীক্ষা কৰি চাব লাগিব। অসম্ভৱ নহ'লেও জীৱনৰ উৎকৰ্ষ আৰু সমৃদ্ধ ৰূপ নিৰ্ধৰণৰ বাবে জীৱৰ আন্তঃপ্ৰজাতি ভিত্তিক তুলনা প্ৰক্ৰিয়াটো অত্যন্ত কঠিন হ'ব।

আকৌ, মানৱ জীৱনৰ সমৃদ্ধ ৰূপ বিচাৰ কৰি চাবলৈ ব্যৱহাৰ কৰা পৰিমাপন পদ্ধতিবোৰ পোনে পোনে জীৱ-জন্তুৰক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰি। ইয়াৰ পৰিৱৰ্তে আমি জীৱ-জন্তুন্ধ, বিশেষকৈ মানুহৰ নিকট সান্নিধ্যত থকা জীৱ-জন্তুবোৰৰ বিষয়ে যি জানো সেই সকলোবোৰ তথ্য ব্যৱহাৰ কৰি প্ৰজাতিভেদে উপযুক্ত ধৰণে সিহঁতৰ জীৱনবোৰৰ উৎকৰ্ষতা পৰীক্ষা কৰি চাব লাগিব।

আনহাতে, মানুহৰ জীৱনৰ উৎকৰ্ষ সকলো ক্ষেত্ৰতে আৰু সদায়েই জীৱ-জন্তুৰ জীৱনতকৈ উচ্চ বুলি কোনেও নিশ্চিতকৈ ক'ব নোৱাৰে. আকৌ, যিহেতু মানুহৰ মাজতেই জীৱনৰ উৎকৰ্ষতাৰ প্ৰভেদ আছে, সেয়েহে তলখাপৰ মানৱ জীৱনৰ সৈতে জীৱ-জন্তুৰ জীৱন তুলনা কৰাটো সিমান যুক্তিসংগত নহ'ব।

আৰ.জি. ফ্ৰে'ই নৈতিক সম্প্ৰদায়ৰ দুটা ভিন্ন পৰ্যায়ৰ মাজত থকা কিছুমান প্ৰভেদ চিনাক্ত কৰি উলিয়াইছে। তেওঁ কৈছে যে আলঝেইমাৰ ৰোগৰ চূড়ান্ত পৰ্যায়ত আক্ৰান্ত অথবা সম্পূৰ্ণৰূপে মানসিক বিকাৰগ্ৰস্ত লোক এগৰাকীও নৈতিক সম্প্ৰদায়ৰ সদস্য। এনে লোকৰো একোটা নৈতিক স্থিতি আছে। কাৰণ, তেওঁলোক একো একোটা সম্পৰীক্ষাৰ বিষয়। আমাৰ আচৰণে তেওঁলোকৰ কল্যাণ আৰুজীৱনৰ উৎকৰ্ষতা হ্ৰাস কৰিব পাৰে। একেদৰে, স্বাস্থ্যৱান, স্বাভাৱিক, প্ৰাপ্তবয়স্ক সকলো ধৰণৰ মানুহেই আজিকালি যথেষ্ট অৱনমিত মূল্যৰ জীৱন যাপন কৰি আছে।

সম্পূৰ্ণ নিশ্চল অৱস্থাত পৰি থকা ৰোগীসকল হ'ল নৈতিক সম্প্ৰদায়ৰ সবাতোকৈ অধিক সমস্যা সৃষ্টিকাৰী সদস্য। কাৰণ, এনে সদস্যৰ নৈতিক দায়িত্ব লোৱাৰ সামৰ্থ অথবা যুক্তিযুক্ততা বিচাৰ কৰি চোৱাৰ ক্ষমতা নাথাকে। এয়া হ'ল নৈতিক সম্প্ৰদায় মুখামুখি হোৱা প্ৰথম পৰ্যায়।

দ্বিতীয় পৰ্যায় অনুসৰি কোনো জীৱিত সত্ত্বা নৈতিকভাৱে বিচাৰ কৰি চোৱাৰযোগ্য হয়নে নহয় তাৰ সৈতে নৈতিক সম্প্ৰদায়ৰ সদস্যপদ লাভৰ কোনো সম্পৰ্ক নাই। জীৱনৰ উৎকৰ্ষতাৰ দিশেৰে কোনো এক নৈতিক সম্প্ৰদায়ৰ সদস্য হোৱা মানে হ'ল জীৱন সমৃদ্ধ কৰি তুলি ইয়াৰ উৎকৰ্ষ সাধন কৰা।

অন্যৰ সৈতে থকা আমাৰ সম্পৰ্কত আমি গ্ৰহণ কৰা স্থিতি পৰীক্ষা কৰি এই উৎকৰ্ষৰ কথা জানিব পৰা যায়। ই আমাৰ জীৱন যাপনৰ ধৰণ-কৰণ আৰু জীৱনক বিচাৰ কৰি চোৱাৰ পন্থাক প্ৰভাৱিত কৰে। (Frey unpublished)

এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে আমি জীপন যাপন কৰাৰ ধৰণ-কৰণবোৰে আমাৰ জীৱনৰ বিন্যাস আৰু সমৃদ্ধ ৰূপটে গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে. আমাৰ জীৱন-যাপনৰ ধৰণ কৰণবোৰ হ'ল

নৈতিক সম্পৰ্কই সৃষ্টি কৰা বাধ্যবাধকতাবোৰ পূৰণ কৰিবলৈ আমি মানি চলা নিয়ম। যেনে, পিতা-পুত্ৰৰ সম্পৰ্ক। আমি প্ৰায়েই এই ব্যাখ্যা কৰিবলৈ আপাৰগ যে এটা নৈতিক সম্প্ৰদায়ত এই সম্পৰ্কবোৰৰ ভিত্তিত আমি কোন আৰু আমি জীৱন যাপন কৰাৰ কিছুমান বিশেষ ধৰণ-কৰণ কিয় মানি চলো। আমি কিয় নিজৰ ক্ষতি কৰি কিছুমান কাম কৰোঁ সেয়া ব্যাখ্যা কৰাও আমাৰ বাবে অতি জটিল। আমি কেৱল তাৰবাবে অইন কোনো নিৰ্দিষ্ট ব্যক্তিৰ সৈতে থকা সম্পৰ্কৰ উল্লেখ কৰিব পাৰোঁ। অৰ্থাৎ, নৈতিক সম্প্ৰদায়ৰ এই দ্বিতীয় বোধটো মানুহৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। মানুহে নৈতিক সম্প্ৰদায়ৰ সদস্য হিচাপে নিজৰ ইচ্ছা-পছন্দ-আগ্ৰহ প্ৰতিফলিত কৰিব পৰা ধৰণে নিজৰ জীৱন গঢ়ি ল'ব পাৰে।

আমি মানুহ আৰু জীৱ-জন্তুৰ জীৱনৰ তুলনা কৰিবলৈ যাওঁতে আৰু জীৱনৰ তুলনামূলক সমৃদ্ধি বিচাৰ কৰাৰ সময়ত ভাগ-বাটোৱাৰা কৰা নৈতিক সম্পৰ্কৰ ভেটিত সৃষ্টি হোৱা সম্প্ৰদায় এটাৰ ভিতৰত আমি যাপন কৰি থকা জীৱনৰ ধৰণ-কৰণবোৰ বিবেচনা কৰি চাব লাগিব।ফ্ৰেৰ মতে এই সম্প্ৰদায়ে স্বাভাৱিক প্ৰাপ্তবয়স্ক মানুহৰ জীৱনৰ উৎকৰ্ষ আৰু মূল্য বৃদ্ধি কৰিব পাৰিব লাগিব। এনে উৎকৰ্ষতাই মানুহৰ জীৱ-জন্তুৰ সৈতে থকা সম্পৰ্ক আৰু জীৱ- জন্তুক লৈ কৰা কাৰ্যকলাপৰ মানো নিৰ্ধাৰণ কৰিব লাগিব। মানুহ আৰু জীৱ-জন্তুৰ জীৱনৰ তুলনামূলক মূল্য নিৰ্ধাৰণত এনে ধৰণৰ পাৰ্থক্যৰ বিচাৰ প্ৰাসংগিক তথা গুৰুত্বপূৰ্ণ। মানুহ আৰু জীৱ-জন্তুৰ নৈতিক দিশেৰে প্ৰাসংগিক বৈশিষ্ট্যবোৰ সমালোচনাত্মক দৃষ্টিভংগীৰে পৰীক্ষা কৰি চালে এয়া ওলাই পৰিব যে মানুহ নিঃসন্দেহে উচ্চ স্তৰৰ নৈতিক বৈশিষ্ট্যৰ গৰাকী আৰু সেইবাবেই তেওঁলোকৰ দায়িত্বও অধিক।

৭.৮ উপান্ত লোকৰ সমস্যা

জীৱ-জন্তুৰ অধিকাৰৰ বিষয়টো উপান্ত (সমাজে একেবাৰে প্ৰান্তত ৰখা) লোকৰ প্ৰসংগয়ো ঠাই পাইছে। যুক্তি দশোঁৱা হৈছে যে যদি জীৱ-জন্তুৰ প্ৰত্যক্ষ নৈতিক স্থিতি নাই, তেন্তে, উপান্ত লোক, কেঁচুৱা, বৃদ্ধ, মন্দবুদ্ধিৰ ব্যক্তি আৰু মানৱ জাতিৰ অন্য সকলোবোৰ উপান্ত শ্ৰেণীৰো কোনো অধিকাৰ নাই বুলি ধৰা হৈছে।

জীৱ-জন্তু আৰু নৈতিকতাক লৈ চলা বিতৰ্কৰ এগৰাকী প্ৰভাৱশালী গুৰিধৰোঁতা হ'ল পিটাৰ চিংগাৰ। তেওঁৰ গ্ৰন্থ ('Animal Liberation')ক আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত জীৱ-জন্তুৰ অধিকাৰক লৈ ক্ৰমে শক্তিশালী ৰূপ ধাৰণ কৰা বহুতো আন্দোলনৰ আঁৰৰ প্ৰধান কাৰণ বুলি অভিহিত কৰা হয়। জীৱ-জন্তুৰ স্বাৰ্থক মানুহতকৈ কম গুৰুত্বপূৰ্ণ বুলি ভবাসকলক চিংগাৰে তেওঁৰ আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। তেওঁ কৈছিল যে জীৱ-জন্তুৰ স্বাৰ্থক অসমভাৱে বিবেচনা কৰি চোৱা কথাটোৱে বিভিন্ন মানুহৰ স্বাৰ্থকো অসমভাৱে বিবিচনা কৰাৰ আমাৰ যিটো প্ৰৱণতা তাকেই প্ৰতিফলিত কৰে। আমি জীৱ-জন্তুৰ স্বাৰ্থকো সমানে বিবেচনা কৰাৰ নীতি গ্ৰহণ কৰা উচিত বুলি চিংগাৰে তেওঁৰ যুক্তিৰ মোখনি মাৰিছে। নিজৰ মত সাব্যস্ত কৰিবলৈ চিংগাৰে দুটা প্ৰধান যুক্তি দাঙি ধৰিছে। প্ৰথম যুক্তিটো সমাজৰ উপান্ত শ্ৰেণীবোৰৰ উদাহৰণেৰে উপস্থাপন কৰা হৈছে। উপান্ত শ্ৰেণীবোৰৰ উল্লেখেৰে চিংগাৰে আগবঢ়োৱা যুক্তিৰ প্ৰধান দিশবোৰ হ'ল—

১) সকলো আৰু কেৱল মানুহেহে এক সম্পূৰ্ণ আৰু সমান নৈতিক প্ৰস্থিতিৰ অধিকাৰী বুলি প্ৰতিপন্ন কৰিবলৈ (আৰু সেয়েহে জীৱ-জন্তুৰো এক সম্পূৰ্ণ আৰু সমান নৈতিক প্ৰস্থিতি প্ৰাপ্য বুলি প্ৰতিপন্ন কৰিবলৈ), P

নামৰ এনে এক বিশেষ উপাদান থাকিব লাগিব যিটো সকলো আৰু কেৱল মাত্ৰ মানুহৰ থাকিব লাগিব। এই-বিশেষ উপাদানৰ ভিত্তিতহে এনে এক দাবী কৰিব পৰা যাব।

২) কেৱল মানুহৰ থকা যিকোনো P উপাদানৰ কিছুমান মানুহৰ নাই (যেনে— উপান্ত শ্ৰেণীবোৰ)

৩) সকলো মানুহৰে থকা যিকোনো P উপাদান (অধিকাংশ) জন্তুৰো আছে

৪) অৰ্থাৎ, এই দাবী ৰক্ষা কৰাৰ কোনো উপায় নাই যে সকলো আৰু কেৱল মানুহৰহে এক সম্পূৰ্ণ সমান নৈতিক প্ৰস্থিতি প্ৰাপ্য।

চিংগাৰে তেওঁৰ প্ৰথম প্ৰতিজ্ঞাটোৰ সপক্ষে একো যুক্তি দিয়া নাই। দিয়াৰ প্ৰয়োজনো নাই। এই দৃষ্টিভংগীৰ সমৰ্থকসকলৰ মতে সকলো আৰু কেৱল মানুহৰহে এক পূৰ্ণ আৰু সমান নৈতিক প্ৰস্থিতি থাকে বোলা কথাটো মানুহৰ ওপৰত নিৰ্ভৰশীল। দ্বিতীয় প্ৰতিজ্ঞাৰ সমৰ্থনত চিংগাৰে আমাক কেৱল মানুহৰ গাত থকঙ্গ, যিটোৰ ভিত্তিত মানুহে এনে শক্তিশালী নৈতিক প্ৰস্থিতি দাবী কৰিব পাৰে, তেনে উপাদানবোৰৰ বিষয়ে বিবেচনা কৰিবলৈ কৈছে। যেনে— মানুহ যুক্তিপূৰ্ণ, স্ব-নিয়ন্ত্ৰিত অথবা নৈতিকভাৱে কাম কৰিবলৈ সক্ষম আদি বৈশিষ্ট্য প্ৰয়োগ কৰি মানুহক জীৱ-জন্তুতকৈ শক্তিশালী নৈতিক প্ৰস্থিতি দিয়া কথাটো যুক্তিসংগত বুলি অভিহিত কৰা হয়। কিন্তু এই পৰামৰ্শৰ প্ৰধান সমস্যাটো হ'ল সকলো মানুহৰে এই বৈশিষ্ট্যবোৰ নাথাকে। যদি সম্পূৰ্ণ আৰু সমান নৈতিক প্ৰস্থিতি প্ৰদানৰ এয়াই ভিত্তি হয়, তেন্তে সকলো মানুহ কেতিয়াও সমান হ'ব নোৱাৰে। সেয়েহে চিংগাৰৰ মতে কেৱল মানুহক আৰু সকলো মানুহক সম্পূৰ্ণ তথা সমান নৈতিক প্ৰস্থিতি প্ৰদানৰ ধাৰণাটো সিমান সুবিধাজনক নহয়। অৰ্থাৎ, ইয়াৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে সকলো মানুহ সমান নহয় অথবা কেৱল মানুহহে সমান নহয়। চিংগাৰে ইয়াকো কৈছে যে প্ৰথম বিকল্পটো গ্ৰহণ কৰিব পৰাকৈ যথেষ্ট সহজজ্ঞেয় বিৰোধী। গতিকে আমি এই সিদ্ধান্ত ল'বলৈ বাধ্য যে মানুহকে ধৰি সকলো জীৱ-জন্তুৱেই সমান।

টম ৰেগানৰ মতে অন্তৰ্নিহিত প্ৰমূল্য থকা সকলো প্ৰাণীৰে অধিকাৰ আছে। এই অধিকাৰবোৰে সামগ্ৰিক মংগলৰ পৃষ্ঠপোষকতা কৰে। ৰেগানে আমি জীৱ-জন্তুৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণৰ বৈপ্লৱিক পৰিৱৰ্তনৰ কথা কৈছে। খাদ্যৰ বাবে পোহা জীৱ-জন্তুবোৰক আমি কেনেদৰে ৰাখো অথবা কেনেদৰে হত্যা কৰোঁ সেয়া ডাঙৰ কথা নহয়। আমি সিহঁতক আমাৰ স্বাৰ্থত ব্যৱহাৰ কৰো আৰু সিহঁতৰ স্বাৰ্থৰ অনুকূল আচৰণ প্ৰদৰ্শন নকৰোঁ।

কিছুমান দাৰ্শনিকে উপান্ত শ্ৰেণীৰ মানুহৰ কোনো অধিকাৰ নাই বুলি কোৱা কথাটোৱে বহুতকে অসন্তুষ্ট কৰিছে।

এই যুক্তিটোৰ সপক্ষে দুটা কথা কোৱা হয়-

যদি কোনো ব্যক্তি কোনো এক প্ৰজাতিৰ সদস্য আৰু তেওঁৰ মুক্ত নৈতিক বিচাৰ কৰাৰ সামৰ্থ নাই, তেন্তে তেওঁৰ নৈতিক অধিকাৰ নাই।

- মানুহৰ শাৰীত নপৰা সকলো জীৱৰে মুক্ত নৈতিক বিচাৰ কৰাৰ সামৰ্থ নাই। অৰ্থাৎ মানুহৰ শাৰীত নপৰা জন্তুৰ নৈতিক অধিকাৰ নাই।

কিন্তু যুক্তিৰ সলনি ইয়াক এক উক্তি বোলাহে শ্ৰেয়। ই সম্পূৰ্ণ প্ৰজাতিবাদী মন্তব্য আৰু বেছিভাগ লোকেই এই উক্তিতপতিয়ন নাযায়।

অগ্রগতি নিৰীক্ষণ

১) জীৱ-জন্তুৰ অধিকাৰ মানে কি?

২) জীৱ-জন্তুৰ নৈতিক প্রস্থিতি আছেনে?

৩) উপান্ত লোকৰ সমস্যা বুলিলে কি বুজে?

৪) জীৱ-জন্তুক অধিকাৰ প্রদান কৰাৰ ফলাফলবোৰ কি?

৫) কাৰ অধিকাৰৰ বিষয়টো ব্যংগ কৰিবলৈ জীৱ-জন্তুৰ অধিকাৰৰ ধাৰণাটো ব্যৱহাৰ কৰা হৈছিল?

৬) জীৱ-জন্তুৰ অধিকাৰৰ সমর্থক দুগৰাকীৰ নাম লিখক।

৭) জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে থকা যুক্তিবোৰ লিখক।

৮) জীৱ-জন্তুৰ অধিকাৰৰ বিপক্ষে থকা যুক্তিবোৰ লিখক।

৯) নৈতিক সম্প্রদায় বুলিলে কি বুজে?

১০) নৈতিক সম্প্রদায়ৰ দুটা পর্যায়ৰ মাজত থকা পার্থক্যবোৰ কোনে বাহিৰ কৰিছিল?

৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিশ্বত দেখা দিয়া সবাতোকৈ গুৰুত্বপূর্ণ নৈতিক আৰু ৰাজনৈতিক সমস্যাবোৰৰ ভিতৰত জীৱ-জন্তুৰ নৈতিক প্রস্থিতি নির্ধাৰণৰ সমস্যাটোও এটা।
- জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে মাত মতা সকলৰ স্থিতি অনুসৰি মানুহৰ ব্যক্তিগত স্বার্থ সিদ্ধিৰ এক উপায় হিচাপে জীৱ-জন্তু ব্যৱহাৰ কৰাটো হ'ল জীৱ-জন্তুৰ অধিকাৰ উলংঘনকাৰী কার্য।
- প্রতিটো সচেতন সত্বাৰে নিজস্ব স্বার্থ থাকে আৰু এই স্বার্থবোৰক সকলোৱে সন্মান জনোৱা উচিত। কোনো সচেতন আৰু জীৱিত সত্বাকে বস্তুলৈ অৱনমিত কৰা অনুমতি অথবা এনে সত্বাৰ ওপৰত আধিপত্য খটুৱাব নালাগে অথবা সম্পদ নাইবা পণ্যদ্রব্যৰ দৰে ব্যৱহাৰ কৰিব নালাগে।
- মানুহৰ শাৰীত নপৰা জীৱ-জন্তুক কৰিবলৈ দিয়া অধিকাংশ কামেই কঠোৰ। এনে কাম-কাজে জীৱ-জন্তুক ভাৰাক্রান্ত আৰু অসুখী কৰে।
- জীৱ জন্তুৰ অধিকাৰৰ সপক্ষে মাত মতা যুক্তিবোৰৰ উৎস হ'ল মানৱ অধিকাৰ। ইয়াৰ দ্বাৰা এই কথাটোৰেই স্পষ্ট হয় যে জীৱ-জন্তুৰ অধিকাৰক লৈ চলা আন্দোলনবোৰ মূলতঃ মানৱ অধিকাৰ আন্দোলনবোৰৰেই এটা অংশ। এই আন্দোলন মানৱ অধিকাৰ আন্দোলনৰ পৰিপন্থী নহয়।
- জীৱ-জন্তুৰ মনোবৈজ্ঞানিক জাটিলতাবোৰৰ বাবেও সিহঁতৰ অধিকাৰৰ সৈতে মাত মতা সকলে যুক্তি প্রদর্শন কৰি আহিছে।
- জীৱনৰ দৃষ্টিৰে মানুহ আৰু জীৱ-জন্তু সমান। আমাৰ সাদৃশ্য আৰু সমানতা নৈতিক তথা যুক্তিসংগত দিশেৰে গুৰুত্বপূর্ণ। আমি নৈতিকতাৰ দিশেৰে এয়া ক'ব নোৱাৰো যে মানুহক অপকাৰ কৰা কথাবোৰহে

ভুল আৰু জীৱ-জন্তুৰ অপকাৰ কৰা কথাবোৰ গুৰুত্বহীন। যিবোৰ কথাৰ আপেক্ষিক সাদৃশ্য থাকে সেইবোৰ কথাসমদৃষ্টিৰে বিচাৰ কৰি চোৱা উচিত।

৭.১০ অগ্রগতিৰ খতিয়ান

১) নং প্রশ্নৰ উত্তৰ ঃ জীৱ-জন্তুৰ অধিকাৰ মানে হ'ল সিহঁতক স্বীকৃতি প্রদান কৰা আৰু খাদ্য, পোছাক, মনোৰঞ্জন অথবা সম্পৰীক্ষাৰ নামত জীৱ-জন্তু ব্যৱহাৰ নকৰা।

২) নং প্রশ্নৰ উত্তৰ ঃ হয়, আছে। প্রায় সকলো গুৰুত্বপূর্ণ দিশেৰে জীৱ-জন্তুবোৰৰ মানুহৰ সৈতে সাদৃশ্য আছে।

৩) নং প্রশ্নৰ উত্তৰ ঃ একাংশ লোকৰ যুক্তি অনুসৰি যদি জীৱ-জন্তুৰ কোনো প্রত্যক্ষ নৈতিক প্রস্থিতি নাথাকে তেন্তে মানৱ জাতিৰ উপান্ত শ্রেণী বুলি পৰিচিত কেঁচুৰা, বৃদ্ধ আৰু অন্যসকলৰো কোনো নৈতিক প্রস্থিতি নাই। এইটোৱেই হ'ল উপান্ত লোকৰ সমস্যা।

৪) নং প্রশ্নৰ উত্তৰ ঃ জীৱ-জন্তুৰ অধিকাৰ মানি ল'লে তলৰ কথাবোৰো মানি চলিব লাগিব।

১) জীৱ-জন্তুৰ ওপৰত সকলো ধৰণৰ পৰীক্ষা চলোৱা বন্ধ কৰিব লাগিব।

২) খাদ্য অথবা বস্ত্রৰ বাবে জীৱ-জন্তু পোহা আৰু হত্যা কৰা বন্ধ কৰিব লাগিব।

৩) জীৱ-জন্তুৰ দ্বাৰা কঠোৰ শ্রম কৰোৱাটো বন্ধ কৰিব লাগিব।

৪) জীৱ-জন্তুৰ চিকাৰ কৰিব পৰা নাযাব।

৫) মনোৰঞ্জনৰ বাবে জীৱ-জন্তুৰ ব্যৱহাৰ নচলিব।

৫) নং প্রশ্নৰ উত্তৰ ঃ মহিলাৰ অধিকাৰ।

৬) নং প্রশ্নৰ উত্তৰ ঃ পিটাৰ চিংগাৰ আৰু টম ৰেগান।

৭) নং প্রশ্নৰ উত্তৰ ঃ মানুহৰ দৰে জীৱ-জন্তুও নিজৰ অস্তিত্ব সম্পর্কে সজাগ আৰু সচেতন।

- মানুহ দৰে জীৱ-জন্তুৰো অগ্রাধিকাৰৰ ভিত্তিত পচন্দ-অপচন্দ প্রদর্শন কৰে আৰু সচেতনভাৱে বাছনি কৰিব পাৰে।
- মানুহে জীৱনৰ উৎকৃষ্টতা উপভোগ কৰিব পৰা ধৰণে জীৱন যাপন কৰে। ঠিক একেদৰে, জীৱ-জন্তুৱেও সর্বোত্তম আশ্রয় স্থলৰ সন্ধান কৰে আৰু নিজৰ বাবে সর্বোত্তম খাদ্য খায়।

অন্তর্নিহিত প্রমূল্য থকা সকলো জীৱিত সত্ত্বাই সমানে মূল্যৱান আৰু সকলোৰে সমান্ন অধিকাৰ আছে। সেয়েহে মানুহ আৰু জীৱ জন্তুৰ অধিকাৰ সকলো দিশেৰে সমান।

৮) নং প্রশ্নৰ উত্তৰ ঃ জীৱ-জন্তুৰ অধিকাৰক অগ্রাহ্য কৰি দাঙি ধৰা যুক্তি কেইটামান তলত উল্লেখ কৰা হ'ল—

১) জীৱ-জন্তুই মানুহৰ দৰে চিন্তা নকৰে।

২) মানুহৰ সেৱা কৰিবলৈ জীৱ-জন্তু এই পৃথিৱীলৈ আহে।

৩) এটা নৈতিক সম্প্রদায়ৰ মাজতহে অধিকাৰৰ অর্থ থাকে। সেই দিশেৰে কেৱল মানুহহে এক নৈতিক সম্প্রদায়ৰ সদস্য।

৪) একাংশৰ যুক্তি অনুসৰি জীৱ-জন্তুই যিহেতু নৈতিকভাৱে উপযুক্ত আচৰণ নকৰে, সেয়েহে অন্য প্ৰাণীয়ে নৈতিক দিশেৰে কৰা উপযুক্ত আচৰণ সিহঁতৰ প্ৰাপ্য নহয়।

৫) জীৱ-জন্তুক অধিকাৰ প্ৰদানৰ বিৰোধী এচামৰ মতে যদি জীৱ-জন্তুৰ অধিকাৰ থাকে, তেন্তে সিহঁতক ভোট দিয়াৰ, বিবাহৰ, বিবাহ-বিচ্ছেদৰ আৰু অপ্ৰবাসনৰ অধিকাৰো দিব লাগিব। ই এক আজব কথা হ'ব।

৯) নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণতে নৈতিক সম্প্ৰদায় বুলিলে এনে এক জীৱ সমষ্টিৰ কথা বুজোৱা হয় যিটোৰ সদস্যসকলৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য থাকে আৰু পাৰস্পৰিক পছন্দৰ আধাৰত ইজনৰ সিজনৰ সৈতে স্থাপন হোৱা সম্পৰ্ক বৰ্তাই ৰাখিবলৈ এই সম্প্ৰদায়ৰ সদস্যসকলে কিছুমান নীতি-নিয়ম ব্যধ্যতামূলক ভাৱে পালন কৰে। এটা নৈতিক সম্প্ৰদায়ৰ সকলো সদস্যৰে জীৱনবোৰ সমান মূল্য সম্পন্ন নহয়।

১০) নং প্ৰশ্নৰ উত্তৰ ঃ আৰ. জি. ফ্ৰে'ই।

? ৭.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন-

প্ৰশ্ন নং ১ ঃ জীৱ-জন্তুৰ অধিকাৰৰ ধাৰণাটোৰ দ্বাৰা আপুনি কি বুজে?

প্ৰশ্ন নং ২ ঃ নৈতিক সম্প্ৰদায় মানে কি?

প্ৰশ্ন নং ৩ ঃ জীৱ-জন্তুক অধিকাৰ প্ৰদান কৰাৰ ফলাফল দুটা কি হ'ব পাৰে লিখক।

প্ৰশ্ন নং ৪ ঃ জীৱ-জন্তুৰ অধিকাৰৰ ধাৰণাটোৰ সৈতে যুক্ত দৃষ্টিভংগী দুটা কি কি?

প্ৰশ্ন নং ৫ ঃ আৰ. জি. ফ্ৰে'ৰ মতে নৈতিক সম্প্ৰদায় এটাই মুখামুখি হোৱা গুৰুত্বপূৰ্ণ পৰ্যায় দুটা কি কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দত উত্তৰ দিয়ক)-

প্ৰশ্ন নং ১ ঃ জীৱ-জন্তুৰ অধিকাৰৰ সপক্ষে থকা যুক্তিবোৰ বহলাই আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ জীৱ-জন্তুৰ অধিকাৰৰ বিপক্ষে থকা যুক্তিবোৰ বহলাই আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ জীৱ-জন্তুক অধিকাৰ প্ৰদানৰ ফলাপলবোৰ বহলাইআলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ নৈতিকতাৰ আধাৰত চিংগাৰৰ যুক্তিসমূহ বিশ্লেষণ কৰক।

প্ৰশ্ন নং ৫ ঃ নাৰীৰ অধিকাৰৰ বিষয়টো ব্যংগ কৰিবলৈ কেনেকৈ জীৱ-জন্তুৰ অধিকাৰৰ ধাৰণাটো আলোচনা কৰক।

*** **** ***

অধ্যায় ৮ ঃ গর্ভপাত

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ গর্ভপাতৰ অর্থ আৰু সংজ্ঞাসমূহ
৮.৪ গর্ভপাতৰ লগত জড়িত ধর্মীয়, সামাজিক-সাংস্কৃতিক আৰু বিষয়সমূহ
৮.৫ উপযোগিতাবাদ, কাণ্টীয় নীতিবিদ্যা আৰু গর্ভপাতৰ সমস্যা
৮.৬ গর্ভপাত আৰু সদাচাৰ আৰু যত্নৰ নীতিবিদ্যা
৮.৭ গর্ভপাতৰ নৈতিক আয়তন তথা প্রজনন সম্পর্কীয় বিষয় আৰু প্রযুক্তি
৮.৮ সামৰণি
৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১০ অধিক জানিবলৈ
৮.১১ অগ্রগতিৰ খতিয়ান
৮.১২ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গর্ভপাতৰ অর্থ আৰু সংজ্ঞাৰ বিষয়ে জানিব
- গর্ভভাতৰ লগত জড়িত ধর্মীয়, সামাজিক-সাংস্কৃতিক আৰু ন্যায়িক বিষয়সমূহ ব্যাখ্যা কৰিব পাৰিব
- উপযোগিতাবাদ, কাণ্টীয় নীতিবিদ্যা আৰু গর্ভপাতৰ সমস্যাৰ বিষয়ে ধাৰণা লাভ কৰিব
- গর্ভপাত আৰু সদাচাৰ আৰু যত্নৰ নীতিবিদ্যাৰ বিষয়ে জানিব
- গর্ভপাতৰ নৈতিক আয়তন তথা প্রজনন সম্পর্কীয় বিষয় আৰু প্রযুক্তিৰ ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

গর্ভপাত এটা অতি সংবেদনশীল বিষয়। গর্ভপাতৰ বিভিন্ন সংজ্ঞাৰ পৰা এইটো স্পষ্ট হয় যে গর্ভপাত হৈছে ভ্রূণটোৰ ধ্বংস বা ভ্রূণৰ হত্যা। এটা অতি বিতর্কিত সামাজিক আৰু নৈতিক সমস্যা হিচাপে এই সমস্যাটোৰ লগত বহুতো নীতিবিদ্যাজনিত বিতর্ক জড়িত। এই চলিত সমস্যা হিচাপে আমি বাস কৰা সমাজখনত গর্ভপাত এটা অতি

বিতর্কিত সমস্যা আৰু আমি দেখিবলৈ পাওঁ যে এই বিতর্ক বহুধা বিভক্তি যিয়ে আমাৰ জীৱনৰ সমাজ-সাংস্কৃতিক-ধর্মীয় বা আনকি ৰাজনৈতিক আৰু আইনগত দিশসমূহ স্পর্শ কৰে। এগৰাকী সর্বসাধাৰণ ব্যক্তিৰ পৰা আইনজ্ঞলৈ, এগৰাকী নাৰীবাদীৰ বা ধর্মগুৰু, প্রত্যেকেই নিজস্ব দৃষ্টিভংগীৰে বিষয়টোত দৃষ্টিপাত কৰে। এই অধ্যায়টিত আমি গর্ভপাত বিষয়টোৰ লগত জড়িত বিভিন্ন দিশসমূহৰ আলোচনা কৰিম। এই প্রয়াসৰ মাধ্যমেদি আমি এই সম্ভাব্য নৈতিক পৰিসৰৰ অনুসন্ধান কৰিম যাৰ আওঁতাত গর্ভপাত বা ভ্রূণ হত্যাৰ নিচিনা বিষয়সমূহ সোমাই পৰে। গর্ভপাতৰ প্রশ্ন শিশু-হত্যাৰ লগত জড়িত প্রশ্নটোৰ লগত জড়িত হৈ পৰে য'ত 'মানৱ' আৰু 'ব্যক্তি'ক সংজ্ঞাবদ্ধ কৰা হয় আৰু সীমাৰেখাডাল টনা হয়। ই এনে একে অন্যতম জটিল সমস্যা যাৰ সন্মুখীন আমি আজিও হ'ব লগীয়া হয় আৰু সেই সমস্যা যিয়ে তাৰ লগত জড়িত ব্যক্তি বা ব্যক্তিসমূহক চূড়ান্ত আবেগিক যন্ত্রণা দিয়ে। এনে ধৰণৰ সমস্যাৰ মূল বিচাৰ কৰিবলৈ গ'লে আমি গর্ভপাত সমস্যাটোৰ লগত জড়িত সামাজিক-ঐতিহাসিক প্রেক্ষাপটটো বিচাৰ কৰিব লাগিব।

৮.৩ গর্ভপাতৰ অর্থ আৰু সংজ্ঞাসমূহ

এতিয়া আমি বৈজ্ঞানিক আৰু প্রযুক্তিগত দৃষ্টিভংগীৰে 'গর্ভপাত' পদটোৰ প্রাথমিক সংজ্ঞাটোলৈ আগবাঢ়ো আহক। সচৰাচৰ মানুহে 'গর্ভচ্যুতি' (miscarriage) শব্দটোৰ লগত 'গর্ভপাত' (afortion) শব্দটো ভুল কৰে। অর্থাৎ দুয়োটা শব্দৰ মাজত কিছু পার্থক্য আছে। দুয়োটাৰে মাজত থকা পার্থক্যটো হ'ল যে চৌবিশ সপ্তাহৰ পূর্বে হ'লে বা কৰালে ইয়াক গর্ভচ্যুতি বুলি কোৱা হয়। চৌবিশ সপ্তাহৰ পিছত কৰালে বা হ'লে ইয়াক গর্ভপাত বুলি কোৱা হয়। উভয় ক্ষেত্রতে যদি এনে কৰাওতে অসুবিধাৰ সৃষ্টি হয়, তেতিয়া প্রশিক্ষীত চিকিৎসক বা অভিজ্ঞ চিকিৎসকৰ দ্বাৰা কৰাব লাগে। গর্ভপাত কৰোৱাৰ দুটা পদ্ধতি আছে— প্রথমটো হৈছে ঔষধৰ প্রয়োগৰ যোগেদি কৰোৱা গর্ভপাত আৰু দ্বিতীয়টো হৈছে শৈল্য চিকিৎসাৰ দ্বাৰা কৰোৱা গর্ভপাত, ঔষধৰ যোগেদি কৰোৱা গর্ভপাত গর্ভধাৰণৰ ৪৯ দিন বা তাৰ আগতে কৰোৱা হয়। তাৰ বাবে কোনো শৈল্য চিকিৎসাৰ প্রয়োজন নাই। ঘৰতে বা চিকিৎসালয়ত ইয়াক কৰাব পাৰি। কিন্তু কোনো কোনো সময়ত এনে ধৰণৰ গর্ভপাতে গর্ভৱতী মহিলাগৰাকীৰ স্বাস্থ্যৰ ক্ষেত্রত বিৰূপ প্রভাৱ পেলাব পাৰে। অন্যহাতেদি গর্ভধাৰণৰ ৪৯ দিন পাৰ হ'লে শৈল্য চিকিৎসাৰ দ্বাৰা গর্ভপাত কৰোৱা হয়. ইয়াক তিনি প্রকাৰে কৰা হয়। যেনে- Suction Aspiration, Dilation & Curettage (D & C) আৰু Induction Afortion।

৮.৪ গর্ভপাতৰ লগত জড়িত ধর্মীয়, সামাজিক-সাংস্কৃতিক আৰু আইনগত বিষয়সমূহ

যদি বিভিন্ন সামাজিক-সাংস্কৃতিক, আইনগত আৰু ধর্মীয় দৃষ্টিভংগীৰ ফালৰ পৰা গর্ভপাতৰ বিষয়টো আলোচনা কৰা হয়, তেতিয়া বর্তমানৰ পৰিৱর্তিত নৈতিক দৃশ্যপট আমাৰ চৌপাশে থকা লোকসকলৰ পৰিৱর্তিত মানসিকতালৈ দৃষ্টি ৰাখি এইটো ক'ব পাৰি যে এতিয়া গর্ভপাত প্রসঙ্গটো সমস্যামূলক বিষয় হৈ থকা নাই। তেনে স্থলত ইয়াক কি দৰে বিষয় হিচাপে আলোচনা কৰিব পাৰি? যিসকলে গর্ভপাতক এটা সমস্যা ৰূপে গণ্য কৰে তেওঁলোকে এটা সমগ্রতাবাদী দৃষ্টিভঙ্গীৰে সমস্যাটো উপলব্ধি কৰিবলৈ চেষ্টা কৰিব লাগে কিয়নো ই কেৱল ব্যক্তি

বিশেষৰ একান্ত (intimate) আৰু ব্যক্তিগত বিষয়সমূহকে স্পর্শ নকৰে, ৰৰঞ্চ ইয়াৰ বাবে ৰাজহুৱা আলোচনা আৰু নীতি বিধিবদ্ধকৰণৰ প্রয়োজনীয়তা আছে। এইদৰে গর্ভপাতৰ লগত জড়িত বিতর্ক আৰু আলোচনাসমূহ ৰাজহুৱা বিষয় হ'ব পাৰে আৰু দার্শনিক আলোচনাৰ বিষয় হ'ব পাৰে। এই অধ্যায়টোত কেৱল ধর্মীয় বিষয়সমূহেই নহয়, ৰৰঞ্চ ইয়াত কিদৰে ধর্ম বা মানুহৰ ধর্মীয় বিশ্বাসে ব্যক্তিৰ সামাজিক-সাংস্কৃতিক দৃষ্টিভংগীক নিয়ন্ত্রণ কৰে তাৰো আলোচনা আগবঢ়াইছে। উদাহৰণ স্বৰূপে, এইটো ক'ব পাৰি যে পৃথিৱীৰ বিভিন্ন ধর্মৰ পিতৃতান্ত্রিক মনোবৃত্তিয়ে সমাজত নাৰীৰ স্থিতি অবনমিত কৰিছে। আনকি ই ভাৰত, চীন ইত্যাদি দেশত লিংগ-বিশেষ গর্ভপাতক উৎসাহিত কৰে। সেই কাৰণে সেই সেই দেশত প্রচলিত আইনত কেতবোৰ আইনগত দফা বা পদক্ষেপ গ্রহণ কৰিব লগীয়া হৈছে।

তদুপৰি গর্ভপাত সম্পর্কে বিভিন্ন ধর্মই ৰক্ষণশীল স্থিতি গ্রহণ কৰাতো মন কৰিবলগীয়া। দেশসমূহত প্রচলিত আইনৰ ওপৰতো এই ৰক্ষণশীল স্থিতিয়ে প্রভাৱ বিস্তাৰ কৰি আছে। উদাহৰণ স্বৰূপে, কেথোলিক ধর্মৰ প্রভূত্বৰ বাবে আয়াৰলেণ্ডৰ নিচিনা দেশত কোনো পৰিস্থিতিতে গর্ভপাত কৰিবলৈ দিয়া নহয়। গতিকে এইটো ক'ব পাৰি যে গর্ভপাত বিষয়ৰ লগত জড়িত সামাজিক-সাংস্কৃতিক আৰু আইনগত বিষয়ত বিভিন্ন ধর্মই বিশেষ ভূমিকা গ্রহণ কৰি আছে।

পিছে এই নতুন আইনসমূহৰ বিধিবদ্ধকৰণ আৰু প্রৱর্তনৰ লগত জড়িত বিভিন্ন পৰিসৰৰ বাহিৰেও গর্ভপাতৰ লগত জড়িত নীতিবিদ্যামূলক আলোচনাই যি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে সিয়ে বিভিন্ন দেশে গ্রহণ কৰা আইনগত বিধি-বিধানসমূহলৈ শোধন আনিছে। তৎসত্ত্বেও সমাজত গর্ভপাত বিষয়টো এতিয়াও জ্বলন্ত সমস্যা ৰূপে বর্তি আছে।

এইটো লক্ষ্যণীয় যে এটা স্থিতিশীল নৈতিক আধাৰ বা ধাৰণাত থকা ধর্মীয় আৰু সাংস্কৃতিক পশ্চাদপট নীতিমূলক সিদ্ধান্তসমূহ সুনিশ্চিত কৰাত প্রভাৱশালী ভূমিকা গ্রহণ কৰে আৰু নৈতিক বিষয়সমূহত ব্যক্তিক এটা নির্দিষ্ট দিশেৰে দৃষ্টিপাত কৰিবলৈ উদ্বুদ্ধ কৰে। উদাহৰণ স্বৰূপে, যদি কোনো ধর্মীয় মতবাদে ভৌতিক দেহত প্রাণ প্রতিষ্ঠাৰ বাবে এগৰাকী স্বর্গীয় ৰচকৰ প্রয়োজনীয়তাৰ ধাৰণাটোক সমর্থন কৰে, তেতিয়া হ'লে গর্ভপাত ধর্মীয়ভাৱে এটা দোষণীয় কার্য হ'ব। মন কৰিবলগীয়া যে পৃথিৱীৰ সৰহসংখ্যক প্রধান ধর্মই বিকাশশীল জীৱ দেহৰ বর্দ্ধনৰ সপক্ষে নিজৰ স্থিতি স্পষ্ট কৰিছে। কেৱল বিশেষ ব্যক্তিক্রমিক পৰিস্থিতি-পৰিৱেশতহে তেওঁলোক নিজৰ সেই স্পষ্ট স্থিতিৰ পৰা বিচ্যুত হয়।

৮.৫ উপযোগীতাবাদ, কাণ্টীয় নীতিবিদ্যা আৰু গর্ভপাতৰ সমস্যা

নীতিবিদ্যাৰ বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰ ফালৰ পৰা গর্ভপাত সমস্যাটো বিচাৰ কৰিলে এইটো প্রশ্নৰ উদ্ভৱ হ'ব যে উপযোগিতাবাদ আৰু কাণ্টীয় নীতিবিদ্যাৰ নিচিনা পৰস্পৰাগত তত্ত্বৰ যোগেদি গর্ভপাতৰ সমস্যাটো আলোচনা কৰিব পাৰি নে নাই। তদুপৰি ই প্রচলিত থকা নীতিশাস্ত্রৰ পৰস্পৰাগত তত্ত্বসমূহৰ সীমাবদ্ধতাৰ বিষয়ে প্রশ্ন কৰিছিল য'ত এইটো সোধা হয় যে পৰিৱর্তনশীল সামাজিক গাঁথনিৰ লগত খাপ খোৱাকৈ আমাক বাৰু এক নতুন ধৰণৰ নীতিশাস্ত্রৰ প্রয়োজন হৈছে নেকি যি সামগ্রিকভাৱে নাৰীবাদ আৰু অন্যান্য ধাৰণাৰ প্রতি অধিক সংবেদনশীল হয়।

অধ্যায়টোৰ এই উদ্দেশ্যটোৰ প্রতি লক্ষ্য ৰাখি ই গর্ভপাতৰ বিভিন্ন কাৰকৰ বিশ্লেষণ কৰিবলৈ প্রয়াস কৰিছে। এই প্রসংগত ই উপযোগিতাবাদ আৰু কাণ্টীয় নীতিবিদ্যাৰ নিচিনা পৰস্পৰগত তত্ত্বৰ সহায় লৈছে। কাৰকসমূহ

হৈছে ক্রমে নির্বাচিত লিংগৰ গর্ভপাত, মাতৃৰ শাৰীৰিক অসুস্থতাৰ বাবে কৰোৱা গর্ভপাত, ত্রুটিযুক্ত ভ্রুণৰ বাবে কৰোৱা গর্ভপাত। উপযোগিতাবাদে ইয়াৰ পৰিণামবাদৰ প্রতি লক্ষ্য ৰাখি কেৱল সুখ আৰু আনন্দ লাভতে গুৰুত্ব আৰোপ কৰিছে। আনহাতে কাণ্টীয় পৰিণাম নিৰপক্ষেবাদী (deontology) নীতিবিদ্যাই কর্তব্য আৰু হেতুৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অৱশ্যে, গর্ভপাত বিষয়টোৰ বিশিষ্ট দিশটো হৈছে মাতৃ-শিশুৰ সম্পর্কটো যিটো ফলাফলমূলকো নহয় বা সম্পূর্ণৰূপে আৰু বিশেষভাৱে হেতু (যুক্তি) নির্ভৰো নহয়।

উপযোগিতাবাদৰ গৰিষ্ঠ সংখ্যকৰ বাবে চৰম সুখ অৱধাৰণাৰ কেতবোৰ বিশিষ্ট নিহিতার্থ আৰু গর্ভপাত বিষয়ক বিতর্কটোত তাৰ প্রভাৱ, বিশেষকৈ পিটাৰ চিংগাৰ, মাইকেল টুলি আৰু অন্যান্যসকলৰ মতামতৰ আধাৰত, সেই বিষয়টো চেৰাই আমি অন্য কেতবোৰ প্রাসংগিক বিষয় যেনে জীৱ-জন্তুৰ অধিকাৰ ইত্যাদিৰ বিষয়ে উল্লেক কৰিবলৈ লৈছো। যি স্থলত মাইকেল টুলিৰ তত্ত্ব অনুসৰি এটি মানৱ শিশুৰ তুলনাত এটা ডল্‌ফিন বা চিম্পাঞ্জীৰ জীয়াই থকাৰ অধিকাৰে অধিক গুৰুত্ব লাভ কৰে, সেইদৰে পিটাৰ চিংগাৰৰ দৃষ্টিভংগী অনুসৰি মানুহ আৰু ভ্রুণ হত্যাৰ ধাৰণাটো মানৱ-ব্যক্তিৰ লগত জড়িত দ্বিবিভাজন (dichatomy) কেন্দ্রীক যদিও ইয়াক বেছিভাগ ক্ষেত্রতে উপযোগিতাবাদ দৃষ্টিভংগীৰে বিচাৰ কৰা হয়। গর্ভপাতৰ সমস্যাটো ব্যাখ্যা কৰিবলৈ কিছুসংখ্যক নাৰীবাদী চিন্তাবিদে কাণ্টীয় আর্হিৰ সহায় লয়।

মূল্যবোধৰ নীতিবিদ্যাৰ উদ্ভৱ নোহোৱালৈকে উপযোগিতা পৰিণাম নিৰপেক্ষ নীতি বাদ আৰু (deontological) নীতিবিদ্যা বিংশ শতিকাৰ আদর্শ নীতিবিদ্যাৰ ক্ষেত্রত প্রভাৱশালী আর্হি স্বৰূপ আছিল। উভয়েই যুক্তি আৰু অধিকাৰ ভিত্তিক সিদ্ধান্তৰ বাবে স্থান এৰিছিল। যি কি নহওঁক, গর্ভপাত বিতর্কত স্থান লাভ কৰা দুটা প্রভাৱশালী নীতিশাস্ত্রৰ স্থিতিয়ে পৰৱর্তী সময়ত বিকাশ লাভ কৰিছিল। সেই স্থিতি দুটা গর্ভপাত বিৰোধী জীৱনৰ সপক্ষে (Pro-life) আৰু পছন্দকৰণ সপক্ষে (Pro-chovic) (গর্ভপাতৰ পক্ষে)। যুক্তিতর্কৰ খাতিৰত যুডিথ জার্ভিচ থমচনে এটা ৰক্ষণশীল স্থিতি গ্রহণ কৰিছে আৰু পছন্দকৰণৰ সপক্ষে নাৰীবাদী দৃষ্টিভংগীৰে স্থিতি লৈছে।

মেৰি এন্ ৱাৰেনে গর্ভপাত প্রগতিবাদী দৃষ্টিভংগীটোক সমর্থ কৰে। অর্থাৎ গর্ভ নৈতিকভাৱে সমর্থনযোগ্য যদিহে কিবা কাৰণে তেনে কৰিবলৈ অনুমতি দিয়ে। এই অধিবিদ্যাই কিছুসংখ্যক নাৰীবাদী গৱেষক-আধ্যতাৰ ওপৰত কাণ্টীয় পৰিণাম নিৰপেক্ষ নীতিয়ে পেলোৱা প্রভাৱৰ কথা কৈছে যিসকলৰ কিছুমান যুক্তিৰ পৌৰুষত্বৰ প্রতি সমালোচনামুখৰ যিটো পৰম্পৰাগত নৈতিক তত্ত্বসমূহে ন্যায্যতা প্রদান কৰিছে।

ইয়াৰ পৰিণাম নিৰপেক্ষবাদী প্রকৃতি প্রয়োগ কৰি কাণ্টীয় নীতি শাস্ত্রই কর্তব্য আৰু যুক্তিৰ ওপৰত মূল গুৰুত্ব প্রদান কৰিছে। নৈতিক বিধান (laws) সমূহ লগত জড়িত কর্তব্য আৰু সন্মানৰ ওপৰতে এক মাত্রিক (one dimensional) দৃষ্টি প্রদান আৰু ইয়াকেই একমাত্র নৈতিকভাৱে প্রশংসনীয় উদ্দেশ্য জ্ঞান কৰাৰ বাবে কাণ্টীয় বিচাৰ ধাৰাই মাতৃ আৰু ভ্রূণৰ মাজত থকা সম্পর্কটো অ-মানৱীয় (dehumanizes) কৰি তুলিছে। এই প্রসংগত মেক্স চেলাৰে কৈছে যে কাণ্টে ব্যাখ্যা কৰাৰ দৰে নৈতিক বিধান (moral law) মানৱীয় চিন্তাৰ সলনি মূল্যবোধৰ পৰা উদ্ভূত হয়। নৈতিক চেতনাৰ (emational consciousless) বিবেচনাৰে আবেগে এটা মহত্বপূর্ণ ভূমিকা গ্রহণ কৰে। নৈতিকতা এনে কোনো বস্তু নহয় যাক বিশুদ্ধ যুক্তিৰ পৰা আহৰণ কৰা সিদ্ধান্তৰ (Judglnent) ৰূপত উপস্থাপন কৰিব পাৰি। মানুহ কেৱল তেওঁলোকৰ যুক্তিবাদী গুণৰ দ্বাৰা পৰিচালিত নহৈ কিছুমান নৈতিক প্রমূল্যৰ দ্বাৰা পৰিচালিত হ'ব লাগিব।

শিশু হত্যাৰ নিচিনা বাস্তৱ জীৱনৰ সমস্যাৰ সন্মুখীন হওতে নীতিবিদ্যাক সমস্যা সমাধানৰ যুক্তিপূর্ণ কৌশল আৰু প্রয়াস হিচাপে দৃষ্টিপাত কৰিলে এব্চার্ড সামৰণি বা সিদ্ধান্ত প্রত্যক্ষ কৰাৰ সম্ভাৱনা অধিক। এই ক্ষেত্রত এই অধ্যায়টোৱে বৈকল্পিক দৃষ্টিভঙ্গী আৱোপ কৰিবলৈ প্রয়াস কৰিছে। অধ্যায়টোৱে কেইগৰাকীমান অস্তিত্ববাদী দার্শনিক যেনে- জ্যা পল চার্দ্রে, কির্কেগার্ড আদিয়ে কিদৰে ক্রিয়াশীল (affective) অস্তিত্বশীল মানৱক নৈতিক সিদ্ধান্তৰ কেন্দ্রীয় পটলৈ আনিছে— তাক আলোচনা কৰাৰ যোগেদি 'মানৱৰ যুক্তিৰ পৰিসীমা আছে' বোলা সত্যটো উদ্ঘাটন কৰিব। নীতিবিদ্যাৰ মূলক বিতর্কত ব্যক্তিৰ নৈতিক স্থিতি কি হ'ব তাৰ সিদ্ধান্ত ল'বলৈ এক ৰবট সুলভ আৰু যন্ত্রবৎ অস্তিত্বই নির্ধাৰণ কৰা বিধি আৰু সূত্রৰ প্রয়োজন নাই। কিন্তু গর্ভপাত, ইচ্ছা মৃত্যু ইত্যাদি সমূহ হৈছে এনে কিছুমান প্রকৃত নৈতিক দোমোজা বা উভয় সংগটত পেলোৱা বিষয় (dilemma) যিয়ে পৰিমাণে অস্তিত্বৰ সংকট প্রকাশ ঘটায়।

গতিকে গর্ভপাত কৰাতো ভাল নে বেয়া সেয়া যুক্তিৰ আধাৰত ব্যাখ্যা কৰিব নোৱাৰি। এইটো সত্য যে গর্ভপাতৰ সমস্যাটোক লৈ কোনো নির্দিষ্ট সিদ্ধান্তত উপনীত হোৱাতো অতি জটিল। পৰিস্থিতি ভেদে গর্ভপাত কৰা ভাল নে বেয়া সেইটো নির্ভৰশীল।

৮.৬ গর্ভপাত আৰু সদাচাৰ আৰু যত্নৰ নীতিবিদ্যা

গর্ভপাত বিষয় সংক্রান্তত ইয়াৰ বৈকল্পিক নীতিবিদ্যা বিষয়ক স্থিতিৰ সন্ধানত সদাচাৰমূলক কেতবোৰ প্রাথমিক সিদ্ধান্তৰ অন্বেষণ কৰা হৈছে। তাৰ লগতে যত্নৰ নীতিবিদ্যা আৰু গর্ভপাত বিতর্কৰ নৈতিক স্থিতিত ইয়াৰ বিভিন্ন পক্ষৰো অনুসন্ধান কৰা হৈছে। এটা চৰিত্র ভিত্তিক নীতিবিদ্যা হিচাপে মূল্যবোধৰ নীতিবিদ্যাই নৈতিক কর্তব্য আৰু বিধি-বিধান বা বিশেষ কার্যৰ পৰিণামৰ পৰিৱর্তে কার্য এটা সম্পন্ন কৰা ব্যক্তিগৰাকীৰ সদাচাৰ বা নৈতিক চৰিত্রত দৃষ্টিপাত কৰে। সদাচাৰৰ নীতিবিদ্যাই কেৱল ব্যক্তিৰ কার্যসমূহৰ ভাল-বেয়াকে নাসামৰে, তদুপৰি ই এগৰাকী ভাল মানুহৰ থাকিব লগীয়া বৈশিষ্ট্য আৰু আচৰণ তেনেকুৱা হ'লে ভাল হয় তাৰ দিক্ দর্শন কৰে। ইয়াত এইটো লক্ষ্য কৰিব পৰা যায় যে যদিও পৰম্পৰাগত মূল্যবোধৰ নীতিবিদ্যাৰ কিছুমান সীমাবদ্ধতা আছে, বিশেষকৈ বিশে, গর্ভপাতজনিত সমস্যাসমূহ, তথাপিতো যত্নৰ নীতিবিদ্যাই এনে ধৰণৰ কিছুমান সীমাবদ্ধতা অতিক্রম কৰিবলৈ কিছুমান বিশেষ নির্দেশনা নির্ধাৰণ কৰি দিছে। সমস্যাটোৰ জটিল প্রকৃতি সত্ত্বেও যত্ন নীতিবিদ্যাৰ প্রৱক্তাসকলে এনে কেতবোৰ দিক্ নির্দেশনা দিছে যিয়ে গর্ভপাতৰ নিচিনা বিষয়ৰ জটিলতাসমূহ দূৰ কৰাত সফল কাম হৈছে। স্পষ্ট ভাষাত ক'বলৈ গ'লে প্রতিনিযুক্ত প্রতিপালন (Surrogate parenting)ৰ লগত জড়িত সাংবিধানিক বিতর্ক সমন্বিতে প্রজননৰ লগত জড়িত ৰাজনীতি সামাজিক লিংগৰ বিভিন্ন সামাজিক সংঘাত, বিশেষকৈ নাৰীৰ জীৱনত মাতৃত্বৰ যি ভূমিকা সেয়াও এই প্রসংগৰ অন্তর্ভুক্ত হয়। নাৰীৰ পৰিচয়ৰ লগত অংগাংগিভাৱে জড়িত মাতৃত্বৰ গুৰুত্বটো কমি অহাৰ যি প্রৱণতা দেখা গৈছে সিয়ে বিভিন্ন গোটৰ মনত চিন্তাৰ কাৰণ হৈছে. তাৰ লগতে যোগ হৈছে সেই প্রৱণতা য'ত বিবাহ আৰু মাতৃত্বৰ মাজত থকা যোগাত্মক সম্পর্ক ক্রমশঃ ছিন্ন হৈছে। মন কৰিবলগীয়া যে প্রাপ্ত তথ্য কিছুমানে এইটো প্রতিপন্ন কৰিছে যে মহিলাসকলৰ ন্যায্য দাবী সম্পর্কে যথোচিত ব্যৱস্থা গ্রহণৰ প্রয়োজনীয়তা আছে, বিশেষকৈ প্রতিনিযুক্ত মাতৃত্বৰ লগত জড়িত সাংবিধানিক প্রক্রিয়াত।

ভৱিষ্যৎ দশকসমূহত জীৱন পক্ষীয় (Pro-life) যুক্তিয়ে নাৰীসকলক তেওঁলোকৰ শাৰীৰৰ ওপৰত সার্বভৌম অধিকাৰ দিয়াৰ সম্ভাৱনা প্রবল। লগতে তেওঁলোকে নিবিচাৰিলে ভ্রূণ এটাক নিজৰ শৰীৰৰ পৰা আঁতৰাই

পেলোৱাৰ অধিকাৰ লাভ কৰিব পাৰে। যি কি নহওঁক, তেওঁলোকে এইটো যুক্তিও দৰ্শাই যে যেতিয়া নাৰীৰ হাতত ভ্ৰূণ এটা আঁতৰোৱাৰ অধিকাৰ নাথাকে, তেনে স্থলত তাক হত্যা কৰাৰ অধিকাৰো তেওঁলোকৰ নাই।

নমুনা ভিত্তিক তত্ত্বসমূহ ধৰা-বন্ধা নীতি বহির্ভূত। ই যত্ন নীতিবিদ্যাৰ সহায়ত সমস্যাটো বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে আৰু মানুহৰ আৱেগৰো যত্ন লয়। কাণ্টীয় পৰিণাম নিৰপেক্ষ নীতি আৰু উপযোগিতাবাদৰ বিপৰীতে য'ত যুক্তি আৰু উপযোগিতাক গুৰুত্ব দিয়া হয়, যত্ন নীতিবিদ্যাই গর্ভপাত সমস্যাটোৰ বিশ্লেষণত নাৰীগৰাকীৰ বিভিন্ন আৱেগসমূহক বিবেচনাধীন কৰে যিহেতু ই গর্ভৱতী নাৰীগৰাকীৰ উভয় শৰীৰ আৰু মনৰ লগত জড়িত বিশেষ বিষয়।

যেতিয়া গর্ভপাতৰ বিষয়টো আলোচনা কৰা হয় তেতিয়া সবাতোকৈ গুৰুত্বপূৰ্ণ লক্ষণীয় দিশটো হৈছে যে এক প্ৰাপ্তবয়স্ক ব্যক্তিৰ জীৱনতকৈ অভ্ৰূমিস্থ কেঁচুৱাৰ অস্তিত্বৰ মূল্য কম। এইটোৱো লক্ষ্য কৰা যায় যে যত্ন নীতিবিদ্যা আৰু চিকিৎসা নীতিবিদ্যাৰ মাজত কিছুমান চকুত লগা সাদৃশ্য আছে।

যত্ন নীতিবিদ্যা, বিশেষকৈ যত্ন নীতিবিদ্যাৰ নাৰীবাদী প্ৰৱক্তাসকলে নাৰী আৰু পুৰুষৰ মাজৰ অসম শক্তিৰ প্ৰসংগটোলৈ আঙুলিয়ায়, সেইদৰে বগা চামৰাৰ মানুহ আৰু ক'লা চামৰাৰ মানুহ, প্ৰথম বিশ্ব আৰু তৃতীয় বিশ্বৰ মানুহ, ধনী আৰু দুখীয়া, স্বাস্থ্যবান আৰু অক্ষম, ইত্যাদি। নাৰীবাদী নীতিবিদ্যা কেন্দ্ৰীক যি কোনো প্ৰকাৰৰ নৈতিক মূল্যায়নৰ ক্ষেত্ৰত এইবোৰ নির্ণায়ক উপাদান। চিকিৎসক আৰু ৰোগীৰ সম্পর্কত থকা অসমতাৰ পুনৰীক্ষণ যথেষ্ট তাৎপর্যপূর্ণ।

জৈৱ-চিকিৎসা নীতিবিদ্যা যেনে— নাৰীৰ যত্নৰ লগত জড়িত নীতিবিদ্যাই নীতি আৰু আদর্শৰ ক্ষেত্ৰত এক বিমূর্ত দৃষ্টি ৰখাৰ পৰিৱর্তে এক প্ৰকৃত সমস্যাবহন পৰিস্থিতিত প্ৰকৃত দিক্-নির্দেশনা আশা কৰে। সৰহ সংখ্যক নাৰীবাদীয়েই কেৱল গিলিগেনৰ দ্বাৰা প্ৰভাৱিত যিসকলে এইটো দাবী কৰে যে নাৰীসকলৰ অন্যৰ যত্ন লোৱাৰ ক্ষেত্ৰত নৈতিক বোধ পুৰুষসকলতকৈ অধিক, যদিও নীতিবিদ্যাৰ এই সামাজিক লিংগৰ তাৎপর্যপূর্ণ আদর্শমূলক বিৱৰণক বহুতো নাৰীবাদীয়ে সহজভাৱে গ্ৰহণ কৰিব নোৱাৰে।

এনে বহুতো নাৰীবাদী চিন্তাবিদ আছে যিসকলে জীৱনৰ সপক্ষে নিজৰ সমর্থন আগবঢ়ায়। এই যত্ন নীতিবিদ্যা সমর্থক নাৰীবাদীসকলে জীৱনৰ সপক্ষে থকা নাৰীবাদীসকল সমন্বিতে এইটো বিচাৰি পাইছে যে নির্বাচন সপক্ষে থকা সমর্থকসকলে পুৰুষসূলভ প্ৰকৃতিৰ। তেওঁলোকে এইটো কয় যে নির্বাচন পক্ষীয় (Pro-choire) সমর্থকসকল আক্ৰমণাত্মক মনোভাবী আৰু যুক্তিৰ পুৰুষসূলভতাৰ ধ্বংসৰ ক্ষমতাৰ অধিকাৰী। কিন্তু তাৰ পৰিৱর্তে, নমুনা ভিত্তিক নাৰীবাদীসকলে জৈৱ-বৈচিত্ৰ্যযুক্ত সংবেদনশীলতাযুক্ত বৈকল্পিক আৰু শান্তিপূর্ণ পথ বাচি লৈছে যাতে ইয়াৰ যোগেদি মানৱীয় সম্ভাৱনীয়তাসমূহৰ প্ৰতি সন্মান জনাই সংঘাতৰ অৱসান ঘটাব পাৰে।

৮.৭ গর্ভপাতৰ নৈতিক আয়তন তথা প্ৰজনন সম্পর্কীয় বিষয় আৰু প্ৰযুক্তি

এইটো প্ৰত্যক্ষ কৰিবলৈ পোৱা যায় যে বিভিন্ন আধুনিক প্ৰযুক্তিমূলক বিষয় যেনে গর্ভপাতত আল্ট্ৰাচাউণ্ড যন্ত্ৰৰ ভূমিকা, ষ্টেম চে'ল গৱেষণা, ইন-ভিট্ৰ' ফার্টিলাইজেশ্যন ইত্যাদিক ভ্ৰূণ হত্যা আৰু গর্ভপাতৰ লগত জড়িত বুলি বিবেচনা কৰা হৈছে। গর্ভপাত সমস্যাটোৰ প্ৰসংগত বিজ্ঞান আৰু প্ৰযুক্তিয়ে বিশেষ ভূমিকা পালন কৰি আছে। গর্ভপাতৰ লগত জড়িত দোধোৰ-মোধোৰ পৰিস্থিতিৰ পৰা উভয় ভুক্তভোগী ৰোগী আৰু সিদ্ধান্ত গ্ৰহণকাৰী

প্রক্রিয়াৰ লগত জড়িতসকলক সকাহ দিবলৈ আল্ট্রাচাউণ্ড যন্ত্রসমূহে অতি তাৎপর্যপূর্ণ ভূমিকা গ্রহণ কৰিছে এনে নহয়, বিজ্ঞান প্রযুক্তিৰ গৱেষণাৰ লগত জড়িত অগ্রগতিমূলক পদক্ষেপ যেনে ষ্টেম চে'ল গৱেষণা, IVF ইত্যাদিয়ে বিশিষ্ট ভূমিকা গ্রহণ কৰিছে আৰু জীৱন পক্ষীয় তথা নির্বাচন পক্ষীয় উভয় ক্ষেত্রত বিভিন্ন দিশৰ পৰা চালিকা শক্তিৰূপে কার্য কৰিছে।

৮.৮ সামৰণি

নীতিবিদ্যাৰ ফালৰ পৰা বিচাৰ কৰিলে সংক্ষেপে এয়েই হৈছে গর্ভপাতজনিত সমস্যাৰ আলোচনা। এই আলোচনাৰ পৰা আমি এইটো ক'ব পাৰো যে বিভিন্ন সামাজিক-সাংস্কৃতিক আৰু ধর্মীয় বিষয় বিবেচনা নকৰাকৈ এই সমস্যাটো অধ্যায় কৰা অসুবিধাজনক। গতিকে এই সকলোবোৰ বিষয় বিবেচনা কৰি শেষত গর্ভপাত সমসাটো কিছুমান পৰম্পৰাগত তথা সমসাময়িক নীতিশাস্ত্র বিষয়ক তত্ত্বসমূহৰ আধাৰত বিশেষণ কৰা হৈছে। কিন্তু বিভিন্ন বিষয়ৰ বর্ণনাৰ পৰা এইটো স্পষ্ট হৈছে যে গর্ভপাতৰ সমস্যাটো সেইগৰাকী মাতৃ আৰু তেওঁ গর্ভত ধাৰণ কৰি থকা ভ্রূণটোৰ লগতহে জড়িত। গতিকে শেষত যত্ন নীতিবিদ্যাৰ ফালৰ পৰাই ইয়াৰ এটা সন্তোষজনক উত্তৰ আশা কৰিব পাৰি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'গর্ভপাত' আৰু 'গর্ভচ্যুতি'ৰ মাজত থকা পার্থক্য কি উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ 'চিকিৎসা নীতিশাস্ত্র' অভিধাটো কিহৰ ক্ষেত্রত প্রয়োগ হয়?

প্রশ্ন নং ৩ ঃ শৈল চিকিৎসামূলক গর্ভপাতৰ তিনিটা প্রকাৰ কি কি?

প্রশ্ন নং ৪ ঃ কিহে সমাজত নাৰীৰ স্থান অৱনমিত কৰিছে?

প্রশ্ন নং ৫ ঃ নীতিমূলক সিদ্ধান্ত গ্রহণ আৰু সংবেদনশীল নৈতিক বিষয়সমূহৰ প্রতি এজনক সজাগ কৰি তোলাত কিহৰ প্রভাৱ মন কৰিবলগীয়া?

প্রশ্ন নং ৬ ঃ মেৰী এন ৱাৰেনে গর্ভপাতৰ কোনটো দৃষ্টিভঙ্গীক সমর্থ কৰিছিল?

প্রশ্ন নং ৭ ঃ দুগৰাকী অস্তিত্ববাদী দার্শনিকৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ৮ ঃ জৈৱ-চিকিৎসা নীতিশাস্ত্রই প্রকৃততে কোনটো দিশৰ প্রতি দৃষ্টিপাত কৰে?

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যিহেতু এটা চলিত (living) বিষয় হিচাপে আমি বাস কৰা সমাজখনত গর্ভপাত এটা অতি বিতর্কিত বিষয়, আমি এইটো দেখিবলৈ পাওঁ যে এই বিতর্কটোৰ বহুকেইটা দিশ আছে যিয়ে আমাৰ জীৱনৰ সামাজিক-সাংস্কৃতিক ধর্মীয় বা আনকি ৱাজনৈতিক আৰু আইনগত দিশসমূহকো সাঙোৰে।

- যিসকলে গর্ভপাতক এটা সমস্যা ৰূপে গণ্য কৰে তেওঁলোকে এটা সমগ্রতাবাদী দৃষ্টিভংগীৰে সমস্যাটো উপলব্ধি কৰিবলৈ চেষ্টা কৰিব লাগে কিয়নো ই কেৱল ব্যক্তি বিশেষৰ একান্ত (intimate) আৰু ব্যক্তিগত বিষয়সমূহকে স্পর্শ নকৰে, বৰঞ্চ ইয়াৰ বাবে ৰাজহুৱা আলোচনা আৰু নীতি বিধিবদ্ধকৰণৰ প্রয়োজনীয়তা আছে। এইদৰে গর্ভপাতৰ লগত জড়িত বিতর্ক আৰু আলোচনাসমূহ ৰাজহুৱা বিষয় হ'ব পাৰে আৰু দার্শনিক আলোচনাৰ বিষয় হ'ব পাৰে।
- নীতিবিদ্যাৰ বিশ্লেষণাত্মক দৃষ্টিভংগীৰ ফালৰ পৰা গর্ভপাত সমস্যাটো বিচাৰ কৰিলে এইটো প্রশ্নৰ উদ্ভৱ হ'ব যে উপযোগিতাবাদ আৰু কাণ্টীয় নীতিবিদ্যাৰ নিচিনা পৰম্পৰাগত তত্ত্বৰ যোগেদি গর্ভপাতৰ সমস্যাটো আলোচনা কৰিব পাৰি নে নাই।
- গর্ভপাত বিষয় সংক্রান্তত ইয়াৰ বৈকল্পিক নীতিবিদ্যা বিষয়ক স্থিতিৰ সন্ধানত সদাচাৰমূলক কেতবোৰ প্রাথমিক সিদ্ধান্তৰ অন্বেষণ কৰা হৈছে। তাৰ লগতে যত্নৰ নীতিবিদ্যা আৰু গর্ভপাত বিতর্কৰ নৈতিক স্থিতিত ইয়াৰ বিভিন্ন পক্ষৰো অনুসন্ধান কৰা হৈছে।
- জৈৱ-চিকিৎসা নীতিবিদ্যা যেনে— নাৰীৰ যত্নৰ লগত জড়িত নীতিবিদ্যাই নীতি আৰু আদর্শৰ ক্ষেত্রত এক বিমূর্ত দৃষ্টি ৰখাৰ পৰিৱর্তে এক প্রকৃত সমস্যাবহুল পৰিস্থিতিত প্রকৃত দিক্ নির্দেশনা আশা কৰে।
- এইটো প্রত্যক্ষ কৰিবলৈ পোৱা যায় যে বিভিন্ন আধুনিক প্রযুক্তিমূলক বিষয় যেনে গর্ভপাতত আল্ট্রাচাউণ্ড যন্ত্রৰ ভূমিকা, ষ্টেম চে'ল গৱেষণা, ইন-ভিট্র' ফার্টিলাইজেশ্বন ইত্যাদিক ভ্রূণ হত্যা আৰু গর্ভপাতৰ লগত জড়িত বুলি বিবেচনা কৰা হৈছে।

৮.১০ অগ্রগতিৰ খতিয়ান

- Ashcroft, R. E. (2007). *Principles of Health Care Ethics.* John Wiley & Sons.
- Ashley, B. M., & O'Rourke, K. D. (2002). *Ethics of Health Cre: An Introductory Textbook.* Georgetown University Press.
- Ashley, B. M., DeBlois, J., & O'Rourke, K. D. (2006). *Health Care Ethics: A Catholic Theological Analysis.* Georgetown University Press.
- Dwyer, S., & Feinberg, J. (1997). The Problem of Abortion. wdworth Publishing Company.

৮.১১ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ দুয়োটাৰে মাজত থকা পার্থক্যটো হ'লে যে চৌবিশ সপ্তাহৰ পূর্বে হ'লে বা কৰালে ইয়াক গর্ভচ্যুতি বুলি কোৱা হয়। চৌবিশ সপ্তাহৰ পিছত কৰালে বা হ'লে ইয়াক গর্ভপাত বুলি কোৱা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ ঔষধৰ প্রয়োগৰ যোগেদি কৰোৱা গর্ভপাতক 'Medical abortion' বোলে।

৩নং প্রশ্নৰ উত্তৰ ঃ Suction Aspiration, Dilation আৰু Curettage আৰু Induction গর্ভপাত।

৪নং প্রশ্নৰ উত্তৰ ঃ কোনো কোনো সময়ত পৃথিৱীৰ বহুতো দেশৰ পুৰুষতান্ত্রিক মানসিকতাই সমাজত নাৰীৰ স্থান অৱনমিত কৰিছে।

৫নং প্রশ্নৰ উত্তৰ ঃ সাংস্কৃতিক আৰু ধর্মীয় পশ্চাদপটৰ আধাৰত।

৬নং প্রশ্নৰ উত্তৰ ঃ গর্ভপাতৰ প্রগতিবাদী দৃষ্টিভঙ্গী।

৭নং প্রশ্নৰ উত্তৰ ঃ জ্যা পল চাট্রে আৰু কির্কেগার্ড।

৮নং প্রশ্নৰ উত্তৰ ঃ নাৰীবাদী যত্ন নীতিবিদ্যাৰ দৰে ই প্রকৃত দিক্ নির্দেশনা বিচাৰে।

? ৮.১২ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ গর্ভপাতৰ এটা সংজ্ঞা লিখক।

প্রশ্ন ২ ঃ পৃথিৱীৰ এনে কেইখনমান ৰাষ্ট্রৰ নাম লিখক, য'ত লিংগ নির্বাচনমূলক গর্ভপাত পোৱা যায়।

প্রশ্ন ৩ ঃ কাণ্টীয় পৰিণাম নিৰপেক্ষবাদী নীতিবিদ্যাই কোনটো দিশত গুৰুত্ব আৰোপ কৰে?

প্রশ্ন ৪ ঃ কাণ্টৰ নৈতিক নীতি সম্পর্কে মেক্স শ্বেলাৰে কি কৈছে?

প্রশ্ন ৫ ঃ সদাচাৰৰ নীতি বিদ্যা কি?

(খ) চমু প্রশ্ন ঃ (১০০-১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ গর্ভপাতৰ অর্থ আৰু সংজ্ঞা লিখক।

প্রশ্ন ২ ঃ গর্ভপাতৰ ধর্মীয়, সামাজিক-সাংস্কৃতিক আৰু আইনগত বিষয়সমূহৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ জীৱন পক্ষীয় আৰু নির্বাচন পক্ষীয় স্থিতি মানে কি? চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ গর্ভপাতৰ সমস্যাটো ব্যাখ্যা কৰা।

প্রশ্ন ২ ঃ কিদৰে উপযোগিতাবাদ আৰু কাণ্টীয় নীতিবিদ্যাই গর্ভপাতৰ সমস্যাটো বিশ্লেষণ কৰিছে? আলোচনা কৰক।

প্রশ্ন ৩ ঃ গর্ভপাতৰ সমস্যাটো সদাচাৰ আৰু নীতিবিদ্যাৰ ফালৰ পৰা আলোচনা কৰক।

প্রশ্ন ৪ ঃ গর্ভপাত আৰু প্রজননৰ বিষয়সমূহ প্রযুক্তিগত দিশৰ পৰা আলোচনা কৰক।

*** **** ***

অধ্যায় ৯ঃ আত্মহত্যা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আত্মহত্যাৰ বৈশিষ্ট্য

৯.৪ পাশ্চাত্য চিন্তাধাৰাৰ ঐতিহাসিক আলোকপাত

৯.৪.১ আত্মহত্যাৰ পৌৰাণিক আৰু সংস্থাপিত মতবাদ

৯.৪.২ আলোকিত আৰু আধুনিক বিকাশ

৯.৫ আত্মহত্যাৰ নৈতিকতা আৰু যুক্তিযুক্ততা

৯.৫.১ নৈতিক অনুমোদন

৯.৫.২ ধর্মীয় যুক্তি

৯.৫.৩ উদাৰমূলক দৃষ্টিভংগী আৰু আত্মহত্যাৰ অধিকাৰ

৯.৫.৪ সামাজিক আৰু কর্তব্য ভিত্তিক যুক্তি

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্রগতিৰ খতিয়ান

৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আত্মহত্যাৰ ধাৰণা আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব
- পাশ্চাত্য চিন্তাধাৰাৰ ইতিহাসৰ বিষয়ে জানিব পাৰিব
- আত্মহত্যা নৈতিক আৰু যুক্তিক ভাৱে যুক্তিপূর্ণ হয়নে ব্যাখ্যা কৰিব পাৰিব
- আত্মহত্যাৰ আধুনিক বিকাশ আৰু দার্শনিক চিন্তাধাৰাৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

আত্মহত্যা হৈছে এনে এক কর্ম য'ত এজনে ইচ্ছাকৃতভাৱে নিজৰ প্রাণ লয়। ইয়াৰ প্রধান কাৰণসমূহ হ'ব পাৰে অত্যাধিক মানসিক বিকাৰ, মানসিক চাপ বা তেনে কোনো কাৰণ যিয়ে এজনক এনে এটা সিদ্ধান্ত ল'বলৈ বাধ্য কৰে।

এই অধ্যায়টিত আমি আলোচনা কৰিম আত্মহত্যাৰ ধাৰণা, বৈশিষ্ট্য, আত্মহত্যাৰ সপক্ষে আৰু বিপক্ষে প্ৰদান কৰা বিভিন্ন যুক্তি। ইয়াৰ উপৰিও আমি আলোচনা কৰিম যে নিজৰ জীৱনটো শেষ কৰাটো নৈতিকভাৱে যুক্তিকৰ হয়নে নহয়। সাধাৰণতে এইটো কোৱা হয় যে আত্মহত্যা হৈছে নৈতিকভাৱে অশুদ্ধ এটি কাম যিটোৱে নিজকে বেয়াকৈ বিনষ্ট কৰে আৰু আনকো আবেগিক ভাৱে কষ্ট দিয়ে। কিন্তু এই সকলো যুক্তিৰ ওপৰত এইটো কোৱা হয় যে কিছুমান ক্ষেত্ৰত আত্মহত্যাক নৈতিক ভাৱে যুক্তিপূৰ্ণ বুলি ক'ব পাৰি।

৯.৩ আত্মহত্যাৰ বৈশিষ্ট্য

আত্মহত্যা এনে এক কাৰ্য, যিহৰ দ্বাৰা এজনে উদ্দেশ্য সহকাৰে নিজৰ মৃত্যু কৰে। এনে কাৰ্য সাধাৰণতে সংঘটিত হয় ভয়, মানসিক চাপ, চিন্তা, বিত্তিয় সমস্যা, অসহ্যকৰ মানসিক আৰু আবেগিক স্থান আদিৰ বাবে। কেতিয়াবা এইবোৰ আৰু বেছি হয়, যেতিয়া ব্যক্তিজন কোনো বিশেষ মানসিক ৰোগৰ (Personality disorders, substance abuse bipolar disorder etc.) দ্বাৰা আক্ৰান্ত হয়। এইটো এক এনে ধৰণৰ পৰিৱেশ য'ত নিজক মৃত্যুৰ মুখলৈ নিবলৈ আঘাত কৰিব পাৰে। আত্মহত্যাৰ কাৰণবোৰ ব্যক্তি বিশেষে যদিও বেলেগ বেলেগ হয়, তথাপিও ইয়াৰ কিছুমান সাধাৰণ বৈশিষ্ট্য দেখা যায়। এই বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল —

(ক) দীঘলীয়া আৰু অসহ্যকৰ মানসিক অৱস্থা ঃ মানুহে প্ৰায়েই অহস্যকৰ মানসিক অৱস্থা আৰু চাপৰ কাৰণে আত্মহত্যাৰ বাট বিচাৰি লয়। এনে অৱস্থাবোৰৰ পৰা সম্পূৰ্ণকৈ হাত সাৰিবলৈ মানুহে আত্মহত্যাৰ পথটোকে বাচি লয়।

(খ) অসম্পূৰ্ণ আশা ঃ বহুত মানুহে আত্মহত্যাৰ নিচিনা এনে এক অতি ভয়ংকৰ পথ বাচি লয় কাৰণ তেওঁলোকৰ বহুতো মানসিক আশা সম্পূৰ্ণ হ'বলৈ নোৱাৰে বা সম্পূৰ্ণ কৰা সম্ভৱ নহয়।

(গ) দুখজনক অৱস্থাৰ পৰা হাঁত সাৰিবলৈ ঃ মানুহে তেওঁলোকৰ জীৱনৰ অন্ত পেলাই কাৰণ তেওঁলোকে ভাৱে যে এইটোহে কেৱল এটা বাট যাৰ দ্বাৰা সমস্ত শাৰীৰিক আৰু মানসিক দুখৰ অন্ত পেলাব পৰা যায়।

(ঘ) নিৰাশ আৰু অসহায় ঃ কিছুমান অতি কঠিন পৰিস্থিতিৰ পৰা যেতিয়া হাত সৰা কোনো উপায় দেখা পোৱা নহয়, তেতিয়াও মানুহে আত্মহত্যাৰ সহায় লয়। তেওঁলোকে ভাৱে যে সুখপোৱাৰ কোনো বাট তেওঁলোকৰ জীৱনত আৰু নাথাকে।

(ঙ) সংসাৰৰ পৰা পলাবলৈ ঃ বহুত মানুহে জীৱন, জগত আৰু অন্যান্য সমস্যাৰ পৰা হাত সাৰিবলৈ চেষ্টা কৰে। তেওঁলোকৰ কিছুমান ভয়, সমস্যা আদি থাকে, যিবোৰৰ পৰা তেওঁলোকে কোনোপধ্যে ওলাব নোৱাৰে। সেয়েহে এনে সমস্যাসমূহৰ পৰা পলাবলৈ মানুহে আত্মহত্যাৰ সহায় লয়।

৯.৪ পাশ্চাত্য চিন্তাধাৰাৰ ঐতিহাসিক আলোকপাত

আপোনালোকে যিহেতু আত্মহত্যাৰ ধাৰণাৰ বিষয়ে ইতিমধ্যে অৱগত হ'ল, গতিকে এতিয়া পাশ্চাত্য দেশসমূহত এই বিষয় আগবঢ়োৱা ঐতিহাসিক দাৰ্শনিক মতবাদ সমূহৰ বিষয়ে জানো আহঁক।

আত্মহত্যাৰ কিছুমান নৈতিক মতবাদ বহুতো পাশ্চাত্য মতবাদত পোৱা যায়। কনফুচিয়াচ সকলৰ মতে আত্মহত্যাই আনৰ নৈতিক কৰ্তব্যত আঘাত কৰে। প্লেটোৰ নিচিনা দাৰ্শনিকেও আত্মহত্যাৰ বিষয়টো ছক্রেটিছৰ মতবাদৰ সহায়ত আলোচনা কৰিছে আৰু কৈছে যে কোনোৱে নিজক মৃত্যুৰ হাতত মুকলিকৈ সমৰ্পন কৰাত কোনো বাধা নাই। ছক্রেটিছৰ মতে যিকোনো এটা ভুল বস্তুক সমৰ্থন কৰাতকৈ মৃত্যুক আকোৱালি লোৱাই ভাল। ষ্তয়িক সকলেও আত্মহত্যাৰ ওপৰত কিছুমান মতবাদ আগবঢ়াইছে। আত্মহত্যাৰ বিভিন্ন কাৰণ খুছিপাচৰ "The Stocis Fine Reason for Suicide" নামৰ কিতাপখনত পোৱা যায়। তেওঁলোকে পাচটা এনে পথ দেখুৱাইছে যাৰ সহায়ত যুক্তিসহকাৰে জীৱনৰ পৰা বিদায় ল'ব পৰা যায়। সেই পথ পাচটা হ'ল —

(ক) তেওঁলোকৰ মতে মানুহে মানুহে তেতিয়াহে এনে সিদ্ধান্ত লয়, যেতিয়া হেচি থোৱা কথাবোৰ ওলাই যায়।

(খ) তেওঁলোকৰ মতে মানুহেবোৰে নিজৰে মাৰে তেতিয়াহে যেতিয়া অত্যাচাৰি শাসকে মানুহবোৰক বেয়া কামবোৰ কৰিবলৈ বাধ্য কৰে।

(গ) তেওঁলোকৰ মতে মানুহে এনেকুৱা পৰিস্থিতিটো আত্মহত্যাৰ সিদ্ধান্ত হয় যেতিয়া কোনো মানুহ দুৰাৰোগ্য ৰোগত ভুগি থাকিব লগীয়া হয়।

(ঘ) ষ্টইচসকলৰ মতে দুর্ভিক্ষতাৰ বাবেও মানুহে কেতিয়াবা এনে সিদ্ধান্ত হয়। বহুতো মানুহৰ বাবে আত্মহত্যাৰ বাহিৰে দুর্ভিক্ষতাৰ পৰা হাত সৰাৰ কোনো উপাই নাথাকে।

(ঙ) শেষত, ষ্টইচসকলৰ মতে মানসিক বিকাৰগ্রস্ততাও এটা কাৰণ, যাৰ বাবে মানুহে নিজৰ জীৱনৰ অন্ত পেলায়।

৯.৪.১ আত্মহত্যাৰ পৌৰাণিক আৰু সংস্থাপিত মতবাদ

আত্মহত্যাৰ পাশ্চাত্য দর্শনৰ মতামতসমূহ প্লেটোৰ সময়ৰ পৰা দেখুৱাব পৰা যায়। ষ্টইকচ সকলৰ আগত আত্মহত্যাৰ বিষয়টো কোনেও শৃংখলাবদ্ধভাৱে আলোচনা কৰা নাছিল। প্লেটোয়ে তেওঁৰ 'Phaedo' আৰু 'Laws' নামৰ কিতাপ দুখনত আত্মহত্যাৰ বিষয়ে আলোচনা কৰিছে। 'Phadeo' নামৰ কিতাপখন প্লেটোয়ে চক্রেটিছয়ে প্রকাশ কৰা এটি সুৰক্ষিত উদ্যম যিটো তেওঁ পাইটাগোৰাচৰ লগত সংযুক্ত কৰিছে আৰু কৈছে যে আত্মহত্যা সদায়েই ভুল কাৰণ ই এনে এটা কার্য যাৰ জৰিয়তে আমাৰ আত্মাটোক শৰীৰৰ পৰা পৃথক কৰা হয় আৰু আমাক ভগৱানে দৰাচলতে এইটো এটি শাস্তি হিচাপেহে দিছিল।

'Laws' নামৰ গ্রন্থখনত প্লেটোই আলোচনা কৰিছে যে আত্মহত্যাটো এটি অতি লজ্জাকৰ কাম আৰু ইয়াৰ কর্তাবোৰক অচিহ্ন কবৰত পুতিব লাগে। কিন্তু তেওঁ কিছুমান এনে ব্যতিক্রম আগবঢ়াইছে, যিটো এই তত্ত্বৰ লগত নিমিলে।

(ক) যেতিয়া এজন মানুহৰ মনটো নৈতিকভাৱে অশুদ্ধ আৰু যাৰ চৰিত্র আৰু মুক্ত কৰিব নোৱাৰে।

(খ) যেতিয়া এজনে নিজৰ হত্যা আইনৰ সিদ্ধান্ত হিচাপে কৰে।

(গ) যেতিয়া অতি দুখজনক আৰু দুর্ভাগ্যজনক পৰিস্থিতিয়ে এজনক মৃত্যুক সাবটিবলৈ বাধ্য কৰে।

(ঘ) যেতিয়া নিজৰ হত্যা এই কাৰণে কৰা হয় যে এটি ন্যায় বিৰোধী কামত নিজকে লিপ্ত কৰাৰ পৰা হাত সাৰিবলৈ।

প্লেটোৰ মতে এইবোৰ কাৰণত, আত্মহত্যাক অলপ মানি ল'ব পাৰি। কিন্তু অন্যান্য কাৰণত আত্মহত্যাৰ সহায় লোৱাবোৰক ভিৰুতা আৰু শ্ৰমকাতৰ বুলি কোৱা হয়।

৯.৪.২ আলোকিত আৰু আধুনিক বিকাশ

কিছুমান দার্শনিকে আকৌ আত্মহত্যাৰ ওপৰত এইটো মন্তব্য আগবঢ়াইছে যে ধর্মীয় দিশৰ ফালৰ পৰাও কিছুমান পৰিস্থিতি আৰু ব্যক্তি তেওঁলোকৰ মনৰ স্থিতি আৰু সামাজিক স্থানৰ ওপৰটো আত্মহত্যা নির্ভৰ কৰে। ইউমে এই নতুন ধাৰণাটো প্ৰথমে চাইছিল। থ'মিষ্টিক সকলৰ মতে এইটো ঈশ্বৰৰ আশা আৰু সিদ্ধান্তৰ বিপৰীতে জুৰা এটি বাট। হিউমৰ যুক্তি সমূহ তলৰ বক্তব্য কেইটিৰ ওপৰত নির্ভৰশীল —

(ক) যদিহে আমি ঈশ্বৰক কার্য্যাকৰণ নীতিৰ 'স্বর্গীয় আদেশ' ৰ সৃষ্টিকৰ বুলি ভাবু তেনেহ'লে ইয়াৰ বিপৰীতে জুৰাটো ভুল। কিন্তু এইটো সম্পূর্ণভাৱে গ্ৰহণযোগ্য নহয় কাৰণ বেমাৰ বা প্ৰাকৃতিক দুর্যোগৰ সময়ত এই নীতিৰ ব্যতিক্ৰম হোৱাও দেখা যায়।

(খ) যদি 'স্বর্গীয় আদেশ' ক ভগৱানৰ ইচ্ছা বুলি কোৱা হয়, তেনেহ'লে এইটো যুক্তিপূর্ণ হয় যে সুখ সৃষ্টি কৰিব পৰাটো গ্ৰহণযোগ্য। কোনোবাই যদি নিজৰ প্ৰাণৰ হত্যা কৰি সুখ পাব পাৰে, তেনেহ'লে এইটো এটা যুক্তিপূর্ণ কার্যই হয়।

(গ) যদি 'স্বর্গীয় আদেশ' ক ভগৱানৰ ইচ্ছা বুলিয়েই কোৱা হয়, তেনেহ'লে এইটোও ক'ব পাৰি যে আমাৰ সকলো কর্মই ভগৱানৰ ইচ্ছা। যদি এইটোয়ে হয়, তেনেহ'লে ভগৱানৰ ঐচ্ছিক অনৈচ্ছিক কর্ম বুলি একো কাম নাথাকে। গতিকে নিজৰ জীৱন লোৱাটোও ভগৱানৰ ইচ্ছাৰে প্ৰতিবিম্ব বুলি ক'ব লাগিব।

ইউমৰ মতে আত্মহত্যাই লোকৰ কর্তব্যৰ ব্যাঘাত নজন্মাই আৰু নিজৰ কর্মৰো ব্যাঘাত নজন্মাই আৰু নিজৰ কর্মৰো ব্যাঘাত নজন্মাই। কিছুমান পৰিস্থিতিত মানুহ এজন মাত্ৰ অন্য মানুহৰ বাবে বোজা হয় ৰয়। এনে ক্ষেত্ৰত আত্মহত্যাক হিউমৰ মতে গ্ৰহণযোগ্য বুলি ক'ব পৰা যায়। ইমানুয়েল কাণ্টে কিন্তু আত্মহত্যাৰ ধাৰণাটোক কোনো প্ৰকাৰে গ্ৰহণ কৰা নাই। তেওঁৰ মতে আমাৰ নীতিগত কর্তব্যই আমাৰ যুক্তিযুক্ততা থকা ইচ্ছা দর্শাই আৰু সেইকাৰণে আমাৰ যুক্তিয়ে আমাৰ নিজৰ সত্তাৰ ধ্বংস কৰা অনুমতি দিয়াটো অসম্ভৱ।

উনৈশ শতিকাত আৰু বিশ শতিকাৰ আগভাগত কিছু দার্শনিক যেনে ৰুছো, গোয়েথে আৰু ফ্লবার্ট আৰু সমাজবিজ্ঞানী যেনে ভাৰখায়েম আৰু লাপ্লেচ আৰু কিছুমান অন্য বিশেষজ্ঞই অন্য কিছুমান আত্মহত্যাৰ লগত জড়িত দার্শনিক চিন্তাধাৰাৰ বিকাশ আগবঢ়াইছে।

ৰুছো, গয়েথে আৰু ফ্লবার্টে আত্মহত্যাৰ বিষয়টো এনেদৰে আলোচনা কৰিছে যে আত্মহত্যা হৈছে এজন ভুল বুজা আৰু আত্মাভূগী আত্মাৰ প্ৰতিক্ৰিয়া যিটো দৰাচলতে প্ৰেমেৰে আৱৰি আছে কিন্তু সমাজে বর্জন কৰিছে।

দ্বিতীয়তে, মানসিকতত্ত্বৰ বিকাশো এই সময়ত হৈছে য'ত বহুতো বিশেষজ্ঞই আত্মহত্যাৰ সমস্যাটোৰ

কাৰণবোৰ নির্ণয় কৰি তাক ভালকৈ চিকিৎসা কৰিব পৰা যাতে যায় তাক চাইছে। শেষত, সমাজবিজ্ঞানী যেনে ডাৰখায়েম আৰু লাপ্লেছে কৈছে যে আত্ম হৈছে এক সামাজিক বেমাৰ যিয়ে এজন ব্যক্তিক সমাজৰ পৰা আতঁৰাই আনে আৰু যাৰ উৎপত্তি আধুনিকতাৰ বাবে হৈছে।

৯.৫ আত্মহত্যাৰ নৈতিকতা আৰু যুক্তিযুক্ততা

আমি ইতিমধ্যে আত্মহত্যাৰ ধাৰণা, বৈশিষ্ট্য, প্রতিক্রিয়া ইত্যাদি আলোচনা কৰিলো।

এতিয়া আহঁক আমি আলোচনা কৰো যে আত্মহত্যা নৈতিকভাৱে যুক্তিপূর্ণ হয় নে নহয় আৰু যুক্তিপূর্ণ ভাৱে গ্রহণযোগ্য হয় নে নহয়। এই বস্তুখিনি আলোচনা কৰাৰ আগত, আমি কিছুমান ধাৰণাৰ বিষয়ে জানিব লাগিব। সেই ধাৰণাসমূহ তলত উল্লেখ কৰা হ'ল —

৯.৫.১ নৈতিক অনুমতি প্রদান

কিছুমান এনে ধাৰণা আছে, যিয়ে আত্মহত্যাৰ ওপৰত পোহৰ পেলাই। আহঁক আমি সেই ধাৰণাসমূহৰ বিষয়ে জানো—

(ক) আত্মহত্যাৰ চর্তসমূহ নৈতিক ভাৱে যুক্তিপূর্ণ হ'ব লাগিব।

(খ) অইন ব্যক্তি সকলে বাৰু আত্মহত্যাক বাধা দিয়াত কিবা সিদ্ধান্ত হৈছে নে চাব লাগিব।

(গ) আত্মহত্যাক এক দোষ বুলি কোৱা উচিত নে ইয়াক নোহোৱা কৰিবলৈ চেষ্টা কৰিব লাগে।

(ঘ) আত্মহত্যা এক যুক্তিকৰ কার্য নে ইয়াৰ পৰা সতর্ক থকা ভাল।

যিহেতু এইটো আগতেই স্পষ্ট হ'ল যে কিছুমান ক্ষেত্রত কিছু দার্শনিকৰ মতে আত্মহত্যাক গ্রহণ কৰিব পৰা যায়, সেয়েহে যিবোৰ ক্ষেত্রৰ আত্মহত্যা গ্রহণযোগ্য তাত কোনো অন্য ব্যক্তি বা ৰাষ্ট্রই হস্তক্ষেপ কৰা উচিত নহয়। কিন্তু এইটোও কোৱা আছে যে অযুক্তিকৰ ভাৱে লোৱা আত্মহত্যাৰ সিদ্ধান্তসমূহ সদায় আনে হস্তক্ষেপ কৰাৰ দৰকাৰ কাৰণ তেনে কৰিলেহে তেনে কার্যৰ পৰা সাৱধান কৰিব পৰা যায়।

৯.৫.২ ধর্মীয় যুক্তি

কিছুমান যুক্তি যেনে থ'মিষ্টিক যুক্তিৰ মতে আত্মহত্যা নৈতিকভাৱে অনুমতি যোগ্য। কিন্তু এই যুক্তিবোৰ বহুত ক্ষেত্রত সমালোচিত হৈছে। আমি হিউমৰ আত্মহত্যাক বিৰোধিতা কৰা যুক্তিবোৰ আগতেই পাইছো। হিউমে কৈছে যে আত্মহত্যাই ঈশ্বৰে সৃষ্টি কৰা আইনৰ বিৰোধিতা কৰে। আহঁক আমি অইন কিছুমান যুক্তি বিচাৰ কৰো যিয়ে ব্যক্তি আৰু ঈশ্বৰৰ সর্ম্পকৰ বিষয়ে আলোচনা কৰিছো।

এনে যুক্তিৰ মতে আমি সকলোবোৰ হৈছো ঈশ্বৰৰ সম্পত্তি আৰু আত্মহত্যাক কেতিয়াও গ্ৰহণ কৰিব নোৱাৰি কাৰণ ইয়াৰ দ্বাৰা ঈশ্বৰৰ সম্পত্তিৰ ধ্বংস কৰা হয়। কিন্তু এই যুক্তিটো আকৌ বহুত ক্ষেত্ৰত সমালোচিত হৈছে।

প্ৰথমতে, যদিও আমি ঈশ্বৰৰ সম্পত্তি হয় কিন্তু আমি প্ৰত্যেক ক্ষেত্ৰতে ভগৱানৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। আমাৰ এক নিজৰ সুকিয়া আৰু স্বাধীন বিচাৰ আছে আৰু এই বিচাৰ কোনোবা সময়ত ঈশ্বৰৰ ইচ্ছাৰ লগত নিমিলিবও পাৰে।

দ্বিতীয়তে, ইয়ে এইটোক দেখুৱাই যে ঈশ্বৰৰ সম্পত্তিৰ ধ্বংস, ইয়াত য'ত মানুহক কোৱা হৈছে যে এইটো অৰ্থ নুবুজায় যে এইটো ঈশ্বৰৰ ধ্বংসও হ'ব।

তৃতীয়তে, ঈশ্বৰৰ মৰমীয়াৰ বুলি আখ্যা দিয়া হৈছে। যদি সেয়াই হয় তেনেহ'লে ভগৱানে নিজৰ সম্পত্তি, মানে মানব জীৱনৰ ধ্বংস কৰাৰ অনুমতি দিব, যদিহে সেই জীৱনটো অতিকৈ বেয়া হয়। অৱশেষত এইটো কোৱা হৈছে যে সম্পত্তিৰ ধ্বংসকৰণ নৈতিকভাৱে যুক্তিপূৰ্ণ হ'ব যদিহে সেই সম্পত্তিয়ে অধিকাৰিৰে অনিষ্ট কৰে। অন্যভাষাত ক'ব পাৰি যে এজনে নিজক হত্যা কৰাক নৈতিকভাৱে যুক্তিকৰ হ'ব যদিহে ভৱিষ্যতে তেওঁৰ পৰা লোকৰ একো অনিষ্ট নহয়। সেয়েহে দেখা গ'ল যে ধৰ্মীয় চিন্তাধাৰাই আত্মহত্যাক সহাৰি দিয়ে। ইয়ে এজনক হেৰাই যোৱা প্ৰেমৰ লগত মিলন ঘটাত সহায় কৰে আৰু আত্মাক সকলো ধৰণৰ যাতনাৰ পৰা মুক্ত হ'বলৈ সহায় কৰে।

৯.৫.৩ উদাৰমূলক দৃষ্টিভংগী আৰু আধুনিক বিকাশ

আমি ইতিমধ্যে আত্মহত্যাৰ ধাৰ্মিক ধাৰণাৰ বিষয়ে আলোচনা কৰিলো, এতিয়া আমি উদাৰমূলক ধাৰণাৰ বিষয়েআলোচনা কৰিম আৰু জানিম যে এই দৃষ্টিভংগীয়ে আত্মহত্যাক সমৰ্থন কৰিছে নে নাই। উদাৰমূলক দাৰ্শনিক সকলৰ মতে আত্মহত্যা নৈতিকভাৱে যুক্তিপূৰ্ণ কাৰণ এজন ব্যক্তিৰ আত্মহত্যা কৰাৰ অধিকাৰ আছে। কিন্তু ইয়ে এইটো নুবুজায় যে ই যুক্তিপূৰ্ণ।

দ্বিতীয়তে, উদাৰমূলক চিন্তাবিদ সকলে কয় যে আত্মহত্যাৰ অধিকাৰটো হৈছে এনে এক অধিকাৰ যে আনৰ কোনো কাৰণতে আনৰ সিদ্ধান্তত হস্তক্ষেপ কৰাৰ অধিকাৰ নাই। এই মতবাদে আৰু কয় যে ব্যক্তিৰ স্বাধীনতাৰ অধিকাৰ যিয়ে আনৰ সিদ্ধান্তক হস্তক্ষেপ কৰিব নালাগে। বুলি কয় যিয়ে অন্যক এনে কৰ্মৰ প্ৰতি সহায় আগবঢ়াবলৈ কয়।

তৃতীয়তে আত্মহত্যাক নৈতিকভাৱে যুক্তিকৰ বুলিব পাৰি কাৰণ আমি আমাৰ নিজৰ দেহৰ অধিকাৰী আৰু সেয়েহে আমাৰ নিজৰ দেহৰ অন্ত পেলোৱাৰ সম্পূৰ্ণ অধিকাৰ আছে।

শেষত, উদাৰবাদীসকলৰ মতে আত্মহত্যাক নৈতিকভাৱে শুদ্ধ বুলি ক'ব পাৰি যদিহে ইয়াৰ দ্বাৰা আনৰ কোনো অনিষ্ট নহয়। এইটো আমাৰ অধিকাৰ আৰু নৈতিক ভাৱে আমি যেতিয়াই মন যায় মৃত্যুক সাৱটি লোৱাটো যুক্তিপূৰ্ণ।

৯.৫.৪ সামাজিক আৰু কর্তব্য ভিত্তিক যুক্তি

ধর্মীয় আৰু উদাৰবাদী ধাৰণাৰ মতে এইটো সম্পূর্ণৰূপে স্পষ্ট যে আত্মহত্যাক নৈতিকভাৱে অনুমতিশীল কার্য। আহঁক আমি এতিয়া আত্মহত্যা সম্বন্ধীয় সামাজিক আৰু কর্তব্য ভিত্তিক যুক্তিসমূহ আলোচনা কৰো। এখন সমাজ ইয়াৰ সদস্যসকলৰ অর্থনীতিক আৰু সামাজিক উৎপত্তিৰ ওপৰত নির্ভৰশীল আৰু সদস্যসকল নিজৰ নিজৰ কর্তব্যৰ প্রতি দায়বদ্ধ আৰু সেয়েহে আত্মহত্যাক যুক্তিপূর্ণ বুলি ক'ব নোৱাৰি। আত্মহত্যাই ব্যক্তিৰ সমাজৰ প্রতি থকা নৈতিক অনুদানত বাধা প্রদান কৰে। সেয়েহে নিজৰ জীৱনটো শেষ কৰাটো নৈতিকভাৱে যুক্তিপূর্ণ নহয়। কিন্তু এই যুক্তিটো গ্রহণযোগ্য নহয় কিয়নো সমাজৰ নৈতিক অধিকাৰ থকা দেখুওৱাটো সহজ নহয় আৰু এইটোও দেখুওৱাও কঠিন যে সমাজৰ ইয়াৰ সদস্য সকলৰ ওপৰত তেওঁলোকৰ প্রতিভা আৰু উৎপাদনশীলতাৰ ওপৰত নৈতিক অধিকাৰ আছে। এইটো কোৱা যুক্তিপূর্ণ নহয় যে সমাজৰ এজন ব্যক্তিয়ে নিজৰ সামর্থ্য অনুযায়ী কাম কৰাটো দৰকাৰী আৰু একো চর্ততে তেওঁ নিজৰ কোনো অনিষ্ট কৰিব নোৱাৰিব। তথাপিটো আত্মহত্যা এনে ক্ষেত্রত ভুল য'ত নিজৰ সুবিধাতকৈ আনৰ সুবিধা বেছি। অন্য এক যুক্তিয়ে কয় যে সমাজ আৰু ইয়াৰ সদস্যসমূহৰ মাজত এক চত্বমূলক সম্পর্ক আছে যিটোয়ে এইটো দেখুৱাই যে এজন ব্যক্তিয়ে সমাজৰ চর্ত সমূহ সম্পূর্ণ নকৰাকৈ নিজৰ জীৱন শেষ কৰিব নোৱাৰে। কিন্তু এই যুক্তিয়েও আত্মহত্যাক অযুক্তিকৰ বুলি দেখুৱাব নোৱাৰে কিয়নো যদি সমাজ আৰু ব্যক্তিৰ সম্পর্ক চর্তমূলক হয় তেন্তে যদি সমাজে ব্যক্তিৰ চর্তসমূহ সম্পূর্ণ কৰিব নোৱাৰে, তেনেহ'লে ব্যক্তিৰ নিজৰ জীৱন শেষ কৰাৰ সম্পূর্ণ অধিকাৰ থাকে। গতিকে ইয়ে দেখুৱায় যে আত্মহত্যা নৈতিকভাৱে অনুমতিমূলক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ আত্মহত্যা কি?

প্রশ্ন ২ ঃ আত্মহত্যা নৈতিকভাৱে যুক্তিকৰ নে?

প্রশ্ন ৩ ঃ এনে এক দার্শনিকৰ নাম উল্লেখ কৰক যিয়ে আত্মহত্যাক নৈতিকভাৱে যুক্তিকৰ বুলি কয়।

প্রশ্ন ৪ঃ এজন ষ্টইক দার্শনিকৰ নাম উল্লেখ কৰক।

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আত্মহত্যা এনে এক কার্য যিয়ে ইচ্ছাকৃতভাৱে এজনে নিজৰ জীৱনৰ অন্ত পেলায়।
- প্লেটোৰ নিচিনা দার্শনিকে চক্রেটিছৰ সহায়ত এইটো আলোচনা কৰে যে নিজক মৃত্যুৰ আগত সমর্পন কৰাৰ আৰু আত্মহত্যাক নিষেধ বুলি ভৱাৰ মাজত কোনো মতানৈক্য নাই।
- আলোকিত দার্শনিক সকলে আত্মহত্যাৰ ধাৰণাটো ধর্মীয় দৃষ্টিভংগীৰে চাবলৈ চেষ্টা কৰিছে আৰু দেখিছে যে ব্যক্তি, তেওঁলোক মানসিক অৱস্থা আৰু সামাজিক ব্যৱস্থাৰ ওপৰত আত্মহত্যা নির্ভৰশীল।

- হিউমৰ মতে আত্মহত্যাই ব্যক্তিৰ আনৰ ওপৰত থকা দায়িত্বও অমান্য নকৰে আৰু ব্যক্তিৰ নিজৰ ওপৰৰ দায়িত্বও অমান্য নকৰে।
- ইমানুৱেল কাণ্টে আত্মহত্যাৰ ধাৰণাটোৰ সম্পূৰ্ণৰূপে বিৰোধিতা কৰে।
- কাণ্টৰ মতে আমাৰ নৈতিক দায়িত্বই আমাৰ যুক্তিপূৰ্ণ ইচ্ছাৰ প্ৰতিবিম্ব স্বৰূপ আৰু সেয়েহে একে যুক্তিপূৰ্ণ ইচ্ছাই নিজকে ধ্বংস কৰাৰ সমৰ্থন কৰাটো পৰস্পৰবিৰোধী যুক্তি।
- ৰুছো, গোয়থে আৰু ফ্লবার্টে আত্মহত্যাৰ বিষয়টো এনেদৰে আলোচনা কৰিছে যে আত্মহত্যা হৈছে এজন ভুল বুজা আৰু যাতনাভূগী আত্মাৰ প্ৰতিক্ৰিয়া যিটো দৰাচলতে প্ৰেমেৰে আৱৰি আছে কিন্তু সমাজে বৰ্জন কৰিছে।

৯.৭ অধিক জানিবলৈ

1. Alvarez, A. 1982, the savage god : A study of suicide. New York, Bentham.
2. Donnelly, J (ed), 1998, Suicide : Right or Wrong? Amherst, NY : Promthens.
3. Joiner, T. 2005, Why People Die by Suicide. Cambridge, Harvard University Press.
4. Shneidman, E.S. 1998, The Suicidal Mind, Oxford : Oxford University Press.

৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আত্মহত্যা হৈছে এনে এক কাৰ্য য'ত এজনে নিজৰ প্ৰাণ ইচ্ছাগত ভাৱে ত্যাগ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ডেভিড্ হিউম।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ খ্ৰাইচিপাচ্।

৯.৯ আহিঁ প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ আত্মহত্যা কি?

প্ৰশ্ন ২ ঃ এনে এজন দাৰ্শনিকৰ নাম উল্লেখ কৰক যি আত্মহত্যাৰ ধাৰণাটোক নৈতিকভাৱে যুক্তিকৰ বুলি কৈছে।

প্ৰশ্ন ৩ ঃ খ্ৰাইচিপাচ্ে লিখা কিতাপখনৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ এজন ষ্টইক্ দাৰ্শনিকৰ নাম উল্লেখ কৰক।

(খ) চমু প্রশ্ন (প্রায় **১৫০** শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন **১** ঃ আত্মহত্যাৰ বৈশিষ্ট্যসমূহ কি কি? চুটিকে আলোচনা কৰক।

প্রশ্ন **২** ঃ আত্মহত্যাৰ দার্শনিক ভাবধাৰাৰ বিকাশৰ বিষয়ে এটি চমু টোকা লিখক।

প্রশ্ন **৩** ঃ 'নিজৰ জীৱন সমাপ্ত কৰা নৈতিকভাৱে যুক্তিপূর্ণ' চমুকৈ আলোচনা কৰক।

প্রশ্ন **৪** ঃ আত্মহত্যাৰ উদাৰমূলক দৃষ্টিভংগীৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন **৫** ঃ আত্মহত্যাৰ সামাজিক যুক্তিৰ বিষয়ে চমুকৈ লিখক।

(গ) দীঘল প্রশ্ন (প্রায় **৩০০-৫০০** শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন **১** ঃ আত্মহত্যা নৈতিকভাৱে যুক্তিপূর্ণ নে? আলোচনা কৰক।

প্রশ্ন **২** ঃ আত্মহত্যাৰ ঐতিহাষিক পাশ্চাত্য ভাৱধাৰা সমূহ ব্যাখ্যা কৰক।

প্রশ্ন **৩** ঃ আত্মহত্যাৰ বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰক।

*** **** ***

অধ্যায় ১০ ঃ ইচ্ছামৃত্যুৰ প্ৰকৃতি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ইচ্ছামৃত্যু কি

১০.৩.১ ইচ্ছামৃত্যুৰ চিকিৎসা বিজ্ঞান নিৰ্ধাৰিত সংজ্ঞা

১০.৪ ইচ্ছামৃত্যুৰ প্ৰকাৰ

১০.৫ ঐতিহাসিক পটভূমি

১০.৫.১ প্ৰাৰম্ভিক আধুনিক কাল

১০.৫.২ আমেৰিকা যুক্তৰাষ্ট্ৰত চলা প্ৰাৰম্ভিক ইচ্ছামৃত্যু আন্দোলন

১০.৬ ইচ্ছামৃত্যু বিতৰ্ক

১০.৭ ন্যায়িক প্ৰস্থিতি

১০.৮ জীৱন নীতিৰ উৎকৰ্ষতা বনাম জীৱন নীতিৰ অলংঘণীয়তা

১০.৯ ইচ্ছামৃত্যু আৰু পৰম্পৰাগত নৈতিক প্ৰমূল্যসমূহ

১০.৯.১ প্ৰত্যক্ষ ইচ্ছামৃত্যুনে পৰোক্ষ ইচ্ছামৃত্যু

১০.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১১ অধিক জানিবলৈ

১০.১২ অগ্ৰগতিৰ খতিয়ান

১০.১৩ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ইচ্ছামৃত্যুৰ সংজ্ঞা দাঙি ধৰাৰ লগতে ইয়াৰ বিভিন্ন দিশ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱহাৰিক নীতিশাস্ত্ৰৰ এক অংশ হিচাপে বিষয়টোৰ সৈতে জড়িত চিকিৎসা নীতিশাস্ত্ৰ বুজিব পাৰিব
- সমসাময়িক পৰিঘটনাৰ ব্যৱহাৰিক নীতি শাস্ত্ৰৰ এক জ্বলন্ত সমস্যা হিচাপে ইচ্ছামৃত্যুৰ তাৎপর্য বিশ্লেষণ কৰিব পাৰিব
- ইচ্ছামৃত্যুৰ জীৱন নীতিৰ উৎকৰ্ষতা আৰু জীৱন নীতিৰ অলংঘনীয়তাৰ সৈতে থকা সম্পর্ক বর্ণনা কৰিব পাৰিব।

১০.২ পৰিচয়

দৰ্শন শাস্ত্ৰৰ বহল পৰিসৰৰ অধীনস্থ নৈতিক দৰ্শন (Moral Philosophy) ৰ এটা প্ৰধান আলোচ্য বিষয় হ'ল নীতিশাস্ত্ৰ (Ethics)। নীতিশাস্ত্ৰৰ আলোচনা কালত আমি ইয়াক বিভিন্ন শাখাত ভগাই ল'ব পাৰোঁ, যেনে- ১) আদৰ্শমূলক নীতিশাস্ত্ৰ /Mormative Ethics, ২) বিশ্লেষণাত্মক নীতিশাস্ত্ৰ (অথবা তত্ত্বমীমাংসীয় নীতি /Meta Ethics আৰু ৩) ব্যৱহাৰিক নীতিশাস্ত্ৰ (Applied Ethics) । আদৰ্শমূলক নীতিশাস্ত্ৰই কোনো কাৰ্যক ভাল অথবা বেয়া বুলি বিচাৰ কৰাৰ স্বীকৃত মানবোৰৰ বিষয়ে আলোচনা কৰে। বিশ্লেষণাত্মক নীতিশাস্ত্ৰই বিভিন্ন নৈতিক অভিধা বিশ্লেষণ কৰে। ব্যৱহাৰিক নীতিশাস্ত্ৰই কোনো ব্যক্তিৰ চিৰাচৰিত জীৱনত দেখা দিয়া ব্যৱহাৰিক সমস্যাবোৰৰ বিষয়ে আলোচনা কৰে। সমসাময়িক কালত সমগ্ৰ বিশ্বতে আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰা বিষয়টো হ'ল ব্যৱহাৰিক নীতিশাস্ত্ৰ। ব্যৱহাৰিক নীতিশাস্ত্ৰৰ উপ-বিভাগ দুটামান হ'ল- ব্যৱসায় ন্যায়নিষ্ঠতা, পাৰিপাৰ্শ্বিক ন্যায়নিষ্ঠতা, চিকিৎসা ন্যায়নিষ্ঠতা আৰু অন্যান্য বৃত্তিৰ সৈতে জড়িত ন্যায়নিষ্ঠতা। ব্যৱহাৰিক নীতিশাস্ত্ৰই মূলতঃ আমাৰ বৃত্তি, ব্যৱহাৰিক জীৱণ আৰু চৌপাশৰ পৰিৱেশৰ সৈতে জড়িত নৈতিক (ন্যায়নিষ্ঠতাৰ প্ৰশ্ন সংলগ্ন) বিষয়বোৰ আলোচনা কৰে। ইচ্ছামৃত্যু (Euthanasia) হ'ল চিকিৎসা বিজ্ঞানৰ ন্যায়নিষ্ঠতাৰ সৈতে জড়িত এটা সমস্যা। সাম্প্ৰতিক সময়ত এই বিষয়টোৰ আলোচনাই এক গুৰুত্বপূৰ্ণ ৰূপ ধাৰণ কৰিছে।

বিশ্বৰ সৰ্বত্ৰ পৰিলক্ষিত হোৱা টো শোকাৱহ পৰিঘটনা হ'ল মানুহ বিভিন্ন কাৰণত জীৱন মৃত্যুৰ সন্ধিক্ষণত দীৰ্ঘদিনৰ বাবে ৰৈ যাবলগীয়া হোৱাটো। কৰ্কটৰ দৰে মাৰাত্মক ৰোগত ভোগা অথবা ভয়ানকভাৱে অগ্নিদগ্ধ হোৱা বহু লোক অসহনীয় যন্ত্ৰণাৰে সৈতে জীয়াই থাকিবলগীয়া হৈছে। এনে যাতনাই ভুক্তভোগীক শেষ নিশ্বাস নপৰালৈকে কোঙা কৰি ৰাখে। বহুতো লোকে ভয়াহব দূৰ্ঘটনাত পতিত হৈ চিনাকী ব্যক্তিত্ব হেৰুৱাই পেলায়। এনে লোকে আনকি কেতিয়াবা অন্য লোকৰ পৰা মৃত্যু বিচৰাৰ সামৰ্থও হেৰুৱাই পেলায়। ইয়াৰ উপৰি পৃথিৱীত বহু শিশুইনানা দৈহিক বিসংগতিৰে জন্ম লাভ কৰে। মস্তিষ্ক নোহোৱাকৈ জন্ম লাভ কৰা শিশু এটাৰ সকলো দিশৰে পৰা একোটা অৰ্থবহ জীৱনৰ গৰাকী হৈ জীয়াই থকাৰ কোনো সম্ভাৱনা নাথাকে। এতিয়া প্ৰশ্ন হ'ল- আমি এনে লোকক জীয়াই ৰখাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱা উচিতনে কোনো এটা পৰ্যায়ত এনে লোকৰ জীৱনৰ সামৰণি মৰা উচিত অথবা এনে লোকক নিজ ইচ্ছামতে মৃত্যুবৰণ কৰাৰ সুযোগ দিয়া উচিত? যাতে, তেওঁলোক জীৱনৰ বোজাৰ পৰা অথবা অৰ্থহীন অস্তিত্ব এটা বৰ্তাই ৰখাৰ পৰা মুক্ত হ'ব পাৰে? এই প্ৰশ্নৰ উত্তৰতে ইচ্ছামৃত্যু অথবা 'কাৰুণিক মৃত্যুদান' (Mercy Killing) ৰ বিষয়টো প্ৰাসংগিক হৈ পৰে।

১০.৩ ইচ্ছামৃত্যু কি

ইচ্ছামৃত্যু বুজোৱা 'Euthanasia' শব্দটো মূলতঃ এটা চিকিৎসা শাস্ত্ৰৰ সৈতে জড়িত শব্দ। ই দুটা গ্ৰীক শব্দৰ সন্ধি। শব্দ দুটা হ'ল 'Eu' আৰু 'thanatos'। ইয়াৰ অৰ্থ হ'ল 'এটা সু-মৃত্যু' (a good death) । ইয়াত 'Eu' মানে হ'ল ভাল সু ('well অথবা good') আৰু 'thanatos' মানে হ'ল মৃত্যু(death)। বিষ-বেদনা আৰু যন্ত্ৰণাৰ পৰা মুক্ত হ'বলৈ নিজ ইচ্ছাৰে জীৱনৰ সামৰণি মৰাৰ অনুশীলনকে 'ইচ্ছামৃত্যু' বোলে। বৰ্তমান 'ইচ্ছামৃত্যু' বুলিলে

সাধাৰণভাৱে এটা 'ভাল মৃত্যু' অথবা 'কৰুণাবশতঃ প্ৰদান কৰা মৃত্যু'ৰ কথা বুজোৱা হয়। এনে মৃত্যুত A নামৰ ব্যক্তিগৰাকীয়ে 'B' নামৰ ব্যক্তি এগৰাকীৰ স্বাৰ্থত 'B' ক এক বিশেষ ধৰণৰ শাৰীৰিক-মানসিক যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ জীৱনৰ পৰা মুক্তি দিয়ে। যন্ত্ৰণাৰ পৰা এগৰাকী ব্যক্তিক ইচ্ছাকৃতভাৱে মুক্তি দিবলৈ মৃত্যুদান কৰা অনুশীলনটোৱেই হ'ল ইচ্ছাকৃতভাৱে মুক্তি দিবলৈ মৃত্যুদান কৰা অনুশীলনটোৱেই হ'ল ইচ্ছামৃত্যু। ইচ্ছামৃত্যুক অন্যৰ সহযোগিতাৰে ক্ষ্মৰা আত্মহত্যা, চিকিৎসকৰ সহায়ত কৰা আত্মহত্যা (মৃত্যু),চিকিৎসকৰ সহায়ত কৰা মৃত্যুবৰণ (আত্মহাত্যা) বুলিও কোৱা হয়। ইয়াক প্ৰচলিত কথোপকথনত 'কাৰুণিক মৃত্যু' অথবা 'কৰুণাবশতঃ প্ৰদান কৰা মৃত্যু' বুলিও কোৱা হয়। কোনো ব্যক্তিয়ে অনুমান কৰিব নোৱাৰা (দীৰ্ঘদিনীয়া, অপ্ৰতিৰোধ্য) যন্ত্ৰণাৰ পৰা মুক্ত হ'বলৈ জীৱনৰ ওৰ পেলাবলৈ ইচ্ছাকৃতভাৱে এই কাৰ্য কৰাৰ কথা প্ৰকাশ কৰিব পাৰে।

১০.৩.১ ইচ্ছামৃত্যু কি

চিকিৎসা বিজ্ঞান বিষয়ক গ্ৰন্থৰ ইতিহাস অধ্যায়নৰ পৰা গম পোৱা যায় যে কোনো নিৰাময় বিহীন ৰোগত ভূমি থকা ব্যক্তিৰ যন্ত্ৰণাৰ অৱসান ঘটাবলৈ ইচ্ছাকৃতভাৱে মৃত্যুদান কৰা কাৰ্যটোৱেই হ'ল ইচ্ছা মৃত্যু। মেডিলেক্সিক'নৰ চিকিৎসা বিজ্ঞান অভিধানৰ মতে- ইচ্ছামৃত্যু হ'ল ঃ "এটা নীৰৱ আৰু যন্ত্ৰণাহীন মৃত্যু" অথবা "এক কৰুণাময় কাৰ্য ৰূপে কোনো ব্যক্তিক নিৰাময় বিহীন অথবা যন্ত্ৰণাদায়ক ৰোগৰ পৰা মুক্তি দিবলৈ ইচ্ছাকৃত ভাৱে মৃত্যুদান কৰা।" কিছুমান আকৌ যন্ত্ৰণাহীন ভাৱেজীৱনৰ ওৰ পেলোৱাৰ অনুশীলনটোক ইচ্ছা মৃত্যু বোলে।

১০.৪ ইচ্ছামৃত্যুৰ প্ৰকাৰ

ৰোগীৰ দশা আৰু তেওঁৰ চৌপাশে থকা লোকৰ অভিপ্ৰায় অনুসৰি ইচ্ছামৃত্যুক দুটা বহল ভাগত ভগাব পাৰি। প্ৰথম ভাগটোক আকৌ তিনিটা উপ-শাখাত বিভক্ত কৰা হয়। উপ-শাখা তিনিটা হ'ল—১) স্বেচ্ছিক ইচ্ছামৃত্যু (Voluntary Euthanasia) ২) অনা-স্বেচ্ছিক ইচ্ছামৃত্যু (Non Voluntary Euthanasia) ৩) অনৈচ্ছিক ইচ্ছামৃত্যু (Involuntary Euthanasia)

১) স্বেচ্ছিক ইচ্ছামৃত্যু (Voluntary Euthanasia) ঃ ৰোগীৰ সম্মতিসাপেক্ষে এনে ইচ্ছামৃত্যু ঘটোৱা হয়। কোনো ৰোগীয়ে সচেতনভাৱে মৃতুৰ সিদ্ধান্ত ল'ব আৰু অন্যৰ পৰা প্ৰয়োজনীয় সহায় বিচাৰিব পাৰে। যেতিয়া কোনো ৰোগীয়ে কোনো চিকিৎসকল সহায়ত মৃত্যুবৰম কৰে, তেনে মৃত্যুক প্ৰায়েি সহায়প্ৰাপ্ত আত্মহত্যা (assisted suicide) বোলা হয়। ২০০৯ চনৰ পৰা বেলজিয়াম, লাক্সেমবাৰ্গ, নেডাৰলেণ্ড, চুইজাৰলেণ্ড আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ অ'ৰেগ'ন তথা ৱাশ্বিংটনত স্বেচ্ছিক ইচ্ছামৃত্যুক বৈধতা প্ৰদান কৰা হৈছে।

২) অনা-স্বেচ্ছিক ইচ্ছামৃত্যু (Non Voluntary Euthanasia) ঃ যদি কোনো ৰোগী সম্মতি জনাব পৰা অৱস্থাত নাথাকে (যেনে- ক'মাত থকা ৰোগী অথবা মস্তিষ্কৰ গুৰুতৰ ক্ষতি হোৱা ৰোগী), তেন্তে তেওঁৰ হৈ অন্য কোনো ব্যক্তিয়ে এনে মৃত্যুৰ সিদ্ধান্ত লয়। এনে পৰিস্থিতিত ৰোগীয়ে জীৱন শেষ কৰাৰ ইচ্ছা পূৰ্বতে ব্যক্ত

কৰিছিল আৰু প্ৰায়েই সেই ইচ্ছাকে আধাৰ হিচাপে লৈ অন্যাসকলে পৰৱৰ্তী সময়ত ইচ্ছামৃত্যুৰ সিদ্ধান্ত লয়।

৩) অনৈচ্ছিক ইচ্ছামৃত্যু (Involuntary Euthanasia) ঃ ৰোগীৰ সম্মতি অবিহনে এনে ইচ্ছামৃত্যু ঘটোৱা হয়। ৰোগী কোনো ধৰণে নিজাকৈ সিদ্ধান্ত ল'বলৈ অসমৰ্থ হ'লে অন্য লোকে তেওঁৰ হৈ এই সিদ্ধান্ত হয়। অৰ্থাৎ, এনে অৱস্থাত ৰোগীৰ ইচ্ছা প্ৰকাশিত নোহোৱাকৈয়ে তেওঁক মৃত্যুদান কৰা হয়।

পৰিস্থিতি সাপেক্ষে স্বেচ্ছিক আৰু অনা-স্বেচ্ছিক ইচ্ছামৃত্যুক স্বেচ্ছিক নৰ হত্যা (voluntary manslaughter/ এজনে আন এজন ব্যক্তিক হত্যা কৰা কাৰ্য, কিন্তু পৰিস্থিতিয়ে এনে কাৰ্যক আংশিকভাৱে বৈধতা প্ৰদান কৰে) অথবা হত্যা বুলি গণ্য কৰিব পাৰি। অনৈচ্ছিক ইচ্ছামৃত্যুক প্ৰায়েই হত্যা বুলি গণ্য কৰা হয়।

ইচ্ছামৃত্যুৰ দ্বিতীয় বহল ভাগটোক কাৰ্য প্ৰণালী সম্বন্ধীয় ইচ্ছা মৃত্যু বোলা হয়। ইয়াৰ দুটা উপ-শাখা আছে- প্ৰত্যক্ষ ইচ্ছামৃত্যু (Active Euthanasia) আৰুপৰোক্ষ ইচ্ছামৃত্যু (Passive Euthanasia)।

- প্ৰত্যক্ষ ইচ্ছামৃত্যু ঃ কোনো ৰোগী / ব্যক্তিক যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ প্ৰাণে মৰা কাৰ্যটোকে প্ৰত্যক্ষ ইচ্ছামৃত্যু বোলে। এই কাযচ্ছৰ দ্বাৰা এগৰাকী ব্যক্তিয়ে অন্য এগৰাকীৰ জীৱনৰ ওৰ পেলাবলৈ ইচ্ছাকৃতভাৱে হস্তক্ষেপ কৰে। এনে মৃত্যুৰ বাবে অৱসাদক দ্ৰব্য (sedative) ৰ পৰিমাণ অত্যাধিক কৰি ৰোগী/ ব্যক্তিক ইঞ্জেক্শ্যন দিয়া হয়। কেতিয়াবা মৃত্যু ঘটাবলৈ মাৰাত্মক দ্ৰব্য অথবা বলো প্ৰয়োগ কৰা হয়। ৰোগী/ ব্যক্তিয়ে নিজে অথবা অন্য কোনোবাই প্ৰত্যক্ষভাৱে জীৱনৰ ওৰ পেলোৱা কাৰ্যটোকে প্ৰত্যক্ষ ইচ্ছা মৃত্যু বোলে।
- পৰোক্ষ ইচ্ছামৃত্যু ঃ কোনো ব্যক্তিক যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ পৰোক্ষ ইচ্ছামৃত্যুৰ সহায় লোৱা হয়। ব্যক্তিগৰাকীক জীয়াই ৰাখিব পৰা সকলো ধৰণৰ কাৰ্য কৰাৰ পৰা বিৰত থকাটোৱেই হ'ল পৰোক্ষ ইচ্ছামৃত্যু। এনে মৃত্যুৰ বাবে জীৱন বৰ্তাই ৰাখিবলৈ প্ৰয়োজনীয় চিকিৎসা গ্ৰহণৰ পৰা ৰোগী আঁতৰি থাকে অথবা চিকিৎসা বাদ দিয়ে (যেনে- নিউম'নিয়াত আক্ৰান্ত ব্যক্তিয়ে এণ্টিবায়'টিকচ্ সেৱন কৰা বাদ দিব পাৰে)। ইচছামৃত্যুৰ ঘটনা এটাক (প্ৰত্যক্ষ অথবা পৰোক্ষ) তেতিয়াহে স্বেচ্ছিক বুলি কোৱা হয়, যেতিয়া কোনো পৰিস্থিতিত সংশ্লিষ্ট ব্যক্তিগৰাকীয়ে মৃত্যুৰ ইচ্ছা সদৰি কৰে। যদি সংশ্লিষ্ট ব্যক্তিগৰাকীয়ে মৃত্যু বাঞ্ছা নকৰে, তেন্তে তেনে মৃত্যুক অনৈচ্ছিক বুলি ধৰা হয়। যাৰ কোনো এচ্ছা প্ৰকাশ কৰাৰ সামৰ্থ নাথাকে(গুৰুতৰ শাৰীৰিক ক্ষতিৰ বাবে) তেনে ব্যক্তিৰ ইচ্ছামৃত্যুক অনা-স্বেচ্ছিক বুলি কোৱা হয়।

অগ্ৰগতি নিৰীক্ষণ

১) খালী ঠাই পূৰণ কৰকঃ

(ক) ( ) শব্দটোৰ গ্ৰীক শব্দ.....ৰ পৰা উদ্ভৱ হৈছে।

২) ইচ্ছামৃত্যু কি?

৩) প্ৰত্যক্ষ আৰু পৰোক্ষ ইচ্ছামৃত্যু কি?

৪) স্বেচ্ছিক, অনা-স্বেচ্ছিক আৰু অনৈচ্ছিক ইচ্ছামৃত্যু কি?

১০.৫ ঐতিহাসিক পটভূমি

অষ্টাদস শতিকাৰ আৰম্ভণিৰে পৰাই আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, পশ্চিম ইউৰোপ আৰু অষ্ট্ৰেলেচিয়া অঞ্চলত ইচ্ছামৃত্যুক লৈ বিতর্ক চলি আহিছে। আমেৰিকাৰ নেশ্যনেল ইনষ্টিটিউট অৱ হেলথ্ বায়'এথিষ্টৰ জৈৱ-নৈতিকতাবাদী ইৱেকিয়েল ইমানুৱেল (জন্ম ১৯৫৭ চন)ৰ মতে এনাস্থেচিয়া সহজলভ্য হোৱাৰ লগে লগে ইচ্ছামৃত্যুৰ আধুনিক যুগৰ সূচনা হৈছে। ১৯৩৫ চনত ইংলেণ্ডত আৰু ১৯৩৮ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত ইচ্ছামৃত্যু সমাজবোৰৰ উত্থান ঘটিছিল। ১৯৩৭ চনৰ পৰা চুইজাৰলেণ্ডত চিকিৎসকৰ সহায় লৈ কৰা আত্মহত্যাক বৈধ বুলি মানি লোৱা হৈছে। যিসকল ৰোগীৰ জীৱনৰ পৰা আৰু একো পোৱাৰ কোনো আশা নাই তেনে ৰোগীক চিকিৎসকে মৃত্যুবৰণ কৰাত সহায় কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ আইনৰ অধ্যাপক গ্লেনভিল্ ৱিলিয়ামচ্ (১৯১১-১৯৯৭) আৰু এপিস্কোপেল ধর্মযাজক (যিয়ে পাছলৈ নিজকে এজন নাস্তিক বুলি ঘোষণা কৰিছিল) জোচেফ ফ্লেট্চ্ছাৰ (১৯০৫-১৯৯১) এ ইচ্ছামৃত্যুৰ পোষকতা কৰিছিল। ১৯৬০ ৰ দশকত ইচ্ছামৃত্যুৰ সপক্ষত মৃত্যুৰ অধিকাৰৰ পোষকতা কৰা লোকৰ সংখ্যা বৃদ্ধি পাইছিল।

ইতিহাসবিদ এন. ডি.এ কেম্পৰ মতে ১৮৭০ চনত ইচ্ছামৃত্যু বিষয়ক সমসাময়িক বিতর্কৰ সূচনা হৈছিল। কিন্তু তাৰো বহু আগৰে পৰা ইচ্ছামৃত্যু সম্পর্কীয় বিতর্ক আৰু ইচ্ছামৃত্যু সম্পর্কীয় বিতর্ক আৰু ইচ্ছামৃত্যুৰ অনুশীলন চলি আহিছে। প্ৰাচীন গ্ৰীচআৰু ৰোমত ইচ্ছামৃত্যুৰ প্ৰথা প্ৰচলিত আছিল। যেনে- কিয়া দ্বীপ আৰু মার্চিলিছত মৃত্যু খৰতকীয়া কৰাৰ উপায় ৰূপে হেমলক্ বিষ পান কৰিবলৈ দিয়া হৈছে। প্ৰাচীন বিশ্বৰ চক্ৰেটিছ, প্লেট' আৰু চেনেকা(জেষ্ঠ)ৰ দৰে স্বনামধন্য লোকসকলে মৃত্যু ইচ্ছাকৃতভাৱে দ্ৰুত কৰাৰ উপায় হিচাপে ইচ্ছামৃত্যুৰ সমর্থন কৰিছিল। অৱশ্যে হিপ'ক্ৰেটিছ এই অনুশীলনৰ বিৰোধী আছিল। তেওঁ লিখিছিল, "মই কাকো সন্তুষ্ট কৰিবলৈ মাৰাত্মক দ্ৰব্য সেৱনৰ পৰামর্শও দিব নোৱাৰো অথবা ব্যক্তিৰ মৃত্যুৰ কাৰণ হ'ব পৰা কোনো উপদেশো দিব নোৱাদ্দৰো।"

১০.৫.১ প্ৰাৰম্ভিক আধুনিক কাল

কাৰোবাৰ মৃত্যুবৰণ কৰা কার্যক সমর্থনকাৰী (Euthanasia) বোলা অভিধাটো পোন প্ৰথমে ফ্ৰান্সিচ বেকন (১৫৬১-১৬২৬) এ তেওঁৰ লেখনীত উল্লেখ কৰিছিল। বেকনে 'EuthanasiaMedica' নামৰ ৰচনাখনত এই প্ৰাচীন গ্ৰীক শব্দটো ব্যৱহাৰ কৰিছিল। ('Euthanasia interior') মানে হ'ল আত্মাৰ মৃত্যুৰ বাবে সাজু হোৱা প্ৰক্ৰিয়া আৰু ('Euthanasia exterior') মানে হ'ল বিশেষ পৰিস্থিতিত জীৱন কাল চমু কৰি মৃত্যুক সহজ আৰু যন্ত্ৰণাবিহীণ কৰি তোলা কার্য। আধুনিক যুগৰ আৰম্ভণিতে পুনৰবাৰ সহজ মৃত্যুৰ প্ৰাচীন ধাৰণাটোৱে গুৰুত্ব লাভ কৰিছিল। অষ্টাদশ শতিকাৰ (Zedlers Universallexikon) ত থকা ইচ্ছামৃত্যুৰ সংজ্ঞাটো হ'ল "যন্ত্ৰণাদায়ক কঁপনি নুঠাকৈ ঘটা এটা অতি শান্ত আৰু নীৰৱ মৃত্যু।"

চিকিৎসা বিজ্ঞান ইতিহাসবিদ কার্ল ফ্ৰেডৰিখ্ হেইনৰিখ্ মার্ক্সেও মৃত্যু প্ৰক্ৰিয়াটো সহনীয় কৰি তোলা ইচ্ছামৃত্যুৰ ধাৰণাটো আলোচনা কৰিছিল। তেওঁ বেকনৰ দার্শনিক চিন্তা-চর্চাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। মার্ক্সৰ মতে

উৎসাহজনক কথাৰে, সহায় সমৰ্থন আগবঢ়াই আৰু দৰৱ ব্যৱহাৰেৰে যন্ত্ৰণাৰ উপশম ঘটাই ৰোগীৰ মৃত্যু যন্ত্ৰণা লাঘৱ কৰাটো হ'ল চিকিৎসকৰ নৈতিক কৰ্তব্য। সমসাময়িক (Zeitgeist) ধাৰণাটেৰ মাজতো মৃত্যু যন্ত্ৰণা সহনীয় কৰি তোলা চিন্তাৰ প্ৰতিফলন দেখা যায়। কিন্তু বিষয়টোক চিকিৎসকৰ দায়িত্বৰ সৈতে পোণ প্ৰথমবাৰৰ বাবে সাঙোৰা ব্যক্তিগৰাকী হ'ল মাৰ্ক্স । তেওঁ ৰুগীয়া ব্যক্তিৰ আত্মাৰ ধৰ্মতাত্ত্বিক যত্ন আৰু ৰুগীয়া ব্যক্তিৰ চিকিৎসকে লোৱা শাৰীৰিক যত্নৰ মাজত থকা প্ৰভেদ বুজাতো জোৰ দিছিল।

আধুনিক অৰ্থবহনকাৰী ইচ্ছামৃত্যুৰ ধাৰণাটোৰ ইহুদী-খৃষ্টান পৰম্পৰাই তীব্ৰ বিৰোধিতা কৰি আহিছে। থ'মাছ একুইনাচে যুক্তি দৰ্শাইছিল যে ইচ্ছামৃত্যুৰ অনুশীলনে আমাৰ অস্তিত্ব বৰ্তাই ৰখাৰ স্বাভাৰিক মানৱীয় প্ৰবৃত্তিৰ সৈতে পৰস্পৰ বিৰোধিতাৰ সৃষ্টি কৰে। কিন্তু জন ডান (১৬২৪) ৰ দৰে আন বহুতে ইচ্ছামৃত্যুৰ প্ৰতি সমৰ্থনো আগবঢ়াইছিল। প্ৰবুদ্ধিৰ যুগত াগতকৈ অধিক লোকে এই ধাৰণাটেঙ্গ মানি লৈছিল। থ'মাছ ম'ৰে তেওঁৰ গ্ৰন্থ (Utopia)ত ইচ্ছামৃত্যুৰ কথা উল্লেখ কৰিছে। অৱশ্যে তেওঁ ইচ্ছামৃত্যুৰ অনুশীলনৰ পোষকতা কৰিছিলনে নাই সেয়া স্পষ্টকৈ বুজা নাযায়। বিভিন্ন সংস্কৃতিয়ে ইচ্ছামৃত্যুক বিভিন্ন ধৰণে গ্ৰহম কৰে। যেনে, জাপানত আত্মহত্যাক পৰম্পৰাগতভাৱে পাপ বুলি গণ্য কৰা নহয়। অতীজত ইয়াক সন্মান ৰক্ষা কৰাৰ এক পন্থাৰূপে অনুশীলন কৰা হৈছিল। ঠিক একেদৰে, বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকে ইচ্ছামৃত্যুৰ ধাৰণাটো ভিন ভিন প্ৰকাৰে বুজে আৰু অনুশীলন কৰে।

১০.৫.২ আমেৰিকা যুক্তৰাষ্ট্ৰত চলা প্ৰাৰম্ভিক ইচ্ছামৃত্যু আন্দোলন

আমেৰিকা যুক্তৰাষ্ট্ৰত তথাকথিত সোণালী যুগৰ লগে লগে ইচ্ছামৃত্যু সমৰ্থনকাৰী আন্দোলনেও গা কৰি উঠিছিল। এই যুগটো আছিল সামাজিক আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ যুগ। এই যুগটোৱে 'চৰকাৰৰ অনাহস্তক্ষেপ নীতিৰে পৰিচালিত অৰ্থনীতিৰ প্ৰশংসাকাৰী, বৈজ্ঞানিকপদ্ধতি আৰু যুক্তিবাদীতাৰ সমৰ্থনকাৰী ব্যক্তিগতকৃত সংৰক্ষণবাদীতা'ৰ প্ৰতিনিধিত্ব কৰিছিল। একেটা যুগতে বহুকেইটা গুৰুতৰ মন্দাৱস্থায়ো দেখা দিছিল, ঔদ্যোগিকীকৰম ঘটিছিল তথা বৃহৎ নিগম আৰু শ্ৰমিক সংঘবোৰৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। এই সময়ছোৱাতে আধুনিক চিকিৎসালয় ব্যৱস্থাৰ বিকাশ ঘটিছিল। এই কথাটোকে ইচ্ছামৃত্যু বিতৰ্কৰ উত্থানৰ আঁৰৰ এটা প্ৰধান কাৰক বুলি গণ্য কৰা হয়।

১৮৯৪ চনত ৰ'বাৰ্ট ইংগাৰচ'লে ইচ্ছামৃত্যুৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছিল। যদি কোনো ব্যক্তি চৰম পৰ্যায়ৰ কৰ্কটৰোগৰ দৰে আৰোগ্যৰ পথবিহীন কোনো গুৰুতৰ ৰোগত আক্ৰান্ত, তেন্তে তেনে ব্যক্তিৰ আত্মহত্যাৰ সহায়ত যন্ত্ৰণাৰ পৰা মুক্তি লভাৰ অধিকাৰ আছে। ফেলিক্স এড্‌লাৰেও বিষয়টো সন্দৰ্ভত একেধৰণৰ মত পোষণ কৰিছিল। অৱশ্যে এড্‌লাৰে ইংগাৰচল্লৰ দৰে ধৰ্মক প্ৰত্যাখ্যান কৰা নাছিল। তাৰ পৰিৱৰ্তে এড্‌গাৰে বিষয়টো সন্দৰ্ভত নৃগোষ্ঠীয় সাংস্কৃতিক সংৰচনা এটাৰ দিশেৰে যুক্তি দৰ্শাইছিল। ১৮৯১ চনত এড্‌লাৰে এই বুলি যুক্তি দাঙি ধৰিছিল যে যিসকলে অসহ্যকৰ যন্ত্ৰণাত ভোগে তেওঁলোকৰ আত্মহত্যা কৰাৰ অধিকাৰ আছে আৰু সেয়েহে এই কাৰ্যত সহায়তা কৰিবলৈ চিকিৎসকক অনুমতি দিয়া উচিত। এনেবোৰ যুক্তিৰ বাবে এড্‌লাৰক দীৰ্ঘদিনীয়া অসুস্থতাত ভুগি থকা লোকৰ আত্মহত্যাৰ অধিকাৰৰ সপক্ষে যুক্তি দৰ্শোৱা প্ৰথমগৰাকী স্বনামধন্য আমেৰিকান বুলি গণ্য কৰা হয়। নিৰাময় ৰিহীন ৰোগত ভুগি থকা প্ৰাপ্তবয়স্ক লোকৰ স্বৈচ্ছিক ইচ্ছামৃত্যুৰ অধিকাৰক ইংগাৰচ'ল আৰু এড্‌লাৰ

দুয়োজনে সমৰ্থন কৰিছিল। সেয়েহে ডাঙবিগিনে কৈছিল যে ইচ্ছামৃত্যু আৰু আত্মহত্যা সন্দৰ্ভত থকা নৈতিক বিৰোধিতাৰ প্ৰাচীৰ ভাঙি ইংগাৰচ'ল আৰু এড'লাৰ দুয়োজনে ইচ্ছামৃত্যুৰ সংজ্ঞাৰ পৰিধি অধিক ব্যাপক কৰি তুলিছিল।

১৯০৬ চনত অ'হাইঅ'ত বহা সাধাৰণ সভাত হেন্ৰী হাণ্টে পোন প্ৰথমবাৰৰ বাবে ইচ্ছামৃত্যুক বৈধ ৰূপ দিয়াৰ চেষ্টা চলাইছিল। প্ৰচুৰ সা-সম্পত্তিৰ গৰাকী এনা হল নামৰ মহিলাগৰাকীৰ অনুৰোধত হাণ্টে এই প্ৰচেষ্টা চলাইছিল। এনা হলক আমেৰিকা যুক্তৰাষ্ট্ৰত বিংশ শতিকাৰ আৰম্ভণিত চলা ইচ্ছামৃত্যু আন্দোলনৰ এগৰাকী প্ৰধান নেত্ৰী বুলি অভিহিত কৰা হয়। হলৰ মাতৃয়ে যকৃতৰ কৰ্কট ৰোগত দীৰ্ঘদিন যন্ত্ৰণা ভুগি মৃত্যুবৰণ কৰিছিল। এই কথাই তেওঁক অন্য ৰোগীৰ যন্ত্ৰণা লাঘৱ কৰাৰ কামত জীৱন উচৰ্গা কৰাৰ সিদ্ধান্ত ল'বলৈ বাধ্য কৰাইছিল। নিজ উদ্দেশ্যত সফল হ'বলৈ এনা হলে এটা বিস্তৃত পত্ৰ লেখন অভিযান আৰম্ভ কৰিছিল। ইয়াৰ বাবে তেওঁ ল'ৰানা শ্বেল্ডন আৰু মাউদ বেলিংটন বুথ নামৰ মহিলা দুগৰাকীক নিয়োগ কৰিছিল। চনত হলে আমেৰিকান হিউমেনি এচোছিয়েশ্যনৰ বাৰ্ষিক অধিৱেশনত ইচ্ছামৃত্যু বিষয়ক এক বিতৰ্কৰ আয়োজন কৰিছিল। জেক'ব এপীলে এই বিতৰ্কক ইচ্ছামৃত্যু সম্পৰ্কে বিংশ শতিকাত চলা প্ৰথমটো তাৎপৰ্যপূৰ্ণ ৰাজহুৱা বিতৰ্ক আখ্যা দিছে।

অ'হাইঅ' ইচ্ছামৃত্যু প্ৰস্তাৱৰ পাছত ১৯০৬ চনত বিধানসভাৰ সদস্য ৰছ গ্ৰেগ'ৰীয়ে আইওৱা বিধানসভাত ইচ্ছামৃত্যুক অনুমতি প্ৰদান কৰিবলৈ এটা প্ৰস্তাৱ উত্থাপন কৰিছিল। এই প্ৰস্তাৱটোত সামৰি লোৱা বিষয়বোৰৰ পৰিসৰ অ'হাইঅ' প্ৰস্তাৱতকৈ অধিক বিস্তৃত প্ৰকৃতিৰ আছিল। নতুন প্ৰস্তাৱটোত অতি কমেও দহ বছৰ বয়সীয়া এনে সকলো লোককে মৃত্যুবৰণ কৰাৰ অনুমতি দিয়াৰ কথা কোৱা হৈছিল যিসকলে পাছলৈ মাৰাত্মক ৰূপ ধাৰণ কৰিব পৰা আৰু অসহনীয় যন্ত্ৰণা দিব পৰা কোনো ৰোগত আক্ৰান্ত হৈ আছে। প্ৰস্তাৱটোত এনে ৰোগীয়ে যদি সুস্থ মস্তিষ্কেৰে নিজৰ মৃত্যু কৃত্ৰিম উপায়েৰে আগতীয়া কৰাৰ ইচ্ছা প্ৰকাশ কৰে, তেন্তে, তেওঁলোকক ইচ্ছামৃত্যুৰ অধিকাৰ প্ৰদান কৰাৰ কথা কোৱা হৈছিল। ইয়াৰ উপৰি প্ৰস্তাৱটোত সেইবোৰ কেঁচুৱাক ইচ্ছামৃত্যু প্ৰদান কৰাৰ কথা কোৱা হৈছিল যিবোৰে যথেষ্ট বিকৃত ৰূপ লৈ জন্মগ্ৰহণ কৰে। এনে অৱস্থাত অভিভাৱকক কেঁচুৱাটোৰ হৈ ইচ্ছামৃত্যুৰ অনুৰোধ জনোৱাৰ অনুমতি দিয়াৰ কথা কোৱা হৈছিল। প্ৰস্তাৱিত বিধেয়কখনত অনুৰোধ জনোৱা সত্বেও ইচ্ছামৃত্যু বৰণত সহায় নকৰা চিকিৎসকৰ শাস্তি বিহাৰ কথাও কোৱা হৈছিল। এই শাস্তি ৬-১২ মাহ পৰ্যন্ত কাৰাবাস আৰু ২০০-১০০০ আমেৰিকান ডলাৰ পৰ্যন্ত জৰিমনা হ'ব পাৰে। প্ৰস্তাৱটোৱে যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰিছিল। তীব্ৰ বাদানুবাদৰ কবলত পৰা প্ৰস্তাৱটো গৃহীত কৰিব পৰা নগ'ল। পৰৱৰ্তী সময়ত ৰাজহুৱা স্বাস্থ্য বিষয়ক সমিতিৰ পৰামৰ্শৰ আধাৰত প্ৰস্তাৱটো বিধান সভাৰ পৰা উঠাই লোৱা হয়।

১০.৬ ইচ্ছামৃত্যু বিতৰ্ক

দীৰ্ঘদিন ধৰি ইচ্ছামৃত্যু এক অতি বিতৰ্কিত আৰু আৱেগিক বিষয় হৈ আহিছে। ঐতিহাসিকভাৱে ইচ্ছামৃত্যুৰ বিতৰ্কটোৱে কেইবাটাও প্ৰধান বিষয়ত আলোকপাত কৰিছে। ইচ্ছামৃত্যু বিৰোধী পণ্ডিত ইৱেকীয়েল ইমানুৱেলৰ মতে ইচ্ছামৃত্যুৰ সমৰ্থকসকলে চাৰিটা প্ৰধান যুক্তি উপস্থাপন কৰিছে। যুক্তিকেইটা হ'ল- (ক) মানুহৰ স্ব-নিৰ্ণয়ৰ অধিকাৰ আছে, সেয়েহে মানুহক নিজ ভাগ্য নিজে বাছি লোৱাৰ অনুমতি দিয়া উচিত; (খ) মানুহক যন্ত্ৰণাত ভূমি

থাকিবলৈ দিয়াতকৈ মৃত্যুবৰণত সহায় কৰাটো শ্ৰেয়; (গ) প্ৰায়েই অনুমতি লাভ কৰা পৰোক্ষ ইচ্ছামৃত্যু আৰু পৰ্যাপ্ত অনুমতি লাভ নকৰা প্ৰত্যক্ষ ইচ্ছামৃত্যু (অথবা ইয়াৰ অন্তৰ্নিহিত নীতি- দ্বিপ্ৰভাৱৰ নীতি)ৰ মাজত থকা প্ৰভেদ অযুক্তিকৰ অথবা অসুস্থ ; (ঘ) ইচ্ছামৃত্যুৰ অনুমোদনে সকলো সময়তে অগ্ৰহণযোগ্য পৰিণাম সৃষ্টি কৰিব বুলি কোনো কথা নাই। নেদাৰলেণ্ড আৰু বেলজিয়ামৰ দৰে ইচ্ছামৃত্যু সমৰ্থনকাৰী দেশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইচছামৃত্যুক বৈধ ৰূপ দিয়া অ'ৰেগনৰ দৰে প্ৰদেশলৈ আঙুলিয়াই দি ইচ্ছামৃত্যুৰ সমৰ্থকসকলে যুক্তি দৰ্শায় যে এই কাৰ্যটোৱে বেছিভাগ সময়তে কোনো সমস্যাৰ সৃষ্টি নকৰে।

একেদৰে ইমানুৱেলে ইচ্ছামৃত্যুৰ বিৰোধীসকলে আগবঢ়োৱা চাৰিটা যুক্তিও উল্লেখ কৰিছে। যুক্তিকেইটা হ'ল — (ক) সকলো মৃত্যুই যন্ত্ৰণাদায়ক নহয়; (খ) বিকল্প ব্যৱস্থা, যেনে- সক্ৰিয় চিকিৎসা প্ৰদান বন্ধ কৰি সুফলদায়ক যন্ত্ৰণা মুক্তি দৰৱ ব্যৱহাৰৰ সুবিধা আদি সহজলভ্য হৈ পৰিছে; (গ) প্ৰত্যক্ষ আৰু পৰোক্ষ ইচ্ছামৃত্যুৰ মাজৰ প্ৰভেদবোৰ নৈতিক দিশেৰে তাৎপৰ্যপূৰ্ণ আৰু (ঘ) ইচ্ছামৃত্যুক বৈধতা প্ৰদান কৰাৰ লগে লগে সমাজৰ মান অৱনমিত হ'ব। ইয়াৰ ফলত নানা অগ্ৰহণযোগ্য পৰিণামে দেখা দিব।

১০.৭ ন্যায়িক প্ৰস্থিতি

বিশ্বৰ অধিকাংশ দেশতে ইচ্ছামৃত্যু অথবা অন্যৰ সহযোগিতাৰে কৰা আত্মহত্যা আইনবিৰুদ্ধ। য়ুনাইটেড কিংড'মৰ নেশ্যনেল হেল্‌থ চাৰ্ভিছ (NHS) ৰ মতে যিকোনো পৰিস্থিতিতে অন্যক নিজকে হত্যা কৰাত সহায়ৰ হাত আগবঢ়োৱাটো অবৈধ কাৰ্য।দেশখনতঅন্যকআত্মহত্যাত অথবা স্বৈচ্ছিক ইচ্ছামৃত্যু বৰণত সহায় কৰোঁতাৰ সৰ্বাধিক ১৪ বছৰ কাৰাবাস হ'ব পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰদেশ ভেদে ইচ্ছামৃত্যুৰ আইন বেলেগ বেলেগ। ৱেষ্টৰ (Encyclopedia of American Law) ৰ মতে "এটা 'কাৰুণিকমৃত্যুদান' অথবা ইচ্ছামৃত্যুক সাধাৰণতে এক অপৰাধমূলক হত্য (criminal homicide) বুলি বিবেচনা কৰা হয়"। ইয়াক সাধাৰণতে ৰোগীৰ অনুৰোধৰক্ষা কৰি হত্যা কৰাৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয়।

হত্যাৰ সমাৰ্থক 'homicide' ৰ ন্যায়িক সংজ্ঞাটোৱে তেনে সকলোবোৰ কাৰ্যকে সামৰি লয় যিবোৰৰ দ্বাৰা এটা জীৱনশেষ কৰাৰ অভিপ্ৰায় প্ৰকট হয়। ইয়াৰ অসহনীয় যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ কৰা মৃত্যুদানো অন্তৰ্ভুক্ত। কিন্তু সকলোবোৰ হত্যাকে বেআইনী বুলি গণ্য কৰা নহয়। ন্যায্যতাপ্ৰতিপাদন কৰিব পৰা আৰু ক্ষমনীয় হত্যাৰ শিতানতপৰা হত্যাবোৰৰ বাবে কোনো অপৰাধমূলক শাস্তি প্ৰদান কৰা নহয়। অধিকাংশ দেশতে ইচ্ছামৃত্যুৰ প্ৰস্থিতি বেলেগ বেলেগ। 'ইচ্ছামৃত্যু'ৰ অভিধাটোৱে সাধাৰণতে বিভিন্ন সক্ৰিয় কাৰ্যৰ কথা বুজায়। য়ুনিভাটিচ্ছ্বটি অৱৱাশ্বিংটনৰ ৱেবচাইটতকোৱা হৈছে যে "সাধাৰণতে ইচ্ছামৃত্যু বুলিলে চিকিৎসকৰ প্ৰত্যক্ষ কাৰ্যৰ কথা বুজোৱাহয়। যেনে— তেওঁ ৰোগীৰ জীৱনৰ ওৰ পেলাবলৈ কোনো মাৰাত্মক দ্ৰব্যৰ ইঞ্জেকশ্যন দিব পাৰে।" সেয়েহে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অ'ৰেগ'ন প্ৰদেশে চিকিৎসকৰ সহায়ত কৰা আত্মহত্যাক ইচ্ছামৃত্যু বুলি স্বীকৃতি নিদিয়ে। কিন্তু প্ৰদেশখনত অ'ৰেগ'ন ডেথ ৱিথ ডিগনিটি (মৰ্যাদাপূৰ্ণ মৃত্যু) আইনৰ অধীনত ইচ্ছামৃত্যুক বৈধতা প্ৰদান কৰা হৈছে। তথাপিও নামৰ সৈতে নিমিলা ধৰণে প্ৰদেশখনে চিকিৎসকৰ সহায়ত মৃত্যুবৰণ কৰা কাৰ্যটোক আত্মহত্যা বুলিও শিতানভুক্ত কৰা নাই। এনে মৃত্যুৰ বিপৰীতে আকৌ পৃথিৱীৰ অন্যদেশত নহ'লেও অন্ততঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৰ্বত্ৰ ৰোগীৰ সন্মতি (স্বৈচ্ছিক) সহকাৰে জীৱন বৰ্তাই ৰখা) চিকিৎসা বন্ধ কৰি অথবা উঠাই

লৈ মৃত্যুদান কৰা কাৰ্যকবৈধ বুলি গ্ৰহণ কৰা হয়। দেশখনৰ বিভিন্ন ৰায়দানত যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ ব্যৱহাৰ কৰা যন্ত্ৰণানাশক দৰৱকো বৈধ বুলি ধৰা হৈছে। এনে দৰৱে ৰোগীৰ মৃত্যু আগতীয়া কৰি তুলিব পাৰে যদিও ইয়াক অবৈধ বুলি গণ্য কৰা নহয়।

বিশ্বৰ কিছুমান দেশৰ চৰকাৰে স্বৈচ্ছিক ইচ্ছামৃত্যুক বৈধতা প্ৰদান কৰিছে। কিন্তু সাধাৰণবাৰে ইয়াক এতিয়াও অপৰাধমূলক হত্যা বুলিয়ে ধৰা হয়। ইচ্ছামৃত্যুক বৈধতা প্ৰদান কৰা নেদাৰলেণ্ড আৰু বেলজিয়ামত হত্যাকাৰী(চিকিৎসক)গৰাকীয়ে কিছুমান নিৰ্দিষ্ট ন্যায়সংগত চর্ত পূৰণ কৰিব নোৱাৰিলে ইয়াক এতিয়াও হত্যা ('homicide') বুলি ধৰা হয়। চর্ত পূৰণৰ পাছত এনে মৃত্যু আদালতত বিচাৰযোগ্য নহয় অথবা এনে মৃত্যুৰবাবে কাকো শাস্তি দিয়া নহয়।

১০.৮ জীৱন নীতিৰ উৎকর্ষতা বনাম জীৱন নীতিৰ অলংঘনীয়তা

ইচ্ছামৃত্যুৰ সমর্থকসকলে বিশ্বাস কৰে যে জীৱনৰ মূল্য বাহ্যিক প্ৰকৃতিৰ। ব্যক্তিৰ শাৰীৰিক অৱস্থা অনুসৰি জীৱনৰ মূল্য জোখা হয়। এই দৃষ্টিভংগীটোক জীৱন নীতিৰ উৎকর্ষতা (Quality of Life Principle)বোলা হয়। আনহাতে, ইচ্ছামৃত্যুৰ বিৰোধীসকলৰ মতে জীৱনৰ মূল্য আভ্যন্তৰীণ প্ৰকৃতিৰ। সেয়েহে জীৱনৰ গৰাকীৰ শাৰীৰিক সামর্থৰ আধাৰত জীৱনৰ উৎকর্ষতা মূল্যায়ন কৰাটোৱে মানৱীয়তাৰ প্ৰতি অসন্মান কৰা বুজায়। এই দৃষ্টিভংগীটোক জীৱন নীতিৰ অলংঘনীয়তা (Sanctity of Life Principle) বোলা হয়। ইচ্ছামৃত্যুৰ বিৰোধিতা মূলতঃ জীৱনৰ অলংঘনীয়তাত থকা বিশ্বাসৰ পৰা সৃষ্টি । দুয়োটা দৃষ্টিভংগীৰ মাজৰ সংঘাত আঁতৰোৱাটো দুৰ্হ কাম। সেয়েহে ইচ্ছামৃত্যু এতিয়াও এক বিতর্কিত বিষয় হৈ আছে। ইচ্ছামৃত্যুৰ বৰোধিতামূলতঃ জীৱনৰ অলংঘণীয়তাত থকা বিশ্বাসৰ পৰা সৃষ্ট। দুয়োটা দৃষ্টিভংগীৰ মাজৰ সংঘাত আঁতৰোৱাটো দুৰ্হ কাম। সেয়েহে ইচ্ছামৃত্যু এতিয়াও এক বিতর্কিত বিষয় হৈ আছে।

১০.৯ ইচ্ছামৃত্যু আৰু পৰম্পৰাগত নৈতিক প্ৰমূল্যসমূহ

ব্যৱহাৰিক নীতিশাস্ত্ৰত বহুলভাৱে আলোচিতবিষয় দুটা হ'ল চিকিৎসা আৰু স্বাস্থ্যযত্ন বিষয়ক নীতিসমূহ। দৰাচলতে ১৯৭০ ৰ দশকৰ প্ৰথমার্দ্ধত ব্যৱহাৰিক নীতিশাস্ত্ৰৰ পুনৰ উত্থান ঘটাত এই বিষয় দুটাৰ আংশিক অৱদান আছে. হিপ' ক্ৰেটিক শপতবাক্য (The Hippcratic Oath) হ'ল চিকিৎস আৰু চিকিৎসকৰ সহায়কসকলে ঐতিহাসিকভাৱে গ্ৰহণ কৰি অহা পণ। এই শপতবাক্যৰ দ্বাৰা তেওঁলোকে মানৱ কল্যাণৰ অর্থে সকলো ৰোগীকে আৰোগ্য লাভত সহায় কৰাৰ আৰু বৃত্তিটোৰ সৈতে জড়িত কিছুমান নির্দিষ্টনৈতিক মান বর্তাই ৰখাৰ পণ লয় আন বহুতো বিষয়ৰ লগতে শপত বাক্যত থকা দুটামান বিশেষ কথা হ'ল মাৰাত্মক দৰৱৰ প্ৰয়োগ নকৰা গর্ভপাতত সহায় নকৰা, ৰোগীৰ গোপনীয়তা ৰক্ষা আৰু ৰোগীৰ সৈতে যিকোনো ধৰণৰ যৌন আচৰণ কৰাৰ পৰা বিৰত থকা। শপত ৰাক্যত লিখা আছে, "কোনোবাই বিচাৰিলেও মই কাকো মাৰাত্মক দৰৱ নিদিও, নাইবা মই কাকো মাৰাত্মক দৰৱৰ সেৱনৰ পৰামর্শ নিদিও।" শপত বাক্যত আৰু লিখা আছে যে " গর্ভত স্থিত হোৱাৰ মূহুর্তটোৰ পৰাই মই প্ৰতিটো মানৱ জীৱনকে সবেচ্ছচ্চ সন্মান জনাই যাম।" এতিয়া সমস্যাটো হ'ল এগৰাকী মৃত্যুমুখী ৰোগীৰ ক্ষেত্ৰত এই

নীতিবোৰক কেনেদৰে সন্মান জনাই থকা হ'ব। কাৰণ, এনে ৰোগীৰমৃত্যু প্ৰক্ৰিয়াটোচিকিৎসা প্ৰযুক্তিৰ সহায়ত বন্ধ ৰখা অথবা বিলম্ব ঘটোৱা হয়। এই কথা বহুতে বিশ্বাস কৰে যে শপতবাক্যত থকা নীতিবোৰ প্ৰয়োগৰ সময়ত প্ৰত্যক্ষ আৰু পৰোক্ষ ইচ্ছামৃত্যুৰ মাজত এটা নৈতিক প্ৰভেদ স্থিৰ কৰি লোৱা উচিত। অৰ্থাৎ, বিধি-বিধান অনুসৰি কাৰোবাক হত্যা কৰা আৰু কিছুমান বিশেষ পৰিস্থিতিত কাৰোবাক মৃত্যুবৰণৰ অনুমতি দিয়াৰ মাজত থকা পাৰ্থক্য নিৰূপণ কৰি লোৱা ভাল।

১০.৯.১ প্ৰত্যক্ষ ইচ্ছামৃত্যুনে পৰোক্ষ ইচ্ছামৃত্যু

সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল ইচ্ছামৃত্যু গ্ৰহণযোগ্যনে? যদি হয়, তেন্তে ইচ্ছামৃত্যুৰ কোনটো প্ৰকাৰক মানুহে নৈতিক দিশেৰে অগ্ৰাধিকাৰ দিয়া উচিত? যদিকোনো এগৰাকী ব্যক্তিৰ ভালৰ বাবে এটা 'উত্তম মৃত্যু' দান কৰাটোকে ইচ্ছামৃত্যু বুলি মানিলোৱা হয়, তেন্তে প্ৰত্যক্ষ ইচ্ছামৃত্যু মানে অন্যৰ সহায় লৈ মৃত্যুবৰণ কৰা কাৰ্যটোকে বুজিব লাগিব, অন্যথা এনে মৃত্যু নঘটে অথবা অত্যন্ত সেইসময়ত মৃত্যু নঘটে। পৰোক্ষ ইচ্ছামৃত্যু মানে হ'ল মৃত্যু ঘটাত বাধা দিব পৰা সুযোগ-সুবিধা থকা সত্বেও মৃত্যুত বাধা নিদিয়া কাৰ্য।

বহুতে ভাবে যে যদি ইচ্ছামৃত্যুক কিবা প্ৰকাৰে ন্যায়সংগত বুলি ক'ব পৰা যায়, তেন্তে প্ৰত্যক্ষ ইচ্ছামৃত্যুতকৈ পৰোক্ষ ইচ্ছামৃত্যুকহে আচল ইচ্ছামৃত্যু বুলিব পাৰি। বিশ্বৰ অধিকাংশ ন্যায়িক এক্তিয়াৰৰ অধীনত প্ৰত্যক্ষ ইচ্ছামৃত্যু নিষিদ্ধ যদিও কেতিয়াবা পৰোক্ষ ইচ্ছামৃত্যুত অনুমোদন জনোৱা হয়।

উদাহৰণ ঃ

তলৰ উদাহৰণবোৰৰ পৰা প্ৰত্যক্ষ আৰু পৰোক্ষ ইচ্ছামৃত্যুৰ সৈতে জড়িত বিভিন্ন কথা আৰু ইয়াৰ ন্যায্যতা সম্পৰ্কে বুজিব পৰা যায়।

উদাহৰণ ১) ঃ

ধৰা হ'ল, এটা শিশু গুৰুতৰভাৱে বিকলাংগ। কিন্তু শিশুটোৰ ইয়াৰ বাবে মৃত্যু নহয়। শিশুটোক সিমান পৰিমাণৰ দৰৱ দিয়া হ'ল যিখিনি সেৱন কৰিলে ই শিশুটোৰ মৃত্যুৰ কাৰণ হ'ব। যদি চিকিৎসকে উদ্দেশ্যপ্ৰণোদিত ভাৱে এই কাৰ্য কৰে, তেন্তে বিচাৰকে চিকিৎসকগৰাকীক মানুহক প্ৰাণে মৰাৰ অথবা শিশুটিক হত্যা কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰিব পাৰে। শিশুটিক মৰিবলৈ এৰি দিয়া আৰু মাৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাৰ মাজত পাৰ্থক্য আছে। শিশুটোৰ জীৱন আৰু মৃত্যুৰ মাজত পাৰ্থক্য প্ৰায় নায়েই বাবে এই ক্ষেত্ৰত দেখা দিয়া সমস্যাটো হ'ল 'কি কৰিব পৰা যায়'।

উদাহৰণ ২) ঃ

১৯৯৩ চনৰ ৩ মাৰ্চত ৰেষ্ট য়'ৰ্কশ্বায়াৰৰ কীগ্‌লিত থকা এয়াৰডেল হস্পিটেলত বৃক্ষ বিকল হোৱাৰ ফলত টোনি ব্লেডৰ মৃত্যু হৈছিল। ১৯৮৯ চনৰ এপ্ৰিল মাহত মটৰ দুৰ্ঘটনাত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল আৰু তেতিয়াৰে পৰা ক'মাত আছিল। আঘাতৰ বাবে তেওঁৰ মস্তিষ্কত সাময়িকভাৱে অক্সিজেনৰ নাটনি হৈছিল। এই ক্ষতিৰ ফলত তেওঁ 'দীৰ্ঘদিনীয়া নিশ্চল অৱস্থা' (Persistent Vegetative State/PVS) লৈ গুছি গৈছিল। PVS ৰোগীয়ে চৌপাশৰ পৃথিৱীখন সম্পৰ্কে কোনো সচেতনতা অথবা সঁহাৰি প্ৰদৰ্শন নকৰে। তেওঁলোকে কেৱল স্বতঃস্ফূৰ্তভাৱে উশাহ-নিশাহ লৈ থাকে, তেওঁলোকৰ হৃৎযন্ত্ৰৰ ধপ্‌ ধপনি নিয়মীয়া হৈ থাকে আৰু মাজে সময়ে বস্তু

চোবোৱাৰ লক্ষণ দেখুৱায়। এনে ৰোগীৰ নিঅ'কৰ্টেক্স (উৰ্দ্ধ মস্তিষ্ক) অঞ্চল নষ্ট হোৱা মানে হ'ল সচেতনতাৰ অপূৰণীয় ক্ষতি। আঘাতৰ পৰা ৰক্ষা পৰা মস্তিষ্ক প্ৰণালীটোৰ বাবে এনে ৰোগীয়ে উশাহ-নিশাহ লৈ থাকে।

চাৰে তিনি বছৰ কাল টোনি ব্লেণ্ডৰ শৰীৰটো কৃত্ৰিম আৰ্দ্ৰতাৰে জীয়াই ৰখা হৈছিল। নাচ'— গ্ৰেষ্ট্ৰিক নলীৰ দ্বাৰা প্ৰয়োজনীয় পুষ্টি আৰু এণ্টিবায়'টিকচ্ যোগান ধৰা হৈছিল। ইয়াৰ দ্বাৰা তেওঁৰ শৰীৰটোক বিভিন্ন সংক্ৰমণৰ পৰা ৰক্ষা কৰা হৈছিল। এনে কঠোৰভাৱে পালিত নীতি-নিয়মৰ সহায়ত একোগৰাকী PVS ৰোপীক ১০ ৰ পৰা ৩০ বছৰ পৰ্যন্ত জীয়াই ৰাখিব পৰা যায়।

টোনি ব্লেণ্ডৰ পিতৃ-মাতৃয়ে এই ব্যৱস্থাটো অব্যাহত ৰাখিব নুখুজিলে। এয়াৰডেল হস্তিতাল নেশ্যনেল হেল্থ চাৰ্ভিছ ন্যাসে সেইবাবে ১৯৯২ চনৰ নৱেম্বৰ মাহত ব্লেণ্ডক দি থকা কৃত্ৰিম আৰ্দ্ৰতা আৰু পুষ্টি ব্যৱস্থা উঠাই লোৱাৰ অনুমতি বিচাৰি উচ্চন্যায়ালয়ত আবেদন কৰিছিল। ১৯৯২ চনৰ ডিচেম্বৰ মাহত আবেদনখনৰ শুনানী গ্ৰহণ কৰাহৈছিল আৰু ১৯৯৩ চনৰ ৪ ফেব্ৰুৱাৰী হাউছ অৱ লৰ্ডছত আবেদনখন উত্থাপন কৰা হৈছিল। তিনিওটা পৰিস্থিতিতেআদালতে এই মত আগবঢ়াইছিল যে এনে ঘটনাৰক্ষেত্ৰতখাদ্য খুউওৱা বাদ দিয়াটো আইনসংগত। ১৯৯৩ চনৰ ২২ ফেব্ৰুৱাৰীৰ দিনা সংশ্লিষ্ট চিকিৎসা সেৱা প্ৰদানকাৰী দলটোৱে টোনি ব্লেণ্ডক এণ্টিৰায়টিকচ্ দিয়া আৰু খাদ্য খুউওৱা বন্ধ কৰিছিল। ইয়াৰ ন দিন পাছত ব্লেণ্ডৰ মৃত্যু হৈছিল।

ইয়াৰ আগতেও ইতিপূৰ্বে সিদ্ধান্ত লোৱা এনে বহু ঘটনা আছে যিবোৰত ৰোগীৰ উপকাৰ সাধন নকৰা চিকিৎসা বাদ দিয়াৰ অনুমতি প্ৰদান কৰা হৈছিল আৰু ইয়াৰ দ্বাৰা ৰোগীৰ মৃত্যু ঘটোৱা হৈছিল। টোনি ব্লেণ্ডৰ ঘটনাটো এই কাৰণতে সুকীয়া যে তেওঁ কোনো গ্ৰহণযোগ্য ধৰণে মৃত্যুমুখী হৈ থকা নাছিল। ইয়াৰ আগতে কেতিয়াও এই কথাটোও ন্যায়সংগত ভাৱে নিৰ্ধাৰিত হোৱা নাছিল। যে এগৰাকী ৰোগীক খাদ্য আৰু জুলীয়া দ্ৰব্য খুউওৱাটো, যদি খুউওৱাবলগীয়া হয়, সেয়া নৈতিক দিশেৰে লোৱা যত্নৰ সলনি চিকিৎসাৰহে অংশ বুলি ধৰা হ'ব। সমালোচক সকলে এই মত পোষণ কৰিছিল যে ন্যায়ালয়ে এই ৰায়ৰ দ্বাৰা সাংকেতিকভাৱে ইচ্ছামৃত্যুক ন্যায্যতা প্ৰদান কৰিছিল।

উদাহৰণ ৩ ঃ

১৯৯২ চনৰ ২১ ছেপ্টেম্বৰত নিজৰ তত্ত্বাৱধানতথকা ৰোগী শ্ৰীমতী লিলিয়ান ব'য়েছক হত্যাৰ প্ৰচেষ্টা চলোৱাৰ দোষত ডঃ নাইজেল কক্সক জগৰীয়া কৰা হৈছিল। শ্ৰীমতী ব'য়েছ গুৰুতৰ ৰিউমাট'ইড গ্ৰন্থিবাত ৰোগত আক্ৰান্ত হৈ আছিল। গাঁঠিৰ বিষ ইমানেই অসহনীয় হৈ পৰিছিল যে তেওঁ কোনোবাই-চুলেই বিষচ চিএৰি উঠিছিল। ডঃ কস্কৰ বিচাৰৰ সময়ত সাক্ষীৰূপে অনা এগৰাকী ৰিউমেট'ল'জীৰ অধ্যাপকে ৰোগীৰ অৱস্থাৰ বিৱৰম পঢ়ি মন্তব্য দিছিল যে সেয়া আছিল তেওঁ তেতিয়ালৈকেপঢ়া সবাতোকৈ শোচনীয় ৰোগাৱস্থাৰ বিৱৰণ। শ্ৰীমতী ব'য়েছক বিষৰ উপশম ঘটাবলৈ হেৰ'ইনৰ টোপাল খুউওৱা হৈছিল। কিন্তু পাছলৈ ই কাম নিদিয়াত ডঃ কক্সেপ্ৰথমে তেওঁক এটা অতিৰিক্ত হেৰ'ইন ইঞ্জেকশ্যন দিছিল। সেই ইঞ্জেকশ্যনেও কাম নিদিয়াত ডঃ কক্সে শ্ৰীমতী ব'য়েছক অৱশেষত অদ্ৰৱীভূতপ'টাছিয়াম ক্ল'ৰাইডৰ ইঞ্জেকশ্যন এটা দিছিল।প্ৰায় লগে লগে তেওঁৰ বিষ কমি গৈছিল আৰু পুত্ৰৰ হাতত ধৰিছিল। কিন্তু তাৰ কেইমিনিটমানৰ পাছতেই তেওঁৰ মৃত্যু হৈছিল।

চিকিৎসা বিজ্ঞানৰ প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে জানে যে প'টাছিয়াম ক্ল'ৰাইডৰ কোনো বিষ উপশমকাৰী গুণ নাই। কিন্তু শ্ৰীমতী ব'য়েছক যিমানখিনি পৰিমাণৰ প'টাছিয়াম ক্ল'ৰাইড ইঞ্জেকশ্যন দিয়া হৈছিল সেয়া তেওঁৰ মৃত্যুৰ বাবে যথেষ্ট আছিল। সেয়েহে ডঃ কক্সক হত্যাৰ প্ৰচেষ্টা চলোৱাৰ গোচৰতঅভিযুক্ত কৰা হৈছিল।

বিবেচনা কৰিবলগীয়া বিষয়

ওপৰৰ উদাহৰণ কেইটাৰ পাৰ ইচ্ছামৃত্যু সম্পৰ্কে তলৰ কথাবোৰ বিবেচনা কৰিব পাৰি—

১। ২ নং উদাহৰণটোৰ সৈতে জড়িত প্ৰশ্নটো হ'ল— "এজন ৰোগীক এবাৰতে মাৰাত্মক দ্ৰব্যৰ ইঞ্জেকশ্যন দি তৎক্ষণাত মৃত্যুদান কৰাটো যদি বোআইনী, তেন্তে ৰোগীজনক প্ৰায় এসপ্তাহ খাদ্য নুখুউওৱাকৈ ৰাখি লাহে লাহে মৃত্যুৰ মুখলৈ (যদিও যন্ত্ৰণাবিহীন মৃত্যু) থেলি দিয়াটো কিমান আইনসংগত? ৰোগীৰ তাৎক্ষণিক মৃত্যুৱে হয়তো পৰিয়ালটোক দীঘলীয়া মানসিক যন্ত্ৰণাৰ পৰা কিছু পৰিমাণে হ'লেও সকাহ দিলেহেঁতেনঙ্গ" ঘটনাটো সন্দৰ্ভত উদয় হোৱা আন এটা প্ৰশ্ন হ'ল- "টোনি ব্লেণ্ডৰ মৃত্যুৰ ক্ষেত্ৰত বিশেষকৈ প্ৰত্যক্ষ ইচ্ছামৃত্যুতকৈ পৰোক্ষ ইচ্ছা মৃত্যু অধিক উপযুক্ত বুলি কি ভিত্তিত ভবা হৈছিল?"

২। ওপৰৰ ২ আৰু ৩ নং উদাহৰণ দুটাৰ ক্ষেত্ৰত লোৱা ন্যায়িক সিদ্ধান্তত নিহিত থকা জটিলতা লৰ্ড ব্ৰাউন ৱিলকিন্চনৰ মন্তব্যত স্পষ্ট ৰূপত প্ৰকাশ পাইছে। এজন জীয়াই থাকিব খোজা কিন্তু দীৰ্ঘদিনীয়া নিশ্চল অৱস্থা (PVS) ত থকা ৰোগীক জীৱন দায়িনী সহায় বোৰ দি থকাটো বন্ধ কৰা কাৰ্যই কেনেদৰে অনুমতি আদায় কৰিব পাৰে আৰু এগৰাকী মৃত্যুৱে সকাহ দিব পৰা ৰোগীক মৃত্যুবৰণ কৰাত সহায় কৰাটোক কিয় অনুমতি প্ৰদান কৰা নহ'ব?

৩। তৃতীয় গুৰুত্বপূৰ্ণ কথাটো হ'ল দীৰ্ঘদিনীয়া নিশ্চল অৱস্থাত থকা ৰোগী টোনি ব্লেণ্ডে জীৱন দায়িনী সহায়বোৰ উঠাই লোৱাত সন্মতি জনোৱা নাছিল। কিন্তু শ্ৰীমতী ব'য়েছে বাৰম্ভাৰ ডঃ কক্সক মাৰাত্মক দ্ৰব্যৰ ইঞ্জেকশ্যন দি তেওঁক যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ অনুৰোধ জনাছিল যিটো অনুৰোধ অৱশেষত চিকিৎসকগৰাকীয়ে মানি লৈছিল।

ইচছামৃত্যুৰ ভাগ লোৱা একাংশই ক'ব খোজে যে টোনি ব্লেণ্ডৰ মৃত্যু ন্যায়সত। কাৰণ, তেওঁক হত্যা কৰা হোৱা নাছিল, কেৱল মৃত্যুবৰণ কৰাৰ সুযোগ দিয়া হৈছিল. আনহাতে, যদিও ড ঃ কক্সৰ অভিপ্ৰায় নিঃসন্দেহে ৰোগীৰ কল্যাণ কামনা আছিল, তথাপিও তেওঁ প্ৰত্যক্ষভাৱে শ্ৰীমতী ব'য়েছক হত্যা কৰিছিল। এনে ধৰণৰ আলোচনা বিলোচনা আজি পৰ্যন্ত অব্যাহত আছে যদিও ইচ্ছামৃত্যুৰ ক্ষেত্ৰত ইয়াৰে যিকোনো এটা ফালক চূড়ান্ত বুলি গ্ৰহণ কৰাত অসুবিধা আছে।

সমগ্ৰ বিতৰ্কটোৰ আঁৰৰ মৌলিক অপ্ৰমাণিত যুক্তিসংগত ধাৰণাটো হ'ল— যদি ইচ্ছামৃত্যু (প্ৰত্যক্ষ অথবা পৰোক্ষ) ক ন্যায্য বুলি অনুমোদন জনোৱা হয়, তেন্তে ই মানৱ জীৱনৰ সন্মান সাধাৰণভাৱে লাঘৱ কৰিব। প্ৰথম অৱস্থাত আমি হয়তো মানুহক তীব্ৰ শাৰীৰিক যন্ত্ৰণাৰ পাৰ মুক্তি দিবলৈ হত্যা কৰিম। আমাৰ অভিপ্ৰায় সন্মানজনক আৰু আমাৰকাৰ্যৰ ফলাফল ভাল হ'ব পাৰে। কিন্তু হয়তো এনে এটা সময় আহিব যেতিয়া আমি শীতল মস্তিষ্কেৰে মানুহক হত্যা কৰিবলৈ আৰম্ভ কৰিম। এই কথাৰ শেষক'ত হ'ব? কোন খিনিত আমি লক্ষণৰেখা টানিম? এইবোৰ কথা ইচ্ছামৃত্যুৰ সমৰ্থকসকলে অত্যন্ত সাৱধানতা সহকাৰে বিবেচনা কৰি চাব লাগিব। ইচ্ছামৃত্যুক বাস্তৱ ৰূপ দিয়াৰ আগতে বিষয়টোৰ সৈতে জড়িত ন্যায়িক আৰু নৈতিক প্ৰত্যাহ্বানবোৰৰ কথা ভাবিব লাগিব। কিন্তু তথাপিও ইচ্ছামৃত্যুৰ প্ৰয়োজনীয়তাক উলাই কৰিব পৰা নাযায়।

অগ্ৰগতি নিৰীক্ষণ

৫। দীৰ্ঘদিনীয়া নিশ্চল অৱস্থা (PVS)ৰ অৰ্থ কি?

৬। প্ৰত্যক্ষ ইচ্ছামৃত্যু আৰু পৰোক্ষ ইচ্ছামৃত্যুৰ মাজত কিবা পাৰ্থক্য আছেনে?

৭। স্বেচ্ছিক ইচ্ছামৃত্যু, অনা-স্বেচ্ছিক ইচছামৃত্যুৰ মাজত কিবা পাৰ্থক্য আছেনে?

৮। হিপ'ক্ৰেটিক শপতবাক্য কি?

৯। জীৱন নীতিৰ উৎকৰ্ষতা আৰু জীৱন নীতিৰ অলংঘনীয়তাৰ মাজত কি পাৰ্থক্য আছে?

১০.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইচ্ছামৃত্যু বুজোৱা 'Euthanasia' শব্দটো মূলতঃ এটা চিকিৎসা শাস্ত্ৰৰ সৈতে জড়িত শব্দ। ই দুটা গ্ৰীক শব্দৰ সন্ধি। শব্দ দুটা হ'ল 'Eu' আৰু 'thanatos'। ইয়াৰ অৰ্থ হ'ল 'এটা সু-মৃত্যু' (a good death) । ইয়াত 'Eu' মানে হ'ল ভাল সু ('well অথবা good') আৰু 'thanatos' মানে হ'ল মৃত্যু(death)। বিষ-বেদনা আৰু যন্ত্ৰণাৰ পৰা মুক্ত হ'বলৈ নিজ ইচ্ছাৰে জীৱনৰ সামৰণি মৰাৰ অনুশীলনকে 'ইচ্ছামৃত্যু' বোলে। বৰ্তমান 'ইচ্ছামৃত্যু' বুলিলে সাধাৰণভাৱে এটা 'ভাল মৃত্যু' অথবা 'কৰুণাবশতঃ প্ৰদান কৰা মৃত্যু'ৰ কথা বুজোৱা হয়। এনে মৃত্যুত A নামৰ ব্যক্তিগৰাকীয়ে 'B' নামৰ ব্যক্তি এগৰাকীৰ স্বাৰ্থত 'B' ক এক বিশেষ ধৰণৰ শাৰীৰিক-মানসিক যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ জীৱনৰ পৰা মুক্তি দিয়ে। যন্ত্ৰণাৰ পৰা এগৰাকী ব্যক্তিক ইচ্ছাকৃতভাৱে মুক্তি দিবলৈ মৃত্যুদান কৰা অনুশীলনটোৱেই হ'ল ইচ্ছাকৃতভাৱে মুক্তি দিবলৈ মৃত্যুদান কৰা অনুশীলনটোৱেই হ'ল ইচ্ছামৃত্যু।
- ব্যৱহাৰিক নীতিশাস্ত্ৰই কোনো ব্যক্তিৰ চিৰাচৰিত জীৱনত দেখা দিয়া ব্যৱহাৰিক সমস্যাবোৰৰ বিষয়ে আলোচনা কৰে। সমসাময়িক কালত সমগ্ৰ বিশ্বতে আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰা বিষয়টো হ'ল ব্যৱহাৰিক নীতিশাস্ত্ৰ। ব্যৱহাৰিক নীতিশাস্ত্ৰৰ উপ-বিভাগ দুটামান হ'ল- ব্যৱসায় ন্যায়নিষ্ঠতা, পাৰিপাৰ্শ্বিক ন্যায়নিষ্ঠতা, চিকিৎসা ন্যায়নিষ্ঠতা আৰু অন্যান্য বৃত্তিৰ সৈতে জড়িত ন্যায়নিষ্ঠতা। ব্যৱহাৰিক নীতিশাস্ত্ৰই মূলতঃ আমাৰ বৃত্তি, ব্যৱহাৰিক জীৱণ আৰু চৌপাশৰ পৰিৱেশৰ সৈতে জড়িত নৈতিক (ন্যায়নিষ্ঠতাৰ প্ৰশ্ন সংলগ্ন) বিষয়বোৰ আলোচনা কৰে। ইচ্ছামৃত্যু (Euthanasia) হ'ল চিকিৎসা বিজ্ঞানৰ ন্যায়নিষ্ঠতাৰ সৈতে জড়িত এটা সমস্যা। সাম্প্ৰতিক সময়ত এই বিষয়টোৰ আলোচনাই এক গুৰুত্বপূৰ্ণ ৰূপ ধাৰণ কৰিছে।
- ৰোগীৰ দশা আৰু তেওঁৰ চৌপাশে থকা লোকৰ অভিপ্ৰায় অনুসৰি ইচ্ছামৃত্যুক দুটা বহল ভাগত ভগাব পাৰি। প্ৰথম ভাগটোক আকৌ তিনিটা উপ-শাখাত বিভক্ত কৰা হয়। উপ-শাখা তিনিটা হ'ল—১। স্বেচ্ছিক ইচ্ছামৃত্যু (Voluntary Euthanasia) ২। অনা-স্বেচ্ছিক ইচ্ছামৃত্যু (Non Voluntary Euthanasia) ৩। অনৈচ্ছিক ইচ্ছামৃত্যু (Involuntary Euthanasia)

- ইচ্ছামৃত্যুৰ দ্বিতীয় বহল ভাগটোক কার্য প্রণালী সম্বন্ধীয় ইচ্ছা মৃত্যু বোলা হয়। ইয়াৰ দুটা উপ-শাখা আছে- প্রত্যক্ষ ইচ্ছামৃত্যু (Active Euthanasia) আৰু পৰোক্ষ ইচ্ছামৃত্যু (Passive Euthanasia)।
- ৰোগীৰ সন্মতিসাপেক্ষে এনে ইচ্ছামৃত্যু ঘটোৱা হয় । যদি কোনো ৰোগী সন্মতি জনাব পৰা অৱস্থাত নাথাকে (যেনে- ক'মাত থকা ৰোগী অথবা মস্তিষ্কৰ গুৰুতৰ ক্ষতি হোৱা ৰোগী), তেন্তে তেওঁৰ হৈ অন্য কোনো ব্যক্তিয়ে অনা-স্বেচ্ছিকইচ্ছামৃত্যুৰ সিদ্ধান্ত লয়। ৰোগীৰ সন্মতি অবিহনে অনৈচ্ছিক ইচ্ছামৃত্যু ঘটোৱা হয়। ৰোগী কোনো ধৰণে নিজাকৈ সিদ্ধান্ত ল'বলৈ অসমর্থ হ'লে অন্য লোকে তেওঁৰ হৈ এই সিদ্ধন্ত হয়।
- প্রত্যক্ষ ইচ্ছামৃত্যু (Active Euthanasia) আৰু পৰোক্ষ ইচ্ছামৃত্যু (Passive Euthanasia)।
- কোনো ৰোগী / ব্যক্তিক যন্ত্রণাৰ পৰা মুক্তি দিবলৈ প্রাণে মৰা কার্যটোকে প্রত্যক্ষ ইচ্ছামৃত্যু বোলে। এই কার্যৰ দ্বাৰা এগৰাকী ব্যক্তিয়ে অন্য এগৰাকীৰ জীৱনৰ ওৰ পেলাবলৈ ইচ্ছাকৃতভাৱে হস্তক্ষেপ কৰে।
- পৰোক্ষ ইচ্ছামৃত্যু ঃ কোনো ব্যক্তিক যন্ত্রণাৰ পৰা মুক্তি দিবলৈ পৰোক্ষ ইচ্ছামৃত্যুৰ সহায় লোৱা হয়। ব্যক্তিগৰাকীক জীয়াই ৰাখিব পৰা সকলো ধৰণৰ কার্য কৰাৰ পৰা বিৰত থকাটোৱেই হ'ল পৰোক্ষ ইচ্ছামৃত্যু।
- দেখা গৈছে যে, যদি জনসাধাৰণে ভাবে ইচ্ছামৃত্যুক ন্যায্যতা প্রদান কৰিব পৰা যায়, তেন্তে ইয়াক সহজে ন্যায্য বুলি আইন প্রণয়ন কৰা হয়। অৱশ্যে এনে ক্ষেত্রত প্রত্যক্ষ ইচ্ছামৃত্যুতকৈ পৰোক্ষ ইচ্ছামৃত্যুৱে অগ্রাধিকাৰ পাব। বহুতো আইনী এক্তিয়াৰৰ ভিতৰত প্রত্যক্ষ ইচ্ছামৃত্যু কঠোৰভাৱে নিষিদ্ধ যদিও কিছু কিছু ক্ষেত্রত পৰোক্ষ ইচ্ছামৃত্যুক অনুমোদন জনাই আহিছে।
- অষ্টাদস শতিকাৰ আৰম্ভণিৰে পৰাই আমেৰিকা যুক্তৰাষ্ট্র, কানাডা, পশ্চিম ইউৰোপ আৰু অষ্ট্রেলেচিয়া অঞ্চলত ইচ্ছামৃত্যুক লৈ বিতর্ক চলি আহিছে।
- বিশ্বৰ অধিকাংশ দেশতে ইচ্ছামৃত্যু অথবা অন্যৰ সহায়ত কৰা আত্মহত্যা আইনবিৰুদ্ধ কার্য। কিন্তু তথাপিও ইয়াৰ ব্যৱহাৰিক প্রয়েঙ্গজনীয়তাৰ দিশটো সমগ্র দেশতে আলোচনাৰ কেন্দ্রীয় বিষয় হৈ আছে।
- যদি ইচ্ছামৃত্যু (প্রত্যক্ষ অথবা পৰোক্ষ) ক ন্যায্য বুলি অনুমোদন জনোৱা হয়, তেন্তে ই মানৱ জীৱনৰ সন্মান সাধাৰণভাৱে লাঘৱ কৰিব। প্রথম অৱস্থাত আমি হয়তো মানুহক তীব্র শাৰীৰিক যন্ত্রণাৰ পাৰ মুক্তি দিবলৈ হত্যা কৰিম। আমাৰ অভিপ্রায় সন্মানজনক আৰু আমাৰকার্যৰ ফলাফল ভাল হ'ব পাৰে। কিন্তু হয়তো এনে এটা সময় আহিব যেতিয়া আমি শীতল মস্তিষ্কেৰে মানুহক হত্যা কৰিবলৈ আৰম্ভ কৰিম। এই কথাৰ শেষক'ত হ'ব? কোন খিনিত আমি লক্ষণৰেখা টানিম? এইবোৰ কথা ইচ্ছামৃত্যুৰ সমর্থকসকলে অত্যন্ত সাৱধানতা সহকাৰে বিবেচনা কৰি চাব লাগিব। ইচ্ছামৃত্যুক বাস্তৱ ৰূপ দিয়াৰ আগতে বিষয়টোৰ সৈতে জড়িত ন্যায়িক আৰু নৈতিক প্রত্যাহ্বানবোৰৰ কথা ভাবিব লাগিব। কিন্তু তথাপিও ইচ্ছামৃত্যুৰ প্রয়োজনীয়তাক উলাই কৰিব পৰা নাযায়।

১০.১১ অধিক জানিবলৈ

1) Encyclopedia of Religion and Ethics.

2) Tanzi—A Text-book of mental Diseases,
3) John H. Piet and Ayodhya Prasad (ed) An Introduction to Applied Ethics.
4) Steven Luper & Curtis Brown, The Moral Life, Second Edition, Harcourt Brace College Publishers.
5) LaFollette, Hugh (2002). Ethics in practice: an anthology. Oxford: Blackwell.
6) Perrett RW (October 1996). "Buddhism, euthanasia and the sanctity of life". J Med Ethics
7) Rachels J (January 1975). "Active and passive euthanasia". N. Engl. J. Med.

১০.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'Eu' আৰু 'threated'।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যন্ত্ৰণাৰ পৰা এগৰাকী ব্যক্তিক ইচ্ছাকৃতভাৱে মুক্তি দিবলৈ মৃত্যুদান কৰা অনুশীলনটোৱেই হ'ল ইচ্ছামৃত্যু।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ৰোগী/ব্যক্তিক যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ প্ৰাণে মৰা কাৰ্যটোক প্ৰত্যক্ষ ইচ্ছামৃত্যু হোৱা কোনো ব্যক্তিক যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ পাৰো। ইচ্ছামৃত্যুৰ সহায় লোৱা হয়। ব্যক্তিগৰাকীক জীয়াই ৰাখিব পৰা সকলো ধৰণৰ কাৰ্য কৰাৰ পৰা বিৰত থকাটোৱেই হ'ল পৰোক্ষ ইচ্ছামৃত্যু।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ইচ্ছামৃত্যুৰ ঘটনাৰ প্ৰতীক তেতিয়াহে স্বৈচ্ছিক বুলি কোৱা হয়, যেতিয়া কোনো পৰিস্থিতিত সংশ্লিষ্ট ব্যক্তিগৰাকীয়ে মৃত্যু ইচ্ছা সদৰি কৰে। যদি সংশ্লিষ্ট ব্যক্তিগৰাকীয়ে মৃত্যুবৰণ নকৰে, তেনে মৃত্যুক অনৈচ্ছিক বুলি ধৰা হয়। যাৰ কোনো ইচ্ছা প্ৰকাশ কৰাৰ সামৰ্থ নাথাকে তেনে ব্যক্তিৰ ইচ্ছামৃত্যুক অনা স্বৈচ্ছিক বুলি কোৱা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া কোনো ব্যক্তিয়ে মগজুৰ আঘাতৰ বাবে বহুদিনৰ বাবে নিশ্চল অৱস্থাত থাকে, তাক তেওঁ দীঘলীয়া নিশ্চল অৱস্থা বোলা হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যক্ষ ইচ্ছামৃত্যুত ইচ্ছামৃত্যুৰ সিদ্ধান্ত ৰোগী লয় আৰু পৰোক্ষ ইচ্ছামৃত্যুত মৃত্যুৰ সিদ্ধান্ত পৰিয়ালৰ লোকে লয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ স্বৈচ্ছিক ইচ্ছামৃত্যুত মৃত্যুৰ ইচ্ছা ৰোগীয়ে সদৰি কৰে। অনৈচ্ছিক ইচ্ছামৃত্যুত ইচ্ছামৃত্যুৰ ইচ্ছা ৰোগীয়ে সদৰি নকৰে আৰু অনা-স্বৈচ্ছিক ইচ্ছামৃত্যুত ইচ্ছামৃত্যুৰ ধাৰণা ৰোগী সদৰি কৰাৰ পৰিস্থিতিত নাথাকে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ হিপ'ক্ৰেটিক শপতবাক্য হৈছে চিকিৎসা আৰু চিকিৎসকলৰ সহায়কসকলে ঐতিহাসিকভাৱে গ্ৰহণ কৰি অহা পণ।

১০.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

(১) Euthanasia শব্দটোৰ আক্ষৰিক অৰ্থ কি?

(২) দীৰ্ঘদিনীয়া নিশ্চল অৱস্থা (PVS) মানে কি?

(৩) জীৱন নীতিৰ উৎকর্ষতা মানে কি?

(৪) জীৱন নীতিৰ অলংঘণীয়তা মানে কি?

(৫) হিপ'ক্রেটিক শপতবাক্য কি?

(খ) চুটি প্রশ্ন (উত্তৰ প্রায় ১৫০ মান শব্দৰ ভিতৰত) কৰিব।

(১) স্বৈচ্ছিক ইচ্ছামৃত্যু কি?

(২) অনা-স্বৈচ্ছিক ইচ্ছামৃত্যু কি?

(৩) অনৈচ্ছিক ইচ্ছামৃত্যু কি?

(৪) প্রত্যক্ষ ইচ্ছামৃত্যু কি?

(৫) পৰোক্ষ ইচ্ছামৃত্যু কি?

(গ) ৰচনাধর্মী প্রশ্নঃ(উত্তৰ প্রায় ৩০০-৫০০ মান শব্দৰ ভিতৰত) কৰিব।

(১) আমাৰ ব্যৱহাৰিক জীৱনত ইচ্ছামৃত্যুৰ বিষয়টো প্রাসংগিকনে?

(২) প্রত্যক্ষ ইচ্ছামৃত্যু আৰু পৰোক্ষ ইচ্ছামৃত্যুৰ মাজৰ প্রভেদবোৰ চিনাক্তকৰক। কোনটো ইচ্ছামৃত্যু অধিক গ্রহণযোগ্য? আলোচনা কৰক।

(৩) ইচ্ছামৃত্যুৰ ঐতিহাসিক পৃষ্ঠভূমিৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** **** ***

অধ্যায় ১১ ঃ নাৰীবাদী নীতিশাস্ত্ৰ ঃ নাৰীৰ অধিকাৰ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ নাৰীবাদৰী নীতিবিদ্যা বা চিন্তাৰ নীতিবিদ্যা

১১.৪ চিন্তাৰ নীতিবিদ্যা বা নাৰীবাদী আৰু কিছুসংখ্যক উল্লেখযোগ্য অৱদানকাৰী

১১.৪.১ Maureen Sander - Staudt

১১.৪.২ Nel Noddings and Carol Gilligan

১১.৪.৩ Kohlberg and Carol Gilligan ঃ

১১.৪.৪ কিছুসংখ্যক সমৰ্থক জীৱন আৰু যত্ন আধাৰিত নাৰীবাদ

১১.৪.৫ Sidney Callahan

১১.৪.৬ নাৰীবাদী চিন্তাৰ নীতিবিদ্যা আৰু ইয়াৰ প্ৰয়োগ

১১.৬ চিন্তাৰ বা যত্নৰ নীতিবিদ্যা কিয়? জৈৱ চিকিৎসামূলক নীতিবিদ্যাৰ সৈতে সাধাৰণ সম্বন্ধ

১১.৭ সামৰণি

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্ৰগতিৰ খতিয়ান

১১.১১ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নাৰীবাদী চিন্তাৰ নীতিবিদ্যা কি তাক জানিবলৈ সক্ষম হ'ব
- নাৰীবাদী চিন্তাৰ নীতিবিদ্যাৰ কিছুমান উল্লেখনীয় অৱদানকাৰীৰ বিষয়ে জানিব পাৰিব
- নাৰীবাদী চিন্তাৰ নীতিবিদ্যা আৰু ইয়াৰ প্ৰয়োগ ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টোৱে আপোনালোকক নাৰীবাদী চিন্তাধাৰাৰ নীতিবিদ্যাৰ ধাৰণাৰ লগত পৰিচয় কৰাই দিব। এই অধ্যায়টো অধ্যয়নৰ শেষত আপোনালোকে জানিব পাৰিব যে নাৰীবাদী নীতিবিদ্যাকো চিন্তাৰ নীতিবিদ্যা হিচাপে

স্বীকাৰ কৰা হৈছিল। ইয়াক প্ৰধানকৈ চিন্তাৰ নীতিবিদ্যা বুলি কোৱা হয় কাৰণ ই বিশ্বাস কৰে যে মানুহৰ সমস্যাবোৰ চিন্তা বা যত্ন, মৰম, সহানুভুতি আৰু পৰোপকাৰ আদি কিছুমান গুণৰ সহায়ত সমাধান কৰিব পৰা যায়। ইয়াক নাৰীবাদী নীতিশাস্ত্ৰ বুলি কোৱা হয় কাৰণ চিন্তাৰ নীতিবিদ্যা হ'ল আদৰ্শবাদী নীতিশাস্ত্ৰৰ তত্ববোৰৰ সমলসমূহৰ এটা সমল যিবোৰ কুৰি শতিকাৰ দ্বিতীয়ভাগত নাৰীবাদীসকলৰ দ্বাৰা বিকশিত হৈছিল।

১১.৩ নাৰীবাদী নীতিবিদ্যা বা চিন্তাৰ নীতিবিদ্যা

চিন্তাৰ নীতিবিদ্যা হ'ল পূণ্যাত্মক নীতিবিদ্যাৰ অনুপ্ৰেৰণামূলক আৰু সমসাময়িক সংস্কৰণৰ এটা প্ৰকাৰ যাক নাৰীবাদী নৈতিকতা বুলি কোৱা হয়। ই হ'ল পূণ্যাত্মক নৈতিকতাৰ এটা ৰূপ যিটো প্ৰধানকৈ Annette Baier ৰ দৰে নাৰীবাদীৰ দ্বাৰা বিকশিত হৈছিল। এই বিশেষ ধৰণৰ পূণ্যাত্মক নৈতিকতা এক চিন্তাৰদ্বাৰা প্ৰভাৱিত হৈছিল যে পুৰুষে ন্যায় আৰু স্ব-শাসন আদিৰ দৰে পুৰুষসম্বন্ধীয় প্ৰকাশ ভঙ্গীত চিন্তা কৰে আৰু এগৰাকী মহিলাই যত্ন, মৰম আৰু পৰোপকাৰ বা উদাৰতা আদি স্ত্ৰীসম্বন্ধীয় প্ৰকাশভঙ্গী চিন্তা কৰে।

চিন্তাৰ ভিত্তিত প্ৰতিষ্ঠিত পূণ্যাত্মক নীতিবিদ্যাৰ সমৰ্থনকাৰীসকলে পূণ্যৰ আৰু নৈতিকতাৰ নীতিবোৰৰ প্ৰতি থকা বিশ্লেষণাত্মক দৃষ্টিভঙ্গীক কিছু সালসলনি কৰিবলৈ তথা পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰিছিল। এই মতবাদে প্ৰধানকৈ নাৰীৰ গুণসম্বন্ধীয় লক্ষণবোৰক পোহৰলৈ আনিব বিচাৰিছিল, সেইবোৰ হ'ল বেলেগৰ যত্ন লোৱা বা প্ৰতিপালন কৰা ধৈৰ্য, পালন পোষণৰ ক্ষমতা, আত্ম-ত্যাগ ইত্যাদি। এই গুণবোৰৰ বেছি গুৰুত্ব দিয়া হয় কাৰণ মহিলাসকলে বৰঙণি যোগোৱা এই গুণবোৰক বহুসময়ত সমাজে উপযুক্তভাৱে মূল্য দিয়াত ব্যৰ্থ হয় আৰু এই ধৰণৰ বহুতো নাৰীবাদী গুণ যিবোৰক প্ৰচলিত নৈতিক মতবাদৰ লগতে অন্যান্য মতবাদৰ ক্ষেত্ৰত যথাৰ্থভাৱে মনোযোগ দিয়া নহয়।

১১.৪ চিন্তাৰ নীতিবিদ্যা বা নাৰীবাদী নীতিবিদ্যা আৰু কিছু উল্লেখযোগ্য সহায়ক

যেতিয়াই নাৰীবাদী নীতিবিদ্যা বা চিন্তাৰ নীতিবিদ্যাৰ কথা আলোচনা কৰা হয়, তেতিয়া ইয়াকো কোৱা হয় যে এই বিষয়টো হ'ল নীতিবিদ্যাৰ এটা অতি সমসাময়িক ৰূপ যিটো প্ৰধানকৈ নাৰীবাদী চিন্তাৰদ্বাৰা বিকশিত হৈছিল।

১১.৪.১ Maureen Sander - Staudt ঃ

Maureen Sander - Staudtৰ মতে চিন্তাৰ নীতিবিদ্যা বা নাৰীবাদী নীতিবিদ্যাৰূপে পৰিচিত নৈতিক মতবাদে সমৰ্থন কৰিছিল যে মানৱ জীৱনৰ আৱেগ-অনুভূতি, চিন্তা আৰু সম্বন্ধৰ মৌলিক উপাদানবোৰৰ নৈতিক বিশেষত্ব আছে। সাধাৰণতে চিন্তাৰ নীতিবিদ্যাই সাধাৰণভাৱে মনোযোগ দিয়া আৰু মনোযোগ গ্ৰহণ কৰা সকলৰ কুশলক সামাজিক সম্বন্ধৰ সৈতে সংযোগ কৰি উৎসাহ আৰু সহায়ৰদ্বাৰা সম্বন্ধ ৰক্ষাৰ চেষ্টা কৰিছিল। অধিকভাৱে মতবাদতকৈ গুণ বা ৰীতি হিচাপে বৰ্ণনা কৰা "চিন্তা" ই জগতক ধৰি ৰখা প্ৰয়োজনবোৰক একত্ৰিত কৰা আমাক

আৰু অন্যান্যসকলক একত্ৰিত কৰা আদিক অন্তৰ্ভুক্ত কৰে। এই নীতিশাস্ত্ৰক পৰনিৰ্ভৰশীল আৰু সহজে আঘাত কৰিব পৰা ব্যক্তিসকলৰ যত্নৰ উদ্দেশ্যেৰে গঠন কৰা হয় আৰু ই অনুপ্ৰাণিত হয় সন্তাৰ স্মৰনীয় চিন্তাৰদ্বাৰা আৰু আত্মাৰ আৰ্দৰ্শকৰণৰদ্বাৰা। চিন্তাৰ নীতিবিজ্ঞানে নৈতিক তত্বৰ ভাৱ প্ৰৱণতাৰ পৰম্পৰাক অনুসৰণ কৰে আৰু ই চিন্তাৰ অভিপ্ৰায় আবেগ আৰু নৈতিক বিবেচনাৰ সমষ্টি তথা বিশেষৰ পৰা যুক্তিলৈকে থকা মহত্বৰ স্বীকাৰ কৰিছিল।

১১.৪.২ Nel Noddings and Carol Gilligan ঃ

Milton Mayeroff ৰ " On Caring (1990)" নামৰ সংক্ষিপ্ত গ্ৰন্থখনক চিন্তাৰ নীতিবিদ্যালৈ বৰঙণি যোগোৱা এখন অতি মূল্যবান আৰু মূল গ্ৰন্থ হিচাপে স্বীকাৰ কৰিব পাৰি। কিন্তু এক পৃথক নৈতিক তত্ব হিচাপে উৎপত্তি হোৱা চিন্তাৰ নীতিবিজ্ঞানক প্ৰশংসা কৰা হৈছিল। ১৯৮০ মধ্যভাগত মনোবৈজ্ঞানিক Carol Gilligan আৰু দাৰ্শনিক Nel Noddings ৰ লিখনিত। তেওঁলোকৰ মতে, পৰম্পৰাগত নৈতিক তত্ববোৰ পুৰুষ পক্ষপাতিত্বৰদ্বাৰা আক্ৰান্ত হৈছিল আৰু সেয়েহে তেওঁলোকে উদাৰ মানৰ অধিকাৰ তত্বৰ "ন্যায়িক দৃষ্টিভঙ্গীৰ" এক উচিত বিকল্প হিচাপে "চিন্তাৰ কথাত" জোৰ দিছিল। Carol Gilligan আৰু Nel Noddings কে ধৰি নাৰীবাদী চিন্তাৰ নীতিবিদ্যাক সমৰ্থনকাৰীসকলে জোৰ দিছিল যে পৰম্পৰাগত নৈতিক তত্ববোৰ ৰীতি-নীতিবোৰ আৰু আঁচনিবোৰ সিহঁতৰ পদৰ কাৰণে অসম্পূৰ্ণ যিবোৰ অভাৱী, অমান্য, নগন্য বা হীন মূল্যৰ আৰু মহিলাৰ লগত সাংস্কৃতিকভাৱে জড়িত গুণ।

Gilligan এ তেওঁৰ গ্ৰন্থখন ফ্ৰয়েডিয়ান তত্ব য'ত পুৰুষসকল নৈতিকভাৱেই সম্পূৰ্ণৰূপে বিকশিত কিন্তু মহিলাসকল নহয় — এই মতবাদক সমালোচনাৰ ৰূপত প্ৰকাশ কৰিছিল। Freud এ নাৰীসকলৰ ক্ষেত্ৰত ছোৱালীৰ মানসিক লিঙ্গবিষয়ক বিকাশৰ নৈতিক হীনমান্যতাক আৰোপ কৰিছিল। আনহাতে ল'ৰাবোৰে সিহঁতৰ মাকৰ লগত থকা আকৰ্ষণক ভঙ্গ কৰিছিল কাৰণ তেওঁলোকে সেই কাৰ্যত বিফল হ'লে সিহঁতক বন্ধোৱাৰ ভয়ত কিন্তু ছোৱালীবোৰে মাকৰ লগত বিশেষভাৱে জড়িত হৈ থাকিছিল কাৰণ তেওঁলোকৰ ওপৰত এই বন্ধ্যাত্বকৰণ নিয়মৰ কোনো প্ৰভাৱ নপৰে। এই নাৰী-পুৰুষৰ পৃথকীকৰণ তত্বৰ ফলস্বৰূপে ধৰা হয় যে ল'ৰাবোৰতকৈ ছোৱালীবোৰে নিজকে স্বশাসিত নৈতিক কাৰক। তেওঁলোকৰ কৰ্মফলৰ বাবে ব্যক্তিগতভাৱে দায়ী আদি অনুভূতি বিকাশৰ ক্ষেত্ৰত মন্থৰ কাৰণ সেই ব্যক্তিসমূহে সমাজৰ নিয়মবোৰ মানি চলে নাইবা ইয়াৰ শাস্তি সমূহক ভোগ কৰে। অন্য কথাত ল'ৰা বা পুৰুষসকলে ছোৱালী বা মহিলাতকৈ বেছিকৈ আইনৰ সন্মান জনায়।

১১.৪.৩ Kohlberg and Carol Gilligan ঃ

Kohlberg এ তেওঁৰ গৱেষণা পত্ৰ (১৯৮৮) ত নৈতিক চিন্তাৰ আৰ্হিৰ বিষয়ে উল্লেখ কৰিছিল চিকাগোৰ উপনগৰ এলেকাত বাস কৰা কিছুমান ১০-১৬ বছৰৰ ল'ৰাৰ সাক্ষাৎকাৰৰ ভিত্তিত বিশেষকৈ তেওঁলোক আছিল উচ্চ মধ্যবৃত্ত শ্ৰেণীৰ আৰু নিম্নৰ পৰা নিম্ন মধ্যবৃত্তশ্ৰেণীৰ পৰিয়ালৰ ল'ৰা। সিহঁতৰ যুক্তিতৰ্কত নিহিত হৈ থকা বুদ্ধি বৃত্তিৰ ধৰণক নিৰ্ণয় কৰাৰ বাবে তেওঁ Heinz dilemma নামৰ এক নৈতিক দ্বিধাগ্ৰস্ত অৱস্থাক উপস্থাপন কৰিছিল।

এই Heinz dilemma আছিল Kohlberg এ তেওঁৰ সকলোতকৈ প্ৰথম অধ্যয়নত ব্যৱহাৰ কৰা এক প্ৰকাৰ নৈতিক সমস্যা।

ইয়াত ৰ এজন বন্ধু আৰু সহকৰ্মী Carol Gilligan এ গভীৰভাৱে Kohlberg ৰ গৱেষণা নীতি আৰু নৈতিক চিন্তাৰ লগত নিজকে পৰিচিত কৰিব বিচাৰিছিল আৰু নামৰ এঘাৰ বছৰ বয়সৰ দুটা ল'ৰা-ছোৱালীৰ ঘটনাৰ বৰ্ণনাৰদ্বাৰা যি দুজনে Kohlberg ৰ Heinz dilemma ৰ সাধাৰণ সূত্ৰ প্ৰকাশৰ নীতিৰ অধ্যয়নত অংশ গ্ৰহণ কৰিছিল। Jake ৰ উত্তৰ বৰ স্পষ্ট আছিল যে "Heinz এ ঔষধ চুৰ কৰিছিল।" Jake এ তৰ্কবিজ্ঞানৰ যুক্তিক মানৱ জীৱনৰ মূল্য আৰু ঔষধৰ তুলনাৰ নিচিনাকৈ ব্যৱহাৰ কৰিছিল। তদুপৰি তেওঁ এই যুক্তিও ব্যৱহাৰ কৰিছিল যে গণিতশাস্ত্ৰ হৈছে একমাত্ৰ তৰ্কবিজ্ঞানসন্মত বস্তু। সেয়েহে নৈতিক দ্বিধাগ্ৰস্ততা তৰ্কবিজ্ঞান আৰু যুক্তিৰ দ্বাৰা সমাধান কৰিব পৰা যাব আৰু প্ৰত্যেকেই একেধৰণৰ সিদ্ধান্তত উপনীত হ'ব কাৰণ তেওঁৰ সমিধান হ'ল যুক্তিসঙ্গত। কিন্তু ইয়াত উল্লেখ কৰা প্ৰয়োজনীয় দিশটো হ'ল যে Jake এ চুৰি কৰাটো যে আইন বিৰুদ্ধ সেই কথাটোও স্বীকাৰ কৰিছিল। ইয়াত তেওঁ যুক্তি দিছিল যে আইন অশুদ্ধ হ'ব পাৰে, কাৰণ এজন ব্যক্তিয়ে কল্পনা কৰা প্ৰত্যেকটো বস্তুৰ কাৰণে কোনো এজনে আইন নিলিখে। যেতিয়া এই দ্বিধাগ্ৰস্ততাৰ বিষয়ে বৈছিকৈ প্ৰশ্নৰ অৱতাৰণা কৰা হৈছিল তেতিয়াও Jake এ তেওঁৰ উত্তৰ সলনি কৰা নাছিল। Jake ৰ বিচাৰ ধাৰাক Kohlberg ৰ স্কেলত প্ৰচলিত বিধি হিচাপে মূল্যাংকন কৰা হৈছিল যে সেইয়া হ'ল তিনি আৰু চাৰি দশাৰ মিশ্ৰণ। ৰ তৰ্কবিজ্ঞানৰ ব্যৱহাৰ আৰু নৈতিকতাক আইনৰ পৰা পৃথক কৰাৰ সামৰ্থ আছিল আৰু তেওঁ ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত নিজৰ বিচাৰৰ বিষয়ে অতি বেছিকৈ নিশ্চিত আছিল।

কিন্তু Kohlberg ৰ মতে অনুসৰি Army ৰ দ্বিধাগ্ৰস্ততা সম্পৰ্কীয় বিচাৰ সেই ল'ৰাটোতকৈ অতি কম অৱস্থাৰ ৰূপত প্ৰকাশ পাইছিল। Gilligan এ ইয়াক সমস্যাযুক্ত বুলি কৈছিল কাৰণ Army ৰ উত্তৰ আছিল অনিশ্চিত। Army এ ভাৰিছিল যে সমস্যাটো সমাধানৰ বাবে টকা ধাৰ কৰা বা দৰদাম কৰাৰ নিচিনাকৈ ইয়াত অন্য উপায়ো আছে। কিন্তু তেওঁ এই কথাটোতো নিশ্চিত আছিল যে হয়তু Heinz ৰ পৰিবাৰৰ মৃত্যু হোৱা নাছিল। Army ৰ এটা প্ৰতিক্ৰিয়াৰ প্ৰধান গুৰুত্ব আছিল যে চুৰটোৰ Heinz আৰু তেওঁৰ পৰিবাৰৰ মাজত এক সম্বন্ধত আছিল। তেওঁ এটা বিষয়ত চিন্তা কৰিছিল যে যদি এনেকুৱা হয় যে Heinz জেইলত যাব লগা হয় আৰু তেতিয়া কোনে তেওঁৰ পৰিবাৰৰ যত্ন ল'ব? Army ৰ বাবে এই dilemma গাণিকিৰ নাছিল কিন্তু মানবীয় আছিল। ই সময়ৰ লগে-লগে আগবাঢ়ি যোৱা সম্বন্ধৰ ব্যাখ্যাৰ নিচিনা। সাক্ষাৎকাৰৰ সময়ত Army ৰ উত্তৰ যথোপযুক্ত আৰু নিশ্চিত নাছিল। তেওঁ সমস্যাটোক জগতৰ পৰিবেশক আওকাণ কৰি চাব পৰা নাছিল। Gilligan এ যুক্তি দৰ্শাইছিল যে এই কাৰণৰ বাবেই Army ৰ নৈতিক চিন্তাৰ অৱস্থাটোৱে Kohlberg ৰ মতবাদক সম্পূৰ্ণকৈ ঠগিব পাৰিছিল। Gilligan এ ল'ৰা-ছোৱালীবোৰক মূল্যাংকন কৰাটো সমৰ্থন কৰা নাছিল কিন্তু তেওঁ লক্ষ্য কৰিছিল যে Army ৰ সিদ্ধান্তই চিন্তাৰ নীতিবিদ্যাৰ এক কেন্দ্ৰীয় অন্তঃকৰণক ধাৰণ কৰিছিল যেনেকৈ Jake ৰ সিদ্ধান্তই ন্যায়ৰ তৰ্কবিজ্ঞানক প্ৰতিবিম্বিত কৰিছিল।

Heinz ৰ dilemma ক সমস্যাজৰ্জৰিত ৰূপত দেখা গৈছিল আৰু সঁচাকৈয়ে ই নৈতিক ক্ৰমবিকাশৰ স্তৰক জুখিব পাৰিছিলনে এই কথাটো সোধাৰ সম্ভৱনা আছিল। Heinz ৰ dilemma ত ঔষধ বিক্ৰেতাজনৰ অভিপ্ৰায়সমূহক আৰু তেওঁৰ অৱস্থাতিক বৰ্জন কৰা হৈছিল আৰু অসুখীয়া পত্নীগৰাকীৰ দৃষ্টিভঙ্গী আৰু তেওঁৰ মাতটোক নৈতিক সমস্যাৰ পৰা বৰ্জন কৰা হৈছিল। Kohlberg ৰ গৱেষণাত এইটো আগতীয়াকৈ নিৰ্ধাৰণ কৰা

হৈছিল যে চৰম নৈতিক স্তৰে কেনেধৰণৰ স্ব-শাসিত বিষয় ধাৰণ কৰিছিল, কোনে বিশ্বজনীন নৈতিক নীতিবোৰ বিশ্বাস কৰিছিল; কোনে নিজৰ যুক্তিতর্কত নিশ্চিত আছিল আৰু কোনে নতুন বাতৰি বা জ্ঞানৰ উৎপত্তিৰ স্বত্বেও নিজৰ অভিমত সলনি কৰা নাছিল আদি।

তেওঁৰ গৱেষণাৰ ওপৰত ভিত্তি কৰি Gilligan এ ১৯৮২ চনত "In a Different Voice" নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰিছিল য'ত তেওঁ Kohlberg ৰ সমালোচনা উপস্থাপন কৰিছিল। এই গ্ৰন্থখন চিন্তাৰ নীতিবিজ্ঞানৰ ক্ষেত্ৰখনৰ এখন অতি অনুপ্ৰেৰণামূলক গ্ৰন্থ হিচাপে পৰিগণিত হৈছিল। চিন্তাৰ নীতিবিজ্ঞানৰ দুটা পৃথক-পৃথক স্তৰ আছে সেইবোৰ হ'ল নাৰীবাদী চিন্তাৰ নীতিবিদ্যা আৰু অৱভাসবাদী চিন্তাৰ নীতিবিদ্যা। কিন্তু দুয়োপ্ৰকাৰ পথেই এক সুক্ষ্ম ভুলৰ পথেৰে পৰিচালিত হৈছিল। নাৰীবাদী নীতিবিদ্যাই চিন্তাক নীতিবিদ্যাৰ প্ৰথম দিশ হিচাপে প্ৰতিনিধিত্ব কৰিছিল। এইবোৰ মতবাদে নাৰী পুৰুষৰ ভাগ-দুটাৰ নীতিক স্পষ্ট কৰিবলৈ প্ৰয়াস কৰিছিল আৰু তেওঁলোক নীতি-নিয়মৰ লগত ওচৰ সম্বন্ধিত আছিল। অৱভাসবাদী চিন্তাৰ নীতিবিজ্ঞান এক অতি গভীৰ দাৰ্শনিক পটভুমিৰ ভিত্তিত গঢ়ি উঠিছিল আৰু ই সাধাৰণভাৱে বুজোৱা অৱভাসবাদৰ নিচিনা নাছিল। নাৰীবাদী দৃষ্টিভঙ্গীক শ্ৰৱণ আৰু বিশেষণৰদ্বাৰা স্পষ্ট কৰিব পাৰি যে চিন্তাৰ নীতিবিজ্ঞান নাৰীৰ লগত অবিচ্ছেদ্যভাৱে চিন্তা জড়িত হৈ থকাৰ বাবেই বা নাৰীৰ স্বভাৱৰ এটা অংশ বাবেই প্ৰয়োজনীয় নহয় বৰঞ্চ চিন্তাৰ নীতিবিজ্ঞান হ'ল মনঃস্তত্বমূলক আৰু ৰাজনৈতিক যুক্তিৰ সন্মিলন যিবোৰ যুক্তিবাদৰ বাস্তৱ মত আৰু সেইবোৰ হয় অকথিত বা ক্ৰমৰহিত হিচাপে প্ৰত্যাখান কৰা হৈছিল।

Gilligan এ উল্লেখ কৰিছিল যে যেতিয়া সাহসিকতাক পৃথকীকৰণৰদ্বাৰা বুজোৱা হৈছিল আৰু অন্তৰঙ্গতাৰ দ্বাৰা ভয় দেখুওৱা হৈছিল, তেতিয়া নাৰীত্বক অনুৰাগৰদ্বাৰা বুজোৱা হৈছিল আৰু পৃথকীকৰণৰদ্বাৰা ভয় দেখুওৱা হৈছিল। ছোৱালীবোৰে প্ৰধানকৈ নিজকে জড়স্তুপৰ ভিতৰত ৰখা ব্যক্তিগত সম্বন্ধৰ এক নেটৱৰ্ক (তালিকা) হিচাপে বুজাবলৈ চেষ্টা কৰিছিল। বহুসংখ্যক নাৰীবাদী লিখকে আৱিস্কাৰ কৰিছিল আৰু উল্লেখ কৰিছিল যে এক সাহসী পক্ষপাতিত্ব উপস্থিত আছিল আমি মন আৰু শৰীৰৰ বিষয়ে আৰু সিহঁতৰ মাজৰ সম্বন্ধৰ বিষয়ে চিন্তা কৰাৰ পথত।

Gilligan ৰ যত্ন বা চিন্তাৰ স্থিতিক এক প্ৰকাৰ নাৰীবাদী নীতিবিদ্যাই অনুপ্ৰাণিত কৰে যি মাতৃসুলভ চিন্তাৰ লগত সম্বন্ধিত। বহুসংখ্যক নাৰীবাদী চিন্তাবিদে নাৰীবাদী ধাৰণাক সাম্প্ৰদায়িকতাবাদী সকলৰ লগত চিনাকি কৰি দিছিল, পৰিৱেশবিজ্ঞানৰ সংবেদনশীল সম্বোধনেৰে সমাজক পুনঃ গঠনৰ বাবে। 'Sara Ruddick আৰু Carol Gilligan আদিৰ দৰে তত্ববাদীসকলক অনুসৰণ কৰি আনকি কিছুমান সমর্থক পছন্দ নাৰীবাদীয়ে মাতৃসুলভ চিন্তাৰ লগত গর্ভপাতক সংলগ্ন কৰিছিল আমাৰ প্ৰাৰম্ভিক পুৰুষ প্ৰধান সমাজত। মাতৃসুলভ চিন্তাক নৰমভাৱে বর্ণনা কৰা হৈছিল বিশেষভাৱে মানৱ সত্তাৰ মৰমীয়াল স্বভাৱৰ এক দায়িত্বশীল প্ৰতিশ্ৰুতি হিচাপে কাৰণ তেওঁলোকে প্ৰকৃততে সামাজিকভাৱে জড়স্তুপৰ ভিতৰত ৰখা আন্তঃ ব্যক্তিগত প্ৰসঙ্গত অস্তিত্বশীল আছিল। ই এক নৈতিক দৃষ্টিভঙ্গী যি পুৰুষতন্ত্ৰৰ লক্ষণ যেনে বিমূর্ত প্ৰতিযোগিতামূলক পৃথকে ৰখা আৰু কঠোৰ সিদ্ধান্তকাৰী আদিৰ পৰা অতি পৃথক।

১১.৪.৪ কিছুসংখ্যক সমর্থক-জীৱন আৰু যত্ন আধাৰিত নাৰীবাদী

কিছুসংখ্যক সমর্থক জীৱন আৰু যত্ন আধাৰিত নাৰীবাদ প্ৰফাইল নাৰীবাদীয়ে ভ্ৰূণ সম্বন্ধীয় জীৱনৰ দাবী সমূহ স্বীকাৰ কৰিছিল আৰু নাৰীসকলৰ বাবে কি ভাল সেই সম্বন্ধে বিভিন্ন দৃষ্টিভঙ্গী আগবঢ়াইছিল। Annelte

Baier, Virginia Held, Eva Feder Kittay, Sara Ruddick আৰু Joan Tronto আদি হ'ল চিন্তাৰ বা যত্নৰ নীতিবিদ্যাৰ পৰৱৰ্তী অৱদানকাৰীসকলৰ ভিতৰত অতি প্ৰভাৱশালী নাৰীবাদী চিন্তাবিদ। Annette Baier এ David Hume ৰ নৈতিক তত্ব আৰু যত্নৰ নীতিবিদ্যাৰ মাজত কিছুমান সহজাত সাদৃশ্য নিৰীক্ষণ কৰিছিল। কাৰণ Hume এ ও দাবী কৰিছিল যে নৈতিকতা হৈছে এনে এক বস্তু যি আবেগৰ ওপৰতহে নিৰ্ভৰ কৰে যুক্তিৰ ওপৰত নহয়। Baier এ চিন্তাৰ নীতিবিদ্যাক "নাৰীৰ নৈতিক তত্ব" হিচাপে স্বীকাৰ কৰিছিল। Baier এ প্ৰস্তাৰ দিছিল এই কথা অস্বীকাৰ কৰি যে নৈতিকতা এক বিশ্বজনীন আইনৰ বশৱৰ্তী হৈ থাকে। তদুপৰি আইন মানি চলা লক্ষণবোৰে নৈতিকভাৱে গুণযুক্ত আবেগিক চাৰিত্ৰিক লক্ষণ গঢ়ি তোলাৰ গুৰুত্বতাক প্ৰকাশ কৰে যি বিনয়, সহানুভূতি, সমব্যথা, সহমত আৰু বিশুদ্ধ মানসিক অৱস্থাক অন্তৰ্ভূক্ত কৰে। Baier এ বিশেষভাৱে বিশেষ ব্যক্তিৰ মাজত এক মৌলিক সম্বন্ধ "বিশ্বাস" ক ৰেখাংকিত কৰিছিল কাৰণ নৈতিকতাৰ মুখ্য ধাৰণা আৰু ইয়াৰ মতবাদৰ ভিতৰত থকা বিমূৰ্ত আৰু স্ব-শাসিত কৰ্তাৰ আধাৰৰ স্পষ্টতাক লক্ষ্য কৰিছিল। তেওঁ নৈতিক আবেগৰ বিকাশৰ বাবে কৰা কঠোৰ অধ্যৱসায়ক স্বীকাৰ কৰিছিল আৰু ন্যায় আৰু যত্নৰ আদৰ্শক সু-সঙ্গত কৰিছিল।

১১.৪.৫ Sidney Callahan

Sidney Callahan ৰ দৰে প্ৰফাইল নাৰীবাদী চিন্তাবিদে Pro-Choice নাৰীবাদী Beverly Wildung Harrison ৰ "Our Right to Choose" আৰু Rosalin Pollack Petchesky ৰ "Abortion and Women's Choice" আদি শোষণকাৰী স্থিতিৰ বিৰুদ্ধে যুক্তি আগবঢ়াইছিল। যিবোৰে কোনো ব্যক্তিৰ শাৰীৰিক নিয়ন্ত্ৰণৰ নৈতিক অধিকাৰ আৰু শাসন আৰু নিৰ্বাচন ক্ষমতাৰ নৈতিক প্ৰয়োজনীয়তাৰ সপক্ষে যুক্তি দিছিল।

চিন্তাৰ নীতিবিদ্যাই সাধাৰণতে পৰম্পৰাগত নৈতিক মতবাদসমূহ যেনে— আচৰণবাদ বা কাণ্টৰ মতবাদ আৰু পৰিণামবাদী বা উপযোগিতাবাদী নীতিবিদ্যাক সমৰ্থন কৰা নাছিল। চিন্তাৰ নীতিবিদ্যাই আফ্ৰিকীয় নীতিবিদ্যা, কনফুচিয় নীতিবিদ্যা আৰু অন্যান্য নীতিবিদ্যা যিবোৰ নৈতিক দৃষ্টিভঙ্গী বিভিন্ন সংস্কৃতিৰ ওপৰত প্ৰতিষ্ঠিত সেইবোৰক গুৰুত্ব দিছিল। বহুতো সমালোচকৰ মতে চিন্তাৰ নীতিবিদ্যাৰ দাস্য নৈতিকতাক গ্ৰহণ কৰা আৰু পালন কৰাৰ প্ৰৱণতা আছিল আৰু সেই বাবে ই অপৰিহাৰ্যবাদ, সংকীৰ্ণবাদ আৰু দ্ব্যৰ্থকতাবাদ আদি বিভিন্ন অন্তৰায়ৰ সন্মুখীন হৈছিল। ইয়াকো কোৱা হয় যে চিন্তাৰ নীতিবিদ্যা হ'ল মাতৃত্ব সম্বন্ধীয়, আন্তঃৰাষ্ট্ৰীয় সম্বন্ধ আৰু ৰাজনৈতিক মতবাদ সম্বন্ধীয় নাৰীবাদ আৰু নাৰীবাদী নীতিবিদ্যাৰ এটা আকাৰ। কিন্তু প্ৰকৃতত্বতে ই সত্য নহয়। ই পুৰুষ বা মহিলা নিৰ্বিশেষে সকলো মানৱ সত্তাৰে যত্নৰ দিশটোক বিশ্বাস কৰে আৰু সন্মান কৰে।

১১.৫ নাৰীবাদী চিন্তাৰ নীতিবিদ্যা আৰু ইয়াৰ প্ৰয়োগ

ওপৰৰ বিষয়সমূহৰ লগত সংযোজন কৰি চিন্তাৰ নীতিবিদ্যাৰ বহুতো সাময়িক নৈতিক তৰ্কবাদত প্ৰয়োগ কৰিব পৰা যায় য'ত গৰ্ভপাত, পুনৰোৎপাদিত প্ৰযুক্তিবিদ্যা, সমকামীতা আৰু সমকামী বিবাহ, মৃত্যুদণ্ড, ৰাজনৈতিক অভিকৰণ, ধৰ্মশালাৰ যত্ন আৰু HIVএইড্ছৰ চিকিৎসাৰ লগতে জনপ্ৰিয় সংস্কৃতিৰ দিশসমূহকো অন্তৰ্ভূক্ত কৰা হয়। ই বিস্তৃতভাৱে শিক্ষা, চিকিৎসাশাস্ত্ৰ, পৰিচৰ্যা আৰু ব্যৱসায়, নতুন নতুন বিষয় আৰু অনুসন্ধানৰ ধৰণক

অনুপ্ৰাণিত কৰা আদি বৃত্তিসমূহৰ নৈতিক বিশ্লেষণক অৱগত কৰে। ইয়াক জৈৱ-নীতিবিদ্যা, বানিজ্যিক নীতিবিদ্যা আৰু পৰিৱেশীয় নীতিবিদ্যা আদি বিভিন্ন ধৰণৰ নৈতিক ক্ষেত্ৰসমূহৰ নৈতিক মূল্যায়ন কৰিবলৈ ব্যৱহাৰ কৰা হয়। সম্ভৱতঃ যিহেতু চিকিৎসা শাস্ত্ৰ হ'ল এক বৃত্তি যি বিস্তৃতভাৱে আনৰ পৰিচাৰ্যক বুজায় সেয়েহে চিন্তাৰ নীতিবিদ্যাক অতি শাঘ্ৰে জৈৱ নীতিবিদ্যাত চিকিৎসা সম্বন্ধীয় কাৰ্য আৰু আঁচনিসমূহৰ সম্বন্ধাত্মক আৰু সংগঠিত দিশসমূহৰ মূল্যায়নৰ বাবে গ্ৰহণ কৰা হয়। ঠিক সেইদৰে Suran Sherwin আৰু Rosemarry Jong দুয়োজনে গৰ্ভপাতক স্বীকাৰ কৰিছিল কেনেকৈ নাৰীবাদী নীতিশাস্ত্ৰই চিন্তাৰ নীতিবিদ্যাক সাঙুৰি লৈ গৰ্ভপ্ৰতিৰোধ আৰু প্ৰজনন অক্ষম কৰাৰ নতুন দৃষ্টিভঙ্গীৰ যোগান ধৰে, কৃত্ৰিম বীৰ্য সেৱন বিধি আৰু কৃত্ৰিম গৰ্ভধাৰণ সেৱোগেছি (Surrogacy) বা ভ্ৰূণ ধাৰ লোৱা প্ৰক্ৰিয়া আৰু জিন থেৰাপি আদিৰ নতুন দৃষ্টিভঙ্গী যোগন ধৰিছিল। তদুপৰি চিন্তাৰ নীতিবিদ্যাক আন বহুতো উদ্ভাৱকে অঙ্গ সংৰোপন প্ৰক্ৰিয়া অতি জটিল ৰোগীৰ প্ৰতিপালনত, কৃত্ৰিম গৰ্ভাশয় স্থাপন প্ৰযুক্তিবিদ্যাত উন্নত নিৰ্দেশাৱলীত আৰু চিকিৎসাকৰ্মী আৰু ৰোগীসকলৰ মাজত আদৰ্শগত সম্বন্ধৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছিল।

১১.৬ চিন্তাৰ নীতিবিদ্যা কি ? জৈৱ-চিকিৎসামূলক নীতিবিদ্যাৰ সাধাৰণ ধাৰণা

নাৰী বিষয়ক চিন্তাৰ নীতিবিদ্যাৰ দৰে জৈৱ-চিকিৎসামূলক নীতিবিজ্ঞানেও বিমূৰ্ত ক্ষেত্ৰৰ নীতি নিয়মসমূহৰ সংমিশ্ৰণতকৈ এক প্ৰকৃত সমস্যাজনিত অৱস্থাৰ বাস্তৱ নেতৃত্ব দিয়াটোহে বিচাৰিছিল।

নাৰীবাদীসকল বৃহৎভাৱে Carol Gilligan ৰ দাবীৰ দ্বাৰা প্ৰভাৱিত হৈছিল যে বেলেগৰ কাৰণে কৰা চিন্তা বা যত্নৰ ক্ষেত্ৰত নৈতিকতাক বুজাবলৈ পুৰুষতকৈ নাৰীসকলে বেছি আগবঢ়া যদিও নীতিবিদ্যাৰ এই লিঙ্গভিত্তিক বৰ্ণনাৰ সাধাৰণ বিশেষত্বক বহুতো নাৰীবাদী চিন্তাবিদে সহজভাৱে ল'ৰ পৰা নাছিল।

জৈৱ-চিকিৎসামূলক নীতিশাস্ত্ৰ আৰু নাৰীবাদী চিন্তাৰ নীতিশাস্ত্ৰৰ মাজত থকা অন্য এক সাদৃশ্য হ'ল সম্বন্ধৰ অসমতা, ই লিঙ্গভিত্তিক হওক বা আন এক যে ৰোগী আৰু ডাক্তৰ বা চিকিৎসকৰ মাজত থকা সম্বন্ধৰ অসমতা। সেইধৰণৰ গাঁথনিৰ ভিতৰত স্বতন্ত্ৰৱদ্বাৰা নিৰ্ধাৰিত প্ৰতিশ্ৰুতিৰ আৰ্হিয়ে বুদ্ধিজাত কাৰকসমূহে এই ধৰণৰ ভাৱ-বিনিময়ত কোনো উপযুক্ত দৃষ্টিভঙ্গী আগবঢ়াব নোৱাৰে। দুয়োটাকে শৰীৰৰ বুনিয়াদী চিকিৎসামূলক দৃষ্টিকোণৰ চিন্তিত বা যত্নপৰ প্ৰতিফলনৰ প্ৰয়োজন কাৰণ পুৰুষতান্ত্ৰিক আদৰ্শবাদৰ লক্ষনীয়ভাৱে শৰীৰটো নাৰীবাদৰ লগত জড়িত হৈ থাকে আৰু নাৰীৰ শৰীৰটো বিশেষভাৱে চিকিৎসাজনিত শাসনৰ বিষয়।

১১.৭ সামৰণি

এইয়ে হ'ল নাৰীবাদী নীতিবিদ্যা তথা চিন্তাৰ নীতিবিদ্যাৰ চমু আলোচনা। গতিকে ওপৰোক্ত আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে যিমানদূৰ সম্ভৱ চিন্তাৰ নীতিবিদ্যা বা নাৰীবাদী নীতিবিদ্যাৰ বিষয়টোত ই মানৱ-জীৱনত আৱেগিক দিশটোৰ ওপৰত গভীৰভাৱে গুৰুত্ব প্ৰদান কৰে। সেইকাৰণে ই বিশ্বাস কৰে যে যদিহে কোনোৱে মানৱ সত্তাৰ সম্বন্ধৰ লগত জড়িত সমস্যাসমূহৰ বা মানুহৰ লগত জড়িত অন্যান্য বিষয়বোৰৰ নৈতিক সমাধান বিচাৰে তেনেহ'লৈ চিন্তাৰ নীতিবিদ্যাহে ইয়াৰ কেৱলমাত্ৰ সমাধান হ'ব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ 'যত্ন বা চিন্তাৰ নীতিবিদ্যাৰ' অন্য নাম কি?

প্ৰশ্ন ২ ঃ "On Caring" গ্ৰন্থখনৰ ৰচক কোন?

প্ৰশ্ন ৩ ঃ "In a Different Voice" নামৰ গ্ৰন্থখনৰ লিখক কোন?

প্ৰশ্ন ৪ঃ অৱভাসমূলক চিন্তাৰ নীতিবিদ্যাৰ পটভূমি কিহৰ ওপৰত প্ৰতিষ্ঠিত?

প্ৰশ্ন ৫ঃ David Hume ৰ নৈতিক মতবাদ আৰু চিন্তাৰ নীতিবিদ্যাৰ মাজত কোনে কিছুমান নিশ্চিত সাদৃশ্য নিৰীক্ষণ কৰিছিল?

প্ৰশ্ন ৬ঃ Carol Gilligan ৰ কি দাবীৰ পৰা নাৰীবাদীসকল অনুপ্ৰাণিত হৈছিল?

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গুণাত্মক নৈতিকতাৰ এক প্ৰভাৱশালী আৰু সমকালীন সংস্কৰণ হ'ল চিন্তাৰ নীতিবিদ্যা যাক নাৰীবাদী নীতিবিদ্যা বুলি কোৱা হয়।
- এই বিশেষ প্ৰকাৰৰ গুণাত্মক নীতিবিদ্যা এক ভাবাদৰ্শৰদ্বাৰা প্ৰভাৱিত হয় যে পুৰুষে ন্যায় আৰু স্ব-শাসন ইত্যাদি পুৰুষসম্বন্ধীয় প্ৰকাশভঙ্গীত চিন্তা কৰে আৰু এগৰাকী নাৰীয়ে যত্ন, মৰম আৰু পৰোপকাৰ ইত্যাদি নাৰীৰ প্ৰকাশভঙ্গীত চিন্তা কৰে।
- এই মতবাদে নাৰীবাদী গুণৰ লক্ষণসমূহক যেনে আনৰ যত্ন লোৱা, ধৈৰ্য, প্ৰতিপালন কৰাৰ যোগ্যতা, আত্মত্যাগ ইত্যাদি গুণবোৰক ফ'কাছ কৰাৰ চেষ্টা কৰিছিল।
- Maureen Sander - Staudt ৰ মতে, চিন্তাৰ নীতিবিদ্যা হিচাপে বা নাৰীবাদী নীতিবিদ্যাৰূপে পৰিচিত নৈতিক মতবাদে ব্যক্ত কৰে যে সম্বন্ধৰ মৌলিক তত্বসমূহত আৰু মানৱ জীৱনৰ আবেগ আৰু অনুভূতিবোৰৰ নৈতিক বিশেষত্ব আছে।
- Milton Mayeroff ৰ " On Caring (1990)" নামৰ সংক্ষিপ্ত গ্ৰন্থখনক চিন্তাৰ নীতিবিদ্যালৈ বৰঙণি যোগোৱা এখন অন্যতম প্ৰকৃত আৰু উৎকৃষ্ট গ্ৰন্থ হিচাপে স্বীকাৰ কৰা হয়।
- Gilligan ৰ নৈতিক স্থিতিয়ে মাতৃসুলভ চিন্তাৰ লগত জড়িত এক প্ৰকাৰ নাৰীবাদী নীতিবিদ্যাক উৎসাহিত কৰে। বহুতো নাৰীবাদী চিন্তাবিদে নাৰীবাদী আদৰ্শক সমুদায়বাদীৰ লগত একাত্মতা অনুভৱ কৰিছিল যে সমজাক পুনৰ গঠন কৰা পাৰিপাৰ্শ্বিক সংবেদনশীল প্ৰৱেশ পথ।
- নাৰীবাদী চিন্তাৰ নীতিবিদ্যাৰ দৰে জৈৱ-চিকিৎসামূলক নীতিবিজ্ঞানে বিমূৰ্ত ক্ষেত্ৰৰ নীতি নিয়মসমূহৰ সংমিশ্ৰনতকৈ এক প্ৰকৃত সমস্যাজনিত অৱস্থাৰ বাস্তৱ নেতৃত্ব দিয়াটোহে বিচাৰিছিল।
- নাৰীবাদীসকল বৃহৎভাৱে Carol Gilligan ৰ দাবীৰ দ্বাৰা প্ৰভাৱিত হৈছিল যে বেলেগৰ কাৰণে কৰা চিন্তা বা যত্নৰ ক্ষেত্ৰত নৈতিকতাক বুজাবলৈ পুৰুষতকৈ নাৰীসকলে বেছি আগবঢ়া যদিও নীতিবিদ্যাৰ এই লিঙ্গভিত্তিক বৰ্ণনাৰ সাধাৰণ বিশেষত্বক বহুতো নাৰীবাদী চিন্তাবিদে সহজভাৱে ল'ব পৰা নাছিল।

১১.৯ অধিক জানিবলৈ

1. Ethics of care (2017,08,15), Retrieved 12,17, 2018, from New World Encyclopedia :http:/w.w.w newworldeneyclopedia.org/entry/Ethics-of-care
2. Mayeroff, M. (1990) : On Caring. Harper Perennial.
3. Noddings, N. (2003), Caring : A Feminine Approach to Ethics and Moral Education. University of California Press.

১১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নাৰীবাদী নীতিবিদ্যা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ Milton Mayeroff

৩ নং প্ৰশ্নৰ উত্তৰ ঃ Carol Gilligan

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ই অতি গধুৰ দাৰ্শনিক পটভূমিৰ ওপৰত প্ৰতিষ্ঠিত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ Annette Baier এ David Hume ৰ নৈতিক মতবাদ আৰু চিন্তাৰ নীতিবিদ্যাৰ মাজত কিছুমান সাদৃশ্য নিৰীক্ষন কৰিছিল, কাৰণ Hume এ দাবী কৰিছিল যে নৈতিকতা হ'ল এনে এক বস্তু যি বুদ্ধিৰ ওপৰত নহয় আবেগৰ ওপৰত নির্ভৰ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নাৰীবাদীসকল বৃহৎভাৱে Carol Gilligan ৰ দাবীৰদ্বাৰা প্ৰভাৱিত হৈছিল যে আনৰ যত্ন লোৱা বা প্ৰতিপালনৰ ক্ষেত্ৰত পুৰুষতকৈ নাৰীসকলে বিশদভাৱে নৈতিকতাক বুজিব পৰিছিল।

১১.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ কি বিশেষ চিন্তাৰ দ্বাৰা চিন্তাৰ নীতিবিদ্যা প্ৰভাৱিত হৈছিল?

প্ৰশ্ন ২ ঃ Maureen Sander - Staudt ৰ 'চিন্তাৰ নীতিবিদ্যাৰ' সংজ্ঞা দিয়া।

প্ৰশ্ন ৩ ঃ Kohlberg আৰু Carol Gilligan এ উপস্থাপন কৰা মতবাদটোৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ Gilligan ৰ মতে কেনেকৈ বীৰত্ব বা সাহসিকতা আৰু 'নাৰীত্ব' এই পদ দুটাৰ সংজ্ঞা দিব পাৰি?

প্ৰশ্ন ৫ ঃ কেইগৰাকীমান প্ৰভাৱশালী নাৰীবাদী নীতিবিদ্যাৰ চিন্তাবিদৰ নাম উল্লেখ কৰক।

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ Maureen Sander - Staudt এ কেনেকৈ "চিন্তাৰ নীতিবিদ্যাক" বৰ্ণনা কৰিছিল? চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ Heinz dilemmaহিচাপে নীতিবিদ্যা আৰু ইয়াৰ প্ৰয়োগ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ নাৰীবাদী চিন্তাৰ নীতিবিদ্যা আৰু ইয়াৰ প্ৰয়োগ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ জৈৱ-চিকিৎসামূলক নীতিবিদ্যা আৰু নাৰীবাদী চিন্তাৰ নীতিবিদ্যাৰ সাধাৰণ বিষয়বোৰ কি কি?

গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ নাৰীবাদী নীতিবিদ্যাৰ ধাৰণাটো বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ চিন্তাৰ নীতিবিদ্যালৈ অৱদান যোগোৱা কিছুমান দৃষ্টিভঙ্গী আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বাস্তৱ জীৱনৰ বিভিন্ন প্ৰসংগত কেনেকৈ নাৰীবাদী চিন্তাৰ নীতিবিদ্যাক প্ৰয়োগ কৰিব পাৰি? বহলাই ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ১২ ঃ ন্যায় আৰু সমতাৰ ধাৰণা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ন্যায় আৰু সমতাৰ অর্থ

১২.৪ ন্যায় আৰু সমতাৰ মাজৰ সম্পর্ক

১২.৫ ন্যায় আৰু সমতা সম্পর্কে বিভিন্ন চিন্তাবিদৰ মতামত

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্রগতিৰ খতিয়ান

১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ন্যায় আৰু সমতাৰ ধাৰণা সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব
- ন্যায় আৰু সমতাৰ ধাৰণাৰ অর্থ বুজিব পাৰিব
- ন্যায় আৰু সমতাৰ মাজৰ সম্পর্ক জানিব পাৰিব
- ন্যায় আৰু সমতাৰ ধাৰণা সম্পর্কে বিভিন্ন চিন্তাবিদৰ মতামতবোৰ জানিব পাৰিব।

১২.২ পৰিচয়

দর্শনত ন্যায় হ'ল এনে এটা ধাৰণা যিয়ে মানুহৰ ইচ্ছা আৰু ভাল আৰু বেয়া বস্তু যিবোৰক তেওঁৰ আবণ্টন তাৰ মাজত এক শুদ্ধ অনুপাত বজাই ৰখা। বহল অর্থত ন্যায় হৈছে সেয়া উভয়ে যাক লাভ কৰাটোৱে ন্যায়সংগত আৰু তাৰ সম্পর্কে দার্শনিক আলোচনা কৰাটোৱে ন্যায়সংগত। ন্যায়ৰ ধাৰণাটো বিভিন্ন দিশৰ ওপৰত নির্ভৰশীল, যিবোৰক বিভিন্ন ধৰণৰ দৃষ্টিভংগী আৰু মতামত বুলি ক'ব পাৰি যিবোৰে নৈতিক শুদ্ধতাৰ ধাৰণাসমূহ যিবোৰ আকৌ নৈতিকতা বুদ্ধি বৃত্তি, আইন ধর্ম, সমতা আৰু শুদ্ধতাক নিজৰ মাজত অন্তর্ভুক্ত কৰে। মাজে সময়ে ন্যায়ৰ সাধাৰণ

আলোচনাত সামাজিক ন্যায়ৰ আলোচনা বুলি ভগাব পাৰি যাক দর্শন, ধর্ম দর্শন আৰু ধর্ম আৰু পদ্ধতিগত ন্যায় যাক আইনৰ অধ্যয়ন আৰু ব্যৱহাৰৰ ক্ষেত্রত পোৱা যায়।

ৰাষ্ট্র আৰু সমাজৰ আটাইতকৈ গুৰুত্বপূর্ণ আৰু আটাইতকৈ বেছি আলোচনা হোৱা উদ্দেশ্যটোৱেই হৈছে ন্যায়। ই হ'ল মানুহৰ ভিত্তি। ন্যায়ে দাবী কৰে এক নিকা বিতৰণৰ বাবে বা নিকা বিতৰণ লাভ কৰিবৰ বাবে মানুহৰ স্বার্থপৰ কাম-কাজবোৰক নিয়ন্ত্রণ কৰা, সমতাৰ সম বিতৰণ আৰু আনুপাতিক আৰু সকলোৰে বাবে এক পুৰস্কাৰ। ই ব্যক্তিগত হিত আৰু সামাজিক হিতৰ মাজত এক মিলাপ্রীতিৰ মাজত ব্রর্তি থাকে।

ৰাজনৈতিক তত্বত ন্যায়ৰ ধাৰণাটো বৰ গুৰুত্বপূর্ণ। আইন-কানুন, আঁচনি, সিদ্ধান্ত আৰু চৰকাৰৰ কাম কাজ ৰক্ষণাবেক্ষণ দিয়াত বা বিৰোধিতা কৰাত সকলোবোৰ ন্যায়ৰ স্বার্থত কৰা হয়। ন্যায় এক জটিল ধাৰণা আৰু মোটামুটি মানুহৰ জীৱনৰ প্রত্যেকটো দিশেই স্পর্শ কৰে। "Jutic" শব্দটো লেটিন শব্দ "Jungeru" শব্দটোৰ পৰা আহিছে যাৰ অর্থ হ'ল 'সকলোকে একেলগ কৰা বা বান্ধি ৰখা' (to bind or to tie together) 'Jus' শব্দটোৰ অর্থ হ'ল 'বান্ধি ৰখা বা একেলগ কৰা' ('Tie' or 'Bond') । এনেদৰে ন্যায়ক এনে এক ব্যৱস্থা হিচাপে সংজ্ঞা দিব পাৰি য'ত মানুহক এক নিকট বা আত্মীয়তাৰ সম্বন্ধেৰে বান্ধি থোৱা হয় বা সংযুক্ত কৰা হয়। ন্যায়ৰ ধাৰণাটোৱে বিভিন্ন মূল্যৰ লগ লগাব বিচাৰে আৰু ইয়াৰ ওপৰত সকলোবোৰ মানৱীয় সম্বন্ধ শৃংখলাবদ্ধ কৰিবলৈ চেষ্টা কৰে। এনেদৰে ন্যায়ৰ অর্থ হ'ল বান্ধোন, মিলাপ্রীতি বা সম্বন্ধৰ এক শুদ্ধ বা সঠিক স্তৰলৈ মানুহক শৃংখলাবদ্ধ কৰা।

সমতাৰ অর্থ হৈছে প্রত্যেকজন ব্যক্তিৰেই তেওঁলোকৰ জীৱন আৰু প্রতিভাক বিকাশ কৰিবৰ বাবে সমর্থন সুযোগ আছে। এইটোৱে বিশ্বাস কৰা হয় যে কাৰো/কোনো ব্যক্তিৰে নিজস্ব জন্ম, তেওঁলোক ক'ৰ পৰা আহিছে তেওঁলোকে কি বিশ্বাস কৰে বা তেওঁলোকৰ কি অক্ষমতা আছে তাৰ বিষয়ে কোনো ধৰণৰ কম সুযোগ নাপায়। সমতাই সকলোৰে মাজত সকলো শ্রেণীৰ মানুহৰ জাতি ধর্ম বর্ণ লিংগ বৈষম্য নোহোৱাকৈ সমান অধিকাৰ স্থাপন কৰিবলৈ বিচাৰে।

সমতা তেতিয়াহে স্থাপন হ'ব যেতিয়া সকলো দিশত সমানে বা একেভাৱে বিকাশ হ'ব। সমতাৰ অর্থ হ'ল 'সমানত্বৰ অৱস্থা' (The state of being equal)। ই এখন গণতান্ত্রিক সমাজৰ আদর্শ আৰু সেয়েহে বিভিন্ন ধৰণৰ সমতা যেনে জাতীয় সমতা লিংগ সমতা বা ধনী দুখীয়াৰ মাজত সুবিধাৰ সমতা প্রায়েই সকলোৱে সঁচা অর্থত সমান হোৱা বা উন্নত হোৱাৰ লগত জড়িত হৈ থাকে। যদিও কেৱল সামাজিক আদর্শৰ খাতিৰত সমতা ব্যৱহাৰ বা প্রয়োগ কৰিব নালাগে। সমতা থাকিব পাৰে দুটা আপেলৰ বোজা বা দুটা অণুৰ মাজত।

১২.৩ ন্যায় আৰু সমতাৰ অর্থ

চালমণ্ডৰ মতে "Justice means to distribute the due shar to everybody" ন্যায়ে ব্যক্তি আৰু সমাজৰ অধিকাৰ তথা ব্যৱস্থাবোৰক ৰক্ষণাবেক্ষন দিয়ে। ন্যায় এনে এক বুজাপৰাৰ ব্যৱস্থাৰ লগত জড়িত হৈ আছে আৰু এনে এক পদ্ধতিৰ লগত জড়িত হৈ আছে য'ত সকলোৱে যিটো ভাল সেই সম্পর্কে একমত। এনে কথাত ন্যায়ৰ অর্থ হ'ল সকলোৰে অধিকাৰবোৰ আহৰণ কৰি তাক শুদ্ধ পথেৰে ৰক্ষণাবেক্ষণ দিয়া। ন্যায় বর্তি থাকে এখন সমাজত বাস কৰা মানুহবোৰৰ পাৰস্পৰিক সম্বন্ধৰ ওপৰত। ই সমাজৰ মূল্য আৰু পৰম্পৰাৰ ওপৰত বর্তি থাকে। এখন সমাজত বাস কৰা মানুহৰ ব্যৱহাৰৰ প্রতিটো দিশৰ লগতে ন্যায় সংযুক্ত হৈ থাকে। এই উদ্দেশ্য আগত

ৰাখিয়েই আইন কানুন সমূহ আৰু আদালত তৈয়াৰ কৰা হৈছে। ন্যায়ৰ উদ্দেশ্য হ'ল এক শুদ্ধ ধৰণে সমান অধিকাৰ, সুবিধা আৰু সুযোগ প্রদান কৰা। ন্যায়ৰ কাম হ'ল ব্যক্তিগত পচন্দবোৰক সমাজৰ পচন্দ বা ভাল লগাবোৰৰ লগত একেলগ কৰা। ন্যায় হ'ল এক প্রাথমিক মূল্য মানুহৰ আৰু ই আন মূল্যসমূহ যেনে স্বাধীনতা, সমতা আৰু সম্পত্তিৰ লগত ওতঃপ্রোতঃ ভাৱে জড়িত। ন্যায় হ'ল মানৱীয় সম্বন্ধবোৰক নিয়ন্ত্রণ কৰা আৰু জোখ মাখ কৰাৰ এনে এক আদর্শ যিয়ে বা যাৰ দ্বাৰা সকলোৱে নিজৰ নিজৰ অধিকাৰ তথা শাস্তিবোৰ পাবলৈ সক্ষম হয়। ন্যায়ৰ বিভিন্ন দিশ আছে যেনে সামাজিক ন্যায়, অর্থনৈতিক ন্যায়, ৰাজনৈতিক ন্যায় আৰু ন্যায়সংগত ন্যায়।

জন ৰল্‌ছৱে (John Rawls), হাভার্ড বিশ্ববিদ্যালয়ৰ, কৈছিল যে 'Justice is the first virtue of social institutions' এই কথাষাৰ তেওঁ প্রকাশ কৰিছিল তেওঁৰ ১৯৭১ চনত প্রকাশ হোৱা গ্রন্থ 'A Theory of Justice'। ৰাজনৈতিক অভ্যাস আৰু তত্বত ন্যায়ৰ ধাৰণাটো এটা প্রধান ধাৰণা। আইন কানুন, ৰাজহুৱা আঁচনি চৰকাৰৰ প্রশাসনিক সিদ্ধান্তবোৰক ৰক্ষণাবেক্ষন বা বিৰোধিতা কৰোতে সদায় ন্যায়ৰ ধাৰণাটোৰ সহায় ল'ব লগা হয়।

সাধাৰণতে সমতা বুলি ক'লে সকলোকে সমানভাৱে ব্যৱহাৰ কৰা আৰু পুৰস্কাৰ বা সুযোগ সুবিধা প্রদান কৰা বুজায়। ই এক স্বাভাৱিক বা প্রাকৃতিক সমতা দাবী কৰে। কোৱা হয় যে সকলো মানুহ প্রাকৃতিক/স্বভাৱিক আৰু মুক্ত হৈ জন্ম পায়। তথাপিও আমাৰ অন্তৰত এক শক্তিশালী আবেগিক টান থকা স্বত্তেও, সকলোৰে মাজত এক প্রাকৃতিক আৰু প্রকৃত সমতা একেবাৰে সম্পূর্ণভাৱে গ্রহণ কৰিব বা অনুভৱ কৰিব নোৱাৰি। মানুহবোৰ তেওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য নাইবা তেওঁলোকৰ মানসিক দক্ষতাৰ আধাৰত কেতিয়াও সমান নহয়। কিছুমান শক্তিশালী আনহাতে কিছুমান দুর্বল আৰু কিছুমান বেছি বুদ্ধিয়ক আৰু চতুৰ আন কিছুমানতকৈ। তেওঁলোকৰ দক্ষতা আৰু পটুতা সমূহ বেলেগ বেলেগ। সেইবাবে এনেকুৱা ক্ষেত্রত ব্যৱহাৰ আৰু পুৰস্কাৰ বা প্রশংসা (Rewards) সমূহ একে হ'ব নোৱাৰে আৰু সেইবাবে সেইবোৰক নিশ্চিত কৰিব নোৱাৰি। পুৰস্কাৰ বা প্রশংসাসমূহ বিভিন্ন মানুহৰ কাম আৰু তাৰ দক্ষতাৰ লগত সংযুক্ত। সেয়েহে সমতাই কেতিয়াও এক সম্পূর্ণ পৰম সমতা নুবুজায়। সমতাই দৰাচলতে বিকাশৰ সমান সুযোগ বুজায়। বৰঞ্চ আমি যেতিয়া সকলো মানুহৰ মাজৰ সমতাৰ কথা কওঁ আমি তেতিয়া সাধাৰণ আৰু শুদ্ধ সমতাক বুজাও আৰু পৰম বা সম্পূর্ণ সমতাক বুজোৱা নহয়। আমি যদিও সুবিধাৰ সম বিতৰণৰ কথা কওঁ তথাপিও আমি কেতিয়াও সকলোৰে সকলো ক্ষেত্রত সমতাৰ কথা ক'ব নোৱাৰো। সমতাৰ অর্থ হৈছে সকলো ধৰণৰ অপ্রাকৃতিক আৰু অন্যায়মুলক অসমতাসমুহক আতঁৰাই বা সেইবোৰ অনুপস্থিতিত সমতা স্থাপন কৰাক হে বুজায়।

সমতা এইটো নিশ্চিত কৰিব বিচাৰে যে সকলোৱে এটা সম্পূর্ণ সুস্থ জীৱন যাপন কৰিবলৈ সকলোৱে সকলো বস্তুৰ সমান অধিকাৰ পাব লাগে। আনহাতে, নিৰপেক্ষতা বা ন্যায় নীতিয়ে বুজাই যে মানুহে কি বিচাৰে, এটা সুস্থ জীৱন যাপন কৰিবলৈ। কেতিয়াবা এই পদবোৰ সালসলনিকৈ ব্যৱহাৰ কৰা হয়, যিয়ে খেলিমেলিৰ সৃষ্টি কৰে। যেনে নিৰপেক্ষতা, সমতাই দুয়োটাই শুদ্ধতা আৰু ন্যায় বিচাৰ কৰিব বিচাৰে, কিন্তু ই তেতিয়াহে সম্ভৱ হ'ব যেতিয়া সকলোৱে সমানে একে বস্তুকে লৈ একে ঠাইৰপৰা আৰম্ভ কৰে। এই দুয়োটাৰে মাজত সাদৃশ্যৰ এখন পাতল তৰপ আছে কিন্তু শুদ্ধ ফলাফলৰ বাবে বিভিন্ন দৃষ্টিভংগী গ্রহণ কৰিব লাগিব। কোনোবাই হয়তো কৰিব পাৰে যে দুয়োটাই একে কিন্তু সঁচাকৈ/প্রকৃততে সিহঁতবোৰ বেলেগ বেলেগ ধাৰণা যাক এটা সাধাৰণ সংজ্ঞাৰ সহায়ত শুদ্ধভাৱে ব্যাখ্যা কৰিব নোৱাৰি। ন্যায় হ'ল এখন মুক্ত সংগবদ্ধ সমাজৰ এক সামগ্রিক দায়িত্ব য'ত জাতি, ধর্ম, বর্ণ, লিংগ, উৎপত্তি, লিংগ বৈষম্য, শ্রেণী, শাৰীৰিক আৰু মানসিক দক্ষতা আৰু বয়সৰ ভিত্তিতনির্বিশেষে মানুহৰ নাগৰিক আৰু মানৱ

অধিকাৰ সমূহ সংৰক্ষন কৰা হয় সকলো/প্ৰত্যেকজন ব্যক্তিৰ বাবে। ইয়াক আইনৰ এক ব্যৱস্থা বুলি গণ্য কৰিব পাৰি য'ত প্ৰত্যেকজন ব্যক্তিয়েই নিজৰ নিজৰ প্ৰাপ্য পায়/লাভ কৰে য'ত সকলো অধিকাৰ প্ৰাকৃতিক আৰু বৈধ অধিকাৰ সন্নিবিষ্ট হৈ থাকে। নিৰপেক্ষতা আৰু সমতাৰ মাজৰ পাৰ্থক্যসমূহ বুজাটো ভাল যিয়ে আমাক ভিন্নতাবোৰ বুজিবলৈ আৰু সমাধান কৰিবলৈ সহায় কৰিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ তলৰ বাক্যবোৰ সঁচা নে মিছা লিখক —

(ক) ন্যায় হ'ল এনে এটা ধাৰণা যিয়ে মানুহৰ ইচ্ছা আৰু ভাল আৰু বেয়া বস্তু যিবোৰক তেওঁ আৱণ্টন কৰিছে তাৰ মাজত এক শুদ্ধ অনুপাত বজাই ৰখা (সঁচা/মিছা)

(খ) চালমণ্ডৰ মতে, "Justice means to distribute the due share to everybody" (সঁচা/মিছা)

প্ৰশ্ন ২ ঃ 'Justice' শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

চিন্তা চৰ্চা কৰক ১২.১

ন্যায় আৰু সমতাৰ ধাৰণাবোৰৰ অৰ্থৰ এক সংক্ষেপে আলোচনা কৰক।

১২.৪ ন্যায় আৰু সমতাৰ মাজৰ সম্পৰ্ক

আমি সাধাৰণতে সমতা শব্দটো মানদণ্ড, প্ৰতিপত্তি, অধিকাৰ আৰু সুযোগক বুজাবলৈ ব্যৱহাৰ কৰোঁ। ন্যায় হ'ল শুদ্ধতা, নিৰপেক্ষতা, নৈতিকতা, তথা উদাৰতা। ই হ'ল নৈতিকভাৱে শুদ্ধ বা ভাল হোৱাৰ এক ব্যৱস্থা। সেয়েহে সমতা সামাজিক, নীতিৰ ওপৰত নিৰ্ভৰশীল য'ত সকলোৱে সেই সমাজৰ মাজতেই এখন শান্তিপূৰ্ণ সহাৱস্থান কৰিবলৈ আশা কৰে। আৰু সেই নিয়ম সকলোৱে বাবে একে যিয়ে বুজায় যে ই কোনো মানুহৰ জীৱনৰ স্থান, ধনী দুখীয়াৰ মাজত ভেদভাৱ নকৰে আৰু কেৱল প্ৰতিপত্তিশীল মানুহক কেতিয়াও বেছি গুৰুত্ব আৰোপ নকৰে।

ন্যায় হ'ল এক সিদ্ধান্ত যাক সক্ৰিয় আদালতত অনুসৰণ বা পালন কৰা হয়। ইয়াত যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় সেইবোৰ শুদ্ধতা, সততা, নৈতিকতা, উদাৰতা, নিৰপেক্ষতাৰ আধাৰত লোৱা হয়। এখন এনেকুৱা সমাজ য'ত সততা আৰু শুদ্ধতাৰ প্ৰাধান্য দিয়া হয়। আমি তাত সহজতেই অনুমান কৰিব পাৰো যে তাত ন্যায় জীয়াই আছে। মানুহে তাৰ চৰকাৰৰ কাম কাজৰ প্ৰতি সুখী আৰু তেওঁলোকে চৰকাৰক বিশ্বাস কৰে আৰু তেনে ক্ষেত্ৰত মানুহ আৰু চৰকাৰৰ এটা দিশতেই অগ্ৰসৰ হয়। এই ধৰণৰ ধনাত্মক চিন্তাধাৰাৰ ফলত চৰকাৰ আৰু জনতা সকলোৱেই স্বাভাৱিকতেই সকলোৱে পৰম সুখী জীৱনৰ বাবে চেষ্টা কৰে। যদিও এইখিনি কথা শুনিবলৈ ভাববাদী চিন্তাধাৰাৰ দ্বাৰাই হৈছে কিন্তু ইয়াত সাম্ভাব্যতা আছে। বহুতো ৰাষ্ট্ৰই ইয়াক সম্ভৱ কৰি তুলিছে।

সমতাই ন্যায়ৰ লগত ইয়াৰ সম্পৰ্কৰ মাজেৰে ন্যায়ৰ দৰেই বিভিন্ন প্ৰকাৰৰ বস্তুক নিৰ্দেশ কৰে যিয়ে 'ন্যায়' বা 'সমতা' আৰু ইয়াৰ বিপৰীত পদসমূহৰ ব্যৱহাৰক নিৰ্দেশ কৰে। এইবোৰ প্ৰধানতঃ কিছুমান কৰ্ম, মানুহ, সামাজিক অনুষ্ঠান আৰু পৰিৱেশ পৰিস্থিতি (eg. distributions) হয়। ন্যায়ৰ এই বস্তু বা বিষয়বোৰ এক আভ্যন্তৰীন সম্পৰ্ক হিচাপে দেখা দিয়ে আৰু এক আদেশ হিচাপে দেখা দিয়ে যাৰ বিষয়ে কেৱল উল্লেখ হে কৰিব পাৰি। 'ন্যায়সংগত' বা 'অ-ন্যায়সংগত' আদিবোৰ কেৱল ঐচ্ছিক কৰ্মৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰিব পাৰি যিবোৰে প্ৰশ্ন উত্থাপন কৰিব পৰা কিছুমান দায়িত্বক নিৰ্দেশ কৰে। সেয়েহে ন্যায় প্ৰধানঃ ব্যক্তিগত কৰ্মৰ লগত জড়িত হৈ থাকে, নিজৰ ঐচ্ছিক কৰ্মৰ বাবে মানুহ নিজেই দায়িত্বশীল (ethical individualism)। মানুহে নিজৰ কৰ্মৰ মাজতেই নিজৰ কৰ্ম আৰু পৰিৱেশক সলনি কৰিব পাৰে। যদিও মানুহ নিজৰ কৰ্ম আৰু পৰিবেশ পৰিস্থিতি উভয়ৰ বাবে দায়িত্বশীল তথাপিও এই দুটা বিষয়ৰ মাজত এক নৈতিক পাৰ্থক্য আছে যেনে এজন মানুহ বা এক সামগ্ৰিক কৰ্মৰ দ্বাৰা অন্যায়সংগত ব্যৱহাৰৰ ফলত হোৱা অন্যায় আৰু এক ন্যায়সংগত পৰিৱেশক শুদ্ধ বা ন্যায়সংগত কৰিব নোৱাৰা বা অসফলতাৰ বাবে হোৱা অন্যায়। যিবোৰ দায়িত্বশীল মানুহৰ কৰ্মই আন মানুহৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰে সেইবাবে দায়িত্বশীল মানুহে অসুবিধাৰ সন্মুখীন হোৱা মানুহবোৰক নৈতিকভাৱে শুদ্ধ ধৰনে ব্যৱহাৰ কৰিব লাগে আৰু বেয়া পৰিস্থিতিখিনিক ভাললৈ আনিবৰ বাবে কিছু প্ৰকাৰৰ সমতাৰ সৃষ্টি কৰিব লাগে। পৰিৱেশ পৰিস্থিতিৰ ক্ষেত্ৰত ন্যায় প্ৰতিষ্ঠা (ubiquitoushy and bimultaneously) কৰাটো কোনো মানুহৰ ব্যক্তিগত দক্ষতাৰ বাহিৰৰ কথা। ইয়াৰ বাবে মানুহে সামগ্ৰিক কৰ্মৰ ওপৰত জোৰ দিয়াৰ লগতে ন্যায়সংগত পৰিৱেশ পৰিস্থিতি সৃষ্টি কৰি এক নৈতিক দায়িত্ব পালন কৰিব লাগিব। এয়া হ'ল ৰাজনৈতিক দল বা গোটবোৰৰ সামাজিক সংস্থান আৰু মৌলিক ৰাজ্যিক গাঠনি যি ন্যায়ৰ এক প্ৰয়োজনীয় যুক্তি আৰু এনেকুৱা সংস্থান আৰু গাঠনিৰ আধাৰতেই মানুহে/ব্যক্তিয়ে নিজৰ দায়িত্বসমূহ খুব সাম্ভাব্য বা উচিত ধৰণে পালন কৰিব পাৰে। যদি এই পৰিস্থিতি সমূহ অ-ন্যায়সংগত হয়, তেতিয়া সকলো ব্যক্তিৰে ই নয়া দায়িত্ব তথা নৈতিক দায়িত্ব, ব্যক্তিগত আৰু সামগ্ৰিকভাৱে যাতে তেওঁলোকে সকলো অন্যায় সংগত পৰিৱেশ বা আঁচনি সমূহক ন্যায়সংগত পৰিৱেশ পৰিস্থিতিলৈ পৰিৱৰ্তন কৰিব পাৰে।

১২.৫ ন্যায় আৰু সমতা সম্পৰ্কে বিভিন্ন চিন্তাবিদৰ মতামত

প্লেটোৰ মতে, ন্যায় এক গুণ যিয়ে বৌদ্ধিকতাক উপস্থাপন কৰে, য'ত প্ৰত্যেকটো অংশই নিজৰ নিজৰ ভূমিকা সম্পূৰ্ণকৈ পালন কৰে আৰু এইবোৰ আন অংশবোৰৰ কোনো কাম কাজৰ ক্ষেত্ৰত কোনো ধৰণৰ হস্তক্ষেপ নকৰে। এৰিষ্টটলে কৈছিল, যি আইনসংগত আৰু শুদ্ধ তাৰেই বিদ্যমান, এই শুদ্ধতাই সমতাৰ বিতৰণত সহায় কৰে আৰু যি/য'ত সমতা নাই তাত সমতা স্থাপন কৰি শুদ্ধ কৰে। অগেষ্টাইনৰ মতে সদ্‌গুণ দাবী কৰে যে আমি সকলো মানুহকে তেওঁলোকৰ প্ৰাপ্যবোৰ দিবলৈ চেষ্টা কৰিব লাগে, একুইনাচ্‌ৰ মতে, ন্যায় হ'ল সেয়া বৌদ্ধিক অৱলম্বন বা উপায় বিপৰীতধৰ্মী অন্যায়ৰ মাজত, য'ত আনুপাতিক বিতৰণ আৰু পাৰস্পৰিক লেন-দেন অন্তৰ্গত। হব্‌ছে বিশ্বাস কৰিছিল যে ন্যায় এক কৃত্ৰিম গুন, যি নাগৰিক সমাজ বা সাধাৰণ সমাজৰ বাবে প্ৰয়োজনীয়, সামাজিক চুক্তিবোৰৰ এক ঐচ্ছিক চুক্তিৰ কাৰ্য্য, হিউমৰ মতে এয়া হ'ল এক গুণ যাৰ দ্বাৰা আমি আনৰ স্বাধীনতাক আৰু স্বায়তঃ শাসনক সন্মান কৰো আৰু যেতিয়ালৈকে আন কাৰো অধিকাৰক খৰ্ব নকৰে, তেতিয়ালৈকে তেওঁলোকৰ ঐচ্ছিক কৰ্মত হস্তক্ষেপ নকৰা; মিলৰ মতে ন্যায় এক সামগ্ৰিক নাম বেছিভাগ গুৰুত্বপূৰ্ণ সামাজিক প্ৰয়োজনৰ বাবে যিবোৰ মানুহৰ

স্বাধীনতাৰ বিকাশ আৰু ৰক্ষণাবেক্ষণৰ বাবে দৰকাৰী। ৰব্‌ল্‌ছে সমাজৰ সকলো সদস্যৰ মৌলিক অধিকাৰ আৰু দায়িত্বৰ আধাৰত সর্বোত্তম সম স্বাধীনতাৰ ক্ষেত্রত ন্যায়ৰ কথা কৈছে য'ত আর্থ-সামাজিক অসমতাবোৰে নৈতিক ঐচ্ছিত্য বিচাৰে সম সুবিধা আৰু সকলোৰে বাবে লাভদায়ক ফলাফলৰ আশা কৰি; আৰু কেবোৰ ৰৱলছ বিৰোধী দার্শনিকে আন আন বিকল্প ধাৰণাৰ কথা চিন্তা কৰিছে।

অৰেলিয়াছ আগষ্টাইনৰ ন্যায়ৰ ধাৰণাটো "The Virtue by which all people are given their due" লগত একে। কিন্তু এয়া কিবা নতুন তথা ই খ্রীষ্ট্রীয়ান অস্থায়ী আইন যেনে ৰাজ্যৰ/ৰাষ্ট্রীয় আইন যাক ঈশ্বৰৰ নিত্য স্বর্গীয় আইনৰ মাজত পার্থক্য। নিত্য আইন ঈশ্বৰৰ স্বর্গীয় ভৱিষ্যত মিতব্যয়িতা বা ঐশ্বৰিক শক্তিক স্থাপিত কৰে আৰু যিহেতু সকলো অস্থায়ী বা মানৱীয় আইন কানুন ঈশ্বৰৰ নিত্য আইন কানুনৰ লগত মিল/সংগতি ৰাখিব লাগে, আগষ্টাইনে এই স্পর্শকাতৰ সিদ্ধান্তটো নিঃস্বৃত কৰিব পাৰে যে "Anunjust law is no law at all"

য'ত প্লেটো, এৰিষ্টটল, আগষ্টাইন আৰু একুইাচে সকলোৱে ন্যায়ৰ এনে এটা ব্যাখ্যা আগবঢ়ায় যিটোৱে হেতুবাদৰ (Sophism)ৰ এক বিকল্প আগবঢ়ায়, থমাছ হব্‌ছে যি এজন স্পষ্ট অভিজ্ঞতাবাদী ইংৰাজ আছিল, তেওঁক দেখা গৈছিল যে তেওঁ এইটো হেতুবাদী চিন্তাধাৰাক পুনৰাই জীৱিত কৰি তুলিছিল যে আমাৰ ন্যায় সম্পর্কে ইয়াৰ কোনো নৈতিক বা ৰাজনৈতিক পৰম মূল্য আমাৰ কোনো বস্তুনিষ্ঠ জ্ঞান নাথাকে। তেওঁ স্পষ্টûকঠোৰ অভিজ্ঞতাবাদে তেওঁক কোনো ধৰণৰ এনেকুৱা জ্ঞান লাভ কৰিব দিয়া নাছিল যি মূর্ত ইন্দ্রিয় অভিজ্ঞতাৰ ওপৰত বর্তি থাকে। এইটোৱে তেওঁক 'Leviathan' ত যি তেওঁৰ এক কৃতিত্বমূলক কর্ম তাত এই সিদ্ধান্তলৈ আহিবলৈ তেওঁক অনুপ্রাণিত কৰিছিল যে যি প্রকৃত বা সত্য হয় যি শাৰীৰিক বা স্বভাৱত বৈষয়িক হ'ব লাগে যে শৰীৰ এক আৰু একমাত্র সত্য, এয়া হ'ল জড়বাদী একত্ববাদৰ দার্শনিক অৱস্থিতি, যিয়ে কোনো আধ্যাত্মিক বস্তু বা পদার্থৰ সাম্ভাব্যতা নাকচ কৰিছে। এই মতামত মতে, "A man is a living body" যি কেৱল জীৱ জন্তুবোৰৰ পৰা পৃথক, কিন্তু যাৰ ভূত পিশাচৰ পৰা পৃথক হোৱাৰ কোনো শুদ্ধ আধ্যাত্মিক আত্মা নাই। আন জীৱ জন্তুবোৰৰ দৰে, মানুহবো নিজৰ স্বভাৱগতঃ প্রকৃতি আৰু ভোক/খোৱাৰ হেঁপাহ থাকে, তেওঁৰ চিন্তা কৰাৰ শক্তিয়েই হৈছে তেওঁৰ আশা কৰা ফলাফল লাভ কৰিবলৈ লোৱা উপায় বা পন্থাবোৰক গণনা বা বিচাৰ কৰি চোৱাৰ এক পথ। আন এটা বিতর্কিত দাবী হ'ল যে সকলো ধৰণৰ কর্ম, সকলো মানৱীয় কর্ম, সেইবোৰৰ পূর্ববর্তী অৱস্থাসমূহৰ দ্বাৰা আগতীয়াকৈ নির্ধাৰিত হৈ থাকে, ইয়াক কার্য্য কাৰণ যুক্ত নিয়তিবাদ বুলি কোৱা হয়। আমি যিবোৰ কার্য্যক ঐচ্ছিক কম বুলি কওঁ য'ত আমাৰ ইচ্ছাই এক গুৰুত্বপূর্ণ কার্য্যকাৰণগত ভূমিকা গ্রহণ কৰি থাকে, মানুহৰ স্বাধীনতা কিছুমান বাহিৰৰ বাধাৰদ্বাৰা বাধাপ্রাপ্ত নহ'লে আন একোৰে বাধাপ্রাপ্ত নহয়। আন আন জীৱ জন্তুবোৰৰ দৰে আমি সদায় এক জীয়াই থকাৰ স্বাভাৱিক প্রবৃত্তিৰে মূলতঃ আগবাঢ়ি গৈ থাকো আৰু অৱশেষত আমাৰ সকলো ঐচ্ছিক কর্মৰ ক্ষেত্রত আমাৰ স্বঃৰুচিৰে অনুপ্রাণিত হওঁ, ইয়াকেই মনস্তাত্বিক অহংবাদ বুলি কোৱা হয়।

হিউমে এনেকুৱা এটা স্থিতি অধিকাৰ কৰিছে যাক বিংশ শতিকাত ন্যায়ৰ "নিয়ম সুখবাদ" (Rule utilitarian) বুলি কোৱা হয়, যদিও ন্যায়ৰ ব্যক্তিগত কর্মবোৰ ৰাজহুৱা প্রয়োজনীয়তাৰ পৰিপন্থী হ'ব পাৰে, সেইবোৰ তথাপিও পালন কৰিব লগা হয় যদিও সেইবোৰে সমাজখনক এক সামগ্রিক ধৰণে "এক সাধাৰণ আঁচনি বা পদ্ধতি" হিচাপে লাভাৱান্বিত কৰে। তথাপিও ন্যায়ৰ ৰাজহুৱা প্রয়োজনীতাৰ বাবে সাধাৰণ ভাৱে উপকাৰী নিয়মবোৰ কেতিয়াও পূর্ণ নহয় আৰু সেইবোৰক বৈধভাৱে ব্যাঘাত জন্মাব পাৰি যদিহে এইটো দেখা যায় যে সেইবোৰ নিয়মক অনুসৰণ কৰিলৈ সমাজখনৰ লাভতকৈ বেছি লোকচানহে হয়। তেওঁ এই নিয়মটো সবিনয় অৱজ্ঞা

(Civil disobedience) ধাৰণাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিছে, সি সাধাৰণতঃ অন্যায় কাৰণ ই "ৰাজহুৱা প্ৰয়োজনীয়তা" ৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে, কিন্তু ইয়াক "অ-সাধাৰণ অৱস্থাসমূহত" (in entraordinary circunstances) এক শেষ উপায় হিচাপে বৈধ বুলি মানি ল'ব পাৰি যেতিয়া সেই একেই ৰাজহুৱা প্ৰয়োজনীয়তাবোৰ খেলিমেলি বা অশান্তিৰ সৃষ্টি কৰে।

সমতাৰ, ইয়াৰ নিয়ম অনুসৰি ব্যৱহাৰৰ ফালৰ পৰা, অৱশ্যেই নৈতিকতা আৰু ন্যায়ৰ লগত এক নিকট সম্বন্ধ আছে আৰু বিতৰিত ন্যায় (Distributive justice) ৰ লগত এক বিশেষ সম্বন্ধ আছে। প্ৰাচীন কালৰে পৰা এতিয়ালৈকে সমতাৰ ন্যায়ৰ এক বিধানগত বা ন্যায়সংগত বৈশিষ্ট্য আছে। বুৰঞ্জীৰ ফালৰ পৰাও মানুহে আৰু স্বাধীনতা বা মুক্তি সংগ্ৰামত ন্যায়ৰ ভাষাক সমাজত থকা বিভিন্ন অসমতাবোৰ আতৰাবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। তথাপিও, সমতা আৰু ন্যায়ৰ মাজত সঠিক সম্পৰ্কটো কি বা কেনেকুৱা অৰ্থাৎ ন্যায়ৰ তত্ত্বত সমতাই কেনেকুৱা ভুমিকা পালন কৰে? সমতাৰ ধাৰণাটোৰ ভুমিকা আৰু ইয়াৰ এক উচিত ব্যাখ্যা যাক সামাজিক ন্যায়ৰ এক বিষয় হিচাপে গণ্য কৰা হয়, ই নিজে নিজেই এক কঠিন দাৰ্শনিক বিষয়। ইয়াক স্পষ্ট কৰিবলৈ দাৰ্শনিকসকলে বিভিন্ন ধৰণৰ নীতি-নিয়ম আৰু সমতাৰ ধাৰণাৰ কথা কৈছে। ইয়াৰ ভিতৰত চাৰি প্ৰকাৰৰ জনাজাত সমতাৰ নীতি আছে, যিবোৰ একেবাৰে খুব বেছি সাধাৰণ আৰু অবিতৰ্কিতৰ পৰা একেবাৰে বহুত বেছি বিশেষ আৰু বিতৰ্কিতলৈ আছে। ন্যায়ৰ তত্ত্বত সমতাৰ ধাৰণাটোৰ ভুমিকা সম্পৰ্কে থকা বিভিন্ন ভাঙনীসমূহ নতুন নতুনকৈ গঢ়ি উঠিছে যাৰ পৰা চাৰিটা নীতি আৰু সেইবোৰক বুজাব বা জনাব বিভিন্ন উপায়বোৰ গ্ৰহন কৰা হৈছে ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ তলৰ বাক্যবোৰ সঁচা নে মিছা লিখক —

(ক) ন্যায় হ'ল শুদ্ধতা, সততা, নৈতিকতা, নিৰপেক্ষতা বা সাধাৰণ। ই হ'ল নৈতিকভাৱে শুদ্ধ বা সঁচা হোৱাৰ এক ব্যৱস্থা। (সঁচা/মিছা)

(খ) সমতাৰ ইয়াৰ নিয়ম অনুসৰি ব্যৱহাৰৰ ফালৰ পৰা অৱশ্যেই নৈতিকতা আৰু ন্যায়ৰ লগত এক নিকট সম্বন্ধ আছে আৰু বিতৰিত ন্যায় (Distributive justice) ৰ লগত এক বিশেষ সম্বন্ধ আছে। প্ৰাচীন কালৰেপৰা এতিয়ালৈকে সমতাৰ ন্যায়ৰ এক বিধিগত বা ন্যায়সংগত বৈশিষ্ট্য আছে। (সঁচা/মিছা)

চিন্তা চৰ্চা কৰক ১২.২

ন্যায় আৰু সমতা সম্পৰ্কে প্লেটো আৰু এৰিষ্টটলৰ মতামতবোৰ আলোচনা কৰক

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ন্যায় হ'ল এনে এটা ধাৰণা যিয়ে মানুহৰ ইচ্ছা আৰু ভাল আৰু বেয়া বস্তু যিবোৰক তেওঁ আৱণ্টন কৰিছে তাৰ মাজত এক শুদ্ধ অনুপাত বজাই ৰখা।

- 'Justice' শব্দটো লেটিন শব্দ 'Jungeri' ৰ পৰা আহিছে যাৰ অর্থ হ'ল সকলোকে একেলগ কৰা বা বান্ধি ৰখা। 'Jus' শব্দটোৰ অর্থ হ'ল 'বান্ধি ৰখা বা একেলগ কৰা'। '' এনেদৰে ন্যায়ক এনে এক ব্যৱস্থা হিচাপে সংজ্ঞা দিব পাৰি য'ত মানুহক এক নিকট বা আত্মীয়তাৰ সম্বন্ধেৰে বান্ধি থোৱা হয় বা সংযুক্ত কৰা হয়।
- সমর্থৰ অর্থ হৈছে প্রত্যেকজন ব্যক্তিৰেই তেওঁলোকৰ জীৱন আৰু প্রতিভাক বিকাশ কৰিবৰ বাবে সমান সুযোগ আছে। এইটোৱে বিশ্বাস কৰা হয় যে কোনো ব্যক্তিৰে নিজৰ জন্ম, তেওঁলোক ক'ৰ পৰা আহিছে, তেওঁলোকে কি বিশ্বাস কৰে বা তেওঁলোকৰ কি অক্ষমতা আছে বা দুর্বলতা আছে তাৰ বিষয়ে কোনো ধৰণৰ কম সুযোগ নাপায়। সমতাই সকলোৰে মাজত বা সকলো শ্রেণীৰ মানুহৰ মাজত জাতি ধর্ম বর্ণ, লিংগ বৈষম্য নোহোৱাকৈ সমান অধিকাৰ স্থাপন কৰিবলৈ বিচাৰে।
- চালমণ্ডৰ মতে, "Justice means to distribute the due share to everybody"
- জন বল্ছ্ৰে, হার্বদ বিশ্ববিদ্যালয়ৰ কৈছিল, "Justice is the first virtue of social institutions" ঃ এই কথাষাৰ তেওঁ প্রকাশ কৰিছিল তেওঁৰ ১৯৭১ চনত প্রকাশ হোৱা গ্রন্থ "A Theory of Justice" ত। ৰাজনৈতিক তত্ব আৰু অভ্যাসত ন্যায়ৰ ধাৰণাটো এটা প্রধান ধাৰণা। আইন কানুন, ৰাজহুৱা আঁচনি আৰু চৰকাৰৰ প্রশাসনিক সিদ্ধান্তবোৰক ৰক্ষণাবেক্ষণ বা বিৰোধিতা কৰোতে সদায় ন্যায়ৰ ধাৰণাটোৰ সহায় ল'ব লগা হয়।
- সমতাই এইটো নিশ্চিত কৰিব বিচাৰে যে সকলোৱে এটা সুস্থ জীৱন যাপন কৰিবলৈ সকলোৱে সকলো বস্তুৰ সমান অধিকাৰ পাব লাগে। আনহাতে, নিৰপেক্ষতা বা ন্যায়নীতিয়ে বুজাই যে মানুহে কি বিচাৰে এটা সুস্থ জীৱন যাপন কৰিবলৈ উপদেশ আগবঢ়ায়।
- প্লেটোৰ মতে, ন্যায় এক গুণ যিয়ে বৌদ্ধিকতাক উপস্থাপন কৰে, য'ত প্রত্যেক অংশই নিজৰ নিজৰ ভূমিকা সম্পূর্ণকৈ পালন কৰে আৰু এইবোৰে আন অংশবোৰৰ কোনো কাম-কাজৰ ক্ষেত্রত কোনো ধৰণৰ হস্তক্ষেপৰ সৃষ্টি নকৰে। এৰিষ্টটলে কৈছিল, যি আইনসংগত আৰু শুদ্ধ, তাতেই ন্যায় বিদ্যমান। এই শুদ্ধতাই সমতাৰ বিতৰণত সহায় কৰে আৰু য'ত সমতা নাই তাত সমতা স্থাপন কৰি শুদ্ধ কৰে।
- হিউমে এনেকুৱা এটা স্থিতি অধিকাৰ কৰিছে, যাক বিংশ শতিকাত ন্যায়ৰ "নিয়ম সুখবাদ" (Rule utiliotarian) বুলি কোৱা হয় যদিও ন্যায়ৰ ব্যক্তিগত কর্মবোৰ ৰাজহুৱা প্রয়োজনীয়তাৰ পৰিপন্থী হ'ব পাৰে, সেইবোৰ তথাপিও পালন কৰিব লগা হয় যদিও সেইবোৰে সমাজখনক এক সামগ্রিক ধৰণে "এক সাধাৰণ আঁচনি বা পদ্ধতি হিচাপে" লাভাৰান্বিত কৰে।

৭ ১২.১০ অধিক জানিবলৈ

1. Rawls, John, 1971, A Theory of Justic, Belkwp, United States.
2. Sen, Amartya, 2009, The Idea of Justice, Allen lane of Harward University Press.
3. Sandel, Michacl, 2008, Justice : What is the right thing to do? Allen lane, Penguine Books.

4. Bourgeois, Trndy, 2017, Create Space Independent Publishing Platform; 1st edition (October 26, 2017)

১২.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সঁচা

(খ) সঁচা

২ নং প্রশ্নৰ উত্তৰ ঃ 'Justice' শব্দটো লেটিন শব্দ 'Jungeri' ৰ পৰা আহিছে যাৰ অর্থ হ'ল "সকলোকে একেলগ কৰা বা বান্ধি ৰখা"। "Jus" শব্দটোৰ অর্থ হ'ল "বান্ধি ৰখা বা একেলগ কৰা"। এনেদৰে ন্যায়ৰ এনে এক ব্যৱস্থা হিচাপে সংজ্ঞা দিব পাৰি য'ত মানুহক এক নিকট বা আত্মীয়তাৰ সম্বন্ধেৰে বান্ধি থোৱা হয় বা সংযুক্ত কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) সঁচা

(খ) সঁচা

৪ নং প্রশ্নৰ উত্তৰ ঃ হার্ভাদ বিশ্ববিদ্যালয়ৰ জন ৰৱল্ছে কৈছিল, "Justice is the first virutue of social iuastitution"। এই বাক্যশাৰী তেওঁ তেওঁৰ গ্রন্থ " "ত প্রকাশ কৰিছিল যিখন গ্রন্থ 1971 চনত প্রকাশিত হৈছিল। ৰাজনৈতিক তত্ব আৰু অভ্যাসত ন্যায়ৰ ধাৰণাটো এটা প্রধান ধাৰণা। আইন কানুন, ৰাজহুৱা আঁচনি আৰু চৰকাৰৰ প্রশাসনিক সিদ্ধান্তবোৰক ৰক্ষণাবেক্ষণ বা বিৰোধিতা কৰোতে সদায় ন্যায়ৰ ধাৰণাটোৰ সহায় ল'ব লগা হয়।

১২.১২ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ ন্যায়ৰ সংজ্ঞা দিয়া?

প্রশ্ন ২ ঃ সমতাৰ সংজ্ঞা আগবঢ়োৱা?

প্রশ্ন ৩ ঃ "Justice" শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

প্রশ্ন ৪ ঃ কোনে কৈছিল, "Justice is the first virutue of social iuastitution"?

প্রশ্ন ৫ ঃ চালমণ্ডৰ ন্যায়ৰ সম্পর্কে সংজ্ঞাটো কি?

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ "Justice" শব্দটোৰ উৎপত্তি কেনেকুৱা?

প্রশ্ন ২ ঃ সমতা আৰু ন্যায়ৰ মাজৰ সম্পর্কটো বহলাই লিখক।

প্রশ্ন ৩ ঃ প্লেটোৰ ন্যায়ৰ মতামতটো কেনেকুৱা?

গ) দীঘল প্ৰশ্ন (প্ৰায় **৩০০-৫০০** শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন **১** ঃ ন্যায় আৰু সমতা সম্পৰ্কে এটি খৰচি মৰা ব্যাখ্যা আগবঢ়োৱা।

প্ৰশ্ন **২** ঃ ন্যায় আৰু সমতা মাজৰ সম্পৰ্কটো ব্যাখ্যা কৰক।

প্ৰশ্ন **৩** ঃ ন্যায় আৰু সমতা সম্পৰ্কে বিভিন্ন দাৰ্শনিকে আগবঢ়োৱা মতামতবোৰৰ বিষয়ে আলোচনা কৰক?

*** **** ***

অধ্যায় ১৩ ঃ পাৰিপার্শ্বিক নীতিশাস্ত্র ঃ বেদ, জৈন আৰু বুদ্ধৰ দৃষ্টিভংগী

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ধর্ম আৰু বিশ্বজনীন দৃষ্টিভঙ্গী
১৩.৪ পাৰিপার্শ্বিক নীতিশাস্ত্র সম্পর্কীয় বৈদিক মতামত
১৩.৫ জৈনধর্ম আৰু বৌদ্ধধর্ম
১৩.৬ পাৰিপার্শ্বিক নীতিবিদ্যা সম্পর্কীয় জৈন মতবাদ
১৩.৭ বুদ্ধৰ পাৰিপার্শ্বিক নীতিশাস্ত্র সম্পর্কীয় মতবাদ
১৩.৮ সামৰণি
১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১০ অধিক জানিবলৈ
১৩.১১ অগ্রগতিৰ খতিয়ান
১৩.১২ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাৰিপার্শ্বিক নীতিবিদ্যা কি বর্ণনা কৰিবলৈ সক্ষম হ'ব
- অমানবীয় পৃথিৱীখনত নীতিবিদ্যাৰ প্রসাৰতাৰ প্রয়োজনক বুজিবলৈ সক্ষম হ'ব
- পাৰিপার্শ্বিক সজাগতা কিদৰে বিশ্বৰ গৰিষ্ঠসংখ্যক ধর্মীয় মতবাদে অনুপ্রেৰণা যোগায় তাক জানিবলৈ পাৰিব
- প্রকৃতি আৰু পৰিবেশৰ ওপৰত হিন্দুৰ দৃষ্টিভঙ্গী পৰীক্ষা কৰিবলৈ পাৰিব
- সমসাময়িক পাৰিপার্শ্বিক সমস্যাসমূহৰ ক্ষেত্রত বৌদ্ধ আৰু জৈন ধর্মৰ শিক্ষণক পৰীক্ষা কৰিবলৈ সক্ষম হ'ব।

১৩.২ পৰিচয়

বর্তমান সময়ত সন্মুখীন হোৱা গম্ভীৰ পাৰিপার্শ্বিক সমস্যাৰ বিষয়টোৱে আমাক উপলব্ধি কৰায় যে মানুহ হিচাপে এই পৃথিৱীত বর্তমান জীৱন ধাৰণ অসহনীয়। আমি সমস্যা সমাধানৰ বাবে বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ

ওপৰত নির্ভৰ কৰোঁ। জীৱবিদসকলে বৈজ্ঞানিকসকল আৰু বায়ুমণ্ডলবিদ সকলে বিশদভাৱে আমাৰ সমস্যাৰবাবে প্রযুক্তিবিদ্যাৰ সমিধান আগবঢ়াইছে। কিন্তু, আমাৰ বর্তমানৰ সমস্যাবোৰ সমাধানৰ ক্ষেত্রত দর্শনে এক ভূমিকা গ্রহণ কৰিব পৰা সম্ভাৱনা আছে জানো? এই বিষয়বোৰৰ পৰিপ্রেক্ষিতৃত পাৰিপার্শ্বিক নীতিশাস্ত্রৰ ক্ষেত্রখনে 1960 ৰ শেষৰফালে ক্রমবিকাশ লাভ কৰিছিল বহু সংখ্যক দার্শনিক বিষয়ক সংগঠিত কৰি যিবোৰ মানৱ সম্বন্ধৰ প্রাকৃতিক পৰিবেশৰ লগত জড়িত আছিল। ই পৰাবিদ্যা, জ্ঞানবিদ্যা আৰু নীতিবিদ্যাৰ শ শ বছৰ পুৰণি নীতি-নিয়মবোৰৰ পুনঃ অনুসন্ধান দর্শাইছিল বর্তমান সময়ৰ সম্ভাৱনাপূর্ণ অকৃতকার্য পাৰিপার্শ্বিক সমস্যা সমূহৰ পৰিপ্রেক্ষিতৃত।

যদিও নীতিবিদ্যা মানুহৰ সৈতে মানুহৰ সম্বন্ধৰ লগত জড়িত, পাৰিপার্শ্বিক নীতিবিদ্যাই নীতিবিদ্যাৰ পৰম্পৰাগত পৰিসীমাৰ পৰা এককভাৱে অন্তর্ভুক্ত মানুহৰ পৰা অমানৱীয় জগতৰ অন্তর্ভুক্তীকৰণৰ প্রসাৰতাক প্রদর্শন কৰে। গতিকে পাৰিপার্শ্বিক নীতিবিদ্যা হ'ল দর্শনৰ এক পদ্ধতি যি মানুহৰ নৈতিক সম্বন্ধক অধ্যয়ন কৰে আৰু লগতে পৰিবেশৰ মূল্য তথা নৈতিক স্থিতি আৰু ইয়াৰ অমানবীয় সূচীকো অধ্যয়ন কৰে।

দৰাচলতে, প্রায়োগিক নীতিবিজ্ঞানৰ এটা শাখা হিচাপে ইয়াৰ পৰিসৰে ব্যাপকভাৱে কেৱল পাৰিপার্শ্বিক নীতিবিদ্যাকেই সাঙুৰি লোৱাৰ উপৰিও ধর্মতত্ব আৰু কলাত্মক লক্ষণৰ বিষয়বোৰো সাঙুৰি লয়। পৰমানুবাদৰ প্রসঙ্গ, মানৱ কেন্দ্রস্বৰূপ আৰু আৱশ্যকীয়ভাৱে মূল্যবোধৰ পৰিসৰ আদি কার্যসূচীক অতিৰিক্ত ধাৰণাৰ বাবে গ্রহণ কৰা হয়। প্রাক্ পাৰিপার্শ্বিক নীতিবিদ্যাই প্রসাৰতাৰ অনুসন্ধান কৰিছিল যি অস্তিত্বশীল নীতিবিজ্ঞানৰ মতবাদবোৰ বিস্তৃত কৰি প্রাকৃতিক পাৰিপার্শ্বিকতাক অন্তর্ভুক্ত কৰিব পাৰিছিল; তদুপৰি ই নতুন নীতিবিদ্যামূলক প্রণালী সমূহৰ প্রস্তাৱ কৰিছিল যি পৰিবর্তনৰ ক্রমৰ সৈতে তেতিয়াৰ প্রচলিত নৈতিক দর্শনৰ পৰিসীমাক প্রত্যাহ্বান জনাইছিল।

পাৰিপার্শ্বিক নীতিশাস্ত্রৰ সাহিত্যত সহায়ক মূল্যবোধ আৰু সহজাত মূল্যবোধৰ মাজত প্রভেদ বিশেষভাৱে প্রয়োজনীয়। প্রথমটো হ'ল বস্তুগত মূল্যবোধ কিছুমান বেলেগ লক্ষ্যত উপনীত হোৱাৰ উপায় হিচাপে, আনহাতে দ্বিতীয়টো নিজস্ব লক্ষণমূলক বস্তুগত মূল্যবোধ য'ত তেওঁলোক অন্য লক্ষ্যৰ উপায় হিচাপে উপযুক্ত উদাহৰণস্বৰূপে এজোপা নির্দিষ্ট বনৰীয়া গছ বস্তুগতমূল্যবোধযুক্ত কাৰণ ই কিছুমান দৰৱৰ উপাদান যোগান ধৰে নাইবা মানবীয় নিৰীক্ষকক কলাত্মক বিষয়ৰ যোগান ধৰে। কিন্তু যদি স্বাধীনভাৱে ইয়াৰ আকাংক্ষাৰ কিছু নিজস্ব মূল্যবোধ গছজোপাৰ থাকে, অন্য কিছুমান লক্ষ্যত উপনীত হোৱাৰ বাবে যেনে মানৱ স্বাস্থ্য বা কলাত্মক অভিজ্ঞতাৰ আনন্দ তেতিয়া সেই গছজোপাৰ সহজাত মূল্যও থাকে। কাৰণ সহজাত মূল্যবোধ হৈছে যি নিজেই লক্ষ্য হিচাপে ভাল। দৰাচলতে এইটো গ্রহণযোগ্য যে কিছুমান নিয়ন্ত্রিত সহজাত মূল্যই এক প্রত্যক্ষ নৈতিক কর্তব্য উৎপন্ন কৰে নৈতিক কর্তাজনক সংৰক্ষণৰ অংশৰ ওপৰত নাইবা কমেও ইয়াক অনিষ্ট হোৱাৰ পৰা ৰক্ষা কৰে।

যদিও পৰম্পৰাগত পাশ্চাত্য নীতিশাস্ত্রৰ দৃষ্টিভঙ্গী ইমানেই মানৱকেন্দ্রীক যে হয় তেওঁলোকে কেৱলমাত্র মানৱ সত্তাৰহে সহজাত মূল্য ধার্য কৰে নাইবা কোনো অমানবীয় বস্তুতকৈ মানৱ সত্তাত এক বৃহৎ পৰিমানৰ সহজাত মূল্যক ধার্য কৰে যে মানৱ স্বার্থৰ সুৰক্ষা বা উন্নতি বা কল্যাণ অমানবীয় বস্তুবোৰৰ অপব্যয়ৰ বাবে সদায় ন্যায়সঙ্গঁত বুলি প্রমাণ কৰিবলগীয়া হয়। এৰিষ্টটলে কৈছিল যে, প্রকৃতিয়ে বিশেষভাৱে মানৱ হিতৰ বাবে সকলোবোৰ বস্তুৰ সৃষ্টি কৰিছে আৰু প্রকৃতিৰ অমানবীয় বস্তুবোৰৰ মূল্য কেৱল মাত্র সহায়কাৰী। সাধাৰণতে মানৱ কেন্দ্রীক স্থিতিয়ে বিচাৰ কৰে যে অমানবীয় প্রাণীবোৰৰ লগত কৰা নির্দয় আচৰণ কিয় ভুল তাক স্পষ্টকৈ প্রকাশ কৰাটো কঠিন, মাত্র এইটো আশা কৰিব পাৰি যে তেনেধৰণৰ আচৰণে মানৱ সত্তাৰ বেয়া পৰিণামহে প্রদর্শন কৰে।

১৯৭০ চনত প্ৰাৰম্ভতে যেতিয়া পাৰিপার্শ্বিক নীতিবিদ্যাই দর্শনৰ এটা নতুন সহপদ্ধতি হিচাপে ভূমুকি মাৰিছিল তেতিয়া ইয়াক মানৱ কেন্দ্ৰীকতাৰ এক প্ৰত্যাহ্বান হিচাপে প্ৰদর্শন কৰা হৈছিল। প্ৰথম পদক্ষেপত ই মানৱ সত্তাৰ আনুমানিক নৈতিক আধিক্যতাক পৃথিৱীৰ অন্যান্য জাতিৰ সদস্যসকলৰ ওপৰত প্ৰশ্ন কৰিছিল। দ্বিতীয় পদক্ষেপত ই সহজাত মূল্য নির্ণয়ৰ বাবে বুদ্ধিগত যুক্তিৰ সম্ভাৱনীয়তাৰ আৱিষ্কাৰ কৰে প্ৰাকৃতিক পৰিবেশ আৰু ইয়াৰ অমানবীয় বস্তুৰ ক্ষেত্ৰত। নতুন পাৰিপার্শ্বিক নীতিশাস্ত্ৰৰ লগে-লগে পাৰিপার্শ্বিক ধর্মতত্ত্বৰ ক্ষেত্ৰখনত উন্নতিৰ আৰম্ভণি হয়।

জানি থোৱা ভাল

পাৰিপার্শ্বিক নীতিজ্ঞানৰ শৈক্ষিক ক্ষেত্ৰখন Rachel Carson Murray Bookchin ৰ কার্যাৱলীৰ সন্মানত গঢ় লৈছিল আৰু কিছু ঘটনা যেনে ১৯৭০ ৰ প্ৰথম Earth, যেতিয়া পৰিবেশবিদসকলে দার্শনিকসকলক অনুপ্ৰেৰণা যোগাবলৈ আৰম্ভ কৰিছিল পৰিবেশৰ সমস্যাসমূহৰ দার্শনিক দৃষ্টিভঙ্গীক গ্ৰহণ কৰিবলৈ। নামৰ আলোচনীখনত দুখন গৱেষণাপত্ৰ প্ৰকাশ পাইছিল যাৰ এক নির্ণায়ক প্ৰভাৱ পৰিছিল ঃ Lym White ৰ "The Historical Roots of our Ecological Crisis" (March 1967) 'আৰু' Garrett Idardin ৰ 'The Tragedy og the Commons' (December 1968)। অন্য এক প্ৰভাৱশালী কার্য আছিল এখন ৰচনা Aldo Leopold ৰ গ্ৰন্থ "A Sand Country Almanac" যাক কোৱা হয় "The Land Ethic" (ভূমি নীতি) য'ত Leopold এ স্পষ্টভাৱে দাবী কৰিছিল যে পাৰিপার্শ্বিক সংকট বা সমস্যাৰ মূল কাৰণ হ'ল দর্শনমূলক।

১৩.৩ ধর্ম আৰু বিশ্বজনীন দৃষ্টিভঙ্গী

১৯৬৭ চনত Lym White Jr. লছ এঞ্জেলছৰ কেলিফর্ণিয়া বিশ্ববিদ্যালয়ৰ এজন ইতিহাসবিদে দাবী কৰিছিল যে পাৰিপার্শ্বিক সংকট হৈছে মৌলিকভাৱে আধ্যাত্মিক আৰু ধার্মিক সংকট আৰু সেয়েহে ইয়াৰ চুড়ান্ত সমাধানো হ'ব আধ্যাত্মিক তথা ধার্মিক।

যদিও পাৰিপার্শ্বিক নীতিশাস্ত্ৰ হৈছে পাশ্চাত্যত বিকাশ লাভ কৰা এক শৈক্ষিক নীতি তথাপি কোনো কোনোৱে প্ৰাচ্যৰ বৃহৎ পৌৰাণিক পৰম্পৰা যেনে — বৈদিক যুগ, জৈনধর্ম আৰু বৌদ্ধধর্ম আদিৰ পৰিবেশমূলক প্ৰাসঙ্গিক দৃষ্টিভঙ্গী বিচাৰি পাইছিল। এই তিনিওটা পৰম্পৰাই মানৱ পৰিৱেশৰ জ্ঞান গঠনৰ লগত জড়িত আছিল। হিন্দুধর্মৰ মতে, কাৰোবাৰ কর্তব্যৰ লগত একাত্ম হোৱা ধার্মিক বিধি অভ্যাস কৰা আৰু প্ৰার্থনাৰ প্ৰতিফলন আৰু ধ্যান আদিত জীৱনৰ উন্নতি ধাবমান হৈ থাকে। বৌদ্ধধর্মীসকলে মানৱ দুঃখৰ কাৰণ জানিবলৈ বিচাপে আৰু তাৰবাবে ধ্যান আৰু আঠ (৮) প্ৰকাৰৰ নৈতিক ব্যৱস্থাৰ অনুসৰণ কৰে। জৈনধর্মই মোক্ষ লাভৰ বাবে নীতিশাস্ত্ৰৰ ভূমিকাৰ লগতে চৈধ্যতা মার্গৰ ওপৰত গুৰুত্ব দিছিল। তিনিওটা পৰম্পৰাই কর্মৰ সৱিশেষ মূল্যায়নক অন্তর্ভুক্ত কৰিছিল আৰু এই কথা স্পষ্ট কৰি দিছিল যে বর্তমান সময়ত কৰা কর্মই এটা অৱশেষ বা বীজ (সংস্কাৰ, বাসনা, বীজ) এৰি থৈ যায়,

যিয়ে ভৱিষ্যতে যিকোনো সময়ত ফল ভোগ কৰিবলগীয়া হয়। ফলস্বৰূপে নীতিশাস্ত্ৰক অত্যন্ত নিষ্ঠা আৰু মনোযোগেৰে মানৱ প্ৰয়াসসমূহৰ অনুকূল এক সুনিশ্চিত পৰিনামৰ বাবে পৰ্যবেক্ষণ কৰিবলগীয়া হয়।

১৩.৪ পাৰিপাৰ্শ্বিক নীতিশাস্ত্ৰ সম্পৰ্কীয় বৈদিক মতামত

প্ৰকৃতি সম্পৰ্কে হিন্দু আচৰণক বিশ্ব আৰু সৃষ্টিৰ ধৰ্মীয় দৃষ্টি ভঙ্গীৰদ্বাৰা গঢ় দিয়া হয়। বৈদিক যুগত ঋষিসকলক মানৱ সত্তা আৰু প্ৰকৃতিৰ মাজত সম্বন্ধই আকৰ্ষিত কৰিছিল। তেওঁলোকে স্বৰ্গ, মৰ্ত আৰু ইহলোক আৰু পৰলোক আদি সৃষ্টিৰ ৰহস্যক অধ্যয়ন কৰিছিল। তেওঁলোক সৃষ্টিৰ ৰহস্য আৰু বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিষ্ঠাক লৈ কৌতুহলী আছিল। তেওঁলোকে তেওঁলোকৰ গভীৰ চিন্তা অনুমান আৰু ধাৰণাৰ দ্বাৰা জানিব পাৰিছিল যে সৃষ্টিৰ এই ভৌতিক কাৰণবোৰ সংঘটিত হয় পাঁচটা মহাভূতত (পাঁচটা বৃহৎ উপাদান) পৃথিৱী, বায়ু, আকাশ, জল আৰু অগ্নি।

এই পাঁচটা মহাভূত হ'ল জাগতিক বা সাংসাৰিক উপাদান যিয়ে জীৱন আৰু মৃত্যুৰ পিছৰ সকলো আকাৰৰ সৃষ্টি কৰে, পালন কৰে আৰু ধ্বংস কৰে নাইবা যি প্ৰাৰম্ভতে সৃষ্টি হৈছিল তাক শোষণ কৰে বা পতন হৈ যায়। গতিকে সিহঁতে পৰিবেশৰ সংৰক্ষণ আৰু ধ্বংসৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আৰম্ভণিৰে পৰা ভাৰতীয় বৈদিক পৰম্পৰাই এক গুৰুত্বপূৰ্ণ স্থান দিছিল। 'সুখ' ৰ মূল্যবোধক যেনে আনন্দ, অৱশেষ, সাহস, স্বাস্থ্য, ফুৰ্ত্তি, শান্ত, বন্ধুত্ব, জ্ঞান আৰু সত্য আৰু আনহাতে ইহঁতৰ বিপৰীতে বেয়া মূল্যবোধ বিশেষকৈ দুখ কষ্ট ৰোগ আৰু আঘাত, মৃত্যু, বিষ, বাঁজপন, খং, শত্ৰুতা, অজ্ঞতা বা ভুল, অসত্যতা ইত্যাদি। সেই মূল্যবোধৰ মানদণ্ডবোৰ কেৱলমাত্ৰ মানুহৰ কুশলৰ কাৰণে সীমিত নহয়, বৰঞ্চ সিহঁতক সকলোবোৰ সংবেদনশীল সত্তাৰ আৰু লগতে নিৰ্জীৱ সত্তাৰ কাৰণেও সাৰ্বিকীকৰণ কৰা হয়; দৈৱিক ক্ষেত্ৰ যেনে — ঈশ্বৰ আৰু বিশ্বাস ভাগ হৈ যায়; জীৱমণ্ডল অৰ্থাৎ প্ৰাণী আৰু উদ্ভিদসমূহ আৰু বিস্তৃত জৈৱিক পৃথিৱী অৰ্থাৎ অচেতন পৰিমণ্ডলে উপাদানবোৰৰ লগত একত্ৰিত হৈ যায়।

জানি থোৱা ভাল

নিঃসন্দেহে বৃহত্তৰ ভাৰতবৰ্ষৰ পৰা গ্ৰহণ কৰা দৃঢ় আধাৰ ব্ৰাহ্মণ বিধিৰ আগতেই তাত কিছু অসম্পূৰ্ণ পুৰাতত্ব অনুসন্ধানৰ হিচাপ পোৱা গৈছে যি সিন্ধু উপত্যকাৰ এক উচ্চ সভ্যতাৰ সংকেত দিয়ে (যাৰ বিস্তৃতিৰ অন্তৰ্গত পাঞ্জাৱ, সিন্ধু আৰু বৰ্তমানৰ পাকিস্তান আৰু বেলুচিস্তান আদি প্ৰদেশবোৰ আছিল) যি খৃষ্টপূৰ্ব 3000 বছৰ আগৰ বুলি ধাৰণা কৰা হয়, য'ত প্ৰকৃতি আৰু দ্ৰাবিড় লোকসকলৰ মাজত এক ওচৰ সম্পৰ্ক থকাটো বিস্তৃতভাৱে প্ৰকাশ পাইছিল। সিন্ধু উপত্যকাৰ বিখ্যাত চহৰ দুখন হ'ল হৰপ্পা আৰু মহেঞ্জেদাৰো লগতে তেওঁলোকৰ বোকাৰ ইটা আৰু গছৰডালেহে সজা বাসস্থান, সম্পূৰ্ণ গা-ধোৱা ঘৰ বিস্তৃত নলা আৰু ময়লা নিষ্কাশণ পদ্ধতি আদিয়ে অতি সাবধানেৰে ডিজাইন কৰি নিৰ্মাণ কৰা নগৰীয়া সভ্যতাৰ অস্তিত্ব বহন কৰিছিল। স্থাপত্যবিদ্যাৰ লগতে খেতিৰ অনুশীলনেও চাৰিওফালৰ পৰিবেশ আৰু জলবায়ুৰ অৱস্থাৰ সৈতে গঠনাত্মক ঐক্যৰ সাক্ষ্য বহন কৰিছিল যিয়ে উৎকৃষ্টভাৱে প্ৰাকৃতিক সাধনবোৰক সংৰক্ষণ কৰিছিল নিৰ্বনীকৰণৰ প্ৰতিবাদ কৰিছিল আৰু দেৱতাসকলক সান্তনা দিছিল যিসকল কম-বেছি পৰিমাণে প্ৰাকৃতিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰা মানৱ ব্যক্তিত্বৰ সংকেত বহন কৰিছিল।

স্পষ্টৰূপত সুস্পষ্ট লিপি আৰু কলাকৃতিয়ে পৃথিৱীৰ এক নাৰীশক্তিৰ আকাৰৰ শক্তিশালী উপাসনাৰ আৰু এগৰাকী তপস্বী যোগীশ্বৰ শিৱৰ আৰাধনাৰ প্রমাণ দাঙি ধৰিছিল।

সিন্ধু সভ্যতাৰ সময়ছোৱাত কিছুমান ধর্মীয় উপাদান আৰু সাংস্কৃতিক কীর্তি আৰু অন্যান্য দৰিদ্র সম্প্রদায়ে (বিশেষকৈ আদিবাসী) বৈদিক ক্রমবিবর্তনৰ পিছতো সংলগ্ন হৈ আছিল, যি আর্যসকলৰ অন্তঃপ্রবাহৰ লগতে আৰম্ভ হৈছিল নাইবা 'Noble People' নামৰ মুখ্য এছিয়াৰ এক অঘৰী ধর্মোপদেশক জনজাতি যি খৃষ্টপূর্ব প্রায় দ্বিতীয় সহস্রাব্দত উপমহাদেশৰ উত্তৰ অংশত গংগাৰ সমতলত উপনিবেশ স্থাপন কৰিছিল। তেওঁলোকৰ কৃষি সংস্কৃতি তীব্রভাৱে প্রাকৃতিক শক্তিৰ ওপৰত নির্ভৰ কৰিছিল তাৰ প্রতিফলন হৈছিল স্তুতিৰ সূচীপত্রত আৰম্ভণিতে যাক ঋক্‌বেদ বুলি জনা গৈছিল। ভাৰতবর্ষৰ প্রকৃতি ৰোমাঞ্চনৰ তালিকাত মৌখিক পৰম্পৰা আৰু বেদ হৈছে আটাইতকৈ প্রাচীন। বেদসমূহ হৈছে (সংস্কৃত বেদ' যাক জনা যায়) ক্রমাগতভাৱে বিকশিত মূল পাঠ্যৰ আবৃত্তি আৰু মনত ৰখা এক বৃহৎ প্রণালী যি প্রকৃতিৰ শক্তিসমূহক নিচুকাই আৰু প্রশংসাও কৰে।

হিন্দুধর্মৰ এক মনোগ্রাহী সাহিত্যিক ইতিহাস আছে আৰু যদিও ই কোনো সন্নিবিষ্ট ধর্ম নহয় তথাপি ইয়াৰ সাহিত্যিক ইতিহাসে এক সুলভ ৰূপৰেখাৰ যোগান ধৰে। যাৰদ্বাৰা প্রকৃতিৰ পৰম্পৰাৰ বিশেষত্বসমূহক বুজিবলৈ সহায় হয়। হিন্দু সাহিত্যৰ আটাইতকৈ প্রাচীন উৎস হ'ল ঋক্‌বেদ, য'ত পূজা আৰু স্তুতিৰ ভজন সন্নিবিষ্ট কৰি প্রকৃতিৰ বিভিন্ন ঘটনাক দৈৱিক ৰূপত দেখুওৱা হৈছে। ইন্দ্র হ'ল ঋতু অনুসৰি হোৱা বৰষুণ, এক প্রকাৰ পুৰুষ আকৃতিৰদ্বাৰা চিত্রিত কৰা হৈছে যি তৃষ্ণাতুৰ ভূ-পৃষ্ঠৰ জলৰাশিক বাধা দিয়া ৰাক্ষসক ধ্বংস কৰে। সূর্য হ'ল ৰবি, মাৰুত হ'ল ধুমুহা আৰু অপ হ'ল জলৰাশি। পৃথিৱী হ'ল ধৰিত্রী যাক মাতৃৰূপে পূজা কৰা হয় যি সমগ্রজগত আৰু তেওঁৰ ওপৰত বাস কৰা সকলোকে ৰক্ষা কৰে।

ঋক্‌বেদ আৰু অন্যান্য প্রাচীন বৈদিক সংগ্রহে যমুনা, সৰস্বতী, সিন্ধু আৰু গংগা আদি নদীক প্রশস্তভাৱে উপাসনা কৰিছিল। হিন্দু পৰম্পৰাই সকলো নদীক পবিত্র জ্ঞান কৰিছিল। সমগ্র ভাৰততে নদীসমূহৰ পাৰত প্রাচীন মন্দিৰ আৰু সমসাময়িক ধর্মীয় উপাসনাৰদ্বাৰা নদীক মা হিচাপে জীৱনৰ উৎসৰূপে, দেৱীৰূপে গভীৰ ধর্মনিষ্ঠা প্রকাশ কৰিছিল যি পাপ আৰু প্রদূষণক পৰিষ্কাৰ কৰিছিল। বৈদিক উৎসসমূহে বিশ্বব্রহ্মাণ্ডৰ এক জীৱন্ত আকৃতি চিত্রণ কৰিছিল যাৰ প্রতিটো অংশই সমগ্র জীৱনৰ লগত সম্বন্ধযুক্ত। বৈদিক সাহিত্যই এই ধাৰণাৰ উন্নীতকৰণ কৰিছিল যে সকলোৰে জীৱন পবিত্র কাৰণ সকলো জীৱিত সত্তাই এক পবিত্র সত্তাৰ প্রতিফলন য'ৰ পৰা সকলো জীৱন সৃষ্টি হয়; সেইকাৰণে জীৱৰ অনিষ্টসাধন কৰিব নালাগে।

উপনিষদত, যিবোৰ বৈদিক স্তুতিৰ দার্শনিক পৰিপূৰক, (খৃষ্টপূর্ব ৮০০ - ৬০০ তে ৰচনা কৰা) তাত, প্রাকৃতিক জগতক গভীৰ শ্রদ্ধাৰ দৃষ্টিভঙ্গীক ধৰি ৰখা হৈছিল। কিন্তু উপনিষদসমূহ হ'ল তথ্যপ্রমাণৰ এক বিপৰীতমুখী অবয়ব। উপনিষদীয় শিক্ষাই চুড়ান্ত ভিত্তি আৰু দৃশ্যমান জগতৰ উৎসহিচাপে কিছুমান বিষয়ক শ্রেণীবদ্ধ কৰিছিল, শুদ্ধ আত্মাৰ প্রকৃত স্বৰূপ যি ব্যক্তিবিশেষৰ গভীৰতাত আৰু অন্যান্য জীৱিত জন্তুৰ গভীৰতাত বাস কৰে। দৃশ্যমান জগতৰ সন্নিহিত আত্মাৰ স্থিতি আৰু আত্মাক ইয়াৰ বন্ধনৰ পৰা মুক্তিলৈ অগ্রসৰ কৰা পথ বা উপায় তথা দৃশ্যমান জগতৰ অসীম পুর্নজন্ম বা সংসাৰ বুলি কোৱা হয়। ইয়াত প্রকৃতিৰ শ্রদ্ধামূলক দৃষ্টিভঙ্গীৰ লগে লগে আমি প্রকৃতিৰ অন্য এক স্বভাৱ বিচাৰি পাওঁ যি ঋকবেদ আৰু অন্যান্য বৈদিক সংগ্রহৰ লগত কম পৰিমানে জড়িত। উপনিষদৰ অর্ন্তদৃষ্টিৰ বিবিধতাৰ বাহিৰেও সিহঁতৰ প্রাকৃতিক জগতৰ দৃষ্টিভঙ্গী দুটা বিজ্ঞানমূলক

প্ৰবৃত্তিঅনুসৰি একত্ৰিত কৰিব পৰা যায়। এহাতে প্ৰাকৃতিক জগত আৰু ই ধাৰণা কৰা সকলো নাইবা ব্ৰহ্মৰ চুড়ান্ত সত্তাৰ প্ৰকাশৰ দ্বাৰা। অন্যান্য পথবোৰে দৃঢ়ভাৱে কৈছিল যে, যদিও পৰমাত্মাই হ'ল সকলো বস্তুৰে মুল ই যিকোনো দেখা বা ধাৰণ কৰাতকৈ বেলেগ। কিছুমান উপনিষদত এই পৰমসত্তাক অন্তৰ আত্মাৰ গভীৰতাত প্ৰবেশকৰাৰ মাধ্যমেৰে প্ৰদৰ্শন কৰা হৈছিল।

অৱশ্যে সকলো উপনিষদেই এই পৰমসত্তাৰ অনুধাবনৰ বাবে কোনো একক নিয়মক স্বীকাৰ কৰা নাছিল, কিছুমান বস্তু জগতৰ পৰা সন্যাসৰ কথা কৈছিল, যাক এক সাময়িক আৰু ক্ষণস্থায়ী সত্তা হিচাপে দেখা গৈছিল। সেই কাৰণে কোনো কোনো উপনিষদে বস্তুগত জগত আৰু পার্থিৱ জগতৰ গুৰুত্বতাক সংক্ষেপে কৰিব বিচাৰিছিল য'ত একত্ৰিত আত্মাক পুনৰজন্মৰ বাবে দোষাৰোপ কৰা হয়।

খৃষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা হিন্দু পৰম্পৰাই এই বিপৰীত মুখী প্ৰবৃত্তিবোৰৰ মাজত মধ্যস্থতা আৰম্ভ কৰি দিছিল কেৱল এটা নহয় বৰং মানৱ অস্তিত্বৰ চাৰিটা লক্ষ্যণ উদ্দেশ্যৰ গাঁথনিৰ দ্বাৰা সেইয়া হ'ল ধৰ্ম, অৰ্থ, কাম, মোক্ষ।

একে সময়তে এই পৰম্পৰা পার্থিৱ জীৱনৰ চাৰিটা স্তৰৰদ্বাৰা বুজোৱা হৈছিল — ব্ৰহ্মচৰ্য, গ্ৰাহস্থ, বানপ্ৰস্থ আৰু সন্যাস।

যিহেতু জীৱনৰ চাৰিটা লক্ষ্য জীৱনৰ বিভিন্ন স্তৰৰ লগত জড়িত, এই পৰম্পৰাই দুয়োখন বস্তু জগতৰ ওপৰত গুৰুত্ব প্ৰকাশ কৰিছিল ধৰ্মক অন্তৰ্ভুক্ত কৰি যি প্ৰাকৃতিক, সামাজিক আৰু ৰাজনৈতিক নিয়মৰ সামঞ্জস্য আৰু চুড়ান্ত লক্ষ্য মুক্তিৰ লগত জড়িত। এই চাৰি লক্ষ্য আৰু জীৱনৰ চাৰিটা স্তৰে ৰামায়ণ আৰু মহাভাৰতৰ (খৃষ্টপূৰ্ব ৫০০-১০০তে ৰচনা কৰা) প্ৰভূত্বতাক প্ৰতিফলিত কৰে ভাৰতীয় সাহিত্যিক ইতিহাসৰ দুই মহান বিস্তৃত গ্ৰন্থ। এই মহাকাব্যকেইখনে আদৰ্শমূলক চৰিত্ৰৰ দায়িত্বশীলতাৰ কাহিনী বৰ্ণনা কৰে এই প্ৰত্যাহ্বানক যি মুখ্য ধৰ্মসমূহৰ বা মূল্যবোধৰ প্ৰতিফলনৰ প্ৰসঙ্গক ব্যাখ্যা কৰে, যি অস্থায়ী জগত আৰু মানৱ জীৱনৰ লক্ষ্য দুয়োটালে লগত জড়িত। দুয়োখন মহাকাব্যই বনবাসীৰ কাহিনী বৰ্ণনা কৰে য'ত বেছিসংখ্যক কৰ্মই নিৰ্দিষ্ট কৰি থোৱা থাকে। যদিও অৰণ্যই ভয়ক আহ্বান কৰে, তথাপিও অৰণ্য ইয়াৰ উৰ্বৰতা আৰু সৌন্দৰ্যতাৰ বাবে প্ৰশংসাৰ যোগ্য। অৰণ্যত চৰিত্ৰবোৰ উদয় হয় পবিত্ৰতাৰ ৰক্ষা আৰু প্ৰত্যাহ্বান বাবে। এই কাহিনীবোৰৰ সংকটজনক ঘটনাসমূহৰ অৰণ্যত প্ৰদৰ্শন কৰা স্থানসমূহ বৰ্তমানো ধৰ্মীয় তীৰ্থস্থানৰূপে অৱস্থান কৰি আছে। সেয়েহে পৰম্পৰাগত বৃহৎ কাহিনীসমূহত ভাৰতীয় পৰিদৃশ্যৰ এক অবিভাজ্য মহত্ব আছে।

মহাভাৰতৰ এক সংকটযুক্ত উপাখ্যানে ভাগৱত-গীতা বুলি জনা যায় তাত কৃষ্ণক জগতৰ পৰম ঈশ্বৰৰূপত প্ৰতিষ্ঠিত কৰা হৈছে আৰু তেওঁ কাহিনীটোৰ পাঁচটা মুখ্য চৰিত্ৰৰ ভিতৰত এটা চৰিত্ৰ অর্জুনক পৰম্পৰাগত প্ৰতিকূল, নৈতিক আৰু ধৰ্মীয় শিক্ষা সম্পৰ্কে উপদেশ দিছে। জগতৰ লগত জড়িত হোৱাৰ মহত্ব আৰু ঈশ্বৰৰ প্ৰতি তেওঁৰ অনেক ৰূপৰ যিকোনো এটা ৰূপক কৰা ভক্তি হ'ল ত্যাগৰ এক নিদৰ্শন। এই মহৎ গ্ৰন্থখনত, ভগৱান কৃষ্ণই প্ৰাকৃতিক জগতৰ ধৰ্মীয় মহত্বক সমৰ্থন কৰিছে, জলাশয়ত স্বাদৰ বাবে সূৰ্য আৰু চন্দ্ৰৰ পোহৰত পৃথিৱীৰ বিশুদ্ধ সুবাসত অগ্নিৰ উজ্জ্বলতাত আৰু জীৱনক সকলো সত্তাতে নিজকে বিজ্ঞাপিত কৰিছে (ভাগৱত-গীতা ৭:৮-৯) আগলৈ প্ৰাকৃতিক জগতৰ মহত্ব পুৰাণসমূহত প্ৰতিফলিত হৈছে (Ancient Stories ৰচনা খৃঃপূঃ ৩০০-৯০০)। ভাগৱত-পুৰাণত (শ্ৰীমদ্ভাগৱত বুলিও জনা যায়) ভগৱান কৃষ্ণৰ জন্ম আৰু যমুনা নদীৰ তীৰত বৃন্দাবনত তেওঁৰ

ল'ৰালিকালৰ কাহিনী বর্ণিত হৈছে। তেওঁৰ নীতি শিক্ষাবোৰ এই বৃন্দাবনত নির্ধাৰণ কৰা হৈছে য'ত তেওঁ মৰম আৰু শ্রদ্ধাক প্রকাশ কৰিছে।

এই পুৰাণখনত যমুনা নদীত অবৈধভাৱে বাস কৰা এক প্রচণ্ড বিষযুক্ত আৰু পানীখিনি বিষযুক্ত কৰা এক নাগৰ কথা বর্ণনা কৰা হৈছে। সন্ত্রষ্ট কৃষ্ণই বিষযুক্ত পানীখিনিত নামি গ'ল আৰু এক বিশাল যুদ্ধৰ অন্তত নাগৰ বিৰুদ্ধে জয় লাভ কৰে আৰু ইয়াৰ অসংখ্য শিৰত উঠি নৃত্য কৰে। এই জলৰাশিৰ পাৰিপার্শ্বিক পুনঃস্থাপন আৰু বৃন্দাবনৰ ভূমিত ব্যস্ততা আদিৰ বাবে কৃষ্ণ হ'ল এক অনুপ্রেৰণা আৰু আশাৰ সংকেত। মৎস্যপুৰাণত দেৱী পার্বতীয়ে এজোপা অশোক বৃক্ষ ৰূপন কৰে আৰু ইয়াৰ যত্ন লয়। ইয়াৰ সফলতাত অন্যান্য দেৱ-দেৱী আৰু ঋষিসকলে তেওঁৰ গছজোপাৰ প্রতি মনোযোগীতাত প্রশ্ন কৰে। পার্বতীয়ে উত্তৰ দিয়ে যে এজন ব্যক্তি যিয়ে এটা নাদ খান্দে য'ত পানীৰ আকাল আছিল তেওঁ স্বর্গত বহু বছৰ ধৰি বাস কৰে কাৰণ বহুবছৰলৈ সেই নাদটোত পানী থাকে। তেওঁ কৈছিল যে বৃহৎ জলাশয়ে দহটা নাদৰ সমান এজন পুত্র দহটা জলাশয়ৰ সমান আৰু এজোপা গছ দহজন পুত্রৰ সমান। বহুসংখ্যক পুৰাণত, প্রাণীবোৰ বাহন আৰু সেয়েহে দেৱতাৰ প্রতীক। সিহঁতক দুয়োখন মহাকাব্য আৰু পুৰাণসমূহত চিত্রিত কৰা হৈছে, ভগৱান শিৱৰ বাহন ষাঁড়গৰু, ভগৱান কৃষ্ণৰ বাহন হ'ল সুৰভি গাই, ইন্দ্রৰ বাহন ঐৰাৱত (হাতী), পার্বতীৰ বাহন হ'ল সিংহ।

মাজে সময়ে এক বিশেষ প্রাণীৰ ধার্মিক অর্থ প্রকাশ পায় ইয়াৰ ধর্মীয় কাহিনীও ভূমিকাৰ বাবে বান্দৰ হ'ল হনুমানৰ জীৱন্ত প্রতিনিধি ৰামায়ণৰ বান্দৰস্বৰূপ ঈশ্বৰ, যিয়ে ৰামক সহায় কৰিছিল যেতিয়া দৈত্য ৰাৱনে তেওঁৰ পত্নীদেৱী সীতাক হৰণ কৰি লৈ গৈছিল। এই প্রাণীবোৰ সমসাময়িক ধর্মীয় জীৱনত সুপৰিচিতভাৱে দৃষ্টিগোচৰ হয়।

সম্ভৱতঃ শাস্ত্রসমূহত বা ধর্ম (কর্তব্য) আৰু অর্থ (সম্পত্তি) ৰ লগত জড়িত লিখনিসমূহত প্রকৃতি সংৰক্ষণৰ ক্ষেত্রত বহুতো স্পষ্ট নিষেধাজ্ঞা বিচাৰি পোৱা যায়। অর্থশাস্ত্রত (খৃঃপূঃ ৩০০) অপমানক কামৰ বাবে জৰিমনাৰ ব্যৱস্থা কৰা হৈছিল যেনে ৰাস্তাত ধূলিৰ উচিত ব্যৱস্থা কৰা নাদ, পুখুৰী বা মন্দিৰৰ কাষত প্রসাৱ বা শৌচ কৰা আৰু এক মৃত জন্তুৰ সঠিকভাৱে ব্যৱস্থা নোলোৱা আদিৰ বাবে। অৰণ্যৰ উৎস সম্বন্ধীয় চিন্তাৰ প্রকাশ পায় ইয়াৰ গছ বন কাটি ধ্বংস কৰাৰ বিৰুদ্ধাচৰণৰ স্বীকৃতি এখন চহৰৰ পার্কৰ কাষত থকা ফলযুক্ত গছৰ ফুল-ফুলি থকা গছৰ নাইবা ছাঁযুক্ত গছ কটাৰ বাবে ই ৬ পানাৰ জৰিমনা মঞ্জুৰ কৰে। তেনেধৰণৰ গছৰ সৰু ডাল কাটিলে ১২ আৰু ডাঙৰ ডাল কাটিলে জৰিমনা ২৪ পানা। সেইবোৰ গছৰ গা-গছ কাটিলে এই জৰিমনা 48-96 পানা আৰু সম্পূর্ণ গছজোপা কাটিলে বা বগৰাই দিলে এই জৰিমনা ২০০-৫০০পানা। যিবোৰ গছৰ সীমা চিন দিয়া থাকে বা পূজা কৰা হয় তেতিয়া জৰিমনা দুগুন হয়। যদিও পানাৰ পৌৰানিক মূল্যবোধ জনাটো সম্ভৱ নহয় তথাপি এইটো মহত্বপূর্ণ যে বনাঞ্চলৰ উৎসবোৰ গম্ভীৰতাৰে গ্রহণ কৰি জৰিমনাৰ ব্যৱস্থা কৰা হৈছিল। গুৰুত্বপূর্ণ কথাটো হ'ল ক্ষতিগ্রস্ত ডালবোৰৰ আকাৰ অনুসৰি জৰিমনাৰ মাত্রা জ্যামিতিক ভাৱে বৃদ্ধি হয় যি গছবোৰৰ মূল্যবোধৰ বিষয়টোক সূচায়, এজোপা গছ ধ্বংস কৰাৰ যি বিশেষ শাস্তি আৰোপ কৰা হয় তাৰ ধর্মীয় মহত্ব কেৱল গছবোৰ যে উপাসনাৰ বিষয়বস্তু কেৱল সেইটোকে নুবুজায় ববং ই বৃক্ষ উপাসনাৰ আইনী সমর্থনকো সূচায়। প্রাচীন ধর্মশাস্ত্রসমূহৰ অধিকাৰিত্ব ৰূপে বিস্তৃতভাৱে গ্রহণ কৰা মনুৰ বিধিসমূহে প্রকাশ কৰে যে যিকোনো বস্তু যি বিহ বা ৰক্ত ধাৰণা কৰে নাইবা অশুদ্ধ বিষয়বস্তু যেনে প্রস্রাৱ, মল, পিক আদি কেতিয়াও পানীত পেলাব নালাগে।

১৯৬০ ৰ মাজভাগতে আৰম্ভ হোৱা হিন্দুধর্মৰ পৰিবেশৰ প্রতি মনোযোগিতাক কোনো কোনো পৰিবেশবিদে বিৰোধিতা কৰিছিল কাৰণ জুদো- খৃষ্টান পৰম্পৰাই ঈশ্বৰৰ ধাৰণাক প্রকৃতিৰ বাহিৰৰ এক সত্তা যি

মানুহক এক বিশেষ আত্মসম্পন্ন ৰূপত সৃষ্টি কৰিছিল আৰু যি তেওঁলোকক প্ৰকৃতিৰ তেওঁলোকে পছন্দ কৰাৰ ধৰণেৰে ব্যৱহাৰ কৰাৰ দায়িত্ব দিছিল, এই পৰম্পৰাই বৰ্তমানৰ পাৰিপার্শ্বিক সমস্যাৰ মূল কাৰণ বুলি বিবেচনা কৰিছিল। কাৰণ এই চিন্তাবিদসকলে এছিয়াৰ পৰম্পৰাক জুদো-খৃষ্টান পৰম্পৰাতকৈ পৃথক ভাৱে চাইছিল। হিন্দু ধৰ্মৰ অৰ্ন্তদৃষ্টিৰ বাবে অনুসন্ধান কৰি ইয়াক এক ব্যৱহাৰ্য পৰিবেশমূলক নীতিৰ উন্নতিৰ মাধ্যমেৰে প্ৰস্তাৱ কৰা হয়।

কিছুমানৰ মতে, হিন্দুধৰ্মই প্ৰকৃতিৰ এনে এক ৰূপক উপস্থাপন কৰে য'ত প্ৰত্যেক পৰ্বত, শিল আৰু বৃক্ষক সন্মান কৰা হয়, উপাসনা কৰা হয় আৰু সম্ভৱতঃ সংৰক্ষণ কৰা হয়। অন্য কিছুমানৰ মতে হিন্দুধৰ্ম নিৰাশজনকভাৱে বস্তুগত জগতৰ পৰা মুক্তিৰ সৈতে অধিকৃত আৰু সেয়েহে পৰিবেশ সম্বন্ধীয় চিন্তাৰ লগত সংগত নহয়। ১৯৮০ ৰ পৰা পৰিবেশমূলক লিখনিবোৰে হিন্দুধৰ্মৰ স্বভাৱক পৰিবেশৰ সমন্বয়ত প্ৰতিষ্ঠা কৰাতকৈ সেই বিষয়বোৰক বিশেষ পাঠ্যসূচী আৰু অভ্যাসৰ পৰিবেশমূলক মহত্বৰূপে বুজাবলৈ কম পৰিমাণে চেষ্টা কৰিছিল। হিন্দু উপাসনাৰ ওপৰত পৰিবেশৰ পতনৰ প্ৰভাৱ আৰু পথসমূহ য'ত বিশেষ হিন্দু বিচাৰ আৰু নীতিসমূহে খলুৱা পৰিবেশমূলক প্ৰথম কাৰ্যবাহীক সমৰ্থন কৰিছিল। ভাৰতীয় ইতিহাসে সময়ৰ বিশাল অবধিত উন্নতি লাভ কৰা প্ৰকৃতিৰ বিভিন্ন দৃষ্টিভঙ্গীক প্ৰকাশ কৰিছিল। বহুতো হিন্দু পৰম্পৰাই ৰণনীতিৰ উৎসক সমৰ্থন কৰিছিল যিয়ে ভাৰতীয় জৈৱ-বৈচিত্ৰক অটুট ৰখাত সহায় কৰিছিল আৰু ইয়াৰ ওপৰত নিৰ্ভৰ কৰা সম্প্ৰদায়বোৰক সমৰ্থন কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ পাৰিপার্শ্বিক নীতিশাস্ত্ৰৰ নিয়মৰ উন্নীতকৰণৰ লক্ষ্য কি ?

প্ৰশ্ন ২ ঃ সহায়ক মূল্যবোধ আৰু সহজাত মূল্যবোধৰ মাজত পার্থক্য কি ?

প্ৰশ্ন ৩ ঃ বৈদিক যুগৰ ঋষিসকলক কিহে আকৰ্ষিত কৰিছিল ?

প্ৰশ্ন ৪ ঃ মহৎ উপাদান পাঁচটা কি কি ?

প্ৰশ্ন ৫ ঃ পাৰিপার্শ্বিক দৰ্শনক উন্নত কৰা কেইখনমান মহৎ গ্ৰন্থৰ নাম লিখক।

১৩.৫ জৈনধৰ্ম আৰু বৌদ্ধধৰ্ম

প্ৰাচীন ভাৰতৰ পৰাই জৈনধৰ্ম আৰু বৌদ্ধধৰ্মৰ উৎপত্তি হৈছিল আৰু বহুতো মুখ্য বা প্ৰধান বিশেষত্বক বিনিময় কৰিছিল। দুয়োটা ধৰ্মই বৈৰাগ্যবাদক গুৰুত্ব দিছিল আৰু ত্যাগৰ পৰম্পৰা হিচাপে চিহ্নিত কৰা হৈছিল। হিন্দু ধৰ্মতকৈ ভিন্ন ভাৱে তেওঁলোকে ধাৰ্মিক অনুপ্ৰেৰণাৰ উৎসৰূপে বৈদিক গ্ৰন্থসমূহ বিচাৰ কৰিছিল, কিন্তু ইয়াৰ মূল হিচাপে মানৱ গুৰুত সন্মান কৰিছিল দুয়োটা পৰম্পৰাৰ ভিতৰত জৈনধৰ্ম প্ৰাচীন। ২৪ জন বিশেষ নেতা যাক তীৰ্থংকৰ বুলি জনা যায়তেওঁলোকৰ শিক্ষাক বিচাৰ কৰিছিল।

আনহাতে, বৌদ্ধধৰ্মৰ উৎপত্তি হৈছিল বুদ্ধৰ জীৱন আৰু শিক্ষাৰ লগত যি সম্ভৱত খৃঃ পূঃ '৫' নাইবা '৪' ত জীৱন ধাৰণ কৰিছিল। বিগত দশকৰ আগলৈকে যেতিয়া হাজাৰ হাজাৰ জৈন গ্ৰেট ব্ৰিটেইন আৰু নৰ্থ আমেৰিকালৈ

প্রবাসিত হৈছিল, তেতিয়ালৈকে ভাৰতৰ ওচৰত বর্জনকাৰী হিচাপে বিচাৰি পোৱা গৈছিল। বর্তমান সময়ত জৈনসকলৰ বৃহৎ কেন্দ্রস্থল হৈছে উত্তৰ ভাৰতৰ মহাৰাষ্ট্র, গুজৰাট আৰু ৰাজস্থান আদি ৰাজ্য। বিগত বহুতো দশক ধৰি বহুসংখ্যক আমেৰিকাবাসীয়ে বৌদ্ধধর্মৰ বিভিন্ন নিয়ম পালন কৰিছে এক আমেৰিকানবৌদ্ধধর্মৰ উৎপত্তিৰ বাবে।

বৌদ্ধধর্ম ভাৰতৰ মাজেৰে এছিয়াৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি আছে। থেৰাবাদী বৌদ্ধধর্মই শ্রীলংকা, ম্যানমাৰ, কম্বোডিয়া, লেঅছ আৰু থাইলেণ্ডত মুখ্য ধর্ম হিচাপে প্রচলিত হৈ আছে। মহাযানপন্থী বৌদ্ধধর্ম চীন, কোৰিয়া, জাপান আৰু ভিয়েটনামত পালন কৰা হয়। ব্রজমান বৌদ্ধধর্ম (তন্ত্র) তিব্বতী ধর্মীয় সম্প্রদায়সমূহৰ মাজত প্রচলিত।

১৩.৬ পাৰিপার্শ্বিক নীতিশাস্ত্রৰ জৈন মতবাদ

জৈনধর্ম 'জিন' পদৰ পৰা উৎপত্তি হৈছিল যাৰ অর্থ হ'ল যি আকর্ষণক জয় কৰিছে আৰু দুঃখক অতিক্রম কৰিছে। এজন প্রসিদ্ধ জিন যিজনে এই ক্রমক এটা প্রাসঙ্গিক আকাৰ দিয়াত সহায় কৰিছিল আৰু এক প্রাচীন জিনৰ দলীয় শিক্ষণৰ পদ্ধতিকৰণ কৰিছিল তেওঁ আছিল মহাবীৰ (খৃঃ পূঃ ৫০০) সম্ভৱত বুদ্ধৰ এজন সমসাময়িক।

জৈনধর্ম যি খৃঃ পূঃ ৫০০ ৰ পূর্বে উত্তৰ-পূৱ ভাৰতত উৎপত্তি হৈছিল আৰু ই পাৰিপার্শ্বিক নীতিশাস্ত্রৰ লগত ভালদৰে বুজাবুজি থকা ধাৰণা আৰু নিয়মবোৰ সমর্থন কৰিছিল। ইয়াৰ বিশ্বতত্বই কয় যে আত্মা (জীৱ) আনকি বৃক্ষ আৰু উপাদানবোৰতো বিচাৰি পোৱা যায় আৰু ইয়াৰ ব্যৱহাৰিক নীতিয়ে সকলো সত্তাকে দুখ নিদিবলৈ পৰামর্শ দিছিল।

জৈনসকলে বিশেষ বৃত্তিবোৰ যি প্রাণীক হত্যা কৰে বা আঘাত দিয়ে সেইবোৰত অংশগ্রহণৰ পৰা আঁতৰি আছিল। ফলস্বৰূপে জৈনসকলে কসাইখানা, পশুৰ পালন-পোষণ বা কৃষিজাত নিয়মবোৰ যি প্রাণীক বেয়া ব্যৱহাৰ কৰা আদিত অংশ লোৱা নাছিল। এই চিন্তাৰ পৰিনাম হ'ল সম্ভৱত স্পষ্টৰূপত হিংসাৰ লগতে বর্তমানৰ মহুর্ত কয়লাৰ খৰিৰ ব্যৱসায়, খৰি বিক্রী কৰা, গৰু-গাড়ী চলোৱা, হাতীৰ দাঁতৰ ব্যৱসায়, নিচাযুক্ত দ্রব্য বনোৱা বা বিক্রী কৰা, বিহ বা অস্ত্রৰ ব্যৱসায়, খেতি জ্বলাই দিয়া, পানী বোৱাই দিয়া, বিনাশকাৰী জন্তুৰ প্রজনন। ইয়াৰ নেতাসকলে ব্যক্তিগত আৰু সামাজিক জীৱন প্রণালীৰ পৰামর্শ দিছিল যিয়ে জীৱনক ইয়াৰ অসংখ্য ৰূপত সংৰক্ষণ কৰে। প্রচলিত প্রাচীন জৈন গ্রন্থ "The Acaranga Sutra (খৃঃ পূঃ ৩০০) ই ঘোষণা কৰিছিল যে, "এজন জ্ঞানী ব্যক্তিয়ে পৃথিৱীত পাপ কর্ম নকৰে, বেলেগৰ কর্মৰ কাৰণো নহয়, সেই কর্ম কৰিবলৈ কাকো অনুমতি নিদিয়ে, সেইজনে হত্যা নকৰে, বেলেগৰ হত্যাৰ কাৰণো নহয়, বেলেগক হত্যা কৰিবলৈ অনুমতি প্রদান নকৰে আৰু সেই সকলো উশাহযুক্ত অস্তিত্বশীল জীৱিত, সংবেদনশীল সত্তাক বধ কৰিব নোৱাৰি, হিংসাৰদ্বাৰা সেৱা কৰিব নোৱাৰি, দুর্ব্যৱহাৰ কৰিব নোৱাৰি, যন্ত্রণা দিব নোৱাৰি, দূৰলৈ ঠেলি দিব নোৱাৰি, ই হৈছে বিশুদ্ধ, অপৰিবর্তনশীল আৰু নিত্য বা সনাতন নীতি। এই বাক্যাংশবোৰেই হ'ল সকলো জৈনেই পালন কৰিবলগীয়া প্রধান নিয়মৰ ৰূপৰেখা; অহিংসাৰ পালন। এই পৰামর্শ কেৱলমাত্র মানুহৰ ক্ষেত্রতে সীমিত নহয়, কিন্তু লক্ষ্য কৰা হয় যে এই ব্যৱহাৰ পৃথিৱীৰ নিজৰ ক্ষেত্রত উপাদানবোৰ (পানী, জুই আৰু বতাহ) ৰ ক্ষেত্রত আৰু গছ-গছনি বা জীৱ জন্তুৰ ক্ষেত্রতো প্রযোজ্য। এই আদিম গ্রন্থখনে জীৱিত সত্তাৰ বাবে হিংসা পৰিহাৰ কৰাৰ বহুধৰণৰ কৌশলৰ ৰূপৰেখা প্রদান কৰে, য'ত অন্তর্ভুক্ত কৰা হয়

জীৱিত সত্তাক অনুচিতভাৱে কষ্ট দি তৈয়াৰ কৰা বস্ত্ৰ পৰিধান নকৰা, যেনেকৈ ফৰ বা পাটৰ কাপোৰ; মাছ, মাংস বা কণী, গ্ৰহণ নকৰা আৰু বৰ্ষা ঋতুত অত্যাধিক ঘূৰা-ফুৰা নকৰা (শেষৰ এই অভ্যাসটোৱে কোনো এজন লোকক বৰষুণ দি থকা অৱস্থাত প্ৰজনব কৰা বিভিন্ন কীট পতঙ্গক গচকাৰ পৰা ৰক্ষা কৰে) আদি। জৈন সাহিত্য আৰু দৰ্শনে অন্য দুই বৃহৎ প্ৰাচীন পৰম্পৰা ব্ৰাহ্মণিক হিন্দুধৰ্ম আৰু বৌদ্ধধৰ্মক সমান মান্যতা দিয়ে।

জৈনসকলৰ প্ৰধান দৰ্শনমূলক বিশ্বাস হ'ল এই যে পৃথিৱীত প্ৰত্যেক সত্তাই জীৱ বা এক সংবেদনশীল নীতিৰক্ষা কৰে আৰু ইয়াত অসংখ্য জীৱ আছে, যাৰ বিশিষ্ট লক্ষণ হ'ল চেতনাৰ লগতে মহত্বপূৰ্ণ শক্তি আৰু এক আনন্দময় স্বভাৱ আছে। পৰামৰ্শ হ'ল যে চেতনা গতি কৰি থাকে আৰু এই বিশ্বত কোনোৱে কিছুমান সংবেদনশীল পদ অবিহনে থাকিব নোৱাৰে চেতনাৰ বেলেগ বেলেগ স্তৰত আৰু বিশেষভাৱে চেতনাৰ অস্তিত্বত, ইয়াৰ অতি উন্নত ৰূপত প্ৰাপ্তবয়স্ক মানৱ সত্তাৰ পৰা ইতৰ প্ৰাণী আৰু বৃক্ষৰ স্তৰত অদৃশ্যমান ভ্ৰূণৰ স্থিতিলৈকে। জীৱৰ সংবেদনশীল নীতি নিহিত হৈ থাকে কৰ্মৰ পৰিমাণৰ আকস্মিক সম্বন্ধত যাক ই আহৰণ কৰে ইয়াৰ ঐচ্ছিক আৰু অনৈচ্ছিক কৰ্মৰাজিৰ জৰিয়তে। যদিহে কৰ্মক প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰিব পৰা যায় তেনেহ'লে অস্তিত্বৰ বন্ধৰ চক্ৰৰ পদ্ধতিক বন্দী কৰিব পৰা যাব আৰু তেতিয়া সংবেদনশীল সত্তাই সম্পূৰ্ণ আত্ম-উপলব্ধি লাভ কৰিব পাৰিব। এই প্ৰক্ৰিয়াত বহুতো অনুশাসনৰ প্ৰয়োজন (আত্ম-সংযম আৰু ত্যাগ) আৰু এই প্ৰক্ৰিয়া দীৰ্ঘ আৰু কঠিন (পুনঃ মৃত্যু আৰু বিভিন্ন অবতাৰলৈকে বিস্তৃত) প্ৰত্যেক সংবেদনশীল সত্তাই ইয়াৰ বন্ধন সম্বন্ধীয় স্তৰ আৰু সীমিত স্বাধীনতাৰ ভিতৰত কাৰ্য কৰিব লাগিব। জৈন সকল আছিল সাধুৰ আদৰ্শ, আনহাতে একেবাৰে ক্ষুদ্ৰ সংবেদনশীল সত্তাবোৰ ব্যৱহাৰিক নীতিশাস্ত্ৰৰ প্ৰসঙ্গত নৈতিক দোষৰ পৰা প্ৰতিৰক্ষা হিচাপে গ্ৰহণ কৰা হয়। যদি এই মতবাদটোৰ দ্বাৰা তেওঁলোক নিজৰ অধিকাৰৰ নৈতিক মূলবোধহীন নাছিল। জৈন ব্যৱহাৰিক নীতি শাস্ত্ৰৰ প্ৰধান অনুশাসনাত্মক বিধানসমূহ হ'ল অহিংসা বা আঘাত নকৰা, সত্যবাদিতা বা সত্য, আস্তেয় বা চুৰ নকৰা, ব্ৰহ্মচৰ্য বা সংযমিত বাসনা আৰু অপৰিগ্ৰহ।

২৪ জন তীৰ্থংকৰৰ মহৎ গুৰুৱে অনুসৰণকাৰীসকলক আধ্যাত্মিক বিশুদ্ধতাৰ (কেৱল) বাবে বন্ধনমুক্ত কৰ্ম কৰিবলৈ আহ্বান জনাইছিল। জৈন সূত্ৰই অহিংসা পালনৰ বাবে বিস্তৃত বিৱৰণী প্ৰকাশ কৰিছিল। অহিংসা নিপূণ ব্যৱহাৰৰ দ্বাৰা জৈন অনুসৰণকাৰীসকলে কোনো ব্যক্তিৰ শক্তি বা আত্মাক (জীৱ) বিশুদ্ধ কৰিব পাৰে আৰু ইয়াক কৰ্মৰ সকলো দাগৰ পৰা মুক্ত কৰে।

জৈনসকলে এক বৃহৎ নৈতিক সজাগতা আৰু জ্ঞান উন্নীত কৰিছিল তেওঁলোকৰ বিশ্বতত্বত, যি জীৱনৰ ৰূপে এটা জন্মচক্ৰৰ পিছত আন এটা জন্মচক্ৰ পাৰ কৰে বুলি নিৰীক্ষণ কৰিছিল আৰু বিবেচনা কৰিছিল যে প্ৰত্যেক মানৱসত্তাই অন্যান্য জীৱন ৰূপৰ প্ৰায় কল্পনাতীত শাৰীত জীৱন নিৰ্বাহ কৰিছিল, বেক্টেৰিয়া (জৈনসকলে Nigode বুলি কৈছিল(আৰু প্ৰাণীক অন্তৰ্ভুক্ত কৰি। এসময়ত তেওঁলোক ভেড়া বা ছাগলী বা গৰু আছিল বুলি জানিব পাৰি তেওঁলোকে সকলো জীৱকে সংৰক্ষণ কৰাৰ বাবে বিশেষ যত্ন লৈছিল। আনকি নিৰীক্ষণকাৰী জৈনসকলৰ বাবে জুই জ্বলোৱাটোও সমস্যাযুক্ত হৈ পৰিছিল। ঘৰ্ষণৰ ফলত উৎপাদিত জ্যোতিৰদ্বাৰা সৃষ্টি হোৱা শাৰীৰিক পাষ্টাৰ পৰিপ্ৰেক্ষিত্বও। জৈন সাধু আৰু সন্ন্যাসিনীসকলে কেতিয়াও বিজুলী বাতি নজ্বলাইছিল বা লেম্প নুমুৱাই দিয়া নাছিল আৰু আহাৰ ৰন্ধা নাছিল। বাকী থকা সাধাৰণ জৈন সকলে বিজুলীবাতি ব্যৱহাৰ কৰিবলৈও ভয় কৰিছিল, কিছুমান পৰিয়ালে বাতামুকুলিত যন্ত্ৰও পৰিহাৰ কৰিছিল টকাৰ অভাৱত নহয় কিন্তু তাৰ পৰিৱৰ্তে নিজৰ শাৰীৰিক উপশম বা আৰামৰ বাবে আনৰ জীৱনত ব্যাঘাত জন্মোৱা নাছিল। জৈনসকলে নিজৰ আত্মাক বিশুদ্ধ কৰিবৰ বাবে অহিংসা

নীতি পালন কৰিছিল। তেওঁলোকে প্রকৃতিক চাৰিওফালে থকা আত্ম-সংযম আৰু সাৱধানতাৰ উপদেশ দিছিল। যদি কোনোৱে এক সত্তাক অনিষ্ট কৰে, সেই কষ্ট তেওঁলোকেও পাব। জৈন সাহিত্য, যেনে- যশোধৰাৰ কাহিনীয়ে গছ আৰু জীৱ-জন্তুৰ সৌন্দর্যক প্রশংসা কৰা নাছিল কিন্তু এক সজাগ কৰি তোলা উপাখ্যান হিচাপে ব্যৱহাৰ কৰিছিল। ইয়াৰ পচুৱৈসকলক প্রকৃতিক অনিয়ন্ত্রিত কৰা হিংসা আৰু বাসনা ওচৰত হাৰ নামানিবলৈ সাবধান কৰিছিল। বহুদশকৰ পূর্বে বহুসংখ্যক জৈনলোকে নেতৃত্ব গ্রহণ কৰি প্রদূষণৰ সমস্যা আৰু পাৰিপার্শ্বিক অধোগতিৰ প্রতি মনোযোগ দিবলৈ আহ্বান জনাইছিল। ১৯৪৯ চনত আচার্য তুলসী, মহাত্মা গান্ধীৰ এক বিশ্বাসী আৰু পৰামর্শদাতাই ১২ টা ব্রতৰ এখন তালিকা প্রক্ষেপ কৰিছিল। কোনো স্বৰূপকে কাৰো প্রতি হিংসা নকৰা ব্রতৰ পৰা আৰম্ভ কৰি "মই প্রদূষণ ৰোধ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিম" ব্রতত শেষ হৈছিল। L.M. Singhvi নামৰ এজন লোকসভাৰ সদস্য যি ভাৰতৰ সর্বোচ্চ ন্যায়ালয়তো সেৱা আগবঢ়াইছিল তেওঁ "The Jaina Declaration on Nature" প্রকাশ কৰিছিল যি সাৰাংশ শিক্ষণৰ সূচী তৈয়াৰ কৰিছিল (অহিংসা, পৰস্পৰ নির্ভৰতা, বিভিন্ন দৃষ্টিকোণৰ নীতি, সমভাৱ আৰু দয়া) যি কোনো এক জৈন পাৰিপার্শ্বিক নীতিৰ লগত জড়িত আছিল। তেওঁ দোহাৰিছিল যে, জৈন বিশ্বতত্ত্ব, জীৱই পৃথিৱীত প্রৱেশ কৰে, "ভূ-শৰীৰ, জল-শৰীৰ, অগ্নি-শৰীৰ, বায়ু-শৰীৰ, বনস্পতি শৰীৰ, গতিশীল শৰীৰ আদি ৰূপত বেক্টেৰিয়া, পোক পৰুৱা, কেচু, চৰাই আৰু ডাঙৰ জন্তুৰ পৰা মানৱ সত্তালৈ, আসুৰিক সত্তা আৰু স্বর্গীয় সত্তালৈ শাৰী পাতি।" এ কৈছিল যে পাঁচটা পৰম্পৰাগত ব্রত পালন কৰি আৰু প্রাণীৰ প্রতি দয়াশীলতা, নিৰামিষ আহাৰ গ্রহণ কৰা, এলেহুৱা ভাৱ পৰিত্যাগ কৰা আৰু দান-পূণ্যৰ অভ্যাস কৰি কোনোৱে মানৱীয়তাৰ সাধাৰণ তীর্থযাত্রা পবিত্র পৰিৱেশৰ সংৰক্ষণ, শান্তি আৰু ঐক্যৰ এক ব্যৱহাৰিক মার্গ বিচাৰি পাব পাৰে।

জৈন সম্প্রদায়ৰদ্বাৰা উন্নীত কৰা বিভিন্ন শতিকাৰ ক্রমৰ ওপৰত থকা পৰম্পৰাগত বিশ্বতত্ত্বই প্রত্যক্ষভাৱে একবিংশ শতিকাৰ পৰিৱেশমূলক সমস্যাক সমাধান কৰিব নোৱাৰে। অৱশ্যে ই ধাৰণামূলক উৎস প্রদান কৰে যাক তেওঁলোকে উৎপন্ন কৰা বিশেষ সমস্যাৰাজিৰ ক্ষেত্রত প্রয়োগ কৰিব পাৰি। পৰিৱেশ সম্বন্ধীয় ঘটনাবোৰৰ জটিলতাই বিভিন্ন দৃষ্টিকোণৰ পৰা প্রতিটো পৰিস্থিতিকে পৰীক্ষা কৰাটো প্রয়োজনীয়। এই সম্পর্কত জৈন দর্শনৰ অনেকান্তবাদৰ নির্দেশ দিব পাৰি।

১৩.৭ বুদ্ধৰ পাৰিপার্শ্বিক নীতিশাস্ত্র সম্পর্কীয় মতবাদ

বুদ্ধই তেওঁৰ শিক্ষাৰ পাতনি মেলিছিল জীৱন দুখময় কথাদ্বাৰৰ জৰিয়তে। গতিকে উপযুক্ত নৈতিক দায়িত্ব হ'ল দুখ আৰু যাতনা হ্রাস কৰা আৰু দুখৰ পৰা হাত সাৰিবৰ বাবে অস্তিত্বশীল আৰু অন্যান্য বিকাৰৰ কাৰণবোৰ বুজিব লাগিব আৰু জীৱনৰ প্রতিটো ৰূপৰ দুখবোৰ কতাব লাগিব। বৌদ্ধিক নীতিশাস্ত্রই সকলো জীৱিত সত্তাৰ ক্ষেত্রত মানৱ ব্যৱহাৰক আৱৰি ৰাখে আৰু ই নিশ্চিতভাৱে বুনিয়াদী গুণ কিছুমানক শক্তিশালী কৰে যেনে দয়া, মৰম, দয়ালু, সহানুভূতি, সমভাৱ আৰু আনৰ সুখত সুখী। কোৱা হয় যে মানৱ সত্তা অসীম সংখ্যক দয়া, উদাৰতা আৰু কৃতজ্ঞতা আদি গুণৰ অধিকাৰী আৰু সকলো সৃষ্টিয়েই ডাঙৰ বা সৰু সকলোবোৰেই আমাৰ নৈতিক সংবেদনশীলতাৰ বিষয়বস্তু।

বুদ্ধৰ নৈতিক বিধান জৈন নীতিবিদ্যাৰ সৈতে একে, আৰু ইয়াত আত্মসহযম, ত্যাগ, ধৈর্য, সন্তোষ, বিশুদ্ধতা, সত্যবাদিতা আৰু শুদ্ধ দৃষ্টিভঙ্গীৰ ওপৰত গুৰুত্ব দিয়া হয়। এইবোৰ নীতি অনুসৰি পশু আৰু বৃক্ষৰ

উপচাৰ বৌদ্ধিক শাস্ত্ৰসমূহত প্ৰাচীন কালৰ ভিক্ষুক নিয়মৰ পৰা চীন, কোৰিয়া আৰু জাপানত ক্ৰমবিবৰ্তন হোৱা জৈন, বৌদ্ধধৰ্ম আদিত প্ৰচুৰ উল্লেখ বিচাৰি পোৱা যায়। সামগ্ৰিকভাৱে প্ৰকৃতিক মানৰ প্ৰয়োজন বিৰোধাত্মক হিচাপে দেখা নাযায়, বৰঞ্চ প্ৰকৃতিয়ে মানৰ সত্তাক দুখ অতিক্ৰম কৰি আৰু চুড়ান্ত আধ্যাত্মিক লক্ষ্যত উপনীত হোৱাৰ অৰিহণা যোগায়। বুদ্ধৰ শিক্ষণে অন্তৰ্ভুক্ত কৰে জীৱ-জন্তুৰ ক্ষেত্ৰত মানৰ সত্তাৰ উদাৰতাৰ আৰু পাৰস্পৰিক সহযোগী তাৰ কাহিনী য'ত মানুহক অন্যান্য জীৱিত ৰূপৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবৰ বাবে পৰামৰ্শ দিয়া হয়। বৌদ্ধিক সমাজবোৰ বিকশিত হয় এই নৈতিক আত্ম-চেতনাৰ সৈতে আৰু সম্ৰাট অশোক, বুদ্ধৰ লগত হোৱা বার্তালাপৰ পিছত জীৱ-জন্তুবোৰৰ আনুষ্ঠানিক যত্ন আৰু কল্যাণৰ মাজেৰে। প্ৰাচীন ভাৰতৰ সকলো সন্ন্যাস ধৰ্ম যেনেজৈনধৰ্ম আৰু যোগৰ নিচিনাকৈ বৌদ্ধধৰ্মইও সন্তোষৰ মহৎ গুণ গঠন কৰে। অৱশ্যে বুদ্ধৰ মধ্যম পন্থাৰ শিক্ষনৰ মতে, ভিক্ষুসকলে সম্পূৰ্ণৰূপে সম্পত্তি ত্যাগ কৰাটো আশা নকৰে। মঠসম্বন্ধীয় নীতিয়ে কিছুমান অধিকাৰৰ অনুমতি দিয়ে, কিন্তু সেইবোৰ ব্যৱহাৰ কৰা হয় সম্পূৰ্ণ সীমাত আৰু ভিক্ষু সকলক বিলাসিতা আৰু অপব্যয়ৰ সকলো ৰূপ আওকাণ কৰিবলৈ আজ্ঞা দিয়া হৈছিল। উদাহৰণস্বৰূপে পোছাকবোৰ বাৰে বাৰে মেৰামতি কৰা হৈছিল। কেৱলমাত্ৰ যেতিয়া সেইবোৰ এক অৱনতি অৱস্থা পাইছিল য'ত সেইবোৰ ভদ্ৰভাৱে পিন্ধা হৈছিল তেতিয়া সেইবোৰ কাটিছিল আৰু পুনৰ ব্যৱহাৰ কৰিছিল। বুদ্ধই নিঃশ্চিত জীৱনৰ সাংস্কৃতিক পৰিৱেশক নাকচ কৰিছিল অৰণ্যত বাস কৰা এক পথিক জীৱন-যাপন কৰিবলৈ আৰু অন্যান্য কম বসতিপূৰ্ণ স্থানত বসবাস কৰিছিল। তেওঁৰ জীৱনক পৰিভাষিত কৰি, তেওঁক আলোকিত কৰি তুলিছিল যেতিয়া তেওঁ এজোপা বৃক্ষৰ তলত বহিছিল সেয়েহে সভ্যতাৰ পৰা প্ৰকৃতিলৈ তেওঁৰ জীৱনৰ প্ৰবাহ আৰু সেই অস্তিত্ব তেওঁৰ ভৱিষ্যত অনুগামীসকলৰ বাবে এক সহনশীল আদর্শ হৈ পৰে। অৱশ্যে কেতিয়াবা কিছুমানে এই আদর্শত উপনীত হয়, জঙ্গলৰ ধাৰণা বা অৰণ্যত বাস কৰা ভিক্ষুৰ গভীৰ মূল বা আধাৰ আছিল এই পৰম্পৰাৰ সকলো অংশতে।

বুদ্ধৰ চিন্তাধাৰাৰ মূলস্বৰূপ প্ৰতীত্যসমূৎপাদ মতবাদটো আধুনিক সময়ত পাৰিপার্শ্বিকতাৰ ধাৰণাটোক সম্পূৰ্ণ সমর্থন প্ৰকাশ কৰিছিল। যদিহে তাত কোনো স্বাধীন তত্ব নাথাকে তেনেহ'লে বস্তুৰ পৰস্পৰ নির্ভৰশীলতা আৰু পাৰস্পৰিক সম্বন্ধতা প্ৰতিষ্ঠা কৰিব পাৰি। গতি সম্বন্ধীয় মতবাদে সকলো জীৱিত সত্তাৰ উগ্ৰ সমানতাক নির্দেশ কৰি এই কথাযাৰ প্ৰতিফলিত কৰে। সকলো মানুহকে ছয়টা নিয়তিৰ জৰিয়তে অন্তহীনভাৱে পৰিচালনা কৰা হয় আৰু বুদ্ধই যেনেকৈ তেওঁৰ ভিক্ষুসকলক পৰীক্ষণ কৰিছিল, ভিক্ষুসকল ইয়াক বিচাৰ কৰাটো সহজ নহয় যে পূৰ্বতে এটা সত্তা যিটো তোমাৰ মা বা দেউতা বা তোমাৰ ভাই বা ককাই বা তোমাৰ বাই বা ভনী বা তোমাৰ পুত্ৰ বা কন্যা নাছিল। এই অন্তৰদৃষ্টিৰদ্বাৰা মানুহৰ অন্য সত্তাৰ প্ৰতি ব্যৱহাৰিক প্ৰকাশিত কৰিব পাৰি আৰু এই ধাৰণাটো ইমান ব্যাপক যে ই ভাৰতবর্ষত বুদ্ধৰ শাসনৰ আদর্শৰ এটা অংশ হৈ পৰিছিল। বুদ্ধই জীৱনৰ আকর্ষণৰ পৰা মুক্ত হ'বলৈও পৰামর্শ দিছিল। তথাপিও জৈন সকলৰ দৰে, বুদ্ধই ভাৰতীয় মহৎ ধাৰণাৰ অহিংসাক বুজাবৰ বাবে মধ্যম পন্থা গ্ৰহণ কৰিছিল। জৈনধৰ্মৰ মতে অহিংসাৰ আদর্শৰ পৰমমূল্য আছে কাৰণ নিৰামিষাহাৰীকে অন্তৰ্ভুক্ত কৰি সকলো জীৱিত সত্তাই জৈন ব্ৰতৰ চুড়ান্ত লক্ষ্য হিচাপে গ্ৰহণ কৰিবলৈ যাওঁতে যদিও কেতিয়াবাহে সেই লক্ষ্য প্ৰাপ্তি হয় তথাপিও ভোকতে মৃত্যু হয়। বুদ্ধই সেই কথা অতি বিশদভাৱে স্বীকাৰ কৰিছিল। তেওঁ ভিক্ষুসকলক সংযমী আহাৰ গ্ৰহণ কৰিবলৈ অনুমতি দিছিল কিন্তু তেওঁলোকৰ সেই আহাৰ ভিক্ষাৱদ্বাৰা সংগ্ৰহ কৰিব লাগিছিল। ভিক্ষাৰ পাত্ৰত স্থান পোৱা যি কোনো আহাৰ গ্ৰহণ কৰিব পাৰিছিল। ই মাংস অন্তৰ্ভুক্ত কৰি অনুমান কৰে যে ভিক্ষুজনে পশুৰ সংহাৰ দেখা নাই বা শুনা নাই নাইবা সন্দেহ কৰে যে ইয়াক তেওঁৰ ফালৰ পৰা হত্যা কৰা হৈছিল। বুদ্ধৰ আদিম

ভিক্ষুসকল নিৰামিষহাৰী নাছিল। বুদ্ধই পুনৰ নীতি নির্ধাৰণ কৰিছিল যে কৃষিকার্যত ব্যস্ত থাকি মাটিখন্দা কার্যক সংঘক বাধা দিছিল যি অনিবার্যভাৱে বহুতো সৰু সৰু জীৱৰ মৃত্যুৰ কাৰণ হ'ব পাৰে। ভাৰতীয় বৌদ্ধধর্মত বৃক্ষক চেতনা বা সংবেদনহীনতাৰ প্রতীকৰূপে চিহ্নিত কৰা হৈছিল আৰু ই ইয়াকে বুজায় যে সেইবোৰ পুনৰজন্মৰ চক্রত নপৰে। ইয়াৰ পৰিৱর্তে বৃক্ষৰাজ্যৰ পৃষ্ঠভূমি গঠনৰ অংশ হিচাপে বা সংসাৰৰ দৃশ্য হিচাপে দেখা যায় আৰু ইয়াৰ মহত্বক এক সুক্ষ্ম বিচাৰ প্রদান কৰা হৈছিল। অৱশ্যে যেতিয়া বৌদ্ধধর্ম চীন আৰু পূর্ব এছিয়াৰ অন্যান্য অংশত প্রতিষ্ঠা কৰা হৈছিল ইয়াৰ পৰিবর্তনৰ ধাৰা হিচাপে সহ্য কৰা হৈছিল। কিছুমানে জড় সত্তাৰ দ্বাৰা আহৰণ কৰা বুদ্ধত্বত প্রশ্ন উত্থাপন কৰিছিল যদি বিশেষভাৱে নিৰামিষাহাৰী বর্গত প্রয়োগ কৰা হৈছিল। ভিক্ষুসকলে কোনোপধ্যে তেওঁলোক ঘুৰি-ফুৰাৰ সময়ত বৃক্ষ আৰু বীজবোৰৰ অনিষ্ট কৰিব নোৱাৰিছিল, কিন্তু এই প্রতিবন্ধকতা সাধাৰণ অনুসৰণকাৰীসকলৰ পক্ষে সম্ভৱ নাছিল যি নিশ্চিতৰূপে পৃথিৱীত জীয়াই থাকিবলৈ কার্য কৰিছিল। যদিও ভিক্ষুসকলে পৰম লক্ষ্য মুক্তি বা মোক্ষত উপনীত হ'বৰ বাবে পূর্ণৰূপত অষ্টাংগ মার্গ পালন কৰিবলগীয়া হৈছিল সাধাৰণ জনতাই স্পষ্টৰূপত তেওঁলোকৰ জীৱিকাৰদ্বাৰা সীমিত আছিল। তেওঁলোকে এক অনুকূল গতিত পুনৰজন্মৰ আশা কৰিব পাৰিছিল কিন্তু তেওঁলোকে যে এই জীৱনত নির্বাণ লাভ কৰিব পাৰিব তাৰ সম্ভাৱনা নাছিল। তথাপিও ভিক্ষুসকলক খুৱাব লগা হৈছিল আৰু সাধাৰণ জনতাই তেওঁৰ লগত থকা কিছুমান দোষ ভিক্ষা দিয়া গুনৰদ্বাৰা বাদ দিব লগা হৈছিল।

আন এক প্রকাৰ ধাৰণা লোকপ্রিয় বৌদ্ধধর্মৰদ্বাৰা ধাৰণ কৰা হৈছিল যে বৃক্ষসমূহে হৈছে বৃক্ষ আত্মাৰ আৰু অন্যান্য সুক্ষ্ম আত্মাৰ বাসস্থান। এই কাৰণেই পৰম্পৰাগতভাৱে পবিত্র বৌদ্ধসকলে গছ কাটিবলৈ অনিচ্ছুক আছিল আৰু তাৰ আগতে সুনিশ্চিতভাৱে এক ধর্মীয় সংস্কাৰ পালন কৰি আবাসী আত্মাবোৰৰ এক নতুন আবাস বিচাৰি ল'বলৈ অনুপ্রেৰণা যোগাইছিল।

তদুপৰি বুদ্ধৰ 'বুদ্ধিবৃক্ষৰ' তলত লাভ কৰা বুদ্ধত্বই প্রাচীন সংস্কাৰৰ সৈতে পবিত্র বৃক্ষৰ মনোৰম সম্পর্কৰ ব্যক্ত কৰিছিল। এই মিশ্রিত ধাৰণা আৰু নীতিবোৰ বৌদ্ধসকলে ধৰি ৰাখিছিল যি বর্তমানেও অস্তিত্বশীল বহুত বৃক্ষক পূজা কৰিছিল যি বিশ্বাস সেই মূল বৃক্ষজোপা কাটি দিয়াৰ পৰা বিকাশ হৈছিল। ইয়াক বিশেষভাৱে থাইলেণ্ডত, য'ত আধুনিকতাবাদৰ শক্তিবোৰে অৰণ্য আৱৰণৰ বৃহৎ ধ্বংসৰ বাবে অৱদান আগবঢ়াইছিল।

১৩.৮ সামৰণি

বৃটিছসকলৰ দ্বাৰা ভাৰতবর্ষত উপনিৱেশকতাবাদ প্রতিষ্ঠাৰ পিছত এক দর্শন যি প্রকৃতিক বৃহৎ ভাৱে ইয়াৰ উদ্যোগৰ অর্থনৈতিক মূল্যবোধৰ বাবে প্রদর্শন কৰি সম্প্রদায়সমূহৰ দৃষ্টিভঙ্গীক অধিকাৰহীন কৰিছিল যি তেওঁলোকৰ ধর্মৰ ক্ষেত্রত পৰিৱেশৰ ওপৰত নির্ভৰশীলতাক প্রকাশ কৰিছিল আৰু যি ইয়াৰ সংৰক্ষণক সমর্থন জনাইছিল।

চনত ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ লগে লগে ৰাজ্যিক বনবিভাগবোৰ দেশৰ বৃহৎ ভূমিধাৰী হৈ পৰিল। অর্থনৈতিক উন্নতিৰ হেঁচাত বনজ উদ্যোগসমূহ প্রতিষ্ঠা কৰি থলুৱা সম্প্রদায়সমূহে নিৰন্তৰভাৱে অৰণ্য উৎসসমূহক অনিষ্ট কৰাৰ সমর্থন কৰিছিল। অনিয়ন্ত্রিত উদ্যোগিক উন্নতিয়ে ভৱিষ্যতৰ বনাঞ্চল, জলমার্গ আৰু ভূমি ধ্বংসত

অৰিহণা যোগাইছিল। পৰিৱেশমূলক সজাগতা প্ৰাকৃতিক উৎসসমূহৰ ব্যৱহাৰৰ ওপৰত সৃষ্টি হোৱা সংঘৰ্ষ হিচাপে উদয় হৈছে যাক বৰ্ধিত পাৰিপার্শ্বিক পতনৰ পৃষ্ঠভূমিৰ বিপৰীতে প্ৰয়োগ কৰা হৈছে।

এইক্ষেত্ৰত কিছুমান পৰিৱেশবিদে বিশ্বাস কৰে যে, প্ৰকৃতিৰ বৈদিক, জৈন আৰু বুদ্ধ মতবাদসমূহে ভাৰতবৰ্ষৰ বৰ্ধিত নগৰীয়া আৰু উদ্যোগিক অৰ্থনৈতিক পৰিৱেশৰ সমস্যাসমূহৰ সমাধানত পৰ্যাপ্ত প্ৰেৰণা যোগাব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ খালী ঠাই পূৰ কৰা ঃ

(ক) ঃ পৰিৱেশমূলক নীতিবিদ্যাই মানৰ সত্তাৰ লগত পৰিৱেশ আৰু ইয়াৰ অমানৱীয় তত্ত্ব ..... সম্বন্ধক অধ্যয়ন কৰে।

(খ) ঃ হিন্দুধৰ্মৰ প্ৰাচীন সাহিত্যিক উৎস, ... এ স্তুতিৰ ভজত আৰু প্ৰকৃতিৰ আৰাধনাক অন্তৰ্ভুক্ত কৰিছিল।

(গ) ঃ পাৰিপার্শ্বিক নীতিবিদ্যাই নীতিশাস্ত্ৰৰ এক নবীন উপ-নীতি হিচাপে উদয় হৈছিল পৰম্পৰাগত ..... এক প্ৰত্যাহ্বান স্বৰূপে।

(ঘ) ঃ বৌদ্ধধৰ্ম আৰম্ভ হৈছিল ..... ৰ জীৱন আৰু শিক্ষাৰ সহায়ত।

(ঙ) ঃ জৈনসকলৰ প্ৰাথমিক দৰ্শনমূলক বিশ্বাস হ'ল যে জগতৰ প্ৰত্যেক সত্তাই ..... বা এক সংবেদনশীল নীতিক অধিকৃত কৰে।

প্ৰশ্ন ৭ ঃ তলত দিয়া উক্তিবোৰ সত্য নে অসত্য লিখক —

(ক) ঃ পাৰিপার্শ্বিক নীতিশাস্ত্ৰ এই ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত যে মানুহ হিচাপে আমাৰ বৰ্তমান জীৱনশৈলী এই গ্ৰহত অনুমোদিত। (সত্য/অসত্য)

(খ) ঃ পাৰিপার্শ্বিক নীতিশাস্ত্ৰ হ'ল ব্যৱহাৰিক নীতিশাস্ত্ৰৰ এটা শাখা। (সত্য/অসত্য)

(গ) ঃ পাশ্চাত্য পৰম্পৰাগত নীতিশাস্ত্ৰমূলক দৃষ্টিভঙ্গীসমূহ মানৰ কেন্দ্ৰীয়। (সত্য/অসত্য)

(ঘ) ঃ বুদ্ধৰ নীতিশাস্ত্ৰৰ নীতিবোৰ জৈন নীতিশাস্ত্ৰৰ নীতিৰ লগত একে নহয়। (সত্য/অসত্য)।

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আমি সন্মুখীন হোৱা গম্ভীৰ পৰিৱেশমূলক ধাৰণাই আমাক উপলব্ধি কৰায় যে মানুহ হিচাপে বৰ্তমান আমাৰ জীৱনশৈলী এই গ্ৰহত অনুমোদনযোগ্য নহয়।
- পাৰিপার্শ্বিক নীতিবিদ্যাৰ ক্ষেত্ৰখন ৰ শেষৰফালে বিকশিত হৈছিল, মানুহৰ লগত প্ৰাকৃতিক পৰিৱেশৰ সম্বন্ধৰ ধাৰণাৰ লগত জড়িত বহুসংখ্যক দাৰ্শনিক দৃষ্টিভঙ্গীৰ সহযোগী তাৰ দ্বাৰা।

- পাৰিপার্শ্বিক নীতিশাস্ত্ৰৰ সাহিত্যত বস্তুগত বা সহায়ক মূল্যবোধ আৰু সহজাত মূল্যবোধ আৰু সহজাত মূল্যবোধৰ প্ৰভেদৰ যথেষ্ট প্ৰয়োজন আছে।
- যদিও পাৰিপার্শ্বিক নীতিশাস্ত্ৰই পাশ্চাত্যতে বিকাশ লাভ কৰিছিল, তথাপি প্ৰাচ্যৰ বৃহৎ প্ৰাচীন পৰম্পৰাসমূহ যেনে বৈদিক যুগ, জৈনধৰ্ম আৰু বৌদ্ধধৰ্মৰ পৰা কোনোৱে পৰিৱেশৰ লগত জড়িত অৰ্ন্তদৃষ্টিক বিচাৰি পাব পাৰে।
- হিন্দুৰ প্ৰকৃতি সম্পৰ্কীয় চিন্তাধাৰা বিশ্বতত্ব আৰু সৃষ্টিৰ ধৰ্মীয় দৃষ্টিকোণৰ সহায়ত আকাৰ দিয়া হৈছিল।
- হিন্দু ধৰ্মই প্ৰকৃতি সম্পৰ্কে মত প্ৰকাশ কৰিছিল য'ত প্ৰত্যেক পৰ্বত, শিল আৰু বৃক্ষক সন্মান কৰিব লাগিছিল, পূজা কৰিব লাগিছিল আৰু সম্ভৱপৰ সংৰক্ষণ কৰিবও লাগিছিল।
- জৈনধৰ্মই যি উত্তৰ-পূৱ ভাৰতত খৃঃপূঃ ৫০০ বছৰ আগতে উৎপত্তি হৈছিল পাৰিপার্শ্বিক নীতিবিদ্যাৰ লগত একত্রিত হৈ থকা মুখ্য ধাৰণা আৰু বিধিবিলাক সমর্থন কৰিছিল।
- বুদ্ধৰ নীতিশাস্ত্ৰৰ নীতিবোৰৰ জৈন নীতিশাস্ত্ৰৰ নীতিবোৰৰ লগত মিল আছে, যিবোৰে আত্মসংযম, মিতাহাৰ, ধৈর্য, সন্তোষ, বিশুদ্ধতা, সত্যবাদিতা আৰু শুদ্ধ বা সম্যক দৃষ্টি আদিৰ ওপৰত অধিক গুৰুত্ব দিছিল। এই নীতিসমূহৰ মতে জীৱজন্তু আৰু বৃক্ষসমূহক ব্যৱহাৰ কৰাৰ প্ৰসঙ্গ প্ৰচুৰ পৰিমানে বৌদ্ধিক গ্ৰন্থসমূহত পোৱা যায়।

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1. Jamieson, D. (2001). A Companion to Environmental Philosophy U.S.A. Blackwell.

2. Calliaot, J. B, Frodeman, R. (2009). Encyclopedia of Environmental Ethics and Philosophy, United States : Macmillan.

3. Chapple, C. (2002). Jainism and Ecology : Non-Violence on the Web of Life. Cambridge: Harvard Divinity School.

4. Chapple, C. (2000). Hinduism and Ecology: The Intersection of Earth, Sky and Water. Cambridge, M.A. Harvard University Press.

১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নীতিশাস্ত্ৰৰ পৰম্পৰাগত চাৰিসীমাৰ বিকাশৰ বাবে এজন ব্যক্তিক অন্তর্ভুক্ত কৰাৰ পৰা আৰম্ভ কৰি অমানৱীয় জগতলৈকে অন্তর্ভুক্তিকৰণ কৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সহায়ক মূল্যবোধ হ'ল বস্তুৰ মূল্যবোধ যি ভৱিষ্যতৰ অন্য কিছুমান লক্ষ্যত উপনীত হোৱাৰ উপায়। আনহাতে সহজাত মূল্যবোধ হ'ল নিজস্ব লক্ষ্যমূলক মূল্যবোধ য'ত তেওঁলোকে অন্য লক্ষ্যৰ উপায় হিচাপেও উপযুক্ত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্পৰ্কই বৈদিক যুগৰ ঋষিসকলক আকর্ষিত কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱী, বায়ু, আকাশ, পানী আৰু অগ্নি - এই পাঁচ প্ৰকাৰৰ মহাভূতেই হ'ল বিশ্বতত্ত্বৰ উপাদান যি জীৱৰ সকলো ৰূপকে সৃষ্টি কৰে, পালন কৰে আৰু সংহাৰ কৰে আৰু মৃত্যুৰ পিছত নাইবা ক্ষয়ৰ পিছত সিহঁতে পূৰ্বতে কৰা সৃষ্টিক ধাৰণা কৰি লয়। সেয়েহে সিহঁতে পৰিৱেশৰ ধ্বংস আৰু সংৰক্ষণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ Rachel Carson ৰ 'Silent Spring', Aldo Leopold ৰ 'Land Ethics', Lynn White ৰ 'The Historical Roots of our Ecological Crisis'.

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) নৈতিক
(খ) ঋক্ বেদ
(গ) মানৱ কেন্দ্ৰীকতাবাদৰ
(ঘ) সিদ্ধাৰ্থ গৌতম
(ঙ) জীৱ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অসত্য
(খ) সত্য
(গ) সত্য
(ঘ) অসত্য।

১৩.১২ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ পাৰিপার্শ্বিক নীতিবিদ্যাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ Aldo Leopold কোন?

প্ৰশ্ন ৩ ঃ জৈনসকলৰ প্ৰাথমিক দার্শনিক বিশ্বাস কি?

প্ৰশ্ন ৪ ঃ বুদ্ধৰ নীতিশাস্ত্ৰৰ নীতি উল্লেখ কৰক।

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ পৰিৱেশিক নীতিশাস্ত্ৰৰ বাবে কি প্ৰয়োজন?

প্ৰশ্ন ২ ঃ জৈন পৰিৱেশমূলক নীতিবিদ্যাৰ প্ৰধান শিক্ষণসমূহ কি কি?

প্ৰশ্ন ৩ ঃ কেনেকৈ বুদ্ধৰ প্ৰতীত্যসমুৎপাদবাদ নীতিয়ে পৰিৱেশৰ আধুনিক ধাৰণাক সমর্থন আগবঢ়াইছিল?

প্ৰশ্ন ৪ ঃ জৈন আৰু বুদ্ধৰ নীতিশাস্ত্ৰৰ মিল আৰু অমিলবোৰ কি কি?

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ পাৰিপার্শ্বিক নীতিশাস্ত্ৰৰ শৈক্ষিক নীতিসমূহৰ উৎপত্তি আৰু প্রয়োজনীয়তাৰ ওপৰত এখন ৰচান লিখক।

প্রশ্ন ২ ঃ বৈদিক যুগৰ শাস্ত্রসমূহত উল্লেখ থকা পৰিৱেশমূলক মূল্যবোধক আলোচনা কৰক। কেনেকৈ এই মূল্যবোধবোৰ পাৰিপার্শ্বিক নীতিবিদ্যাৰ সমসাময়িক তর্ক বা যুক্তিৰ বাবে প্রাসঙ্গিক?

প্রশ্ন ৩ ঃ জৈন নীতিশাস্ত্র আৰু পাৰিপার্শ্বিক নীতিশাস্ত্ৰৰ লগত ইয়াৰ প্রাসঙ্গিকতাৰ ওপৰত এটি টোকা লিখক।

প্রশ্ন ৪ ঃ বৌদ্ধধর্ম আৰু পাৰিপার্শ্বিক নীতিশাস্ত্ৰৰ ওপৰত এটি টোকা লিখক।

*** **** ***

অধ্যায় ১৪ ঃ পাৰিপার্শ্বিক নীতিশাস্ত্ৰ ঃ খ্ৰীষ্টান আৰু ইছলাম

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ পাৰিপার্শ্বিক নীতিশাস্ত্ৰ সম্পৰ্কে খ্ৰীষ্টানৰ মতামত
১৪.৪ খ্ৰীষ্টান পৰম্পৰাৰ প্ৰকৃতি আৰু বিশ্বাস
১৪.৫ পাৰিপার্শ্বিক নীতিবিদ্যা সম্পৰ্কে ইছলামৰ ধাৰণা
১৪.৬ মানুহ আৰু প্ৰকৃতি সম্পৰ্কে ইছলামৰ ধাৰণা
১৪.৭ ইছলামৰ সমসাময়িক পাৰিপার্শ্বিক বিচৰা
১৪.৮ সমকালীন মুছলমান পৰিবেশবিদ সকলৰ আন্দোলন
১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১০ অধিক জানিবলৈ
১৪.১১ অগ্ৰগতিৰ খতিয়ান
১৪.১২ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ, প্ৰকৃতি আৰু ঈশ্বৰৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত খ্ৰীষ্টান মতবাদক পৰীক্ষা কৰিব পাৰিব
- প্ৰকৃতিৰ লগত মানুহ সম্পৰ্কৰ ক্ষেত্ৰত খ্ৰীষ্টান ধৰ্মক আগুৰি থকা যুক্তিতৰ্কক বুজিব সক্ষম হ'ব
- কেনেকৈ খ্ৰীষ্টান আৰু ইছলাম ধৰ্মৰ মৌলিক বিশেষত্ববোৰে পাৰিপার্শ্বিক সজাগতাক অনুপ্ৰেৰণা যোগায় তাক বুজিব পাৰিব।
- প্ৰকৃতি আৰু পৰিবেশৰ সম্বন্ধে ইছলামৰ মতবাদক পৰীক্ষা কৰিব পাৰিব
- সমসাময়িক পৰিবেশমূলক সমস্যাৰ সমাধানৰ ইছলাম ধৰ্মৰ পাৰিপার্শ্বিক আন্দোলনৰ প্ৰভাৱক বুজিব পাৰিব।

১৪.২ পৰিচয়

খ্ৰীষ্টান ধৰ্মৰ প্ৰকৃতি আৰু মানুহৰ দায়িত্ববোধৰ প্ৰতিক্ৰিয়াৰ ওপৰত এক দীঘলীয়া পৰম্পৰাগত ইতিহাস আছে। ঐতিহাসিকভাৱে অন্যান্য ধৰ্মীয় পৰম্পৰাতকৈ প্ৰটেষ্টাণ্টধৰ্মৰ লগত পাৰিপার্শ্বিকতাৰ এক শক্তিশালী ধাৰণা

জড়িত হৈ আছে। জার্মানী, ছুইডেন, ছুইজাৰলেণ্ড, ইউনাইটেড কিংদম, ইউনাইটেড ষ্টেটছ আৰু নিউজিলেণ্ড আদি দেশৰ এক শক্তিশালী শৃংখলাবদ্ধ পৰিৱেশমূলক নীতি-নিয়ম আৰু বৃহৎ সংখ্যক পৰিৱেশমূলক বে-চৰকাৰী সংস্থান আছে। যদিও পাৰিপার্শ্বিকতাৰ ধাৰণা ১৯৬০ চনতে সেই প্ৰটেষ্টাণ্ট দেশসমূহেও প্ৰথমবাৰ আৰম্ভ হৈছিল, যেতিয়া আনুষ্ঠানিকভাৱে গীৰ্জালৈ যোৱাক অস্বীকাৰ কৰা হৈছিল, প্ৰচেষ্টাণ্ট খ্ৰীষ্টান সংস্কৃতিৰ উপাদানবোৰে পৰিৱেশমূলক প্ৰতিবাদক বন্ধুভাৱাপন্ন আৰু উদ্যোগবাদ আৰু পুঁজিবাদক দমন কৰিবলৈ গণতান্ত্ৰিকভাৱে হেঁচা প্ৰয়োগ কৰা হৈছিল। বিপৰীতক্ৰমে কেথলিক আৰু আস্তিক খ্ৰীষ্টান দেশবোৰে অতি কমসংখ্যক পাৰিপার্শ্বিক গতিশীলতা প্ৰদৰ্শন কৰিছিল আৰু সেই দেশবোৰৰ বহুসংখ্যক প্ৰটেষ্টাণ্ট ধৰ্মাৱলম্বী দেশতকৈ বহু কমকৈ পাৰিপার্শ্বিক বিধি-বিধান আছিল। কিছুসংখ্যকে যুক্তি আগবঢ়াইছিল যে পাৰিপার্শ্বিক প্ৰটেষ্টাণ্ট খ্ৰীষ্টান দেশবোৰত উদিত হৈছিল কাৰণ দ্বাদশ শতিকাৰ মাজ ভাগত জীৱিত শ্ৰেণীৰ বিশেষত্ব উপলব্ধি কৰাত সেই দেশবোৰ প্ৰথম আছিল। এইটোৱে গুণগত জীৱনৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলায়। ই সৰ্বসাধাৰণৰ সম্পৰ্কত পৰিৱেশক সাঙুৰি লয় আৰু সেয়েহে সৰ্বসাধাৰণৰ অভিপ্ৰায়কো সাঙুৰি লৈ গুণগত জীৱনৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলায়।

জানি থোৱা ভাল

যীশুখ্ৰীষ্টৰ প্ৰকৃতি সম্পৰ্কীয় শিক্ষাক বুজিবলৈ হ'লে আমি আমাৰ মনত Old Testament ৰ সৃষ্টি সম্পৰ্কীয় ধাৰণাক মন কৰিব লাগিব আৰু Jewish ৰ নীতিশাস্ত্ৰ আৰু ন্যায়িক পৰম্পৰাক গ্ৰহণ কৰিব লাগিব যি তেওঁ আৰু তেওঁৰ শ্ৰোতাসকলে ভাগ কৰিছিল। ইয়াৰ বাবে কোনোৱে Judaism বা ইহদীধৰ্ম বিচাৰ কৰি চাব লাগিব।

১৪.৩ পাৰিপার্শ্বিক নীতিশাস্ত্ৰ খ্ৰীষ্টান মতামত

যদিও খ্ৰীষ্টানধৰ্মৰ মানৱকেন্দ্ৰীকতাৰ হকে এক লক্ষ্য, তথাপি খ্ৰীষ্টান পৰিৱেশবিদসকলে সকলো খ্ৰীষ্টানলোকৰে পৰিৱেশৰ দায়িত্ববোধক ঈশ্বৰৰ পৃথিৱীৰ দেৱান হিচাপে অধিক জোৰ দিছিল। যি হ'লেও, খ্ৰীষ্টান পৰিৱেশবিদসকলে যুক্তি দিছিল যে বাইবেল সম্বন্ধীয় গুৰুত্ব দেৱানীস্বৰূপ নহয়, যে পৃথিৱী হ'ল পৰমণিতাৰ অৱশিষ্ট আৰু ই ইয়াৰ মানৱ আৱাশীৰ অংশীদাৰ নহয়। সেয়েহে তেওঁলোকে আঁচনি আৰু অভ্যাসবোৰ অস্বীকাৰ কৰিছিল যি স্বাস্থ্যৰ প্ৰতি বা গ্ৰহৰ জীৱন ধাৰণৰ প্ৰতি ভাবুকি আনে, এই পৰিৱেশবিদসকল বিশেষভাৱে চাৰিওফালে বিয়পি থকা সমসাময়িক নতুন কৰিব নোৱাৰা সংস্থানৰ ওপৰত নিৰ্ভৰ, স্বাভাৱিক বাসস্থান ধ্বংস, প্ৰদূষণ আৰু অন্যান্য উৎপাদক যিবোৰে বতৰৰ পৰিবৰ্তনত অৰিহনা যোগায় নাইবা যিয়ে পৰিৱেশৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি অনা আদি কাৰকৰ লগত জড়িত আছিল।

তেওঁলোকে বিশ্বাস কৰিছিল যে ইছলামীয় আৰু এছিয়াৰ দেশবোৰত পৰিৱেশীয় চাপ দুৰ্বল, এছিয়াৰ প্ৰসঙ্গত, পৰিৱেশ প্ৰতিবাদৰ সৰ্বসন্মতীয় ৰূপটো আনুষ্ঠানিক ৰাজনৈতিক ৰঙ্গভূমি হিচাপে মনত উদয় নহয়। বিশেষতঃ ই দুৰ্বলসকলৰ পৰিৱেশবাদৰ আকাৰটোক গ্ৰহণ কৰে য'ত সম্প্ৰদায়বোৰ যাৰ উৎসসমূহক অৱনমিত কৰা হয় বা ধ্বংস কৰা হয় সহযোগীৰ কাৰ্যৰদ্বাৰা, চৰকাৰৰদ্বাৰা বা ব্যক্তিগত ভূ-স্বামী সকলৰ প্ৰতিভা বা বাধাৰদ্বাৰা,

থলুৱা বাসীন্দাসকলৰ প্ৰত্যক্ষ কাৰ্যৰদ্বাৰা এনেকুৱা যে চিপকো মহিলাসকলে উত্তৰ পাৰত থকা তেওঁলোকৰ গাওঁবোৰৰ ভিতৰত গছবোৰক কাঠ ব্যৱসায়ীসকলৰ পৰা কাটিব নোৱাৰাকৈ ৰক্ষা কৰিছিল।

তথাপি Lynu White এ তেওঁৰ বিখ্যাত ৰচনা "The Historical Roots of Our Ecological Crisis" ত উল্লেখ কৰিছিল যে প্ৰটেষ্টাণ্টসকলৰ পৰিৱেশৰ লগত থকা সম্পৰ্কৰ পৰা দূৰত পৰম্পৰাগত খ্ৰীষ্টানসকলৰ কেথলিক আৰু প্ৰটেষ্টাণ্ট দুয়োটা আকাৰেই হৈছে পাশ্চাত্য উদ্যোগিক সমাজ আৰু প্ৰযুক্তিবিদ্যাৰ পৰিৱেশবিৰোধী অভিপ্ৰায়সমূহৰ মুখ্য বিচাৰাত্মক উৎস। White এ কৈছিল যে Genesis ত উল্লেখ থকাৰ দৰে বৰ্তমান সময়ৰ পাৰিপাৰ্শ্বিক সমস্যাবোৰৰ মূল ভেঁটি প্ৰকৃতিৰ ওপৰত মানৱৰ প্ৰভুত্বৰ ধাৰণাৰ লগত যুক্ত হৈ থাকে আৰু পাশ্চাত্য প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু প্ৰকৃতিৰ সৈতে একাত্মতা এইধৰণৰ প্ৰকৃতিৰ দৃষ্টিভঙ্গীৰ ওপৰত নিৰ্ভৰশীল। White ৰ সিদ্ধান্ত বহু সময়ত নাকচ কৰা হৈছিল। White এ যুক্তি দিছিল যে খ্ৰীষ্টানৰ সৃষ্টি তত্ব ই জীৱমণ্ডলৰ পৰা পবিত্ৰতাৰ এক স্পষ্ট পৃথকীকৰণক অন্তৰ্ভুক্ত কৰিছিল। সৃষ্টিতত্ব (Genesis) শিক্ষাৰ লগত অন্য জাতিৰ ওপৰত মানুহৰ প্ৰভুত্বৰ এই সংযোজনে পাশ্চাত্যৰ অমানবীয় জগতৰ ত্ৰিকাস্থি-সংযোগক পালন কৰিছিল। পুনৰ ই জীৱমণ্ডলৰ এক শক্তিশালী মানৱ কেন্দ্ৰীক ধাৰণা আৰু অন্য জাতিৰ ধাৰণাকো পালন কৰিছিল যি সিহঁতৰ মানৱৰ প্ৰতি সহজাত মূল্যবোধতকৈ সহায়ক মূল্যবোধক গুৰুত্ব দিছিল। বিপৰীতক্ৰমে White এ যুক্তি দিছিল যে, অন্য সাংস্কৃতিক আৰু ধাৰ্মিক পৰম্পৰাই ভৌতিক জগতৰ ক্ষেত্ৰত পবিত্ৰ স্থিতিক এক বৃহৎ গুৰুত্ব প্ৰদান কৰে আৰু অন্যান্য সৃষ্টি আৰু মানুহৰ মাজৰ পাৰস্পৰিক সম্পৰ্কক অন্তৰ্ভুক্ত কৰে, যেনেকৈ কিছুমান এছিয়ান পৰম্পৰাৰ পুনঃ অৱতাৰৰ ওপৰত বিশ্বাস। White এ পুনৰ স্বীকাৰ কৰিছিল যে যদিও খ্ৰীষ্টান পৰম্পৰা সজাতীয় নহয় আৰু খ্ৰীষ্টান শিক্ষক যেনে Saint Francis আৰু অন্যান্যসকলে মানুহ আৰু অন্যান্য জীৱৰ মাজত কম প্ৰভুত্ব আৰু অধিক গণতান্ত্ৰিক সম্পৰ্কক গুৰুত্ব দিছিল। এ যুক্তি দিছিল যে খ্ৰীষ্টান পৰম্পৰা হ'ল পাশ্চাত্যৰ সভ্যতাৰ পাৰিপাৰ্শ্বিক সমস্যাৰ মূল আৰু ইয়েই সমস্যাবোৰ সমাধানৰ বাবে গ্ৰহণ কৰা উৎসবোৰ অনুপ্ৰেৰণামূলক আৰু খ্ৰীষ্টানসকলৰ পাৰিপাৰ্শ্বিক সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত খ্ৰীষ্টান সমৰ্থনৰ এক বৃহৎ শৃংখলাৰ আহ্বানক সহায় কৰে।

White এ পাৰিপাৰ্শ্বিক সমস্যাবোৰৰ উৎসক প্ৰকৃতিৰ ধ্বংসাত্মক দৃষ্টিভঙ্গীত স্থান দিছিল যে সেইবোৰ খ্ৰীষ্টান পৰম্পৰাৰ শাসনৰ কেন্দ্ৰ আছিল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এজন ইতিহাসবিদ হিচাপে White এ পাৰিপাৰ্শ্বিক সমস্যাত সিহঁতক কমকৈ গুৰুত্ব দিয়া নাছিল। যদিও, তেওঁ সিহঁতক চুড়ান্ত কাৰণতকৈ আসন্ন কাৰণ হিচাপে চাইছিল। তেওঁৰ মতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই শাসনৰ প্ৰবৃত্তি হিচাপে নিজকে খ্ৰীষ্টানধৰ্মৰ ভিতৰত প্ৰকাশ কৰিছিল। White এ স্বীকাৰ কৰিছিল যে পৰিৱেশীয় সমস্যাবোৰ সমগ্ৰ পৃথিৱীতে পোৱা যায়, আনকি সেইবোৰ ক্ষেত্ৰতো যাক আমি খ্ৰীষ্টান জগতৰ অংশ বুলি নাভাবো। তথাপিও শেষত খ্ৰীষ্টান ধৰ্মই পৰিৱেশমূলক সমস্যাৰ বাবে দায়ী তেওঁৰ সন্তানৰ মাজেৰে, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ মাজেৰে আৰু তাৰ বিৰুদ্ধ মত যেনে মাৰ্ক্সবাদৰ মাজেৰে। White ৰ মতে, খ্ৰীষ্টান ধৰ্মৰ বিশেষত্ব হ'ল যে ই পৃথিৱীৰ ধৰ্মসমূহৰ ভিতৰতে আটাইতকৈ "মানৱ কেন্দ্ৰীক"। পৰম্পৰাগত খ্ৰীষ্টান ধৰ্মৰ কাহিনীক কেন্দ্ৰ হ'ল ঈশ্বৰে যীশুৰ ৰূপত মানৱ আকৃতি ধাৰণ কৰিছিল। ইহুদী ধৰ্ম আৰু ইছলাম ধৰ্মৰ নিচিনাকৈ অন্য নিকট অন্য প্ৰাচ্য ধৰ্মীয় পৰম্পৰাৰ পৰিপ্ৰেক্ষিতত এই ধাৰণা ঈশ্বৰ নিন্দীত। এই পৰম্পৰাবোৰ "মানৱ কেন্দ্ৰীক" হোৱাতকৈ মুখ্যতঃ "ঈশ্বৰ কেন্দ্ৰীক"। ইছলাম ধৰ্ম আৰু ইহুদী ধৰ্ম দুয়োটাতে ঈশ্বৰ সৰ্বোত্তম। তেওঁ যিদৰে প্ৰকৃতিৰ পৰা স্বাভাৱিকভাৱে পৃথক ঠিক তেনেকৈ মানুহৰ পৰাও পৃথক। মানুহ আৰু প্ৰকৃতি দুয়োটাই তেওঁৰ শিল্প, কিন্তু সিহঁত কোনোপধ্যে দিব্য নহয়। দুৰবৰ্তী প্ৰাচ্য পৰম্পৰা যেনে

বৌদ্ধধর্ম, হিন্দুধর্ম আৰু ইছলামধর্মত যীশুৰ দিব্যত্বৰ ধাৰণা কোনো আকস্মিক ঘটনা নহয়। এই পৰম্পৰাবোৰত দিব্যতত্বক সকলো জীৱিত সত্তাৰ মাজত স্পষ্ট ৰূপত দেখা যায়। বাস্তৱিকতে এই পৰম্পৰাসমূহৰ মাজত আধ্যাত্মিক অভ্যাসৰ লক্ষ্যক কেতিয়াবা নিজৰ ভিতৰতে অনুভূত দেবত্ব হিচাপে দেখা যায়। খ্ৰীষ্টান ধর্মৰ বিপৰীত দিশত, এই সকলো পৰম্পৰাই মানৱ কেন্দ্ৰীকতাক অস্বীকাৰ কৰে। এই 'মানৱ কেন্দ্ৰীকতাকে" White এ খ্ৰীষ্টানধর্মৰ প্ৰমুখ ৰূপত অদ্বিতীয় বুলি বিশ্বাস কৰিছিল, যি আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিক উদ্ভাসিত কৰিছিল, যি বিপৰীতক্ৰমে পাৰিপাৰ্শ্বিক সমস্যাক নেতৃত্ব দিছিল।

White এ তেওঁৰ কাহিনী বিশেষভাৱে বৰ্ণনা কৰিছে। তেওঁৰ বাবে মধ্যযুগৰ শেষৰফালে বিকাশ লাভ কৰা কৃষি, জলসিঞ্চন আৰু গছকটা আদি নতুন ৰূপবোৰে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্থানক ইঙ্গিত দিয়ে। এই প্ৰযুক্তিবিদ্যাবোৰৰ পৰিচয় আৰু বিস্তৃত ৰূপত স্বীকাৰ কৰা কার্যই জগতৰ আধুনিক দৃষ্টিৰ আৰম্ভণিকে সূচায়। এই দৃষ্টিত, প্ৰকৃতি নিয়ন্ত্ৰিত হয় মানুহৰদ্বাৰা তেওঁৰ লাভালাভৰ বাবে। White এ কৈছিল যে এই প্ৰযুক্তিবিদ্যাসমূহৰ ব্যৱহাৰো মাজে সময়ে খ্ৰীষ্টানধর্মৰ লগত মিশ্ৰিত হৈ থকা এক অলপসংখ্যক পৰম্পৰাই বিৰোধীতা কৰিছিল, যি পৃথিৱীৰ মানৱ পৰিৱর্তনক পাপ গৌৰৱময় প্ৰকাশ হিচাপে চাইছিল। এই অলপ সংখ্যক পৰম্পৰাই জোৰ দিছিল যে মানুহৰ ভূমিকা হ'ল প্ৰকৃতিক শাসন কৰাতকৈ ইয়াৰ লগত সমিলমিলেৰে জীয়াই থকা। দ্বাদশ শতিকাৰ Assisi ৰ মহাপুৰুষ Francis এই পৰম্পৰাবোৰৰ প্ৰতীকাত্মক। White এ বিশ্বাস কৰিছিল যে আমাৰ পাৰিপাৰ্শ্বিক সমস্যাৰাজিৰ কোনো সঁচা সমিধান সেই ধৰণৰ খ্ৰীষ্টানধর্মৰ অল্পসংখ্যক পৰম্পৰাৰ ওপৰত আৰু লগতে এছিয়াৰ পৰম্পৰা আৰু সেইবোৰ পৰম্পৰাৰ ওপৰত আৰু লগতে এছিয়াৰ পৰম্পৰা আৰু সেইবোৰ পৰম্পৰা যাক স্বদেশী সংস্কৃতিক বিচাৰি পোৱা যায় তাৰ ওপৰত প্ৰস্তুত কৰিব লাগিব।

১৪.৪ খ্ৰীষ্টান পৰম্পৰাৰ প্ৰকৃতি আৰু বিশ্বাস

প্ৰাচ্য আৰু পাশ্চাত্যৰ খ্ৰীষ্টান পৰম্পৰাই এক পদৰ সীমা প্ৰতিষ্ঠা কৰিছিল ঈশ্বৰ, মানবীয়তা আৰু প্ৰকৃতিৰ মাজৰ সম্পর্কত, যাৰ মূল আছিল বিশেষকৈ যীশু আৰু আদিম বা প্ৰাৰম্ভিক খ্ৰীষ্টানসকলৰ জীৱনৰ সৃষ্টি আৰু মুক্তি সম্পর্কীয় বাইবেলৰ কাহিনী। জেনেছিছ বা উৎপত্তিতত্বসমূহে বিশ্বব্ৰহ্মাণ্ডত মানুহৰ স্থানৰ ওপৰত খ্ৰীষ্টান ইতিহাসৰ প্ৰতিফলনৰ ক্ষেত্ৰত এক কেন্দ্ৰীয় ভূমিকা পালন কৰিছিল। বিশেষকৈ প্ৰথম তিনিটা অধ্যায়ত, যাক প্ৰাৰম্ভিক খ্ৰীষ্টান ফাদাৰসকলে বিশদভাৱে আলোচনা কৰিছিল আৰু য'ত আধুনিক খ্ৰীষ্টানসকলে বর্তমান পাৰিপাৰ্শ্বিক সমস্যাৰ ওপৰত পৰম্পৰাগত জ্ঞানৰ উৎসক নির্বাচন কৰিছিল। পৰম্পৰাগতভাৱে খ্ৰীষ্টানসকলে প্ৰতিষ্ঠা কৰিছিল যে উৎপত্তিতত্বৰ কথনবোৰে সূচিত কৰিছিল যে ঈশ্বৰে শূণ্যৰপৰা জগতখন সৃষ্টি কৰিছিল আৰু ইয়াক সৃষ্টি কৰা হৈছিল মানুহৰ সেৱাৰ বাবে আৰু ঈশ্বৰৰ গৰিমা প্ৰকাশৰ বাবে। জিউছসকলৰ দৰে খ্ৰীষ্টানসকলেও মানি লৈছিল যে আডাম আৰু ইভৰ কাহিনী আৰু নিষিদ্ধ আপেলৰ কাহিনীয়ে কেৱল মানুহ আৰু সৃষ্টিকর্তাৰ মাজত এক পৰিবর্তনশীল সম্বন্ধকে বুজোৱা নাছিল, কিন্তু সৃষ্টিৰ প্ৰক্ৰিয়াত পাপৰ প্ৰৱেশবো সংকেত দিছিল। প্ৰাৰম্ভিক খ্ৰীষ্টান ফাদাৰসকলে প্লেটনিক ধাৰণাক গ্ৰহণ কৰিছিল যে মানবীয়তা হৈছে প্ৰাকৃতিক জগতৰ সুক্ষ্মৰূপ বা জগত সেয়েহে মানুহৰ ভাগ্যই অন্যান্য সকলো সৃষ্টিৰে ভাগ্যৰ ক্ষেত্ৰত কেন্দ্ৰীয় ভূমিকা পালন কৰে। কিন্তু বহুসংখ্যক ফাদাৰৰ মতে, এই অদ্বিতীয় স্থিতিয়ে মানুহক সৃষ্টিৰ কেন্দ্ৰ বা ভাগ্য কৰিব নোৱাৰিছিল। বিপৰীতক্ৰমে, সকলো জীৱন সকলো সময়তে, জন্মৰ

পৰা মৃত্যুলৈকে গতিৰ সত্তা হিচাপে গ্ৰহণ কৰা হৈছিল। তেওঁলোকে সৃষ্টিৰ সময় আৰু স্থানৰ অসীম, সনাতন দিব্যত্বক এক বিচ্ছিন্ন অংশ হিচাপে দেখুৱাইছিল যদিও উদ্দেশ্যমূলকভাৱে ঈশ্বৰে উভতি যোৱাৰো আদেশ দিছিল। গ্ৰীক ফাদাৰ, যেনে Nazianzus ৰ Gregory (Bergman 2005) ৰ ব্যাখ্যা অনুসৰি আদাম আৰু ইভৰ পতনৰ পৰিনাম কেৱল মানৱ জাতিতে সীমিত নাছিল কিন্তু সকলো সৃষ্টিকে তথা সমগ্ৰ জীৱমণ্ডলকে সংক্ৰমিত কৰিছিল। সেয়েহে পতন আৰু প্ৰকৃত পাপৰ তত্বই দুয়োধৰণৰ খ্ৰীষ্টান ধৰ্মপুথি সম্পৰ্কত যেনে Francis Schaeffer আৰু আস্তিক ধৰ্মবাদী Patriarch Bartholomew আদিয়ে যুক্তি আগবঢ়োৱা আধুনিক পা�ৰিপাৰ্শ্বিক সমস্যাবোৰৰ আলোচনাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। পতন হ'ল ইতিহাসৰ প্ৰথম দৃষ্টান্ত য'ত মানুহে গৌৰৱেৰে নিজকে সৃষ্টিকৰ্তা হিচাপে স্থাপন কৰিছিল। পৰিনামস্বৰূপে তেওঁলোকৰ সৃষ্ট স্বাধীনতাতকৈ তেওঁলোকে জগতলৈ পাপহে কঢ়িয়াই আনিলে যি মানুহক বিষয়ভাৱে কেৱল ঈশ্বৰৰ লগতে আৰু আন ব্যক্তিৰ লগতে নহয় আনকি অন্য সৃষ্টিৰ লগতো প্ৰতিষ্ঠা কৰিলে। এই নতুন সত্তা, পাপ বা দৃষ্টকৰ্মই সৃষ্টিৰ নিয়মৰ প্ৰকৃত শান্তি আৰু ঐক্যতাত ব্যাঘাত জন্মায়। এই দৃষ্টিকোণৰ পৰা আধুনিক পাৰিপাৰ্শ্বিক সমস্যাবোৰ হ'ল এই জগতত সংঘটিত হোৱা দৃষ্টকৰ্মৰ ব্যাঘাতৰ ফল আৰু অৰ্থনৈতিক আৰু বৈজ্ঞানিক দিশৰো এক নৈতিক আৰু আধ্যাত্মিক সমস্যা।

একবিংশ শতিকাৰ পাৰিপাৰ্শ্বিক সমস্যাৰাজিৰ দৃষ্টিকোণৰ পৰা উৎপত্তিমূলক কাহিনীৰ এক মহত্বপূৰ্ণ বিশেষত্ব হ'ল অন্যান্য জীৱ আৰু সৃষ্টিৰ ওপৰত শাসন কৰিবলৈ মানৱসত্তাক প্ৰদান কৰা এক বিশেষ কাৰ্য। প্ৰটেষ্টাণ্ট পুনৰগঠনৰ সময়ৰ পৰাই উৎপত্তি তত্ব। আৰু ২ ৰ ওপৰত অধিকৃত শিক্ষাই উদ্দেশ্যমূলক শিক্ষাত বিশেষ জোৰ দিছিল। এই ড'মেইনৰ জনাধেশ মিছনেৰী সকলৰ দ্বাৰা বাৰে বাৰে আহ্বান কৰা হৈছিল যিয়ে আধুনিক ইউৰোপীয় সাম্ৰাজ্যবাদৰ ব্যৱসায়ী আৰু যুদ্ধজাহাজক অনুসৰণ কৰিছিল। খ্ৰীষ্টান মিছনৰ সংস্পৰ্শ আৰু বিলুপ্ত হোৱা পাৰিপাৰ্শ্বিক বিপত্তিসমূহ যিয়ে বিদেশী প্ৰজাতিৰ পৰিচয় অনুসৰণ কৰিছিল আৰু পৃথিৱীক আগুৰি থকা বিস্তৃত ইউৰোপৰ কৃষিজাত প্ৰথাবোৰ অনুসৰণ কৰিছিল সেইবোৰে White ৰ দৰে বহুতো পৰিবেশবিদৰ যুক্তি দিবলৈ নেতৃত্ব দিছিল যে খ্ৰীষ্টান ধৰ্মই হ'ল সকলো পাৰিপাৰ্শ্বিক সমস্যাৰ মূল। অৱশ্যে Augustine (354-430) আৰু Thomas Aquinas (1224/25-1274) আদি পাশ্চাত্য খ্ৰীষ্টান ধৰ্মৰ প্ৰসিদ্ধ ব্যক্তিয়ে সৃষ্টিৰ প্ৰভূত্বক জোৰ দিছিল জীৱ হিচাপে ঈশ্বৰৰ প্ৰতিমূৰ্ত্তিস্বৰূপে গঠন কৰা আদাম আৰু ইভক দিয়াত, নৱতত্ববিদ Symeon (949-1022), Bingen ৰ Hildegarrd (1098-1479) আৰু Francis আদিয়ে জোৰ দিছিল যে মানুহ আৰু অন্যান্য জন্তুৰে পবিত্ৰতাৰে গঢ়া জীৱবোৰ যাক পৃথিৱীত বৃদ্ধি কৰিবৰ বাবে আহ্বান কৰা হৈছিল সেইবোৰ সত্তাৰ স্থিতিক ভাগ কৰিছিল আৰু জোৰ দিছিল যে উৎপত্তিতত্বৰ কাহিনী অনুসৰি মানুহৰ সহচৰ হিচাপে জীৱবোৰৰ সৃষ্টি কৰা হৈছিল।

অৱশ্যে এই মতবাদৰ বিপৰীতে, Robin Attfield আদি পণ্ডিতে যুক্তি দিছিল যে খ্ৰীষ্টান ধৰ্মই প্ৰকৃতিৰ জীৱবোৰৰ স্বাধীন মূল্যবোধৰ তত্বাৱধান লৈছিল আৰু প্ৰকৃতি জগতৰ যত্ন আৰু দায়িত্বৰ পৰিচালকৰূপে সংকল্পবদ্ধ হৈছিল। Old Testament ত এই মূল্যবোধক স্থাপন কৰা হৈছিল, যীশুৰদ্বাৰা পূৰ্বকল্পনা কৰা হৈছিল আৰু New Testament ত গ্ৰহণ কৰা হৈছিল। মাজে সময়ে সেইবোৰ পাহৰি যোৱা বা বিকৃত কৰা হৈছিল কিন্তু বিংশ শতিকাৰ শেষৰ ফালে সেইবোৰ ক্ৰমান্বয়ে পুনঃ আৱিস্কাৰ কৰা হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ Lynu White ৰ মতে সমসাময়িক পাৰিপাৰ্শ্বিক সমস্যাবোৰৰ মূল কি ?

প্রশ্ন ২ ঃ খ্রীষ্টান পৰিবেশবিদসকলৰ পৰিৱেশমূলক ধাৰণাবোৰ কি কি?

প্রশ্ন ৩ ঃ The Historical Roots of Our Ecological Crisis নামৰ বিখ্যাত গ্রন্থখনৰ লিখক কোন?

প্রশ্ন ৪ ঃ পাৰিপার্শ্বিক নীতিবিদ্যা সম্পর্কত খ্রীষ্টান ধর্মৰ বিৰুদ্ধে উত্থাপিত হোৱা আটাইতকৈ সার্বজনীন দোষটো কি আৰু কিয় এই দোষটো উত্থাপিত হৈছিল।

প্রশ্ন ৫ ঃ Old Testament ত প্রতিষ্ঠাপন কৰা পাৰিপার্শ্বিক মূল্যবোধবোৰ কি কি আছিল?

১৪.৫ পাৰিপার্শ্বিক নীতিবিদ্যা সম্পর্কে ইছলামধর্মৰ ধাৰণা

ইছলাম হ'ল এটা আৰৱী শব্দ, যাৰ সাহিত্যিক অর্থ হ'ল সর্ম্পন কৰা" আল্লাৰ ইচ্ছাৰ ওচৰত। আৰৱীয়ান দ্বীপত একবিংশ শতিকাৰ প্রাৰম্ভিক সপ্ত শতিকাতে উদ্ভৱ হোৱা এক অদ্বৈতবাদী ধর্ম হ'ল ইছলাম ধর্ম। ইছলাম পৰম্পৰাৰ মতে, আব্দুল্লাৰ পুত্র মহম্মদ, পশ্চিম আৰবীয়ান চহৰ মক্কাৰ পৰা অহা এজন পবিত্র ব্যক্তি (সদাগৰ) যি ৬১০ চনত আশ্রয়স্থল বিচাৰি থকা সময়ত দিব্য ৰহস্য উদঘাটন কৰিছিল। এই দিব্য ৰহস্যবোৰ ঈশ্বৰৰ পৰা মহম্মদলৈ প্রসাৰিত হৈছিল দেৱদূত Gabrial ৰ জৰিয়তে, যিটো বিষয় পৰৱর্তী তেইশ বছৰলৈকে অর্থাৎ মহম্মদৰ মৃত্যুৰ সময় ৬৩২ লৈ প্রবাহিত হৈ আছিল। এই দিব্য ৰহস্যবোৰৰ সমষ্টিকে "কোৰান" বুলি জনা যায়।

ইছলাম কেৱল জীৱনৰ এক পথেই নহয় কিন্তু ই এক সভ্যতাও, য'ত জীৱনৰ গতি এখন ইছলাম দেশৰ পৰা অন্য এখনলৈ পৃথক-পৃথক; কিন্তু পশ্চিমীয়াসকলে উপলব্ধি কৰাতকৈ বহুত অধিক মানবীয় ৰূপত এক বিশেষ চিন্তাৰ দ্বাৰা সজীৱ কৰি ৰখা হয়। ইছলামীক দেশবোৰত মুছলমান লোকসকল ধর্মীয় জীৱনত ইছলামৰ সিদ্ধান্তৰ দ্বাৰা শাসন কৰি ৰখা হয়। ইছলাম এনেকুৱা নহয় যি 'বিশ্বাস'ক বিশ্বাস কৰে কিন্তু মুছলমানসকলে কেনেকৈ 'বিশ্বাসক' সন্মান কৰে সেইয়া হৈছে কোনো এক নামক নহয় কিন্তু এক 'ক্রিয়াক' সন্মান কৰে। কোৱা হয় যে ইছলামে জীৱনৰ আধ্যাত্মিক, ৰাজনৈতিক আৰু সামাজিক পথক গ্রহণ কৰা আৰু কেনেকৈ সামাজিক জীৱন আৰু পাৰিবাৰিক জীৱনত ব্যৱহাৰ কৰিব লাগে এই ক্ষেত্রত সমভাৱ গ্রহণ কৰিছিল। ইছলামীয় মূল্যবোধ সমূহে সমাজৰ সকলো ক্ষেত্রতে প্রভাৱ পেলাইছিল। আৰৱত সপ্তম শতিকাৰ প্রাৰম্ভতে, পয়গম্বৰ মহম্মদৰ মাজেৰে ঈশ্বৰ বা আল্লাই ইছলাম ধর্মত প্রকট হৈছিল, যি ঈশ্বৰৰ ইচ্ছাত "উৎসর্গা কৰা" বা 'সর্ম্পন কৰাক' বুজায়।

বর্তমান মুছলমানৰ বৃহৎ একগ্রেতা বিচাৰি পোৱা পাকিস্তান, ভাৰত আৰু বাংলাদেশ আদি দক্ষিণ এছিয়াৰ দেশবোৰত (প্রায় ৩৫০ মিলিয়ন বা বিশ্বৰ সর্বমুঠ তিনিভাগ) আৰু ইণ্ডোনেছীয়া হ'ল সর্ববৃহৎ মুছলমান জনসংখ্যাৰ দেশ (প্রায় ২০০ মিলিয়ন)। বিপৰীতক্রমে প্রায়২৫শতাংশ, মুছলমান লোক মধ্য প্রাচ্যত বাস কৰে আৰু বিশ্বৰ মুছলমান জনসংখ্যাৰ প্রায় ১৫ শতাংশহে বর্তমান আৰৱত বসবাস কৰে।

জানি থোৱা ভাল

হাদিযবোৰৰ (মুছলমান মৌখিক পৰম্পৰা মতে, যি কোৰণতকৈ এক বিশাল সত্তা যি প্রকৃততে ইছলামীয় আদর্শক অধিক ক্রমাগত আধাৰ হিচাপে সেৱা আগবঢ়ায় যাক এক পাৰিপার্শ্বিক চেতনা বুলি ক'ব পৰা যায় সম্ভৱতঃ

সেইয়া আছিল আৰৱৰ সাধাৰণ লক্ষণ কাৰণ তেওঁলোকে জীয়াই থাকিব লগা হৈছিল এক সীমিত প্ৰাকৃতিক উৎস প্ৰদান কৰা সীমিত পৰিৱেশত। পয়গম্বৰজনে মুছলমানসকলক বৃক্ষ আৰু জীৱ জন্তুক সন্মান কৰা পানী সংৰক্ষণ কৰা আৰু কিছুভূমিক সংৰক্ষিত এলেকা হিচাপে আছুতীয়াকৈ (হিমা আৰু হাৰিম) ৰাখিবলৈ নিৰ্দেশ দিছিল। সমসাময়িক মুছলমান পৰিৱেশবিদ সকলে উত্থাপন কৰা মহম্মদৰ বিখ্যাত উক্তিবোৰৰ ভিতৰত আছিল "সমগ্ৰ পৃথিৱীখনেই হ'ল এটা মছজিদ" আৰু "পৃথিৱীত এনেদৰে জীয়াই থকা যাতে তুমি সদায় জীৱিত হৈ থাকা আৰু যদি তুমি কাইলৈ মৃত্যুবৰণ কৰা তেনেহ'লে পিছৰ জন্মলৈকে জীয়াই থাকা।"

"কোৰণ"ৰ জৰিয়তে মানুহক প্ৰদান কৰা কাৰ্যই ঈশ্বৰ বা আল্লাই দিয়া বহুসংখ্যক সাধনৰ উত্তৰদায়িত্বক অন্তৰ্ভুক্ত কৰে। তদুপৰি ইছলামীয় জ্ঞানৰ ধাৰণাই পাৰমাৰ্থিক জ্ঞানৰ লগতে ইন্দ্ৰিয় প্ৰত্যক্ষ আৰু নিৰীক্ষণৰ ওপৰত প্ৰতিষ্ঠিত জ্ঞান দুয়োটাকে সাঙুৰি লয়। পৰিনামস্বৰূপে, বৈজ্ঞানিক গতিবিধিৰ দ্বাৰা আহৰণ কৰা সকলো জ্ঞানেই মানৱ কল্যাণৰ লক্ষ্য ধাৰণা কৰে আৰু বিশ্বৰ সাধন বা উপায়সমূহক লাভদায়ক উদ্দেশ্য যে সামাজিক ন্যায় আৰু দয়া দুয়োক্ষেত্ৰতে প্ৰয়োগ কৰিবলৈ বিচাৰে। সেয়েহে বৈজ্ঞানিকসকলক সকলোধৰণৰ বৈজ্ঞানিক প্ৰয়াসকে ইছলামক আবৰি ৰখা মূল্যবোধ, নীতিশাস্ত্ৰ আৰু উদ্দেশ্যমূলক নীতি আদিক পুনৰীক্ষনৰ প্ৰয়োজন হয়।

ইছলামীক দাৰ্শনিকসকলে মানুহৰ স্থিতিক শীৰ্ষৰ ওচৰত সৃষ্ট সত্তাৰ অনুক্ৰমৰ ভিতৰত, দেৱদূতৰ তলত কিন্তু অন্যান্য জন্তু, বৃক্ষ আৰু খনিজ পদাৰ্থৰ ওপৰত স্বীকাৰ কৰিছিল। মানুহবোৰ আছিল সৰ্গ আৰু মৰ্ত্যৰ ৰাজ্যসমূহৰ মাজত মধ্যস্থকাৰী আৰু দৈৱিক কৃপাৰ এক উচ্চ মাধ্যম। ইয়াৰোপৰি মানৱ শৰীৰ বিশ্বৰ এক সুক্ষ্ম জগতৰূপে শৰীৰৰ বিশেষ অংগসমূহক ৰাশিচক্ৰৰ অংশসমূহৰ সৈতে একাত্ম কৰি প্ৰত্যক্ষ কৰা হয় আৰু সেয়েহে সিহঁতৰ অনুপ্ৰেৰণাৰ বিষয় হৈ পৰে।

মুছলমান "ৰহস্যবাদে" যাক চুফী বুলি জনা যায় ঈশ্বৰৰ একত্ব (Iwahid) কোৰাণৰ সন্দৰ্ভত ব্যাখ্য কৰিব বিচাৰিছিল যেনেকৈ সকলো সত্তাতে ঐক্যতা অৰ্ন্তনিহিত হৈ থকাটো ব্যক্ত কৰিছিল। তেওঁলোকে "সত্তাৰ একতা হিচাপে বৰ্ণনা কৰিছিল। বহুতো মুখ্য বিচাৰ ধাৰাৰ মুছলমানে এই বিশ্বাসক ভয়ানক ভাৱে সৰ্বেশ্বৰবাদৰ নিকট ৰূপত বিচাৰি পাইছিল, যদিও ওঠৰশ শতিকাৰ ভাৰতীয় চুফী গুৰু Shah Waliullah (1702-1762) এ "প্ৰমাণৰ একতা" পদক প্ৰাধান্যতা দিছিল (Wahdat al-Shuhud)। যেনেকৈ ই অতি নিখুতভাৱে সৃষ্টিকৰ্তা আৰু সৃষ্টিৰ মাজৰ প্ৰভেদক প্ৰতিপাদন কৰিছিল।

চুফী ধাৰণা "সম্পূৰ্ণ মানৱ" (insan alkamil) এ 'মানৱ সত্তা বিশ্বব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰজগত' এই ধাৰণাক প্ৰসৰিত কৰিছিল। চুফী সকলৰ বাবে ব্যক্তিবিশেষৰ উৎকৰ্ষ সাধন হ'ল সমগ্ৰ বিশ্বৰে উৎকৰ্ষ সাধনৰ অনুৰূপ। সেয়েহে এজন ব্যক্তিৰ আধ্যাত্মিক উন্নতিয়ে সমগ্ৰ ভাৰততে প্ৰভাৱ পেলায়। Jalal aldin Rumi (1207-1272) আদি চুফীৰ মতে, কেৱলমাত্ৰ প্ৰাণী বা উদ্ভিদেই নহয় বৰঞ্চ সমগ্ৰ বিশ্বৰ সৃষ্টিয়েই জীৱজন্তু। তেওঁ লিখিছে, "মাটি, পানীআৰু অগ্নি হ'ল তেওঁৰ দাস, তোমাৰ আৰু মোৰ লগতে সেইবোৰৰ মৃত্যু হ'ব কিন্তু ঈশ্বৰৰ লগত সিহঁত সদায়ে জীয়াই থাকিব। প্ৰকৃতিয়েও কয়, যদিও মাত্ৰ ৰহস্যবাদে বিশ্বাস কৰে, "পানীৰ ভাষাত মাটিৰ ভাষাত আৰু বোকাৰ ভাষাত সিহঁতৰ ইন্দ্ৰিয়ৰদ্বাৰা সিহঁতৰ হৃদয় থকা বুলি বুজা যায়।

১৪.৬ মানুহ আৰু প্ৰকৃতি সম্পৰ্কে ইছলামধৰ্মৰ ধাৰণা

কো�ৰণত উল্লেখ কৰা হৈছে যে আল্লা হ'ল বিশ্বব্ৰহ্মাণ্ড আৰু ই ধাৰণ কৰা সকলোৰে সৰ্বশক্তিমান স্ৰষ্টা আৰু মানুহৰ প্ৰকৃত ভূমিকা হ'ল খলিফা, এটা সাধাৰণভাৱে ব্যৱহৃত পদ যাক এই ক্ষেত্ৰত পৰিচালক বা উপ ৰাজ প্ৰতিনিধি অৰ্থত বুজা যায়। সৃষ্টিক উৎকৃষ্ট আখ্যা দিয়া হয় আৰু ইয়াৰ সকলো ৰূপেই ঈশ্বৰৰ অস্তিত্বশীলতাক প্ৰমাণ কৰা চমৎকাৰী প্ৰতীক (ayat)। তদুপৰি সকলো সৃষ্টিকে ঈশ্বৰক প্ৰাৰ্থনা কৰিবলৈ কোৱা হয় যদিও মানুহে তেওঁক দেখা নাপায়। অমানবীয় জাতি বা শ্ৰেণীবোৰ সেইবোৰ মানুহৰ লগত মিল থকা সম্প্ৰদায়বোৰত বাস কৰে বুলি কোৱা হয়। অৱশ্যে মানুহে কেৱল এইটো দিশতে পৃথক যে তেওঁলোকে এক চেতনা শক্তিৰ (taqwa) অধিকাৰী যিয়ে তেওঁলোকৰ কামৰ বাবে ঈশ্বৰক নৈতিকভাৱে উত্তৰদিবলৈ বাধ্য কৰে। ইছলামক 'fitra' বা দান আৰু বস্তুৰ প্ৰকৃত স্বৰূপৰ ধৰ্মৰূপে বৰ্ণনা কৰা হয় আৰু সকলো সৃষ্ট সত্তাকে জন্মগতভাৱে মুছলিম বুলি কোৱা হয় যে তেওঁলোকে নিজৰ স্বভাৱক ঈশ্বৰৰ ইচ্ছাত সৰ্ম্পন কৰিব লাগে কিন্তু বহুতো মানুহে গ্ৰহণ নকৰি ভুল কৰে। অনুৰূপভাৱে ইয়াকো কোৱা হয় যে সকলো সৃষ্ট সত্তাৰ ভিতৰত কেৱল মানুহৰে আল্লাৰ সৈতে সম্ভৱতঃ এক সন্দেহজনক সম্বন্ধ আছে। আনহাতে কোৰাণে স্পষ্টৰূপত প্ৰকাশ কৰিছে যে পৃথিৱীখন সকলো সত্তাৰ বাবে সৃষ্টি কৰা হৈছে কেৱল মানুহৰ বাবে নহয়, লগতে এই কথাও স্পষ্ট কৰি দিছে যে কিছুমান শ্ৰেণীক (ঘৰচীয়া জন্তুক বিশেষভাৱে) নিশ্চিত ৰূপে মানুহক সেৱা কৰিবৰ বাবেই সৃষ্টি কৰিছে। খলিফাৰ পৰা মানুহলৈ বিশেষ স্থিতিৰ ক্ষেত্ৰত ইছলামে আগবঢ়োৱা চুক্তিৰ পৰা ইয়াকো বা ইছলাম ধৰ্মক "মানৱ কেন্দ্ৰীক" ধৰ্ম বুলি ক'ব পৰা যায়, যদিও মুছলমানসকলে তেওঁলোকৰ বিশ্বাসক 'তত্বকেন্দ্ৰীক' বুলি কোৱাটোহে বিচাৰে।

যিহেতু ভগৱানৰ পৰাই সৃষ্টি হয় সেয়েহে এই সৃষ্টিত ব্যাঘাত জন্মোৱা কামৰ লগত মানুহ জড়িত হ'ব নালাগে। অপব্যয় কৰা আৰু অধিক সেৱন বা উপভোগ কৰাক অৱশ্যেই নিন্দা কৰা হয়।

পৰম্পৰাগত ইছলাম দৰ্শন, যি নৱম শতিকাৰ পৰা এঘাৰশ শতিকালৈ বিস্তাৰিত হৈ আছিল, গ্ৰীক দৰ্শনৰ পৰা এক বৃহৎ সীমা উৎপন্ন কৰিছিল আৰু প্ৰকৃতি সম্পৰ্কীয় গ্ৰীক ধাৰণাৰ লগত বহলভাৱে সন্মিলিত হৈ আছিল।

কোৰণাত উল্লেখ কৰাৰ দৰে মানৱ সৃষ্টিৰ লক্ষ্য আৰু মানুহৰ ভূমিকা হ'ল যে মানৱ সত্তাক এই পৃথিৱীত ঈশ্বৰৰ প্ৰতিনিধি বা খলিফা ৰূপে স্থান দিয়া হৈছে। কোৰাণৰ খলিফা বা উপ ৰাজ প্ৰতিনিধিৰ ধাৰণাই মানুহক বিশ্বাসী বা আমনিৰ চৰিত্ৰ আৰু পৃথিৱীৰ সংৰক্ষক ৰূপে স্থানাংকিত কৰে। গতিকে পৃথিৱীক গঢ় দিয়াৰ বাবে আৰু ইয়াৰ সাধনবোৰক নিজৰ বাবে আৰু সমগ্ৰ জাতিৰ ন্যায়ৰ বাবে ব্যৱহাৰ কৰাটোৱে মানুহৰ দায়িত্ব। আনহাতে প্ৰকৃতিক মানুহৰ পৰীক্ষন ক্ষেত্ৰ বুলি কোৱা হয়, ঈশ্বৰক বুজিবৰ বাবে মানুহক ইয়াৰ প্ৰতীকবোৰ অধ্যয়ন কৰিবলৈ নিৰ্দেশ দিয়া হয়। গতিকে ঈশ্বৰক বুজিবলৈয়ে মুছলমানসকলে প্ৰাকৃতিক বিজ্ঞানৰ উন্নতিসাধন কৰিছিল আৰু ঈশ্বৰৰ প্ৰতিনিধিস্বৰূপে তেওঁলোকৰ চৰিত্ৰ সফলভাৱে ৰূপায়ন কৰিছিল।

১৪.৭ ইছলামৰ সমসাময়িক পাৰিপাৰ্শ্বিক বিচাৰ

যদিও পূৰ্বৱৰ্তী আলোচনাই ইছলামীয় পৰম্পৰাত পাৰিপাৰ্শ্বিক নীতিশাস্ত্ৰৰ বাবে এক ভেঁটিৰ ইঙ্গিত দিছে, তথাপি বৰ্তমান সময়ত যিকোনো প্ৰাক আধুনিক সমাজৰ ওপৰত পাৰিপাৰ্শ্বিক বুজাবুজিৰ পৰিকল্পনাৰ বাবে ই

অনুপযুক্ত। মুছলমানসকলৰ মাজত সকলো মানৱ সমাজৰ লগত হোৱা ঘটনাৰ দৰে, আজিৰ পাৰিপার্শ্বিক উপদেশ বহুতো ক্ষেত্রত নিশ্চিতভাৱেই সমসাময়িক আৰু এইবোৰ উৎপত্তি হয় বিশেষভাৱে আধুনিক সমস্যাসমূহ আৰু চিন্তাৰ উপায়সমূহৰ প্রতিক্রিয়াত। ইয়াৰ পৰিৱর্তে, পৰম্পৰাগত ইছলামীয় গ্রন্থত উপস্থিত থকা পৰিৱেশ সংৰক্ষণৰ কিছুমান স্পষ্ট সজাগতাক সাধাৰণভাৱে দেখা যায় যে ইতিহাসৰ দৃষ্টিৰ পৰা মুছলমান সমাজবোৰে আনসকলতকৈ পৰিৱেশৰ অধিকভাৱে বা কম পৰিমানেও ক্ষতিসাধন নকৰে।

এই একেধৰণৰ সমাজবোৰেই বর্তমান সকলো উন্নয়নশীল দেশৰ সৈতে সমস্যাবোৰ আলোচনা কৰিছে যি অতি কঠোৰ আৰু বহুতো অধিক বেয়াৰ ফালে গতি কৰা পৰিৱেশৰ পতনৰ ঘটনাকো অন্তর্ভুক্ত কৰিছে। ইছলামীয় পৰিৱেশবিদসকলে ভাবিছিল যে সেইবোৰে কেৱল দ্বাবিংশ শতিকাৰ শেষৰফালে উদ্ভৱ হৈছিল। তদুপৰি এইবোৰ পাশ্চাত্য পৰিৱেশবিদসকলৰ সমালোচনাৰ প্রতি এক প্রতিৰক্ষা বা ক্ষমাশীল সন্মান হিচাবে বিশদভাৱে প্রকট হৈছিল আৰু গৰিষ্ঠসংখ্যক মুছলমানে নাজানাছিল যিসকলে কিছুমান বিষয়ৰ সৈতে বহলভাৱে জড়িত হৈ আছিল সেইবোৰ হ'ল আন্তঃৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় ৰাজনীতি, সামাজিক ন্যায় আৰু লিঙ্গ ভূমিকা আদি। আনহাতে যিহেতু পাৰিপার্শ্বিক সমস্যাবোৰ মুছলমানসকল বাস কৰা দেশবোৰত অধিক কঠোৰ হৈ পৰিছিল, সেয়েহে এই সমস্যাবোৰৰ এক নিশ্চিত সজাগতাও বৃদ্ধি পাইছে।

সম্ভৱতঃ উৎকৃষ্ট আপত্তি দর্শোৱা প্রথমজন সমকালীন ইছলামীক পাৰিপার্শ্বিক নীতিশাস্ত্রবিদজন হ'ল ইৰাণী আমেৰিকান দার্শনিক Seyyed Hossein Nasr, যিজনে তেওঁৰ পাৰিপার্শ্বিক সজাগতাৰ গুণবোৰ ১৯৫০ চনৰ সময়ছোৱাত Walden Woods ত আচৰণ কৰিছিল। তেওঁৰ মতে পৰিৱেশৰ প্রতি মানুহৰ দুর্ব্যৱহাৰৰ পৰিচয় যি মূল্যবোধৰ সমস্যাৰ পৰা আৰম্ভ হৈছিল সেইয়া সময়ৰ পূর্বেই Lynn White Jr. ৰ ১৯৬৭ চনত প্রকাশ পোৱা বিখ্যাত ৰচনা "The Historical Roots of Our Ecologic Crisis" ত প্রকাশ পাইছিল। বিপৰীতক্রমে, ইছলামীক পৰম্পৰাই Whit ৰ খ্রীষ্টান West ৰ বর্ণনাক Nasr এ বৃহৎ সংখ্যক গ্রন্থত যুক্তি দর্শাইছিল যে ইছলামীয় বিজ্ঞানে কেতিয়াও ইয়াৰ পবিত্র প্রকৃতিৰ প্রতি শ্রদ্ধা হেৰুওৱা নাছিল আৰু তেওঁৰ মুছলমান ক্ষতিকাৰক পশ্চিমীয়া অনুপ্রেৰণাৰ প্রতি পৰিৱেশৰ চেতনা হেৰুওৱা সম্বন্ধীয় আৰোপক বহুতে গ্রহণ কৰিছিল যদিও বহুসংখ্যক অনুৱর্তী মুছলমান পৰিৱেশবিদ লিখকে গ্রহণ কৰা নাছিল। এইটো লক্ষ্য কৰা যায় যে আন বহুতো ইছালমীয় পৰিৱেশবিদসকলৰ দৰে Nasr পাশ্চাত্যত বাস কৰিছিল আৰু ইংৰাজীতে লিখিছিল বিশদভাৱে অ-মুছলমান শ্রোতাৰ বাবে, যদিও কিছুমানে ইছলামীক পৰিৱেশবিদৰ ৰচনা মুছলমান দেশ আৰু ভাষাতে আৰম্ভ হোৱাটো পৰিলক্ষিত হয় য'ত পূর্বতে পাশ্চাত্য প্রকাশ পোৱা ৰচনাবোৰৰ অনুবাদক অন্তর্ভুক্ত কৰা হয়।

তদুপৰি পৰিৱেশৰ সংৰক্ষণ সম্পর্কত ইছলাম স্থান নিৰ্দ্ধপনৰ প্রথম স্পষ্ট প্রকাশ আছিল ১৯৮৩ চনত "World Conservation Union" (UCN) অর্থাৎ বিশ্ব সংৰক্ষণ সংঘর্ষদ্বাৰা পৰিদর্শন কৰা এক চমু প্রণালী আৰু তেতিয়াৰ চৌদি আৰৱৰ এক ইছলামীয় পণ্ডিতৰ সমূহৰ দ্বাৰা Jeddah ৰ ওপৰত ভিত্তি কৰি লিখা হৈছিল। যাৰ ফলস্বৰূপে পাঠ্যসূচীবোৰ প্রকাশিত হৈছিল ইংৰাজী, ফৰাচী আৰু আৰৱীত, কিন্তু অতি দুর্বলভাৱে প্রসাৰিত হৈছিল। ইৰাকত জন্মগ্রহণ কৰা Mawil Izzi Dien নামৰ লিখকজনে ইছলাম আৰু পৰিৱেশৰ ওপৰত বহুসংখ্যক প্রবন্ধ লিখিছিল লগতে এই বিষয়ৰ ওপৰত তেওঁৰ প্রথমখন সম্পূর্ণ পৃষ্ঠাৰ দীঘলীয়া গ্রন্থ যাক তেওঁ ২০০০ চনত প্রকাশ কৰিছিল। Izzi Dien জড়িত হৈ পৰিছিল ৰেলছ্ৰ Kampter বিশ্ববিদ্যালয়ত ইছলাম আৰু পৰিৱেশ নামৰ কেন্দ্র স্থাপনৰ লক্ষ্যত। ইছলামীয় পৰিৱেশ সম্বন্ধীয় আলোচনাৰ উৎপত্তিৰ সম্পর্কক এক মুখ্য জলবিভাজন আছিল

১৯৯৮ চনত Harvard বিশ্ববিদ্যালয়ত Mary Evelyn Tuckar আৰু John Grin এ আয়োজন কৰা ইছলামীয় পৰিৱেশ সম্বন্ধীয় আলোচনাচক্ৰ খন। সমগ্ৰ বিশ্বৰ প্ৰায় চল্লিশজনমান মুছলমান পণ্ডিত ৰাজনীতিবিদ আৰু কাৰ্যকৰ্তাই ইয়াত অংশগ্ৰহণ কৰিছিল আৰু ফলস্বৰূপে ইছলাম আৰু পৰিৱেশৰ ওপৰত বহুতো গ্ৰন্থ প্ৰকাশ পাইছিল। ২০০৩ চনৰ A Bestowed Trust হ'ল ২০০৭ চনত প্ৰকাশ পোৱা ইছলাম আৰু পৰিৱেশ সম্বন্ধীয় লিখনিৰ বিস্তৃত তথা একক সংগ্ৰহ। একেধৰণৰ সন্মিলন যেতিয়াৰে পৰা চৌদি আৰৱ আৰু ইৰাণ আদিকে অন্তৰ্ভুক্ত কৰি অন্য মুছলমান দেশবোৰতো আয়োজন কৰা হৈছিল আৰু ইছলাম আৰু পৰিৱেশৰ ওপৰত ৰচিত এক বৰ্দ্ধিত সংখ্যক বিদ্বানপূৰ্ণ আৰু জনপ্ৰিয় প্ৰবন্ধ বিশ্বব্যাপী হৈ পৰিল।

১৪.৮ সমকালীন মুছলমান পৰিৱেশবিদসকলৰ আন্দোলন

এটা কথা লক্ষনীয় যে যেতিয়া বিশ্বজুৰি বৃহৎসংখ্যক মুছলমান মানুহে পৰিৱেশসম্বন্ধীয় কাৰ্যত জড়িত হৈ পৰিছে। প্ৰথমতে তেওঁলোকৰ কাৰ্যক সদায় ধৰ্মীয় বিশ্বাসতকৈ পৰিৱেশৰ চিন্তাৰদ্বাৰা উৎসাহিত কৰিব লাগে। গতিকে তেনে বহুসংখ্যক কাৰ্যকৰ্তাক ইছলামতকৈ বেছি পশ্চিমীয়া যেনহে দেখা যায় আৰু বহুতো মুছলমান কাৰ্যকৰ্তা সীমিত ৰূপতহে ধাৰ্মিক নাইবা একেবাৰেই ধাৰ্মিক নহয়।

যিসকল কাৰ্যকৰ্তা ধৰ্মবিশ্বাসী তেওঁলোকৰ বহুতৰ ক্ষেত্ৰত দেখা যায় যে প্ৰথমতে তেওঁলোকে পাৰিপাৰ্শ্বিক কাৰণত জড়িত হ'বলৈ বিচাৰে, তাৰ পিছত ক্ৰমান্বয়ে তেওঁলোকে ইছলামৰ বিশ্বাস অনুসৰি বুজিবলৈ আৰু ন্যায়সঙ্গতভাৱে বিচাৰ কৰিবলৈ প্ৰয়াস কৰে।

অনুৰূপভাৱে, যদিও বৰ্তমান বহুসংখ্যক মুছলমান দেশৰ প্ৰশাসনীয় বিভাগে পৰিৱেশমূলক সংৰক্ষণ বিচাৰে, লক্ষণীয়ভাৱে সেইবোৰ পাশ্চাত্যৰ প্ৰশিক্ষণ যুক্ত বৈজ্ঞানীকৰ দ্বাৰা গঠিত আৰু নীতি নিৰ্ধাৰক যি কেতিয়াও বিশাল সমাজৰ মূল্যবোধক জগাই নিদিয়ে সেইবোৰৰ দ্বাৰা গঠিত। চৰকাৰী সংস্থাসমূহে আৰম্ভ কৰা পৰিৱেশমূলক কাৰ্যাৱলীসমূহ যিবোৰে মাজে সময়ে জনসংখ্যাৰ বাস্তৱিক পৰিৱেশমূলক প্ৰয়োজন (যেনে পানী পৰিস্কাৰ, জাৱৰ সংগ্ৰহ আৰু অন্যান্য) তকৈ পৰ্যটনৰ আকৰ্ষনক বা স্থানীয় অভিজাতবৰ্গক প্ৰকাশ কৰাৰ ওপৰত অধিক গুৰুত্ব দিছিল আৰু এইবোৰেই ক্ৰমান্বয়ে অবৈধ ৰূপে বা অপ্ৰভাৱীৰূপে পৰিলক্ষিত হয়। তদুপৰি পৃথিৱীৰ সকলো ইছলামীয় দেশতে পৰিৱেসম্বন্ধীয় ধাৰণাবোৰে প্ৰায়ে স্থিৰ ৰূপত উন্নতিৰ দাবীৰ অধীন হয়। অৰ্থনৈতিক অৱৰোধে পৰিৱেশ সংৰক্ষণৰ কাৰ্যসূচী কাৰ্যকৰী কৰাত আৰু প্ৰযুক্তিবিদ্যাৰ আধুনিকীকৰণত ব্যাঘাত জন্মায় আৰু পৰিৱেশৰ প্ৰসাৰতাত ভ্ৰষ্টাচাৰ আৰু পক্ষপাতিত্ব সময়ে সময়ে উদ্যোগিক আৰু ব্যৱসায়ীক আকৰ্ষণক বিশেষ গুৰুত্ব দিয়ে।

শেষত, International Monitary Fund (IMF) আৰু The World Bank আদিৰ দৰে বাহ্যিক সংস্থাসমূহে আৰোপ কৰা আঁচনিসমূহে মাজে সময়ে পৰিৱেশৰ হানিকাৰক কাৰ্যাৱলী আৰু অৰক্ষণীয় প্ৰকল্পসমূহৰ বৃদ্ধিত অৰিহণা যোগায় যিয়ে দুখীয়া সকলক অনুপাত হীনভাৱে আঘাত কৰে।

তথাপিও কমসংখ্যক মুছলমান পৰিৱেশবিদসকলৰ সংগঠনসমূহ সফল প্ৰমানিত হৈছিল সিহঁতৰ কিছুমানে স্পষ্টভাৱে ইছলামীক মূল্যবোধক উৎসাহিত কৰিছিল। সেইধৰণৰ আটাইতকৈ প্ৰতিভাশালী সংস্থাবোৰৰ ভিতৰত Islamic Foundation for Ecology and Environmental Sciences (IFEES) হ'ল প্ৰধান এই সংস্থাটো

বামিংহাস, ইংলেণ্ডত Fazlun Khalid ৰ দ্বাৰা প্ৰতিষ্ঠা কৰাহৈছিল। ১৯৯০ চনত প্ৰাৰম্ভৰ পৰাই IFEES এ পৰিৱেশীয় শিক্ষাৰ অভিযানবোৰ আহ্বান কৰিছিল যি সম্পূৰ্ণ মুছলমান জগতৰ ইছলামীয় নীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। এইবোৰ সফলতাই মুছলমান মাছমৰীয়া Zanzibar ৰ ক বাৰুদৰ সহায়ত মাছধৰা কাৰ্যক বাধা দিছিল আৰু ইণ্ডোনেছীয়া গাঁৱলীয়া ধৰ্মীয় বিদ্যালয়সমূহত তেওঁলোকৰ পাঠ্যপুথিত পৰিৱেশ সম্বন্ধীয় ঘটনাবোৰ সন্নিৱিষ্ট কৰাটো বিচাৰি পাইছিল। এখন মুছলমান দেশ য'ত পৰিৱেশবাদৰ সংশয়ক এক বিদেশী পশ্চিমীয়া বিচাৰধাৰা হিচাপে অনুপস্থিতিয়ে হ'ল ইৰাণৰ ইছলামীয় গণৰাজ্য, যত পৰিৱেশবিদসকলে তেওঁলোকৰ খবৰ স্পষ্ট ৰূপত গঠনৰ দ্বাৰা চৰকাৰী অনুমোদন বিচাৰিছিল আৰু ইছলামীক ভাষাৰ ব্যৱহাৰৰ দ্বাৰা তেওঁলোকৰ কাৰ্যাৱলীৰ ন্যায়সঙ্গত বিচাৰ কৰিছিল। ইৰাণৰ চৰকাৰে, ইয়াৰ অংশৰ বাবে শক্তিশালীভাৱে পৰিৱেশবিদসকলৰ শব্দভাণ্ডাৰক গ্ৰহণ কৰিছিল যদিও ইয়াৰ চৰকাৰী আঁচনিবোৰ মাজে মাজে কাৰ্যত প্ৰয়োগ কৰা নাছিল। য'ত ইৰাণৰ চৰকাৰী আঁচনিৰবোৰ কাৰ্যকৰী হোৱা একমাত্ৰ ক্ষেত্ৰখন হ'ল মানুহৰ জনসংখ্যা নিয়ন্ত্ৰণত। ১৯৮০ চনৰ শেষৰফালে প্ৰাৰম্ভিক ভাৱে পৰিয়াল পৰিকল্পনাৰ চৰকাৰী নীতিক গ্ৰহণ কৰা হৈছিল, মহিলাৰ বাবে স্বাস্থ্য কেন্দ্ৰ আৰু বিনামূলীয়া গৰ্ভনিৰোধক ঔষধ সমগ্ৰ দেশতে প্ৰদান কৰা হৈছিল যাৰ ফলত ২০০০ চনলৈকে ইৰাণৰ প্ৰজনন হাৰ প্ৰতিগৰাকী মহিলাৰ বিপৰীতে মাত্ৰ ১.৮ শতাংশলৈ নামি আহে যিটো বহুসংখ্যক পশ্চিমীয়া দেশতকৈ কম আছিল। এই সফলতাৰ কাহিনী বাকী থকা বহুসংখ্যক মুছলমান দেশৰ বিপৰীতে স্থান লাভ কৰিছিল, য'ত জনসংখ্যা নিয়ন্ত্ৰণক বিশদভাৱে পাশ্চাত্যৰ প্ৰচাৰ তথা প্ৰসাৰ হিচাপে দেখা গৈছিল আৰু ডাঙৰ পৰিয়ালৰ পৰম্পৰাগত অধিক আদৰতাৰ লগত মিল নাছিল। যদ্যাপি বৰ্তমানে ইণ্ডোনেছীয়াই কিছুমান পৰিয়াল পৰিকল্পনাৰ আঁচনি কাৰ্যকৰীকৰণত কৃতকাৰ্য হৈছে। যদিও পাৰিপাৰ্শ্বিক সজাগতা আৰু ইছলামীক নীতিৰ লগত অন্তৰঙ্গতাই প্ৰকৃতি সম্পৰ্কীয় শুদ্ধ দৃষ্টিভঙ্গীৰ সৈতে জড়িত ই সমগ্ৰ মুছলমান জগতৰ ক্ষেত্ৰত চুড়ান্তভাৱে সীমিত, অৱশ্যে লাহে লাহে এই কাৰ্য পৰিবৰ্তন হৈছে কাৰণ মুছলমান সকলে বিশদভাৱে পৰিৱেশৰ পতনৰ দৃঢ় প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে আৰু তেওঁলোকৰ নিজৰ ধাৰ্মিক আৰু সাংস্কৃতিক পৰম্পৰাৰ পৰা এই সম্পৰ্কত বিশুদ্ধ প্ৰতিক্ৰিয়া বিচাৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ খালী ঠাই পূৰ কৰা ঃ

(ক) ঃ কোৰানে উল্লেখ কৰিছিল যে মানুহৰ প্ৰকৃত চৰিত্ৰ হ'ল .....এটা শব্দ যাক সাধাৰণতে পৰিদৰ্শক বা উপ-ৰাজনীতিকৰ অৰ্থত বুজা যায়।

(খ) ঃ খ্ৰীষ্টান ধৰ্মৰ অন্তৰ্ভুক্ত হৈ থকা দুটা প্ৰধান প্ৰবৃত্তি হ'ল .....আৰু .....।

(গ) ঃ খ্ৰীষ্টান ধৰ্মৰ আধুনিক পাৰিপাৰ্শ্বিক সমস্যাৰ বৰ্ণনাত ..... আৰু.....মতবাদে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

(ঘ) ঃ ইছলাম হ'ল এটা আৰবী শব্দ, যাৰ সাহিত্যিক অৰ্থ হ'ল .....সেইয়া হ'ল আল্লাৰ ইচ্ছাৰ ওচৰত সম্পৰ্ন।

(ঙ) ঃ ইছলামীয় দেশবোৰত মুছলমানসকলৰ ধর্মীয় জীৱন শাসন কৰা হয় ইছলামৰ ..... ৰ দ্বাৰা।

প্রশ্ন ৭ ঃ তলত দিয়া উক্তিবোৰ সত্য নে অসত্য লিখক —

(ক) ঃ Lynu White এ যুক্তি দর্শাইছিল যে খ্রীষ্টানসকলৰ সৃষ্টিতত্ব দেৱত্বৰ লগত জীৱমণ্ডলৰ একতাৰ ওপৰত নির্ভৰ কৰে। (সত্য/অসত্য)

(খ) ঃ Lynu White এ বিশ্বাস কৰিছিল যে খ্রীষ্টানধর্মৰ কেথলিক আৰু প্রটেষ্টাণ্ট দুয়োটা আকাৰেই পাশ্চাত্যৰ উদ্যোগিক সমাজ আৰু প্রযুক্তিবিদ্যাৰ পাৰিপার্শ্বিক প্রবৃত্তিৰ বিৰোধিতা প্রধান উৎস। (সত্য/অসত্য)

(গ) ঃ বাইবেল প্রভূত্ববাদতকৈ পৰিচালকবাদকহে গুৰুত্ব দিছিল। (সত্য/অসত্য)

(ঘ) ঃ ইছলাম হ'ল এক অদ্বৈতবাদী ধর্ম যি সপ্তম শকিতাৰ প্রাৰম্ভতে আৰৱীয়ান দ্বীপত উৎপত্তি হৈছিল। (সত্য/অসত্য)।

১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেথলিক আৰু আস্তিক খ্রীষ্টান দেশবোৰত, প্রচেষ্টাণ্টৰ বিপৰীতভাৱে অতি নুন্যতম পৰিৱেশসম্পর্কীয় ঘটনাৰ প্রচলন আছে আৰু এই দেশবোৰৰ প্রচেষ্টাণ্ট দেশসমূহতকৈ অতি কমসংখ্যক পাৰিপার্শ্বিক বিধি বিধান আছিল।
- Lynu White ৰ উক্তি যে আমাৰ সমসাময়িক পাৰিপার্শ্বিক সমস্যাবোৰৰ মূল হ'ল Genesis ত উল্লেখ থকাৰ দৰে প্রকৃতিৰ ওপৰত মানুহৰ প্রভূত্বৰ ধাৰণাৰ লগত জড়িত আৰু পাশ্চাত্য প্রযুক্তিবিদ্যাৰ উন্নতি আৰু প্রকৃতিৰ প্রতি ইয়াৰ দৃষ্টিভঙ্গী নির্ভৰ কৰে এইধৰণৰ প্রবৃত্তিৰ প্রতি থকা স্থিতিৰ ওপৰত।
- যদিও White ৰ স্থিতিক বহুতে অগ্রাহ্য কৰিছিল আৰু তথাপি খ্রীষ্টানধর্মই প্রাকৃতিক সৃষ্টিসমূহৰ স্বাধীন মূল্যবোধক সমর্থন কৰিছিল আৰু প্রাকৃতিক জগতৰ পৰিচালক আৰু নৈতিক দায়িত্ববোধত নিজকে সমর্পন কৰিছিল।
- ইছলামে মানুহৰ বাবে এক বিশেষ স্থিতিক মানি লৈছিল য'ত এই ধর্মক মানৱ কেন্দ্রীক ধর্ম আখ্যা দিয়া হৈছিল যদিও মুছলমানসকলে তেওঁলোকৰ বিশ্বাসক তত্ব কেন্দ্রীক বুলি কোৱাটোহে প্রাধান্য দিছিল। ইয়াৰ কাৰণ আছিল তেওঁলোকে বিশ্বাস কৰিছিল যে সৃষ্টি হ'ল ঈশ্বৰ সম্বন্ধীয়, মানুহবোৰে এই সম্বন্ধক ক্ষতিসাধন কৰিব পৰা কোনো কার্যতে জড়িত হ'ব নালাগে।
- কোৰণাৰ দ্বাৰা মানুহৰ চৰিত্র ৰূপায়ন কৰিবলৈ দিয়া কার্যই ঈশ্বৰ বা আল্লাই প্রদান কৰা বহুসংখ্যক উৎসৰ উত্তৰদায়িত্বক অন্তর্ভুক্ত কৰিছিল।

- কোৱণাত উল্লেখ কৰা হৈছিল যে আল্লা হ'ল বিশ্বৰ আৰু ই ধাৰণ কৰা সকলোৰে সৰ্ব শক্তিমান সৃষ্টিকৰ্তা আৰু মানুহৰ উপযুক্ত চৰিত্ৰ হ'ল সেই খলিফা, এটা পদ যাক এই সন্দৰ্ভত সাধাৰণভাৱে এজন পৰিদৰ্শক বা উপ-ৰাজনীতিবিদ বুলি বুজা যায়।

১৪.১০ অধিক জানিবলৈ

1. Jamieson, D. (2001). A Companion to Environmental Philosophy U.S.A. Blackwell.
2. Calliaot, J. B, Frodeman, R. (2009). Encyclopedia of Environmental Ethics and Philosophy, United States : Macmillan.
3. Foltz, Richard, C (2005). Environmentalison in the Muslim World.New York: Science.

১৪.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ White এ কৈছিল যে আমাৰ সমসাময়িক পাৰিপাৰ্শ্বিক সমস্যাবোৰৰ মূল হ'ল Genesis ত উল্লেখ থকাৰ দৰে প্ৰকৃতিৰ ওপৰত মানুহৰ প্ৰভুত্বৰ ধাৰণাৰ লগত জড়িত আৰু পাশ্চাত্য প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু প্ৰকৃতিৰ প্ৰতি ইয়াৰ দৃষ্টিভঙ্গী নিৰ্ভৰ কৰে এই ধৰণৰ প্ৰবৃত্তিৰ প্ৰতি থকা স্থিতিৰ ওপৰত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ খ্ৰীষ্টান পৰিৱেশবিদসকলে যুক্তি দিছিল যে বাইবেল পৰিচালকবাদতে গুৰুত্ব দিছিল প্ৰভূত্ববাদৰ নহয়, পৃথিৱী ঈশ্বৰৰ মাজতহে থাকে কিন্তু ইয়াৰ মানৱ আবাসীৰ মাজত নাথাকে। সেয়েহে তেওঁলোকে আঁচনি আৰু নীতিসমূহৰ বিৰোধীতা কৰিছিল যি গ্ৰহটোক জীয়াই থকা বা স্বাস্থ্যক অংগীকাৰ কৰিছিল। তেনেধৰণৰ পৰিৱেশবিদসকলে বিশেষভাৱে জড়িত হৈ আছিল বৰ্তমান অ- নবীকৰণ প্ৰবৃত্তিসমূহৰ ওপৰত থকা বিস্তৃত বিশ্বাস, আবাসৰ বিনাশ, প্ৰহষণ আৰু অন্যান্য সকলো কাৰক যি জলবায়ু পৰিৱৰ্তনত অৰিহণা যোগায় নাইবা পৰিৱেশৰ স্বাস্থ্যক অংগীকাৰ কৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ Lynu White

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱকেন্দ্ৰীকতাবাদ এইয়া মানৱকেন্দ্ৰীকতাবাদে, য'ত White এ বিশ্বাস কৰিছিল যে ই হ'ল খ্ৰীষ্টানধৰ্মৰ প্ৰমুখ বা প্ৰধান আকাৰ, যি আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিক উদিত কৰিছিল আৰু তাৰ পৰিৱৰ্তে যিয়ে পৰিৱেশসম্বন্ধীয় সমস্যাবোৰক উদগনি জনাইছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ Old Testament ৰ মতে, খ্ৰীষ্টান ধৰ্মই প্ৰকৃতিৰ জীৱবোৰৰ স্বাধীন মূল্যবোধক তত্বাৱধান লৈছিল আৰু প্ৰকৃতি জগতৰ যত্ন আৰু দায়িত্বৰ পৰিচালকৰূপে সংলগ্নবদ্ধ হৈছিল। যীশুৰদ্বাৰা এই মূল্যবোধৰ পূৰ্বকল্পনা কৰা হৈছিল আৰু New Testament ত গ্ৰহণ কৰা হৈছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) খলিফা
(খ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা
(গ) পতন আৰু প্ৰকৃত পাপ

(ঘ) সমৰ্পন

(ঙ) সিদ্ধান্ত

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অসত্য

(খ) সত্য

(গ) সত্য

(ঘ) সত্য।

১৪.১২ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ খ্ৰীষ্টান ধৰ্মই প্ৰকৃতি আৰু দ্বৈবত্বৰ একাত্মক বিশ্বাস কৰিছিল নে নাই ক'ক।

প্ৰশ্ন ২ ঃ খ্ৰীষ্টান ধৰ্মৰ বিশ্বাস অনুসৰি এই জগতখনৰ সৃষ্টি কেনেকৈ হৈছিল।

প্ৰশ্ন ৩ ঃ কোৰাণৰ দ্বাৰা মানুহক কি চৰিত্ৰ ৰূপায়ন কৰিবলৈ দিয়া হৈছে?

প্ৰশ্ন ৪ ঃ ইছলাম ধৰ্মত সৃষ্ট সত্তাৰ অনুক্ৰমৰ ভিতৰত মানুহৰ স্থান কি?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ পৰিৱেশি সংৰক্ষণৰ ক্ষেত্ৰত সমসাময়িক মুছলমান পৰিবেশবিদসকলৰ আন্দোলনৰ ভূমিকা কি?

প্ৰশ্ন ২ ঃ খ্ৰীষ্টান ধৰ্মৰ প্ৰকৃতি মানৱীয়তা আৰু ঈশ্বৰৰ মাজৰ সম্বন্ধক বুজোৱা মূল আধাৰ কি?

প্ৰশ্ন ৩ ঃ ইছলামৰ মতে পৃথিৱীত মানুহৰ চৰিত্ৰ কি?

প্ৰশ্ন ৪ ঃ খ্ৰীষ্টান আৰু ইছলাম ধৰ্মৰ পৰিৱেশসম্বন্ধীয় ধাৰণাবোৰৰ মাজত থকা পাৰ্থক্যবোৰ কি কি?

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ পাৰিপাৰ্শ্বিক নীতিশাস্ত্ৰ সম্পৰ্কে খ্ৰীষ্টানসকলৰ ধাৰণাৰ ওপৰত এখন ৰচনা লিখক।

প্ৰশ্ন ২ ঃ খ্ৰীষ্টান ধৰ্মৰ বিপক্ষে উত্থাপিত হোৱা মানৱ কেন্দ্ৰীকতাবাদৰ মতবাদক ন্যায়সঙ্গতভাৱে বিচাৰ কৰিব পৰা যায় নে? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সমসাময়িক ইছলামীয় পাৰিপাৰ্শ্বিক চিন্তাৰ ওপৰত এটি টোকা লিখক।

*** **** ***

অধ্যায় ১৫ ঃ যুদ্ধ আৰু ইয়াৰ নৈতিক তাৎপর্য

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ যুদ্ধৰ ধাৰণা
১৫.৪ যুদ্ধৰ বিপক্ষে থকা যুক্তি
১৫.৫ যুদ্ধৰ বিপক্ষে যুক্তি
১৫.৬ যুদ্ধক নৈতিকভাৱে বিচাৰ কৰিব পাৰিনে নোৱাৰি?
১৫.৭ সামৰণি
১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৯ অধিক জানিবলৈ অগ্রগতিৰ খতিয়ান
১৫.১০ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যুদ্ধ কি বুজিবলৈ সক্ষম হ'ব
- যুদ্ধৰ ন্যায়সঙ্গত বিশ্লেষণ কৰিব পাৰিব
- যুদ্ধৰ ঋণাত্মক প্রতিক্রিয়াক বিশ্লেষণ কৰিব পাৰিব
- যুদ্ধ নৈতিকভাৱে উচিত হয়নে নহয় তাক বিচাৰ কৰিব পাৰিব
- বিশ্লেষণাত্মক দর্শনত সমসাময়িক বিকাশৰ বিষয়ে জানিব পাৰিব।

১৫.২ পৰিচয়

যুদ্ধ হৈছে প্রদেশসমূহ, সম্পত্তি, সংস্কৃতি বা অন্যান্য বিষয়ৰ ক্ষেত্রত মানুহৰ মাজত হোৱা এক আক্রমণাত্মক অৱস্থা। ই এক বৃহৎ বিনাশকার্যক অন্তর্ভুক্ত কৰে। এইটো অধ্যায়ত আমি যুদ্ধৰ ধাৰণা, যুদ্ধৰ ন্যায়সঙ্গত ভেঁটি, যুদ্ধৰ ঋণাত্মক প্রতিক্রিয়া আৰু যুদ্ধক নৈতিকভাৱে বিচাৰ কৰিব পৰা যায় নে নাযায় ইত্যাদি বিষয়ৰ আলোচনা কৰিম। যুদ্ধক কোনোপধ্যে স্বীকাৰ কৰিব নোৱাৰি আৰু নিশ্চিতভাৱে যুদ্ধক ত্যাগ কৰিব লাগে কাৰণ যুদ্ধই বহুত বিনাশ সাধন কৰে আৰু যুদ্ধত জড়িত সকলোৰে বিস্তৰ ক্ষতি কৰে। কিন্তু কিছুমান ক্ষেত্রত যুদ্ধক

আওকাণ কৰিব নোৱাৰি। দৰাচলতে কিছুমান বিষয়ত যুদ্ধৰ অবিহনে সামাজিক অন্যায়, ৰাজনৈতিক ত্যাগক অন্যান্য দলৰ দ্বাৰা শাসন কৰা তথা অন্যান্য ঋণাত্মক প্রভাৱ পৰা দেখা যায়। এই অধ্যায়ত আমি যুদ্ধৰ ন্যায়সঙ্গত বিচাৰ কিমানদূৰ সম্ভৱ আৰু যুদ্ধৰ ঋণাত্মক প্রভাৱৰ বিষয়ে আলোচনা কৰিম।

১৫.৩ যুদ্ধৰ ধাৰণা

যুদ্ধ হ'ল এক বিৰোধাত্মক অৱস্থা যি উৎপন্ন হয় দুজন বা বহু ব্যক্তিৰ মাজত নাইবা যুক্তি, ভূমি, সংস্কৃতি, ধর্ম বা অন্যান্য বিষয়ত দলসমূহৰ মাজত হোৱা অসন্তোষ্টিৰ কাৰণে। ই হ'ল হিংসাৰ এক চুড়ান্ত আকাৰ যি ধ্বংস আক্রমণ আৰু মৃত্যুৰ সংখ্যাক অন্তর্ভুক্ত কৰে। বহুতো যুদ্ধই নেতৃত্ব দিয়ে মৃত্যুক বিভিন্ন কৌশলসমূহ উপকৰণসমূহ আৰু আন্তঃগাঠনিৰ ধ্বংসক। ই হ'ল এটা লক্ষ্যত উপনীত হোৱাৰ এক উপায়, ভাল বা বেয়া উদ্দেশ্য পূৰণৰ বাবে ব্যৱহৃত এক অস্ত্র। মাজে সময়ে যুদ্ধৰ উদ্দেশ্যবোৰক কিছুমান ঘটনা যেনে কোনো ব্যক্তিৰ অধিকাৰ, সমতা, ন্যায় আৰু তেনেধৰণৰ অন্যান্য ঘটনা আদিৰ সার্থক পৰিনাম স্বৰূপে স্বীকাৰ কৰা হয়। কিন্তু ই অতি অনিষ্টকৰ কিয়নো যুদ্ধ বিস্তৰভাৱে ধ্বংসৰ লগত জড়িত। যুদ্ধ অৱস্থাত, ই প্রতিযোগিতা বা বিভিন্ন দলৰ বা মানুহৰ মাজত শত্রুতাক অর্ন্তনিহিত কৰে। যুদ্ধই এক অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি কৰে। বহু সময়ত যুদ্ধৰ প্রতিক্রিয়াই ইয়াৰ স্বাভাৱিক পৰিস্থিতিলৈ ঘূৰি যাওঁতে বহু সময় লয়।

তলত যুদ্ধৰ কিছুমান নিশ্চিত কাৰণ আলোচনা কৰা হ'ল —

যুদ্ধৰ মুখ্য কাৰণ হ'ল সম্পত্তি। অর্থনীতিৰ কাৰণেই দেশসমূহ বা মানুহৰ মাজত যুদ্ধই স্থান লাভ কৰে। প্রতিখন দেশেই বা প্রতিজন ব্যক্তিয়ে অর্থনৈতিকভাৱে সবল হ'বলৈ চেষ্টা কৰে। ই সংঘটিত হয় মূল্যবান বস্তু আৰু প্রাকৃতিক সমলৰ বাবে। প্রত্যেক দেশেই অন্যান্য দেশৰ সম্পত্তি অধিকাৰ কৰিবলৈ প্রয়াস কৰে।

সম্পত্তিৰ উপৰিও, প্রতিখন দেশেই তেওঁলোকৰ ভূমি বিস্তাৰৰ জৰিয়তে তেওঁলোকৰ শক্তি বঢ়াবলৈ চেষ্টা কৰে। গতিকে ভূমিৰ বাবেও যুদ্ধ সংঘটিত হয়। তেওঁলোকে তেওঁলোকৰ শাসনাধীত ক্ষেত্র বিস্তাৰ কৰিবলৈ বিচাৰে যি তেওঁলোকৰ মাজত সংঘর্ষৰ সৃষ্টি কৰে। তদুপৰি তেওঁলোকক জীয়াই থাকিবলৈ, খেতি কৰিবলৈ আৰু এনেধৰণৰ অন্যান্য উদ্দেশ্য পূৰণৰ বাবেও ভূমিৰ প্রয়োজন হয়।

ধর্মীয় বিশ্বাসৰ কাৰণেও যুদ্ধ হয়। বহুতো ব্যক্তিয়ে অন্যান্য ধর্মীয় বিশ্বাসীসকলৰ অনুভূতিক গুৰুত্ব নিদিয়াকৈ কেৱল নিজৰ ধর্মীয় নীতিসমূহৰ বিস্তাৰ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে তেওঁলোকৰ নিজৰ ধর্মক শ্রেষ্ঠ :ান কৰিছিল আৰু অন্যান্য ধর্মক তেওঁলোকৰ ধর্ম গ্রহণ কৰিবলৈ আৰু পালন কৰিবলৈ জোৰ দিছিল। ইয়ো ভয়ানক পৰিস্থিতিক নেতৃত্ব দিয়ে আৰু যুদ্ধ সংঘটিত হয়।

যুদ্ধৰ সকলোতকৈ সার্বজনীন কাৰণটো হ'ল প্রতিশোধ লোৱা। যেতিয়া কোনো ব্যক্তি বা ব্যক্তিবিশেষৰ দল বা এখন দেশৰ ক্ষেত্রত কিছু অনুচিত কার্য কৰা হয় তেতিয়া সেই ব্যক্তিজন বা দল বা জাতিটোৱে বা দেশখনে প্রতিশোধ লোৱাৰ চেষ্টা কৰে যিয়ে এক নিৰন্তৰ, কেতিয়াও শেষ নোহোৱা এক পৰিস্থিতিৰ সৃষ্টি কৰে।

পুনৰ কোনো এক ব্যক্তি বা এটা জাতিৰ মাজত আভ্যন্তৰীন অসহমতৰ বাবেও যুদ্ধ সংঘটিত হ'ব পাৰে। ই উৎপত্তি হয় যেতিয়া তেওঁলোকে তেওঁলোকৰ শাসকৰ লগত সন্তুষ্ট নহয়, যেতিয়া তেওঁলোক এক আছুতীয়া স্বাধীন জাতি বা দল গঠন কৰিবলৈ বিচাৰে।

১৫.৪ যুদ্ধৰ সপক্ষে যুক্তি

যিহেতু আমি যুদ্ধৰ ধাৰণাৰ সৈতে পৰিচয় হ'লো এতিয়া আমি যুদ্ধ ন্যায়সঙ্গত হয়নে নহয় তাক জানিম। আমি ইতিমধ্যে জানিসোঁ যুদ্ধই অধিক সংখ্যক ক্ষতি সাধন কৰে আৰু সাধাৰণ জীৱন ধ্বংস কৰে। যুদ্ধৰ পৰিণাম ভয়াবহ। ই লাভতকৈ বেছি ক্ষতিহে কৰে। কিন্তু তথাপিও কিছুমান ক্ষেত্ৰত যুদ্ধ ন্যায়সঙ্গত যিবোৰ তলত আলোচনা কৰা হ'ল —

- **বিকাশশীল আৰু অবিকশিত দেশক সমর্থন কৰিবলৈ ঃ** কিছু কিছু সময়ত বিকাশশীল দেশবোৰে তেওঁলোকৰ শক্তি আৰু স্থিতি প্ৰদৰ্শনৰ কাৰণে আৰু তেওঁলোকৰ শক্তি বিকাশৰ বাবে অবিকশিত দেশ আৰু বিকাশশীল দেশসমূহৰ লগত যুদ্ধ কৰে। ই দুয়োদেশৰ মাজত বহুসংখ্যক ধ্বংসক নেতৃত্ব দিয়ে। দুর্বল ক্ষেত্ৰত বিকাশশীল আৰু অবিকশিত দেশসমূহৰ ধ্বংসৰ পৰিমাণ অধিক। এইধৰণৰ ঘটনাৰ ক্ষেত্ৰত দুর্বলসকলক অবিকশিত আৰু বিকাশশীল দেশসমূহৰ যুদ্ধক সমর্থন কৰাটো যুক্তিসঙ্গত।
- **কোনো ব্যক্তিৰ ধর্মক সংৰক্ষণ কৰিবলৈ ঃ** বহুধৰণৰ ঘটনাৰ ক্ষেত্ৰত ধর্মীয় প্ৰভূত্ব পৰিলক্ষিত হয়। য'ত এটা ধর্মই আন এটা ধর্মক শাসন কৰে আৰু আন ধর্মতকৈ নিজৰ ধর্মক শ্ৰেষ্ঠ প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। সেই ধৰণৰ ঘটনাৰ ক্ষেত্ৰত ব্যক্তিৰ নিজৰ ধর্মক সংৰক্ষণ কৰাৰ বাবে আৰু দেশৰ হিতৰ বাবে যুদ্ধ ন্যায় সঙ্গত।
- **সন্ত্ৰাসবাদ সমর্থনকাৰীসকলৰ বিৰোদ্ধে যুদ্ধ ঃ** বহুসময়ত এখন দেশৰ বিৰুদ্ধে যুদ্ধক ন্যায়সঙ্গত হিচাপে গ্ৰহণ কৰা হয় যিয়ে সন্ত্ৰাসবাদী দলক সংৰক্ষণ কৰে। এটা সন্ত্ৰাসবাদী আক্ৰমণ সমগ্ৰ বিশ্বৰ বাবে হানিকাৰক, কিন্তু যদিহে এখন দেশে নিজৰ হিতৰ বাবে একোটা সন্ত্ৰাসবাদী দলক সংৰক্ষণ কৰে তেতিয়া সেই দেশখনৰ বিৰুদ্ধে যুদ্ধ ন্যায়সঙ্গত।
- **ক্ষেত্ৰ সংৰক্ষণৰ বাবে ঃ** নিজৰ প্ৰদেশ বা ক্ষেত্ৰখনক অন্যান্য দেশৰ কবলৰ পৰা সংৰক্ষণ কৰা কার্যকো চর্ত হিচাপে স্বীকাৰ কৰিব পৰা যায় য'ত যুদ্ধক ন্যায়সঙ্গত বুলি ক'ব পাৰি। সাধাৰণতে দেখা যায় যে দেশসমূহৰ মাজত যুদ্ধ সংঘটিত হয় তেতিয়া, যেতিয়া এখন দেশে আন এখন দেশক অধিকাৰ কৰিবলৈ বিচাৰে। গতিকে, নিজৰ দেশৰ অন্য দেশৰ কবলৰ পৰা সংৰক্ষণ কৰাৰ ক্ষেত্ৰত যুদ্ধ ন্যায়সঙ্গত।

১৫.৫ যুদ্ধৰ বিপক্ষে যুক্তি

যদিও যুদ্ধক কিছুপৰিমাণে সমর্থন কৰিব পৰা যায় কিন্তু ই সম্পূর্ণৰূপে গ্ৰহণযোগ্য নহয়। এতিয়া আমি যুদ্ধৰ পৰিণামবোৰ আলোচনা কৰিমহঁক —

- **জীৱনৰ ক্ষতি ঃ** যুদ্ধই বহুতো নিৰীহ মানুহৰ জীৱন ধ্বংস কৰে। মৌলিকভাৱে সৈনিকসকল যিয়ে তেওঁলোকৰ বিপৰীতপন্থীসকলৰ লগত যুদ্ধ কৰি তেওঁলোকৰ সংৰক্ষণৰ হকে নিজৰ জীৱনৰ আহুতি দিয়ে। তেওঁলোক তেওঁলোকৰ কর্তব্যৰ কাৰণে বাধ্য।

- **অর্থনৈতিক যুক্তি ঃ** যুদ্ধৰ কাৰণেই অর্থনৈতিক দুর্যোগৰ সৃষ্টি হয়। এখন দেশৰ সম্পূর্ণ অর্থনীতি যুদ্ধত বিনষ্ট হৈ যায়। এক বৃহৎ পৰিমাণৰ অর্থ সামগ্রী, সৈনিকৰ প্রশিক্ষণ, আন্তঃগাঁঠনি ইত্যাদিত খৰচ হৈ যায়। মূলধন শেষ হৈ যোৱা কার্যই অর্থনৈতিক ক্ষতিক ইংগিত কৰে যি ক্রমান্বয়ে মুদ্রাস্ফীতিৰ ফালে অগ্রসৰ হয়। প্রশাসনে সেই অর্থনৈতিক ক্ষতি পূৰাবৰ বাবে আনকি মৌলিক বস্তুবোৰৰো কৰ বৃদ্ধি কৰে। যুদ্ধৰ সময়ছোৱাত মানুহৰ অসংস্থাপনতাই কেতিয়াও তেওঁলোকৰ অর্থনৈতিক কার্যাৱলীক সেই একেই ঠাইতে পুনৰ আৰম্ভ কৰিবলৈ উদগনি নজনায় যি বৃহৎ অর্থনৈতিক ক্ষতিহে সূচায়।
- **আবেগিক দুর্বলতা ঃ** যুদ্ধৰ পিছৰ সময়ছোৱাত, সৈনিকসকলৰ পৰিয়ালবর্গ যি নিজৰ আত্মীয়ক হেৰুৱায়, তেওঁলোক আবেগিকভাৱে ভাগি পৰে। তেওঁলোকে স্বাভাৱিক স্থিতিলৈ পুনৰ গুৰি আহিবলৈ বহু সময়ৰ প্রয়োজন হয়। আচলতে, যিসকলে সৈনিক যুদ্ধত নিজৰ জীৱন হেৰুৱায় এক ভয়ংকৰ পৰিস্থিতি অতিক্রম কৰে, সেইসকলে পুনৰ নিজৰ স্বাভাৱিক অৱস্থালৈ ঘুৰি আহিবলৈ বহু সময় লাগে।
- **পৰিবেশমূলক বিনাশ ঃ** যুদ্ধৰ সময়ছোৱাত পৰিৱেশ বিস্তাৰভাৱে ক্ষতি হয়। ই বায়ু প্রদূষণ কৰে, জীৱিত বা জড় সকলোকে ধ্বংস কৰে, বৃহৎ পৰিমাণৰ বনাঞ্চল ধ্বংস, অনিয়ন্ত্রিত চিকাৰ, গঢ়াখহনীয়া আৰু মানুহৰ দ্বাৰা পানী আৰু মাটি প্রদূষিত কৰে যেতিয়া সহস্রাধিক মানুহে এক নতুন স্থানত বসবাস কৰিবলৈ লয়।

১৫.৬ যুদ্ধ নৈতিকভাৱে যুক্তিসঙ্গত হয়নে ?

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে যুদ্ধক নৈতিকভাৱে অশুদ্ধ স্বীকাৰ কৰাতকৈ একো উপযুক্ত নাই কাৰণ যুদ্ধই বৃহৎ ধ্বংসহে সূচায়। প্রত্যেক দেশেই শান্তি অর্থনৈতিক সবলীকৰণ আৰু ৰাজনৈতিক ন্যায় বিচাৰে। কিন্তু এই ইচ্ছাবোৰ যুদ্ধৰ দ্বাৰা ধ্বংস প্রাপ্ত হয়। যুদ্ধই কেৱল আৰু কেৱলমাত্র ধ্বংসৰহে নেতৃত্ব দিয়ে। কোনো দেশেই ইয়াৰ নাগৰিকসকলক যুদ্ধ কৰিবলৈ উদগনি নজনায়। কিন্তু দেশবোৰে যুদ্ধ কৰিবলৈ বাধ্য হয় যেতিয়া তেওঁলোকৰ বিচাৰধাৰাৰ মিল নাথাকে। তেওঁলোকে যুদ্ধ বিচৰাৰ বহুতো কাৰণ আছে, যেনে - প্রদেশসমূহৰ ওপৰত ৰাজনৈতিক নিয়ন্ত্রণ, অর্থনৈতিক শক্তিৰ বিস্তাৰকৰণ আৰু সেইধৰণৰ অন্যান্য কাৰণত। এইক্ষেত্রত ক'ব পাৰি যে যুদ্ধ সকলো ক্ষেত্রতে যেনে সামাজিক ন্যায়, সমতা, কোনো ব্যক্তিৰ নিজৰ দেশৰ সংৰক্ষণ আদিত যুদ্ধ যুক্তিসঙ্গত। কিন্তু যুদ্ধৰ মূল্য আছে বুলি কোনো ক্ষেত্রতে যুদ্ধক যুক্তিসংগত বুলি ক'ব নোৱাৰি। যুদ্ধ সম্পূর্ণৰূপে অর্থনৈতিক কিয়নো ই ধ্বংসৰ বাহিৰে একোৱেই সৃষ্টি নকৰে। সেইকাৰণে যুদ্ধক নৈতিকভাৱে যুক্তিসঙ্গত বা ন্যায়সঙ্গত বুলি উপেক্ষা কৰাটোহে অধিক উচিত।

১৫.৭ সামৰণি

এই অধ্যায়টোৰ সামৰণিত আমি ক'ব পাৰো যে কিছুমান পৰিস্থিতিত যুদ্ধ যুক্তিসঙ্গত আৰু যুদ্ধৰ বহুতো ঋণাত্মক পৰিণতিও আছে। ই সদায় ধ্বংসকে সূচায়। ই মানুহৰ অর্থনীতি আৰু পৰিবেশৰো বিস্তৰ ক্ষতি সাধন কৰে।

ই সর্বসাধাৰণৰ মাজতো ভয়ৰ সঞ্চাৰ কৰে। ফলাফলে তেওঁলোকক নিজৰ পূর্বৰ পৰিস্থিতিলৈ ঘূৰি যাবলৈ বহু সময়ৰ প্রয়োজনীয়তা নির্ধাৰণ কৰে। মাজে সময়ে, যুদ্ধৰ প্রভাৱৰ পৰা সম্পূর্ণৰূপে উদ্ধাৰ পাব নোৱাৰি। গতিকে, আমি নিশ্চিতভাৱে যুদ্ধৰ পৰা আঁতৰি থাকিব লাগে, কিন্তু আমি ইয়াকো আলোচনা কৰিছো যে কিছুমান ক্ষেত্রত যুদ্ধক আওকাণ কৰিব নোৱাৰি। সেই বোৰ হ'ল অন্য দলৰ দ্বাৰা ধার্মিক প্রভাৱ অন্যান্য ব্যক্তিবিশেষৰদ্বাৰা ৰাজনৈতিক নিয়ন্ত্রণ, সামাজিক অন্যায় আৰু সেইধৰণৰ অন্যান্য পৰিস্থিতি। গতিকে আমি যুদ্ধৰ কাৰণবোৰৰ ওপৰত গুৰুত্ব দিব লাগে। নিশ্চিতভাৱে যুদ্ধ সংঘটিত হোৱাৰ মূল কাৰণ কি আমি তাক লক্ষ্য কৰিব লাগে। যদিহে কাৰণটো যুক্তিসঙ্গত হয় তেতিয়া সেইধৰণৰ ঘটনাৰ ক্ষেত্রটো যুদ্ধৰ যুক্তিযুক্ততা বিচাৰ কৰিব পাৰি। কিন্তু কোনো ঘটনাৰ ক্ষেত্রতে যুদ্ধৰ নৈতিক মূল্য আছে বুলি ক'ব নোৱাৰি। যুদ্ধক কোনোপধ্যে নৈতিকভাৱে ন্যায়সঙ্গত বুলি ক'ব পৰা নাযায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ যুদ্ধ কি?

প্রশ্ন ২ ঃ যুদ্ধৰ কাৰণবোৰ কি কি?

প্রশ্ন ৩ ঃ যুদ্ধ সম্পূর্ণৰূপে ন্যায়সঙ্গত হয়নে?

প্রশ্ন ৪ঃ যুদ্ধৰ নৈতিকভাৱে ন্যায়সঙ্গত হয়নে নহয়?

১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যুদ্ধ হৈছে এটা সংঘর্ষৰ অৱস্থা যি উৎপন্ন হয় দুজন বা বহু ব্যক্তিৰ মাজত নাইবা যুক্তি, ভূমি সংস্কৃতি, ধর্ম বা অন্যান্য বিষয়ত দলসমূহৰ মাজত হোৱা অসন্তুষ্টিৰ কাৰণে।
- যুদ্ধ হ'ল কোনো লক্ষ্যত উপনীত হোৱাৰ এক উপায়, ভাল বা বেয়া উদ্দেশ্য পূৰণৰ বাবে ব্যৱহৃত হোৱা এক অস্ত্র।
- যুদ্ধ সংঘটিত হোৱাৰ কাৰণবোৰ হ'ল এটা দল বা এটা জাতিৰ মাজত থকা সম্পত্তি, ভূমিৰ বিস্তাৰ, ধর্মীয় বিশ্বাস, প্রতিশোধ বা আন্তৰিক অসন্তুষ্টি।
- অন্যান্য বহুতো কাৰণত যেনে — নিজৰ ৰাজ্যখনক সংৰক্ষণৰ ক্ষেত্রত নিজৰ ধর্মক অন্য ধর্মৰদ্বাৰা বশ্যতা বা প্রভাৱ বিস্তাৰৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্রত, যিবোৰ দেশে সন্ত্রাসবাদীসকলক আশ্রয় দিয়ে তথা অবিকশিত আৰু বিকাশশীল দেশবোৰক তেওঁলোকৰ বিকশিত দেশৰ লগত হোৱা যুদ্ধৰ সময়ত সমর্থন কৰে সেইবোৰ দেশৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্রত যুদ্ধক ন্যায়সঙ্গত বুলি ক'ব পাৰি।
- যুদ্ধ সম্পূর্ণৰূপে গ্রহণযোগ্য নহয় কাৰণ যুদ্ধই জীৱন সম্পত্তি, অর্থনীতি আৱেগিক ক্ষতি পৰিৱেশৰ ধ্বংসকহে সূচায়।
- প্রতিখন দেশেই শান্তি, অর্থনৈতিক সবলতা, সামাজিক ন্যায়, সমতা আৰু ৰাজনৈতিক ন্যায় কামনা কৰে।

- যুদ্ধই বৃহত্তৰ ধ্বংসৰ সূচনা কৰে।
- যদিও কিছু কিছু ক্ষেত্রত যুদ্ধক স্বীকাৰ কৰা হয় তথাপিও কিন্তু যুদ্ধক কোনোপধ্যে কেতিয়াও নৈতিকভাৱে উচিত বুলি গ্রহণ কৰা নহয়।

১৫.৯ অধিক জানিবলৈ

1. Ghai, K.K. International Relations, Kalyani Publishers.
2. Ghose Peu, International Relations, PHI Publishing.
3. Khanna V.N. International Relations. Vikash Publishing House.

১৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ যুদ্ধ হৈছে সংঘর্ষৰ এনে এটা অৱস্থা যি উৎপন্ন হয় দুজন বা ততোধিক ব্যক্তি নাইবা দলৰ মাজত যুক্তি, ভূমি, সংস্কৃতি ,ধর্ম বা অন্যান্য বিষয়ৰ বাবে হোৱা অসন্তুষ্টি।

২ নং প্রশ্নৰ উত্তৰ ঃ যুদ্ধৰ কাৰণবোৰ হ'ল — সম্পত্তি, ভূমি বিস্তাৰ, ধর্মীয় বিশ্বাস প্রতিশোধ বা বিভিন্ন দল বা দেশৰ মাজত থকা আন্তৰিক অসন্তুষ্টি।

৩ নং প্রশ্নৰ উত্তৰ ঃ নহয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ নহয়।

১৫.১১ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ যুদ্ধ কি?

প্রশ্ন ২ ঃ যুদ্ধ সৃষ্টি হোৱাৰ প্রধান কাৰণটো কি?

প্রশ্ন ৩ ঃ যুদ্ধ ন্যায়সঙ্গত হয়নে?

প্রশ্ন ৪ ঃ যুদ্ধৰ ঋণাত্মক পৰিমাণসমূহ কি কি?

(খ) চমু প্রশ্ন (প্রায়.৷ ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ যুদ্ধৰ ধাৰণাটো বর্ণনা কৰক।

প্রশ্ন ২ ঃ যুদ্ধ উৎপত্তি হোৱাৰ কাৰণবোৰ কি কি? চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ কি কি অৱস্থাত যুদ্ধক ন্যায়সঙ্গত বুলি ক'ব পাৰি চমুকৈ আলোচনা কৰক।

(গ) দীঘল প্রশ্ন (প্রায়.। ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন **১** ঃ যুদ্ধৰ নৈতিকভাৱে যুক্তিসঙ্গত হয়নে?

প্রশ্ন **২** ঃ যুদ্ধৰ যুক্তিযুক্ততাৰ বিশ্লেষণ কৰক।

প্রশ্ন **৩** ঃ "যুদ্ধই বৃহৎ ধ্বংসৰ সূচনা কৰে।" আলোচনা কৰক।

*** **** ***

প্ৰসঙ্গ পুথি

ইংৰাজী গ্ৰন্থ ঃ

1. Rachels, J (ed) Moral Problems.
2. Edited by Singer, Peter- Applied Philosophy
3. Edited by Singer, Peter- Applied Ethics
4. Singer, Peter- Practical Ethics
5. John, H. Piet and Ayodhya Prasad- An Introduction to Applied Ethics
6. Honderich T, (1995), Oxford Companion to Philosophy, Oxford University Press.
7. Jamieson, Dale. (2009) *Ethics and Environment*. Cambridge: Cambridge University Press,
8. Rolston Holmes, (1989) *Environmental Ethics*. Temple University Press,
9. Patrick Hayden. (2001) *Philosophy of Human Right, Readings in Context*. Paragaon House Publishers.
10. Internal Encyclopedia of Philosophy- Human Rights.